আত্মশিকন সামগ্ৰী

# ৰাজনীতি বিজ্ঞান

## POLITICAL SCIENCE

## ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি

## (Indian Government and Politics)

## পাঠ্যক্ৰম - PSCG-301

**খণ্ড — ১, ২**

**(Block - 1 & 2)**

খণ্ড — ১ ঃ ভাৰতীয় সংবিধানৰ পটভূমি

**(Block - 1: The Background of Indian Constitution)**

খণ্ড — ২ ঃ ভাৰতীয় সংবিধান ঃ মূল দিশসমূহ

**(Block - 2: Indian Constitution : Basic Aspects)**

মুক্ত আৰু দূৰশিক্ষা সঞ্চালকালয়
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় - ৭৮৬০০৪

২

# POLITICAL SCIENCE

## COURSE : PSCG - 301

## BLOCK - 1 & 2

**ISBN NO. : 978-93-82785-09-5**

***Contributors :***

**Block - 3**

Unit -1 * Sri Raj Jyoti Saikia
Gogamukh College, Dhemaji

Unit -2 * Sri Dhruba Jyoti Saikia
Kakojan College, Jorhat

Unit -3 * Sri Santisaya Boruah
J.D.S.G. College, Bokakhat

Unit -4 * Sri Anita Sarma
M.D.K.G. College, Dibrugarh

**Block - 4**

Unit -1 * Sri Raj Jyoti Saikia
Gogamukh College, Dhemaji

Unit -2 * Sri Jayanta Madhab Bora
Kamarbandha College, Golaghat

Unit -3 * Sri Dhruba Jyoti Saikia
Kakojan College, Jorhat

***Editor :***

**Prof. (Retd.) Thaneshwar Lahon**
Deptt. of Political Science
Dibrugarh University

© Copy right by Directorate of Open and Distance Learning, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form of by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Directorate of Open and Distance Learning, Dibrugarh University by the Director, DODL, D.U. and printed at **Quick Offsets, Dibrugarh.**

**Acknowledgement**

*The Directorate of Open & Distance Learning, Dibrugarh University duely acknowledges the financial assistance from the Directorate of Open & Distance Learning Council, IGNOU, New Delhi for preparation of this Self Learning Material.*

# ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি
# (Indian Government and Politics)
## পাঠ্যক্ৰম - PSCG - 301
## বিষয়সূচী

খণ্ড - ১

গোট - ১ ঃ **ভাৰতত জাতীয়তাবাদৰ বিকাশ** ৭ - ২০
উদ্দেশ্য, প্ৰস্তাৱনা, ভাৰতত জাতীয়তাবাদৰ উৎপত্তি, ভাৰতীয় জাতীয়তাবাদৰ উদ্দেশ্য, আত্মমূল্যায়নৰ প্ৰশ্ন, ভাৰতত জাতীয়তাবাদৰ উৎপত্তিৰ কাৰণ, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, আৰ্হি প্ৰশ্ন, প্ৰসংগ পুথি।

গোট - ২ ঃ **ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু মুছলীম লীগ** ২১ - ৪১
উদ্দেশ্য, প্ৰস্তাৱনা, ভাৰতীয় জাতীয় কংগ্ৰেছ, ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম আৰু বিকাশ, কংগ্ৰেছে উত্থাপন কৰা দাবীসমূহ, কংগ্ৰেছৰ নৰমপন্থী আৰু চৰমপন্থী গোট, আত্মমূল্যায়নৰ প্ৰশ্ন, চৰমপন্থীসকলৰ অভ্যুত্থানৰ কাৰণ, স্বাধীনতা আন্দোলনত চৰমপন্থীসকলৰ প্ৰভাৱ, ভাৰতৰ স্বাধীনতা আন্দোলনত জাতীয় কংগ্ৰেছৰ ভূমিকা, আত্মমূল্যায়নৰ প্ৰশ্ন, মুছলীম লীগ, মুছলীম সাম্প্ৰদায়িকতাবাদৰ বিকাশ আৰু মুছলীম লীগৰ জন্ম, মুছলীম লীগৰ উদ্দেশ্য, মুছলীম লীগৰ ৰাজনীতি, হিন্দু-মুছলমানৰ মাজৰ সংঘৰ্ষ, আত্মমূল্যায়নৰ প্ৰশ্ন, মুছলীম লীগত বিভাজন, জিন্নাৰ সাম্প্ৰদায়িক ৰাজনীতি, পাকিস্থানৰ দাবীৰ কাৰণসমূহ, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্ন সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি, আৰ্হি প্ৰশ্ন।

গোট - ৩ ঃ **১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন, ভাৰত ত্যাগ আন্দোলন, ১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতা আইন** ৪২ - ৬৯
উদ্দেশ্য, প্ৰস্তাৱনা, ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন, ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ বৈশিষ্ট্যসমূহ, আত্মমূল্যায়নৰ প্ৰশ্ন, যুক্তৰাষ্ট্ৰীয় প্ৰস্তাৱ, যুক্তৰাষ্ট্ৰীয় চৰকাৰ গঠনৰ প্ৰকৃতি, যুক্তৰাষ্ট্ৰীয় চৰকাৰ ব্যৱস্থাৰ আসোঁৱাহ, যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা প্ৰত্যাখান, আত্মমূল্যায়নৰ প্ৰশ্ন, ১৯৩৫ চনৰ আইনৰ কাৰ্যকাৰিতা, ১৯৩৫ চনৰ আইনৰ মূল্যায়ন, ১৯৩৫ চনৰ আইন অনুসৰি প্ৰাদেশিক স্বায়ত্ব শাসনৰ কাৰ্যকাৰিতা, আত্মমূল্যায়নৰ প্ৰশ্ন, ভাৰত ত্যাগ আন্দোলন, আন্দোলনৰ ওপৰত চৰকাৰৰ দমনমূলক ব্যৱস্থা, বিভিন্ন, ৰাজনৈতিক দলসমূহৰ ভূমিকা, আত্মমূল্যায়নৰ প্ৰশ্ন, মহাত্মা গান্ধীৰ ঐতিহাসিক অনশন, আন্দোলনৰ বিফলতা, আন্দোলনৰ বিফলতা, আন্দোলনৰ মূল্যায়ন, আত্মমূল্যায়নৰ প্ৰশ্ন, ১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতা আইন,

স্বাধীনতা আইন প্ৰণয়নৰ পৰিস্থিতি উদ্ভৱ হোৱা কাৰণসমূহ, ১৯৪৭ চনৰ স্বাধীনতা আইনৰ ব্যৱস্থাসমূহ, দেশীয় ৰাজ্যসমূহৰ চামিলকৰণ, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, প্ৰসঙ্গ পুথিৰ নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসঙ্গ পুথি, আৰ্হি প্ৰশ্ন।

গোট - ৪ ঃ **ভাৰতীয় সংবিধানৰ প্ৰস্তুতি পৰ্ব** ৭০ - ৭৯

উদ্দেশ্য, প্ৰস্তাৱনা, কেবিনেট মিছন আৰু সংবিধানৰ সভা গঠন, ভাৰতীয় সংবিধান সভাৰ দোষ-ত্ৰুটিসমূহ, সংবিধান প্ৰস্তুতিৰ সময়ত সংবিধান সভাই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ, উদ্দেশ্যধৰ্মী প্ৰস্তাৱ, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, প্ৰসংগ পুথি, সম্ভাব্য পুথি, আৰ্হি উত্তৰ।

**খণ্ড - ২**

গোট - ১ ঃ **ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনা** ৮১ - ১০০

উদ্দেশ্য, প্ৰস্তাৱনা, ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা, আত্মমূল্যায়নৰ প্ৰশ্ন, ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ আদৰ্শ, ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা তাৎপৰ্য, আত্মমূল্যায়নৰ প্ৰশ্ন, ভাৰতীয় সংবিধানৰ বৈশিষ্ট্য, আত্মমূল্যায়নৰ প্ৰশ্ন, ভাৰতীয় সংবিধানখন দীঘলীয়া হোৱাৰ কাৰণসমূহ, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি, আৰ্হি প্ৰশ্ন।

গোট - ২ ঃ **ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ; মৌলিক কৰ্তব্য আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ** ১০১ - ১২৬

উদ্দেশ্য, প্ৰস্তাৱনা, মৌলক অধিকাৰৰ অৰ্থ, ভাৰতীয় সংবিধানত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহ, মৌলিক অধিকাৰৰ বৈশিষ্ট্য, মৌলিক অধিকাৰৰ সীমাবদ্ধতা, মৌলিক অধিকাৰৰ গুৰুত্ব, মৌলিক অধিকাৰ সংশোধন কৰিব পাৰিনে, আত্মমূল্যায়নৰ প্ৰশ্ন, নিৰ্দেশাত্মক নীতি, ভাৰতীয় সংবিধানত সন্নিবিষ্ট নিৰ্দেশাত্মক নীতিসমূহ, নিৰ্দেশাত্মক নীতিৰ বৈশিষ্ট্য, নিৰ্দেশাত্মক নীতিৰ গুৰুত্ব আৰু তাৎপৰ্য, মৌলিক অধিকাৰ আৰু নিৰ্দেশাত্মক নীতিৰ পাৰ্থক্য, আত্মমূল্যায়নৰ প্ৰশ্ন, মৌলিক কৰ্তব্য, বাৰতীয় সংবিধানত থকা নাগৰিকৰ মৌলিক কৰ্তব্য, মৌলিক কৰ্তব্যৰ প্ৰকৃতি, মৌলিক কৰ্তব্যৰ গুৰুত্ব, মৌলিক কৰ্তব্যৰ সমালোচনা, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি, আৰ্হি প্ৰশ্ন।

গোট - ৩ ঃ **ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনা** ১২৭ - ১৪২

উদ্দেশ্য, প্ৰস্তাৱনা, ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়া, ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ বৈশিষ্ট্য, সংবিধান সংশোধনৰ পদ্ধতিসমূহ, আত্মমূল্যায়নৰ প্ৰশ্ন, সংবিধান সংশোধন প্ৰক্ৰিয়াৰ আসৌৱাহসমূহ, সংবিধানৰ মূল গাঁথনি আৰু ইয়াৰ সংশোধন, আত্মমূল্যায়নৰ প্ৰশ্ন, ভাৰতীয় সংবিধানৰ গুৰুত্বপূৰ্ণ সংশোধনীসমূহ, ছয়চ তম্ সংশোধনী আইনৰ বৈশিষ্ট্যসমূহ, জ্জনং সংশোধনী আইনৰ বিধানসমূহ, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি, আৰ্হি প্ৰশ্ন।

# ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি
# (Indian Government and Politics)
## পাঠ্যক্ৰম - PSCG - 301

## খণ্ড-১
## (Block -1)
## ভাৰতীয় সংবিধানৰ পটভূমি

**পাঠ্যক্ৰমৰ পৰিচয় (Block Introduction)**

এই খণ্ডটি 'ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি' পাঠ্যক্ৰমৰ প্ৰথম খণ্ড। এই খণ্ডটিত ভাৰতীয় সংবিধানৰ পটভূমিৰ কেইটামান অতি প্ৰয়োজনীয় দিশ আলোচনা কৰা হৈছে।

প্ৰথম খণ্ডটি চাৰিটা গোটত ভাগ কৰা হৈছে।

প্ৰথম গোটত ভাৰতত জাতীয়তাবাদৰ বিকাশ সম্পৰ্কে আলোচনা কৰা হৈছে। ২য় গোটত ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু সৰ্বভাৰতীয় মুছলীম লীগৰ গঠন, বিকাশৰ লগতে ভাৰতৰ ৰাজনীতিত ইয়াৰ ভূমিকা আলোচনা কৰা হৈছে। ৩য় গোটত ভাৰত চৰকাৰ আইন ১৯৩৫, ভাৰত ত্যাগ আন্দোলন আৰু ভাৰতৰ স্বাধীনতা আইন ১৯৪৭ চন সম্পৰ্কে আলোচনা কৰা হৈছে। ৪ৰ্থ গোটত ভাৰতীয় সংবিধান প্ৰণয়ন সম্পৰ্কে আলোচনা কৰা হৈছে।

ভাৰতবৰ্ষ এখন বিশাল দেশ। ভৌগলিক মাটিকালি আৰু জনসংখ্যাৰ ফালৰ পৰা এই দেশখনক এক উপমহাদেশৰূপে অভিহিত কৰিব পাৰি। ভিন্ন ভৌগলিক অৱস্থান আৰু জলবায়ু বিৰাজমান হৈ থকা দেশখনৰ সংস্কৃতি হাজাৰ বছৰীয়া পুৰণি। নানা জাতি, উপ-জাতি, বিভিন্ন ধৰ্মাৱলম্বী আৰু সংস্কৃতিৰ লোকে বসবাস কৰা ভাৰতবৰ্ষৰ ঐতিহ্য আৰু পৰম্পৰা অতুলনীয়।

ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা দেশখন সংসদীয় গণতন্ত্ৰৰ দ্বাৰা পৰিচালিত হৈ আছে। পৃথিবীৰ ভিতৰতে বৃহৎ গণতন্ত্ৰৰূপে চিহ্নিত হোৱা ভাৰতবৰ্ষৰ সংবিধানখনো বৃহৎ কলেৱৰৰ। এই সংবিধানখন গঢ় লৈ উঠাৰ নিৰ্দিষ্ট কিছুমান কাৰক তথা ঐতিহাসিক পটভূমি আছে। এই খণ্ডটোত অন্তৰ্ভূক্ত গোট কেইটাত এই সম্পৰ্কে আলোচনা কৰা হৈছে। এই খণ্ডটি পঢ়ি তোমালোকে ভাৰতীয় সংবিধানৰ পটভূমিৰ সম্বন্ধে ভালদৰে জানিবলৈ সক্ষম হ'বা।

# গোট- ১
# (Unit -1)
## ভাৰতত জাতীয়তাবাদৰ বিকাশ
## (Growth of Indian Nationalism)

**গঠন বিন্যাস (Structure) ঃ**

১.০ উদ্দেশ্য
১.১ প্রস্তাৱনা
১.২ ভাৰতত জাতীয়তাবাদৰ উৎপত্তি
১.৩ ভাৰতীয় জাতীয়তাবাদৰ উদ্দেশ্য
আত্মমূল্যায়নৰ প্ৰশ্ন
১.৪ ভাৰতত জাতীয়তাবাদৰ উৎপত্তিৰ কাৰণ
আত্মমূল্যায়নৰ প্ৰশ্ন
১.৫ সামৰণি
ঘাই শব্দসমূহ
পাঠ্য নিৰ্দ্দেশনা
আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ
আৰ্হি প্ৰশ্ন
প্ৰসংগ পুথি

## ১.০ উদ্দেশ্য (Objectives) ঃ

এই গোটটো পঢ়াৰ পাছত তোমালোকে -

- জাতীয়তাবাদৰ উদ্দেশ্য সম্পৰ্কে জানিব পাৰিবা।
- জাতীয়তাবাদ কি সেই বিষয়ে সম্যক জ্ঞান লাভ কৰিবা।
- ভাৰতবৰ্ষত জাতীয়তাবাদ কেতিয়াৰ পৰা আৰম্ভ হৈছিল সেই বিষয়ে জ্ঞাত হ'বা।
- ভাৰতবৰ্ষত জাতীয়তবাদৰ উৎপত্তিৰ বিভিন্ন কাৰণসমূহৰ বিষয়ে জানিব পাৰিবা।
- ভাৰতবৰ্ষত জাতীয়তবাদে স্বাধীনতা লাভৰ ক্ষেত্ৰত কিদৰে ভূমিকা পালন কৰিছিল সেই সম্পৰ্কে অৱগত হ'ব পাৰিবা।

## ১.১ প্ৰস্তাৱনা (Introduction) ঃ

এই গোটটি পঢ়ি তোমালোকে ভাৰতবৰ্ষত জাতীয়তাবাদৰ কিদৰে উৎপত্তি হৈছিল সেই বিষয়ে জানিব পাৰিবা। বৃটিছৰ শাসন কালত ভাৰতবৰ্ষত বসবাস কৰা সকলো নাগৰিকে নানান দুখ-কষ্ট ভোগ কৰিবলগীয়া হৈছিল। ১৬০০ খ্ৰী:ত ইংলেণ্ডত গঠিত হোৱা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে (East India Company) ১৬১৩ খ্ৰী:ত ইংলেণ্ডৰ ৰাণীৰ পৰা অনুমতি পত্ৰ লৈ প্ৰথম চুৰাটত এটা উদ্যোগ স্থাপনেৰে ভাৰতবৰ্ষত বেহা-বেপাৰ আৰম্ভ কৰে আৰু লাহে-লাহে সাম্ৰাজ্য বিস্তাৰৰ বাবে মন মেলে। লাহে লাহে এখন এখনকৈ ভাৰতবৰ্ষৰ বিভিন্ন ঠাই অধিকাৰ কৰি ১৭৫৬ চনৰ ভিতৰত প্ৰায় সমগ্ৰ ভাৰতৰে শাসক হৈ পৰে। ১৮৫৭ চনলৈ এই ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতবৰ্ষৰ শাসনভাৰ চলাই যাবলৈ সক্ষম হৈছিল আৰু ১৮৫৭ চনৰ পাছতেই ভাৰতৰ শাসন ব্যৱস্থা ইষ্ট ইণ্ডিয়া কোম্পানীৰ পৰা পোনপটীয়াকৈ বৃটিছ চৰকাৰৰ অধীনলৈ যায় আৰু বৃটিছ চৰকাৰে ১৯৪৭ চনৰ ১৪ আগষ্টলৈকে ভাৰতবৰ্ষ শাসন কৰে।

বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানীৰ ভাৰতলৈ আগমন ঘটাৰ পৰা ১৮৫৭ চনলৈকে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত দেশীয় ৰজা-মহাৰজাসকলৰ ৰাজ্যসমূহ নানা ধৰণৰ কৌশল, বুদ্ধি-সন্ধি কৰি ইংৰাজসকলে নিজৰ অধীনলৈ নিয়ে। কিন্তু বৃটিছৰ শাসন ব্যৱস্থাত ভাৰতীয় চিপাহীসকল বা সাধাৰণ ভাৰতীয় মানুহবিলাকেও নানা কাৰণত ইংৰাজ শাসনৰ প্ৰতি অসন্তুষ্ট হৈছিল। এনে পটভূমিত ১৮৫৬ চনৰ ফেব্ৰুৱাৰী মাহত গৰ্ভৰ্ণৰ জেনেৰেল লৰ্ড ডেলহাউচিৰ ঠাইত লৰ্ড কেনিংক ভাৰতৰ নতুন গভৰ্ণৰ জেনেৰেল ৰূপে নিযুক্তি দিয়া হয়। তেওঁৰ শাসনকালতেই ১৮৫৭ চনত প্ৰায় সমগ্ৰ ভাৰতবৰ্ষতেই ইংৰাজ শাসনৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ হৈছিল। এই বিদ্ৰোহ ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিৰুদ্ধে ভাৰতীয় চিপাহীসকলৰ

নানা ধৰণৰ অসন্তুষ্টিক কেন্দ্ৰ কৰি গঢ় লৈছিল যদিও অলপ দিনৰ ভিতৰতে ই এক ব্যাপক আকাৰ ধাৰণ কৰে। ভাৰতৰ কৃষক, শ্ৰমিক, সাধাৰণ মানুহ সকলোৱে ইয়াত অংশগ্ৰহণ কৰিছিল। এই চিপাহী বিদ্ৰোহৰ পাছৰে পৰাই ভাৰতীয়সকলৰ মনত জাতীয়তাবাদী মনোভাৱে গা কৰি উঠিবলৈ আৰম্ভ কৰে।

## ১.২. ভাৰতত জাতীয়তাবাদৰ উৎপত্তি ঃ

পৰ্তুগীজ নাৱিক ভাস্কো-দা-গামা ভাৰতবৰ্ষলৈ অহাৰ পিছত ইউৰোপৰ বিভিন্ন দেশৰ পৰা বেহা-বেপাৰৰ সুবিধা বিচাৰি বহুতো বিদেশী বণিক গোষ্ঠী আমাৰ দেশলৈ আহিছিল। এইসকলৰ ভিতৰত গুলন্দাজ, পৰ্তুগীজ, ফৰাচী আৰু ইংৰাজসকল উল্লেখযোগ্য। বেহা-বেপাৰেই মূল উদ্দেশ্য আছিল যদিও সুবিধা বুজি ধৰ্ম প্ৰচাৰ আৰু ৰাজ্য বিস্তাৰৰ কামো তেওঁলোকে হাতত লৈছিল। সাম্ৰাজ্য বিস্তাৰৰ এই প্ৰতিযোগিতাত ইংৰাজসকল কৃতকাৰ্য হৈছিল। বেহা-বেপাৰৰ বাবে ভাৰতলৈ অহা ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে ভাৰতীয় ৰজাসকলৰ দুৰ্বলতাৰ সুযোগ লৈ ভাৰতবৰ্ষত ইংৰাজ শাসন প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰিছিল। ইংৰাজ শাসনৰ বিৰুদ্ধে ১৮৫৭ চনত ভাৰতীয় জাতীয়তাবাদী আন্দোলনৰ প্ৰথম প্ৰকাশ ঘটিছিল চিপাহী বিদ্ৰোহৰ মাজেদি। চিপাহীসকলৰ মাজতে এই বিদ্ৰোহ আবদ্ধ আছিল যদিও ইংৰাজ চৰকাৰৰ বিশ্বাস হৈছিল যে কোম্পানী এটাৰ দায়িত্বত ভাৰতবৰ্ষৰ শাসন থকাটো উচিত নহয় আৰু সেয়েহে ১৮৫৮ চনৰ ভাৰত আইনৰ জৰিয়তে ভাৰতবৰ্ষৰ শাসনৰ দায়িত্ব বৃটিছ চৰকাৰৰ হাতলৈ অনা হয়। মহাৰাণীৰ ঘোষণা পত্ৰৰ জৰিয়তে ভাৰতবৰ্ষৰ প্ৰশাসনৰ ক্ষেত্ৰত ভাৰতীয়লোকক জড়িত কৰিব বুলি আশ্বাস দিয়া হৈছিল যদিও বাস্তৱত সি প্ৰতিফলিত হোৱা নাছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্মৰ সময়লৈকে ইংৰাজ চৰকাৰে ভাৰতীয় লোকক ভাৰতবৰ্ষৰ প্ৰশাসনৰ ক্ষেত্ৰত জড়িত কৰাৰ ব্যৱস্থা লোৱা নাছিল। ফলত ভাৰতীয় লোকে ইংৰাজ চৰকাৰৰ এই নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰিবলগীয়া হৈছিল। ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হোৱাৰ পাছৰ পৰাহে ভাৰতবৰ্ষত জাতীয়তাবাদী আন্দোলনে বাস্তৱ ৰূপত প্ৰকাশ লাভ কৰিবলৈ সুবিধা পাইছিল।

## ১.৩ ভাৰতীয় জাতীয়তাবাদৰ উদ্দেশ্য (Aim of Indian Nationalism)ঃ

আমি সকলোৱে জানো যে ভাৰতৰ জনসাধাৰণক উন্নতিৰ পথত আগুৱাই নিয়াই আছিল ভাৰতীয় জাতীয়তাবাদৰ উদ্দেশ্য কিন্তু ভাৰতবৰ্ষ ব্ৰিটিছ শাসনৰ অধীনত থকাৰ বাবে ই ভাৰতীয় জনসাধাৰণৰ উন্নতিৰ ক্ষেত্ৰত এক বৃহৎ প্ৰত্যাহ্বান হিচাপে থিয় দিছিল। সেয়েহে ক'ব পাৰি ভাৰতীয় জাতীয়তাবাদৰ প্ৰাথমিক উদ্দেশ্য আছিল দেশখনক বিদেশী শাসনৰ পৰা মুক্ত কৰাটো বা স্বাধীনতা লাভ কৰাটো। কিন্তু যদি দেশৰ জনসাধাৰণৰ মাজত একাত্মবোধ আৰু ঐক্য নাথাকে তেতিয়া হ'লে তেনে উদ্দেশ্যক সফল কৰাটো সম্ভৱপৰ নহয়। সেয়েহে ভাৰতীয় জাতীয়তাবাদৰ আন এক মূল উদ্দেশ্য হ'ল ভাৰতৰ সকলো লোকৰ মাজত একতাবোধ ভাৱৰ সৃষ্টি কৰা। সেয়েহে আমি ক'ব পাৰো একতাবোধ আৰু স্বাধীনতা

লাভেই ভাৰতীয় জাতীয়তাবাদৰ মূল উদ্দেশ্য আৰু এই দুটা উদ্দেশ্যৰ লগে লগে ভাৰতীয় জাতীয়তাবাদে ভাৰতৰ জনসাধাৰণৰ অৰ্থনৈতিক আৰু সামাজিক উন্নতিৰ হকে প্ৰচেষ্টা অব্যাহত ৰাখিছিল যিবোৰ আমি ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিভিন্ন সময়ত দেখা পাওঁ।

**আত্মমূল্যায়নৰ প্ৰশ্ন (ক)ঃ**

১) ইষ্ট ইণ্ডিয়া কোম্পানী কেতিয়া গঠন হৈছিল?

---------------------------------------------------------------------

---------------------------------------------------------------------

২) ইংলেণ্ডৰ ৰাণীৰ পৰা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে কেতিয়া অনুমতি পত্ৰ লাভ কৰিছিল?

---------------------------------------------------------------------

---------------------------------------------------------------------

৩) লৰ্ড ডেলহাউচিৰ ঠাইত লৰ্ড কেনিংক কেতিয়া ভাৰতৰ নতুন গভৰ্ণৰ জেনেৰেল হিচাপে নিযুক্তি দিছিল?

---------------------------------------------------------------------

---------------------------------------------------------------------

৪) বেহা-বেপাৰৰ উদ্দেশ্যে ভাৰতলৈ অহা এটা বিদেশী জাতিৰ নাম লিখা?

---------------------------------------------------------------------

---------------------------------------------------------------------

৫) ভাৰতীয় জাতীয়তাবাদৰ এটা উদ্দেশ্য লিখা।

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

## ১.৪ ভাৰতত জাতীয়তাবাদৰ উৎপত্তিৰ কাৰণ (Factors/ causes responsible for the growth of Nationalism in India) ঃ

প্ৰাচীন কালত বা মধ্যযুগত ভাৰতৰ যি ঐক্য আছিল সেয়া আছিল ধৰ্মীয় আদৰ্শগত। বিভিন্ন সময়ৰ ধৰ্মীয় আন্দোলনবোৰ যেনে - বৌদ্ধ ধৰ্মৰ প্ৰচাৰ, পুনৰ শংকৰাচাৰ্যৰ দ্বাৰা হিন্দু ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰ, গুৰু নানক, কবীৰ, চৈতন্য, শংকৰদেৱ আদিৰ ভক্তিমাৰ্গৰ প্ৰচাৰ আদিয়ে সমগ্ৰ ভাৰতবৰ্ষত এক ধৰ্মীয় সামাজিক ঐক্য সাধন কৰিবলৈ সক্ষম হৈছিল যদিও ১৮শ আৰু ১৯শ শতিকাৰ সময়ছোৱাত গঢ়ি উঠা সংস্কাৰধৰ্মী আন্দোলনে ভাৰতীয়সকলৰ মনত নতুন জাতীয় চেতনাবোধ জগাই তুলিছিল। ভাৰতীয় সকলৰ মনত ৰাজনৈতিক ঐক্যৰ চেতনা ১৯শ শতিকাৰ শেষভাগৰ পৰাহে অৰ্থাৎ ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠাৰ পাছৰ পৰাহে আৰম্ভহৈছিল বুলি ক'ব পাৰি। সেয়েহে ক'ব পাৰি ভাৰতীয় মানুহৰ জাতায়তাবাদী ৰাজনৈতিক চেতনা জাগৰণৰ বেছিদিন হোৱা নাই। কাৰ্যতঃ ভাৰতীয় জাতীয়তাবাদী আন্দোলনৰ প্ৰথম প্ৰকাশ ঘটিছিল ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ মাজেদি। কিন্তু চিপাহী বিদ্ৰোহৰ পাছৰ ২৮ টা বছৰত ভাৰতৰ জাতীয়তাবাদী আন্দোলন অতি দুৰ্বল আছিল বুলি ক'ব পাৰি। ১৮৮৫ চনত প্ৰতিষ্ঠা লাভ কৰা ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হোৱাৰ পাছৰ পৰাহে জাতীয়তাবাদী আন্দোলনে বাস্তৱ প্ৰকাশ বিভিন্নধৰণেৰে লাভ কৰিবলৈ সক্ষম হৈছিল। যিবিলাক আমি ভাৰতৰ স্বাধীনতা আন্দোলনৰ বিভিন্ন ঘটনাৱলী অধ্যয়ন কৰিলে বুজি পাম। তলত ভাৰতত জাতীয়তাবাদ বিকাশৰ প্ৰধান কাৰণসমূহ উল্লেখ কৰা হ'ল-

### ১) বৃটিছ শাসনৰ ফল (Impact of British Rule) ঃ

দীৰ্ঘদিনীয়া বৃটিছ শাসনে ভাৰতীয় বুদ্ধিজীৱী কিছুমানক উপলব্ধি কৰাইছিল যে বৃটিছ সাম্ৰাজ্যবাদী স্বাৰ্থ ভাৰতীয় জাতীয় স্বাৰ্থৰ পৰিপন্থী। তেওঁলোকৰ দীৰ্ঘদিনীয়া ৰাজনৈতিক, অৰ্থনৈতিক শোষণে ভাৰতীয় মানুহৰ মনত জাতীয় চেতনাৰ ভাব জগাই তুলিছিল। ইংৰাজসকলে কেতিয়াও ভাৰতক তেওঁলোকৰ নিজৰ ঘৰ বুলি ভবা নাছিল। বৰঞ্চ তেওঁলোকে ভাৰতীয় কলা-সংস্কৃতি আৰু ধৰ্মক অতি নিম্নস্তৰৰ বুলি ঘিণ কৰিছিল। ভাৰতৰ সাধাৰণ মানুহক ইংৰাজসকলে মানুহ জ্ঞান নকৰিছিল। বিদেশী শাসন কৰ্তাৰ এনে মনোভাৱৰ বিৰুদ্ধে শিক্ষিত ভাৰতীয়সকলৰ মনত প্ৰৱল জাতীয়তাবাদী ভাব জাগ্ৰত হৈছিল।

### ২) বৃটিছৰ সাম্ৰাজ্যবাদী নীতি (Imperialistic Policy of the British Govt)ঃ

ইংৰাজসকলে শাসন আৰু শোষণৰ সুবিধাৰ কাৰণে সমগ্ৰ উত্তৰ পূৰ্বাঞ্চল আৰু দাক্ষিণাত্যক ভাৰতৰ আন অঞ্চলসমূহৰ লগত একেলগে শাসন কৰিছিল। ফলস্বৰূপে ইংৰাজ

চৰকাৰৰ শাসনৰ কু-ফল সমগ্ৰ ভাৰতৰ জনসাধাৰণে সমানে ভোগ কৰিব লগা হৈছিল। ইয়াৰ ফলস্বৰূপে ইংৰাজ চৰকাৰৰ বিৰুদ্ধে সমগ্ৰ ভাৰতৰ শিক্ষিত জনসাধাৰণৰ মনত একতাৰ মনোভাৱ জাগ্ৰত হৈছিল। এনে মনোভাৱে জাতীয়তাবাদৰ বিকাশত অৰিহণা যোগাইছিল।

**৩) চিপাহী বিদ্ৰোহৰ প্ৰভাৱ (Influence of the Sepoy Mutiny)ঃ**

১৮৫৭ চনত সংঘটিত হোৱা চিপাহী বিদ্ৰোহেও ভাৰতৰ জাতীয়তাবাদী আন্দোলনৰ বিকাশত অৰিহণা যোগাইছিল। এই আন্দোলনত পিছলৈ ভাৰতৰ বহুতো ৰজা আৰু বহুতো দেশীয় ৰাজ্যৰ ৰজা একত্ৰিত হৈ ইংৰাজৰ বিৰুদ্ধে স্বাধীনতা সংগ্ৰাম কৰিছিল। ৰজা-মহাৰজাৰ লগতে হিন্দু, মুছলমান, সৈনিক, জনসাধাৰণৰ সকলো সম্প্ৰদায়ৰ লোকে এই আন্দোলনত সহযোগ কৰিছিল। ভাৰতৰ প্ৰথম এই স্বাধীনতা সংগ্ৰামত ভাৰতীয়সকল পৰাজয় হ'লেও তেওঁলোকৰ মনত বৃটিছ সাম্ৰাজ্যবাদৰ শোষণৰ পৰা দেশ স্বাধীন কৰা ধাৰণাই গা-কৰি উঠে।

**৪) ইংৰাজৰ বৈষম্যমূলক আচৰণ (Discriminatory Behaviour of the British)ঃ**

ইংৰাজসকলৰ বৈষম্যমূলক আচৰণেও ভাৰতীয়সকলৰ মনত আঘাত দিছিল। সকলো কথা আৰু কামৰ ক্ষেত্ৰত বৃটিছ চৰকাৰে ভাৰতীয়সকলৰ প্ৰতি বৈষম্যমূলক আচৰণ কৰিছিল। বৃটিছসকলে ভাৰতীয়সকলক প্ৰায়েই বেয়া ব্যৱহাৰ কৰিছিল আৰু বেয়া ভাষাৰে গালি পাৰিছিল। ভাৰতীয় মানুহক বৃটিছসকলে সভ্যজাতি হিচাপে গ্ৰহণ কৰিব নিবিচাৰিছিল। ভাৰতীয় লোকক কোনো ধৰণৰ উচ্চ পদৰ চাকৰিত মকৰল নকৰিছিল। সেই অনুপাতে ভাৰতীয় কৰ্মচাৰীৰ বেতনো ইংৰাজ কৰ্মচাৰীৰ তুলনাত অধিক নাছিল। চিপাহী বিদ্ৰোহৰ পাছত ইংৰাজসকলে ভাৰতীয়সকলক অধিক ঘৃণা আৰু অত্যাচাৰ কৰিছিল। ইংৰাজসকলে ভাৰতীয়লোকক 'ক'লা ভাৰতীয়' বুলি ঘৃণা কৰিছিল। ভাৰতীয়সকলৰ পাৰম্পৰাগতভাৱে চলি অহা ৰীতি-নীতিক উপলুঙা কৰিছিল। ইয়াৰ লগতে বিভিন্ন উদ্যোগত কাম কৰা ভাৰতীয় শ্ৰমিকসকলৰ ওপৰত খুব বেয়াকৈ শাৰীৰিক আৰু মানসিক অত্যাচাৰ চলাইছিল। যাৰ ফলত সাধাৰণ মানুহৰ মনত বিদ্ৰোহৰ ভাব জাগি উঠিছিল আৰু ইয়ে পৰৱৰ্তীসময়ত তেওঁলোকৰ মনত স্বাধীনতাৰ ভাব জগাই তুলিছিল।

**৫) পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ (Influence of Western Education)ঃ**

ভাৰতত ইংৰাজী ভাষা আৰু সংস্কৃতিৰ প্ৰসাৰ সাধনেও ভাৰতৰ জাতীয়তাবাদী আন্দোলনৰ বিকাশত ইন্ধন যোগাইছিল। লৰ্ড মেক্‌লে পোন প্ৰথমে ভাৰতত ইংৰাজী শিক্ষা আৰম্ভ কৰিছিল। ইংৰাজী শিক্ষাৰ প্ৰৱৰ্তনৰ ফলস্বৰূপে ভাৰতীয়সকলে ইংৰাজ লেখকসকলৰ লেখনীসমূহ বিশেষকৈ স্বতন্ত্ৰতা, সমতা, ন্যায় নীতি আদি নতুন ধাৰণাসমূহৰ জ্ঞান লাভ কৰিবলৈ সুবিধা পাইছিল। ইংৰাজী শিক্ষাৰে শিক্ষিত ভাৰতীয়সকলে মানৱতাবাদ, উদাৰতাবাদৰ জ্ঞান লাভ কৰাৰ উপৰিও ইউৰোপত সংঘটিত ৰাজনৈতিক ঘটনাৱলীৰ জ্ঞান লাভ কৰিছিল। উদাহৰণস্বৰূপে - ১৯

শতিকাৰ ইটালী আৰু জাৰ্মানীৰ একত্ৰিকৰণে শিক্ষিত ভাৰতীয়সকলক একত্ৰিত হ'বলৈ অনুপ্ৰেৰণা যোগাইছিল। অন্যহাতেদি ইংৰাজী শিক্ষাই ভাৰতীয়সকলক ভাৱ প্ৰকাশ আৰু যোগাযোগ ৰক্ষা কৰাত সুবিধা প্ৰদান কৰিছিল।

**৬) ১৯ শ শতিকাৰ সংস্কাৰ আন্দোলন (Reform Movement of 19 th Century)ঃ**

১৯ শ শতিকাত কেইবাটাও ধৰ্মীয় আৰু সামাজিক আন্দোলন সংঘটিত হৈছিল আৰু ইবিলাকে ভাৰতৰ জনসাধাৰণৰ মনত জাতীয়তাবাদৰ ভাব বিকশাই তোলাত সহায় কৰিছিল। ১৯ শ শতিকাৰ ব্ৰাহ্ম সমাজ, প্ৰাৰ্থনা সমাজ, আৰ্যসমাজ, ৰামকৃষ্ণ মিছন আদি ধৰ্মীয়-সামাজিক সংস্কাৰমূলক সংগঠনবোৰে ভাৰতীয় মানুহৰ মনত জাতীয় চেতনা আৰু ৰাজনৈতিক চেতনাৰ ভাব জগাই তোলাত বিশেষ অৰিহণা আগবঢ়াইছিল। উদাহৰণস্বৰূপে - ব্ৰাহ্ম সমাজৰ প্ৰতিষ্ঠাতা ৰাজা ৰামমোহন ৰায়ে ভাৰতীয় সমাজৰ বৰ্ণ প্ৰথা, অস্পৃশ্যতা, বাল্য বিবাহ আদিৰ দৰে সামাজিক ব্যভিচাৰৰ অন্ত পেলাই সামাজিক একতা আৰু ভাতৃত্ববোধৰ ভাৱ বিকশিত কৰিবলৈ যত্ন কৰিছিল। আৰ্যসমাজৰ প্ৰতিষ্ঠাতা স্বামী দয়ানন্দ সৰস্বতীয়ে সতীদাহ প্ৰথা আৰু অস্পৃশ্যতা দূৰ কৰিবলৈ যত্ন কৰিছিল। একে সময়তে এনি বেচান্টৰ 'থিয়চফিকেল' সমাজেও ভাৰতীয়সকলৰ মাজত মানৱতাবাদী আৰু একতাৰ ভাৱ বিকশিত কৰিছিল।

**৭) ভাৰতীয় সাহিত্য আৰু প্ৰচাৰ মাধ্যম (Growth of Indian Press and Literature)ঃ**

১৯ শতিকাৰ অষ্টম দশকত ভাৰতবৰ্ষত প্ৰায় ৫৪৪ খন বাতৰি কাকত প্ৰকাশিত হৈছিল। ভাৰতীয় স্বত্বাধিকাৰ আৰু ভাৰতীয়ৰ দ্বাৰা সম্পাদিত বাতৰি কাকতবিলাকে জাতীয়তাবাদী ভাৱ বিকশাই তোলাত বিশেষভাৱে সহায় কৰিছিল। হিন্দু, পেট্ৰিয়ত, কেশৰী, ইণ্ডিয়ান মিৰৰ, বম্বে সমাচাৰ, অমৃত বজাৰ পত্ৰিকা আদি বাতৰি কাকতবিলাকে চৰকাৰৰ কাৰ্যাৱলীক সঘনে সমালোচনা কৰিছিল আৰু শিক্ষিত ভাৰতীয়সকলৰ চিন্তাক প্ৰভাৱিত কৰিছিল। ইয়াৰ উপৰিও দীনবন্ধু মিত্ৰ, হেমচন্দ্ৰ বেনাৰ্জী, নাৰায়ন চন্দ্ৰ সেন, বংকিমচন্দ্ৰ চেটাৰ্জীৰ লেখনী আৰু সাহিত্যিক প্ৰকাশে ভাৰতবৰ্ষত চিন্তাৰ বিপ্লৱ আনিছিল আৰু ভাৰতীয়সকলৰ মনত জাতীয়তাবাদৰ বীজ ৰোপন কৰিছিল।

**৮) অৰ্থনৈতিক শোষণৰ প্ৰভাৱ (Economic Exploitation of India) ঃ**

ইংৰাজ চৰকাৰে ভাৰতবৰ্ষত চলোৱা শোষণ নীতিয়েও ভাৰতীয় লোকৰ মাজত জাতীয় চেতনাৰ ভাৱ সৃষ্টি কৰাত সহায় কৰিছিল। কোম্পানীৰ শাসনৰ সময়ত ভাৰতীয় লোকৰ সুখ-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিব বুলি আশ্বাস দিয়া হৈছিল। উদাহৰণস্বৰূপে, ১৮১৩ চনৰ কোম্পানীৰ চনদৰ ম্যাদ বৃদ্ধি কৰি দিয়া সময়ত ভাৰতীয় লোকৰ সুখ-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখিব বুলি ইংৰাজ চৰকাৰে আশ্বাস দিছিল যদিও কাৰ্যক্ষেত্ৰত এনে আশ্বাসমতে কাম কৰা নাছিল। মহাৰাণীৰ ঘোষণাপত্ৰতো এনেধৰণৰ

আশ্বাসেই আছিল। ভাৰতবৰ্ষত প্ৰচলন কৰা অৰ্থনৈতিক নীতিয়ে ভাৰতীয় লোকৰ স্বাৰ্থৰক্ষা কৰাৰ পৰিবৰ্তে তেওঁলোকৰ অসুবিধাৰহে সৃষ্টি কৰিছিল। বৃটিছসকলে ভাৰতৰ প্ৰচলিত কুটীৰ শিল্পবোৰক বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত কৰি ইংলেণ্ডত উৎপাদিত ব্যৱহাৰিক সামগ্ৰী ভাৰতৰ বজাৰত মেলি দিছিল। এই ব্যৱস্থাই ভাৰতৰ কুটীৰ শিল্পীসকলক মৃত্যুৰ মুখলৈ ঠেলি দিছিল। বৃটিছসকলে ভাৰতত কোনো ডাঙৰ উদ্যোগ গঢ়ি তোলাৰ পক্ষপাতী নাছিল। তদুপৰি প্ৰায় বছৰি মাটিৰ খাজনা বৃদ্ধিস্ককৰাত দুখীয়া খেতিয়কসকলে দিনে দিনে অধিক অৰ্থনৈতিক সংকটৰ সন্মুখীন হৈছিল। এনেদৰে বৃটিছ শাসনৰ অৰ্থনৈতিক শোষণ নীতিয়ে ভাৰতৰ দুখীয়া শ্ৰমিক, খেতিয়ক ৰাইজক বিদ্ৰোহী কৰি তুলিছিল।

**৯) লৰ্ড লিটনৰ দমনমূলক নীতি (Repressive Policy of Lord Lytton)ঃ**

১৮৭৬– ৮০ সময়ছোৱাত লৰ্ড লিটনে গ্ৰহণ কৰা দমনমূলক নীতিয়েও ভাৰতীয়সকলক একগোট হ'বলৈ আৰু ইংৰাজ শাসনৰ বিৰোধিতা কৰিবলৈ বাধ্য কৰিছিল। লৰ্ড লিটনে ভাৰতীয়সকলক সম্পূৰ্ণৰূপে নিৰস্ত্ৰ কৰিবৰ কাৰণে গ্ৰহণ কৰা অস্ত্ৰ আইন (Arms Act), চৰকাৰক কৰ সমালোচনা বন্ধ কৰিবৰ কাৰণে দেশীয় ভাষা আইন (The Vernacular Press Act) আদি ভালেমান দমনমূলক আইন ঘোষণা কৰিছিল। কিন্তু একে সময়তে ভাৰতবৰ্ষত দুৰ্ভিক্ষই মহামাৰীৰ ৰূপ ধাৰণ কৰিছিল যদিও লৰ্ড লিটনে দুৰ্ভিক্ষৰ কবলৰ পৰা ভাৰতীয়সকলক ৰক্ষা কৰিবৰ বাবে কোনো সাহায্য আগবঢ়োৱা নাছিল। যাৰ বাবে এনেবোৰ ঘটনাই ভাৰতীয়সকলৰ মন বিদ্ৰোহী কৰি তুলিছিল আৰু তেওঁলোকৰ মাজত জাতীয়তাবাদৰ ভাব বৃদ্ধি পাইছিল। ইয়াৰ উপৰিও লৰ্ড লিটনৰ শাসনৰ সময়ছোৱাত গ্ৰহণ কৰা আন কিছুমান ব্যৱস্থ াকো ভাৰতীয় লোকে সমৰ্থন কৰিব পৰা নাছিল। সেইদৰে সাম্ৰাজ্য বিস্তাৰৰ কাৰণে আফগানিস্থানৰ লগত যুদ্ধত অৱতীৰ্ণ হোৱা আৰু যুদ্ধৰ খৰছৰ কাৰণে ভাৰতীয়লোকৰ ওপৰত ৰাজহ বঢ়োৱা নীতিক ভাৰতীয়সকলে সহ্য কৰিব পৰা নাছিল। এনেবোৰ অন্যায়-অবিচাৰৰ প্ৰতিবাদ কৰিবলৈ ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত কিছুমান সংস্থাৰ সৃষ্টি হৈছিল আৰু এই সংস্থাবোৰে ভাৰতীয় লোকৰ মাজত ৰাজনৈতিক সচেতনতা সৃষ্টি কৰিছিল।

**১০) বিতৰ্কমূলক ইলবাৰ্ট বিধেয়ক (Controversial Illbert Bill) ঃ**

লৰ্ড ৰিপণৰ চৰকাৰে বিচাৰ বিভাগত থকা ভাৰতীয় আৰু ইংৰাজসকলৰ মাজৰ বৈষম্য আঁতৰ কৰিব বিচাৰি ইলবাৰ্ট বিধেয়কৰ দ্বাৰা ভাৰতীয় বিচাৰকক ইংৰাজ আচামীৰ বিচাৰ কৰাৰ অধিকাৰ প্ৰদান কৰে। এইক্ষেত্ৰত ভাৰতত থকা ইংৰাজসকল জাঙুৰ খাই উঠি এই বিধেয়কৰ ঘোৰ প্ৰতিবাদ কৰে। যাৰ ফলত এই বিধেযকখন উঠাই লৈ প্ৰায় আগৰ অৱস্থাকে বাহাল ৰাখে। কাৰণ ইউৰোপীয়সকলে

এই বিলখনৰ তীব্ৰ বিৰোধীতা কৰিছিল আৰু বিলখন প্ৰতিৰোধ কৰিবৰ কাৰণে ইউৰোপীয়ান ডিফেন্স এছোচিয়েচন (European Defence Association) নামৰ এটা সংস্থা গঠন কৰিছিল। এই ঘটনাই শিক্ষিত ভাৰতীয়সকলৰ মাজত এক তীব্ৰ আলোড়নৰ সৃষ্টি কৰিছিল আৰু তেওঁলোকৰ মনত জাতীয়তাৰ ভাৱ অধিক প্ৰকট হৈ পৰিছিল। শিক্ষিত ভাৰতীয়সকলেও ভাৰত আৰু ভাৰতীয়ৰ স্বাৰ্থ সুৰক্ষাৰ কাৰণে এটা সৰ্বভাৰতীয় সংগঠন গঠন কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল। ইয়াৰ ফলস্বৰূপেই ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হৈছিল। জাতীয় কংগ্ৰেছৰ জন্মই জাতীয়তাবাদী আন্দোলনক নতুন উদ্যম আৰু শক্তি প্ৰদান কৰিছিল।

**১১) ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠা (Birth of Indian National Congress)ঃ**

ভাৰতীয় মানুহৰ জাতীয় চেতনাৰ স্পষ্ট প্ৰকাশ পায় ইণ্ডিয়ান এছোচিয়েচনৰ (Indian Association) মাধ্যমেৰে। ১৮৭৬ চনত সুৰেন্দ্ৰ নাথ বেনাৰ্জীৰ উদ্যোগত গঠিত হৈছিল ইণ্ডিয়ান এছোচিয়েচন। এই এছোচিয়েচনে ভাৰতৰ জাতীয়তাবাদী আন্দোলনৰ বিকাশত যথেষ্ট ইন্ধন যোগাইছিল। ১৯শ শতিকাৰ আশীদশকৰ আৰম্ভণিতে ভালেকেইটা সৰ্বভাৰতীয় প্ৰকৃতিৰ সংগঠনৰ জন্ম হৈছিল আৰু এই সকলোবোৰ সংগঠনে বৃটিছ চৰকাৰৰ শাসনৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰিছিল। ১৮৮৫ চনৰ আগলৈকে ভাৰতীয়সকলৰ অভাৱ-অভিযোগ পূৰণৰ কাৰণে বিভিন্ন অনুষ্ঠান, সংগঠন আদি প্ৰতিষ্ঠা হৈছিল যদিও জাতীয়তাবাদী আন্দোলনৰ বিকাশত এই অনুষ্ঠানবিলাকৰ অৰিহণা আছিল সীমিত। ১৮৮৫ চনত গঠিত ভাৰতীয় জাতীয় কংগ্ৰেছে ভাৰতীয় জাতীয় আন্দোলনৰ বিকাশৰ গতি ক্ষীপ্ৰতৰ কৰি তোলে। বাল গংগাধৰ তিলক, মদনমোহন মালব্য, সুৰেন্দ্ৰনাথ বেনাৰ্জী, বিপিনচন্দ্ৰ পাল, লালা লাজপত ৰায়, এনি বেচান্ত, মহাত্মা গান্ধী আদি লোকৰ নেতৃত্বত জাতীয়তাবাদী আন্দোলনে পূৰ্ণ প্ৰসাৰতা লাভ কৰে।

**১২) ভাৰতীয়সকলক চৰকাৰী উচ্চ পদত নিযুক্তিত বাধা আৰোপ (Prevention of Indians in Higher Government Jobs) ঃ**

ভাৰতীয় জাতীয়তাবাদ বিকাশৰ আন এটা প্ৰধান কাৰণ হ'ল ভাৰতীয়সকলক চৰকাৰৰ উচ্চ পদস্থ চাকৰিৰ পৰা বঞ্চিতকৰণ। আৰম্ভণিতে বৃটিছ চৰকাৰে জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে উপযুক্ত শিক্ষিত লোকক উচ্চপদত নিযুক্তিৰ আশ্বাস দিছিল যদিও কাৰ্যত তেওঁলোকে ভাৰতীয়সকলক এনে সুবিধাৰ পৰা বঞ্চিত কৰিছিল। বিশেষকৈ ১৮৩৩ চনৰ আইন আৰু ১৮৫৮ চনত মহাৰাণী ভিক্টোৰিয়াৰ এক ঘোষণা যোগে ভাৰতবাসীক এনে আশ্বাস দিছিল। অৰ্হতাসম্পন্ন ভাৰতীয়ই যাতে প্ৰশাসনিক সেৱাত

যোগদান কৰিব নোৱাৰে তাৰ কাৰণে ইংৰাজ চৰকাৰে গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছিল আৰু ইয়াৰ কাৰণে প্ৰশাসনিক সেৱাৰ পৰীক্ষা ইংলেণ্ডত অনুষ্ঠিত কৰা হৈছিল। বহু কষ্টৰে পৰীক্ষাত যোগ্যতাৰে উত্তীৰ্ণ হোৱা ভাৰতীয়সকলক বিভিন্ন অজুহাতত নিযুক্তি দিয়া নহৈছিল। এনেকৈ প্ৰশাসনিক সেৱাৰ পৰা বঞ্চিত হোৱা ভাৰতীয়সকলকলৈ ইণ্ডিয়ান এছোচিয়েচন (Indian Association) নামেৰে গঠন হোৱা সংস্থাটোৱে ভাৰতীয়সকলৰ মাজত জাতীয়তাবাদী মনোভাৱ আৰু ইংৰাজৰ বিৰুদ্ধে বিপ্লৱৰ বীজ ৰোপণ কৰিছিল।

**আত্মমূল্যায়নৰ প্ৰশ্ন (খ)ঃ**

১) চিপাহী বিদ্ৰোহ কেতিয়া সংঘটিত হৈছিল?

------------------------------------------------------------------

------------------------------------------------------------------

২) ব্ৰাহ্ম সমাজৰ প্ৰতিষ্ঠাতা কোন?

------------------------------------------------------------------

------------------------------------------------------------------

৩) ভাৰতত জাতীয়তাবাদ গঢ়ি উঠাৰ এটা কাৰণ লিখা।

------------------------------------------------------------------

------------------------------------------------------------------

৪) ভাৰতীয় জাতীয় কংগ্ৰেছ কোন চনত প্ৰতিষ্ঠা কৰা হৈছিল?

------------------------------------------------------------------

------------------------------------------------------------------

৫) ইণ্ডিয়ান এছোচিয়েচন (Indian Association) কোন চনত গঠিত হৈছিল?

------------------------------------------------------------------

------------------------------------------------------------------

## ১.৫ সামৰণি ঃ

এই গোটটোৰ আলোচনাৰ পৰা তোমালোকে নিশ্চয় বুজিব পাৰিলা বৃটিছসকলে ভাৰতবৰ্ষত শাসন কৰি থকা কালছোৱাত ভাৰতীয়সকলে নানান সমস্যা, দুখ-কষ্ট তথা যন্ত্ৰণাৰ সন্মুখীন হ'বলগীয়া হৈছিল। এনে সমস্যাৰ পৰা ভাৰতীয়সকল উদ্ধাৰ পাবৰ বাবে তেওঁলোকে বহুতো প্ৰতিবাদ সাব্যস্ত কৰিছিল। যাৰফলত ভাৰতীয়সকলৰ মনত জাতীয়তাবাদৰ সৃষ্টি হৈছিল।

এই গোটটিয়ে তোমালোকক ভাৰতত জাতীয়তাবাদ গঢ়ি উঠাৰ বিভিন্ন কাৰণসমূহ যেনে - বৃটিছ শাসনৰ প্ৰভাৱ, চিপাহী বিদ্ৰোহ, পাশ্চাত্য শিক্ষাৰ প্ৰভাৱ, ইংৰাজৰ বৈষম্যমূলক আচৰণ, ১৯ শ শতিকাৰ সংস্কাৰ আন্দোলন, ভাৰতীয় সাহিত্য আৰু প্ৰচাৰ মাধ্যমৰ ভূমিকা, ইংৰাজৰ অৰ্থনৈতিক শোষণৰ প্ৰভাৱ, লৰ্ড লিটনৰ দমনমূলক নীতি, বিৰ্তকমূলক ইলবাৰ্ট বিধেয়ক আদি কাৰণসমূহে কিদৰে অৰিহণা যোগাইছিল সেই বিষয়ে জানিব পাৰিলা।

জাতীয়তাবাদৰ উৎপত্তিত সহায় কৰা বিভিন্ন কাৰণসমূহৰ উপৰিও তোমালোকে জাতীয়তাবাদে কিদৰে ভাৰতীয়সকলৰ মনত স্বাধীনতাৰ বীজ ৰোপন কৰিছিল সেই সম্পৰ্কে জানিব পাৰিলা। লগতে জাতীয় ঐক্যই পাছলৈ কিদৰে সমগ্ৰ ভাৰতবাসীকে ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহী কৰি তুলিছিল এই গোটটি অধ্যয়নৰ পৰা তোমালোকে জানিব পাৰিলা। চিপাহী বিদ্ৰোহ, ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম, মুছলীম লীগ গঠনে জাতীয়তাবাদৰ বিকাশত কিদৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল পাছৰ গোটত তোমালোকে জানিব পাৰিবা।

**ঘাই শব্দসমূহ (Key Words) ঃ**

**সাম্ৰাজ্যবাদ-** এখন দেশে অন্য এখন দেশৰ ওপৰত চলোৱা অৰ্থনৈতিক নিয়ন্ত্ৰণ আৰু ৰাজ্যবিস্তাৰৰ নীতিয়েই সাম্ৰাজ্যবাদ। উদাহৰণস্বৰূপে - ব্ৰিটিছ চৰকাৰে ভাৰতত অৰ্থনৈতিক নিয়ন্ত্ৰণ আৰু ৰাজ্য বিস্তাৰৰ জৰিয়তে সাম্ৰাজ্যবাদ প্ৰতিষ্ঠা কৰিব বিচাৰিছিল।

**The Vernacular Press Act** - ১৮৭৮ চনত লৰ্ড লিটনৰ শাসনকালত এই আইনৰ যোগেদি ভাৰতীয় বাতৰি কাকতসমূহ নিয়ন্ত্ৰণ কৰাৰ ব্যৱস্থা কৰা হয়।

**পাঠ্য নিৰ্দ্দেশনা (Suggested Readings) ঃ**

১) 'স্নাতক মহলাৰ ভাৰতত ৰাজনৈতিক ব্যৱস্থা

- ড° কৃপেশ চন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক

অৰুণ প্ৰকাশন, কলেজ হোষ্টেল ৰ'ড

গুৱাহাটী, আগষ্ট ২০০৯

২) ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি

- পুৰন্দৰ গগৈ,

বনলতা, ডিব্ৰুগড় আৰু গুৱাহাটী

২০০৮ চন

৩) জাতীয় আন্দোলন আৰু ভাৰতত সাংবিধানিক বিকাশ-

-পুৰন্দৰ গগৈ,

বনলতা, গুৱাহাটী - ১, ডিব্ৰুগড়

৪) Indian Government and Politics

- Prakash Chandra

Cosmos Bookhive (P) Ltd.

11th Edition 2001.

৫) ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি

- ড° থানেশ্বৰ লাহন,

ষ্টুডেণ্টচ্ এম্প'ৰিয়াম, ডিব্ৰুগড়

প্ৰথম প্ৰকাশ, ২০০৪ চন।

**আত্মমূল্যায়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ (Possible Answers to Check Your Progress)ঃ**

ক)

১) ১৬০০ খ্ৰী:ত।

২) ১৬১৩ খ্ৰী:ত।

৩) ১৮৫৬ চনৰ ফেব্ৰুৱাৰী মাহত।

৪) পতুৰ্গীজ।

৫) একতাবোধ আৰু স্বাধীনতা লাভ।

খ)

১) ১৮৫৭ খ্ৰী:ত।

২) ৰাজা ৰামমোহন ৰায়।

৩) বৃটিছৰ সাম্ৰাজ্যবাদী নীতি।

৪) ১৮৮৫ খ্ৰী:ত।

৫) ১৮৭৬ খ্ৰী:ত।

**আৰ্হি প্ৰশ্ন (Model Questions) ঃ**

১) জাতীয়তাবাদ বুলিলে কি বুজা?

২) ভাৰতত জাতীয়তাবাদৰ উৎপত্তি সম্পৰ্কে লিখা।

৩) ভাৰতত জাতীয়তাবাদৰ উদ্দেশ্য সম্পৰ্কে চমুকৈ লিখা।

৪) ভাৰতত জাতীয়তাবাদৰ উৎপত্তিৰ চাৰিটা কাৰণ চমুকৈ ব্যাখ্যা কৰা।

৫) বৃটিছৰ অৰ্থনৈতিক শোষণ নীতিয়ে ভাৰতীয়সকলৰ মনত কিদৰে জাতীয়তাবাদৰ সৃষ্টি কৰিছিল চমুকৈ লিখা।

৬) লৰ্ড লিটনৰ দমনমূলক নীতি সম্পৰ্কে চমুকৈ লিখা।

৭) বিৰ্তকমূলক ইলবাৰ্ট বিধেয়কৰ বিষয়ে চমুকৈ লিখা।

৮) ভাৰতবৰ্ষৰ জনসাধাৰণৰ মনত জাতীয় চেতনা জগাই তোলা বিভিন্ন কাৰণসমূহ আলোচনা কৰা।

৯) ভাৰতীয় জাতীয়তাবাদ বিকাশৰ অৰিহণা যোগোৱা উপাদানসমূহৰ বিষয়ে আলোচনা কৰা।

১০) ভাৰতবাসীৰ মনত জাতীয় চেতনা জগাই তোলাত বাতৰিকাকত আৰু অন্যান্য লিখনিসমূহে গ্ৰহণ কৰা ভূমিকা আলোচনা কৰা।

**প্ৰসংগ পুথি (References)ঃ**

১) Indian Federalism in the New Millenium

B.D. Dua & M.P.Singh (ed)

Manohar, 2006.

২) Indian Government and Politics

Prakash Chander

Cosmos Bookhive (P) Ltd.

৩) Bharotor Rajniti aru Sarkar

Dr. T. Lahan

Students Emporium, Dibrugarh -2006.

৪) স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা

ড০ কৃপেশ চন্দ্ৰ পাল

অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক

অৰুণ প্ৰকাশন, কলেজ হোষ্টেল ৰ'ড,

গুৱাহাটী - আগষ্ট, ২০০৯.

৫) Indian Government and Politics

A.S. Narang

Gitanjali Publishing House

New Delhi, 1997.

## গোট-২ (Unit-2)

# ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু মুছলীম লীগ
# (Indian National Congress and Muslim League)

**গঠন বিন্যাস ঃ**


২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ ভাৰতীয় জাতীয় কংগ্ৰেছ

২.২.১ ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম আৰু বিকাশ

২.২.২ কংগ্ৰেছে উত্থাপন কৰা দাবীসমূহ

২.২.৩ কংগ্ৰেছৰ নৰমপন্থী আৰু চৰমপন্থী গোট

আত্মমূল্যায়নৰ প্ৰশ্ন -(ক)

২.২.৪ চৰমপন্থীসকলৰ অভ্যুত্থানৰ কাৰণ।

২.২.৫ স্বাধীনতা আন্দোলনত চৰমপন্থীসকলৰ প্ৰভাৱ

২.২.৬ ভাৰতৰ স্বাধীনতা আন্দোলনত জাতীয় কংগ্ৰেছৰ ভূমিকা।

আত্মমূল্যায়নৰ প্ৰশ্ন-(খ)

২.৩ মুছলীম লীগ

২.৩.১ মুছলীম সাম্প্ৰদায়িকতাবাদৰ বিকাশ আৰু মুছলীম লীগৰ জন্ম।

২.৩.২ মুছলীম লীগৰ উদ্দেশ্য

২.৩.৩ মুছলীম লীগৰ ৰাজনীতি

২.৩.৪ হিন্দু-মুছলমানৰ মাজৰ সংঘৰ্ষ

আত্মমূল্যায়নৰ প্ৰশ্ন -(গ)

২.৩.৫ মুছলীম লীগত বিভাজন

২.৩.৬ জিন্নাৰ সাম্প্ৰদায়িক ৰাজনীতি

২.৩.৭ পাকিস্তানৰ দাবীৰ কাৰণসমূহ

আত্মমূল্যায়নৰ প্ৰশ্ন -(ঘ)

২.৪ সামৰণি

২.৫ ঘাই শব্দসমূহ

২.৬ পাঠ্য নিৰ্দেশনা

আত্মমূল্যায়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ

প্ৰসংগ পুথি

আৰ্হি প্ৰশ্ন

## ২.০ উদ্দেশ্য ঃ

এইটো গোট অধ্যয়ন কৰাৰ পিছত তোমালোকে-

- ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম আৰু বিকাশ সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- স্বাধীনতা আন্দোলনৰ সময়ত কংগ্ৰেছে উত্থাপন কৰা দাবীসমূহ বাখ্যা কৰিব পাৰিবা।
- কংগ্ৰেছত চৰমপন্থীসকলৰ অভ্যুত্থানৰ কাৰণসমূহ চিনাক্ত কৰিব পাৰিবা।
- ভাৰতৰ স্বাধীনতা আন্দোলনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভূমিকা বিশ্লেষণ কৰিব পাৰিবা।
- ভাৰতত মুছলীম সাম্প্ৰদায়িকতাবাদৰ বিকাশ আৰু মুছলীম লীগৰ জন্ম সম্পৰ্কে বৰ্ণনা কৰিব পাৰিবা।
- মহম্মদ আলী জিন্নাৰ সাম্প্ৰদায়িক ৰাজনীতি আৰু তেওঁৰ চৈধ্যদফীয়া নীতিৰ বিষয়ে আলোচনা কৰিব পাৰিবা।
- পাকিস্তান গঠনৰ দাবী উত্থাপনৰ কাৰণসমূহ উল্লেখ কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

আগৰ গোটটোত তোমালোকে ভাৰতীয় জাতীয়তাবাদৰ বিকাশ সম্পৰ্কে জানিব পাৰিলা। বৃটিছ শাসন ব্যৱস্থাত অসন্তুষ্ট ভাৰতবাসীৰ মাজত বিভিন্ন কাৰণত জাতীয় চেতনা জাগি উঠিছিল। এইক্ষেত্ৰত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভূমিকা অনস্বীকাৰ্য। তদুপৰি মুছলমানসকলৰ মাজত পৃথক জাতীয় চেতনা গঢ়ি তোলাত মুছলীম লীগৰ অৱদানো কম নাছিল।

বৃটিছ শাসন ব্যৱস্থাই প্ৰথমৰ পৰাই ভাৰতবাসীৰ মনত অসন্তুষ্টিৰ ভাব জগাই তুলিছিল। সাম্ৰাজ্যবাদী শাসন ব্যবস্থাৰ শোষন অত্যাচাৰে ভাৰতবাসীক বাৰুকৈয়ে ক্ষুদ্ধ কৰিছিল। অবশ্যে জনসাধাৰণে ইয়াৰ প্ৰতিবাদ নকৰাকৈ থকা নাছিল। কিন্তু এনে প্ৰতিবাদ সংগঠিত ৰূপত হোৱা নাছিল। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহে বৃটিছ শাসন ব্যবস্থাক জোকাৰি যাবলৈ সক্ষম হৈছিল যদিও ইয়াৰ সৰ্বভাৰতীয় চৰিত্ৰ নাছিল। সেয়েহে ভাৰতীয় জনসাধাৰণে প্ৰায়েই অনুভব কৰিছিল যে, ভাৰতবাসীৰ স্বাৰ্থ পূৰণৰ বাবে এক সৰ্বভাৰতীয় সংগঠনৰ প্ৰয়োজন। ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠা হোৱাৰ পিছতহে ভাৰতবাসীৰ এই অভাব পূৰণ হ'ল। প্ৰতিষ্ঠাৰ প্ৰথম কালছোৱাত ই নৰমপন্থীসকলৰ কবলত আছিল আৰু আবেদন-নিবেদনৰ ৰাজনীতি গ্ৰহণ কৰিছিল। ফলত কংগ্ৰেছৰ ভিতৰতে এটা চৰমপন্থী গোটৰ

অৰ্বিভাব ঘটিল। এক কথাত ক'বলৈ হ'লে কংগ্ৰেছৰ নেতৃত্ব চৰমপন্থীসকলৰ হাতলৈ যোৱাৰ পিছতহে ভাৰতৰ জাতীয় আন্দোলনটোৱে এক গতি লাভ কৰিলে আৰু বৃটিছৰ পৰা স্বদেশৰ স্বাধীনতা ঘুৰাই আনিবলৈ সক্ষম হ'ল। তাৎপয্যপূৰ্ণভাবে ভাৰতীয় জাতীয় কংগ্ৰেছ গঠন হোৱাৰ পিছত ভাৰতৰ মুছলমানসকলৰ মাজতো পৃথক জাতীয় চেতনা গঢ়ি উঠিল। বহুদিন বৃটিছ শাসন ব্যৱস্থাত অবহেলিত হৈ থকা মুছলমানসকল চাৰ চৈয়দ আহমেদ খাঁনৰ নেতৃত্বত নিজ সম্প্ৰদায়টোৰ স্বাৰ্থ ৰক্ষাৰ বাবে ঐক্যবদ্ধ হ'ল। অবশ্যে এইক্ষেত্ৰত বৃটিছসকলেও মুছলমানসকলক সহায় কৰি সাম্প্ৰদায়িক ৰাজনীতিৰ বীজ ৰোপন কৰিছিল। এনে সাম্প্ৰদায়িক ৰাজনীতিৰ গৰ্ভতেই মুছলীম লীগৰ জন্ম হয়। মুছলীম লীগৰ জন্মৰ লগে লগে সূচনা হোৱা সাম্প্ৰদায়িক ৰাজনীতি পৃথক পাকিস্তান গঠনতহে পৰিসমাপ্তি ঘটিছিল বুলি ক'ব পাৰি।

এইটো গোটত তোমালোকে ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম, বিকাশ, ভাৰতৰ স্বাধীনতা আন্দোলনত ইয়াৰ ভূমিকা অধ্যয়ন কৰাৰ পিছত মুছলীম লীগৰ সাম্প্ৰদায়িক ৰাজনীতিৰ বিষয়ে অধ্যয়ন কৰিব লাগিব।

## ২.২ ভাৰতীয় জাতীয় কংগ্ৰেছ ঃ

বৃটিছ শাসন ব্যৱস্থাক প্ৰতিবাদ জনাবৰ বাবে গঠন হোৱা আটাইতকৈ শক্তিশালী সৰ্বভাৰতীয় সংগঠনটো আছিল ভাৰতীয় জাতীয় কংগ্ৰেছ। সাম্ৰাজ্যবাদী শাসনৰ বিৰুদ্ধে ভাৰতবাসীক ঐক্যবদ্ধ কৰাৰ ই এক মঞ্চ আছিল বুলিও ক'ব পৰি। ১৮৮৫ চনত গঠন হোৱা এই জাতীয়তাবাদী সংগঠনটোৱে প্ৰথম অৱস্থাত আবেদনৰ-নিবেদনৰ জৰিয়তে ভাৰতবাসীৰ স্বাৰ্থ পূৰণৰ চেষ্টা কৰিছিল। অৱশ্যে পিচলৈ ই চৰমপন্থাকে ভাৰতীয় জনগণৰ স্বাৰ্থ ৰক্ষাৰ উপায় হিচাপে গ্ৰহণ কৰে। প্ৰথম অৱস্থাত সমাজৰ উচ্চশিক্ষিত লোকসকলে কংগ্ৰেছক প্ৰতিনিধিত্ব কৰিছিল যদিও পিচলৈ ই এক গণ-আন্দোলনত পৰিণত হৈছিল। ই সমাজৰ সকলো স্তৰতে ইয়াৰ সাংগঠনিক ভেটি স্থাপন কৰিবলৈ সক্ষম হৈছিল। উল্লেখযোগ্য যে, ভাৰতীয় জাতীয় কংগ্ৰেছৰ নেতৃত্বতে ভাৰতে বৃটিছৰ পৰা স্বাধীনতা ঘূৰাই অনাত সফল হৈছিল। স্বাধীনতাৰ পিচত ভাৰতীয় জাতীয় কংগ্ৰেছে ৰাজনৈতিক দল হিচাপে দেশৰ সাধাৰণ নিৰ্বাচনত অংশগ্ৰহণ কৰিছিল আৰু প্ৰথম তিনিটা সাধাৰণ নিৰ্বাচনত ইয়াৰ আধিপত্য স্থাপন হৈছিল। আনকি বৰ্তমান সময়তো ভাৰতীয় জাতীয় কংগ্ৰেছৰ শক্তিশালী প্ৰভাব দেখিবলৈ পোৱা যায়।

### ২.২.১ ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম আৰু বিকাশ ঃ

বৃটিছ শাসন ব্যৱস্থাৰ শোষন-অত্যাচাৰক সংগঠিতভাবে প্ৰতিবাদ কৰিবৰ বাবে এটা সৰ্বভাৰতীয় সংগঠনৰ প্ৰয়োজন ভাৰতবাসীয়ে প্ৰথমৰ পৰাই অনুভব কৰিছিল।

এনে প্ৰয়োজনৰ তাগিদাতে প্ৰাদেশিক আৰু আঞ্চলিক ভিত্তিত বিভিন্ন ঠাইত বিশেষকৈ বোম্বে, মাদ্ৰাজ, কলিকতা আদি প্ৰধান নগৰবিলাকত ভালেমান অনুষ্ঠানো গঢ়ি উঠিছিল। সেই বিলাকৰ ভিতৰত Bengal British Indian Association, East India Association, Bombay Presidency Association, Pune Sarvajanik Sobha উল্লেখযোগ্য, কিন্তু সৰ্বভাৰতীয় ভিত্তিত কোনো সংগঠন গঢ়ি উঠা নাছিল। দাদাভাই নৌৰজী, বিচাৰপতি ৰাণাডে, ফিৰোজশ্বাহ মেহতা, ৰহিমতুল্লা মহম্মদ চায়ানি, উমাশংকৰ, জি. সুব্ৰামনিয়াম আয়াৰ, উমেশচন্দ্ৰ বেনাজী, সুৰেন্দ্ৰনাথ বেনাৰ্জী আদি কৰি বহু অভিজ্ঞতাসম্পন্ন লোকে এনে অনুষ্ঠান গঠনৰ প্ৰয়াস কৰিছিল। অৱশ্যে বিভিন্ন কাৰণত সেইটো সম্ভৱ হৈ উঠা নাছিল। সৰ্বভাৰতীয় এনে সংগঠন সৃষ্টিৰ কৃতিত্ব আমি সুৰেন্দ্ৰনাথ বেনাৰ্জীক দিব লাগিব। কাৰণ ১৮৭৬ চনত তেওঁৱেই প্ৰথমে Indian Association নামৰ এটা সংস্থা গঠন কৰিছিল। প্ৰতিষ্ঠাকালৰে পৰা সংস্থাটোৱে ৰাজনৈতিক প্ৰচাৰকাৰ্য্যৰ জৰিয়তে জনসজাগতা সৃষ্টিত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। ১৮৮৩ চনত ইণ্ডিয়ান এছ'চিয়েচনে ভাৰতৰ সকলো ঠাইৰে প্ৰতিনিধিক একগোট কৰাৰ মানসেৰে এক সৰ্বভাৰতীয় জাতীয় অভিৰ্বতনো আহ্বান কৰিছিল। সেই সময়ছোৱাত এটা সৰ্বভাৰতীয় সংস্থা গঠনৰ চিন্তাই প্ৰায়বোৰ ভাৰতীয়ৰ মগজুত স্থান পাইছিল। প্ৰয়োজন আছিল এজন পথ-প্ৰদৰ্শক তথা পৃষ্ঠপোষকৰ। সেই পৃষ্ঠপোষকজন আছিল এলেন এক্টোভিয়ান হিউম নামৰ এজন ইংৰাজ বিষয়া। তেওঁকেই ভাৰতীয় জাতীয় কংগ্ৰেছৰ পিতৃ আখ্যা দিয়া হয়। এইজনা ইংৰাজ বিষয়াই অনুভৱ কৰিছিল যে, ভাৰতবাসীৰ আশা-আকাংক্ষা বৃটিছ চৰকাৰৰ আগত দাঙি ধৰিবলৈ এটা সংস্থাৰ প্ৰয়োজন। এই কথা উপলব্ধিস্ক কৰিয়েই ১৮৮৩ চনৰ ১ মাৰ্চত কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতক সকলক তেওঁলোকৰ মানসিক, নৈতিক, সামাজিক আৰু ৰাজনৈতিক উৎকৰ্ষ সাধনৰ এটা সংস্থা গঠন কৰিবলৈ আহ্বান জনাইছিল। হিউমৰ আহ্বানক্ৰমেই ১৮৮৪ চনৰ শেষৰ ফালে Indian Union নামৰ এটা সংস্থা গঠন হ'ল। ভাৰতৰ বিভিন্ন অঞ্চলৰ প্ৰতিনিধিসকলকলৈ ১৮৮৫ চনৰ ডিচেম্বৰ মাহত এখন সভা অনুষ্ঠিত কৰিবলৈ সংস্থাই সিদ্ধান্ত গ্ৰহণ কৰিলে। সেই মতে ১৮৮৫ চনৰ এপ্ৰিল মাহত সুৰেন্দ্ৰনাথ বেনাৰ্জী আৰু হিউমৰ স্বাক্ষৰ সম্বলিত এখন গোহাৰিৰ জৰিয়তে ভাৰতৰ বিভিন্ন অঞ্চলৰ প্ৰতিনিধিসকলক সেই সভাত যোগদান কৰিবলৈ আহ্বান জনোৱা হ'ল। হিউমে চৰকাৰী সহানুভূতি আদায়ৰ বাবে ইংলেণ্ডলৈ যায় আৰু বৃটিছ চৰকাৰৰ লগত সংস্থা গঠনৰ বিষয়টো আলোচনা কৰে। বৃটিছ চৰকাৰৰ পৰা সমৰ্থন আদায় কৰি হিউম ঘূৰি আহে আৰু পুনা চহৰত বিভিন্ন অঞ্চলৰ প্ৰতিনিধিসকলক একগোট হ'বলৈ আহ্বান জনায়। অৱশ্যে পুনাত কলেৰাৰ প্ৰাদুৰ্ভাৱ ঘটাৰ বাবে সেই সভাখন বোম্বেলৈ স্থানান্তৰিত কৰা হয়। ১৮৮৫ চনৰ ২৮ ডিচেম্বৰ তাৰিখে উমেশচন্দ্ৰ

বেনাৰ্জীৰ নেতৃত্বত সেই ঐতিহাসিক সভাখন অনুষ্ঠিত হয়। এইখন সভাতেই ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হয় আৰু সেই সভাখন কংগ্ৰেছৰ প্ৰথম অধিবেশন হিচাপে চিহ্নিত হয়। এইদৰে হিউম আৰু ভাৰতীয় লোকৰ যৌথ প্ৰচেষ্টাত ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম হয়।

### ২.২.২ কংগ্ৰেছে উত্থাপন কৰা দাবীসমূহ ঃ

জন্মৰ সময়ৰ পৰাই ভাৰতীয় জাতীয় কংগ্ৰেছে বৃটিছ চৰকাৰৰ ওচৰত বিভিন্ন ধৰণৰ দাবী উত্থাপন কৰিছিল। বিশেষকৈ ১৮৮৫-১৯০৫ চনৰ মাজৰ সময়ছোৱাত ই কেৱল দাবী উত্থাপনৰ কাৰ্য্যসূচীতেই ব্যস্ত আছিল। ১৮৮৫ চনত বোম্বেত অনুষ্ঠিত হোৱা প্ৰথমখন অধিবেশনত চাৰিটা বিষয়ত সংস্কাৰ সাধনৰ অৰ্থে বৃটিছ চৰকাৰক অনুৰোধ জনাইছিল। সেইকেইটা আছিল- ১) সৈন্যবাহিনীৰ বাবে ধাৰ্য কৰা খৰছৰ মাত্ৰা কমোৱা ২) ভাৰত পৰিষদ উঠাই দিয়া ৩) ভাৰতবৰ্ষ আৰু ইংলেণ্ডত চিভিল চাৰ্ভিচ পৰীক্ষা অনুষ্ঠিত কৰা ৪) ১৮৬১ চনত গঠন কৰা বিধান পৰিষদৰ সংস্কাৰ সাধন কৰি ইয়াৰ পৰিসৰ বৃদ্ধি কৰা।

ইয়াৰউপৰি কংগ্ৰেছে উত্থাপন কৰা অন্য কেইটামান দাবী হ'ল- কাৰ্যপালিকাৰ পৰা ন্যায়পালিকাক পৃথক কৰা, ভাৰতবৰ্ষত সামৰিক কলেজ স্থাপন কৰা, নিমখৰ ওপৰত লগোৱা শুল্ক কম কৰা, খেতিয়কৰ সুবিধাৰ বাবে মাটিৰ ওপৰত লগোৱা ৰাজহ কম কৰা, কৃষক শ্ৰেণীক জমিদাৰৰ শোষণৰ পৰা মুক্ত কৰিবলৈ ৰায়তী স্বত্ব আইনৰ সংশোধন ঘটোৱা, ভাৰতবৰ্ষত কাৰিকৰী আৰু ঔদ্যোগিক শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা, কপাহৰ ওপৰত লগোৱা আবকাৰী কৰ ৰদ কৰা, বিদেশত থকা ভাৰতীয়সকলৰ স্বাৰ্থ ৰক্ষা কৰা, সংবাদপত্ৰৰ ওপৰত আৰোপ কৰা বাধা-নিষেধ উঠাই দিয়া, ভাৰতীয় উদ্যোগ সমূহক ৰক্ষণাবেক্ষন দিয়া, কৃষকক গাঁৱৰ মহাজনসকলৰ শোষণৰ পৰা ৰক্ষা কৰিবলৈ কৃষি-বেংক স্থাপন কৰা, বিভিন্ন ধৰণৰ কলা আইনবিলাক ৰদ কৰ, জলসিঞ্চন ব্যৱস্থাৰ সম্প্ৰসাৰণ ঘটোৱা, পুৰণি উদ্যোগসমূহ জীৱিত কৰা, নতুন উদ্যোগ স্থাপন কৰা, স্থানীয় প্ৰশাসনীয় গোটসমূহক অধিক ক্ষমতা প্ৰদান কৰা আৰু সেই বিলাকৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ হ্ৰাস কৰা, ভাৰতীয় লোকক উচ্চপদত মকৰল কৰা আৰু জনসাধাৰণৰ অভাব-অভিযোগ সম্পৰ্কীয় সমস্যাৰ সমাধানৰ বাবে জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত অনুসন্ধান চলোৱা ইত্যাদি।

### ২.২.৩ কংগ্ৰেছৰ নৰমপন্হী আৰু চৰমপন্হী গোট ঃ

তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে, প্ৰতিষ্ঠাৰ প্ৰথমসময়ছোৱাত ভাৰতীয় জাতীয় কংগ্ৰেছ নৰমপন্হীসকলৰ নিয়ন্ত্ৰণত আছিল। কংগ্ৰেছৰ নৰমপন্হী গোট বুলি ক'লে সেইটো গোটক বুজা যায় যি বৃটিছৰ লগত প্ৰত্যক্ষ সংগ্ৰামত লিপ্ত নহৈ আবেদন-নিবেদনৰ জৰিয়তে কংগ্ৰেছৰ দাবীসমূহ পূৰণৰ চেষ্টা কৰিছিল। ই সাংবিধানিক তথা শান্তিপূৰ্ণ উপায়েৰে সমস্যা সমাধানৰ বিশ্বাসী আছিল। তদুপৰি এই চাম নেতাই

বৃটিছসকলক ন্যায়পৰায়ন আৰু সৎ স্বভাৱৰ বুলি ভাবিছিল। তেওঁলোকে এইটোও উপলব্ধি কৰিছিল যে, বৃটিছসকল স্বাধীনতাপ্ৰেমী আৰু সেয়ে ভাৰতীয়সকল স্বায়ত্ব শাসন লাভৰ বাবে উপযুক্ত বুলি পতিয়ন গ'লে তেওঁলোকে ভাৰতীয় লোকলৈ ক্ষমতা হস্তান্তৰ কৰিব। কংগ্ৰেছৰ এইসকল নেতাই বৃটিছৰ লগত সহযোগিতা কৰাৰ নীতিহে গ্ৰহণ কৰিছিল। বৃটিছৰ পৰা সহযোগিতা আদায়ৰ বাবে কংগ্ৰেছৰ এটা শক্তিশালী দল ১৮৯১ চনত ইংলেণ্ডলৈও গৈছিল। পশ্চিমীয়া শিক্ষাৰে শিক্ষিত নৰমপন্থীসকলে ইংৰাজৰ ভাষা, সাহিত্য, সংস্কৃতি, আধুনিক শিক্ষা পদ্ধতি, সুচল পৰিবহন আৰু যোগাযোগ ব্যৱস্থা, আইনৰ জ্ঞান, স্থানীয় স্বায়ত্ব শাসন আদি বৃটিছসকলৰে অমূল্য দান বুলি মন্তব্য কৰিছিল। সেয়েহে কংগ্ৰেছৰ নৰমপন্থীসকলে সকলো সময়তে বৃটিছৰ লগত সহযোগিতা কৰাটোহে লাভজনক বুলি অনুভৱ কৰিছিল।

কিন্তু নৰমপন্থীসকলৰ দৃষ্টিভংগী তথা কাৰ্যকলাপে কংগ্ৰেছৰ কিছুসংখ্যক নেতাক সন্তুষ্ট কৰিব পৰা নাছিল। সেইসকলৰ ভিতৰত বাল গংগাধৰ তিলক, লালা লাজপত ৰায় আৰু বিপিনচন্দ্ৰ পাল অন্যতম আছিল। চৰমপন্থী নামেৰে পৰিচিত এইচাম নেতাই নৰমপন্থীসকলৰ আবেদন-নিবেদনৰ ৰাজনীতিক কঠোৰ ভাষাৰে সমালোচনা কৰিছিল। তেওঁলোকৰ মতে, সাংবিধানিক উপায়েৰে স্বৰাজৰ নিচিনা কঠিন সমস্যা বিলাক সমাধান কৰাটো সম্ভৱ নহয়। সেয়েহে তেওঁলোকে চৰমপন্থাকে ভাৰতবাসীৰ স্বাৰ্থ পূৰণৰ একমাত্ৰ উপায় বুলি বিবেচনা কৰিছিল।

**আত্মমূল্যায়নৰ প্ৰশ্ন - (ক)ঃ**

১) চিপাহী বিদ্ৰোহ কেতিয়া সংঘটিত হৈছিল?

-----------------------------------------------------------------------

২) বৃটিছ শাসনকালত প্ৰতিষ্ঠা লাভ কৰা প্ৰথমটো সৰ্বভাৰতীয় সংগঠনৰ নাম কি আছিল?

-----------------------------------------------------------------------

৩) 'ইণ্ডিয়ান এছোচিয়েচনৰ' প্ৰতিষ্ঠাপক কোন আছিল?

-----------------------------------------------------------------------

৪) ভাৰতীয় জাতীয় কংগ্ৰেছৰ পিতৃ কোন আছিল?

-----------------------------------------------------------------------

৫) কোন চনত ভাৰতীয় জাতীয় কংগ্ৰেছ গঠন হৈছিল?

-----------------------------------------------------------------------

৬)  ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাপক সভাপতি কোন আছিল?

---------------------------------------------------------------------

### ২.২.৪ চৰমপন্থীসকলৰ অভ্যুত্থানৰ কাৰণ ঃ

তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে, ভাৰতীয় জাতীয় কংগ্ৰেছৰ কাৰ্যকলাপ প্ৰথম অৱস্থাত নৰমপন্থীৰ নেতৃত্বত পৰিচালিত হৈছিল। লাহে লাহে কংগ্ৰেছৰ কিছুসংখ্যক নেতাই উপলব্ধি কৰিলে যে, নৰমপন্থীসকলে গ্ৰহণ কৰা কৌশল ভাৰতবাসীৰ স্বাৰ্থ পূৰণত সহায়ক নহ'ব। ফলত কংগ্ৰেছৰ ভিতৰতে চৰমপন্থী নামেৰে এটা নতুন উপদলৰ জন্ম হ'ল। অৱশ্যে এই নতুন গোটটোৰ জন্মত কিছুমান কাৰকে অৰিহণা যোগাইছিল। সেইবোৰ তলত আলোচনা কৰা হ'ল-

**১) কংগ্ৰেছৰ দাবীসমূহৰ প্ৰতি বৃটিছ চৰকাৰৰ অমনোযোগিতা ঃ** প্ৰতিষ্ঠা কালৰে পৰা ভাৰতীয় জাতীয় কংগ্ৰেছে ব্ৰিটিছ চৰকাৰৰ ওচৰত বিভিন্ন দাবী উত্থাপন কৰি আহিছিল। কিন্তু বৃটিছ চৰকাৰে কংগ্ৰেছৰ এনে দাবীৰ প্ৰতি বিশেষ মনোযোগ দিয়া নাছিল। ফলত বৃটিছৰ এনে অমনোযোগিতা আৰু আকোৰগোজ মনোভাবৰ বাবে কংগ্ৰেছৰ এচামে চৰম পন্থা অবলম্বনৰ সম্পৰ্কে মত প্ৰকাশ কৰিছিল।

**২) ১৮৯৭ চনৰ দুৰ্ভিক্ষই সৃষ্টি কৰা অসন্তোষ :** ১৮৯৭ চনত ভাৰতত দেখা দিয়া ভয়াবহ দুৰ্ভিক্ষই হাজাৰ হাজাৰ লোকৰ প্ৰাণ কাঢ়ি লৈছিল। কিন্তু বৃটিছ চৰকাৰে ইয়াৰ প্ৰতিকাৰৰ কোনো ব্যৱস্থা গ্ৰহণ নকৰি নিমাতে থাকিল আৰু ঠিক একে সময়তে দিল্লীত দৰবাৰ পাতি হাজাৰ হাজাৰ টকা খৰচ কৰিলে। বৃটিছ চৰকাৰৰ এনে কাৰ্য্যই কংগ্ৰেছৰ কিছুমানক চৰমপন্থা অৱলম্বনৰ বাবে উদ্গনি যোগাইছিল।

**৩) সংক্ৰামক ৰোগৰ আৰ্বিভাব :** দুৰ্ভিক্ষৰ করুণ ধ্বনি মাৰ যাবলৈ নৌপাওঁতেই বোম্বাই প্ৰদেশকে ধৰি ভাৰতৰ বিভিন্ন ঠাইত প্লেগ বেমাৰে দেখা দিলে। চৰকাৰে এইবাৰ ব্যৱস্থা গ্ৰহণ কৰিছিল যদিও সি যথোপযুক্ত নাছিল। তদুপৰি চৰকাৰী বিষয়া আৰু সেনা বাহিনীৰ দ্বাৰা প্লেগ আক্ৰান্ত লোকক চিকিৎসাৰ যাবতীয় ব্যৱস্হা গ্ৰহণ কৰাৰ বাবে নিৰ্জন ঠাইত চিকিৎসালয় স্থাপন কৰা আদি কাৰ্যই গোড়া, ধাৰ্মিক, অশিক্ষিত লোকসকলক ক্ষুব্ধ কৰিছিল। চৰকাৰৰ কাৰ্যত ক্ষুব্ধ হৈ এজন যুবকে খণ্ডৰ ভমকত পুনাৰ প্লেগ আয়ুক্ত ৰান্দ আৰু তেওঁৰ এজন সহযোগীক গুলিয়াই হত্যা কৰিছিল। লোকমান্য বাল গংগাধৰ তিলকেও তেওঁৰ 'কেশৰী' নামৰ কাকতখনত চৰকাৰক তীব্ৰ ভাষাৰে সমালোচনা কৰিছিল। চৰকাৰে তিলকক ১৮ মাহৰ কাৰাদণ্ড বিহে। চৰকাৰৰ এনেবোৰ কাৰ্যত অসন্তুষ্ট হৈ ভালেমান লোকে চৰমপন্হা অৱলম্বনৰ সিদ্ধান্ত লয়।

**৪) লৰ্ড কাৰ্জনৰ দমনমূলক নীতি :** লৰ্ড কাৰ্জনৰ শাসন নীতিয়েও ভাৰতত উগ্ৰপন্থী কাৰ্যকলাপৰ বিকাশত অৰিহণা যোগাইছিল। লৰ্ড কাজনৰ শাসন কালত প্ৰণয়ন কৰা বিভিন্ন আইন যেনে, প্ৰেছ আইন, পৌৰ নিগম আইন, ভাৰতীয় বিশ্ববিদ্যালয় আইন, অস্ত্ৰআইন আদিয়ে ভাৰতীয়সকলৰ বিভিন্ন অধিকাৰ সংকুচিত কৰিছিল। সেইদৰে লৰ্ড কাৰ্জনে কলিকতাৰ ভিক্টোৰিয়া মেমৰিয়েল নিৰ্মাণ কৰিবৰ বাবে ভাৰতীয় ৰাজকোষৰ পৰা ধন ব্যয় কৰাত জনসাধাৰণ অসন্তুষ্ট হৈছিল। তদুপৰি বংগ বিভাজনৰ কাৰ্যসূচীয়েও ভাৰতীয়সকলৰ মাজত গভীৰ অসন্তুষ্টিৰ ভাব জগাই তুলিছিল। এনেবোৰ কাৰণতে কংগ্ৰেছৰ এচামে ব্ৰিটিছৰ বিৰুদ্ধে চৰমপন্হা অৱলম্বনৰ সিদ্ধান্ত লৈছিল।

**৫) বিদেশত ভাৰতীয় সকলক কৰা দু:ব্যৱহাৰ :** বিদেশত থকা ভাৰতীয়সকলক কৰা অপমান আৰু দু:ব্যৱহাৰেও চৰমপন্হীসকলৰ সৃষ্টিত উদ্গনি যোগাইছিল। দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয়সকলৰ প্ৰতি নিকৃষ্ট ব্যৱহাৰ কৰা হৈছিল। জাতিৰ পিতা মহাত্মা গান্ধীও দক্ষিণ আফ্ৰিকাত থকা অৱস্থাত এনে ব্যৱহাৰ তথা বৈষম্যৰ বলি হৈছিল। গান্ধীয়ে আনকি চৰকাৰৰ এনে ব্যৱস্থাৰ বিৰুদ্ধে অনশনো কৰিছিল। কিন্তু চৰকাৰে সদায় নীৰব দৰ্শকৰ ভূমিকাহে গ্ৰহণ কৰিছিল। ফলত বহুতৰে মনত এনে এটা ধাৰণা হৈছিল যে, বৃটিছসকল ভাৰতীয়ৰ স্বাৰ্থ পূৰণৰ বাবে আগ্ৰহী নহয়। সেয়ে চৰমপন্হা অৱলম্বন কৰি হ'লেও ভাৰতবাসীৰ স্বাৰ্থ পূৰণৰ সিদ্ধান্ত কংগ্ৰেছৰ একাংশই গ্ৰহণ কৰিলে।

**৬) বিদেশত সংঘটিত ঘটনাৱলীৰ প্ৰভাব :** বিদেশত ঘটা কেতবোৰ ঘটনাৱলী যেনে- **১৮৯৬** চনত আবিচিনিয়াৰ হাতত ইটালীৰ পৰাজয়, **১৯০৫** চনত জাপানৰ হাতত ছোভিয়েট ৰাচিয়াৰ পৰাজয় আদিয়ে ভাৰতীয়সকলকো উৎসাহিত কৰিছিল। তেওঁলোকৰ বিশ্বাস হৈছিল যে, শান্তিপূৰ্ণ পদ্ধতিৰে ভাৰতীয় লোকৰ স্বাৰ্থ পূৰণ কৰাকাৰ্য্য সম্ভৱ নহ'ব।

এনেবোৰ কাৰণতে কংগ্ৰেছত চৰমপন্হীসকলৰ অৰ্বিভাব ঘটিল। **১৯০৭** চনৰ চুৰাট অধিবেশনত কংগ্ৰেছ নৰমপন্হী আৰু চৰমপন্হী নামৰ দুটা দলত বিভক্ত হ'ল আৰু **১৯১৬** চনলৈকে চৰমপন্হীসকলে কংগ্ৰেছৰ বাহিৰত থাকি বিভিন্ন ধৰণৰ কাৰ্য্যসূচী ৰূপায়ন কৰিছিল।

### ২.২.৫ জাতীয় আন্দোলনত চৰমপন্হীসকলৰ প্ৰভাব ঃ

ভাৰতৰ জাতীয় আন্দোলনটোত চৰমপন্হীসকলৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী আছিল বুলি ক'ব পাৰি। চৰমপন্হীসকলৰ জন্ম, বিকাশ আৰু কাৰ্যকলাপে ভাৰতৰ জাতীয় আন্দোলটোক তেজস্কৃত কৰি তোলাত বিশেষভাৱে অৰিহণা যোগাইছিল। নৰমপন্হীসকলে গ্ৰহণ কৰা কৌশল যে ফলপ্ৰসু নাছিল সেইটো বিভিন্ন সময়ত পৰিস্ফুট হৈছিল। সাম্ৰাজ্যবাদী শাসনৰ শোষন- অত্যাচাৰৰ বিৰুদ্ধে শক্তি প্ৰয়োগৰহে

প্ৰয়োজনীয়তা আছিল। ভাৰতৰ জাতীয় আন্দোলনত এই শক্তি প্ৰয়োগ কৰিছিল চৰমপন্থীসকলে। এটা কথা ঠিক যে, কংগ্ৰেছক চৰমপন্থীসকলৰ কবললৈ যোৱাত বাধা দিবলৈ বৃটিছ চৰকাৰে চেষ্টাৰ ত্ৰুটী কৰা নাছিল। সেই উদেশ্যেই ১৯০৯ চনত মৰ্লে-মিন্টো সংস্কাৰ আইন প্ৰণয়ন কৰা হৈছিল। অশেষ কষ্ট স্বীকাৰ কৰিও চৰমপন্থীসকলে নিজৰ কাৰ্যকলাপ চলাই গৈছিল। বহুতো শ্বহীদো হৈছিল। চৰমপন্থীসকলৰ ত্যাগৰ অবিহনে এই আন্দোলনটোৱে ইমান সোনকালে সফলতা লাভ কৰিব নোৱাৰিলেহেতেন। কাৰণ, নৰমপন্থীসকল চৰম ত্যাগৰ বাবে সাজু নাছিল। যি কি নহওক, ১৯১৭ চনৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছ সম্পূৰ্ণভাৱে চৰমপন্থীসকলৰ অধীনলৈ যায় আৰু তেওঁলোকৰ নেতৃত্বতে জাতীয় আন্দোলনটোৰ সফল সামৰণি পৰিল।

### ২.২.৬ ভাৰতৰ স্বাধীনতা আন্দোলনত জাতীয় কংগ্ৰেছৰ ভূমিকা ঃ

তোমালোকে ইতিমধ্যে গম পাইছা যে, ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠা হোৱাৰ পিচৰ পৰাই ভাৰতীয় জাতীয়তাবাদে পূৰ্ণাংগ ৰূপ লাভ কৰিলে। এককথাত ক'বলৈ হ'লে ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্মৰ লগে লগে ভাৰতৰ স্বাধীনতা আন্দোলনটোৰ শুভাৰম্ভ ঘটিল। স্বাধীনতা আন্দোলনটোক এক নিৰ্দিষ্ট গতি প্ৰদানত আৰু ব্ৰিটিছৰ বিৰুদ্ধে ভাৰতবাসীক ঐক্যবদ্ধ কৰাত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভূমিকা প্ৰশংসনীয়। প্ৰথম অৱস্থাত ই আবেদন-নিবেদনৰ জৰিয়তে ভাৰতবাসীৰ দাবীসমূহ বৃটিছ চৰকাৰৰ ওচৰত দাঙি ধৰাৰ প্ৰয়াস কৰিছিল যদিও পিচলৈ চৰমপন্থা অৱলম্বনৰ জৰিয়তে ভাৰতৰ স্বাধীনতা ঘূৰাই আনিবলৈ সক্ষম হ'ল। এটা কথা ঠিক যে, কংগ্ৰেছৰ বাহিৰেও অন্য ব্যক্তি আৰু সংগঠনে ভাৰতৰ স্বাধীনতা আন্দোলনটোলৈ অৰিহণা আগবঢ়াইছিল। কিন্তু এইক্ষেত্ৰত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভূমিকা অতুলনীয়। বিশেষকৈ কংগ্ৰেছৰ নেতৃত্ব মহাত্মাগান্ধীৰ হাতলৈ যোৱাৰ পিছৰ পৰাই ইয়াৰ শক্তি বৃদ্ধি পাবলৈ ধৰিলে। জাতীয় কংগ্ৰেছ লাহে লাহে এক গণ- আন্দোলনত পৰিণত হ'ল। কংগ্ৰেছৰ নেতৃত্বত পৰিচালিত তিনিটা বিশেষ আন্দোলন যথাক্ৰমে অসহযোগ, আইন অমান্য আৰু ভাৰত ত্যাগ আন্দোলনত সমাজৰ সকলো শ্ৰেণীৰ লোকেই সক্ৰিয়ভাবে অংশগ্ৰহণ কৰিছিল। ছাত্ৰ-ছাত্ৰী, মহিলা, কৃষক, শ্ৰমিক সকলোৱেই আন্দোলনত জপিয়াই পৰিছিল। চৰকাৰৰ দমনমূলক নীতিয়েও কাকো লক্ষ্যৰ পৰা বিচলিত কৰিব পৰা নাছিল। শ শ নিৰীহ জনতাক জেলত ভৰোৱা হৈছিল। কংগ্ৰেছৰ আহ্বানক্ৰমে সকলোৱেই নিজ স্বাৰ্থ পৰিহাৰ কৰি দেশৰ হকে প্ৰাণ দিবলৈ আগবাঢ়ি আহিছিল। অবশ্যে কংগ্ৰেছলৈ সংঘাত নহাকৈ থকা নাছিল। বিটিছ চৰকাৰে কংগ্ৰেছৰ কাৰ্যসূচীবোৰ বিফল কৰিবলৈ চেষ্টাৰ ত্ৰুটী কৰা নাছিল। তথাপি জাতীয় কংগ্ৰেছ ইয়াৰ আকাংক্ষিত লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত থমকি ৰোৱা নাছিল। ১৯৪৭ চনৰ ১৫ আগষ্টত কংগ্ৰেছৰ নেতৃত্বতে দেশবাসীয়ে বৃটিছৰ পৰা শাসনক্ষমতা হস্তগত কৰিবলৈ সক্ষম হ'ল।

**আত্মমূল্যায়নৰ প্ৰশ্ন - (খ)ঃ**

১) কোন চনত কংগ্ৰেছ নৰমপন্থী আৰু চৰমপন্থী নামেৰে দুটা দলত বিভক্ত হ'ল?

---------------------------------------------------------------------

২) চৰমপন্থীসকলৰ অভ্যুত্থানৰ দুটা কাৰণ উল্লেখ কৰা।

---------------------------------------------------------------------

---------------------------------------------------------------------

৩) দুজন চৰমপন্থী নেতাৰ নাম লিখা।

---------------------------------------------------------------------

৪) কিমান চনৰ পৰা ভাৰতীয় জাতীয় কংগ্ৰেছ চৰমপন্থীসকলৰ নিয়ন্ত্ৰণলৈ গৈছিল?

---------------------------------------------------------------------

---------------------------------------------------------------------

## ২.৩. মুছলীম লীগ ঃ

বৃটিছ শাসনকালত ভাৰতীয় জাতীয় কংগ্ৰেছৰ সমান্তৰালভাৱে গঢ়ি উঠা এটা ৰাজনৈতিক সংগঠন হ'ল মুছলীম লীগ। ১৯০৬ চনত মুছলমান সম্প্ৰদায়টোৰ স্বাৰ্থ ৰক্ষাৰ মানসেৰে এই সংস্থাটো গঠন কৰা হৈছিল। ই মুছলমানসকলৰ মাজত গঢ়ি উঠা পৃথক ৰাজনৈতিক চেতনাৰ ফল বুলি ক'ব পাৰি।

### ২.৩.১ মুছলীম সাম্পদায়িকতাবাদৰ বিকাশ আৰু মুছলীম লীগৰ জন্ম ঃ

ভাৰতীয় জাতীয় কংগ্ৰেছ গঠন হোৱাৰ পিছত ভাৰতৰ মুছলমান সম্প্ৰদায়ৰ মাজতো পৃথক জাতীয় চেতনা গঢ়ি উঠিছিল। ইয়াক মুছলীম সাম্প্ৰদায়িকতাবাদ বুলি ক'ব পাৰি। অৱশ্যে মুছলমানসকলৰ মাজত পৃথক জাতীয় চেতনা গঢ়ি উঠাৰ আঁৰত কেতবোৰ কাৰণ নথকা নহয়। বৃটিছসকলে ভাৰতৰ শাসনভাৰ গ্ৰহণ কৰাৰ আগলৈকে মুছলমানসকল ভাৰতৰ শাসনকৰ্তা আছিল। পূৰ্বৰ শাসনকৰ্তা হিচাপে তেওঁলোকে নিজকে হিন্দুসকলতকৈ শ্ৰেষ্ঠ বুলি বিবেচনা কৰিছিল। অন্যহাতে, মুছলমানসকলৰ

প্ৰতি ব্ৰিটিছ চৰকাৰে প্ৰদৰ্শন কৰা নীতিয়েই মুছলমানসকলক অসন্তুষ্ট কৰিছিল। মুছলমানসকলক বৃটিছ চৰকাৰে কেতিয়াও বিশ্বাসত লোৱা নাছিল। সেয়ে ব্ৰিটিছে হিন্দুসকলক সহায় কৰি মুছলমানসকলক ধ্বংস কৰা নীতি গ্ৰহণ কৰিছিল। ব্ৰিটিছৰ এনে বিভাজন আৰু শাসন নীতিয়ে মুছলমানসকলৰ অৱস্হা শোচনীয় কৰি তুলিছিল। মুছলমানসকলক এনে শোচনীয় অৱস্থাৰ পৰা উদ্ধাৰ কৰিবৰ বাবে চাৰ চৈয়দ আহমেদ নামৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ এজন অবসৰ প্ৰাপ্ত বিষয়া আগবাঢ়ি আহিল। এইজনা মুছলমান নেতাই নিজ জতিটোৰ স্বাৰ্থ ৰক্ষাৰ বাবে কাম কৰিবলৈ সিদ্ধান্ত ললে। তেওঁ উপলব্ধি কৰিছিল যে, বৃটিছৰ লগত সহযোগিতা কৰিলেহে তেওঁলোকৰ স্বাৰ্থ পূৰণ হ'ব। সেয়েহে তেওঁ ব্ৰিটিছৰ লগত থকা মতানৈক্য দূৰ কৰি এক সৌহাদ্যপূৰ্ণ সম্পৰ্ক স্থাপনৰ চেষ্টা কৰিছিল। এই চেষ্টাত তেওঁ সফলো হৈছিল। কাৰণ, ব্ৰিটিছেও ভাৰতীয় জাতীয়তাবাদক দূৰ্বল কৰিবৰ অৰ্থে মুছলমানসকলক কংগ্ৰেছৰ পৰা আঁতৰাই আনি বিশেষ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰিছিল। বংগ বিভাজন ব্ৰিটিছৰ এনে ব্যবস্থাৰে এক ফল আছিল। ব্ৰিটিছ চৰকাৰৰ এনে কাৰ্যই কংগ্ৰেছৰ ভালেমান নেতাক ক্ষুদ্ধ কৰিছিল আৰু তিলকৰ দৰে চৰমপন্হী নেতাই স্বৰাজৰ প্ৰস্তাৱ দাঙি ধৰিছিল।১৯০৬ চনত স্বৰাজৰ দাবী উত্থাপন হোৱাৰ পিছত হিন্দু-মুছলমানৰ সম্পৰ্কত সুদূৰপ্ৰসাৰী প্ৰভাৱ পৰিল। সেই বছৰতে ভাৰতীয় সমাজ তথা ৰাজনৈতিক ব্যৱস্থাৰ অধিক সংস্কাৰৰ বাবে লৰ্ড মিন্টোৱে এখন কমিটি গঠন কৰি দিয়ে। এই কমিটিখন গঠন হোৱাৰ লগে লগে আগা খাঁনৰ নেতৃত্বত মুছলমানসকলৰ এটা প্ৰতিনিধি দলে লৰ্ড মিন্টোক সাক্ষাৎ কৰি সৰ্ব্বোচ্চ আইন সভাৰ পৰা তলৰ জিলা পৰিষদলৈকে সাম্প্ৰদায়িক ভিত্তিত প্ৰতিনিধি নিৰ্বাচনৰ ব্যবস্থা কৰিবলৈ দাবী জনায়। লৰ্ড মিন্টোৱেও ততালিকে সেই দাবী মানি লৈছিল। এই খিনিতে উল্লেখ কৰিব পাৰি যে, ১৯০৯ চনৰ মৰ্লে-মিন্টো সংস্থাৰ আইনত মুছলমানসকলৰ বাবে পৃথক নিৰ্বাচনৰ ব্যবস্থা অন্তৰ্ভূক্ত কৰা হ'ল। এইদৰে ব্ৰিটিছৰ পৃষ্ঠপোষকতাতে মুছলমানসকলৰ মাজত পৃথক জাতীয় চেতনা গঢ়ি উঠিল। এইক্ষেত্ৰত লৰ্ড মিন্টোৰ ভূমিকা উল্লেখযোগ্য। লৰ্ড মিন্টোৱে মুছলমানসকলক সকলো ক্ষেত্ৰতে সহায় কৰাৰ লগতে এক পৃথক সংস্থা গঠনত উদ্গনি যোগাই আহিছিল। মুছলমান সাম্প্ৰদায়ৰ শিক্ষিত লোকসকলেও কংগ্ৰেছৰ সমান্তৰালভাৱে এটা সংস্হা গঠনৰ কথা ভাবিছিল। এই সন্দৰ্ভত মহম্মদ চাফিয়ে ১৯০১ চনত ভাৰতীয় মুছলীম লীগ গঠনৰ পৰামৰ্শ আগবঢ়াইছিল যদিও সি কাৰ্যকৰী নহ'ল। কিন্তু ১৯০৬ চনৰ ৩০ ডিচেম্বৰত চিমলাত মুছলমানসকলৰ প্ৰতিনিধি দল এটাই মিন্টোক লগ ধৰাৰ ৯০ দিনৰ পিছতে ঢাকাত মুছলীম লীগ গঠন হ'ল।

### ২.৩.২ মুছলীম লীগৰ উদ্দেশ্য ঃ

১৯০৬ চনত মুছলীম লীগৰ জন্ম হৈছিল যদিও ১৯০৭ চনত কৰাচী অধিবেশনতহে এই সংগঠনৰ সংবিধান ৰচনা কৰা হৈছিল আৰু ১৯০৮ চনত লক্ষ্ণৌত সেই সংবিধানক অনুমোদন জনোৱা হৈছিল। নিজ সম্প্রদায়টোৰ স্বাৰ্থ ৰক্ষা কৰাই মুছলীম লীগৰ মূল উদ্দেশ্য আছিল যদিও সংবিধানমতে লীগৰ কেইটামান লক্ষ্য স্থিৰ কৰা হৈছিল। সেইবোৰ হ'ল-

১) ভাৰতীয় মুছলমানসকলক বৃটিছ চৰকাৰৰ প্ৰতি আনুগত্য প্ৰদৰ্শনৰ বাবে উদ্গনি যোগোৱা।

২) ভাৰতীয় মুছলমানসকলৰ ৰাজনৈতিক অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিত কৰি ৰখা আৰু তেওঁলোকৰ আশা-আকাংক্ষাবোৰ বৃটিছ চৰকাৰৰ ওচৰত দাঙি ধৰা।

৩) ভাৰতত বাস কৰা আন সম্প্ৰদায়সমূহৰ লগতে মুছলমানসকলৰ যিকোনো শত্ৰুভাব গঢ়ি উঠাত বাধা দিয়া।

উল্লেখিত উদ্দেশ্যসমূহৰ জৰিয়তে লীগে নিজকে এক সাম্প্ৰদায়িক সংগঠন হিচাপে চিনাকি দিছিল। কিন্তু লীগৰ কিছুমান সদস্যই এই সাম্প্ৰদায়িক নীতি ভালপোৱা নাছিল। মহম্মদ আলি জিন্নাৰ দৰে প্ৰগতিবাদী নেতাই কংগ্ৰেছৰ লগত একেলগে কাম কৰা নীতিহে সমৰ্থন কৰিছিল। ফলত ১৯১৩ চনত লীগৰ সংবিধান সংশোধন কৰি সকলো সম্প্ৰদায়ৰ লগত সৌহাদ্যপূৰ্ণ সম্পৰ্ক স্থাপন কৰা আৰু স্বায়ত্ব শাসন লাভ কৰাটোৱেই লীগৰ উদ্দেশ্য হিচাপে অন্তৰ্ভুক্ত কৰা হ'ল।

### ২.৩.৩ মুছলীম লীগৰ ৰাজনীতি ঃ

এক সাম্প্ৰদায়িক সংগঠন মুছলীম লীগৰ জন্ম হৈছিল আৰু সাম্প্ৰদায়িক সংস্থা হিচাপেই ই বৰ্তি আছিল। ১৯০৬ চনৰ ১৯১৩ চনলৈকে মুছলীম লীগে কংগ্ৰেছৰ পৰা আঁতৰত থাকি সাম্প্ৰদায়িক ৰাজনীতি চলাই আছিল। কিন্তু মৰ্লে-মিন্টো আয়োগৰ প্ৰতিবেদন প্ৰকাশ পোৱাৰ পিছৰ কেতবোৰ ঘটনাৱলীয়ে লীগক ইয়াৰ সাম্প্ৰদায়িক চৰিত্ৰ পৰিহাৰ কৰি কংগ্ৰেছৰ সৈতে একেলগে কাম কৰিবলৈ বাধ্য কৰিলে। সেই ঘটনাৱলীৰ ভিতৰত -

১) হিন্দুসকলৰ মনত আঘাট হানি ভাৰতক দ্বি-খণ্ডিত কৰিবলৈ চৰকাৰ আগ্ৰহী নহয় বুলি মুছলমানসকলৰ বিশ্বাস।

২) লৰ্ড হাৰডিলছে হিন্দু আৰু মুছলমান দুয়োটা সম্প্ৰদায়ক সমানে সন্তুষ্ট কৰি ৰাখিবলৈ লোৱা নিৰপেক্ষ ভূমিকা।

৩) মুছলীম লীগৰ মুখ্য কাৰ্য্যালয় আলিগড়ৰৰ পৰা লক্ষ্ণৌলৈ স্থানান্তৰিত কৰা।

৪) বলকান যুদ্ধৰ সময়ত তুৰ্কীৰ প্ৰতি বৃটিছ চৰকাৰে দেখুওৱা মনোভাব।

৫) মুছলমান সম্প্ৰদায়ৰ ভালেকেইজন বিশিষ্ট নেতাই বৃটিছৰ তলতীয়া হোৱাতকৈ স্বাধীনতা লাভৰ বাবে কাম কৰিবলৈ লীগক জনোৱা আহ্বান উল্লেখযোগ্য আছিল।

এইদৰে কিছুমান ঘটনাই লীগক কংগ্ৰেছৰ কাষ চপাই অনাত সহায় কৰিছিল। ১৯১৩ চনত লক্ষ্ণৌত বহা লীগৰ অধিবেশনত স্বৰাজ আৰু জাতীয় একতা প্ৰতিষ্ঠাৰ বাবে সকলো সম্প্ৰদায়ৰ মাজত যোগাযোগ ৰক্ষা কৰি ভাৰতীয় জনসাধাৰণৰ মাজত এক জাতীয় জাগৰণ সৃষ্টিৰ প্ৰস্তাৱ গ্ৰহণ কৰে। ই লীগৰ ৰাজনীতিলৈ বৈপ্লৱিক পৰিৱৰ্তন আনে। লীগৰ এনে ৰাজনৈতিক পৰিৱৰ্তনত কংগ্ৰেছ আনন্দিত হৈছিল আৰু ১৯১৩ চনৰ ডিচেম্বৰত কৰাচীত বহা কংগ্ৰেছৰ সভাই লীগক এইক্ষেত্ৰত আদৰণি জনায়। ১৯১৫ চনত বোম্বেত কংগ্ৰেছৰ বছেৰেকীয়া অধিবেশনৰ সময়তে লীগৰ অধিবেশন অনুষ্ঠিত হয় আৰু তাতেই দুয়োটা সংগঠনৰ নেতাসকলে এটা যুটীয়া ফন্ট গঠনৰ বাবে মিলিত হৈছিল। উল্লেখযোগ্য যে, ১৯১৬ চনত স্বাক্ষৰিত কংগ্ৰেছ- লীগ সন্ধিৰ জৰিয়তে সেই উদ্দেশ্যই পূৰ্ণতা লাভ কৰিলে। এইদৰে এৰা-ধৰাৰ মাজতে লীগ আৰু কংগ্ৰেছৰ মাজত সম্পৰ্ক স্থাপন হৈছিল যদিও সেই সম্পৰ্ক স্থায়ী নহ'ল। হিন্দু আৰু মুছলমানৰ মাজৰ সম্পৰ্কত পুনৰ জটিলতা আহি পৰিল।

### ২.৩.৪ হিন্দু-মুছলমানৰ মাজৰ সংঘৰ্ষ ঃ

কংগ্ৰেছ আৰু মুছলীম লীগৰ যৌথ প্ৰচেষ্টাত হিন্দু আৰু মুছলমানৰ মাজৰ সম্পৰ্ক কিছু উন্নত হৈছিল যদিও ১৯২২ চনৰ পৰা দুয়ো সম্প্ৰদায়ৰ মাজত পুনৰ মনোমালিন্যই দেখা দিয়ে। ১৯২২-৩১ চনৰ মাজৰ সময়ছোৱাত সেই মতানৈক্যই হিংসাত্মক ৰূপ লয়। কাৰণ যি দুটা উপাদানৰ জৰিয়তে হিন্দু মুছলমানৰ মাজত একতা সৃষ্টি হৈছিল সেই উপাদানকেইটা ইতিমধ্যে শেষ হৈ গৈছিল। ১৯২২ চনত অসহযোগ আন্দোলন শেষ হোৱাৰ লগে লগে খিলাফৎ আন্দোলনৰ সামৰণি পৰিল। খিলাফৎ আন্দোলনৰ পিছত লীগৰ জনপ্ৰিয়তা মুছলমানসকলৰ মাজত বৃদ্ধি পাবলৈ ধৰিলে আৰু ই পুনৰ সক্ৰিয় সাম্প্ৰদায়িক ৰাজনীতিলৈ উভটি গ'ল। অন্যহাতে সেই সময়ছোৱাত হিন্দু মহাসভাকে ধৰি ভালেমান সাম্প্ৰদায়িক অনুষ্ঠান গঢ়ি উঠিল। চৰকাৰে হিন্দু-মুছলমানৰ মাজৰ সংঘাত দুৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ পৰিৱৰ্তে তেনে সংঘৰ্ষত উচতনিহে দিলে। ফলত দুয়োটা সম্প্ৰদায়ৰ মাজৰ ব্যৱধান ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিলে। অৱশেষত চাইমন আয়োগ ভাৰতলৈ অহাৰ পিছত সৃষ্টি হোৱা সাম্প্ৰদায়িক ৰাজনীতিত দুয়োটা সম্প্ৰদায়ৰ মাজৰ সম্পৰ্ক শেষ হোৱাৰ উপক্ৰম হ'ল।

**আত্মমূল্যায়নৰ প্ৰশ্ন- (গ)ঃ**

১) মুছলীম লীগ কেতিয়া গঠিত হৈছিল?

------------------------------------------------------------

২) কোনখন সংস্কাৰ আইনত পোনপ্ৰথমবাৰৰ বাবে মুছলমানসকলক পৃথক নিৰ্বাচনৰ সুবিধা দিয়া হৈছিল?

------------------------------------------------------------

৩) মুছলীম লীগৰ দুটা উদ্দেশ্য লিখা।

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

৪) কোন চনত মুছলীম লীগ আৰু কংগ্ৰেছৰ মাজত সন্ধি স্থাপন হৈছিল?

------------------------------------------------------------

### ২.৩.৫ মুছলীম লীগত বিভাজন ঃ

১৯২৭ চনৰ শেষত চাইমন আয়োগ ভাৰতত উপস্থিত হয়। চাইমন আয়োগ ভাৰতত উপস্থিত হোৱাৰ পিছতেই লীগৰ উচ্চ পৰ্য্যায়ৰ নেতাসকলৰ মাজত মনোমালিন্যই দেখা দিলে। সেই মনোমালিন্য দূৰ কৰিবৰ বাবে মুছলীম লীগৰ বিশিষ্ট নেতা মহম্মদ আলী জিন্নাই মুছলমান নেতাসকলৰ এখন অধিবেশনো আহ্বান কৰিছিল। অধিবেশনত হিন্দু- মুছলমানৰ মাজৰ সংঘাট দূৰ কৰাৰ বাবে যুটীয়া নিৰ্বাচন ব্যৱস্থাকেই উপযুক্ত বুলি বিবেচনা কৰা হৈছিল। কিন্তু এই সিদ্ধান্তই লীগত পুনৰ মতানৈক্যৰ সৃষ্টি কৰে আৰু মুছলীম লীগ দুটা ভাগত বিভক্ত হয়। ইয়াৰে এটা দলৰ নেতৃত্ব মহম্মদ আলী জিন্নাই আৰু আনটো দলৰ নেতৃত্ব মহম্মদ চাফীয়ে গ্ৰহণ কৰিছিল। জিন্নাৰ দলে মুছলমানসকলৰ বাবে যুটীয়া নিৰ্বাচন সমৰ্থন কৰিছিল। অন্যহাতে চাফীৰ দলে সুকীয়া নিৰ্বাচনৰ পক্ষপাতী আছিল। ১৯২৭ চনত দুয়োটা দলৰ অধিবেশন পৃথকে পৃথকে অনুষ্ঠিত হয়। জিন্নাৰ দলৰ অধিবেশন কলিকতাত আৰু চাফীৰ দলৰ অধিবেশন

লাহোৰত অনুষ্ঠিত হয়। জিন্নাৰ দলে লাহোৰ প্ৰতিবেদনক সমৰ্থন কৰাৰ বিপৰীতে চাফীৰ দলে তাক প্ৰত্যাখান কৰিছিল। অবশেষত জিন্নাই লীগৰ ৰাজনীতিত অতীষ্ঠ হৈ ভাৰত এৰি ইংলেণ্ডলৈ গুচি যায়।

**২.৩.৬. জিন্নাৰ সাম্প্ৰদায়িক ৰাজনীতি ঃ**

তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে, মহম্মদ আলী জিন্না এজন প্ৰগতিবাদী নেতা আছিল। তেওঁ হিন্দু আৰু মুছলমানৰ মাজত একতা স্থাপনত বিশ্বাসী আছিল। লীগৰ ৰাজনীতি সাম্প্ৰদায়িক হোৱাটো তেওঁ বিচৰা নাছিল। বৰং কংগ্ৰেছৰ লগত সহযোগিতাৰে কাম কৰাৰ নীতিহে তেওঁ সমৰ্থন কৰিছিল। কিন্তু পিছলৈ বিভিন্ন কাৰণত জিন্নাই সাম্প্ৰদায়িক ৰাজনীতি গ্ৰহণ কৰিবলৈ বাধ্য হ'ল। ইংলেণ্ডৰ পৰা ঘুৰি আহি ১৯২৯ চনত ছেপ্টেম্বৰ মাহত জিন্নাই লীগৰ এখন বিশেষ অধিবেশন আহ্বান কৰে আৰু সেই অধিবেশনতে তেওঁ এক চৈধ্যদফীয়া আঁচনি দাঙি ধৰে। উল্লেখযোগ্য যে, জিন্নাৰ চৈধ্যদফীয়া আঁচনিৰ ভিত্তিতেই চাফীৰ দলৰ লগত এক বুজাবুজি হয়। ১৪ দফীয়া আঁচনিত সন্নিবিষ্ট মূল বিষয়বোৰ আছিল এনে ধৰণৰ-

১) ভৱিষ্যত ভাৰতৰ সংবিধানখন যুক্তৰাষ্ট্ৰীয় কৰি অবশিষ্ট ক্ষমতা প্ৰদেশবিলাকৰ হাতত অৰ্পন কৰিব লাগে।

২) প্ৰদেশসমূহৰ মাজত সমান ক্ষমতা প্ৰদানৰ ব্যৱস্থা কৰিব লাগে।

৩) সকলো বিধান পৰিষদতে সংখ্যালঘুসকলৰ উপযুক্ত সংখ্যক প্ৰতিনিধিত্ব থাকিব লাগে।

৪) কেন্দ্ৰীয় বিধান পৰিষদত মুছলমানসকলৰ প্ৰতিনিধিত্ব ১/৩ ভাগতকৈ কম হ'ব নালাগে।

৫) সুকীয়া নিৰ্বাচনৰ যোগেদি ব্যবস্হা ৰখা সাম্প্ৰদায়িক গোটবিলাকৰ প্ৰতিনিধিত্ব অব্যাহত ৰখা।

৬) পঞ্জাৱ, বেংগল আৰু উত্তৰ পশ্চিম সীমান্ত প্ৰদেশৰ সীমা পুনৰ নিৰ্ধাৰণৰ সময়ত মুছলমান সংখ্যাগৰিষ্ঠ অঞ্চলসমূহৰ ক্ষতি সাধন নকৰা।

৭) সকলো সম্প্ৰদায়কে পূৰ্ণ ধৰ্মীয় স্বাধীনতা প্ৰদান কৰা।

৮) কোনো বিলৰ ওপৰত কোনো সম্প্ৰদায়ৰ সদস্যসকলৰ ভিতৰত যদি ৩/৪ অংশই আপত্তি কৰে তেতিয়াহ'লে তেনে বিল বিধানমণ্ডলত গ্ৰহণ কৰিব নালাগে।

৯) বোম্বেৰ পৰা সিন্ধু প্ৰদেশক পৃথক কৰা।

১০) আন প্ৰদেশসমূহৰ নিচিনাকৈ উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ আৰু বেলুচিস্তানতো বিভিন্ন সংস্কাৰসমূহ কাৰ্যকৰী কৰিব লাগে।

১১) মুছলমানসকলক বিভিন্ন চাকৰি আৰু স্থানীয় চৰকাৰসমূহত উপযুক্ত সংখ্যক আসন দিবৰ বাবে সংবিধানত ব্যৱস্থা ৰাখিব লাগে।

১২) মুছলমানসকলৰ শিক্ষা, ভাষা, সংস্কৃতি, ধৰ্ম ইত্যাদি সুৰক্ষিত কৰিবৰ বাবে সংবিধানত উপযুক্ত ব্যৱস্থা ৰখা।

১৩) কেন্দ্ৰীয় আৰু প্ৰদেশিক মন্ত্ৰী পৰিষদত মুছলমান সকলৰ বাবে ১/৩ ভাগ আসনৰ ব্যবস্হা কৰিব লাগে।

১৪) প্ৰদেশবিলাকৰ মতামত নোলোৱাকৈ সংবিধান সংশোধন কৰিব নালাগে।

জিন্নাৰ চৈধ্যদফীয়া আঁচনিত সন্নিবিষ্ট প্ৰায়বোৰ দাবীয়েই সাম্প্ৰদায়িক পুৰস্কাৰৰ ৰূপত বৃটিছ চৰকাৰে মানি ল'লে। ১৯৪০ চনত পৃথক পাকিস্হানৰ দাবী উত্থাপনলৈকে এই চৈধ্যদফীয়া আঁচনিৰ ওপৰতে লীগৰ কাম-কাজ সীমাবদ্ধ হৈ থাকিল।

**২.৩.৭ পাকিস্তান দাবীৰ কাৰণসমূহ ঃ**

ভাৰতীয় মুছলমানসকলৰ মাজত গঢ়ি উঠা পৃথক জাতীয় চেতনাই সৰ্বশেষত পৃথক পাকিস্তান গঠনৰ দাবীৰ ৰূপত আত্মপ্ৰকাশ কৰিছিল। ১৯৩০ চনত এলাহবাদত বহা লীগৰ বছেৰেকীয়া অধিবেশনত মহম্মদ ইকবালে সভাপতিৰ আসনৰ পৰা প্ৰথম পৃথক পাকিস্তান গঠনৰ সপোনটো ব্যক্ত কৰে। অৱশ্যে সেই সময়তে তেওঁৰ সেই সপোন বাস্তৱত পৰিণত নহ'ল। কিন্তু ইকবালৰ সেই ঘোষণাই ৰহমত আলীৰ নেতৃত্বত কেম্ব্ৰিজত পঢ়া মুছলমান ছাত্ৰ সকলক প্ৰভাবিত কৰিছিল। ৰহমত আলীয়ে আনকি পঞ্জাব, আফগান প্ৰদেশৰ উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, কাশ্মীৰ, সিন্ধু আৰু বেলুচিস্তানক একগোট কৰি মুছলমানসকলৰ বাবে পৃথক পাকিস্তান ৰাষ্ট্ৰ সৃষ্টি কৰিবলৈ দাবী জনাই বৃটিছ সংসদৰ সদস্যসকলেও প্ৰত্ৰ প্ৰেৰণ কৰিছিল। অৱশ্যে মুছলমানসকলৰ কেইবাগৰাকী নেতাই পাকিস্তানৰ দাবীটো পূৰণ কৰাটো সম্ভৱ নহ'ব বুলি মত প্ৰকাশ কৰিছিল। অৱশেষত ১৯৪০ চনৰ লাহোৰ অধিবেশনত মুছলীম লীগে মুছলমানসকলৰ কাৰণে পৃথক ৰাজ্যৰ দাবী কৰি প্ৰস্তাব গ্ৰহণ কৰে। এই প্ৰস্তাবযোগে চৰকাৰক জনোৱা হয় যে, মুছলমানসকলৰ কাৰণে মুছলীম সংখ্যাগৰিষ্ঠ অঞ্চলসমূহক একগোট কৰি এখন সুকীয়া ৰাষ্ট্ৰ গঠন নকৰিলে অন্য কোনো সাংবিধানিক সংস্কাৰৰ নীতি গ্ৰহণ নকৰিব। প্ৰথম অবস্থাত পাকিস্তানৰ দাবীটো প্ৰত্যাখান কৰা জিন্না পিছলৈ পাকিস্তানৰ মূল পৃষ্ঠপোষক হৈ পৰিল। অৱশ্যে পাকিস্তান গঠনৰ দাবীটো উত্থাপন হোৱাৰ কেইটামান কাৰণ আছিল। সেইকেইটা হ'ল-

১) কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰা প্ৰদেশবিলাকত মুছলীম লীগৰ লগত সংযুক্ত চৰকাৰ গঠন কৰিবলৈ অস্বীকাৰ কৰাটো পাকিস্তান দাবীৰ মূখ্য কাৰণ।

২) মুছলমানসকলৰ মনত সৃষ্টি হোৱা হতাশাৰ ভাবেও পাকিস্তানৰ দাবীটো উত্থাপনত অৰিহণা যোগাইছিল। ১৯৩৬-৩৭ চনৰ সাধাৰণ নিৰ্বাচনত পঞ্জাৱ, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ, সিন্ধু আৰু বেংগল এই চাৰিখন মুছলমান সংখ্যাগৰিষ্ঠ প্ৰদেশত মুছলীম লীগ ক্ষমতালৈ অহাত ব্যৰ্থ হোৱা ঘটনাই মুছলীম লীগক একেবাৰে হতাশ কৰিছিল।

৩) মুছলমান সাম্প্ৰদায়ৰ স্বাৰ্থ সুৰক্ষিত কৰাৰ উদ্দেশ্যই পাকিস্তানৰ দাবীটো উত্থাপন কৰা হৈছিল। ভালেমান মুছলমানলোকে হিন্দু সংখ্যাগৰিষ্ঠ একত্ৰিত ভাৰতত তেওঁলোকৰ ধৰ্ম, ভাষা, সংস্কৃতি আদি সুৰক্ষিত নহ'ব বুলি বিবেচনা কৰিছিল।

৪) হিন্দু সহাসভাৰ নেতাসকলে পোষণ কৰা কেতবোৰ মন্তব্যইও পাকিস্তানৰ দাবীটো উত্থাপনত অৰিহণা যোগাইছিল। সভাৰ কিছুমান নেতাই সংযুক্ত ভাৰতবৰ্ষত মুছলমানসকলৰ ভৱিষ্যৎ উজ্জ্বল নহয় বুলি ঘোষণা কৰিছিল।

৫) চেকোশ্লেভেকিয়াৰ চুদেটানসকলে চেকোশ্লেভেকিয়াৰ পৰা পৃথক হোৱাৰ বাবে কৰা আন্দোলনেও লীগক পাকিস্তানৰ দাবী উত্থাপন কৰাত অৰিহণা যোগাইছিল।

৬) ভালেমান মুছলমান নেতাই এখন সুকীয়া ৰাষ্ট্ৰৰ যোগেদিহে তেওঁলোকৰ ব্যক্তিগত আশা-আকাংক্ষা পূৰণ হ'ব বুলি ভাবিছিল।

৭) মুছলীম লীগৰ বহুসংখ্যক নেতাই উপলব্ধি কৰিছিল যে, বৃটিছসকল লীগৰ দাবীৰ প্ৰতি সহানুভূতিশীল আৰু তেওঁলোকৰ বৈষম্যমূলক শাসন নীতিয়ে লীগৰ দাবী পূৰণ কৰাত সহায়ক হ'ব। এনে ধৰণৰ চিন্তা-চৰ্চাইও মুছলীম লীগক পাকিস্তানৰ দাবীটো উত্থাপনৰ বাবে উদ্গনি যোগাইছিল।

এইদৰে বিভিন্ন কাৰণত মুছলীম লীগে পৃথক পাকিস্তানৰ দাবী উত্থাপন কৰিছিল। মুছলীম লীগৰ এই দাবীটো ভাৰতীয় জাতীয় কংগ্ৰেছে, জাতীয়তাবাদী মুছলমানকে আদি কৰি ভালেমান অমুছলমানে বিৰোধিতা কৰিছিল। কংগ্ৰেছে প্ৰথমতে পাকিস্তানৰ দাবীটোক বিৰোধিতা কৰিছিল যদিও পিছলৈ সেই দাবী মানি লৈছিল। হিন্দু-মুছলমানৰ মাজৰ সংঘৰ্ষ ৰোধ কৰা, স্বাধীনতা প্ৰদানৰ গতি খৰতকীয়া কৰা আদি কেইবাটাও কাৰণত কংগ্ৰেছে পাকিস্তানৰ দাবীটো মানি লবলৈ বাধ্য হ'ল। অন্যহাতে বৃটিছ চৰকাৰেও কংগ্ৰেছ আৰু মুছলীম লীগৰ মাজত এক বুজা-পৰাত

অহাৰ বাবে, ভাৰতক দুৰ্বল কৰা আৰু তেওঁলোকৰ বিভাজন আৰু শাসন নীতিৰ প্ৰয়োগ অব্যাহত ৰখাৰ বাবে মুছলীম লীগৰ পাকিস্তানৰ দাবীটো মানি ল'লে। অৱশেষত ১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতা আইনৰ জৰিয়তে ভাৰতক দুভাগ কৰি ভাৰত আৰু পাকিস্তান নামেৰে দুখন ৰাষ্ট্ৰ সৃষ্টি কৰা হ'ল।

**আত্মমূল্যায়নৰ প্ৰশ্ন (ঘ)ঃ**

১) চাইমন আয়োগ কেতিয়া ভাৰতলৈ আহিছিল?

-----------------------------------------------------------------------

২) মুছলীম লীগলৈ কেতিয়া বিভাজন আহিছিল?

-----------------------------------------------------------------------

৩) মহম্মদ আলী জিন্নাই কেতিয়া তেওঁৰ চৈফ্যদফীয়া আঁচনি দাঙি ধৰিছিল?

-----------------------------------------------------------------------

৪) কোনখন অধিবেশনত মুছলীম লীগে পাকিস্হান গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল?

-----------------------------------------------------------------------

## ২.৪. সামৰণি ঃ

এইটো গোট অধ্যয়ন কৰি তোমালোকে ভাৰতীয় জাতীয় কংগ্ৰেছৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিলা। ১৮৮৫ চনত এলেন এক্টোভিয়ান হিউম নামৰ এজন বৃটিছ বিষয়াৰ পৃষ্ঠপোষকতাত ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠা হয়। প্ৰতিষ্ঠা কালৰে পৰা ই বৃটিছ চৰকাৰৰ ওচৰত ভাৰতীয় জনসাধাৰণৰ নানা দাবী উত্থাপন কৰিছিল। প্ৰথম অৱস্থাত ই নৰমপন্হীসকলৰ দ্বাৰা পৰিচালিত হৈছিল যদিও পিচলৈ সম্পূৰ্ণৰূপে চৰমপন্হীসকলৰ নিয়ন্ত্ৰণলৈ যায়। তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে, চৰমপন্হীসকলৰ নেতৃত্বতে ভাৰতৰ জাতীয় আন্দোলনটোৰ সফল সামৰণি ঘটে।

তোমালোকে এই কথাও অৱগত হৈছা যে, ভাৰতীয় জাতীয় কংগ্ৰেছ গঠন হোৱাৰ পিছত সমান্তৰালভাৱে মুছলীম লীগৰো জন্ম হয। লগে লগে ভাৰতত সাম্প্ৰদায়িক ৰাজনীতি আৰম্ভ হ'ল। কিছুদিনৰ বাবে মুছলীম লীগ কংগ্ৰেছৰ সান্নিধ্যলৈ আহিছিল যদিও পিচলৈ ই মুছলমানসকলৰ বাবে পৃথক ৰাষ্ট্ৰ দাবীত অটল হৈ পৰিল। কংগ্ৰেছেও বহুটো দিশ বিবেচনা কৰি মুছলীম লীগৰ পাকিস্থানৰ দাবীটো মানি ল'লে। অৱশেষত ১৯৪৭ চনৰ স্বাধীনতা আইনৰ যোগেদি ভাৰত আৰু পাকিস্তান নামেৰে দুখন সুকীয়া ৰাষ্ট্ৰৰ সৃষ্টি হ'ল।

## ২.৫. ঘাই শব্দসমূহ ঃ

**সাম্ৰাজ্যবাদ ঃ** অৰ্থনৈতিক নিয়ন্ত্ৰণ আৰু ৰাজ্য বিস্তাৰৰ নীতি। উদাহৰণস্বৰূপে, ব্ৰিটিছে ভাৰতত এই নীতি প্ৰয়োগ কৰিছিল।

**নৰমপন্থী ঃ** কংগ্ৰেছৰ যিটো গোট আবেদন-নিবেদনৰ জৰিয়তে ভাৰতবাসীৰ স্বাৰ্থ পূৰণৰ চেষ্টা কৰিছিল সেইটো গোটক নৰমপন্থী বুলি কোৱা হৈছিল।

**চৰমপন্থী ঃ** চৰমপন্থী বুলি ক'লে কংগ্ৰেছৰ সেইটো গোটক বুজা যায় যি আবেদন- নিবেদনৰ পৰিবৰ্তে প্ৰত্যক্ষ সংগ্ৰামৰ জৰিয়তে ভাৰতবাসীৰ স্বাৰ্থ পৰিপূৰণত বিশ্বাসী আছিল।

**নেহেৰু প্ৰতিবেদন ঃ** ভাৰতীয় লোকে কেতিয়াও সকলোৰে গ্ৰহণযোগ্য এখন সংবিধান ৰচনা কৰিব নোৱাৰে বুলি Lord Biskenhead য়ে কৰা মন্তব্যৰ প্ৰত্যুত্তৰ হিচাপে মতিলাল নেহেৰুৰ নেতৃত্বত এখন কমিটি গঠন কৰা হৈছিল। সেই কমিটিখনে ১৯২৮ চনত সাংবিধানিক নীতি-নিয়ম সম্বলিত এখন প্ৰতিবেদন প্ৰস্তুত কৰিছিল। সেই প্ৰতিবেদন খনকে নেহেৰু প্ৰতিবেদন বুলি কোৱা হয়।

**সাম্প্ৰদায়িক পুৰস্কাৰ ঃ** পৃথক নিৰ্বাচনকে আদি কৰি ভাৰতৰ বিভিন্ন সম্প্ৰদায়লৈ বৃটিছ প্ৰধানমন্ত্ৰী ৰামছে মেকডলাণ্ডে ১৯৩২ চনৰ ১৬ আগষ্ট তাৰিখে আগবঢ়োৱা বিশেষ অনুগ্ৰহসমূহক সাম্প্ৰদায়িক পুৰষ্কাৰ বুলি কোৱা হয়।

## ২.৬. পাঠ্য নিৰ্দেশনা ঃ

এইটো গোটত সন্নিবিষ্ট বিষয়সমূহ সম্পৰ্কত অধিক জানিবলৈ তলত দিয়া গ্ৰন্থকেইখনৰ সহায় ল'ব পাৰা।

১) ডঃ থানেশ্বৰ লাহন- — 'ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি' ষ্টুৰ্ডেন্টচ এম্প্ৰ'ৰিয়াম, ডিব্ৰুগড়, ২০০৪.

২) ডঃ কৃপেশচন্দ পাল প্ৰতুল চন্দ্ৰ নায়ক–'ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা, অৰুণ প্ৰকাশন, গুৱাহাটী, ২০১১

৩) K. K. Ghai --- "Indian Government and Politics", ` Kaylani Publishers, New Delhi, 2003.

**আত্মমূল্যায়ন প্ৰশ্নৰ সাম্ভাব্য উত্তৰ ঃ**

ক) ১) ১৮৫৭ চন ২) ইণ্ডিয়ান এছোচিয়েচন ৩) সুৰেন্দ্ৰনাথ বেৰ্নাজী ৪) এলেন এক্টোভিয়ান হিউম ৫) ১৮৮৫ চন ৬) উমেশচন্দ্ৰ বেনাৰ্জী।

খ) ১) ১৯০৭ চনত ২) ভাৰতীয় লোকৰ দাবীৰ প্ৰতি বৃটিছ চৰকাৰৰ অমনোযোগিতা আৰু বিদেশত সংঘটিত ঘটনাৱলীৰ প্ৰভাব ৩) বাল গংগাধৰ তিলক আৰু লালা লাজপত ৰায়। ৪) ১৯১৭ চনত

গ) ১) ১৯১৬ চনত ২) ১৯০৯ চনৰ মৰ্লে-মিন্টো সংস্কাৰ আইন ৩) মুছলমান সম্প্ৰদায়ৰ স্বাৰ্থ ৰক্ষা কৰা আৰু বৃটিছ চৰকাৰৰ প্ৰতি মুছলমানসকলৰ আনুগত্য বৃদ্ধি কৰা। ৪) ১৯১৬ চনত।

ঘ) ১) ১৯২৭ চনত ২) ১৯২৮ চনত ৩) ১৯২৯ চনৰ চেপ্টেম্বৰ মাহত ৪) ১৯৪০ চনৰ লাহোৰ অধিবেশন।

**প্ৰসংগ পুথিঃ**

১) K. K. Ghai,-- "Indian Government and Politics", Kaylani Publishers, New Delhi, 2012

২) ড০ থানেশ্বৰ লাহন, 'জাতীয় আন্দোলন আৰু সাংবিধানিক বিকাশ, ষ্টুডেন্টচ এম্প্ৰ'ৰিয়াম, ডিব্ৰুগড়, ১৯৯৮.

৩) K.C. Agarwal, - "Constitutional Dembpments and National Movements of India, S. Chand and Compny Ltd, New Delhi, 2000.

৪) ড০ কৃপেশচন্দ্ৰ পাল, প্ৰতুল চন্দ্ৰ নায়ক, 'ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা', অৰুণ প্ৰকাশন, গুৱাহাটী ২০১১.

**আৰ্হি প্ৰশ্নাৱলী ঃ**

১) ভাৰতীয় জাতীয় কংগ্ৰেছৰ জন্ম আৰু বিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

২) চৰমপন্থী বুলিলে কি বুজা? কংগ্ৰেছৰ চৰমপন্থীসকলৰ আৰ্বিভাবৰ কাৰণসমূহ বাখ্যা কৰা।

৩) ভাৰতৰ স্বাধীনতা আন্দোলনত ভাৰতীয় জাতীয় কংগ্ৰেছৰ ভূমিকা বিশ্লেষণ কৰা।

৪) মুছলীম লীগৰ জন্ম-বৃত্তান্ত দাঙি ধৰা মুছলীম লীগ গঠনৰ উদ্দেশ্যসমূহ কি কি আছিল?

৫) ভাৰতত মুছলীম সাম্প্ৰদায়িকতাবাদৰ বিকাশ সম্পৰ্কে চমুকৈ আলোচনা কৰা।

৬) মুছলীম লীগে পাকিস্তান গঠনৰ বাবে দাবী উত্থাপনৰ কাৰণসমূহ আলোচনা কৰা।

## (গোট - ৩)
## (Unit - 3)
## ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন, ভাৰত ত্যাগ আন্দোলন, ১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতা আইন
## (Government of India Act 1935, Quit India Movement, Indian Independence Act 1947)

গঠন বিন্যাস **(Structure)**


৩.০০ উদ্দেশ্য

৩.০১ প্ৰস্তাৱনা

৩.০২ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন

৩.০২.০ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ বৈশিষ্ট্যসমূহ

আত্মমূল্যায়নৰ প্ৰশ্ন (ক)

৩.০২.১. যুক্তৰাষ্ট্ৰীয় প্ৰস্তাৱ

* যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ গঠনৰ প্ৰকৃতি
* যুক্তৰাষ্ট্ৰীয় চৰকাৰ ব্যৱস্থাৰ আসোঁৱাহ
* যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা প্ৰত্যাখ্যান

আত্মমূল্যায়নৰ প্ৰশ্ন (খ)

৩.০৩ ১৯৩৫ চনৰ আইনৰ কাৰ্যকাৰিতা

৩.০৪ ১৯৩৫ চনৰ আইনৰ মূল্যায়ন।

৩.০৫ ১৯৩৫ চনৰ আইনৰ মতে ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেলৰ ক্ষমতা আৰু কাৰ্য্যাৱলী

৩.০৬ ১৯৩৫ চনৰ আইন অনুসৰি প্ৰাদেশিক স্বায়ত্ব শাসনৰ কাৰ্যকাৰিতা।

আত্মমূল্যায়নৰ প্ৰশ্ন (গ)

৩.০৭ ভাৰত ত্যাগ আন্দোলন

৩.০৮ আন্দোলনৰ ওপৰত চৰকাৰৰ দমনমূলক ব্যৱস্থা

৩.০৯ বিভিন্ন ৰাজনৈতিক দলসমূহৰ ভূমিকা।

আত্মমূল্যায়নৰ প্ৰশ্ন (ঘ)

৩.১০ মহাত্মা গান্ধীৰ ঐতিহাসিক অনশন

৩.১১ আন্দোলনৰ বিফলতা

৩.১২ আন্দোলনৰ মূল্যায়ন

আত্মমূল্যায়নৰ প্ৰশ্ন (ঙ)

৩.১৩ ১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতা আইন

৩.১৩.০ স্বাধীনতা আইন প্ৰণয়নৰ পৰিস্থিতি উদ্ভৱ হোৱা কাৰণসমূহ

৩.১৪ ১৯৪৭ চনৰ স্বাধীনতা আইনৰ ব্যৱস্থাসমূহ

৩.১৫ দেশীয় ৰাজ্যসমূহৰ চামিলকৰণ

আত্মমূল্যায়নৰ প্ৰশ্ন (চ)

৩.১৬ সামৰণি

৩.১৭ ঘাই শব্দসমূহ

৩.১৮ প্ৰসঙ্গ পুথিৰ নিৰ্দেশনা

আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাৱ্য উত্তৰ

প্ৰসঙ্গ পুথি

আৰ্হি প্ৰশ্ন।

## ৩.০০ উদ্দেশ্য ঃ

- এই গোটটো অধ্যয়ন কৰিলে তুমি ১৯৩৫ চনৰ আইনৰ বৈশিষ্ট্য আৰু যুক্তৰাষ্ট্ৰীয় প্ৰস্তাৱ সম্পৰ্কে জানিব পাৰিবা।
- এই গোটটো অধ্যয়ন কৰিলে ১৯৩৫ চনৰ আইনৰ কাৰ্যকাৰিতা, গৱৰ্ণৰ জেনেৰেলৰ ক্ষমতা আৰু কাৰ্যাৱলী আৰু প্ৰাদেশিক স্বায়ত্ব শাসনৰ কাৰ্যকাৰিতাৰ বিষয়ে জানিব পাৰিবা।
- এই গোটটো অধ্যয়ন কৰিলে ভাৰত ত্যাগ আন্দোলন, আন্দোলনত বিভিন্ন ৰাজনৈতিক দলৰ ভূমিকাৰ বিষয়ে জানিব পাৰিবা।
- এই গোটটো অধ্যয়ন কৰিলে মহাত্মা গান্ধীৰ ঐতিহাসিক অনশন আৰু আন্দোলনৰ সফলতা আৰু বিফলতাৰ বিষয়ে জানিব পাৰিবা।
- এই গোটটো অধ্যয়ন কৰিলে তোমালোকে ভাৰতৰ স্বাধীনতা আইন, ১৯৪৭ চনৰ স্বাধীনতা আইনৰ ব্যৱস্থাৱলীৰ বিষয়ে জানিব পাৰিবা।
- এই গোটটো অধ্যয়ন কৰিলে স্বাধীনতা আইন প্ৰণয়ণৰ পৰিস্থিতি উদ্ভৱ হোৱাৰ কাৰণসমূহৰ বিষয়ে জানিব পাৰিবা।
- এই গোটটো অধ্যয়ন কৰিলে স্বাধীনতাৰ পাছৰ দেশীয় ৰাজ্যসমূহৰ চামিল কৰণৰ বিষয়ে জানিব পাৰিবা।

## ৩.০১ প্ৰস্তাৱনা ঃ

আমি যোৱাটো পাঠত ভাৰতীয় জাতীয় কংগ্ৰেছ আৰু মুছলীম লীগৰ ভূমিকাৰ বিষয়ে বিশদ ভাৱে আলোচনা কৰিলোঁ। এইটো পাঠত আমি ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন, ১৯৪৭ চনৰ ভাৰতবৰ্ষৰ স্বাধীনতা আইনৰ বিষয়ে আলোচনা কৰিম।

১৯১৯ চনৰ আইনে আৰম্ভ কৰা দায়বদ্ধ চৰকাৰ ব্যৱস্থাই প্ৰসাৰিত ৰূপ ললে ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইনৰ জৰিয়তে। ১৯৩০ চনৰ ছাইমন কমিচনৰ প্ৰতিবেদন, নেহেৰু প্ৰতিবেদন আৰু ঘূৰণীয়া মেজমেলৰ আলোচনাৰ ভিত্তিত ১৯৩৫ চনত ভাৰত চৰকাৰৰ আইনখন ৰচনা কৰা হয়। এই আইনখনে ভাৰতৰ সাংবিধানিক বিকাশৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

ভাৰতবৰ্ষৰ সাংবিধানিক বিকাশ, তথা স্বাধীনতাত বিশেষ ভাবে অৰিহণা যোগোৱা আন্দোলনটো হৈছে ভাৰত ত্যাগ আন্দোলন। ১৯৪২ চনৰ ১৪ জুলাইত ৱাৰ্ধাত ভাৰত ত্যাগ প্ৰস্তাৱ গ্ৰহণ কৰি ১৯৪২ চনৰ ৮ আগষ্টত বহা কংগ্ৰেছৰ সাধাৰণ সভাই ইয়াক গ্ৰহণ কৰিলে। এই প্ৰস্তাৱৰ ভিত্তিত ভাৰত ত্যাগ আন্দোলন আৰম্ভ হয়।

অৱশেষত, ১৯৪৭ চনৰ ১৫ আগষ্টত বৃটিছ চৰকাৰে ভাৰতবৰ্ষক স্বাধীনতা প্ৰদান কৰিলে। ১৯৪৭ চনত প্ৰণয়ণ কৰা ভাৰতৰ স্বাধীনতা আইনখনৰ জৰিয়তে বৃটিছসকলে ভাৰতবৰ্ষক স্বাধীনতা প্ৰদান কৰিলে।

তোমালোকে এই গোটটো অধ্যয়ন কৰিলে ১৯৩৫ চনৰ আইনখনৰ লগত বৰ্ত্তমান আমাৰ সংবিধানখনৰ সাদৃশ্যসমূহ বিশ্লেষণ কৰিব পাৰিবা। ভাৰত ত্যাগ আন্দোলনে ভাৰতবৰ্ষৰ সকলোৰে মাজত এক জাতীয়তাবোধৰ ভাৱ সৃষ্টি কৰি ভাৰতবৰ্ষক স্বাধীন  কৰিবলৈ কৰা ভাৰতীয়সকলৰ মনৰ দৃঢ়তাৰ বিষয়ে অনুভৱ কৰিব পাৰিবা। ১৯৪৭ চনৰ স্বাধীনতা আইন ঘোষণাৰ পাছত উদ্ভৱ হোৱা বিভিন্ন পৰিস্থিতিসমূহৰ বিষয়ে জানিব পাৰিবা আৰু বৰ্ত্তমানে দেখা দিয়া ভাৰত বিভাজনৰ ফলত হোৱা সংঘাতসমূহৰ এটি মূল্যায়ন কৰিব পাৰিবা।

### ৩.০২   ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইন ঃ

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখনে সাংবিধানিক বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ছাইমন আয়োগৰ প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি তিনিখন ঘূৰণীয়া মেজমেলত হোৱা আলোচনা, গান্ধী আৰউইন চুক্তি অনুসৰি ৰামছে মেক-ডোনেগুৰ - সাম্প্ৰদায়িক বাটোৱাৰা (Communal Award)-ৰ জৰিয়তে সাম্প্ৰদায়িক - নিৰ্বাচকমণ্ডলীৰ সমস্যা সমাধান কৰাৰ পাছত বৃটিছ চৰকাৰে সাংবিধানিক সংস্কাৰৰ ভিত্তিত এক শ্বেতপত্ৰ (White Paper) যুগুত কৰি উলিয়াইছিল। ১৯৩০ চনৰ ছাইমন কমিচনৰ প্ৰতিবেদন, নেহেৰু প্ৰতিবেদন আৰু ঘূৰণীয়া মেজমেলৰ  আলোচনাৰ ভিত্তিত প্ৰকাশ পোৱা এই শ্বেতপত্ৰৰ পৰামৰ্শৱলীৰ ভিত্তিতেই বৃটিছ সংসদে ভাৰত চৰকাৰ আইন, ১৯৩৫ চন গ্ৰহণ কৰে।

### ৩.০২.০ ১৯৩৫ চনৰ আইনৰ বৈশিষ্ট্যসমূহ ঃ

৩২১ টা ভাগ আৰু ১০টা অধ্যায়ৰ সৈতে ১৯৩৫ চনৰ ভাৰত চৰকাৰৰ আইনখন ৰচনা কৰা হয়। ১৯৩৭ চনৰ এপ্ৰিল মাহৰ পৰা এই আইনখন বলবৎ কৰা হৈছিল। উল্লেখযোগ্য যে ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখন ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পাছত নতুন সংবিধান ৰচনা নোহোৱালৈকে এই আইনখনৰ জৰিয়তে ভাৰতবৰ্ষত শাসন চলোৱা হৈছিল। তলত এই আইনখনৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰা হ'ল।

**১) প্ৰাদেশিক স্বায়ত্ব শাসন ঃ** ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ এক প্ৰধান বৈশিষ্ট্য হৈছে প্ৰাদেশিক স্বায়ত্ব শাসন প্ৰদান। এই আইন অনুসৰি প্ৰত্যেক প্ৰদেশতে একোখন দায়িত্বশীল চৰকাৰ গঠন কৰাৰ ব্যৱস্থা কৰে। প্ৰাদেশিক মন্ত্ৰীসভা প্ৰাদেশিক

বিধানসভাৰ ওচৰত দায়বদ্ধ। এই আইনখনে প্ৰদেশসমূহৰ সংৰক্ষিত আৰু হস্তান্তৰিত ক্ষমতাৰ অন্ত পেলাই সকলো বিষয় প্ৰাদেশিক মন্ত্ৰীসভাৰ হাতত ন্যস্ত কৰিলে। পৃথক প্ৰদেশ গঠনৰ ব্যৱস্থাও এই আইনে কৰিছিল। এই আইনে প্ৰাদেশিক শাসন পৰিচালনাৰ ভাৰ গৱৰ্ণৰৰ হাতত আৰু তেওঁক পৰামৰ্শ দিব পৰা মন্ত্ৰীসভাৰ ওপৰত অৰ্পন কৰিছিল। অৱশ্যে ১৯৩৫ চনৰ এই আইনখনে গৱৰ্ণৰক কিছুমান বিশেষ ক্ষমতা প্ৰদান কৰিছিল। এই বিষয় সমূহত গৱৰ্ণৰক মন্ত্ৰীসভাৰ পৰামৰ্শৰ প্ৰয়োজন নহয়। মন্ত্ ীসভাৰ বৈঠকসমূহত সভাপতিত্ব কৰিছিল গৱৰ্ণৰে। ইয়াৰ উপৰিও তেওঁ মন্ত্ৰীৰ নিযুক্তি, বৰ্খাস্ত, বিধান সভাত গৃহীত প্ৰস্তাৱত সন্মতি দান আদি কাৰ্য সম্পাদন কৰিব পাৰিছিল। প্ৰাদেশিক বিধান মণ্ডলত ৬খন প্ৰদেশত দুখনকৈ পৰিষদৰ ব্যৱস্থা আছিল।

**২) প্ৰস্তাৱনা** ঃ ১৯৩৫ চনৰ আইনৰ এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে ইয়াৰ প্ৰস্তাৱনা। অৱশ্যে এই প্ৰস্তাৱনাটো ১৯৩৫ চনৰ আইনৰ নিজা প্ৰস্তাৱনা নহয়, ১৯১৯ চনৰ ভাৰত চৰকাৰৰ আইনৰ প্ৰস্তাৱনাটোক এই আইনখনে গ্ৰহণ কৰিছে। এই প্ৰস্তাৱনাটোত পৰ্যায়ক্ৰমে ভাৰত ডমিনিয়নৰ মৰ্যাদাৰ বিষয়ে গুৰুত্ব প্ৰদান কৰিছে।

**৩) কেন্দ্ৰত দ্বৈত শাসন ব্যৱস্থা** ঃ ১৯৩৫ চনৰ আইনে প্ৰদেশসমূহত দ্বৈত শাসনৰ অন্ত পেলাইছিল যদিও কেন্দ্ৰত দ্বৈত শাসন ব্যৱস্থা বাহাল ৰাখে। ই ১৯৩৫ চনৰ আইনৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। যদিও গৱৰ্ণৰ জেনেৰেল আৰু মন্ত্ ীপৰিষদক লৈ কেন্দ্ৰীয় চৰকাৰ গঠনৰ ব্যৱস্থা কৰা হ'ল। কিন্তু বিষয় বিলাক নিয়ন্ত্ৰনৰ ক্ষেত্ৰত দ্বৈত ব্যৱস্থা বাহাল ৰাখে। কেন্দ্ৰীয় চৰকাৰৰ বিষয়বিলাক সংৰক্ষিত (Reserved) আৰু হস্তান্তৰিত (Transferred) নামেৰে দুটা ভাগত ভাগ কৰা হৈছিল। প্ৰতিৰক্ষা, বৈদেশিক পৰিক্ৰমা, ধৰ্মীয় আৰু জনজাতীয় বিষয়বিলাক সংৰক্ষিত তালিকাত অৰ্ন্তভুক্ত কৰা হৈছিল। গৱৰ্ণৰ জেনেৰেলে নিয়োগ কৰা ৩ জনীয়া পৰিষদৰ জৰিয়তে এই বিষয়সমূহৰ শাসন চলোৱাৰ ব্যৱস্থা কৰা হৈছিল। হস্তান্তৰিত বিষয়সমূহ পৰিচালনাৰ দায়িত্ব গৱৰ্ণৰ জেনেৰেলৰ দ্বাৰা নিযুক্ত দেশীয় মন্ত্ৰী সকলৰ হাতত ন্যস্ত কৰা হৈছিল। মন্ত্ৰীসভাৰ সদস্য সকলে তেওঁলোকৰ কাৰ্যকলাপৰ কাৰনে যুক্তৰাষ্ট্ৰীয় আইনসভাৰ ওচৰত দায়বদ্ধ আছিল।

**৪) ক্ষমতা বিভাজন** ঃ ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজত ক্ষমতা বিভাজনৰ ব্যৱস্থা কৰিছিল। এই আইনখনে ৩ খন তালিকাৰ সহায়ত ক্ষমতা বিভাজন কৰিছিল।

এই সূচী কেইখন হৈছে -

১) যুক্তৰাষ্ট্ৰীয় সূচী - মুঠ ৫৯টা বিষয়।

২) প্ৰাদেশিক সূচী - মুঠ ৫৪টা বিষয়।

৩) সমৱৰ্তী সূচী - মুঠ ৩৫টা বিষয়।

যুক্তৰাষ্ট্ৰীয় সূচীৰ বিষয়সমূহৰ আইন প্ৰণয়ণৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰক অৰ্পণ কৰা হৈছিল। এই সূচীত অন্তৰ্ভুক্ত উল্লেখযোগ্য বিষয় কেইটা হৈছে প্ৰতিৰক্ষা, বৈদেশিক পৰিক্ৰমা, মুদ্ৰা, ডাক-তাঁৰ, ৰেলপক্ষ, আমদানী, ৰপ্তানী আদি।

প্ৰাদেশিক সূচীৰ বিষয়সমূহৰ ওপৰত প্ৰাদেশিক চৰকাৰ সমূহে আইন প্ৰণয়ণ কৰিব পাৰিব। এই সূচীৰ কেইটামান উল্লেখযোগ্য বিষয় হৈছে - আইন শৃংখলা, আৰক্ষী, কাৰাগাৰ, জনস্বাস্থ্য, কৃষি, যোগাযোগ, ৰাজহ আদি।

সমৱৰ্তী সূচীৰ বিষয়সমূহৰ ওপৰত কেন্দ্ৰীয় আৰু প্ৰাদেশিক দুয়োখন চৰকাৰে আইন প্ৰণয়ণ কৰিব পাৰিব। এই সূচীৰ অন্তৰ্ভুক্ত কেইটামান উল্লেখযোগ্য বিষয় হৈছে - ফৌজদাৰী, দেৱানী, বিবাহ বিচ্ছেদ, বাতৰি কাকত, উদ্যোগ, শ্ৰমিক কল্যান, শ্ৰমিক সংঘ আদি।

বাকী অৱশিষ্ট (Residuary) বিষয়সমূহৰ ওপৰত কাৰ আইন প্ৰণয়ণৰ দায়িত্ব থাকিব সেই বিষয়ে চূড়ান্ত সিদ্ধান্ত গৱৰ্ণৰ জেনেৰেলে গ্ৰহণ কৰিব পাৰিব।

জৰুৰী অৱস্থা ঘোষণা হ'লে বা কেইখনমান প্ৰাদেশিক বিধানমণ্ডলে বিচাৰিলে কেন্দ্ৰীয় চৰকাৰে প্ৰাদেশিক সূচীৰ বিষয়ৰ ওপৰত আইন প্ৰণয়ণ কৰিবলৈ কৰ্তৃত্ব লাভ কৰিব।

সমৱৰ্ত্তী সূচীত অন্তৰ্ভুক্ত কোনো বিষয়ৰ ওপৰত আইন প্ৰণয়ণ কৰা সংক্ৰান্তত কেন্দ্ৰীয় আৰু প্ৰাদেশিক দুয়োখন চৰকাৰৰ মাজত মতানৈক্যই দেখা দিলে কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ণ কৰা আইনহে বাহাল থাকিব।

**৫) সংখ্যা লঘুৰ স্বাৰ্থ ৰক্ষা ঃ ১৯৩৫** চনৰ আইনে সংখ্যালঘুসকলৰ স্বাৰ্থৰক্ষা কৰিব বিচাৰিছিল। সংখ্যালঘুসকলক অধিক সুৰক্ষা প্ৰদান কৰি গৱৰ্ণৰ জেনেৰেল আৰু গৱৰ্ণৰ সকলে মন্ত্ৰীসভা আৰু বিধান মণ্ডলৰ সিদ্ধান্তৰ বিৰুদ্ধেও কাম কৰাৰ সুযোগ গ্ৰহণ কৰিব পাৰিছিল। এই ব্যৱস্থাৰ ফলত মন্ত্ৰীসকলৰ ক্ষমতা ভালেখিনি সংকোচিত কৰা হৈছিল।

**৬) বৃটিছ সংসদৰ সাৰ্বভৌমত্ব ঃ ১৯৩৫** চনৰ আইনে বৃটিছ সংসদৰ সাৰ্বভৌমত্ব ক্ষমতা স্বীকাৰ কৰি লৈছে। ভাৰতবৰ্ষৰ সংসদে আইনখনৰ কোনো সংশোধনী কৰাৰ কৰ্তৃত্ব লাভ কৰা নাছিল। অৱশ্যে এই আইনৰ কোনো অংশ সংশোধনৰ কাৰণে ভাৰত চৰকাৰে বৃটিছৰ ওচৰত আবেদন কৰিব পাৰিছিল। সংশোধনৰ ক্ষমতা কিন্তু বৃটিছ সংসদৰ হাততহে অৰ্পন কৰা হৈছিল।

**৭) সৰ্বভাৰতীয় যুক্তৰাষ্ট্ৰ গঠন** ঃ এই আইনৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে সৰ্বভাৰতীয় যুক্তৰাষ্ট্ৰীয় গঠনৰ ব্যৱস্থা। ভাৰতৰ প্ৰদেশ আৰু দেশীয় ৰাজ্যবোৰক লৈ এই সৰ্বভাৰতীয় যুক্তৰাষ্ট্ৰ গঠনৰ ব্যৱস্থা কৰিছিল। যুক্তৰাষ্ট্ৰৰ অংগবোৰ হ'ব ১১ খন প্ৰদেশ, ৬ খন মুখ্য আয়ুক্তৰ দ্বাৰা গঠিত প্ৰদেশ আৰু যুক্তৰাষ্ট্ৰত যোগদান কৰিবলৈ ইচ্ছা থকা দেশীয় ৰাজ্যবোৰ। দেশীয় ৰাজ্যবোৰে যুক্তৰাষ্ট্ৰত যোগদান কৰিবলৈ হ'লে - "Instrument of Accession" ত স্বাক্ষৰ কৰিব লাগিছিল। গতিকে দেশীয় ৰাজ্যসমূহ যুক্তৰাষ্ট্ৰত অন্তৰ্ভুক্তি হোৱাটো বাধ্য নাছিল।

**৮) লিখিত আৰু অনমনীয় সংবিধান** ঃ ১৯৩৫ চনৰ আইনে এখন লিখিত সংবিধানৰ ব্যৱস্থা কৰিছিল। ইয়াত মুঠতে ৩২১ টা ধাৰা আৰু ১০ টা অনুসূচী আছিল। এই সংবিধানখন অনমনীয় আছিল। কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰে ইয়াৰ কোনো অংশ সংশোধন কৰিব নোৱাৰিছিল। সংবিধান সংশোধনৰ কৰ্তৃত্ব বৃটিছ সংসদৰ হাতত অৰ্পন কৰা হৈছিল। অৱশ্যে ভাৰতীয় সংসদে ইয়াৰ কোনো অংশ সংশোধনৰ কাৰণে বৃটিছ সংসদলৈ প্ৰস্তাৱ আগ বঢ়াব পাৰিছিল।

**৯) যুক্তৰাষ্ট্ৰীয় আদালত** ঃ এই আইনে ভাৰতবৰ্ষত এখন যুক্তৰাষ্ট্ৰীয় আদালত গঠনৰ ব্যৱস্থা কৰিছিল। ইয়াত এজন মুখ্য বিচাৰপতি আৰু দুজন ন্যায়ধীশ থাকিব। এই আদালতৰ মৌলিক আৰু আপীল ক্ষমতাৰ ব্যৱস্থা কৰিছিল। বিশেষকৈ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজত বিবাদ হ'লে সেই বিবাদৰ মীমাংসা কৰা। আইনৰ ব্যাখ্যা দাঙি ধৰা, সংবিধানৰ ব্যাখ্যা কৰাৰ ক্ষমতা এই আদালতৰ হাতত আছিল। অৱশ্যে এই আদালতত সৰ্বোচ্চ আদালতৰ ব্যৱস্থা নাছিল। প্ৰিভি কাউঞ্চিলহে সৰ্বোচ্চ আদালত আছিল।

**১০) দ্বি-সদনযুক্ত আইনসভা** ঃ ১৯৩৫ চনৰ আইনৰ আন এক বৈশিষ্ট্য হৈছে কেন্দ্ৰ আৰু প্ৰদেশসমূহত দ্বি-সদনযুক্ত আইনসভা গঠন কৰা। যুক্তৰাষ্ট্ৰীয় আইনসভাৰ উচ্চ সদন, কাউন্সিল অৱ ষ্টেটৰ সদস্য ২৬০ গৰাকী। ইয়াৰ ১০৪ গৰাকী দেশীয় ৰাজ্যবিলাকৰ পৰা নিৰ্বাচিত সদস্য আৰু ৬ গৰাকী সদস্য গৱৰ্ণৰ জেনেৰেলৰ দ্বাৰা মনোনীত। বাকী সদস্যসকলক সাম্প্ৰদায়িক আৰু গোষ্ঠীভিত্তিত নিৰ্বাচিত কৰা ব্যৱস্থা কৰিছিল। উচ্চ সদন হৈছে স্থায়ী সদন। ইয়াৰ এক তৃতীয়াংশ সদস্যই প্ৰতি তিনি বছৰৰ মূৰে মূৰে অৱসৰ গ্ৰহণ কৰিব। নিম্নসদন হৈছে হাউচ অৱ এচেম্বলী, ইয়াৰ সদস্য সংখ্যা ৩৭৫ জন। ইয়াৰে ২৭৫ জন সদস্যক প্ৰদেশ সমূহৰ পৰা আৰু ১০০ জন সদস্যক ৰাজ্যসমূহৰ পৰা লৈ গঠন কৰাৰ ব্যৱস্থা কৰিছিল। নিম্ন সদনৰ কাৰ্যকাল ৫ বছৰ নিৰ্ধাৰণ কৰা হৈছিল। অৱশ্যে গৱৰ্ণৰ জেনেৰেলে নিৰ্ধাৰিত সময়ৰ আগতে ইয়াক ভংগ কৰাৰ কৰ্তৃত্ব লাভ কৰিছিল।

**১১) ভাৰত পৰিষদৰ বিলোপ সাধন ঃ** এই আইনৰ আন এক বিশিষ্ট্য হৈছে, আইনখনে ভাৰত পৰিষদৰ বিলোপ সাধন কৰে। ইয়াৰ পৰিৱৰ্তে ভাৰত সচিবে তেওঁৰ পৰামৰ্শদাতাসকলৰ জৰিয়তে কাৰ্যনিৰ্বাহ কৰিব লাগিছিল। প্ৰাদেশিক ক্ষেত্ৰত স্বায়ত্ব শাসনৰ ব্যৱস্থা কৰাৰ কাৰণে প্ৰাদেশিক বিষয়ত ভাৰত সচিবৰ নিয়ন্ত্ৰণ কমি গৈছিল। অৱশ্যে গৱৰ্ণৰ জেনেৰেল আৰু গৱৰ্ণৰ সকলৰ স্ববিচাৰ ক্ষমতাৰ জৰিয়তে তেওঁ ভাৰতৰ শাসন ব্যৱস্থা নিয়ন্ত্ৰণ কৰাৰ সুবিধা লাভ কৰিছিল।

**১২) সাম্প্ৰদায়িক ভোটাধিকাৰৰ ব্যৱস্থা ঃ** এই আইনে ভাৰতবৰ্ষত সাম্প্ৰদায়িক ভিত্তিত প্ৰতিনিধি নিৰ্বাচন ব্যৱস্থাৰ সম্প্ৰসাৰণ ঘটাইছিল। মুছলমান, শিখ, ভাৰতীয় খ্ৰীষ্টান, ইউৰোপীয়ান আদি লোকক বেলেগে প্ৰতিনিধি নিৰ্বাচনৰ সুবিধা প্ৰদান কৰিছিল। এই ব্যৱস্থাই ভাৰতীয়সকলৰ মাজত একতা আৰু সংহতি প্ৰতিষ্ঠাত বাধাৰ সৃষ্টি কৰিছিল।

**১৩) ভাৰত কাৰ্যালয় ঃ** পূৰ্বতে কাৰ্যালয় পৰিচালনাৰ ব্যয় ভাৰত চৰকাৰৰ ৰাজহৰ পৰা কৰা হৈছিল। কিন্তু ১৯৩৫ চনৰ আইনে কাৰ্যালয়ৰ ব্যয় বৃটিছ পুঁজিৰ পৰা দিয়াৰ বিধান কৰে।

**১৪) ব্ৰহ্মদেশ পৃথকীকৰণ ঃ** ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে ব্ৰহ্মদেশক ভাৰতবৰ্ষৰ পৰা পৃথক কৰিছিল। বেৰাৰ হাইদৰাবাদৰ অংশ আছিল যদিও প্ৰশাসনৰ সুবিধাৰ কাৰণে এই অঞ্চলক মধ্য প্ৰদেশৰ লগত চামিল কৰা হৈছিল।

**আত্মমূল্যায়নৰ প্ৰশ্ন (ক)ঃ**

১) ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখনৰ মুঠ কেইটা ভাগ আৰু কেইটা অধ্যায় আছিল ?

....................................................................................................

....................................................................................................

২) ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখনৰ প্ৰস্তাৱনাটো নিজা হয়নে ?

....................................................................................................

....................................................................................................

৩) এই আইনখনে ক'ত দ্বৈত শাসন ব্যৱস্থাৰ প্ৰৱৰ্ত্তন কৰিলে ?

....................................................................................................

....................................................................................................

৪) এই আইনখনৰ মতে ক্ষমতা বিভাজনৰ তিনিখন তালিকাত কেইটাকৈ বিষয় নিৰ্ধাৰণ কৰিছিল ?

..............................................................................................................

..............................................................................................................

**৩০.২.১. যুক্তৰাষ্ট্ৰীয় প্ৰস্তাৱ ঃ**

**১৯৩৫** চনৰ ভাৰত চৰকাৰৰ আইনৰ এক উল্লেখযোগ্য বিশিষ্ট্য হৈছে যুক্তৰাষ্ট্ৰীয় প্ৰস্তাৱ। ইয়াৰ আগৰ আটাইবিলাক আইনেই ভাৰতত একাত্মক চৰকাৰ গঠনৰ ব্যৱস্থা কৰিছিল। পোন প্ৰথমবাৰৰ বাবে **১৯৩৫** চনৰ ভাৰত চৰকাৰ আইনখনে প্ৰদেশবিলাক আৰু ভাৰতৰ ৰাজ্যবিলাকক অংগ হিচাপে লৈ এখন যুক্তৰাষ্ট্ৰ গঠনৰ ব্যৱস্থা কৰিছিল। অৱশ্যে ভাৰতবৰ্ষৰ ৰাজ্যবিলাক যুক্তৰাষ্ট্ৰত যোগ দিয়াটো বাধ্যতামূলক নাছিল। গতিকে ৰাজ্যবিলাকে যুক্তৰাষ্ট্ৰত যোগদান কৰাৰ পৰা বিৰত থাকিল। সেয়ে **১৯৩৫** চনৰ ভাৰত চৰকাৰ আইনখনে ভাৰতবৰ্ষত যুক্তৰাষ্ট্ৰ গঠন কৰিবলৈ সক্ষম নহ'ল।

* **যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ গঠনৰ প্ৰকৃতি ঃ**

**১৯৩৫** চনৰ ভাৰত চৰকাৰ আইনখনত যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বহুটো বৈশিষ্ট্য পৰিলক্ষিত হয়। সেইবোৰ হৈছে -

১) দুইধৰণৰ চৰকাৰ।

২) দুয়োখন চৰকাৰৰ মাজত ক্ষমতা বিভাজন।

৩) লিখিত আৰু অনমনীয় সংবিধান।

৪) যুক্তৰাষ্ট্ৰীয় আদালত।

৫) দ্বি-সদন যুক্ত বিধানমণ্ডল আদি।

কিন্তু **১৯৩৫** চনৰ ভাৰত চৰকাৰ আইনৰ যুক্তৰাষ্ট্ৰীয় পদ্ধতিত আন কিছুমান বিশেষ বৈশিষ্ট্য পৰিলক্ষিত হয়। যিবোৰ বৈশিষ্ট্য অন্যান্য যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত দেখিবলৈ পোৱা নাযায়। এই বিশেষ যুক্তৰাষ্ট্ৰীয় প্ৰকৃতিসমূহ তলত উল্লেখ কৰা হ'ল।

সাধাৰণতে যুক্তৰাষ্ট্ৰ গঠন কৰিবলৈ হ'লে কিছুমান স্বাধীন ৰাজ্য লগ লগাই গঠন কৰা হয়। কিন্তু ভাৰতৰ ক্ষেত্ৰত বৃটিছ ভাৰত একাত্মক অংশটোৰ কিছুমান স্বায়ত্ব শাসিত গোটত ভাগ কৰি যুক্তৰাষ্ট্ৰ গঠন কৰাৰ ব্যৱস্থা কৰিছে।

২)  যুক্তৰাষ্ট্ৰ গঠন কৰাৰ আন এক সাধাৰণ নিয়ম হৈছে ৰাজ্যসমূহৰ পাৰস্পৰিক বুজাবুজি আৰু নিজৰ ইচ্ছাৰ ওপৰত। কিন্তু ভাৰতৰ ক্ষেত্ৰত এই ব্যৱস্থা বৃটিছ চৰকাৰে জোৰকৈ জাপি দিয়াৰ ব্যৱস্থা কৰিছিল।

৩) যুক্তৰাষ্ট্ৰ গঠন কৰিবলৈ হ'লে অংগৰাজ্যসমূহৰ চৰিত্ৰ গঠন আৰু ক্ষমতা একে হ'ব লাগে। কিন্তু ১৯৩৫ চনৰ আইনে ভাৰতবৰ্ষত গণতান্ত্ৰিক প্ৰদেশ আৰু স্বৈৰতন্ত্ৰী ৰাজ্য এই দুয়োবিধ সম্পূৰ্ণ বিপৰীতধৰ্মী গোট একত্ৰিত কৰি যুক্তৰাষ্ট্ৰ গঠনৰ প্ৰয়াস কৰিছিল।

৪) প্ৰকৃত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত সংযুক্ত চৰকাৰে সকলো ৰাজ্যৰ ওপৰত সমান কৰ্তৃত্ব প্ৰয়োগ কৰাৰ ব্যৱস্থা কৰা হয়। কিন্তু ভাৰতবৰ্ষৰ ক্ষেত্ৰত ইয়াৰ সম্পূৰ্ণ ওলোটা ব্যৱস্থা গ্ৰহণ কৰা হৈছিল। ১৯৩৫ চনৰ আইনে ভাৰতৰ ক্ষেত্ৰত সংযুক্ত চৰকাৰে কেৱল প্ৰদেশবিলাকত নহয় ৰাজ্যসমূহৰ মাজতো বেলেগ বেলেগ ধৰণৰ ক্ষমতা প্ৰয়োগৰ কৰ্তৃত্ব লাভ কৰিছিল।

৫) প্ৰকৃত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত উচ্চসদনলৈ সমান প্ৰতিনিধি পঠোৱাৰ ব্যৱস্থা আছে। উদাহৰণস্বৰূপে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ উচ্চ সদন চিনেটলৈ তাৰ ৫০ খন অংগ ৰাজ্যই ২ জনকৈ প্ৰতিনিধি প্ৰেৰণ কৰে আৰু ইয়াৰ মুঠ সদস্য সংখ্যা ১০০ জন। কিন্তু ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনখনে ইয়াৰ উচ্চ সদনলৈ সমান প্ৰতিনিধি প্ৰেৰণ কৰাৰ ব্যৱস্থা কৰা নাই। গতিকে উচ্চ সদনত ৰাজ্যসমূহৰ প্ৰতিনিধিৰ সংখ্যা অসমান।

৬) সাধাৰণতে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত নিম্ন সদনৰ প্ৰতিনিধিসকলক জনসাধাৰণে প্ৰত্যক্ষ ভোটৰ দ্বাৰা নিৰ্বাচিত কৰাৰ নিয়ম। কিন্তু ভাৰতবৰ্ষৰ এই যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত প্ৰতিনিধিসকলক পৰোক্ষ নিৰ্বাচনৰ সময়ত পঠোৱাৰ ব্যৱস্থা কৰিছিল।

৭) সংবিধান সংশোধনৰ ক্ষেত্ৰত প্ৰকৃত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত কৰ্তৃত্ব প্ৰদান কৰা হয় - সংযুক্ত চৰকাৰৰ হাতত। কিন্তু ভাৰতবৰ্ষৰ এই যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত সংবিধান সংশোধনৰ কৰ্তৃত্ব প্ৰদান কৰা হৈছে বৃটিছ সংসদৰ ওপৰত।

৮) প্ৰকৃত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত সংযুক্ত চৰকাৰৰ দৈনন্দিন কাম কাজত কোনো বাহিৰা শক্তিয়ে হস্তক্ষেপ কৰাৰ নিয়ম নাই। কিন্তু ভাৰতবৰ্ষত ১৯৩৫ চনৰ আইনে সংযুক্ত চৰকাৰৰ কাম-কাজত বৃটিছ সংসদৰ হস্তক্ষেপৰ ব্যৱস্থা আছে। কাৰণ সংযুক্ত চৰকাৰখন বৃটিছ সংসদৰ ওচৰত দায়বদ্ধ। ইয়াত গৱৰ্ণৰ জেনেৰেল আৰু ভাৰতস্থ চেক্ৰেটাৰীৰ দ্বাৰা হস্তক্ষেপ কৰাৰ ব্যৱস্থা কৰা হৈছিল।

যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত যোগদান কৰিবলৈ ইচ্ছা কৰা দেশীয় ৰাজ্যবিলাকৰ বাবে কেইটামান চৰ্ত বান্ধি দিয়া হৈছিল। সেই চৰ্ত সমূহ হৈছে -

(যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত যোগদান কৰিবলৈ ইচ্ছা কৰা দেশীয় ৰাজ্যবিলাকৰ বাবে)

ক)  ইচ্ছুক ৰাজ্যবিলাকে যুক্তৰাষ্ট্ৰত যোগদানৰ বাবে এখন অভিমিলন পত্ৰত (Instrument of Accession) স্বাক্ষৰ কৰিব লাগিব।

খ) কিছুমান ক্ষমতা যুক্তৰাষ্ট্ৰৰ হাতলৈ হস্তান্তৰ কৰিব লাগিব।

গ) যিবিলাক দেশীয় ৰজাই প্ৰস্তাৱিত যুক্তৰাষ্ট্ৰত যোগদান কৰিব বিচাৰে সেইবিলাক ৰাজ্যৰ জনসংখ্যা দেশীয় ৰাজ্যবিলাকৰ মুঠ জনসংখ্যাৰ আধা হ'ব লাগিব।

ঘ) দেশীয় ৰাজ্যৰ বাবে কেন্দ্ৰীয় ৰাজ্যসভাত আছুতীয়াকৈ ৰখাৰ অন্ততঃ আধা আসন ইচ্ছুক ৰাজ্যবিলাকে পাব লাগিব।

ঙ) এবাৰ যুক্তৰাষ্ট্ৰত যোগদান কৰিলে ইয়াৰ পৰা কোনো ৰাজ্য ওলাই যাব নোৱাৰে।

*** যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ আসোঁৱাহ ঃ**

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে গ্ৰহণ কৰিব বিচৰা যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ কিছুমান দোষ বা আসোঁৱাহ ৰৈ গৈছে বুলি ক'ব পাৰি। যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ কিছুমান বিশেষ আসোঁৱাহ তলত উল্লেখ কৰা হ'ল।

১) ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ প্ৰস্তাৱিত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাই ভাৰতৰ জনসাধাৰণৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম নহ'ল। কাৰণ ইয়াৰ গঠন প্ৰক্ৰিয়াত ভাৰতৰ প্ৰকৃত প্ৰতিনিধিসকলৰ হাত একেবাৰে সীমিত আছিল।

২) প্ৰস্তাৱিত যুক্তৰাষ্ট্ৰৰ আন এক দোষ হৈছে ইয়াৰ অভূতপূৰ্ব সংমিশ্ৰণ। কাৰণ ইয়াত গণতান্ত্ৰিক প্ৰদেশসমূহ আৰু স্বৈৰতন্ত্ৰী ৰাজ্যবিলাকক লগলগাই এক সুকীয়া যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা গঠন কৰিবলৈ বিচাৰিছিল। এনে ধৰণৰ সংমিশ্ৰিত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাই কেতিয়াও একেলগে কাম কৰিব নোৱাৰে।

৩) সংযুক্ত চৰকাৰক বিভিন্ন অংগৰাজ্যত বিভিন্ন ধৰণৰ ক্ষমতা প্ৰয়োগৰ কৰ্তৃত্ব প্ৰদান ব্যৱস্থা আন এক আসোঁৱাহ হিচাবে উল্লেখ কৰিব পাৰি। কাৰণ এনে পৰিস্থিতিত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাই সুকলমে কাম কৰিব পাৰিব বুলি আশা কৰাটো শুদ্ধ বুলি ক'ব নোৱাৰি।

৪) সংসদৰ প্ৰতিনিধি সংখ্যাৰ ক্ষেত্ৰতো সংযুক্ত গোটবোৰৰ মাজত বিভেদ সৃষ্টি কৰা হৈছিল। সংযুক্ত চৰকাৰৰ আইন সভাৰ প্ৰতিনিধিৰ ক্ষেত্ৰত ৰাজ্যবিলাকৰ মুঠ জনসংখ্যা বৃটিছ ভাৰতৰ জনসংখ্যাৰ এক চতুৰ্থাংশতকৈ কম হোৱা সত্ত্বেও এই ৰাজ্যবিলাকক অধিক প্ৰতিনিধিত্বৰ সুবিধা দিয়া হৈছিল। এই ব্যৱস্থাৰ জৰিয়তে ৰাজ্যবিলাকক উচ্চসদনৰ ২৬০ খন আসনৰ ১৪০ খন আৰু নিম্ন সদনত ৩৭৫ খনৰ ১২৫ খন আসন দিয়া হৈছিল।

৫) এই আইনে ৰাজ্যসমূহৰ শাসকসকলক প্ৰতিনিধি নিৰ্বাচনৰ ক্ষমতা অৰ্পন কৰিছিল। ফলত এই ব্যৱস্থাত গণতান্ত্ৰিক প্ৰমূল্যবোধৰ স্থান নাছিল। ৰাজন্যবৰ্গয়ো এটা প্ৰতিক্ৰিয়াশীল গোটক মনোনীত কৰাৰ আশংকা নুই কৰিব নোৱাৰি। যিটো গোটে প্ৰগতিবাদী শক্তিসমূহৰ বিৰুদ্ধে থিয় দিয়াৰ সন্দেহ কৰা হৈছিল।

৬) ধনীক আৰু স্বাৰ্থপৰ লোকৰ প্ৰতিনিধিত্বৰে উচ্চ সদন গঠন কৰা হৈছিল। ফলত উচ্চ সদন এটা শাসকদলৰ অনুষ্ঠান হিচাপে পৰিগণিত হৈছিল আৰু সাধাৰণতে দিবলগীয়া ক্ষমতাতকৈ অধিক ক্ষমতা তেওঁলোকক প্ৰদান কৰা হৈছিল।

৭) নিম্ন সদনখন পৰোক্ষ নিৰ্বাচন পদ্ধতিৰে গঠন কৰা ব্যৱস্থাটো এই যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ আন এক আসোঁৱাহ বুলি গণ্য কৰিব পাৰি। এই ব্যৱস্থাই ভাৰতীয়সকলক নিৰ্বাচন প্ৰক্ৰিয়াৰ পৰা আঁতৰত ৰাখি ৰাজনৈতিক সচেতনতা তথা ৰাজনৈতিক শিক্ষা লাভৰ পৰা বঞ্চিত কৰা হৈছিল।

৮) বিধানমণ্ডলৰ ক্ষমতাও এই ব্যৱস্থাত তেনেই সংকোচিত কৰা হৈছিল। বিভিন্ন কাম-কাজসমূহত গৱৰ্ণৰ জেনেৰেল আৰু ভাৰতস্থ চেক্ৰেটৰীৰ হস্তক্ষেপে বিধানমণ্ডলৰ কাম-কাজ সীমিত কৰিছিল। গৱৰ্ণৰ জেনেৰেলক অন্যান্য ক্ষমতাৰ উপৰিও অধ্যাদেশ জাৰি কৰাৰ ক্ষমতা, আইন প্ৰণয়ণ কৰিব পৰা ক্ষমতা আৰু সাংবিধানিক সংকট ঘোষণা কৰিব পৰা ক্ষমতা ন্যস্ত কৰি গৱৰ্ণৰ জেনেৰেলৰ ক্ষমতা যথেষ্ট বৃদ্ধি কৰিছিল।

৯) ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত কেন্দ্ৰত দ্বৈত প্ৰশাসন ব্যৱস্থাও এক অন্যতম আসোঁৱাহ বুলি কব পাৰি। এই ব্যৱস্থা অনুসৰি প্ৰতিৰক্ষা, বৈদেশিক-পৰিক্ৰমা আদি বিষয়সমূহ মন্ত্ৰীসভাৰ পৰিৱৰ্তে গৱৰ্ণৰ জেনেৰেলৰ হাতত অৰ্পণ কৰা হৈছিল। ইতিমধ্যে ১৯১৯ চনৰ আইনৰ ভিত্তিত ভাৰতৰ প্ৰদেশ সমূহত চলা দ্বৈত শাসন ব্যৱস্থাই ভাৰতীয় সকলক হতাশ কৰি তুলিছিল। গতিকে ১৯৩৫ চনৰ আইনে পুনৰ কেন্দ্ৰত এনে ব্যৱস্থা বাহাল ৰখাত ভাৰতীয়সকল অতিকে বিতুষ্ট হৈ পৰিছিল।

১০) এই যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ কোনো সাল-সলনি কৰাৰ ব্যৱস্থা নাছিল। ভাৰতীয় সকলে আৱশ্যক বুলি ভাবিলে এই গাঁঠনিৰ কোনো পৰিবৰ্ত্তন বা সংশোধন কৰাৰ ক্ষমতা নাছিল। সেইকাৰণে ভাৰতৰ প্ৰগতিশীল দলবিলাকে এবাৰ এই ব্যৱস্থাৰ অৰ্ন্তগত হ'লে ইয়াৰ পৰা ওলাই অহাটো কঠিন হব বুলি আশংকা কৰিছিল।

### * যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা প্ৰত্যাখান ঃ

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ যুক্তৰাষ্ট্ৰীয় প্ৰস্তাৱক ভাৰতবৰ্ষৰ প্ৰায়বিলাক সংগঠনেই আসোঁৱাহ পূৰ্ণ বুলি বিবেচনা কৰি এই ব্যৱস্থাক প্ৰত্যাখান কৰিছিল। বিশেষকৈ কংগ্ৰেছ, মুছলীম লীগ, হিন্দু মহাসভা, শিখ সংগঠন আদি সংগঠনসমূহে এই ব্যৱস্থা গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছিল। সংখ্যাত নগণ্য লিবাৰেলবিলাকে অৱশ্যে ইয়াৰ সকলো আসোঁৱাহ উপলব্ধি কৰিও এই ব্যৱস্থাক বাস্তৱ ৰূপ দি

চাবলৈ দাবী জনাইছিল যদিও তেওঁলোক সংখ্যালঘু হোৱাৰ কাৰণে এই দাবী পূৰণ কৰিব নোৱাৰিলে। নেহেৰুৱে **১৯৩৫** চনৰ আইনখনক "দাসত্বৰ শিকলিৰে বান্ধি ৰখাৰ বাবে এক নতুন চনদ বুলি অভিহিত কৰিছিল। কাৰণ, এই আইনখনে ৰজা, সংখ্যালঘু আৰু বৃটিছৰ পাণ্ডাসকলক সুৰক্ষিত কৰি ভাৰতৰ প্ৰগতিবাদী শক্তিসমূহৰ বিপক্ষে ব্যৱহাৰ কৰিবলৈ ব্যৱস্থা কৰিছিল।"

**১৯৩৭** চনৰ **১** এপ্ৰিলৰ পৰা প্ৰদেশবিলাকত জনপ্ৰিয় মন্ত্ৰীসভাক প্ৰাদেশিক আইনসভাৰ ওচৰত দায়বদ্ধ কৰাৰ ব্যৱস্থা কৰিছিল। এই ব্যৱস্থাই প্ৰদেশ বিলাকৰ ওপৰত বৃটিছ সংসদে চলাই অহা কৰ্তৃত্বৰ পৰিৱৰ্তন ঘটাইছিল।

গতিকে **১৯৩৫** চনৰ আইনৰ প্ৰাদেশিক অংশটো কাৰ্যকৰী কৰা হ'লেও যুক্তৰাষ্ট্ৰীয় প্ৰক্ৰিয়াতে ভাৰতৰ দেশীয় ৰাজ্যবিলাকে লগ লাগিবলৈ সন্মতি জনোৱা নাছিল। গতিকে ভাৰতবৰ্ষত **১৯৩৫** চনৰ আইনৰ ভিত্তিত যুক্তৰাষ্ট্ৰ গঠন কৰা সম্ভৱ হৈ নুঠিল।

**আত্মমূল্যায়নৰ প্ৰশ্ন (খ)ঃ**

১) **১৯৩৫** চনৰ আইনৰ দুটা যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য উল্লেখ কৰা?

.......................................................................................................

.......................................................................................................

২) **১৯৩৫** চনৰ আইনৰ দুটা বিশেষ বৈশিষ্ট্য উল্লেখ কৰা যিবোৰ বৈশিষ্ট্য সাধাৰণতে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত দেখা নাযায়।

.......................................................................................................

.......................................................................................................

৩) **১৯৩৫** চনৰ ভাৰত চৰকাৰৰ আইনৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ দুটা আসোঁৱাহ উল্লেখ কৰা।

.......................................................................................................

.......................................................................................................

### ৩.০৩. ১৯৩৫ চনৰ আইনৰ কাৰ্যকাৰিতা ঃ

**১৯৩৫** চনৰ ভাৰত চৰকাৰ আইনখন বৰ দীঘলীয়া আৰু জটিল আছিল। অৱশ্যে ভাৰতবৰ্ষৰ সাংবিধানিক বিকাশত এই আইনে এক গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছে। এই আইনখন আংশিকভাবেহে **১৯৩৭** চনত বলবৎ কৰা হৈছিল। ইয়াৰ জৰিয়তে ভাৰতবৰ্ষত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল। **১৯৩৫** চনৰ আইনৰ অকল প্ৰাদেশিক চৰকাৰ সম্পৰ্কীয় বিষয়সমূহহে কাৰ্যকৰী কৰা হৈছিল। এই আইনে সিন্ধু আৰু উড়িষ্যাক বেলেগ প্ৰদেশ হিচাবে গঠন কৰে। **১৯৩৭** চনত ব্ৰহ্মদেশক ভাৰতবৰ্ষৰ পৰা পৃথক কৰা হৈছিল।

১৯৩৫ চনৰ আইনে যি যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ আৰ্হি প্ৰস্তুত কৰিছিল সি কাৰ্যকৰী নহ'ল। দেশীয় ৰাজ্যবিলাকৰ যুক্তৰাষ্ট্ৰত যোগদান কৰাৰ অসন্মতি আৰু ভাৰতবৰ্ষৰ ঘাই ৰাজনৈতিক দলবিলাকৰ বিৰোধিতাই ইয়াৰ মূল কাৰণ।

১৯৩৫ চনৰ আইনমতে প্ৰদেশ বিলাকত প্ৰাদেশিক স্বায়ত্ব শাসন প্ৰৱৰ্তন কৰা হৈছিল। এই আইনৰ জৰিয়তে প্ৰদেশবিলাকত দ্বৈত শাসন ব্যৱস্থাৰ অন্ত পেলাই প্ৰাদেশিক সকলো বিষয় ভাৰতীয় মন্ত্ৰীৰ দায়িত্বত দিয়া হৈছিল। অৱশ্যে, গৱৰ্ণৰৰ বিশেষ সুবিধা প্ৰদানে মন্ত্ৰীসকলক স্বাধীনভাৱে ক্ষমতা প্ৰয়োগত বাধা প্ৰদান কৰিছিল।

১৯৩৫ চনৰ আইনে কেন্দ্ৰত যি দ্বৈত শাসন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিলে সেই ব্যৱস্থা প্ৰকৃততে বহু-অসুবিধা জনক আছিল। কাৰণ কেন্দ্ৰীয় কাৰ্যকৰী পৰিষদৰ আইন সভাৰ ওচৰত কোনো দায়িত্ব নাছিল। ইয়াৰ সদস্যসকল গৱৰ্ণৰ জেনেৰেলৰ ওচৰতহে দায়বদ্ধ আছিল। আনহাতে মন্ত্ৰীসকল গৱৰ্ণৰ জেনেৰেল আৰু কেন্দ্ৰীয় আইন সভা উভয়ৰে ওচৰত দায়বদ্ধ আছিল। উভয়ে মন্ত্ৰীসকলক অপসাৰণ কৰিব পাৰিছিল। প্ৰকৃতাৰ্থত মন্ত্ৰী সকলৰ কোনো ক্ষমতা নাছিল। গতিকে এই আইনে কেন্দ্ৰত প্ৰতিষ্ঠা কৰা চৰকাৰখনক কেতিয়াও এখন দায়িত্বশীল চৰকাৰ বুলি ক'ব নোৱাৰি। সংবিধান সংশোধনৰ ক্ষেত্ৰতো ভাৰতৰ সংসদৰ কোনো ক্ষমতা নাছিল। এই ক্ষমতা ভোগ কৰিছিল বৃটিছ সংসদে।

১৯৩৫ চনৰ আইন অনুসৰি ভাৰতত এখন যুক্তৰাষ্ট্ৰীয় আদালত গঠন কৰা হয়। কিন্তু এই আদালত ভাৰতবৰ্ষৰ শেষ আপীল আদালত নাছিল। প্ৰকৃত ক্ষমতা ইংলণ্ডৰ প্ৰিভি কাউন্সিলৰ হাততহে আছিল।

ক্ষমতা বিভাজনৰ ক্ষেত্ৰত যি তিনিখন সূচীৰ ব্যৱস্থা কৰিছিল, সিও যুক্তৰাষ্ট্ৰ গঠন নোহোৱাৰ বাবে কাৰ্যকৰী নহ'ল।

১৯৩৫ চনৰ আইনে সাম্প্ৰদায়িক ভিত্তিত প্ৰতিনিধি নিৰ্বাচন কৰাৰ ব্যৱস্থা বাহাল ৰাখে। ১৯৩৫ চনৰ আইনে কেন্দ্ৰত দ্বি-সদনীয় বিধান মণ্ডল গঠন কৰি দুয়োখন সদনৰে সদস্য সংখ্যা বৃদ্ধি কৰে। উচ্চসদন হ'ল ৰাজ্য সভা (Council of States) আৰু নিম্ন সদন যুক্তৰাষ্ট্ৰীয় সভা (Federal Assembly)।

১৯৩৫ চনৰ আইনমতে বৃটিছে ভাৰতক ১১ খন প্ৰদেশত ভাগ কৰিছিল। ইয়াৰে ৬খন প্ৰদেশত দ্বি-সদনীয় বিধানমণ্ডল আৰু বাকী ৫ খনত এক-সদনীয় বিধানমণ্ডল গঠন কৰা হৈছিল। এই আইনে প্ৰাদেশিক স্বায়ত্ব শাসন প্ৰৱৰ্তন কৰিছিল। এই আইনে ৰাজ্যবিলাকত দায়িত্বশীল চৰকাৰৰ প্ৰৱৰ্তন কৰিছিল। অৱশ্যে, দেশীয় ৰাজ্যবিলাকত

দায়িত্বশীল চৰকাৰৰ প্ৰৱৰ্তন কৰা নাছিল। অৱশ্যে দেশীয় ৰাজ্যবিলাক লগ লাগিবলৈ অসন্মত হোৱাত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা প্ৰৱৰ্তন কৰিব নোৱাৰিলে। শেষত দ্বিতীয় মহাযুদ্ধই অনা পৰিৱৰ্তনে ভাৰতীয় সকলে কৰা প্ৰগতিশীল দাবী উত্থাপনৰ বাবে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৱলী একেবাৰে অপ্ৰাসংগিক হৈ পৰিল। **১৯৩৯** চনৰ **১১** চেপ্তেম্বৰ তাৰিখে গৱৰ্ণৰ জেনেৰেলৰ ঘোষণাৰ লগে লগে এই প্ৰচেষ্টাৰ অন্ত পৰিল।

### ৩.০৪ ১৯৩৫ চনৰ আইনৰ মূল্যায়ন ঃ

**১৯৩৫** চনৰ আইনে প্ৰাদেশিক ক্ষেত্ৰত স্বায়ত্ব শাসনৰ সুবিধা প্ৰদান কৰিলে যদিও এই আইনে ভাৰতবাসীক সন্তুষ্ট কৰিব পৰা নাছিল। সেয়ে মদনমোহন মালব্যয়ে মত প্ৰকাশ কৰিছে যে ''বাহিৰত গণতন্ত্ৰৰ আৱৰণ থাকিলেও, এই আইনখন আছিল একেবাৰে আন্তঃসাৰশূণ্য'' কাৰণ ইংৰাজে প্ৰকৃতাৰ্থত ভাৰতীয়সকলৰ হাতত ক্ষমতা অৰ্পন কৰিব বিচৰা নাছিল। লগতে দেশীয় ৰাজ্যবিলাকে এই যুক্তৰাষ্ট্ৰত যোগদান কৰাটো বাধ্যতামূলক নাছিল।

ইমানবোৰ দোষ থাকিলেও **১৯৩৫** চনৰ আইনৰ দ্বাৰা ভাৰতীয় জনসাধাৰণ কিছু পৰিমাণে উপকৃত হৈছিল। বিশেষকৈ ভালেমান নীতি-নিয়ম এই আইনখনৰ গ্ৰহণযোগ্য আছিল। সেয়ে পৰৱৰ্তী.সময়ত এই আইনখনৰ ভালেমান বিধান আমাৰ নতুন সংবিধানে গ্ৰহণ কৰিছে। এই আইন প্ৰৱৰ্ত্তন কৰাৰ কাৰণে ভাৰতত সাধাৰণ নিৰ্বাচন অনুষ্ঠিত হৈছিল আৰু অধিক সংখ্যক ভাৰতীয় মানুহে ভোটদান কৰিবলৈ সক্ষম হৈছিল। যাৰ ফলত ৰাজনৈতিক শিক্ষা আৰু সচেতনতা লাভ কৰিবলৈ সক্ষম হৈছিল। প্ৰদেশসমূহত দায়িত্বশীল চৰকাৰ প্ৰৱৰ্তন কৰাৰ কাৰেণে ভাৰতীয় প্ৰতিনিধিসকলে শাসন কাৰ্য পৰিচালনাৰ ক্ষেত্ৰত অধিক অভিজ্ঞতা অৰ্জন কৰিব পাৰিছিল। ভাৰতীয় মন্ত্ৰীসকলে ভাৰতীয় জনসাধাৰণৰ স্বাৰ্থত বহুতো ভাল কাম কৰিবলৈ সক্ষম হৈছিল।

**১৯৩৫** চনৰ আইনে ভাৰতীয়সকলৰ মাজত একতাৰ ভাৱ জগাই তোলাত পৰোক্ষভাৱে যথেষ্ট সহায় কৰিলে। গতিকে এই আইনৰ বহুতো দোষ আছিল যদিও আইন খনৰ গুৰুত্ব যথেষ্ট বেছি, কাৰণ এই আইনৰ ওপৰত ভিত্তি কৰিয়েই পৰৱৰ্তী. ভাৰতবৰ্ষৰ প্ৰশাসন পৰিচালিত হৈছিল।

### ৩.০৫ ১৯৩৫ চনৰ আইন মতে ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেলৰ ক্ষমতা আৰু কাৰ্যাৱলী ঃ

**১৯৩৫** চনৰ আইনমতে ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেলক বৃটেইনৰ ৰজাই প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ মতে নিযুক্তি দিছিল। তেওঁৰ কাৰ্যকাল ৫ বছৰ আৰু তেওঁৰ দৰমহা ভাৰতবৰ্ষৰ ৰাজভঁড়ালৰ পৰা দিয়া হৈছিল। তলত গৱৰ্ণৰ জেনেৰেলৰ ক্ষমতা আৰু কাৰ্য্যৱলীসমূহ আলোচনা কৰা হ'ল।

**১) আইন সম্পৰ্কীয় ক্ষমতা ঃ**

ক) তেওঁ যদি ভাবে যে এই আইন অনুসৰি ভাৰতৰ শাসন কাৰ্য পৰিচালনা কৰিব নোৱাৰি তেন্তে তেওঁ তেনে আইন বাতিল কৰি যুক্তৰাষ্ট্ৰৰ সকলো ক্ষমতা নিজৰ হাতলৈ এক ঘোষণা যোগে নিব পাৰে।

খ) গৱৰ্ণৰ জেনেৰেলে অধ্যাদেশ জাৰী কৰাৰ ক্ষমতা লাভ কৰিছিল।

গ) তেওঁ স্ববিচাৰৰ ক্ষমতা প্ৰয়োগ কৰিব পাৰিছিল।

ঘ) গৱৰ্ণৰ জেনেৰেলে প্ৰয়োজন বোধ কৰিলে আইন সভাই পাচ কৰা বিধেয়কো ৰদ কৰাৰ ক্ষমতা আছিল।

ঙ) গৱৰ্ণৰ জেনেৰেলে ইচ্ছা কৰিলে আইনসভাত আলোচনা কৰা কোনো বিষয়ৰ যিকোনো স্তৰতে বন্ধ কৰাৰ ক্ষমতা লাভ কৰিছিল।

চ) গৱৰ্ণৰ জেনেৰেলে কেন্দ্ৰীয় আইনসভাৰ অধিৱেশন আহ্বান আৰু স্থগিত কৰাৰ ক্ষমতা আছিল।

**২) বিত্তীয় ক্ষমতা** ঃ গৱৰ্ণৰ জেনেৰেলে বিত্তীয় ক্ষমতা হিচাপে বিত্তীয় উপদেষ্টা নিয়োগ কৰিব পাৰিছিল। কোনো বিত্তীয় বিধেয়ক আইন সভাই নাকচ কৰিলে দেশৰ স্বাৰ্থৰ হকে তেওঁ বিধেয়কখন পুনৰ পাচ কৰিবলৈ পৰামৰ্শ দিব পাৰিছিল। আইন সভাই কৰ্তন কৰা বিত্তীয় প্ৰস্তাৱৰ কৰ্তন নাকচ কৰিব পাৰিছিল। আইনসভাত উত্থাপিত সকলো অৰ্থ বিল গৱৰ্ণৰ জেনেৰেলৰ আগতীয়া অনুমতি লৈহে উত্থাপন কৰিব পাৰিছিল।

**৩) কাৰ্যপালিকা ক্ষমতা** ঃ গৱৰ্ণৰ জেনেৰেলে কেন্দ্ৰীয় কাৰ্যকৰী পৰিষদ আৰু মন্ত্ৰীসভাৰ সদস্য সকলক নিযুক্তি দিব পাৰিছিল। তেওঁলোকৰ দৰমহা নিৰ্ধাৰণ কৰা, তেওঁলোকক পদচ্যুত কৰাৰ ক্ষমতা লাভ কৰিছিল।

**৪) স্ববিচাৰাধীন ক্ষমতা ঃ** ১৯৩৫ চনৰ আইনে গৱৰ্ণৰ জেনেৰেলক ভালেমান স্ববিচাৰৰ ক্ষমতা অৰ্পন কৰিছে। সেইবোৰৰ ভিতৰত উল্লেখ যোগ্য হৈছে - প্ৰতিৰক্ষা, বৈদেশিক পৰিক্ৰমা, ধৰ্মীয়, জনজাতি, উচ্চপদস্থ বিষয়াৰ নিযুক্তি আদি। তেওঁ প্ৰয়োজন সাপেক্ষে গৱৰ্ণৰলৈ নিৰ্দেশ পঠাব পাৰিছিল।

**৫) বিশেষ দায়িত্ব** ঃ গৱৰ্ণৰ জেনেৰেলে কিছুমান বিষয়ত মন্ত্ৰীসকলৰ লগত আলোচনা নকৰাকৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ বিশেষ অধিকাৰ লাভ কৰিছিল। তেওঁৰ এই বিশেষ অধিকাৰৰ ভিতৰত দেশীয় ৰাজ্যৰ স্বাৰ্থ, আৰ্থিক স্থিৰতা, স্ববিচাৰাধীন ক্ষমতাৰ প্ৰয়োগ, সংখ্যালঘুৰ স্বাৰ্থ, আৰ্থিক স্থিৰতা আদি।

এই দৰে **১৯৩৫** চনৰ ভাৰত চৰকাৰ আইনে গৱৰ্ণৰ জেনেৰেলক বহুটো ক্ষমতা প্ৰদান কৰিছে।

**৩.০৬ ১৯৩৫ চনৰ আইন অনুসৰি প্ৰাদেশিক স্বায়ত্ব শাসনৰ কাৰ্যকাৰিতা ঃ**

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনে প্ৰদেশবিলাকত স্বায়ত্ব শাসন প্ৰৱৰ্তন কৰিছিল। মন্ত্ৰীসকল প্ৰাদেশিক আইনসভাৰ ওচৰত দায়বদ্ধ হৈ আছিল। অৱশ্যে কেন্দ্ৰীয় চৰকাৰে প্ৰদেশসমূহক নিজৰ ইচ্ছামতে নিয়ন্ত্ৰন কৰিব পাৰিছিল। প্ৰদেশসমূহত গৱৰ্ণৰসকল অধিক ক্ষমতাশালী আছিল।

১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ ওপৰত ভিত্তি কৰি হোৱা সাধাৰণ নিৰ্বাচনত **১১** খন প্ৰদেশৰ ৭ খন প্ৰদেশত কংগ্ৰেছ দলে ক্ষমতা লাভ কৰিছিল। আৰু **১৯৩৭** চনৰ অক্টোবৰ মাহত এই সাতোখন ৰাজ্যতে কংগ্ৰেছৰ মন্ত্ৰীসভা গঠন কৰা হৈছিল। কংগ্ৰেছে শিক্ষা, কৃষি আদি দিশসমূহত বিশেষ গুৰুত্ব প্ৰদান কৰিছিল। প্ৰাদেশিক স্বায়ত্বশাসন বলবৎ হোৱাৰ পাছত উৰিষ্যা, বিহাৰ, উত্তৰ প্ৰদেশ, মধ্য প্ৰদেশ আদি ৰাজ্যসমূহত কিছুমান সমস্যাই দেখা দিছিল। অৱশ্যে, আলোচনাৰ যোগেদি এই সমস্যাসমূহ সমাধান কৰা হৈছিল।

প্ৰদেশসমূহত স্বায়ত্ব শাসন প্ৰৱৰ্তনৰ ফলত ভাৰতীয় জনসাধাৰণৰ মনত নতুন পৰিৱৰ্তনৰ জোৱাৰ আনিছিল। কিন্তু ভাৰত সচিব আৰু গৱৰ্ণৰ জেনেৰেলে বহু সময়ত প্ৰদেশবিলাকক নিয়ন্ত্ৰণ কৰিছিল। প্ৰাদেশিক স্বায়ত্ব শাসনৰ কোনো স্বতন্ত্ৰতা নাছিল। এই আইনে সীমিত ভোটাধিকাৰহে প্ৰচলন কৰিছিল। তদুপৰি এই আইনে সাম্প্ৰদায়িক ভোটাধিকাৰ ব্যৱস্থাক যথেষ্ট সম্প্ৰসাৰিত কৰাত ভাৰতীয় জাতীয় সংহতি বিনষ্ট হৈছিল।

অৱশ্যে, আমি এইটোও স্বীকাৰ কৰিব লাগিব যে **১৯৩৫** চনৰ ভাৰত চৰকাৰ আইনে ভাৰতবাসীক গণতান্ত্ৰিক ভাৱধাৰাৰ বিকাশ ঘটাই ভাৰতীয়সকলক স্বাধীনতা লাভৰ প্ৰতি উৎসাহিত কৰিবলৈ সক্ষম হৈছিল।

**আত্মমূল্যায়নৰ প্ৰশ্ন (গ)ঃ**

১) ১৯৩৫ চনৰ আইনৰ দুটা দোষ উল্লেখ কৰা ?

........................................................................................................

........................................................................................................

২) ১৯৩৫ চনৰ আইনৰ মতে গৱৰ্ণৰ জেনেৰেলৰ আইন সম্পৰ্কীয় এটা ক্ষমতা আৰু কাৰ্যপালিকাৰ এটা ক্ষমতা উল্লেখ কৰা ?

........................................................................................................

........................................................................................................

৩) ১৯৩৫ চনৰ আইন অনুসৰি প্ৰাদেশিক সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে কেইখন প্ৰদেশত জয়লাভ কৰাছিল ?

........................................................................................................................

........................................................................................................................

### ৩.০৭ ভাৰত ত্যাগ আন্দোলন ঃ

ভাৰতবৰ্ষত অতদিনে চলাই অহা সংগ্ৰামে ইংৰাজক অকণো মনাব নোৱাৰাত কংগ্ৰেছে এক দৃঢ় পদক্ষেপ লোৱাৰ কথা চিন্তা কৰিলে। সেয়ে ১৯৪২ চনৰ ১৪ জুলাইত ৱাৰ্ধাত ভাৰত ত্যাগ প্ৰস্তাৱ গ্ৰহণ কৰে আৰু ১৯৪২ চনৰ ৮ আগষ্টত বহা কংগ্ৰেছৰ সাধাৰণ সভাই এই প্ৰস্তাৱ গ্ৰহণ কৰে। ৯ আগষ্টত ভাৰত ত্যাগ আন্দোলনৰ আৰম্ভ হয়। গান্ধীজীয়ে এই আন্দোলনৰ প্ৰতি মন্তব্য কৰিছিল যে 'কৰিম কিম্বা মৰিম'। তেওঁ আৰু উল্লেখ কৰিছিল যে ভাৰতবৰ্ষৰ স্বাধীনতাৰ বাবে ই হ'ব শেষ সংগ্ৰাম।

ভাৰত ত্যাগ প্ৰস্তাৱ গ্ৰহণৰ লগে লগে বৃটিছসকলক অধিক চিন্তিত কৰি তুলিছিল। সেয়ে ৯ আগষ্ট তাৰিখে গান্ধীজীকে ধৰি কংগ্ৰেছৰ কাৰ্যকৰী সভাৰ সকলো সদস্যকে ইংৰাজে আটক কৰিছিল। বৃটিছে কংগ্ৰেছক বে-আইনী বুলি ঘোষণা কৰি কংগ্ৰেছৰ কাৰ্য্যালয়ত তালাচী চলাই বিভিন্ন নথি-পত্ৰ, গুৰুত্বপূৰ্ণ সামগ্ৰী, টকা-পইচা আদি বাজেয়াপ্ত কৰিছিল। গতিকে দেখা গ'ল যে ইংৰাজসকলে পূৰ্বৰে পৰা এই আন্দোলন দমন কৰিবলৈ সাজু হৈ আছিল।

### ৩.০৮ আন্দোলনৰ ওপৰত চৰকাৰৰ দমনমূলক ব্যৱস্থা ঃ

ভাৰত ত্যাগ আন্দোলনৰ আৰম্ভনিতে বৃটিছ সকলে দমন কৰাৰ উদ্দেশ্যে আন্দোলনৰ নেতৃস্থানীয় ব্যক্তি গান্ধীজীকে ধৰি সকলোকে আটক কৰে। গতিকে বঠা বিহীন নাওৰ দৰে এই আন্দোলনে গতি কৰিলে। বৃটিছসকলৰ এনে দমনমূলক নীতিয়ে ভাৰতীয় সকলক অতিকে ক্ষুব্ধ কৰি তুলিলে, আৰু হৰতাল, শোভাযাত্ৰা, সভা-সমিতি আদি কাৰ্যৰে প্ৰতিবাদ জনাবলৈ ধৰিলে। আনহাতে বৃটিছ চৰকাৰে শান্তিপূৰ্ণ জনগণৰ ওপৰত লাঠি, গুলি আৰু অন্যান্য অস্ত্ৰ-শস্ত্ৰৰে অত্যাচাৰ আৰম্ভ কৰিলে। ভাৰত ত্যাগ আন্দোলনত চৰকাৰী হিচাপ মতে প্ৰায় ২৫০টা ৰেলষ্টেচন ধ্বংস হৈছিল, ৫০০ খন ডাকঘৰ আৰু ১৫০ টা পুলিচ চকী আক্ৰমণৰ বলি হৈছিল। চৰকাৰে ৫৩৮ বাৰ গুলি চলাইছিল আৰু তাৰ ফলত ৯৪০ জন লোকে প্ৰাণ হেৰুৱাইছিল আৰু ১৬৩০ জন আঘাট প্ৰাপ্ত হৈছিল। প্ৰায় ২৬,০০০ জন লোকক আটক কৰি ৰাখিছিল। এনেধৰণে বৃটিছসকলে কঠোৰ হাতেৰে আন্দোলন তিনিমাহতে দমন কৰিবলৈ সক্ষম হৈছিল। কিন্তু বহুতো ভাৰতীয়ই ইয়াৰ পিছতো আত্মগোপন কৰি গোপনে আন্দোলন চলাই আছিল।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত অসমৰ গহপুৰৰ কনকলতা আৰু মুকুন্দ কাকতি শ্বহীদ হৈছিল। গোলাঘাটৰ কুঁশল কোঁৱৰে ফাঁচি কাঠত ওলমিব লগাত পৰিছিল।

**৩.০৯ বিভিন্ন ৰাজনৈতিক দলসমূহৰ ভূমিকা ঃ**

ভাৰত ত্যাগ আন্দোলনত বিভিন্ন ৰাজনৈতিক দলে এক উল্লেখযোগ্য ভূমিকা পালন কৰিছিল। সমাজবাদী দলৰ নেতা জয়প্ৰকাশ নাৰায়ণ, ৰাম মনোহৰ লোহিয়া, অৰুণা আচফ আলি আদিয়ে বৃটিছ শাসন ওফৰাবৰ বাবে গোপনে হিংসাত্মক আন্দোলন চলাবলৈ প্ৰস্তুত হৈছিল। ভাৰতীয় কমিউনিষ্ট দলে এই যুদ্ধক জনগণৰ যুদ্ধ বুলি অভিহিত কৰি কংগ্ৰেছক ভাৰত ত্যাগ আন্দোলন প্ৰত্যাহাৰ কৰিবলৈ আহ্বান জনাই বৃটিছসকলক আন্দোলন দমন কৰাত সহায়হে কৰিছিল।

মুছলীম লীগে পৰিস্থিতিৰ সম্পূৰ্ণ সুযোগ গ্ৰহণ কৰিবলৈ বিচাৰিছিল। লীগে এই আন্দোলনক মুছলমানসকলক সংখ্যাগৰিষ্ঠ হিন্দুসকলৰ অধীনত ৰাখিবৰ বাবে এখন মুক্ত আৰু সংযুক্ত ভাৰত গঢ়ি তুলিবৰ বাবে বৃটিছ চৰকাৰক হেচাঁ প্ৰয়োগ কৰিবৰ বাবে কৰা আন্দোলন বুলি অভিহিত কৰিছিল।

**আত্মমূল্যায়নৰ প্ৰশ্ন (ঘ)**

১) ভাৰত ত্যাগ আন্দোলন কোন চনত আৰম্ভ হৈছিল ?

..........................................................................................

..........................................................................................

২) ভাৰতীয় সমাজবাদী দলৰ এজন নেতাৰ নাম লিখা ?

..........................................................................................

..........................................................................................

**৩.১০. মহাত্মা গান্ধীৰ ঐতিহাসিক অনশন ঃ**

ভাৰত ত্যাগ আন্দোলনে সমগ্ৰ ভাৰততে এক আলোড়ণৰ লহৰ তুলিছিল। বৃটিছ সকলে গান্ধীজীকে ধৰি কংগ্ৰেছৰ নেতাসকলে জনসাধাৰণক হিংসাত্মক কাৰ্যত লিপ্ত হ'বৰ বাবে উচতাইছে বুলি অভিযোগ উত্থাপন কৰাত গান্ধীজীয়ে ইয়াৰ বিপৰিতে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ১৯৪৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে বৃটিছ চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰাৰ উদ্দেশ্যে ২১ দিনীয়া ঐতিহাসিক অনশনৰ সিদ্ধান্ত লৈছিল। ১৩ দিন অতিবাহিত হোৱাৰ পাছত গান্ধীজীৰ অৱস্থা বেয়ালৈ গৈছিল। অৱশেষত ১৯৪৪ চনৰ ৬ মে তাৰিখে গান্ধীজীৰ শৰীৰৰ অৱনতিৰ প্ৰতি লক্ষ্য ৰাখি তেওঁক মুক্তি দিয়ে।

### ৩.১১ আন্দোলনৰ বিফলতা ঃ

ভাৰত ত্যাগ আন্দোলনৰ বিফলতাৰ বহুটো কাৰণ পৰিলক্ষিত হয়। তলত সেইবোৰ উল্লেখ কৰা হ'ল -

১) ভাৰত ত্যাগ আন্দোলনৰ অকৃতকাৰ্যতাৰ মূল কাৰণ হৈছে সাংগঠনিক দূৰ্বলতা আৰু ভুল পৰিকল্পনা। কাৰণ আন্দোলনৰ আৰম্ভণিতে বৃটিছসকলে কংগ্ৰেছৰ শীৰ্ষস্থানীয় নেতাসকলক আটক কৰে।

২) আন এক প্ৰধান কাৰণ হৈছে গোটসমূহৰ মাজত যোগাযোগৰ অভাৱ।

৩) আন্দোলনৰ নেতৃত্ব বহন কৰা সকলৰ মাজত মতপাৰ্থক্যও বিফলতাৰ আন এক অন্যতম কাৰণ।

৪) সমাজৰ উচ্চ শ্ৰেণীৰ লোক, ধনী ব্যৱসায়ী, জমিদাৰ আৰু ৰাজন্যবৰ্গই এই আন্দোলনত সহযোগ কৰা নাছিল।

৫) ভাৰত ত্যাগ আন্দোলনৰ বিফলতাৰ আন এক কাৰণ হৈছে মুছলীম লীগৰ অসহযোগিতা।

৬) এই আন্দোলনৰ বিফলতাৰ আন এক কাৰণ হৈছে গান্ধীজীৰ আদৰ্শ। তেওঁ এই আন্দোলনক 'ধৰ্মযুদ্ধ'ৰ শাৰীত ৰাখিছিল। কিন্তু ইংৰাজসকলে ধৰ্মীয় দিশৰ বিপৰীত এই আন্দোলনক নিষ্ঠুৰ ভাবে নৈতিকতাৰ বিসৰ্জন দি দমন কৰিছিল।

৭) ভাৰত ত্যাগ আন্দোলনৰ বিফলতাৰ আন এক প্ৰধান কাৰণ হৈছে আন্দোলনত গান্ধীজীৰ অনুপস্থিতি।

৮) কমিউনিষ্টসকলৰ অসহযোগীতাও এই আন্দোলনৰ এক বিফলতাৰ কাৰণ হিচাপে উল্লেখ কৰিব পাৰি।

৯) ভাৰত ত্যাগ আন্দোলনৰ বিফলতাৰ অন্যতম প্ৰধান কাৰণ হৈছে বৃটিছ সকলৰ উন্নত সামৰিক শক্তিৰ প্ৰয়োগ।

### ৩.১২. আন্দোলনৰ মূল্যায়ন ঃ

ভাৰত ত্যাগ আন্দোলন যদিও বিফল হৈছিল তথাপি এই আন্দোলনৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি, কাৰণ এই আন্দোলনে ভাৰতৰ স্বাধীনতাৰ ভেটি গঢ়িছে বুলি কব পৰা যায়।

ভাৰত ত্যাগ আন্দোলনৰ প্ৰধান সফলতা হৈছে এই আন্দোলনে ভাৰতীয়সকল যে বৃটিছ শাসন মানি চলিবলৈ প্ৰস্তুত নহয় সেই কথা বৃটিছসকলে অনুভৱ কৰিবলৈ

বাধ্য হৈছিল। এই আন্দোলনে ভাৰতীয়সকলৰ মনত দেশ প্ৰেমৰ ভাৱ জাগৃত কৰি জাতীয়তা বোধৰ ভাৱ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। কাৰণ, ভাৰত ত্যাগ আন্দোলনে সমগ্ৰ ভাৰতবৰ্ষক সাঙুৰি ল'বলৈ সক্ষম হৈছিল। আনকি সেই সময়ৰ আৰক্ষী, সৈনিক আমোলাসকলেও বৃটিছ বিৰোধী হৈ তেওঁলোকৰ শাসন অন্ত পেলোৱাৰ বাবে আগ্ৰহী হৈ পৰিছিল। ভাৰত ত্যাগ আন্দোলনে ভাৰতৰ প্ৰায় সকলোবোৰ ৰাজনৈতিক সংগঠনক একত্ৰিত কৰিবলৈ সক্ষম হৈছিল। কেৱল মুছলীম লীগহে এই আন্দোলনৰ পৰা আতঁৰত আছিল। শেষত ক'ব পাৰি যে এই আন্দোলনে ভাৰতৰ স্বাধীনতাৰ বীজ ৰোপন কৰি বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ভাৰতীয়সকলক ক্ষোভ আৰু স্বাধীনতা প্ৰয়াসী কৰি তুলিবলৈ সক্ষম হৈছিল।

**আত্মমূলায়নৰ প্ৰশ্ন (৬)ঃ**

১) গান্ধীজীৰ ২১ দিনীয়া ঐতিহাসিক অনশন কোন চনৰ কোন তাৰিখৰ পৰা আৰম্ভ হৈছিল ?

..............................................................................................................

..............................................................................................................

২) ভাৰত ত্যাগ আন্দোলনৰ বিফলতাৰ এটা কাৰণ উল্লেখ কৰা ?

..............................................................................................................

..............................................................................................................

৩) ভাৰত ত্যাগ আন্দোলনৰ এটা সফলতা উল্লেখ কৰা ?

..............................................................................................................

..............................................................................................................

### ৩.১৩ ১৯৪৭ চনৰ ভাৰতীয় স্বাধীনতা আন্দোলন ঃ

১৯৪৭ চনৰ ২৪ মাৰ্চত লৰ্ড মাউন্ট বেটেন ভাৰতৰ ভাইচৰয় হিচাপে নিযুক্তি লাভ কৰে। তেওঁক বৃটিছ প্ৰধানমন্ত্ৰীয়ে ভাৰতলৈ কেনেকৈ ক্ষমতা হস্তান্তৰ কৰিব পাৰি সেই বিষয়ে নিৰ্দেশ দি ভাৰতলৈ পঠাইছিল। মাউন্টবেটেনে কংগ্ৰেছ আৰু লীগৰ মাজত আলোচনা কৰি ৩ জুন তাৰিখে এখন আঁচনি প্ৰস্তুত কৰি উলিয়াইছিল। এই আঁচনিখনক মাউন্টবেটেন আঁচনি নামে জনা যায়। এই আঁচনিখনৰ ভিত্তিত ১৯৪৭ চনৰ জুলাই মাহত বৃটিছ সংসদত ভাৰতৰ স্বাধীনতা আইন গৃহীত হৈছিল। ১৯৪৭ চনৰ ২০ ফেব্ৰুৱাৰী আৰু ৩০ জুন তাৰিখে বৃটিছ চৰকাৰে প্ৰতিশ্ৰুতি দিয়া মতে ভাৰতলৈ স্বাধীনতা হস্তান্তৰৰ ব্যৱস্থা কৰা হৈছিল।

### ৩.১৩.০ স্বাধীনতা আইন প্ৰণয়ণৰ পৰিস্থিতি উদ্ভৱ হোৱাৰ কাৰণসমূহ ঃ

**১) নৌ বাহিনী আৰু পুলিচৰ বিদ্ৰোহ ঃ** ১৯৪৬ চনৰ ১৯ ফেব্ৰুৱাৰীত ৰাজকীয় নৌ বাহিনীৰ কিছুমান সেনাই ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহ কৰে। বোম্বেত ৩ হাজাৰ নৌ সেনাই বিক্ষোভ প্ৰদৰ্শন কৰি অনশন কৰিছিল। তেওঁলোকে ২০ খন নৌ জাহাজ নিজৰ নিয়ন্ত্ৰণৰ ভিতৰলৈ আনিছিল। মাদ্ৰাজ, কলিকতা, কৰাচী আদি ঠাইলৈ এই বিদ্ৰোহ বিয়পি পৰিছিল। পুলিচসকলেও হৰতাৰ পালন কৰিছিল।

**২) দ্বিতীয় মহাযুদ্ধৰ প্ৰভাৱ ঃ** দ্বিতীয় মহাযুদ্ধই বৃটিছসকলক আৰ্থিক আৰু সামৰিক দিশত জুৰুলা কৰি পেলাইছিল, যাৰ ফলত তেওঁলোকে বহিঃ জগতৰ নিয়ন্ত্ৰণ কৰাতকৈ নিজৰ সমস্যা সমাধানত ব্যস্ত হ'ব লাগিছিল। আনহাতে ভাৰতৰ জাতীয় কংগ্ৰেছে স্বাধীনতা প্ৰদান কৰিলেহে দ্বিতীয় মহাযুদ্ধত সহযোগ কৰাৰ প্ৰতিশ্ৰুতি দিছিল। এনেবোৰ কাৰণত বৃটিছ সকলে ভাৰতক স্বাধীনতা দিয়াৰ কথা ভাবিবলৈ বাধ্য হৈছিল।

**৩) ভাৰতীয় ৰাষ্ট্ৰীয় সেনাৰ ভূমিকা ঃ** সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত দ্বিতীয় মহাযুদ্ধত ভাৰতীয় ৰাষ্ট্ৰীয় সেনাই গ্ৰহণ কৰা ভূমিকায়ো বৃটিছসকলক ভাৰতীয়সকলৰ দাবীৰ প্ৰতি সচেতন কৰি তুলিছিল। "Give me blood, I will give you freedom" ধ্বনিৰে ভাৰতীয় ৰাষ্ট্ৰীয় সেনাই লোৱা যুদ্ধংদেহি সংগ্ৰামে ইংৰাজসকলক ভাৰতীয়সকল যে যুদ্ধ কৰিও স্বাধীনতা লাভ কৰিবলৈ প্ৰস্তুত এই কথা উপলব্ধি কৰিবলৈ বাধ্য কৰিছিল।

**৪) বিশ্ব জনমতৰ ভূমিকা** ঃ আমেৰিকাৰ ৰাষ্ট্ৰপতি, চীনৰ সভাপতি, আৰু বিশ্ব জনমতে আত্ম নিৰ্দ্ধাৰণৰ (self determination) অধিকাৰৰ প্ৰতি সমৰ্থন জনাইছিল। বৃটিছ চৰকাৰেও বিশ্ব জনমতৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতক স্বাধীনতা দিবলৈ সাজু হৈছিল।

**৫) ইংলণ্ডৰ বনুৱা দলৰ ক্ষমতা দখল** ঃ ইংলণ্ডত ১৯৪৫ চনত Atlee-ৰ নেতৃত্বত বনুৱা দলে চৰকাৰ গঠন কৰিছিল। আগৰে পৰা ভাৰতীয় দাবীৰ প্ৰতি সহানুভূতিশীল এই দলে ক্ষমতা দখল কৰিয়েই 'কেবিনেট মিছন' (Cabinet Mission) গঠন কৰি মাউন্ট বেটেনক ভাৰতৰ স্বাধীনতাৰ পথ প্ৰশস্ত কৰিবলৈ প্ৰেৰণ কৰিছিল।

ওপৰৰ উল্লিখিত পৰিস্থিতিসমূহৰ বাবে ইংৰাজে ভাৰতবৰ্ষক স্বাধীনতা প্ৰদান কৰিছিল বুলি কব পৰা যায়।

### ৩.১৪ ১৯৪৭ চনৰ স্বাধীনতা আইনৰ ব্যৱস্থাসমূহ ঃ

১) ১৯৪৭ চনৰ ১৫ আগষ্টৰ পৰা ভাৰতত বৃটিছ শাসনৰ অন্ত পেলাই ভাৰত আৰু পাকিস্তান নামেৰে দুখন ৰাষ্ট্ৰ গঠন কৰাৰ ব্যৱস্থা কৰিছে।

২) এই আইনে ভাৰতৰ বাবে থকা সচিব পদৰ বিলুপ্তি ঘটাই তেওঁৰ ক্ষমতা আৰু কাৰ্য্যাৱলী কমনৱেলথৰ বাবে থকা সচিবলৈ হস্তান্তৰ কৰিছে।

৩) দুয়োখন ৰাষ্ট্ৰৰ বাবে একোজনকৈ গৰৰ্ণৰ জেনেৰেল নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিছে, তেওঁলোকে সংশ্লিষ্ট ৰাষ্ট্ৰৰ মন্ত্ৰী পৰিষদৰ পৰামৰ্শ মতে কাম কৰাৰ ব্যৱস্থা কৰিছে।

৪) ৰজাৰ ভেটো ক্ষমতা আৰু কিছুমান বিধেয়ক তেওঁৰ বিবেচনাৰ বাবে পঠোৱা ব্যৱস্থা এই আইনে বন্ধ কৰিছে।

৫) অসামৰিক সেৱাত নিযুক্তি আৰু আসন সংৰক্ষণৰ ক্ষেত্ৰত পূৰ্বতে থকা ৰাষ্ট্ৰীয় সচিবৰ ক্ষমতা বিলুপ্ত কৰা হৈছে।

৬। বৃটিছ চৰকাৰৰ সকলো ক্ষমতা সংবিধান প্ৰণয়ন পৰিষদলৈ হস্তান্তৰ কৰা হৈছে আৰু সংবিধান প্ৰস্তুত হৈ নুঠালৈকে দুয়োখন ৰাষ্ট্ৰৰ সংবিধান পৰিষদক আইন সভাৰ দৰে কাম কৰিবলৈ ক্ষমতা প্ৰদান কৰা হৈছে।

৭) নতুন সংবিধান প্ৰণয়ন নকৰালৈকে ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ ব্যৱস্থাৱলীৰ ভিত্তিতেই দুয়োখন ৰাষ্ট্ৰৰ প্ৰদেশবিলাকৰ কাম-কাজ চলাই নিয়াৰ ব্যৱস্থা কৰা হৈছে। প্ৰয়োজন সাপেক্ষে পূৰ্বৰ আইনখনৰ সংশোধন কৰাৰ ক্ষমতা ও প্ৰদান কৰিছে।

৮) উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ উপজাতিবিলাকৰ লগত পূৰ্বতে যি আলোচনা হৈছিল তাক নতুন ৰাষ্ট্ৰ দুখনে অব্যাহত ৰখাৰ কৰ্তৃত্ব প্ৰদান কৰিছে।

৯) যদি কোনো এখন ডমিনিয়নে কমনৱেলথৰ লগত যোগাযোগ ৰক্ষা কৰিবলৈ ইচ্ছা নকৰে তেন্তে সেই ক্ষেত্ৰত ডমেনিয়নক সম্পূৰ্ণ স্বাধীনতা প্ৰদান কৰিছে।

১০) ভাৰত আৰু পাকিস্তানে পৃথক পৃথক সংবিধান সভা-গঠন কৰি নিজ নিজ সংবিধান প্ৰণয়নৰ ব্যৱস্থা কৰিব পাৰিব।

১১) দুয়োখন ৰাষ্ট্ৰৰ সীমা নিৰ্ধাৰণৰ বাবে এখন সীমা আয়োগ গঠনৰ ব্যৱস্থা কৰিছে। ইয়াৰ উপৰিও ৰিৰ্জাভ বেংকৰ ধন বিতৰণ, সেনাবাহিনীৰ বিভাজন, ৰাজধানী প্ৰতিষ্ঠা আদিৰ বিষয়ে নীতি নিৰ্ধাৰণ কৰিবৰ বাবে কেইখনমান বিশেষজ্ঞ সমিতি গঠন কৰাৰ ব্যৱস্থা কৰিছে।

### ৩.১৫ দেশীয় ৰাজ্যসমূহৰ চামিলকৰণ ঃ

ভাৰতবৰ্ষৰ স্বাধীনতাৰ সময়ত ভাৰতত প্ৰায় ৫৫০ খন দেশীয় ৰাজ্য আছিল। স্বাধীনতাৰ পাছত এই ৰাজ্যসমূহে ভাৰত বা পাকিস্তানৰ লগত যোগদান কৰাৰ অধিকাৰ লাভ কৰে। অৱশ্যে, দেশীয় ৰাজ্যসমূহৰ সাৰ্বভৌমত্ব বাহাল আছিল।

পৰৱৰ্তী সময়ত সেই সময়ৰ উপ- প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলৰ তত্বাৱধানত দেশীয় ৰাজ্যসমূহক ভাৰত ইউনিয়নৰ লগত চামিল কৰা হৈছিল। ইয়াৰ প্ৰধান কাৰণ আছিল ভাৰতৰ প্ৰতিৰক্ষা, যাতায়াত, যোগাযোগ আদি দিশত নিৰাপত্তা আৰু সুবিধা প্ৰদান কৰা।

হায়দৰাবাদ, কাশ্মীৰ আৰু জুনাগড় তেতিয়াও ভাৰত ইউনিয়নৰ অন্তৰ্ভুক্ত হোৱা নাছিল। হায়দৰাবাদৰ নিজামে ভাৰত ইউনিয়নত অন্তৰ্ভুক্ত হোৱাৰ কোনো সিদ্ধান্ত লব পৰা নাছিল। কিন্তু সেই সময়তে হায়দৰাবাদত সৃষ্টি হোৱা বিশৃংখল অৱস্থা আৰু ভাৰতৰ সীমান্ত অঞ্চলত হিংসাত্মক কাৰ্যত লিপ্ত হোৱাৰ ফলত অঞ্চলটোত অশান্তিয়ে দেখা দিছিল। ভাৰত চৰকাৰে নিজামৰ লগত আলোচনা কৰিবলৈ বিচাৰিছিল যদিও তেওঁ মান্তি নোহোৱাত ভাৰত চৰকাৰে সামৰিক শক্তি প্ৰয়োগ কৰি হায়দৰাবাদক ভাৰত ইউনিয়নৰ লগত চামিল কৰে।

জুনাগড়ৰ নবাবে ভাৰত ইউনিয়নৰ লগত চামিল হ'বলৈ ইচ্ছা নকৰি পাকিস্তানৰ লগত চামিল হ'ব বিচাৰিছিল। আনহাতে জুনাগড়ৰ জনসাধাৰণে ভাৰতৰ লগত চামিল হ'ব বিচাৰিছিল। এনে এক মত পাৰ্থক্যৰ সৃষ্টিৰ সুযোগ লৈ ভাৰতীয় সৈন্যই জুনাগড়ৰ ৰাজধানী দখল কৰি ভোট গ্ৰহণৰ সহায়ত ইউনিয়নৰ লগত চামিল কৰিবলৈ সক্ষম হয়।

ভাৰতৰ স্বাধীনতাৰ সময়ত কাশ্মীৰৰ মহাৰজাই ভাৰতৰ লগত চামিল হোৱাৰ কোনো সিদ্ধান্ত লব পৰা নাছিল। আনহাতে পাকিস্তানে কাশ্মীৰক তেওঁ লোকৰ লগত চামিল হবলৈ হেঁচা প্ৰয়োগ কৰিছিল। ১৯৪৮ চনত পাকিস্তান চৰকাৰৰ উচতনিত পাকিস্তানৰ সীমান্ত অঞ্চলৰ জনজাতিসকলে কাশ্মীৰৰ ওপৰত আক্ৰমণ কৰাত উপায়বিহীন হৈ ভাৰত চৰকাৰৰ সহায় বিচাৰে। লগে লগে তেওঁ ভাৰত ইউনিয়নৰ অৰ্ন্তভূক্তি হোৱাৰ সন্মতি জনায়।

অৱশ্যে তেতিয়াও চন্দন নগৰ, পণ্ডিচেৰী, মাহে আদি অঞ্চল ফ্ৰান্সৰ অধীনত আছিল। ১৯৫৬ চনত এই অঞ্চলসমূহ তেওঁলোকে ভাৰতক উভতাই দিয়ে। ১৯৬১ চনত ভাৰত চৰকাৰে সামৰিক শক্তি প্ৰয়োগ কৰি গোৱা, দমন আৰু দিউক পৰ্তুগীজ সকলৰ অধীনৰ পৰা মুক্ত কৰি ভাৰতৰ লগত চামিল কৰে। এই দৰে ভাৰতৰ চাৰিসীমাৰ ভিতৰত থকা সকলো অঞ্চল ভাৰত ইউনিয়নৰ অন্তৰ্ভুক্ত কৰা হয়।

**আত্মমূল্যায়নৰ প্ৰশ্ন (চ)ঃ**

১। স্বাধীনতা আইন প্ৰণয়নৰ পৰিস্থিতিত উদ্ভৱ হোৱা এটা কাৰণ উল্লেখ কৰা?

........................................................................................................

........................................................................................................

২। ১৯৪৭ চনৰ স্বাধীনতা আইনৰ ২টা ব্যৱস্থা উল্লেখ কৰা ?

........................................................................................................................................

........................................................................................................................................

৩। স্বাধীনতাৰ সময়ত পণ্ডীচেৰী কাৰ অধীনত আছিল ?

........................................................................................................................................

........................................................................................................................................

## ৩.১৬ সামৰণি ঃ

এই গোটত আমি **১৯৩৫** চনৰ আইনৰ বিভিন্ন বৈশিষ্ট্য, যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা, ইয়াৰ সুবিধা আৰু অসুবিধাসমূহৰ বিষয়ে জানিব পাৰিলো। **১৯৩৫** চনৰ আইনৰ কাৰ্যকাৰিতা, গৰ্ৱনৰ জেনেৰেল আৰু প্ৰাদেশিক স্বায়ত্ব শাসনৰ বিষয়ে অৱগত হ'ব পাৰিলো। **১৯৩৫** চনৰ আইনৰ ওপৰত বিভিন্ন ৰাজনৈতিক দলসমূহৰ ভূমিকাৰ বিষয়ে জানিব পাৰিলো।

এই গোটত আমি **১৯৪২** চনৰ ভাৰত ত্যাগ আন্দোলনৰ বিষয়ে জনাৰ লগতে এই আন্দোলনে কেনেকৈ ভাৰতৰ স্বাধীনতাৰ পথ প্ৰশস্ত কৰিলে সেই বিষয়ে জানিব পাৰিলো। মহাত্মা গান্ধীৰ ঐতিহাসিক অনশন আৰু ভাৰত ত্যাগ আন্দোলনৰ সফলতা আৰু বিফলতা সমূহৰ বিষয়ে আলোচনা কৰিলো।

১৯৪৭ চনৰ আইন আৰু এই আইনৰ বিভিন্ন ব্যৱস্থাৰাজীৰ বিষয়ে জানিব পাৰিলো। কি কি পৰিস্থিতিত বৃটিছ সংসদে স্বাধীনতা আইন গৃহীত কৰিলে সেই বিষয়েও জানিব পাৰিলো। এই গোটত আমি স্বাধীনতাৰ পাছত দেশীয় ৰাজ্যসমূহক কেনেকৈ ভাৰত ইউনিয়নৰ লগত চামিল কৰা হ'ল সেই বিষয়েও জানিব পাৰিলো।

**ঘাই শব্দ ঃ**

**যুক্তৰাষ্ট্ৰ** - সংযুক্ত ৰাজ্যৰ সমষ্টি।

**কমনৱেলথ**– বিভিন্ন দেশৰ সন্মিলিত সংস্থা।

**অনমনীয়** - যিখন সংবিধান সহজে সংশোধন কৰিব নোৱাৰি।

**স্বায়ত্বশাসন**– স্ব-শাসনৰ ক্ষমতা থকা।

**সমৱৰ্তী সূচী**- কেন্দ্ৰীয় আৰু ৰাজ্যিক দুয়োটা চৰকাৰে আইন প্ৰণয়ন কৰিব পৰা বিষয়ৰ তালিকা।

## ৩.১৮ প্ৰসংগ পুথিৰ নিৰ্দেশনা ঃ


১) ভাৰত চৰকাৰ আৰু ৰাজনীতি -
ড° থানেশ্বৰ লাহন
ষ্টুডেন্টচ এম্পৰিয়াম, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ-২০০৪।

২) ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা-
ড° কৃপেশ চন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক।
অৰুণ প্ৰকাশন, গুৱাহাটী, প্ৰথম প্ৰকাশ- ১৯৯৫

৩) Indian Government and politics
K.K. Ghai, Kalyani Publishers, New Delhi
2nd revised Edition- 2003


**আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ ঃ**

**ক)**

১) ৩২১টা ভাগ আৰু ১০ টা অধ্যায় আছিল।

২) নিজা নহয়। ১৯১৯ চনৰ আইনৰ প্ৰস্তাৱনাকে এই আইনত সন্নিৱিষ্ট কৰিছে।

৩) কেন্দ্ৰীয় চৰকাৰ

৪) i) যুক্তৰাষ্ট্ৰীয় সূচী–৫৯টা বিষয়।
ii) প্ৰাদেশিক সূচী– ৫৪ টা বিষয়।
iii) সমৱৰ্তী সূচী– ৩৬ টা বিষয়।

**খ)**

১) i) দুই ধৰণৰ চৰকাৰ, ii) দুয়োখন চৰকাৰৰ মাজত ক্ষমতা বিভাজন।

২) i) ১৯৩৫ চনৰ আইনৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত গণতান্ত্ৰিক প্ৰদেশ আৰু স্বৈৰতন্ত্ৰী ৰাজ্য এই দুয়োবিধ সম্পৰ্ণ পৃথক ধৰ্মী গোটৰ লগ লগাই যুক্তৰাষ্ট্ৰ গঠন কৰাৰ ব্যৱস্থা কৰা হৈছিল।
ii) এই যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত উচ্চসদন অৰ্থাৎ ৰাজ্যসভাৰ প্ৰতিনিধিৰ সংখ্যা অসমান আছিল।

৩) i) প্ৰস্তাৱিত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত ভাৰতৰ প্ৰকৃত প্ৰতিনিধিসকলৰ হাত একেবাৰে সীমিত আছিল।
ii) এই ব্যৱস্থাত গণতান্ত্ৰিক প্ৰদেশসমূহ আৰু স্বৈৰতন্ত্ৰী ৰাজ্যবিলাকক লগ লগাই এক অভূতপূৰ্ব সংমিশ্ৰণ কৰিব বিচাৰিছিল।

গ.)

১) i) এই আইনে গৱৰ্ণৰ জেনেৰেল আৰু গৱৰ্ণৰ সকলক দিয়া স্বেচ্ছাধীন ক্ষমতাই প্ৰাদেশিক স্বায়ত্ব শাসনক এটা পৰিহাসত পৰিণত কৰিছিল।

ii) ১৯৩৫ চনৰ আইনত প্ৰস্তাৱিত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা সন্তোষজনক নাছিল।

২) i) গৱৰ্ণৰ জেনেৰেলে স্ববিচাৰাধীন ক্ষমতা প্ৰয়োগ কৰিবৰ বাবে আইন ৰচনা কৰিব পাৰিছিল।

ii) গৱৰ্ণৰ জেনেৰেলে উচ্চ পদস্থ কৰ্মচাৰীক নিযুক্তি দিব পাৰিছিল।

৩) ৭খন প্ৰদেশত জয়লাভ কৰিছিল।

ঘ) ১) ১৯৪২ চনত।

২) জয় প্ৰকাশ নাৰায়ণ।

ঙ) ১) ১৯৪৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখৰ পৰা।

২) সাংগঠনিক দুৰ্বলতা আৰু ভুল পৰিকল্পনা।

৩) এই আন্দোলনে ভাৰতীয় সকলৰ মাজত জাতীয় চেতনা জগাই তোলাত সক্ষম হৈছিল।

চ) ১) কংগ্ৰেছৰ ভূমিকা।

২) i) এই আইনে ভাৰত আৰু পাকিস্তান নামেৰে দুখন স্বাধীন ৰাষ্ট্ৰ গঠন কৰাৰ ব্যৱস্থা কৰিছে।

ii) দুয়োখন ৰাজ্যৰ বাবে একোজনকৈ গৱৰ্ণৰ জেনেৰেলৰ ব্যৱস্থা কৰিছে।

৩) ফ্ৰান্সৰ অধীনত আছিল।

**প্ৰসঙ্গ পুথি ঃ**

1. ভাৰত চৰকাৰ আৰু ৰাজনীতি -
ড° থানেশ্বৰ লাহন,
ষ্টুডেণ্টচ এম্পৰিয়াম, ডিব্ৰুগড় - ২০০৪।

2. ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা -
ড০ কৃপেশ চন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক
প্ৰথম প্ৰকাশ - ১৯৯৫ একাদশ প্ৰকাশ - ২০০৯
অৰুণ প্ৰকাশন - গুৱাহাটী।

3. ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি -
নবীন গোহাঁই, দ্বীপেন দাস
বিদ্যাভৱন যোৰহাট, প্ৰথম প্ৰকাশ - ২০১১ - ২০১২।

4. Constitutional Development and National Movement of India -
R. C. Agarwal,
S. Chand and Company Ltd., New Delhi - 2000.

5. Indian Government and Politics -
K. K. Ghai,
Kalyani Publishers - New Delhi
2nd Revised Edition - 2003.

6. Indian Government and Politics.
Prakash Chander,
Cosmos Bookhive (P) Ltd.
11th Edition - 2001.

7. Indian Govenment and Politics -
A. P. Avasthi Lakshmi Narain. A Garwal, Agra,
1st Edition - 2001, Forth revised edition 2007.

**আৰ্হি প্ৰশ্ন ঃ**

১) ১৯৩৫ চনৰ আইনৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰা।

২) ১৯৩৫ চনৰ যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ গঠন প্ৰকৃতিৰ বিষয়ে সমালোচনাত্মক আলোচনা কৰা।

৩) ১৯৩৫ চনৰ আইন মতে ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেলৰ ক্ষমতা আৰু কাৰ্যাৱলীৰ বিষয়ে আলোচনা কৰা।

৪) ১৯৩৫ চনৰ আইনে প্ৰদান কৰা প্ৰাদেশিক স্বায়ত্ব শাসনৰ কাৰ্যকাৰিতাৰ বিষয়ে লিখা।

৫) ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ বিষয়ে আলোচনা কৰা।

৬) ১৯৪৭ চনৰ ভাৰতৰ স্বাধীনতা আইনৰ ব্যৱস্থাৱলীৰ বিষয়ে আলোচনা কৰা।

৭) কি কি পৰিস্থিতিৰ বাবে ১৯৪৭ চনৰ স্বাধীনতা আইনখন বৃটিছ সংসদে গৃহীত কৰিছিল আলোচনা কৰা।

৮) ভাৰত ইউনিয়নৰ লগত দেশীয় ৰাজ্যসমূহৰ চামিলকৰণ সম্পৰ্কে এটা টোকা লিখা।

# গোট -৪

# (Unit - 4)

# ভাৰতীয় সংবিধানৰ প্ৰস্তুতি পৰ্ব

# (Framing of the Indian Constitution)

গঠন বিন্যাস **(Structure)** ঃ

৪.০ উদ্দেশ্য

৪.১ প্ৰস্তাৱনা

৪.২ কেবিনেট মিছন আৰু সংবিধান সভা গঠন।

৪.৩ ভাৰতীয় সংবিধান সভাৰ দোষ-ত্ৰুটিসমূহ

৪.৪ সংবিধান প্ৰস্তুতিৰ সময়ত সংবিধান সভাই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ

৪.৫ উদ্দেশ্যধৰ্মী প্ৰস্তাৱ

৪.৬ আত্মমূল্যায়নৰ প্ৰশ্ন

৪.৭ সামৰণি

৪.৮ ঘাই শব্দসমূহ

৪.৯ প্ৰসংগ পুথি

৪.১০ সম্ভাব্য পুথি

৪.১১ আৰ্হি উত্তৰ

## ৪.০ উদ্দেশ্য ঃ

- এই গোটটো অধ্যয়ন কৰিলে তুমি সংবিধানৰ প্ৰস্তুতি সম্পৰ্কে বিতংকৈ জানিব পাৰিবা।
- সংবিধান সভাৰ গঠন আৰু ইয়াৰ দোষ-ত্ৰুটিসমূহ বিশ্লেষণ কৰিব পাৰিবা।
- সংবিধান প্ৰণয়নৰ সময়ত সংবিধান সভাই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰিব পাৰিবা।
- উদ্দেশ্যধৰ্মী প্ৰস্তাৱসমূহৰ বিষয়ে জানিব পাৰিবা।

## ৪.১ প্ৰস্তাৱনা ঃ

ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তুতি (Framing) পৰ্ব বুলি ক'লে সংবিধান ৰচনাৰ প্ৰাৰম্ভিক সময়ছোৱাৰ পৰা আৰম্ভ কৰি সংবিধানৰ ৰচনা সম্পূৰ্ণ হোৱা পৰ্য্যন্ত সংঘটিত সাংবিধানিক বিকাশৰ প্ৰৱাহক বুজা যায়। তোমালোকে ইতিমধ্যে জানি আহিছা যে দ্বিতীয় বিশ্বযুদ্ধৰ পিছতেই বৃটিছ প্ৰধানমন্ত্ৰী লৰ্ড এটলিয়ে ঘোষণা কৰিছিল যে ভাৰতবৰ্ষৰ সাংবিধানিক সমস্যাসমূহৰ সমাধান কৰাৰ বাবে কেবিনেট মন্ত্ৰীসকলৰ দ্বাৰা গঠিত এক 'কমিছন' (Commission) ভাৰতবৰ্ষলৈ প্ৰেৰণ কৰা হ'ব। সেই অনুসৰি, ১৯৪৬ চনৰ ২৩ মাৰ্চ তাৰিখে লৰ্ড পেট্ৰিক লৰেন্স, চাৰ ষ্টাফ'ৰ্ড ক্ৰীপছ আৰু এ. ভি আলেকজেণ্ডাৰৰ দ্বাৰা গঠিত এক কমিছন ভাৰতবৰ্ষলৈ আহে। কেবিনেট মিছন নামেৰে প্ৰখ্যাত এই কমিছনে ভাৰতবৰ্ষৰ ৰাজনৈতিক সমস্যাসমূহৰ সমাধানৰ বাবে বিভিন্ন প্ৰকাৰৰ আলোচনাত মিলিত হয় আৰু স্বাধীন ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ বাবে এক সংবিধান সমিতি (Constituent Assembly) গঠনৰ প্ৰস্তাৱ আগবঢ়ায়।

উল্লেখযোগ্য যে, কেবিনেট মিছনৰ আগতেও ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ বাবে এখন সংবিধান সভা গঠনৰ দাবী উত্থাপিত হৈছিল। মানবেন্দ্ৰ নাথ ৰয় (M.N.Roy) য়ে সৰ্বপ্ৰথমে এই দাবী উত্থাপন কৰিছিল। ১৯৩৪ চনৰ জাতীয় কংগ্ৰেছৰ অধিবেশনত সংবিধান সভা গঠনৰ দাবী শক্তিশালীভাৱে উত্থাপিত হৈছিল আৰু তাৰ পিছৰে পৰা ভাৰতবৰ্ষৰ বুদ্ধিজীৱী আৰু জনসাধাৰণে সংবিধান সভা গঠনৰ দাবী কৰি আহিছিল।

## ৪.২ কেবিনেট মিছন আৰু সংবিধান সভা গঠনঃ

কেবিনেট মিছনৰ প্ৰস্তাৱ অনুসৰি ১৯৪৬ চনৰ নৱেম্বৰ মাহত সংবিধান সভা গঠন কৰা হয়। এই মিছনে সংবিধান সভা গঠনৰ বিস্তৃত ৰূপৰেখা তৈয়াৰ কৰিছিল। সংবিধান সভাত ভাৰতৰ ৰাজ্যসমূহৰ পৰা ২৯২ জন, চীফ কমিছনাৰৰ ৰাজ্যৰ পৰা ৪জন আৰু দেশীয় ৰাজ্যসমূহৰ পৰা ৯৩ জন সদস্যই অংশগ্ৰহণ কৰিব বুলি কেবিনেট মিছনে নিৰ্ধাৰণ কৰিছিল। ৰাজ্যসমূহৰ মাজত আসন বিতৰণৰ বাবে নিম্নোক্ত ব্যৱস্থা গ্ৰহণ কৰা হৈছিল

**'ক শাখা'**

| ৰাজ্যসমূহৰ নাম | সাধাৰণ আসনৰ সংখ্যা | মুছলমানৰ বাবে আসনৰ সংখ্যা | শিখসকলৰ বাবে আসনৰ সংখ্যা | মুঠ |
|---|---|---|---|---|
| উত্তৰ প্ৰদেশ | ৪৭ | ৮ | – | ৫৫ |
| মাদ্ৰাছ | ৪৫ | ৪ | – | ৪৯ |
| বিহাৰ | ৩১ | ৫ | – | ৩৬ |
| বোম্বে | ১৯ | ২ | – | ২১ |
| চেণ্ট্ৰেল প্ৰভিঞ্চ | ১৫ | ১ | – | ১৭ |
| উ ৰিষ্যা | ৯ | – | – | ০৯ |
| মুঠ | ১৬৭ | ২০ | – | ১৮৭ |

**'খ শাখা'**

| ৰাজ্যসমূহৰ নাম | সাধাৰণ আসনৰ সংখ্যা | মুছলমানৰ বাবে আসনৰ সংখ্যা | শিখসকলৰ বাবে আসনৰ সংখ্যা | মুঠ |
|---|---|---|---|---|
| পাঞ্জাৱ | ৮ | ১৬ | ৪ | ২৮ |
| সিন্ধ | ১ | ৩ | – | ৪ |
| দক্ষিণ পশ্চিম | – | — | – | — |
| সীমান্ত ৰাজ্য | ০ | ৩ | ৪ | ৩৬ |
| মুঠ | ৯ | ২২ | ৪ | ৩৫ |

**'গ শাখা'**

| ৰাজ্যসমূহৰ নাম | সাধাৰণ আসনৰ সংখ্যা | মুছলমানৰ বাবে আসনৰ সংখ্যা | শিখসকলৰ বাবে আসনৰ সংখ্যা | মুঠ |
|---|---|---|---|---|
| বেংগল | ২৭ | ৩৩ | — | ৬০ |
| অসম | ৭ | ৩ | — | ১০ |
| মুঠ | ৩৪ | ৩৬ | — | ৭০ |

উল্লেখযোগ্য যে সংবিধান সভাখনত ভাৰতবৰ্ষৰ গুৰুত্বপূৰ্ণ সম্প্ৰদায়সমূহৰ প্ৰতিনিধিত্ব নিশ্চিত কৰা হৈছিল। সংবিধান সভাৰ আসনসমূহ বিভিন্ন প্ৰদেশৰ জনসংখ্যাৰ ভিত্তিত বিতৰণ কৰা হৈছিল।

সংবিধান সভাৰ বাবে ১৯৪৬ চনৰ জুলাই মাহত নিৰ্বাচন অনুষ্ঠিত হয়। ২১০ খন সাধাৰণ শ্ৰেণীৰ আসনৰ ভিত্তিতত ১৯৯ খন আসনত কংগ্ৰেছ দলে জয়লাভ কৰে। মুছলমানসকলৰ বাবে সংৰক্ষিত ৭৮ খন আসনৰ ভিতৰত ৭৩ খনত মুছলীম লীগে জয়লাভ কৰে। এই অনুসূচীত জাতি ফেডাৰেচন, কমিওনিষ্ট দল আৰু ইউনিয়নিষ্ট দলেও (Unionist Party) যে প্ৰতিদ্বন্দিতা কৰিছিল।

কেবিনেট মিছনৰ তত্বাৱধানত গঠিত হোৱা সংবিধান সভাখন অৱশ্যে সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী নাছিল। এই সংবিধান সভাখন ইংৰাজসকলে গঠন কৰি দিছিল আৰু ইয়াক ভংগ কৰাৰ অধিকাৰো আছিল তেওঁলোকৰ। এই সংবিধান সভাই সীমিত ক্ষমতা উপভোগ কৰিছিল আৰু কেবিনেট মিছনে বান্ধি দিয়া নীতি-নিয়ম আৰু গণ্ডীৰ ভিতৰত থাকি কাৰ্য্য সম্পাদন কৰিব লাগিছিল। অৱশ্যে ১৯৫৭ চনত ভাৰতীয় স্বাধীনতা অধিনিয়ম (Indian Independence Act) খন কাৰ্য্যকৰী হোৱাৰ লগে লগে সংবিধান সভাখনৰ উল্লেখনীয় পৰিৱৰ্তন সাধন হয়। তোমালোকে ইতিমধ্যে ভাৰতবৰ্ষৰ স্বাধীনতা অধিনিয়ম (Indian Independence Act) ৰ বিষয়ে পঢ়ি আহিছা। এই অধিনিয়মে ভাৰত বিভাজনৰ প্ৰস্তাৱ মানি লৈছিল। ফলস্বৰূপে মুছলীম লীগে সংবিধানসভাৰ পৰা নিজৰ প্ৰতিনিধি উঠাই লয়। তদুপৰি এই অধিনিয়মখন কাৰ্য্যকৰী হোৱাৰ লগে লগে সংবিধান সভাৰ ওপৰত কেবিনেট মিছনে আৰোপ কৰা বাধ্য-বাধকতা নাইকিয়া হৈ পৰে। ইয়াৰ পিছত সংবিধান সভাই নিজ ইচ্ছানুযায় সংবিধান প্ৰণয়নৰ ক্ষমতা লাভ কৰে।

চূড়ান্তভাৱে ২৯৬ জন সদস্যৰে গঠিত সংবিধান সভাৰ প্ৰথমখন ঐতিহাসিক বৈঠক ৯ ডিচেম্বৰ, ১৯৪৬ চনত ড° সচ্চিদানন্দ সিনহাৰ সভাপতিত্বত (অস্থায়ী) অনুষ্ঠিত হয়। অৱশ্যে, এই সভাত কেৱল ২১০ জন সদস্যয়েহে অংশগ্ৰহণ কৰিছিল। তেওঁলোকৰ ভিতৰত ১৫৫ জন উচ্চ বৰ্ণ বিন্দু, ৩০ জন অনুসূচীত জাতি। ৫ জন জনজাতি (Tribal), ৫ জন শিখ, ৫ জন ভাৰতীয় খ্ৰীষ্টীয়ান, ৩ জন এংলো ইণ্ডিয়ান, ৩ জন পাৰ্চি আৰু ৪ জন মুছলিম সদস্যয়ে অংশগ্ৰহণ কৰিছিল। ইয়াৰ পিছতেই ১১ ডিচেম্বৰ, ১৯৪৬ চনত ড০ ৰাজেন্দ্ৰ প্ৰসাদক সংবিধান সভাৰ স্থায়ী সভাপতি হিচাপে নিৰ্বাচিত কৰা হয়। উল্লেখযোগ্য যে, মৌলিক সংবিধানখন গ্ৰহণ কৰাৰ আগেয়ে ড° বি আৰ আম্বেদকাৰৰ সভাপতিত্বত খচৰা সংবিধান (Draft Constitution) ৰচনা কৰা হৈছিল।

## ৪.৩ ভাৰতীয় সংবিধান সভাৰ দোষ - ত্ৰুটিসমূহ (Drawbacks by the Constituent Assembly of India) ঃ

বহুকেইজন সমালোচকে ভাৰতীয় সংবিধান সভাক এক প্ৰকৃত প্ৰতিনিধিত্বমূলক অনুষ্ঠান নাছিল বুলি সমালোচনা কৰিছে। সংবিধান সভাখনৰ সদস্যসকল জনসাধাৰণৰ প্ৰত্যক্ষ ভোটৰ দ্বাৰা নিৰ্বাচিত হোৱা নাছিল। ৰাজ্যসমূহৰ তদৰ্থ বিধান মণ্ডল (Prouisional Legislalive Assembly) ৰ সদস্যসকলেহে এই নিৰ্বাচনত অংশগ্ৰহণ কৰিছিল।

দ্বিতীয়তে, প্ৰাৰম্ভিক কালছোৱাত সংবিধান সভাখন কেবিনেট মিছনে আৰোপ কৰা বাধ্যবাধকতাৰ মাজেৰে পৰিচালিত হ'ব লগা হৈছিল। ১৯৪৭ চনৰ স্বাধীনতা অধিনিয়মে এনে বাধ্য বাধকতা দূৰ কৰে যদিও প্ৰায় ৮০% সদস্যয়ে কংগ্ৰেছৰ হোৱাৰ বাবে সভাখনত 'কংগ্ৰেছ আভিজাত্যৰ' প্ৰভাৱ পৰিছিল বুলি বিশেষজ্ঞসকলে মত পোষণ কৰে।

তৃতীয়তে, সংবিধান সভাখনত শক্তিশালী বিৰোধী অৰ্থাৎ অ-কংগ্ৰেছী নেতৃবৃন্দৰ অনুপস্থিতিত আলোচিত বিষয়সমূহত সমালোচনাত্মক দৃষ্টিভংগী সঠিক ভাৱে প্ৰতিফলিত হোৱা নাছিল।

চতুৰ্থতে, সংবিধান সভাখনত আইনজীৱী আৰু ৰাজনীতিবিদসকলে অধিক প্ৰভাৱ বিস্তাৰ কৰাত সমাজৰ অন্য শ্ৰেণীৰ প্ৰতিনিধি গুৰুত্ব হ্ৰাস পাইছিল।

পঞ্চমতে, সংবিধান সভাই সংবিধান প্ৰণয়ন কামত দীৰ্ঘ সময় (প্ৰায় ৩ বছৰ কাল) অপ্ৰয়োজনীয় ভাৱে গ্ৰহণ কৰিছিল। উল্লেখযোগ্য যে আমেৰিকা যুক্তৰাষ্ট্ৰই মাত্ৰ ৪ মাহৰ ভিতৰত নিজ সংবিধান প্ৰস্তুত কৰিছিল।

যষ্ঠতে, সংবিধান সভাই প্ৰস্তত কৰি উলিওৱা ভাৰতীয় সংবিধানখন গণভোটৰ বা আগবঢ়োৱা হোৱা নাছিল। বিশেযজ্ঞসকলে মত পোষণ কৰে যে, সংবিধানখনৰ ক্ষেত্ৰত গণভোটৰ ব্যৱস্থা কৰা হ'লে সংবিধানখন অধিক দোষমুক্ত হ'লহেতেন।

অৱশ্যে, কিছুমান বিশেষ কাৰণৰ বাবে সংবিধান সভাখনক সমালোচনা কৰা হয় যদিও, ৩ বছৰৰ অশেষ কষ্টৰ বিনিময়ত এই সভাই এক পূৰ্ণাংগ আৰু গ্ৰহণযোগ্য সংবিধান ভাৰতবৰ্ষৰ জনসাধাৰণক প্ৰদান কৰে। এই সংবিধান বলবৎ হোৱাৰ ৬ দশকৰ পিছতো সক্ৰিয় ভাৱে কাৰ্য্যকৰী হৈ আছে।

## ৪.৪ সংবিধান প্ৰস্তুতিৰ সময়ত সংবিধান সভাই সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহ (Challenges faced by the Constituent Assembly in the process of Framing the Constitution)ঃ

সংবিধান প্ৰস্তুতিৰ যি প্ৰক্ৰিয়া তাক এক 'Herculean task' অৰ্থাৎ অতি কঠিন কাৰ্য্য হিচাপে অভিহিত কৰা হয়। সংবিধান প্ৰণেতাসকলে এখন সৰ্বসন্মত সংবিধান ৰচনা কৰি ভাৰতবৰ্ষৰ জনসাধাৰণক উৎসৰ্গা কৰি এক প্ৰশংসনীয় তথা কৃতিত্বৰ কাৰ্য্য সম্পাদন কৰিছিল। সংবিধান প্ৰস্তুতিৰ এই প্ৰক্ৰিয়াত অৱশ্যে সংবিধান সভাখনে বহুতো সমস্যাৰ সন্মুখীন হৈছিল। আমি পাই আহিছো যে প্ৰাৰম্ভিক অৱস্থাত সংবিধান সভাখনে কেবিনেট মিছনৰ নীতি-নিয়মৰ মাজেৰে কাৰ্য্য সম্পাদন কৰিব লাগিছিল। তদুপৰি মুছলীম লীগৰ সদস্যসকলে সংবিধান সভা ত্যাগ কৰাৰ ফলতো অচলাৱস্থাই দেখা দিছিল। সংবিধান সভাই সন্মুখীন হোৱা মুখ্য প্ৰত্যাহ্বান আছিল দেশীয় ৰাজ্য (Princely State) সমূহক লৈ সৃষ্টি হোৱা সমস্যা।

মাউন্টবেটেন পৰিকল্পনা (Mountbatten Plan) য়ে ভাৰতবৰ্ষৰ দ্বিখণ্ডিতকৰণ ঘোষণা কৰাৰ পিছত আৰু ১৯৪৭ চনৰ স্বাধীনতা অধিনিয়মে এই ঘোষণাক চূড়ান্ত কৰাৰ লগে লগে ভাৰতবৰ্ষৰ অন্তৰ্ৱতীকালীন চৰকাৰে (Interim Government) য়ে দেশীয় ৰাজ্যৰ সমস্যাটো সমাধান কৰাৰ বাবে এক ৰাজ্যিক দপ্তৰ (State Ministry) ৰ নিযুক্তি দিয়ে। সেই সময়ৰ ভাৰতবৰ্ষৰ উপ-প্ৰধানমন্ত্ৰী চৰ্দাৰ বল্লভ ভাই পেটেলক এই দপ্তৰৰ দায়িত্ব দিয়া হয়। তেওঁ নিজ বুদ্ধিদীপ্ততা আৰু বাকপটুতাৰ বলেৰে মুঠ ৫৬২ খন দেশীয় ৰাজ্যক ভাৰতবৰ্ষত চামিল কৰাবলৈ সক্ষম হয়। কিন্তু হায়দৰাবাদ, জুনাগড়, আৰু জম্মু আৰু কাশ্মীৰক 'চামিলকৰণৰ দলিল' (Instrument of Accession) স্বাক্ষৰ কৰাবলৈ চৰ্দাৰ পেটেল প্ৰাৰম্ভিক অৱস্থাত বিফল হয়।

অৱশ্যে ১৯৪৮ চনৰ ২০ ফেব্ৰুৱাৰীত জুনাগড়ত ভাৰত চৰকাৰে গণভোট (Plebicite) অনুষ্ঠিত কৰে, য'ত সংখ্যাগৰিষ্ঠ জনসাধাৰণে ভাৰতবৰ্যত চামিল হোৱাৰ সপক্ষে ভোটদান কৰে। ফলস্বৰূপে জুনাগড় ভাৰতবৰ্ষৰ অংশ হৈ পৰে।

১৯৪৮ চনৰ ১৩ চেপ্তেম্বৰ তাৰিখে ভাৰত চৰকাৰে হায়দৰাবাদক আৰক্ষীৰ সহায়ত শক্তিমূলক ব্যৱস্থা গ্ৰহণ কৰি আত্মসমৰ্পণ কৰিবলৈ তথা ভাৰতবৰ্ষৰ লগত চামিল হবলৈ বাধ্য কৰায়।

১৯৪৭ চনৰ ২৫ অক্টোবৰত কাশ্মীৰৰ মহাৰজা হৰি সিঙে 'চামিলকৰণৰ দলিল' (Instuement of Aceession) ত স্বাক্ষৰ কৰাৰ লগে লগে কাশ্মীৰ ভাৰতৰ অভিন্ন অংগ হৈ পৰে।

দেশীয় ৰাজ্যৰ সমস্যাৰ সমাধান হোৱাৰ লগে লগে সংবিধান সভাই সম্পূৰ্ণ ভাৰতবৰ্ষৰ বাবে এক পূৰ্ণাংগ সংবিধান ৰচনাৰ সুবিধা লাভ কৰে।

## ৪.৫. উদ্দেশ্যধৰ্মী প্ৰস্তাৱ (Objective Resolution)ঃ

উদ্দেশ্যধৰ্মী প্ৰস্তাৱৰ দ্বাৰা সংবিধান সভাৰ দিশ নিৰ্ণয় কৰোৱা হৈছিল। এই প্ৰস্তাৱসমূহক আধাৰ হিচাপে মানি লৈ সংবিধান সভাই কাৰ্য্য কৰিব বুলি আশা কৰা হৈছিল। ১৯৪৬ চনৰ ১৩ ডিচেম্বৰ তাৰিখে পণ্ডিত জৱাহৰ লাল নেহৰুৱে সদনত উদ্দেশ্যধৰ্মী প্ৰস্তাৱ আগবঢ়াইছিল আৰু ১৯৪৭ চনৰ ২২ জানুৱাৰী তাৰিখে এই প্ৰস্তাৱসমূহ সৰ্বসন্মতি ক্ৰমে অনুমোদিত হৈছিল। এই প্ৰস্তাৱসমূহ আছিল এনেধৰণৰ-

১) ভাৰতক স্বাধীন, সাৰ্বভৌম গণৰাজ্য হিচাপে গঢ়ি তোলাৰ লগতে ভৱিষ্যত দিক্ নিৰ্দেশনাৰ বাবে এখন সংবিধান প্ৰস্তুত কৰা হ'ব।

২) বৃটিছ ভাৰতবৰ্ষৰ অন্তৰ্গত অঞ্চলসমূহ, দেশীয় ৰাজ্যসমূহ, বৃটিছ ভাৰতবৰ্ষৰ বৰ্হিভূক্ত ভাৰতীয় অঞ্চল আৰু ৰাজ্যসমূহ একত্ৰিত কৰি স্বাধীন, সাৰ্বভৌম ভাৰত গঠন কৰা হ'ব।

৩) উপৰোক্ত অঞ্চলসমূহে, যাৰ সীমা ইতিমধ্যে নিৰ্ধাৰণ কৰা হৈছে বা সংবিধান সভাই নিৰ্ধাৰণ কৰি দিব, ইয়াৰ পিছত সংবিধান অনুসৰি সকলো ধৰণৰ ক্ষমতা লাভ আৰু প্ৰয়োগ কৰিব পাৰিব।

৪) স্বাধীন ভাৰতবৰ্ষ, ইয়াৰ অন্তৰ্গত প্ৰদেশসমূহ, সকলো প্ৰতিষ্ঠান আৰু চৰকাৰৰ ক্ষমতাৰ মূল উৎস হল জনসাধাৰণ।

৫) এই সংবিধান সভাই প্ৰত্যেকজন ভাৰতীয় নাগৰিকক সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, মৰ্য্যদা, সুবিধা, আইনৰ চকুত সমমৰ্য্যদা, চিন্তা, মতপ্ৰকাশ বিশ্বাস, বৃত্তি আদিৰ স্বাধীনতা প্ৰদান কৰিব। তদুপৰি সকলো ব্যক্তি আইন আৰু ৰাজহুৱা নীতি নিষ্ঠতাৰ অধীন হ'ব।

৬) পিছপৰা জাতি, জনগোষ্ঠী, সংখ্যালঘু আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকক উপযুক্ত সুৰক্ষা প্ৰদান কৰা হ'ব।

৭) এখন সভা দেশৰ আইন আৰু ন্যায় অনুসাৰে দেশৰ ঐক্য ৰক্ষা কৰাৰ বাবে আৰু মাটি, পানী আৰু বায়ুমণ্ডলৰ ওপৰৰ সাৰ্বভৌমত্ব সুৰক্ষিত কৰাৰ বাবে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা হ'ব।

৮) এই পৌৰাণিক ভূ-খণ্ডই বিশ্ব-দৰবাৰত এক যথাযোগ্য স্থান লাভ কৰি বিশ্ব- শান্তি আৰু জনকল্যাণৰ হকে কাম কৰি যাব। উদ্দেশ্যধৰ্মী প্ৰস্তাৱ অনুমোদিত হোৱাৰ পিছত ১৯৫০ চনৰ ২৪ জানুৱাৰীত সংবিধান সভাৰ চূড়ান্ত বৈঠক অনুষ্ঠিত হয়। ভাৰতবৰ্ষৰ নতুন সংবিধানখন ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা বলবৎ কৰা হয়। উল্লেখযোগ্য যে, উদ্দেশ্যধৰ্মী প্ৰস্তাৱসমূহ গ্ৰহণ কৰাৰ জৰিয়তে ভাৰতবৰ্ষই নিজৰ পূৰ্বৰ ঐতিহ্য আৰু পৰম্পৰাৰ ভেটিত ভবিষ্যত তৈয়াৰ কৰিব বিচাৰিছিল।

## ৪.৬ আত্মমূল্যায়নৰ প্ৰশ্নঃ

ক) ভাৰতবৰ্ষলৈ কেবিনেট মিছনৰ আগমন কেতিয়া হৈছিল?

-------------------------------------------------------------

-------------------------------------------------------------

খ) ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ বাবে সংবিধান সভা গঠনৰ দাবী কোনজন ব্যক্তিয়ে সৰ্বপ্ৰথমে উত্থাপন কৰিছিল?

-------------------------------------------------------------

-------------------------------------------------------------

গ) সংবিধান সভাখন চূড়ান্তভাৱে কেইজন সদস্যৰে গঠিত হৈছিল।

-------------------------------------------------------------

-------------------------------------------------------------

ঘ) কোনকেইখন দেশীয় ৰাজ্যৰ চামিলকৰণক লৈ সাংবিধানিক সমস্যাৰ সৃষ্টি হৈছিল?

-------------------------------------------------------------

-------------------------------------------------------------

ঙ) সংবিধান সভাত ‘উদ্দেশ্যধৰ্মী’ প্ৰস্তাৱ কোনে উত্থাপন কৰিছিল?

-------------------------------------------------------------

-------------------------------------------------------------

**৪.৭ সামৰণি ঃ**

এই গোটত আমি ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তুতি পৰ্ব সম্পৰ্কে আলোচনা কৰিলো। তোমালোকে এই গোচৰ অধ্যয়নৰ দ্বাৰা জানিব পাৰিলা যে ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ বাবে এখন সংবিধান সভাৰ গঠন কৰা হৈছিল। এই সংবিধান সভাখনে ৩বছৰ কাল অধ্যয়ন আৰু গৱেষণা কৰাৰ অন্তত এখন সম্পৰ্ণ আৰু গ্ৰহণযোগ্য সংবিধান ভাৰতীয় জনসাধাৰণক প্ৰদান কৰে। সংবিধান ৰচনাৰ সময়ছোৱাত সংবিধান সভাখন বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল। ইয়াৰ ভিতৰত অন্যতম আছিল দেশীয় ৰাজ্যসমূহক (Princely State) সমূহৰ চামিলকৰণক লৈ হোৱা সমস্যা। উল্লেখযোগ্য যে, ভাৰতবৰ্ষৰ সংবিধানখনৰ আধাৰ হিচাপে উদ্দেশ্যধৰ্মী প্ৰস্তাৱসমূহ সংবিধান সভাত উত্থাপন কৰা হৈছিল।

**৪.৮ ঘাই শব্দসমূহ ঃ**

**সংবিধান সভা ঃ** সংবিধান ৰচনাৰ বাবে গঠিত প্ৰতিনিধিত্বমূলক সভা।

**দেশীয় ৰাজ্য ঃ** ভাৰতবৰ্ষৰ দেশীয় ৰজা মহাৰজাৰ দ্বাৰা শাসিত ৰাজ্য।

**উদ্দেশ্যধৰ্মী প্ৰস্তাৱ ঃ** সংবিধান ৰচনাৰ আধাৰ হিচাপে জৱাহৰলাল নেহৰুৱে সংবিধান সভাত উত্থাপন কৰা প্ৰস্তাৱ।

৪.৯ প্ৰসংগ পুথি ঃ

ক) Constitutianal Development and National Movement of India
-R.C. Agalwal,
S. Chand Publications (2005).

খ) India's Constitution -
M.V. Pylee,
S. Chand Publications (2009)

গ) Indian Govt. & Politics -
L.N. Srivastava,
SBD Publishers (2004)

ঘ) 'ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি'-
নবীন গোঁহাই, দ্বীপেন দাস,
বিদ্যাভৱন (২০১১).

## ৪.১০. সম্ভাৱ্য প্ৰশ্ন ঃ

১) ভাৰতীয় সংবিধানৰ প্ৰস্তুতি পৰ্ব সম্পৰ্কে আলোচনা কৰা।

২) ভাৰতবৰ্ষৰ সংবিধান সভাৰ গঠন সম্পৰ্কে আলোচনা কৰা। এই সভা প্ৰকৃততে প্ৰতিনিধিত্বমূলক সভা আছিলনে ?

৩) উদ্দেশ্যধৰ্মী প্ৰস্তাৱ মানে কি? এই প্ৰস্তাৱসমূহ উল্লেখ কৰা।

## ৪.১১. আৰ্হি উত্তৰ ঃ

১) ভাৰতবৰ্ষৰ ৰাজনৈতিক সাংবিধান সমস্যাসমূহ সমাধান কৰাৰ বাবে কেবিনেট মিছন ১৯৪৬ চনৰ ২৩ মাৰ্চত ভাৰতবৰ্ষলৈ আহিছিল।

২) মানবেন্দ্ৰ নাথ ৰয়ে স্বাধীন ভাৰতবৰ্ষৰ সংবিধান ৰচনাৰ বাবে সৰ্বপ্ৰথমে এক সংবিধান সভা গঠনৰ দাবী উত্থাপন কৰিছিল।

৩) উদ্দেশ্যধৰ্মী প্ৰস্তাৱসমূহক সংবিধান সভাৰ আধাৰ বা ভেটি বুলি কব পাৰি। এই প্ৰস্তাৱসমূহে সংবিধান সভাক সঠিক দিশেৰে অগ্ৰসৰ হোৱাত সহায় কৰিছিল।

# খণ্ড -২
# (Block - 2)
# ভাৰতীয় সংবিধান : মূল দিশসমূহ

**খণ্ড পৰিচয় (Block Introduction) :**

এই খণ্ডটো ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি পাঠ্যক্ৰমৰ দ্বিতীয় খণ্ড। এই খণ্ডটো তিনিটা গোটত বিভক্ত কৰা হৈছে।

খণ্ড -২ৰ প্ৰথম গোটত ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা সম্পৰ্কে আলোচনা কৰা হৈছে। ৰাষ্ট্ৰৰ কাৰ্য্য পৰিচালনা কৰিবৰ বাবে প্ৰতিখন ৰাষ্ট্ৰৰ একোখন নিজা সংবিধান আছে সংবিধানৰ মাধ্যমেৰে ৰাষ্ট্ৰৰ কাৰ্য্য পৰিচালনাৰ নীতি-নিয়ম, বিধি-বিধান, পদ্ধতি, প্ৰশাসনীয় সংগঠন আদি বিষয়বস্তু বিলাক স্পষ্ট কৰি দিয়া হয়। সংবিধানৰ ৰাষ্ট্ৰৰ ধ্যান-ধাৰণা, আৰ্থ সামাজিক আৰু ৰাজনৈতিক দৃষ্টিভঙ্গী, দৰ্শন-মতাদৰ্শ আদি দিশবিলাক স্পষ্ট ৰূপত প্ৰকাশ পায়। বৃহৎ কলেবৰৰ ভাৰতীয় সংবিধানৰ অন্যান্য বৈশিষ্ট্যবোৰৰ ভিতৰত এটি অন্যতম বৈশিষ্ট্য হ'ল ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা। এই প্ৰস্তাৱনা যোগে ভাৰতৰ দৰ্শন তথা আৰ্থ-সামাজিক আৰু ৰাজনৈতিক ইতিহাসিক বিৱৰণ দাঙি ধৰা হৈছে।

২য় গোটত ভাৰতীয় নাগৰিকৰ মৌলিক কৰ্ত্তব্যৰ ওপৰিও ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি সম্পৰ্কে আলোচনা কৰা হৈছে। ব্যক্তিৰ বিকাশ আৰু সুস্থ জীৱন-ধাৰণৰ অধিকাৰৰ প্ৰয়োজন। অধিকাৰ অবিহনে ব্যক্তিৰ সামাজিক জীৱনৰ উৎকৰ্ষ সাধন সম্ভৱ নহয়। নাগৰিকৰ অধিকাৰ সুৰক্ষিত কৰিবৰ বাবে ভাৰতীয় সংবিধানৰ তৃতীয় অধ্যায় সংযোজন কৰা হৈছে। ভাৰতীয় সংবিধানত আয়াৰলেণ্ড আৰু স্পেইন আদি কিছুমান দেশৰ নিচিনাকৈ ৰাষ্ট্ৰৰ নিৰ্দেশাত্মক নীতি সন্নিবিষ্ট কৰিছে। এই নীতিবিলাকৰ মূল উদ্দেশ্য হৈছে সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক ক্ষেত্ৰত ক্ষমতা কৰি জনসাধাৰণৰ সৰ্বতোপ্ৰকাৰ কল্যাণ সাধন কৰা।

২য় খণ্ডৰ প্ৰথম আৰু দ্বিতীয় গোটত উপৰোক্ত বিষয়সমূহৰ বিস্তৃতভাবে জ্ঞান আহৰণ কৰিব পাৰিবা।

২য় খণ্ডৰ তৃতীয় গোটত ভাৰতীয় সংবিধানৰ সংশোধন প্ৰক্ৰিয়া আলোচনা কৰা হৈছে। বিভিন্ন দেশৰ সংবিধানৰ ইতিহাস পৰ্যালোচনা কৰিলে দেখা যায় যে কোনো দেশৰে সংবিধানৰ দীৰ্ঘব্যাপী, অপৰিৱৰ্তনীয় আৰু অসংশোধিত অৱস্থাত নাথাকে। অৰ্থাৎ সংবিধান পৰিবৰ্তনশীল আৰু সংশোধিত। বিভিন্ন ৰাষ্ট্ৰৰ দৰে ভাৰতটো সংবিধানৰ সংশোধনৰ সুবিধা ৰখা হৈছে। এই গোটতো পঢ়ি তোমালোকে সংবিধান কিয় সংশোধন কৰিব লাগে সেই সম্পৰ্কে জনাৰ ওপৰিও ভাৰতীয় সংবিধানৰ সংশোধনী সম্পৰ্কে সবিশেষ জানিব পাৰিবা।

# গোট -১
## (Unit -1)
## ভাৰতৰ সংবিধান প্ৰস্তাৱনা

**গঠন বিন্যাস (Structure) ঃ**


২.১ উদ্দেশ্য

২.২ প্ৰস্তাৱনা

২.৩.১ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা

আত্মমূল্যায়নৰ প্ৰশ্ন

২.৩.২ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ আদৰ্শ

২.৩.৩ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ তাৎপৰ্য

আত্মমূল্যায়নৰ প্ৰশ্ন

২.৪ ভাৰতীয় সংবিধানৰ বৈশিষ্ট আত্মমূল্যায়নৰ প্ৰশ্ন

২.৫ ভাৰতীয় সংবিধানখন দীঘলীয়া হোৱা কাৰণসমূহ

২.৬ সামৰণি

২.৭ ঘাই শব্দসমূহ

২.৮ পাঠ্য নিৰ্দেশনা

২.৯ আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ

২.১০ প্ৰসংগ পুথি

২.১১ আৰ্হি প্ৰশ্ন

## ২.১ উদ্দেশ্য ঃ

এই গোটটি পঢ়াৰ পিছত তোমালোকে -

- ভাৰতীয় সংবিধানৰ বিষয়ে এটা সম্যক ধাৰণা ল’ব পাৰিবা।
- ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা বিষয়ে জানিব পাৰিবা।
- ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ বিভিন্ন আদৰ্শসমূহৰ বিষয়ে জানিব পাৰিবা।
- ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ তাৎপৰ্য বিষয়ে জানিব পাৰিবা।
- ভাৰতীয় সংবিধানৰ বিভিন্ন বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিবা।

## ২.২ প্ৰস্তাৱনা ঃ

এই গোটটি পঢ়ি তোমালোকে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ বিষয়ে জানিব পাৰিবা। যিহেতু আমি জানো যে প্ৰত্যকখন গণতান্ত্ৰিক দেশৰে এখন লিখিত বা অলিখিত সংবিধান থাকে। এই সংবিধানৰ প্ৰস্তাৱনাৰ বিষয়ে জনাটো প্ৰত্যেকজন নাগৰিকৰে দায়িত্ব আৰু কৰ্তব্য। প্ৰস্তাৱনা কোনো সংবিধানৰে আৱশ্যকীয় অংশ নহয়। প্ৰস্তাৱনাই সংবিধানৰ চমু পৰিচয় দাঙি ধৰিলেও ইয়াৰ সাংবিধানিক বিশেষত্ব আছে। প্ৰস্তাৱনাৰ ফলত সংবিধানৰ লক্ষ্য, উদ্দেশ্য আৰু মূলনীতিবোৰ জনাত সহায় হয়। আন কথাত ক’বলৈ হ’লে প্ৰস্তাৱনাকে কোনো এখন দেশৰ সংবিধানৰ মূল চাবি-কাঠি বুলি আখ্যা দিব পাৰি।

দ্বিতীয় খণ্ডৰ প্ৰথম গোটটিত আমি ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ বিষয়ে জ্ঞাত হোৱাৰ উপৰিও ভাৰতৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক আদৰ্শৰ আভাস পোৱা যায়। স্বাধীনতা আন্দোলনৰ সময়ত আমাৰ নেতাসকলে যি অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক ভাব-ধাৰা আৰু আশা-আকাংক্ষাৰ বিষয়ে উল্লেখ কৰিছিল, সংবিধানৰ প্ৰস্তাৱনাত তেনে আশা-আকাংক্ষাৰ স্পষ্ট আভাস পোৱা যায়। এই গোটটিত আমি প্ৰস্তাৱনাৰ আদৰ্শ আৰু ইয়াৰ তাৎপৰ্যৰ বিষয়ে জ্ঞাত হ’ব পাৰিম। প্ৰস্তাৱনাৰ আদৰ্শৰ জৰিয়তে ভাৰতবৰ্ষত যাতে ন্যায়, স্বাধীনতা, ক্ষমতা, ভাতৃত্ববোধ, একতা আৰু সংহতি যাতে প্ৰতিষ্ঠা কৰিব পাৰি তাৰ প্ৰয়াস কৰা হৈছে। বিভিন্ন দেশৰ সংবিধানৰ সংবিধানৰ সুকীয়া আদৰ্শ আৰু লক্ষ্য আছে। সংবিধানৰ জৰিয়তে এই আদৰ্শসমূহক বাস্তৱত ৰূপদান কৰা হয়। তেনে আদৰ্শসমূহৰ জৰিয়তে এখন দেশৰ সংবিধানৰ নিজস্ব বৈশিষ্ট্যসমূহ প্ৰতিফলিত হয়। ভাৰতবৰ্ষৰ সংবিধানতো এনেকুৱা কিছুমান বিশেষ বৈশিষ্ট্য আছে যিবোৰক পৃথিৱীৰ আন দেশৰ সংবিধানত দেখিবলৈ পোৱা নাযায়। ভাৰতবৰ্ষৰ সংবিধানখন এই দেশৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ৰচনা কৰা হৈছে। এই গোটটিত আমি তেনে বৈশিষ্ট্যসমূহৰ বিষয়ে অবগত হ’ব পাৰিম।

এই গোটটি অধ্যয়ন কৰাৰ পাছত তোমালোকে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ বিষয়ে জানিব পাৰিবা। লগতে সংবিধানৰ আদৰ্শ, তাৎপৰ্য্যৰ বিষয়েও জ্ঞাত হ'ব পাৰিবা। প্ৰস্তৱনাৰ আদৰ্শ, তাৎপৰ্য্যৰ বিষয়েও জ্ঞাত হ'ব পাৰিবা। প্ৰস্তাৱনাৰ আদৰ্শৰ জৰিয়তে আমি ভাৰতীয় সংবিধানত সন্নিবিষ্ট হৈ থকা বিভিন্ন বৈশিষ্ট্যসমূহৰ বিষয়ে জানিবলৈ তোমালোক সক্ষম হ'বা।

**২.৩.১ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা (The Preamble of the Indian Constitution)ঃ**

অন্যান্য গণতান্ত্ৰিক দেশৰ দৰে ভাৰতীয় সংবিধানতো এটা প্ৰস্তাৱনা সংযোজিত কৰা হৈছে। এই প্ৰস্তাৱনাৰ জৰিয়তে ভাৰতৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক আদৰ্শৰ আভাস পোৱা যায়। সংবিধানৰ প্ৰস্তাৱনাতেই আমি স্বাধীনতা আন্দোলনৰ সময়ত আমাৰ নেতাসকলে যি অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক ভাব-ধাৰা আশা-আকাংক্ষাৰ বিষয়ে উল্লেখ কৰিছিল, সংবিধানৰ প্ৰস্তাৱনাত তেনে আশা-আকাংক্ষাৰ স্পষ্ট আভাস পোৱা যায়। সংবিধানত সন্নিবিষ্ট কৰা প্ৰস্তাৱনাৰ ওপৰত সংবিধান সভাত দীৰ্ঘদিন ধৰি আলোচনা হোৱাৰ পিছত ১৯৪৯ চনত অক্টোবৰ মাহৰ - ১৭ তাৰিখে প্ৰস্তাৱনাটো সংবিধান সভাত গৃহীত হৈছিল। ইয়াতে উল্লেখ কৰা প্ৰয়োজন যে সংবিধানত প্ৰস্তাৱনা প্ৰথমতে সংযোজন কৰা আছে যদিও সংবিধানৰ অন্যান্য অংশ গৃহীত হোৱাৰ পিছতহে প্ৰস্তাৱনা গৃহীত হৈছিল। সংবিধান সভাৰ সভাপতি ড০ ৰাজেন্দ্ৰ প্ৰসাদৰ মতে সংবিধানৰ আন আন অংশৰ লগত সামঞ্জস্য ৰক্ষা কৰাৰ উদ্দেশ্যে প্ৰস্তাৱনা শেষত গৃহীত হৈছিল। এই প্ৰস্তাৱনা ভাৰতবৰ্ষৰ সংবিধানৰ আত্মস্বৰূপ, ইয়েই সংবিধানৰ চাবিকাঠি। সংবিধানৰ আদৰ্শ, ক্ষমতাৰ উৎস, আশা-আকাংক্ষা প্ৰস্তাৱনাৰ মাজেদিয়েই প্ৰকাশিত হয়। আমাৰ দেশৰ সংবিধানত সন্নিবিষ্ট কৰা প্ৰস্তাৱনাটো তলত উল্লেখ কৰা হ'ল -

''আমি ভাৰতবাসী সকলো লোকে, ভাৰতবৰ্ষক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য হিচাবে প্ৰতিষ্ঠা কৰিম বুলি দৃঢ়সংকল্প কৰি আৰু ভাৰতবৰ্ষৰ সকলো লোককে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ন্যায়, চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতা, সম-মৰ্যাদা আৰু সমান সুযোগ দিম বুলি আৰু তেওঁলোক সকলোৰে মাজত ব্যক্তি-মৰ্য্যাদা, জাতীয় ঐক্য আৰু সংহতি-নিশ্চিত কৰি ভাতৃত্বভাব বৃদ্ধি কৰিবলৈ - আজি ১৯৪৯ চনৰ নবেম্বৰ মাহৰ ২৬ তাৰিখে আমাৰ সংবিধান সভাই গ্ৰহণ কৰা আৰু লিপিবদ্ধ কৰা এই সংবিধানখন আমাক নিজকে প্ৰদান কৰিলো।''

ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তাৱনাটোৰ পৰা কিছুমান নীতিৰ আভাস পোৱা যায়। প্ৰস্তাৱনাৰ আদিতে ''আমি ভাৰতৰ লোকসমূহে'' কথাখিনিয়ে এটা কথা স্পষ্ট কৰি দিছে সেয়া হৈছে ৰাষ্ট্ৰৰ ক্ষমতাৰ উৎস জনসাধাৰণ। জনসাধাৰণেই সাৰ্বভৌমত্বৰ গৰাকী। এই সংবিধানখন জনসাধাৰণৰ দ্বাৰাই ৰচিত হৈ জনসাধাৰণৰ হাতত অৰ্পণ কৰা হৈছে। সেয়েহে জনসাধাৰণেই নিয়ন্ত্ৰণ কৰিব।

প্ৰস্তাৱনাত ভাৰতক এখন সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য (Sovereign, Socialist, Secular, Democratic Republic) হিচাবে উল্লেখ কৰা আছে। এই সকলোবোৰেই ভাৰতীয় সংবিধানৰ একোটা বৈশিষ্ট্য প্ৰকাশ কৰিছে। এইখিনিতে উল্লেখ কৰিব পাৰি যে, সংবিধান গ্ৰহণৰ সময়ত ''সাৰ্বভৌম গণতান্ত্ৰি ক গণৰাজ্য'' হিচাবেহে উল্লেখ আছিল সংবিধানৰ ৪২ নং সংশোধনী আইনৰ জৰিয়তে 'সমাজবাদী' আৰু 'ধৰ্মনিৰপেক্ষ' এই শব্দ দুটা সন্নিবিষ্ট কৰা হৈছে।

প্ৰস্তাৱনাত ভাৰতবৰ্ষক এখন সাৰ্বভৌম ৰাষ্ট্ৰ হিচাবে উল্লেখ কৰা হৈছে। সাৰ্বভৌমত্ব হৈছে ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা। সাৰ্বভৌমত্ব অবিহনে ৰাষ্ট্ৰ এখনৰ সৃষ্টি হ'ব নোৱাৰে। বৃটিছ-শাসন কালৰ সময়ত ভাৰত সাৰ্বভৌম ৰাষ্ট্ৰ নাছিল, স্বাধীনতা লাভৰ পিছত ভাৰত সাৰ্বভৌম ৰাষ্ট্ৰ হিছাবে স্বীকৃত হৈছে।

প্ৰস্তাৱনাই উল্লেখ কৰিছে যে ভাৰতে সমাজবাদী আদৰ্শ গ্ৰহণ কৰিছে। সমাজবাদী আদৰ্শই অৱশ্যে পৰ্য্যায়ক্ৰমে গ্ৰহণ কৰাৰ নীতিহে পোষন কৰে। সেয়ে লাহে লাহে ব্যক্তিগত খণ্ডৰ ওপৰত গুৰুত্ব কমাই চৰকাৰী খণ্ডৰ ওপৰতহে বেছি গুৰুত্ব দিবলৈ লৈছে।

প্ৰস্তাৱনাত ধৰ্ম নিৰপেক্ষতাৰ কথা সন্নিবিষ্ট কৰি ভাৰতক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠিত কৰাৰ প্ৰয়াস কৰা হৈছে। ভাৰতত কোনো ৰাজধৰ্ম নাই। চৰকাৰে কোনো ধৰ্মৰে পৃষ্ঠপোষকতা নকৰে। সকলো ধৰ্মৰ মানুহে সমানে নিজ ধৰ্ম পালনৰ স্বাধীনতা সুৰক্ষিত কৰা হৈছে। ধৰ্মৰ ভিত্তিত কোনো বৈষম্যকে কোনো ক্ষেত্ৰতে স্থান তথা গুৰুত্ব দিয়া নহ'ব।

প্ৰস্তাৱনাত ভাৰতবৰ্ষক এখন গণতান্ত্ৰিক গণৰাজ্য হিচাবে উল্লেখ কৰা হৈছে। গণতন্ত্ৰত ৰাইজৰ দ্বাৰা গঠিত চৰকাৰৰ ব্যৱস্থা থাকে। ভাৰতবৰ্ষত প্ৰতিনিধিত্বমূলক গণতন্ত্ৰৰ প্ৰচলন আছে। ইয়াত সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ব্যৱস্থা আছে। প্ৰত্যেক ৫ বছৰৰ অন্তৰে অন্তৰে নিৰ্বাচন অনুষ্ঠিত কৰা হয়। নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে ভোটদাতাসকলে ভোটদান কৰি চৰকাৰ গঠন কৰিব। তদুপৰি ৰাষ্ট্ৰৰপ্ৰধানগৰাকী অৰ্থাৎ ৰাষ্ট্ৰপতি জনসাধাৰণৰ ভোটৰ দ্বাৰা (পৰোক্ষ ভাৱে হ'লেও) নিৰ্বাচিত হ'ব। ৰাষ্ট্ৰৰ প্ৰধান বংশানুক্ৰমিক হ'ব নোৱাৰিব। সংবিধানৰ মৰ্যাদা ৰক্ষা কৰিব নোৱাৰা নাইবা সংবিধান উলংঘা কৰা ৰাষ্ট্ৰপ্ৰধানক কাৰ্যকাল উকলি যোৱাৰ আগেয়ে পদচ্যুত কৰাৰ ব্যৱস্থা আছে। যোগ্যতাসম্পন্ন সকলো লোকই ৰাষ্ট্ৰপ্ৰধান পদৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। আমাৰ ৰাষ্ট্ৰপ্ৰধান ৰাষ্ট্ৰপতিৰ ৫ বছৰৰ কাৰণে নিৰ্বাচিত কৰা হয়। এনেবোৰ ব্যৱস্থা বাবে আমি অনুমান কৰিব পাৰো যে ভাৰতবৰ্ষত গণৰাজ্যিক ব্যৱস্থাৰ প্ৰচলন আছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন (ক)**

(১) ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাটো কেতিয়া সংবিধান সভাত গৃহীত হৈছিল ?

.......................................................................................................

.......................................................................................................

(২) ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাটো কিহেৰে আৰম্ভ হৈছে ?

.......................................................................................................

.......................................................................................................

(৩) প্ৰস্তাৱনাত ভাৰতক কি হিচাবে উল্লেখ কৰা আছে ?

.......................................................................................................

.......................................................................................................

(৪) কিমানতম সংশোধনীত জৰিয়তে সমাজবাদী আৰু ধৰ্ম নিৰপেক্ষ শব্দটো সংবিধানত সন্নিবিষ্ট কৰা হৈছে?

.......................................................................................................

.......................................................................................................

**২.৩.২ ভাৰতীয় প্ৰস্তাৱনাৰ আদৰ্শ (Ideals of the Preamble of Indian Constitution) ঃ**

ভৰতীয় সংবিধানৰ প্ৰণেতাসকলে ভাৰতবৰ্ষত গণতান্ত্ৰিক গণৰাজ্য প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থাতেই সন্তুষ্ট হৈ থকা নাছিল। সংবিধানৰ প্ৰস্তাৱনাত তেওঁলোকে কিছুমান আদৰ্শৰো উপস্থাপন কৰিছে। চৰকাৰে দেশৰ প্ৰশাসন কাৰ্য পৰিচালনা কৰোতে এইবিলাক আদৰ্শৰ প্ৰতি গুৰুত্ব দিব লাগে। প্ৰস্তাৱনাত উল্লেখ কৰা এই আদৰ্শসমূহ হ'ল- সামাজিক ন্যায়, অৰ্থনৈতিক ন্যায়, ৰাজনৈতিক ন্যায়, সমতা, স্বাধীনতা আৰু ভ্ৰাতৃত্ববোধ।

* **সামাজিক ন্যায় (Social Justice) ঃ** ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত সামাজিক ন্যায়ৰ আশ্বাস দিয়া হৈছে। সামাজিক ন্যায়ে সমাজত বাস কৰা বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত থকা বৈষম্যৰ অৱসান ঘটোৱা বুজায়। আইনৰ চকুত সকলো ভাৰতীয় নাগৰিকেই সমান। সকলো লোকক যি কোনো বিচাৰৰ কাৰণে একে ধৰণৰ আইন আৰু আদালত থাকিব। জাতি, বৰ্ণ, ধৰ্ম, লিংগ, জন্মৰ স্থান আদি কাৰণ লৈ কোনো প্ৰকাৰৰ বৈষম্য নাথাকিব। চৰকাৰী চাকৰি আদিৰ ক্ষেত্ৰত বৰ্ণ, লিংগ,

ধৰ্ম আদিৰ ক্ষেত্ৰত কোনো ধৰণৰ বাধা নাথাকিব। সেই অনুপাতে পুৰুষ মহিলাই চৰকাৰী চাকৰি কৰা বিষয়তো কোনো বৈষম্য নাথাকিব।

* **ৰাজনৈতিক ন্যায় (Political Justice) ঃ** সংবিধানৰ প্ৰস্তাৱনাত ৰাজনৈতিক ন্যায়ৰ আশ্বাস দিয়া হৈছে। ৰাজনৈতিক ন্যায়ে নাগৰিকসকলৰ মাজত সমান ৰাজনৈতিক অধিকাৰ আৰু মৰ্য্যাদা থকা বুজায়। ৰাজনৈতিক দিশৰ সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত কোনো পাৰ্থক্য নাথাকিব। এখন গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাপে এক নিৰ্দিষ্ট বয়সৰ সকলো লোকে নিৰ্বাচনৰ প্ৰতিদ্বন্দ্বিতা আৰু ভোটদান কৰিব পাৰিব। সংবিধানৰ ১৫নং অনুচ্ছেদত জাতি, ধৰ্ম, ভাষা, জন্মস্থান আদিৰ ভিত্তিত পুৰুষ-মহিলা সকলোৰে কাৰণে বৈষম্যমূলক আচৰণ নকৰিবলৈ ৰাষ্ট্ৰক নিৰ্দেশ দিয়া আছে। ১৬নং অনুচ্ছেদত নিয়োগৰ বিষয়ত নাগৰিকৰ মাজত জাতি-বৰ্ণ-ভাষা-ধৰ্ম আদিৰ ভিত্তিত পুৰুষ-মহিলাৰ মাজত বৈষম্যমূলক আচৰণ কৰা নিষিদ্ধ কৰা হৈছে। প্ৰাপ্তবয়স্ক সকলো নাগৰিককে ভোটাধিকাৰ দিয়া হৈছে আৰু অৰ্হতাসম্পন্ন সকলো নাগৰিককে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা আৰু চৰকাৰী চাকৰিত আবেদন কৰাৰ অধিকাৰ দিয়া হৈছে।

* **অৰ্থনৈতিক ন্যায় (Economic Justice) ঃ**

অৰ্থনৈতিক ন্যায় অবিহনে সামাজিক আৰু ৰাজনৈতিক ন্যায় অৰ্থহীন। সেয়েহে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত অৰ্থনৈতিক ন্যায়ৰ আশ্বাস দিয়া হৈছে। অৰ্থনৈতিক ন্যায় হৈছে গণতন্ত্ৰৰ প্ৰধান ভেঁটি। অৰ্থনৈতিক গণতন্ত্ৰ অবিহনে ৰাজনৈতিক গণতন্ত্ৰ কেতিয়াও কৃতকাৰ্য হ'ব নোৱাৰে। অৰ্থনৈতিক ন্যায়ে অৰ্থনৈতিক বিষয়ত সমতা প্ৰতিষ্ঠা কৰা, শোষণৰ অৱসান ঘটোৱা, অৰ্থনৈতিক ক্ষেত্ৰত মানুহৰ মাজত থকা বৈষম্য আঁতৰ কৰা, প্ৰতিজন নাগৰিকৰ কাৰণে জীৱন-ধাৰণৰ নিম্নতম সুবিধা প্ৰদান কৰা, বৃদ্ধ বয়সত আৰ্থিক নিৰাপত্তাৰ ব্যৱস্থা কৰা আদিক বুজায়। নিৰ্দেশ নীতিৰ ভিতৰত কিছুমান অৰ্থনৈতিক নীতি সন্নিবিষ্ট কৰা হৈছে আৰু এইবোৰ নীতি কাৰ্যকৰী কৰাটো ৰাষ্ট্ৰৰ দায়িত্ব হিচাপে উল্লেখ কৰা হৈছে। এইবোৰ নীতি কাৰ্যকৰী কৰিব পাৰিলে ভাৰতবৰ্ষৰ অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা হ'ব বুলি আশা কৰিব পাৰি।

* **স্বাধীনতা (Liberty) ঃ**

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত উল্লেখ থকা এক গুৰুত্বপূৰ্ণ আদৰ্শ হ'ল স্বাধীনতা। প্ৰস্তাৱনাত প্ৰত্যেক নাগৰিকৰে চিন্তা, অভিব্যক্তি, বিশ্বাস, ধৰ্ম আৰু উপাসনাৰ স্বাধীনতাৰ কথা উল্লেখ কৰা হৈছে। বিভিন্ন বিষয়ৰ ওপৰত চিন্তা-চৰ্চা কৰাৰ কোনো বাধা নাই। ধৰ্ম-বিশ্বাস বা উপাসনাৰ ক্ষেত্ৰতো কোনো বাধা আৰোপ কৰা হোৱা নাই। স্বাধীনতাৰ অধিকাৰৰ জৰিয়তে ভাৰতীয় নাগৰিকসকলে বাক স্বাধীনতা, মত প্ৰকাশৰ

স্বাধীনতা আদি দিয়া হৈছে। নাগৰিকসকলে বাতৰি কাকত বা সভা-সমিতি অনুষ্ঠিত কৰি দেশৰ কোনো সমস্যাৰ সম্পৰ্কত মতামত প্ৰকাশ কৰিব পাৰিব। অৰ্থাৎ প্ৰত্যেক ভাৰতীয়ৰ বাবে সকলো ধৰণৰ স্বাধীনতাৰ ব্যৱস্থা কৰা হৈছে।

* **সমতা (Equality) ঃ**

সংবিধান প্ৰস্তাৱনাত থকা আন এক উল্লেখযোগ্য আদৰ্শ হৈছে সমতা। সমতাৰ আদৰ্শৰ দ্বাৰা সকলো লোককে সমান অধিকাৰ দিবলৈ বিচৰা হৈছে। আইনৰ দৃষ্টিত সকলো সমান। জাতি, বৰ্ণ, ধৰ্ম আদি কাৰণ লৈ কোনো লোককে ন্যায় বিচাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰে। ভাৰতীয় সংবিদানত সন্নিবিষ্ট কৰা মৌলিক অধিকাৰ আৰু ৰাষ্ট্ৰৰ নিৰ্দেশক নীতিত নাগৰিকৰ সমতাৰ ওপৰত প্ৰাধান্য দিছে। জাতি-ধৰ্ম-ভাষা-ধৰ্ণ আদিৰ ভিত্তিত মানুহৰ মাজত বৈষম্যমূলক আচৰণ কৰা নিষিদ্ধ কৰা হৈছে। সেইদৰে জাতি-ধৰ্ম-বৰ্ণ-ভাষা আদিৰ ভিত্তিত চৰকাৰী চাকৰিৰ ক্ষেত্ৰত পুৰুষ-মহিলাৰ মাজত বৈষম্যৰ সৃষ্টি কৰা বন্ধ কৰা হৈছে। সমাজত বাস কৰা সকলো লোকৰ মাজত সমতা প্ৰতিষ্ঠাৰ কাৰণে অস্পৃশ্যতাৰ নীতিক বন্ধ কৰা হৈছে আৰু শিক্ষা আৰু সামৰিক উপাধিৰ বাবে আন উপাধি গ্ৰহণ কৰা বন্ধ কৰা হৈছে।

* **ভ্ৰাতৃত্ববোধ (Fraternity) ঃ**

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ আন এক উল্লেখযোগ্য আদৰ্শ হ'ল ভ্ৰাতৃত্ববোধ। ভাৰতীয় নাগৰিকসকলক সমান সুযোগ আৰু সমমৰ্যাদা দি তেওঁলোকৰ মাজত ভাতৃভাৱৰ সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ভাৰতত বিভিন্ন ধৰ্ম, ভাষা, জাতি আদিৰ মানুহ বাস কৰে। সেয়েহে দেশৰ একতা আৰু সংহতিৰ কাৰণে এই বিচিত্ৰতাৰ মাজত একতাৰ দৰকাৰ। সেইবাবে নাগৰিকসকলৰ বাবে সমান সুযোগৰ ব্যৱস্থা কৰি সমমৰ্য্যদা আৰু জাতীয় ঐক্য আৰু সংহতি সুনিশ্চিতকাৰী ভ্ৰাতৃভাৱৰ বৃদ্ধিৰ ব্যৱস্থাৰ কথা উল্লেখ কৰা হৈছে। এই ব্যৱস্থাই ভাৰতত সকলো ধৰণৰ বৈষম্য আঁতৰ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। প্ৰত্যেকে সমান সুযোগ লাভ কৰাৰ লক্ষ্য ধাৰ্য কৰা হৈছে।

গতিকে আমি দেখা পালো যে ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাই কিছুমান সুস্পষ্ট আদৰ্শ দাঙি ধৰিছে আৰু কিছুমান লক্ষ্যও নিৰ্ধাৰণ কৰি দিছে। এই আদৰ্শ সম্পূৰ্ণৰূপে কাৰ্যকৰী কৰিব পাৰিলে নিশ্চয় ভাৰতবৰ্ষ এখন প্ৰকৃতাৰ্থত কল্যাণকামী ৰাষ্ট্ৰত পৰিণত হ'ব পাৰিব। সেয়েহে দেশৰ স্বাধীনতা, সাৰ্বভৌমত্ব, ৰাজ্যিক অখণ্ডতা আৰু প্ৰশাসনীয় স্বাধীনতাৰ কাৰণে ভাৰতত বাস কৰা সকলো লোকৰ মাজত ভাতৃভাৱৰ সৃষ্টি কৰি দেশৰ একতা আৰু সংহতি ৰক্ষা কৰা নীতিৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

**২.৩.৩ ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ তাৎপৰ্য (Significance of the Preamble)ঃ**

সংবিধান সভাৰ বিতৰ্ক অধ্যয়ন কৰিলে আমি জানিব পাৰিম যে প্ৰস্তাৱনাৰ সাংবিধানিক গুৰুত্ব অপৰিসীম। লিখিত সংবিধানত প্ৰস্তাৱনা সংবিধানৰ অংগ নহয়। কিন্তু সংবিধানৰ অংগ নহ'লেও প্ৰস্তাৱনাৰ গুৰুত্ব বা তাৎপৰ্যক অস্বীকাৰ কৰিব নোৱাৰি। প্ৰস্তাৱনাতেই সংবিধানৰ আদৰ্শসমূহ উল্লেখ কৰা থাকে। সেই আদৰ্শসমূহ সমুখত ৰাখিয়েই সাধাৰণতে চৰকাৰে আইন তৈয়াৰ কৰিব লাগে, নহ'লে জনসমৰ্থন হেৰুওৱাৰ আশংকা থাকে। প্ৰস্তাৱনাত সংবিধানৰ লক্ষ্য আৰু উদ্দেশ্যসমূহৰ ইংগিত দিয়া থাকে। প্ৰত্যেক দেশৰ সংবিধানেই কিছুমান মৌলিক নীতিৰ ওপৰত প্ৰতিষ্ঠিত থাকে। ভাৰতবৰ্ষৰ সংবিধানৰ প্ৰস্তাৱনাও ইয়াৰ ব্যতিক্ৰম নহয়। ভাৰতৰ প্ৰস্তাৱনা সম্পৰ্কে পণ্ডিত ঠাকুৰদাস ভাৰ্গৱে এনেদৰে উল্লেখ কৰিছে -

''প্ৰস্তাৱনা সংবিধানৰ আটাইতকৈ মূল্যবান অংশ। ই হৈছে সংবিধানৰ প্ৰাণস্বৰূপ, সংবিধানৰ উপলব্ধি কৰাৰ কাৰণে ইয়ে হৈছে প্ৰধান চাবি-কাঠি। সংবিধানত সন্নিবিষ্ট কৰা প্ৰস্তাৱনাটো এটা মূল্যবান ৰত্নৰ নিচিনা। ই-এটা কথা-কবিতাৰ নিচিনা সুন্দৰ। আমাৰ সংবিধানৰ প্ৰস্তাৱনাত সংবিধানৰ আদৰ্শ আৰু মূলনীতি কিছুমানৰ বিষয়ে উল্লেখ কৰা হৈছে।''

চৰকাৰে প্ৰস্তাৱনাৰ গুৰুত্বক আওকাণ কৰিব নোৱাৰে। কোনো চৰকাৰে দীৰ্ঘদিন ধৰি শাসনত অধিষ্ঠিত হৈ থাকিবলৈ বিচাৰিলে প্ৰস্তাৱনাৰ উদ্দেশ্য, নীতি আৰু আদৰ্শ মানি চলিব লাগিব। প্ৰস্তাৱনাত সন্নিবিষ্ট কৰা নীতি, আদৰ্শ আদি কাৰ্যকৰী কৰিবলৈ চৰকাৰ বাধ্য নহয়, কোনো চৰকাৰে এই নীতি আৰু আদৰ্শ মানি নচলিলে চৰকাৰৰ বিৰুদ্ধে আদালতৰ সহায় ল'ব নোৱাৰি। অৰ্থাৎ প্ৰস্তাৱনা বিচাৰযোগ্য নহয়।

অন্য এক দৃষ্টিকোণৰ পৰাও প্ৰস্তাৱনাৰ গুৰুত্ব আছে। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা ইয়াৰ আৱশ্যকীয় অংশ নহয় যদিও ইয়াক এক ঐতিহাসিক দলিল বুলি অভিহিত কৰিব পাৰি। দেশৰ সৰ্বাঙ্গীন বিকাশৰ বাবে সকলো শ্ৰেণীৰ লোকৰ মাজত ভ্ৰাতৃত্ববোধ, একতা আৰু সংহতিৰ প্ৰয়োজন। এইবোৰ দিশৰ বিষয়েও প্ৰস্তাৱনাত উল্লেখ আছে। ইয়াৰোপৰি দেশৰ সাৰ্বভৌমত্ব, নিৰাপত্তা, ঐক্য আৰু সংহতি ৰক্ষাৰ ওপৰতো প্ৰস্তাৱনাই গুৰুত্ব দিছে। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাই ভাৰতবৰ্ষক এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰিছে। ইয়াৰ জৰিয়তে ভাৰতক সকলো ধৰ্মৰ লোকে মিলা-প্ৰীতিৰে বসবাস কৰাৰ এক অনুকুল পৰিস্থিতিৰ উদ্ভৱ হৈছে।

প্ৰস্তাৱনা হ’ল ভাৰতীয় সংবিধানৰ আত্মা-স্বৰূপ। প্ৰস্তাৱনাৰ যোগেদিয়েই যিহেতু সংবিধানৰ উদ্দেশ্য আৰু লক্ষ্য স্থিৰ কৰা হয়। সেয়েহে ক’ব পাৰি প্ৰস্তাৱনাই ভাৰতীয় ঐতিহ্য অনুসাৰে আমাৰ ৰাজনৈতিক সমাজৰ প্ৰকৃতি স্থিৰ কৰিছে। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাই গণতান্ত্ৰিক শাসনৰ ওপৰত প্ৰাধান্য দি ব্যক্তিগত অধিকাৰৰ পোষকতা কৰিছে। প্ৰস্তাৱনাই ভাৰতক এখন কল্যাণকামী ৰাষ্ট্ৰ হোৱাৰ ওপৰত প্ৰাধান্য দিছে।

সংবিধানৰ প্ৰস্তাৱনাই ভাৰতীয় সংবিধানক এক সামাজিক বিপ্লৱৰ দায়িত্ব অৰ্পন কৰিছে। সংবিধানৰ আদৰ্শ আৰু উদ্দেশ্য বৰ্ণনাৰ ক্ষেত্ৰত প্ৰস্তাৱনা অদ্বিতীয় আৰু অতুলনীয়। ই সংবিধানৰ মূল অংগ নহ’লেও সংবিধান ব্যাখ্যা কৰাত সমল যোগাইছে আৰু সংবিধানত উল্লেখ নাথাকিলেও আমাৰ দেশ ভাৰতক এখন কল্যাণকামী ৰাষ্ট্ৰত পৰিণত কৰিছে। সেয়েহে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাই এক বিশেষ তাৎপৰ্য বহন কৰিছে আৰু ইয়াৰ গুৰুত্ব দিনে দিনে বাঢ়ি গৈ আছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন (খ)ঃ**

(১) সংবিধানৰ প্ৰস্তাৱনাত কি কি ন্যায়ৰ কথা কোৱা হৈছে ?

........................................................................................................

........................................................................................................

(২) প্ৰস্তাৱনাৰ দুটা আদৰ্শ উল্লেখ কৰা ?

........................................................................................................

........................................................................................................

(৩) প্ৰস্তাৱনা সংবিধানৰ অংশ হয় / নহয় ?

........................................................................................................

........................................................................................................

(৪) প্ৰস্তাৱনাক সংবিধানৰ কি বুলি কোৱা হয় ?

........................................................................................................

........................................................................................................

## ২.৪ ভাৰতীয় সংবিধানৰ বৈশিষ্ট্য (Basic features of the Indian Constitution)ঃ

প্ৰত্যেক দেশৰে সংবিধানৰ সুকীয়া আদৰ্শ আৰু লক্ষ্য আছে। সংবিধানৰ জৰিয়তে এই আদৰ্শসমূহক বাস্তৱত ৰূপদান কৰিবলৈ চেষ্টা কৰা হয়। কোনো এখন দেশৰ সংবিধান ৰচনা কৰাৰ সময়ত ইয়াৰ সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অৱস্থাই সংবিধান ৰচনাৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰে। এখন সংবিধান কৃতকাৰ্য হ'বলৈ হ'লে ই-দেশৰ পৰিস্থিতিৰ সৈতে খাপ্ খাব পৰা হ'ব লাগিব। ইয়াৰ উপৰিও সংবিধান প্ৰণেতাসকলৰ ব্যক্তিগত আদৰ্শই সংবিধান ৰচনাৰ কামত প্ৰভাৱ বিস্তাৰ কৰে। সেয়েহে প্ৰত্যেক দেশৰে সংবিধানৰ কিছুমান নিৰ্দিষ্ট বৈশিষ্ট্য আছে। ভাৰতীয় সংবিধানতো এনে কিছুমান বৈশিষ্ট্য আছে যিবোৰ আন দেশৰ সংবিধানত দেখিবলৈ পোৱা নাযায়। তলত ভাৰতীয় সংবিধানৰ প্ৰধান বৈশিষ্ট্যসমূহ দাঙি ধৰা হ'ল -

### * প্ৰস্তাৱনা (Preamble)ঃ

যদিও প্ৰস্তাৱনা সংবিধানৰ মূল অংগ নহয় তথাপিও এখন সংবিধানৰ প্ৰস্তাৱনাৰ সাংবিধানিক তাৎপৰ্য আছে। আমাৰ দেশৰ সংবিধান প্ৰণেতাসকলেও আমাৰ সংবিধানত এটা প্ৰস্তাৱনা সন্নিবিষ্ট কৰিছে। ইয়াত সংবিধানৰ মূল উদ্দেশ্যসমূহ ব্যক্ত কৰা হৈছে। প্ৰস্তাৱনাত যিবোৰ উদ্দেশ্যৰ বিষয়ে উল্লেখ কৰা হৈছে সেই উদ্দেশ্যসমূহ সংবিধানৰ জৰিয়তে বাস্তৱক ৰূপায়িত কৰিব লাগিব। আমাৰ দেশৰ সংবিধানৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰিব সংবিধানৰ প্ৰস্তাৱনাত সন্নিবিষ্ট কৰা উদ্দেশ্যসমূহৰ কাৰ্যকাৰিতাৰ ওপৰত।

### * দীৰ্ঘতম লিখিত সংবিধান (Longest Written Constitution) ঃ

ভাৰতীয় সংবিধানৰ আন এটা প্ৰধান বৈশিষ্ট্য হৈছে ই পৃথিৱীৰ ভিতৰতেই দীৰ্ঘতম লিখিত সংবিধান। ভাৰতবৰ্ষৰ সংবিধানখন এখন সংবিধান সভাই ৰচনা কৰিছে। প্ৰায় তিনি বছৰ পৰিশ্ৰম কৰি এই সংবিধানখন ৰচনা কৰা হৈছে। আৰম্ভনিতে ইয়াত ৩৯৫টা অনুচ্ছেদ, ২২ টা অধ্যায় আৰু ৯ টা অনুসূচী আছিল। সংবিধান গ্ৰহণ কৰা সময়ৰ পৰা এতিয়ালৈকে ইয়াক বহুবাৰ সংশোধন কৰা হৈছে। বৰ্তমান ভাৰতবৰ্ষৰ সংবিধানৰ ৪০৪ টা অনুচ্ছেদ আৰু ১০টা অনুসূচী আৰু ২২টা অধ্যায় আছে। নানা সমস্যা আৰু নানা জাতি-উপজাতিৰে গঠিত এখন বিশাল দেশৰ বাবে এখন দীঘলীয়া সংবিধান ৰচনা কৰিবলৈ সংবিধানৰ নিৰ্মাতাসকল বাধ্য হৈছে।

### * আংশিকভাৱে নমনীয় আৰু আংশীকভাৱে অনমনীয় (Partly Rigid and Partly Flexible) ঃ

ভাৰতবৰ্ষৰ সংবিধানখন নমনীয়ও নহয় কঠিনো নহয়। ইয়াক নমনীয় আৰু কঠিন সংবিধানৰ এক অপূৰ্ব সংমিশ্ৰণ বুলিব পাৰি। ভাৰতীয় সংবিধানখনৰ

সংশোধন পদ্ধতি ইংলেণ্ডৰ দৰে নমনীয় বা সহজ নহয় আৰু আমেৰিকাৰ সংবিধানৰ দৰে দৃঢ় বা অনমনীয় নহয়। সংবিধানৰ বিভিন্ন অনুচ্ছেদক তিনিটা পদ্ধতিৰে সংশোধন কৰিব পাৰি। সেয়া হৈছে - নমনীয়, মিশ্ৰ আৰু দৃঢ় বা অনমনীয় পদ্ধতি। সেয়েহে ভাৰতীয় সংবিধানখন আংশিক ভাৱে নমনীয় আৰু আংশিক ভাৱে কঠিন।

* **ক্ষমতা পৃথকীকৰণ নীতিৰ প্ৰয়োগ নাই (Not based on the Principle of Separation of Powers) ঃ**

ভাৰতীয় সংবিধানৰ আৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে এই সংবিধানখন ক্ষমতাৰ পৃথকীকৰণ নীতিৰ ভিত্তিৰ ৰচনা কৰা হোৱা নাই। ইয়াত কাৰ্য্যপালিকা আৰু বিধানমণ্ডলৰ মাজত ওচৰ সম্বন্ধ আছে। মন্ত্ৰীসভা পৰিচালিত শাসন ব্যৱস্থাত ক্ষমতা পৃথকীকৰণ নীতি গ্ৰহণ কৰিব নোৱাৰি। কাৰণ মন্ত্ৰীসভাৰ সদস্যসকল বিধানমণ্ডলৰো সদস্য, ইয়াৰোপৰি মন্ত্ৰীসভা বিধানমণ্ডলৰ সমৰ্থনতহে পদত অধিষ্ঠিত থাকে।

* **সংবিধানৰ প্ৰাধান্য (Supremacy of the Constitution) ঃ**

সংবিধানৰ প্ৰাধান্য ভাৰতীয় সংবিধনৰ আন এটা প্ৰধান বৈশিষ্ট্য। সংবিধনেই সকলো ৰাষ্ট্ৰীয় ক্ষমতা আৰু নাগৰিক অধিকাৰৰ উৎস। ই ৰাষ্ট্ৰৰ সৰ্বোচ্চ আইন। ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয় সংবিধানৰ ৰক্ষক। দেশৰ কোনো ব্যক্তিয়ে সংবিধান বিৰোধী কাম কৰিব নোৱাৰে। কাৰ্যপালিকা বা আইনসভাই সংবিধান কোনো আইন প্ৰণয়ন কৰিলে উচ্চতম ন্যায়ালয়ে সেই আইনক অসাংবিধানিক বুলি ঘোষণা কৰিব পাৰে।

* **একক নাগৰিকত্ব (Single Citizenship) ঃ**

ভাৰতীয় সংবিধানে যদিও দুই প্ৰকাৰৰ চৰকাৰে প্ৰতিষ্ঠা কৰিছে তথাপিতো আমেৰিকাৰ দৰে দ্বি-নাগৰিকত্বক স্বীকৃতি দিয়া হোৱা নাই। সমগ্ৰ ভাৰতবৰ্ষৰ যিকোনো অঞ্চল বা যিকোনো ৰাজ্যক বসবাস কৰা সকলো নাগৰিকক ভাৰতীয় নাগৰিকৰ মৰ্য্যাদা প্ৰদান কৰা হয়। ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত বাস কৰা মানুহৰ মাজত একতা আৰু সংহতিৰ সৃষ্টি কৰিবলৈ সংবিধান প্ৰণেতাসকলে এক নাগৰিকত্বৰ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰিছে।

* **সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক গণৰাজ্য (Sovereign Socialist Secular, Democrative Repblic) ঃ**

ভাৰতীয় সংবিধানৰ মূল প্ৰস্তাৱনাত ভাৰতবৰ্ষক এখন 'সাৰ্বভৌম গণতান্ত্ৰিক গণৰাজ্য' বুলি অভিহিত কৰা হৈছিল। কিন্তু সংবিধানৰ ৪২ তম সংশোধনীয়ে

ভাৰতবৰ্ষক এখন ''সাৰ্বভৌম সমাজবাদী ধৰ্মনিৰপেক্ষ গণতান্ত্ৰিক গণৰাজ্য''বুলি আখ্যা দিয়া হৈছে। ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ। গণতন্ত্ৰই হৈছে এই ৰাষ্ট্ৰৰ ভেঁটি। ইয়াত চৰকাৰৰ প্ৰতিনিধি সকলক জনসাধাৰণে নিৰ্বাচিত কৰে। জনমত অনুসৰিয়েই ইয়াত চৰকাৰ গঠন কৰা হয়। ভাৰতবৰ্ষ এখন সাৰ্বভৌম ৰাষ্ট্ৰ। ইয়াৰ বাহ্যিক আৰু আভ্যন্তৰীণ বিষয়ত কোনেও হস্তক্ষেপ কৰিব নোৱাৰে।

* **জনসাধাৰণৰ প্ৰাধান্য (Supremacy of the people) ঃ**

ভাৰতীয় সংবিধানৰ আন এটা বৈশিষ্ট্য হৈছে জনসাধাৰণৰ প্ৰাধান্য। ভাৰতবৰ্ষৰ সংবিধানে জনসাধাৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সংবিধানৰ প্ৰস্তাৱনা আৰম্ভ কৰা হৈছে জনসাধাৰণৰ নামত। সেয়েহে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনা মতে ভাৰতবৰ্ষৰ জনগণই হৈছে এই দেশৰ সংবিধানৰ উৎস আৰু চূড়ান্ত ক্ষমতাৰ অধিকাৰী। প্ৰত্যেকজন প্ৰাপ্তবয়স্ক নাগৰিকে ভোটদানৰ অধিকাৰ, নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি চৰকাৰ গঠন আৰু পৰিচালনাত অংশ গ্ৰহণ কৰাৰ অধিকাৰ আছে।

* **মৌলিক অধিকাৰৰ অন্তৰ্ভুক্তি (Incorporation of Fundamental Rights)ঃ**

মৌলিক অধিকাৰৰ অন্তৰ্ভুক্তি ভাৰতীয় সংবিধানৰ আন এটা প্ৰধান বৈশিষ্ট্য। জনসাধাৰণৰ প্ৰতিভা বিকাশ আৰু ব্যক্তিত্ব প্ৰকাশৰ বাবে কিছুমান সুযোগ-সুবিধাৰ প্ৰয়োজন। ৰাজনীতি বিজ্ঞানত তেনে সুযোগ-সুবিধাবোৰকে অধিকাৰ আখ্যা দিয়া হয়। ইংৰাজৰ শাসন কালত ভাৰতীয় নাগৰিকে অধিকাৰ ভোগ কৰাৰ ক্ষেত্ৰত যথেষ্ট বাধাৰ সন্মুখীন হ'বলগা হৈছিল। সেয়েহে স্বাধীন ভাৰতৰ সংবিধানত মৌলিক অধিকাৰ কিছুমান সন্নিবিষ্ট কৰা হয়। সংবিধানৰ তৃতীয় অধ্যায়ত এই অধিকাৰসমূহ উল্লেখ কৰা আছে। এই অধিকাৰসমূহ আদালতৰ জৰিয়তে সাব্যস্ত কৰিব পাৰি। কিছুমান অধিকাৰৰ ক্ষেত্ৰত চৰকাৰে আকৌ যুক্তি-সংগত বাধা আৰোপ কৰিব পাৰে। ভাৰতীয় নাগৰিকসকলে এই অধিকাৰসমূহ ভোগ কৰি ভালদৰে দেশৰ শাসন ব্যৱস্থাত অংশগ্ৰহণ কৰিব পাৰে।

* **মৌলিক কৰ্তব্যৰ অন্তৰ্ভুক্তি (Incorporation of Fundamental Duties)ঃ**

নাগৰিকৰ মৌলিক কৰ্তব্যৰ অন্তৰ্ভুক্তি ভাৰতীয় সংবিধানৰ আন এক প্ৰধান বৈশিষ্ট্য। আৰম্ভণিতে সংবিধানত নাগৰিকৰ মৌলিক কৰ্তব্যৰ অন্তৰ্ভুক্তি কৰা নাছিল। সংবিধানৰ ৪২তম সংশোধনীৰ জৰিয়তে নাগৰিকৰ মৌলিক কৰ্তব্যৰ অন্তৰ্ভুক্তি কৰা হয়। অধিকাৰৰ লগত কৰ্তব্য জড়িত থাকে, সেয়েহে সংবিধান মানি চলা, জাতীয় পতাকা আৰু ৰাষ্ট্ৰীয় সংগীতৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা, ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, একতা আৰু সংহতি ৰক্ষা কৰা ইত্যাদি।

***	নিৰ্দেশক নীতিৰ অন্তৰ্ভুক্তি (Incorporation of Directive Principles of State Policy)ঃ**

ভাৰতীয় সংবিধানৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য হৈছে নিৰ্দেশক নীতিৰ অন্তৰ্ভুক্তি। এই নীতিসমূহ সংবিধানৰ চতুৰ্থ অধ্যায়ত সন্নিবিষ্ট কৰা আছে। এই নীতিসমূহৰ জৰিয়তে ভাৰতবৰ্ষত কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ চেষ্টা কৰা হৈছে। কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ কাৰণে নাগৰিকসকলক যিবোৰ সুযোগ-সুবিধাৰ দৰকাৰ, তেনে কিছুমান সুযোগ-সুবিধাক নিৰ্দেশক নীতি হিচাবে সংবিধানত অন্তৰ্ভুক্ত কৰা হৈছে। এই নীতিসমূহৰ আদালতৰ জৰিয়তে সাব্যস্ত কৰিব নোৱাৰি যদিও, এইবোৰ তাৎপৰ্যহীন নহয়। চৰকাৰে আইন প্ৰণয়নৰ ক্ষেত্ৰত এই নীতিসমূহ কাৰ্যকৰী কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

***	স্বাধীন ন্যায়পালিকাৰ ব্যৱস্থা (Provision for Independent Judiciary)ঃ**

স্বাধীন ন্যায়পালিকাৰ ব্যৱস্থা ভাৰতীয় সংবিধানৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। আইন প্ৰণয়নৰ কাৰণে আইনসভাৰ ব্যৱস্থা আছে যদিও, আইনসভাই ৰচনা কৰা আইন সংবিধানসন্মত হৈছেনে নাই, ন্যায়পালিকাই তাৰ বিচাৰ কৰিব পাৰে। সংবিধানখনেই হৈছে আমাৰ মূল আইন। ন্যায়ালয়ত গ্ৰহণ কৰা সিদ্ধান্তৰ ক্ষেত্ৰত সংসদ বা বিধান মণ্ডলে আলোচনা কৰিব নোৱাৰে।

***	সংসদীয় গণতন্ত্ৰ (Parliamentary Democracy) ঃ**

ভাৰতীয় সংবিধানৰ আন এক প্ৰধান বৈশিষ্ট্য হৈছে সংসদীয় গণতন্ত্ৰৰ ব্যৱস্থা। ভাৰতবৰ্ষৰ সংবিধানে সংসদীয় পদ্ধতিৰ চৰকাৰৰহে ব্যৱস্থা কৰিছে। ইয়াত ৰাষ্ট্ৰপ্ৰধান আৰু চৰকাৰ প্ৰধানৰ মাজত প্ৰভেদ আছে। ইয়াত প্ৰধানমন্ত্ৰীৰ নেতৃত্বত গঠিত মন্ত্ৰীপৰিষদে দেশৰ শাসনকাৰ্য পৰিচালনা কৰে। ৰাষ্ট্ৰপতিৰ সকলো ক্ষমতা প্ৰকৃততে মন্ত্ৰীপৰিষদে প্ৰয়োগ কৰে। ভাৰতবৰ্ষৰ শাসনকাৰ্য পৰিচালনাৰ বাবে মন্ত্ৰীপৰিষদ সংসদৰ ওচৰত দায়বদ্ধ। সংসদৰ নিম্নসদন সংখ্যাগৰিষ্ঠ সদস্যৰ সমৰ্থনতহে চৰকাৰ পদত অধিষ্ঠিত থাকে।

***	ন্যায়িক সমীক্ষা (Julicial Review) ঃ**

ন্যায়িক সমীক্ষা ভাৰতীয় সংবিধানৰ আন এক প্ৰধান বৈশিষ্ট্য। ভাৰতৰ উচ্চতম ন্যায়ালয়ে কাৰ্যপালিকা আৰু আইন পালিকাৰ সকলোবোৰ কাৰ্যৰ সাংবিধানিক গ্ৰহণযোগ্যতা বা যুক্তিযুক্ততা বিচাৰ কৰিব পাৰে। ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ

বিচাৰকসকলে কাৰ্যভাৰ গ্ৰহণ কৰোতে সংবিধানখন ৰক্ষা কৰিম বুলি শপত গ্ৰহণ কৰিব লাগে। সেয়েহে উচ্চতম ন্যায়ালয়ে সংবিধানৰ ৰক্ষক বা অভিভাৱক আৰু ব্যাখ্যাকাৰকৰ দায়িত্ব পালন কৰিব লাগে। ন্যায়পালিকাৰ ন্যায়িক সমীক্ষাৰ ক্ষমতা থকা বাবে কোনেও সংবিধানবিৰোধী কাৰ্য সম্পাদন কৰিব নোৱাৰে।

* **জৰুৰীকালীন অৱস্থাসংক্ৰান্ত ব্যৱস্থা (Provisions for Emergency)ঃ**

ভাৰতীয় সংবিধানৰ অষ্টাদশ অংশৰ সন্নিবিষ্ট কৰা জৰুৰীকালীন ব্যৱস্থাসমূহ সংবিধানৰ আন এক প্ৰধান বৈশিষ্ট্য। এই ব্যৱস্থা অনুসৰি জৰুৰী অৱস্থাৰ সন্মুখীন হ'বৰ বাবে ৰাষ্ট্ৰপতিৰ হাতত কিছুমান বিশেষ ক্ষমতা ন্যস্ত কৰা হৈছে। এইবোৰক জৰুৰী ক্ষমতা বুলি কোৱা হয়। সংবিধানত উল্লেখ থকা এই জৰুৰী ক্ষমতাসমূহ হ'ল-

(ক) জাতীয় জৰুৰী অৱস্থা।

(খ) ৰাজ্যত সাংবিধানিক অচলাৱস্থাৰ বাবে জৰুৰী অৱস্থা আৰু

(গ) অৰ্থসংক্ৰান্ত জৰুৰী অৱস্থা।

অৱশ্যে ৰাষ্ট্ৰপতিয়ে নিজে এই ক্ষমতাসমূহ প্ৰয়োগ কৰিব নোৱাৰে। তেওঁ কেন্দ্ৰীয় মন্ত্ৰীসভাৰ লিখিত পৰামৰ্শ অনুসৰিহে জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰে।

* **সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ (Universal Adult Franchise) ঃ**

সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ ব্যৱস্থা ভাৰতীয় সংবিধানৰ আন এক প্ৰধান বৈশিষ্ট্য। সংবিধানৰ ৩২৬ নং অনুচ্ছেদে জাতি, ধৰ্ম, বৰ্ণ, সম্পত্তি, স্ত্ৰী-পুৰুষ নিৰ্বিশেষে সকলো নাগৰিকক ভোটাধিকাৰ প্ৰদান কৰিছে। বৰ্তমান ১৮ বছৰ বয়সপ্ৰাপ্ত সকলো নাগৰিকে ভোট দান কৰিব পাৰে। সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ নীতিয়ে ভাৰতীয় গণতন্ত্ৰৰ ভেঁটি সুদৃঢ় কৰিছে।

ওপৰত ভাৰতীয় সংবিধানৰ বিভিন্ন বৈশিষ্ট্যসমূহ আলোচনা কৰা হ'ল। ইয়াৰ পৰা তোমালোকে বুজিব পাৰিবা যে ভাৰতবৰ্ষৰ সংবিধানৰ যথেষ্ট সামাজিক তাৎপৰ্য আছে। ভাৰতবৰ্ষৰ সংবিধানত দুৰ্বল শ্ৰেণীৰ প্ৰতি বিশেষ আগ্ৰহ প্ৰকাশ কৰা হৈছে। ভাৰতবৰ্ষৰ সংবিধানত ভাৰতীয় জনসাধাৰণৰ ঐতিহাসিক, ৰাজনৈতিক, সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক অৱস্থা প্ৰতিফলিত হৈছে। জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰিবৰ বাবে সংবিধানে যথোপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিছে। সেয়েহে আমি এইটো স্বীকাৰ কৰিব লাগিব যে ভাৰতীয় সংবিধানখন জনসাধাৰণৰ বাবে এখন উপযুক্ত সংবিধান যি জনসাধাৰণৰ সকলো আশা-আকাংক্ষা পূৰণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন (গ)**

(I) ভাৰতীয় সংবিধানৰ এটা বৈশিষ্ট্য উল্লেখ কৰা ?

..........

..........

(II) বৰ্তমান ভাৰতৰ সংবিধানত কেইটা অধ্যায় আছে ?

..........

..........

(III) নাগৰিকৰ এটা মৌলিক অধিকাৰ উল্লেখ কৰা ?

..........

..........

(IV) ৰাষ্ট্ৰপতিয়ে ভোগ কৰা এটা জৰুৰী ক্ষমতা লিখা।

..........

..........

### ২.৫ ভাৰতীয় সংবিধানখন দীঘলীয়া হোৱা কাৰণসমূহ (Reasons for the large size of the constitution) ঃ

ভাৰতীয় সংবিধানখন বিশ্বৰ আটাইতকৈ দীৰ্ঘতৰ লিখিত সংবিধান। ইয়াত প্ৰথমতেই ৩৯৫ টা অনুচ্ছেদ আৰু ৮ অনুসূচী আৰু ২২টা অধ্যায় আছিল। বৰ্তমান ১২টা অনুসূচী ২২টা অধ্যায় আৰু ৪০৭ টা অনুচ্ছেদেৰে ইয়াক এগাৰো অধিকাৰ সংশোধন কৰা হৈছে। ভাৰতীয় সংবিধানখন দীঘলীয়া হোৱাৰ তলত কাৰণসমূহ দাঙি ধৰা হল—

* ভাৰতীয় সংবিধানত কেন্দ্ৰীয় চৰকাৰৰ গঠন পদ্ধতি আৰু ক্ষমতা আৰু কাৰ্য্যাৱলীৰ বিষয়ে বহলাই আলোচনা কৰা হৈছে। জম্মু আৰু কাশ্মীৰৰ বাহিৰে ভাৰতৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ কাৰণে এইখনেই একমাত্ৰ সংবিধান। ৰাজ্যিক চৰকাৰসমূহৰ গঠন আৰু ক্ষমতাসমূহৰ বিষয়ে ইয়াত বহলাই আলোচনা কৰা হৈছে।

* ভাৰতীয় সংবিধানত পৃথিৱীত অন্যান্য দেশৰ সংবিধানৰ প্ৰভাৱ পৰিলক্ষিত হৈছে। ভাৰতীয় সংবিধান প্ৰণেতাসকলে বিশ্বৰ বিভিন্ন দেশৰ শ্ৰেষ্ঠ বৈশিষ্ট্যসমূহ গ্ৰহণ কৰি সেইবোৰক আমাৰ সংবিধানত সন্নিবিষ্ট কৰিছে। তেওঁলোক সেই সংবিধানসমূহৰ দোষ-ত্ৰুটি সম্পৰ্কেও সচেতন আছিল। এনেবোৰ কাৰণতেও ভাৰতীয় সংবিধানখন দীঘলীয়া হৈছে।

*    ভাৰতীয় সংবিধানত নাগৰিকৰ মৌলিক অধিকাৰ আৰু কৰ্তব্যৰ বিষয়ে দীঘলীয়াকৈ আলোচনা কৰা হৈছে আৰু এইবোৰ কাৰণতো সংবিধানৰ আকাৰ দীঘলীয়া হৈছে।

*    ভাৰতবৰ্ষ এখন সমস্যাবহুল দেশ। এই সমস্যাবোৰক সংবিধানৰ জৰিয়তে সমাধান কৰিবলৈ চেষ্টা কৰা হৈছে। উদাহৰণস্বৰূপে—অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিসকলৰ সমস্যা সমাধানৰ অৰ্থে এটা সম্পূৰ্ণ অধ্যায় লিপিবদ্ধ কৰা হৈছে। ঠিক সেইদৰে চৰকাৰী ভাষা সম্পৰ্কেও এটা সম্পূৰ্ণ অধ্যায় আছে। এনে কাৰণতো সংবিধানৰ আকাৰ বৃদ্ধি হৈছে।

*    সংবিধানৰ অধীনস্থ ভালেমান ৰাজনৈতিক অনুষ্ঠানৰ গঠন ক্ষমতা আৰু এই বিলাকৰ কাৰ্যপদ্ধতি সম্পৰ্কে বহলাই আলোচনা কৰা কাৰণেও সংবিধানখন দীঘলীয়া হৈছে। উদাহৰণস্বৰূপে– নিৰ্বাচনী আয়োগ, কেন্দ্ৰীয় লোকসেৱা আয়োগ ইত্যাদিৰ গঠন, ক্ষমতাৰ বিষয়েও ইয়াত বহলাই আলোচনা কৰা হৈছে।

*    জাতি, ধৰ্ম, ভাষা, বৰ্ণ ভিত্তিত বিভক্ত বিভিন্ন শ্ৰেণীৰ জনসাধাৰণৰ অৰ্থনৈতিক স্বাৰ্থ আৰু মানৱীয় অধিকাৰবিলাকক সুৰক্ষা দান কৰিবৰ কাৰণে গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ কাৰণেও সংবিধাখন দীঘলীয়া হৈছে।

*    ভাৰতবৰ্ষৰ অঙ্গৰাজ্যসমূহৰ পৃথক সংবিধান নাই। পৃথিবীৰ অন্যান্য যুক্তৰাষ্ট্ৰসমূহৰ পৃথক সংবিধান আছে। কিন্তু ভাৰতবৰ্ষত একেখন সংবিধানতে ৰাজ্য আৰু কেন্দ্ৰৰ শাসন ব্যৱস্থা সম্পৰ্কে উল্লেখ কৰা হৈছে। কেন্দ্ৰ আৰু ৰাজ্য উভয়ৰ শাসনব্যৱস্থাৰ বিষয়ে একেখন সংবিধানত সকলো কথা লিপিবদ্ধ কৰিবলৈ লোৱাত সংবিধানৰ আকাৰ বৃদ্ধি পাইছে।

*    ভাৰতবৰ্ষত নানা জাতি-উপজাতি, ধৰ্ম আদিৰ মানুহ বাস কৰে। এই সকলো মানুহৰ নিৰাপত্তাৰ ব্যৱস্থা কৰিব লগা হোৱাৰ কাৰণেও সংবিধানৰ আকাৰ বৃদ্ধি পাইছে।

*    ভাৰতৰ সংবিধানত এককেন্দ্ৰীক আৰু যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বৈশিষ্ট্য থকা দেখা যায়। এই দুয়োবিধ শাসন ব্যৱস্থাৰ মাজত সমন্বয় সাধন কৰোতে সংবিধানত বহুতো কথা ব্যাখ্যা কৰিব লগা হৈছে। ভাৰতবৰ্ষত শাসন ব্যৱস্থা মন্ত্ৰীসভা পৰিচালিত যদিও ৰাষ্ট্ৰপতিৰ কিছুমান জৰুৰী ক্ষমতা দিয়া হৈছে। এই ক্ষমতা সম্পৰ্কেও সংবিধানত বহুল ভাৱে আলোচনা কৰা হৈছে। সেয়েও সংবিধানৰ আকাৰ বৃদ্ধি পাইছে।

*    ১৯৫০ চনৰ পৰা বৰ্তমানলৈকে সংবিধানৰ বিভিন্ন সময়ত হোৱা সংশোধনীয়েও ইয়াৰ আকাৰ বৃদ্ধি কৰিছে।

## ২.৬ সামৰণি (Let us sum up) ঃ

ওপৰৰ আলোচনাৰ পৰা তোমালোকে নিশ্চয় বুজি পাইছা যে দেশ এখন পৰিচালনাৰ বাবে এখন সংবিধানৰ অত্যন্ত প্ৰয়োজন। কাৰণ জনসাধাৰণক ৰক্ষণা-বেক্ষণ দিবৰ বাবে এখন লিখিত বা অলিখিত সংবিধানৰ নিতান্তই প্ৰয়োজন। আমাৰ ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰা পিছতেই দেশৰ জনসাধাৰণৰ বাবে এখন সংবিধানৰ প্ৰয়োজনীয়তা জাতীয় কংগ্ৰেছে অনুভৱ কৰিছিল। সেয়েহে ড°আম্বেডকাৰৰ নেতৃত্বত গঠিত সংবিধানৰ খচৰা কমিটিয়ে সংবিধানৰ খচৰা প্ৰস্তুত কৰি উলিয়াইছিল।

এই গোটটিয়ে তোমালোকক ভাৰতীয় সংবিধানৰ প্ৰস্তাবনা সম্পৰ্কে যি ব্যাখ্যা দাঙি ধৰিছে তাক অধ্যয়ন কৰি তোমালোকে প্ৰস্তাবনাৰ লক্ষ্য, উদ্দেশ্য, ইয়াৰ আদৰ্শসমূহ জনাৰ উপৰিও প্ৰস্তাৱনাৰ গুৰুত্ব আৰু তাৎপৰ্য সম্পৰ্কে জ্ঞান লাভ কৰিব পাৰিবা

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাৰ আদৰ্শৰ জৰিয়তেই তোমালোকে ভাৰতীয় সংবিধানৰ বিভিন্ন বৈশিষ্ট্যসমূহ, নাগৰিক অধিকাৰ আৰু কৰ্তব্য আদিৰ বিষয়ে জনাৰ উপৰিও ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে অৱগত হ'ব পাৰিবা। লগতে তোমালোকে ভাৰতীয় সংবিধানখন কিয় পৃথিৱীৰ ভিতৰতেই দীঘলীয়া হ'ল তাৰ কাৰণসমূহো বিশ্লেষণ কৰিব পাৰিবা। শেষত ইয়াকে কব পাৰি যে প্ৰত্যেক গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনৰ বাবে সংবিধান এখনৰ বিশেষ প্ৰয়োজন। কাৰ্যত ই লিখিত হওক বা অলিখিতই হওঁক। জনসাধাৰণ তথা চৰকাৰৰ এই সংবিধানৰ নীতি-নিয়ম মানি চলিবলৈ বাধ্য হ'বই লাগিব। ইয়াৰ প্ৰয়োজনীয়তাক কোনেও উলাই কৰিব নোৱাৰে।

## ২ .৭ ঘাই শব্দ সমূহ (Key words) ঃ

সাৰ্বভৌমত্ব – চৰম ক্ষমতা ৰাষ্ট্ৰৰ হাতত থকা

আইন– ৰাষ্ট্ৰৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত নীতি-নিয়ম।

গনতান্ত্ৰিক– য'ত জনসাধাৰণৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হয়।

ধৰ্ম নিৰপেক্ষ– কোনো ধৰ্মৰ প্ৰতি বিশেষ গুৰুত্ব নিদিয়া, সকলো ধৰ্মকে সমানে হিচাপে বিবেচনা কৰা।

বিধানমণ্ডল– আইন পালিকা, চৰকাৰ এটা প্ৰধান অংগ।

সমতা– সকলোকে সমান হিচাপে বিবেচনা কৰা।

## ২.৮ পাঠ্য নিৰ্দেশনা (Suggested readings) ঃ

১) স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা - নায়ক, পাল আৰু সূভাশীষ শৰ্মা।

২) ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি - পুৰন্দৰ গগৈ।

৩) ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি - নবীন গোহাঁই, দ্বীপেন দাস

৪) Indian Government and Politics - Prakash Chander

৫) ভাৰতৰ ৰাজনীতি আৰু চৰকাৰ - ড°থানেশ্বৰ লাহন।

৬) Indian Government and Politics - A. S Narang

## ২.৯ আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ (Possible answers to check your progress) ঃ

(ক)

i) ১৯৪৯ চনৰ ১৭ অক্টোবৰ তাৰিখে।

ii) আমি ভাৰতবাসী সকলো লোকে।

iii) সাৰ্বভৌম, সমাজবাদী, ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক গণৰাজ্য।

iv) ৪২ তম সংশোধনীৰ জৰিয়তে।

(খ)

i) ৰাজনৈতিক ন্যায়, সামাজিক ন্যায় অৰ্থনৈতিক ন্যায়।

ii) ন্যায় আৰু সমতা।

iii) নহয়।

iv) আত্মা।

(গ)

i) দীৰ্ঘতম লিখিত সংবিধান।

ii) ২২টা অধ্যায়

iii) সমতাৰ অধিকাৰ।

iv) জাতীয় জৰুৰী অৱস্থা।

## ২.১০ প্ৰসংগ পুথি (References)


(১) Indian Government and politics-
Prakash Chander
Cosmos Booklive (P)Ltd.

(২) Indian Government and politics.-
A.S. Narang.
Gitanjali Publishing House,
New Delhi

(৩) ভাৰতৰ ৰাজনীতি আৰু চৰকাৰ - ড°থানেশ্বৰ লাহন।
Student Emporium, Dibrugarh

(৪) ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি - নবীন গোহাঁই, দ্বীপেন দাস
বিদ্যাভৱন, যোৰহাট।

(৫) স্নাতক মহলাৰ ভৰতৰ ৰাজনৈতিক ব্যৱস্থা– নায়ক, পাল আৰু সূভাশীষ শৰ্মা।
অৰুণ প্ৰকাশন, গুৱাহাটী।


## ২.১১ আৰ্হি প্ৰশ্ন ঃ

১) প্ৰস্তাৱনাত নাগৰিকক কি কি ক্ষেত্ৰত ন্যায় প্ৰদান কৰা হৈছে?

২) প্ৰস্তাৱনাত উল্লেখ থকা আদৰ্শসমূহ কি কি?

৩) ভাৰতীয় সংবিধানত প্ৰস্তাৱনাটো লিখা?

৪) প্ৰস্তাৱনাত উল্লেখ থকা ভ্ৰাতৃত্ববোধৰ বিষয়ে চমু টোকা লিখা।

৫) প্ৰস্তাৱনাৰ তাৎপৰ্যৰ বিষয়ে লিখা।

৬) ভাৰতীয় সংবিধানৰ চাৰিটা বৈশিষ্ট্য লিখা।

৭) ভাৰতক কিয় গণৰাজ্য বুলি কোৱা হয়?

৮) ভাৰতীয় সংবিধানৰ বৈশিষ্টসমূহ আলোচনা কৰা।

৯) ভাৰতীয় সংবিধানৰ প্ৰস্তৱনাৰ আদৰ্শ আৰু তাৎপৰ্যৰ বিষয়ে আলোচনা কৰা।

১০) ভাৰতীয় সংবিধানখন দীঘলীয়া হোৱাৰ কাৰণসমূহ আলোচনা কৰা।

# গোট - ২

**(Unit-2)**

## ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ ; মৌলিক কৰ্তব্য আৰু ৰাষ্ট্ৰপৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ

গঠন বিন্যাস ঃ

২.১ উদ্ধেশ্য
২.২ প্ৰস্তাৱনা
২.৩ মৌলিক অধিকাৰৰ অৰ্থ
 ২.৩.১ ভাৰতীয় সংবিধানত সন্নিৱিষ্ট মৌলিক অধিকাৰসমূহ
 ২.৩.২ মৌলিক অধিকাৰৰ বৈশিষ্ট্য
 ২.৩.৩ মৌলিক অধিকাৰৰ সীমাৱদ্ধতা
 ২.৩.৪ মৌলিক অধিকাৰৰ গুৰুত্ব
 ২.৩.৫ মৌলিক অধিকাৰ সংশোধন কৰিব পাৰিনে?
 আত্মমূল্যায়নৰ প্ৰশ্ন (ক)
২.৪. নিৰ্দেশাত্মক নীতি
 ২.৪.১ ভাৰতীয় সংবিধানত সন্নিৱিষ্ট নিৰ্দেশাত্মক নীতিসমূহ
 ২.৪.২ নিৰ্দেশাত্মক নীতিৰ বৈশিষ্ট্য
 ২.৪.৩ নিৰ্দেশাত্মক নীতিৰ গুৰুত্ব আৰু তাৎপৰ্য্য
 ২.৪.৪ মৌলিক অধিকাৰ আৰু নিৰ্দেশাত্মক নীতিৰ পাৰ্থক্য
 আত্মমূল্যায়নৰ প্ৰশ্ন (খ)
২.৫ মৌলিক কৰ্তব্য
 ২.৫.১ ভাৰতীয় সংবিধানত থকা নাগৰিকৰ মৌলিক কৰ্তব্য
 ২.৫.২ মৌলিক কৰ্তব্যৰ প্ৰকৃতি
 ২.৫.৩ মৌলিক কৰ্তব্যৰ গুৰুত্ব
 ২.৫.৪ মৌলিক কৰ্তব্যৰ সমালোচনা
 .আত্মমূল্যায়নৰ প্ৰশ্ন(গ)
২.৬ সামৰণি
২.৭. ঘাই শব্দ
২.৮. পাঠ্য নিৰ্দেশনা
২.৯ আত্মমূল্যায়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ
২.১০ প্ৰসংগ পুথি
২.১১ আৰ্হি প্ৰশ্ন

**২.১ উদ্দেশ্য ঃ**

এই গোটটি অধ্যয়ন কৰাৰ পাছত তোমালোকে-

- মৌলিক অধিকাৰৰ অৰ্থ জানিব পাৰিবা।
- ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰবোৰৰ বিষয়ে জানিব পাৰিবা।
- মৌলিক অধিকাৰৰ বৈশিষ্ট্য আৰু গুৰুত্ব সম্পৰ্কে জানিব পাৰিবা।
- মৌলিক অধিকাৰৰ ক্ষেত্ৰত থকা সীমাবদ্ধতাসমূহ জানিব পাৰিবা।
- ভাৰতীয় সংবিধানত থকা ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ আৰু ইয়াৰ বৈশিষ্ট্যৰ বিষয়ে জানিব পাৰিবা।
- নিৰ্দেশাত্মক নীতিৰ গুৰুত্ব আৰু তাৎপৰ্য্য সম্পৰ্কে জানিব পাৰিবা।
- মৌলিক অধিকাৰৰ লগত নিৰ্দেশাত্মক নীতিৰ প্ৰভেদসমূহ জানিব পাৰিবা।
- ভাৰতীয় নাগৰিকৰ মৌলিক কৰ্তব্যসমূহ জানিব পাৰিবা।
- মৌলিক কৰ্তব্যৰ প্ৰকৃতি আৰু গুৰুত্ব সম্পৰ্কে জানিব পাৰিবা।
- মৌলিক কৰ্তব্যৰ সমালোচনা সম্পৰ্কে জানিব পাৰিবা।

**২.২. প্ৰস্তাৱনা ঃ**

'ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি' পাঠ্যক্ৰমৰ এইটো হৈছে ২য় খণ্ডৰ ২য় গোট। এই গোটটিত আমি ভাৰতীয় সংবিধানত থকা ৰাষ্ট্ৰখনৰ নাগৰিকসকলে উপভোগ কৰা মৌলিক অধিকাৰ, ইয়াৰ বৈশিষ্ট্য, ভাৰতীয় নাগৰিকৰ মৌলিক কৰ্তব্য আৰু ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহৰ বিষয়ে আলোচনা কৰিম।

তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে আধুনিক কালত বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰই দেশৰ শাসন-কাৰ্য্য পৰিচালনাৰ বাবে এখন সংবিধান ৰচনা কৰি লয়। এই সংবিধানতেই ৰাষ্ট্ৰপৰিচালনাৰ সকলোবিলাক বিষয় সন্নিবিষ্ট হৈ থাকে। বৰ্তমান সময়ত প্ৰতিখন ৰাষ্ট্ৰই গণতান্ত্ৰিক শাসন ব্যৱস্থাকে আকোঁৱালী লৈছে। এই গণতান্ত্ৰিক ব্যৱস্থাত ৰাষ্ট্ৰখনৰ নাগৰিক সকলৰ ওপৰত যথোচিত গুৰুত্ব প্ৰদান কৰা হয়। সেয়ে বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰৰ সংবিধানে নাগৰিকসকলক নিজৰ ব্যক্তিত্ব আৰু প্ৰতিভা বিকাশৰ সুযোগ-সুবিধা প্ৰদান কৰিছে। এইক্ষেত্ৰত নাগৰিকৰ মৌলিক অধিকাৰ, ৰাষ্ট্ৰপৰিচালনাৰ নিৰ্দেশাত্মক নীতি, ৰাষ্ট্ৰৰ প্ৰতি থকা নাগৰিকৰ কৰ্তব্য আদি উল্লেখযোগ্য। বৰ্তমান বিশ্বৰ প্ৰতিখন ৰাষ্ট্ৰৰ সংবিধানত নাগৰিকৰ এনেবিলাক বিষয় সন্নিবিষ্ট থাকে। গণতান্ত্ৰিক ব্যৱস্থাক অনুসৰণ কৰিয়ে আমাৰ ভাৰতবৰ্ষৰ সংবিধানেও ৰাষ্ট্ৰখনৰ নাগৰিকৰ বাবে কিছুমান অধিকাৰ, কৰ্তব্যৰ লগতে ৰাষ্ট্ৰপৰিচালনাৰ বাবে কেতবোৰ নিৰ্দেশাত্মক নীতি সন্নিৱিষ্ট কৰিছে। এই গোটটিত তোমালোকক ভাৰতীয় সংবিধানত উল্লেখ থকা নাগৰিকৰ এই অধিকাৰ, কৰ্তব্যৰ লগতে ৰাষ্ট্ৰপৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহৰ বিষয়ে ব্যাখ্যা দাঙি ধৰা হৈছে।

এই গোটটিৰ অধ্যয়নৰ জৰিয়তে তোমালোকে ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰ, ইয়াৰ বৈশিষ্ট্য, সীমাৰদ্ধতাৰ লগতে ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি সমূহ আৰু ৰাষ্ট্ৰৰ প্ৰতি নাগৰিকসকলে সম্পাদন কৰিব লগা কৰ্তব্যসমূহ জানিবলৈ সক্ষম হ'বা।

## ২.৩ মৌলিক অধিকাৰৰ অৰ্থ ঃ

প্ৰত্যেক ব্যক্তিকে নিজস্ব প্ৰতিভা বিকাশ আৰু ব্যক্তিত্ব প্ৰকাশৰ বাবে কিছুমান সুযোগ-সুবিধাৰ প্ৰয়োজন হয়। ৰাজনীতি বিজ্ঞানত এনে সুযোগ-সুবিধাকে অধিকাৰ বুলি কোৱা হয়। ব্যক্তিৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ বাবে এনে অধিকাৰ অপৰিহাৰ্য হোৱাৰ বাবে এনে অধিকাৰবোৰক মৌলিক অধিকাৰ বুলি কোৱা হয়। এই অধিকাৰবোৰৰ অবিহনে কোনো এখন ৰাষ্ট্ৰ প্ৰকৃতাৰ্থত গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ব নোৱাৰে। সেয়েহে আধুনিক কালত প্ৰতিখন গণতান্ত্ৰিক ৰাষ্ট্ৰই নিজৰ সংবিধানত নাগৰিকৰ বাবে এই মৌলিক অধিকাৰ সন্নিৱিষ্ট কৰিছে।

আমাৰ ভাৰতবৰ্ষৰ সংবিধানেও ৰাষ্ট্ৰখনৰ নাগৰিকসকলৰ বাবে এনে কিছুমান সুযোগ-সুবিধা প্ৰদান কৰিছে। এই সুযোগ-সুবিধাবোৰক সংবিধানে মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিছে। এই মৌলিক অধিকাৰসমূহ কোনেও ভংগ কৰিব নোৱাৰে। এইবোৰ ন্যায়ালয়ৰ যোগেদি ৰক্ষা কৰিব পাৰি। তদুপৰি এই মৌলিক অধিকাৰসমূহ শাসন বিভাগ আৰু আইন বিভাগৰ কৰ্তৃত্বৰ পৰিসীমাৰ বাহিৰত থাকে।

### ২.৩.১. ভাৰতীয় সংবিধানত সন্নিৱিষ্ট মৌলিক অধিকাৰসমূহ ঃ

ভাৰতবৰ্ষৰ সংবিধানৰ তৃতীয় অংশত (Part-III) নাগৰিকৰ মৌলিক অধিকাৰ সমূহ লিপিবদ্ধ কৰা হৈছে। সংবিধানৰ ১২ নং অনুচ্ছেদৰ পৰা ৩৫ নং অনুচ্ছেদলৈ মুঠ ২৪টা অনুচ্ছেদত এই অধিকাৰসমূহ সন্নিৱিষ্ট কৰা হৈছে। সংবিধান প্ৰণেতাসকলে সংবিধানত নাগৰিকৰ বাবে সাত প্ৰকাৰৰ মৌলিক অধিকাৰ সংযোজন কৰিছিল। কিন্তু ১৯৭৮ চনত হোৱা ভাৰতৰ সংবিধানৰ ৪৪তম সংবিধান সংশোধনীৰ যোগেদি সম্পত্তিৰ অধিকাৰক মৌলিক অধিকাৰ হিচাপে বাতিল কৰে। বৰ্তমান সম্পত্তিৰ অধিকাৰ নাগৰিকৰ এক আইনগত অধিকাৰহে। সেই অনুসৰি বৰ্তমান ভাৰতীয় সংবিধানত ছয় প্ৰকাৰৰ মৌলিক অধিকাৰহে স্বীকৃত হৈ আছে। সেই অধিকাৰসমূহ হ'ল -

ক) সমতাৰ অধিকাৰ (Right to Equality)

খ) স্বাধীনতাৰ অধিকাৰ (Right to Freedom)

গ) শোষণৰ বিৰুদ্ধে অধিকাৰ (Right against Exploitaion)

ঘ) ধৰ্মীয় অধিকাৰ (Right to Religion)

ঙ) সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ (Cultural and Educational Right)

চ) সংবিধানিক প্ৰতিকাৰৰ অধিকাৰ (Right to Constitutional Remedies)

তলত এই অধিকাৰসমূহ বহলাই আলোচনা কৰা হ'ল-

**ক) সমতাৰ অধিকাৰ (Right to Equality) ঃ**

ভাৰতবৰ্ষৰ সংবিধানৰ ১৪-১৮ নং অনুচ্ছেদত সমতাৰ অধিকাৰ সন্নিৱিষ্ট কৰা হৈছে। এই অনুচ্ছেদ সমূহৰ জৰিয়তে সকলো ভাৰতীয় লোকৰ মাজত সমতা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰা হৈছে। সংবিধানৰ ১৪ নং অনুচ্ছেদ অনুযায়ী ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত কোনো ব্যক্তিক 'আইনৰ দৃষ্টিৰ সমতা' অথবা 'আইন সমূহৰদ্বাৰা সমভাৱে ৰত' হোৱাৰ অধিকাৰৰ পৰা বঞ্চিত কৰিব নোৱাৰি। ইয়াৰ অৰ্থ হ'ল ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত বাস কৰা সকলো মানুহেই আইনৰ দৃষ্টিত সমান ব্যৱহাৰ পাব আৰু আইনে সকলোকে সমানে ৰক্ষণাবেক্ষণ দিব। ভাৰতবৰ্ষৰ সকলো লোককে একে আইনৰ যোগেদি বিচাৰ কৰা হয় আৰু সমান দোষৰ বাবে সমান শাস্তি প্ৰদান কৰা হয়। এই অনুচ্ছেদে আইনসভা আৰু শাসন বিভাগ উভয়কে পক্ষপাতিত্বমূলক আইন প্ৰণয়ন আৰু প্ৰশাসন পৰিচালনা কৰাত বাধা প্ৰদান কৰিছে। ১৫ নং অনুচ্ছেদ অনুযায়ী চৰকাৰে কেৱল ধৰ্ম, জাতি, বৰ্ণ, লিংগ, জন্মস্থানৰ ভিত্তিত কোনো ক্ষেত্ৰতে কোনো ধৰণৰ বিভেদৰ সৃষ্টি কৰিব নোৱাৰিব। দোকান-পোহাৰ, সামূহিক ভোজনালয়, ৰাজহুৱা আমোদ-প্ৰমোদৰ স্থানত প্ৰৱেশ, ৰাজহুৱা পুখুৰি, গা-ধোৱা ঘাট, বাট-পথ আদিৰ ব্যৱহাৰত চৰকাৰে কোনোধৰণৰ বৈষম্যমূলক নীতি গ্ৰহণ কৰিব নোৱাৰিব। ১৬নং অনুচ্ছেদ অনুসৰি চৰকাৰৰ অধীনৰ পদত নিয়োগৰ ক্ষেত্ৰত সকলো নাগৰিকৰে সুযোগৰ সমতা থাকিব। এই ক্ষেত্ৰত কোনো ধৰণৰ বৈষম্যমূলক নীতি গ্ৰহণ কৰিব নোৱাৰিব। কোনো পিছপৰা শ্ৰেণীৰ লোকে কোনো সেৱাত আনুপাতিক প্ৰতিনিধিত্ব নাপালে বিশেষভাৱে সংৰক্ষণৰদ্বাৰা তাৰ ব্যৱস্থা কৰিব লাগিব। ১৭ নং অনুচ্ছেদ অনুযায়ী অস্পৃশ্যতা বিলোপ কৰিব লাগিব। অস্পৃশ্যতাৰ বাবে কোনো লোকক অযোগ্য বুলি ঘোষণা কৰিব নোৱাৰি। কোনো ব্যক্তিয়ে এই নীতিক অনুসৰণ কৰিলে আইনমতে তেওঁক শাস্তি প্ৰদান কৰা হ'ব। ১৮ নং অনুচ্ছেদ অনুসৰি সামৰিক বা বিদ্যায়তনিক উপাধিৰ বাহিৰে চৰকাৰে অন্য কোনো উপাধি প্ৰদান কৰিব নোৱাৰিব। ভাৰতৰ ৰাষ্ট্ৰপতিৰ অনুমতি অবিহনে ভাৰত চৰকাৰৰ অধীনত চাকৰি কৰা কোনো বিদেশী লোকে বিদেশী ৰাষ্ট্ৰই প্ৰদান কৰা কোনো উপাধি গ্ৰহণ কৰিব নোৱাৰিব।

**খ) স্বাধীনতাৰ অধিকাৰ (Right to Freedom)ঃ**

ভাৰতীয় সংবিধানৰ ১৯ৰ পৰা ২২নং অনুচ্ছেদলৈকে ভাৰতীয় নাগৰিকৰ স্বাধীনতাৰ অধিকাৰসমূহ সন্নিৱিষ্ট কৰা হৈছে। সংবিধানৰ ১৯ নং অনুচ্ছেদ অনুসৰি ভাৰতীয় নাগৰিকে ছয় প্ৰকাৰৰ স্বাধীনতা উপভোগ কৰে। সেইবোৰ হ'ল--

১) বাক স্বাধীনতা আৰু মত প্ৰকাশৰ অধিকাৰ
২) অস্ত্ৰবিহীন ভাবে শান্তিপূৰ্ণভাৱে সমৱেত হোৱাৰ অধিকাৰ।
৩) সংস্থা বা সংঘ গঠন কৰাৰ অধিকাৰ।
৪) ভাৰতবৰ্ষৰ চাৰিসীমাৰ ভিতৰত স্বাধীনভাৱে ঘূৰা-ফুৰা কৰাৰ অধিকাৰ।
৫) ভাৰতবৰ্ষৰ যিকোনো অঞ্চলত বসবাস কৰাৰ অধিকাৰ।
৬) যি কোনো বৃত্তি গ্ৰহণ বা ব্যৱসায় কৰাৰ অধিকাৰ।

অৱশ্যে ভাৰতীয় নাগৰিকৰ এই অধিকাৰসমূহ চৰম নহয়। চৰকাৰে এই অধিকাৰ উপভোগ কৰাৰ ক্ষেত্ৰত যুক্তিসংগত কাৰণত বাধা-নিষেধ আৰূপ কৰিব পাৰে। সংবিধানৰ ২০ নং অনুচ্ছেদ অনুসৰি অপৰাধ প্ৰমাণিত নোহোৱাকৈ কোনো ব্যক্তিক দোষী সাব্যস্ত কৰি শাস্তি বিহিব নোৱাৰিব। ২১ নং অনুচ্ছেদ অনুসৰি আইনৰ দ্বাৰা স্থাপিত কোনো প্ৰক্ৰিয়াৰ বাহিৰে কোনো ব্যক্তি-জীৱন আৰু ব্যক্তি-স্বাধীনতাৰ পৰা বঞ্চিত হ'ব নোৱাৰিব। ২২ নং অনুচ্ছেদ অনুসৰি বন্দীকৃত কোনো ব্যক্তিক বন্দীকৰণৰ কাৰণ নজনোৱাকৈ অধিক কাল আটক কৰি ৰাখিব নোৱাৰিব। এনে বন্দীকৃত ব্যক্তি ২৪ ঘন্টাৰ ভিতৰত কোনো দণ্ডাধীশৰ আদালতত হাজিৰ কৰাব লাগিব।

**গ) শোষণৰ বিৰুদ্ধে অধিকাৰ (Right against Exploitation) :**

ভাৰতীয় সংবিধানৰ ২৩ আৰু ২৪ নং অনুচ্ছেদত শোষণৰ বিৰুদ্ধে অধিকাৰ সন্নিৱিষ্ট কৰা হৈছে। ২৩নং অনুচ্ছেদ অনুযায়ী কোৱা হৈছে যে মানুহ বেচা-কিনা, বিনা বেতনত কাম নিয়োগ কৰা বা বলপূৰ্বক শ্ৰম আদায় কৰাটো দণ্ডনীয় হ'ব। অৱশ্যে ৰাষ্ট্ৰই জনস্বাৰ্থ জড়িত কামৰ ক্ষেত্ৰত বাধ্যতামূলক শ্ৰমদানৰ ব্যৱস্থা কৰিব পাৰে। তদুপৰি চৰকাৰে জাতি, ধৰ্ম, বৰ্ণ বা শ্ৰেণী নিৰ্বিশেষে সকলো ব্যক্তিকে বাধ্যতামূলকভাৱে কোনো কামত নিযুক্ত কৰিব পাৰে। আকৌ ২৪নং অনুচ্ছেদত কোৱা হৈছে যে ১৪ বছৰ বয়সৰ
তলৰ কোনো লৰা-ছোৱালীক কোনো কল-কাৰখানা, খনি বা আন কোনো বিপদজনক কামত নিয়োগ কৰিব নোৱাৰিব। মূলতঃ সমাজৰ দূৰ্বল শ্ৰেণীৰ লোকক কোনেও যাতে শোষণ কৰিব নোৱাৰে তাৰ বাবেই এই ব্যৱস্থা ভাৰতীয় সংবিধানত গ্ৰহণ কৰা হৈছে।

**(ঘ) ধৰ্মীয় অধিকাৰ (Right of Religion) ঃ**

ভাৰতীয় সংবিধানত ২৫ৰ পৰা ২৮নং অনুচ্ছেদলৈ ধৰ্মীয় অধিকাৰৰ কথা কোৱা হৈছে। ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত থকা ধৰ্মনিৰপেক্ষ নীতি অনুসৰিয়ে ভাৰতীয় নাগৰিকক ধৰ্মীয় অধিকাৰ দিয়া হৈছে। ২৫নং অনুচ্ছেদ অনুসৰি প্ৰত্যেক

ভাৰতীয় নাগৰিকে নিজ নিজ বিশ্বাস আৰু বিবেক অনুসৰি কোনো ধৰ্ম গ্ৰহণ কৰাৰ লগতে ধৰ্ম চৰ্চা আৰু প্ৰচাৰ কৰিব পাৰে । ২৬নং অনুচ্ছেদ মতে ভাৰতীয় নাগৰিকসকলে ধৰ্মীয় অনুষ্ঠান আদি প্ৰতিষ্ঠা কৰিব পাৰে, স্থাবৰ-অস্থাবৰ সম্পত্তি অধিগ্ৰহণ কৰিব পাৰে আৰু আইনমতে সেই সম্পত্তি ব্যৱহাৰ কৰিবলৈ সকলো ধৰ্মীয় লোৱাৰ অধিকাৰ থাকিব।২৭ নং অনুচ্ছেদ অনুসৰি কোনো বিশেষ ধৰ্মৰ উন্নতিৰ কাৰণে নাগৰিকৰ পৰা বলপূৰ্বকভাৱে ৰাজহ তথা কৰ আদায় কৰিব নোৱাৰিব। ২৮নং অনুচ্ছেদ মতে চৰকাৰৰ দ্বাৰা পৰিচালিত কোনো শিক্ষা-প্ৰতিষ্ঠানতে ধৰ্মীয় শিক্ষা প্ৰদান কৰিব নোৱাৰিব। গতিকে ধৰ্মীয় অধিকাৰ প্ৰদানৰ জৰিয়তে ধৰ্মৰ ভিত্তিত যাতে ভাৰতীয় লোকসকলৰ মাজত কোনোধৰণৰ বৈষম্য সৃষ্টি কৰিব নোৱাৰে তাৰ ব্যৱস্থা কৰা হৈছে।

**ঙ) সাংস্কৃতিক আৰু শিক্ষাৰ অধিকাৰ (Cultural and Educational Rights)ঃ**

ভাৰতীয় সংবিধানে সকলো শ্ৰেণীৰ লোকৰ বাবে শিক্ষা আৰু সাংস্কৃতিক অধিকাৰ প্ৰদান কৰিছে। সংবিধানৰ ২৯নং আৰু ৩০নং অনুচ্ছেদত সাংস্কৃতিক আৰু শিক্ষা বিষয়ক অধিকাৰৰ উল্লেখ আছে। ২৯নং অনুচ্ছদ অনুসৰি সুকীয়া ভাষা, লিপি, কৃষ্টি-সংস্কৃতি থকা সকলো নাগৰিকৰে সেইবোৰ সংৰক্ষণ কৰাৰ অধিকাৰ থাকিব। চৰকাৰৰ দ্বাৰা বা পৃষ্ঠপোষকতাত পৰিচালিত কোনো শিক্ষা প্ৰতিষ্ঠানতে ধৰ্ম, জাতি, বৰ্ণ, ভাষা বা তাৰ যি কোনো এটাৰ ভিত্তিত কোনো ব্যক্তিক নাম ভৰ্ত্তিৰ পৰা বঞ্চিত কৰিব পৰা নাযাব। ৩০নং অনুচ্ছেদ অনুসৰি ধৰ্মৰ ভিত্তিতেই হওঁক বা ভাষাৰ ভিত্তিতেই হওঁক সকলো সংখালঘু সম্প্ৰদায়ৰ লোকৰে নিজৰ মতে শিক্ষানুষ্ঠান প্ৰতিষ্ঠা আৰু পৰিচালনা কৰাৰ অধিকাৰ থাকিব। চৰকাৰে শিক্ষানুষ্ঠানসমূহলৈ সাহাৰ্য্য আগবঢ়াওঁতে কোনো ভাষাগত বা ধৰ্মগত সংখ্যালঘু সম্প্ৰদায়ৰ দ্বাৰা পৰিচালিত প্ৰতিষ্ঠানৰ প্ৰতি বৈষম্যমূলক নীতি গ্ৰহণ কৰিব নোৱাৰিব।

এই ক্ষেত্ৰত তোমালোকে জনা প্ৰয়োজন যে ভাৰতীয় সংবিধানৰ ৮৬ সংখ্যক সংশোধনী আইন,২০০২ অনুসৰি ৬ ৰ পৰা ১৪ বছৰ বয়সৰ প্ৰতিজন শিশুৰ বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ অধিকাৰ দিয়া হৈছে। সেই অনুসৰিয়ে ২০০৯ চনত শিশুসকলৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা আইন, ২০০৯ গ্ৰহণ কৰা হৈছে। গতিকে বৰ্তমান ইয়াক সংবিধানৰ তৃতীয় অংশৰ অধীনত এক ন্যায় বিচাৰযোগ্য অধিকাৰ হিচাপে স্বীকৃতি দিয়া হৈছে।

**চ) সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ (Rights to constitutional Remedies)ঃ**

ভাৰতীয় সংবিধানৰ ৩২ৰ পৰা ৩৫নং অনুচ্ছেদলৈকে সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰৰ বিষয়ে উল্লেখ আছে। ভাৰতীয় সংবিধানত সন্নিৱিষ্ট থকা অধিকাৰসমূহক

অধিক কাৰ্য্যক্ষম কৰি তুলিবলৈ ভাৰতীয় নাগৰিকৰ বাবে সংবিধানত কিছুমান প্ৰতিকাৰমূলক ব্যৱস্থা সংযোজন কৰা হৈছে। এই সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰৰ জৰিয়তে ভাৰতীয় নাগৰিকে তেওঁলোকৰ অধিকাৰসমূহক ৰক্ষণা-বেক্ষন কৰিব পাৰে। সংবিধানৰ ৩২ আৰু ২২৬নং অনুচ্ছেদৰ জৰিয়তে নাগৰিক সকলে অধিকাৰ ৰক্ষাৰ কাৰণে আদালতৰ কাষ চাপিব পাৰে। কোনো ব্যক্তি, সংস্থা নাইবা চৰকাৰৰ কোনো কাৰ্য্যৰ দ্বাৰা নাগৰিকৰ অধিকাৰ খৰ্ব হলে উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়ত তেনে কাৰ্য্যৰ বিৰুদ্ধে গোচৰ উত্থাপন কৰিব পাৰি। ন্যায়ালয়ে লেখ (write) জাৰি কৰি নাগিৰক অধিকাৰ ৰক্ষাৰ ব্যৱস্থা কৰিব পাৰে। সেই অনুসৰি ন্যায়ালয়ে বন্দী উপস্থাপন (Habeas corpus), পৰমাধিদেশ (Mamdamus), নিষেধাজ্ঞা (prohibition), কৈফিয়ৎ তলবী (qua-warrants) আৰু উৎপ্ৰেষন (certiorari) ইত্যাদি লেখসমূহৰ যোগেদি নাগৰিকৰ অধিকাৰ ৰক্ষণা-বেক্ষনৰ বাবে প্ৰতিৰক্ষামূলক ব্যৱস্থাসমূহৰ জৰিয়তে ন্যায়ালয়ে কোনো ব্যক্তি-সংস্থা নাইবা চৰকাৰী কাৰ্য্যৰ দ্বাৰা নাগৰিকৰ অধিকাৰ ব্যাহত হ'লে তেনে কাৰ্য্যৰ বিৰুদ্ধে গোচৰ ৰুজু কৰিব পাৰে আৰু উপযুক্ত বিচাৰ ব্যৱস্থাৰে নাগৰিকৰ অধিকাৰ ৰক্ষণা-বেক্ষণ দিব পাৰে। অৱশ্যে জৰুৰীকালীন সময়ত নাগৰিকৰ সাংবিধানিক প্ৰতিকাৰৰ অধিকাৰ সাময়িক ভাৱে বাতিল কৰা হয় আৰু এই সময়ছোৱাত নাগৰিকৰ মৌলিক অধিকাৰ ৰক্ষাবেক্ষণৰ বাবে ন্যায়ালয়ৰ কাষ চাপিব নোৱাৰি।

**২.৩.২. মৌলিক অধিকাৰৰ বৈশিষ্ট্য ঃ**

ভাৰতীয় সংবিধানত সন্নিবিষ্ট থকা মৌলিক অধিকাৰসমূহৰ কিছুমান বৈশিষ্ট্য পৰিলক্ষিত হয়। সেইবোৰ হ'ল –

i) ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰসমূহ ভাৰতীয় সংবিধানৰ এক অবিচ্ছেদ্য অংগ। সংবিধানৰ তৃতীয় অধ্যায়ৰ মুঠ ২৪টা অনুচ্ছেদত এই অধিকাৰসমূহ সন্নিৱিষ্ট হৈ আছে।

ii) ভাৰতৰ সংবিধানত থকা মৌলিক অধিকাৰসমূহ বাদযোগ্য। অৰ্থাৎ কোনো ব্যক্তি, সংস্থা নাইবা চৰকাৰৰ কোনো কাৰ্য্যৰ দ্বাৰা নাগৰিকৰ মৌলিক অধিকাৰ ব্যাহত হ'লে আক্ৰান্ত ব্যক্তিয়ে ন্যায়ালয়ৰ কাষ চাপিব পাৰে আৰু ন্যায়ালয়েও এনে ক্ষেত্ৰত নাগৰিকৰ মৌলিক অধিকাৰ ৰক্ষাৰ ব্যৱস্থা কৰে।

iii) ভাৰতবৰ্ষৰ সংবিধানত উল্লেখিত মৌলিক অধিকাৰসমূহ চৰম নহয়। ইয়াৰ কিছুমান সীমাৱদ্ধতা আছে। দেশৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষাৰ বাবে কেতিয়াবা মৌলিক অধিকাৰৰ ওপৰত বাধা আৰোপ কৰিবলগীয়া হয়। দেশত জৰুৰীকালীন অৱস্থা ঘোষণা হ'লে নাগৰিকৰ মৌলিক অধিকাৰ সাময়িক ভাৱে কৰ্তন হ'ব পাৰে।

iv) ভাৰতৰ সংবিধানত সংযোজিত মৌলিক অধিকাৰসমূহ মূলতঃ ৰাজনৈতিক আৰু আইনগত আৰু আংশিকভাৱে সামাজিক প্ৰকৃতিৰ। এই অধিকাৰবোৰৰ

যোগেদি ভাৰতীয় নাগৰিকে ৰাজনৈতিক, বৌধিক আৰু সামাজিক অধিকাৰ সাব্যস্ত কৰিব নোৱাৰে। এই বোৰে নাগৰিকৰ অৰ্থনৈতিক অধিকাৰক স্বীকৃতি দিয়া নাই।

v) ভাৰতীয় সংবিধানত থকা নাগৰিক অধিকাৰসমূহৰ কিছুমান নকাৰাত্মক আৰু আন কিছুমান সকাৰাত্মক প্ৰকৃতিৰ। সমতাৰ অধিকাৰ, স্বাধীনতাৰ অধিকাৰ আদি নকৰাত্মক প্ৰকৃতিৰ। অৰ্থাৎ ৰাষ্ট্ৰীয় হস্তক্ষেপৰ ওপৰত বাধা-নিষেধ আৰোপ কৰি এই অধিকাৰসমূহ প্ৰতিষ্ঠা কৰা হৈছে। আনহাতে ধৰ্মীয় অধিকাৰ, শোষণৰ বিৰুদ্ধে অধিকাৰসমূহক সকাৰাত্মকভাৱে প্ৰকাশ কৰা হৈছে।

vi) ভাৰতীয় সংবিধানত থকা মৌলিক অধিকাৰসমূহ সংখ্যালঘূসকলৰ ৰক্ষাকবচ হিচাপে আখ্যা দিব পাৰি। মৌলিক অধিকাৰে জাতি, বৰ্ণ, লিংগ, ভাষা-সংস্কৃতি ইত্যাদি সংখ্যালঘূসকলৰ স্বাৰ্থ সুনিশ্চিত কৰিছে।

vii) ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰসমূহ দেশৰ জৰুৰী অৱস্থাত বলৱৎযোগ্য নহয়। জৰুৰী অৱস্থাত এনে অধিকাৰসমূহ বাতিল হৈ যায়। এনে অৱস্থাত নাগৰিকে মৌলিক অধিকাৰ ৰক্ষাৰ বাবে ন্যায়ালয়ৰ ওচৰ চাপিব নোৱাৰে।

viii) ভাৰতীয় সংবিধানত লিপিবদ্ধ থকা মৌলিক অধিকাৰসমূহ ভোগ কৰাৰ ক্ষেত্ৰত নাগৰিক আৰু অন্যান্য লোকসকলৰ মাজত পাৰ্থক্য ৰখা হৈছে। অৰ্থাৎ এই অধিকাৰসমূহৰ কিছুমান অধিকাৰ কেৱল দেশৰ নাগৰিক সকলেহে উপভোগ কৰিব পাৰে। আনহাতে আনকিছুমান অধিকাৰ নাগৰিক সকলৰ উপৰিও বিদেশী লোকসকলেও উপভোগ কৰিব পাৰে। উদাহৰণস্বৰূপে, ৰাজনৈতিক অধিকাৰ সমূহ নাগৰিকসকলৰ বাহিৰে বিদেশী লোকসকলে উপভোগ কৰিব নোৱাৰে।

ix) ভাৰতীয় সংবিধানত সন্নিবিষ্ট মৌলিক অধিকাৰসমূহ সংশোধন কৰিব পাৰি। অৱশ্যে এই ক্ষেত্ৰত পূৰ্বতে দ্বিমত থাকিলেও সংবিধানৰ ৪২তম সংশোধনী আইনে ভাৰতৰ সংসদৰ মৌলিক অধিকাৰ সংশোধন কৰাৰ কৰ্তৃত্ব প্ৰদান কৰিছে।

x) ভাৰতীয় সংবিধানত উল্লেখ কৰা মৌলিক অধিকাৰসমূহে দেশৰ কাৰ্য্যপালিকা আৰু বিধানমণ্ডলৰ ক্ষমতা সীমিত কৰিছে। ইয়াৰ ফলস্বৰূপে কাৰ্য্যপালিকা আৰু বিধানমণ্ডলে নাগৰিকৰ অধিকাৰ খৰ্ব কৰিব নোৱাৰে। লগতে এই মৌলিক অধিকাৰসমূহে উভয় গোটকে স্বেচ্ছাচাৰী হোৱাত বাধা প্ৰদান কৰিছে।

xi) ভাৰতৰ নাগৰিকৰ মৌলিক অধিকাৰসমূহৰ আন এটা উল্লেখযোগ্য বৈশিষ্ট্য হৈছে যে কেতিয়াবা সাধাৰণ অৱস্থাতো নাগৰিকে মৌলিক অধিকাৰ উপভোগৰ পৰা বঞ্চিত হ'ব পাৰে। দেশখনৰ সংসদে সময়ে সময়ে গ্ৰহণ কৰা নিবাৰকমূলক আইনসমূহৰ যোগেদি চৰকাৰে নাগৰিকৰ মৌলিক অধিকাৰসমূহ সাধাৰণ অৱস্থাতো সাময়িকভাৱে ক্ষুণ্ণ কৰিব পাৰে।

### ২.৩.৩ মৌলিক অধিকাৰৰ সীমাৱদ্ধতা ঃ

ভাৰতৰ সংবিধানে ভাৰতীয় নাগৰিকৰ বাবে বিভিন্ন মৌলিক অধিকাৰ প্ৰদান কৰিছে। কিন্তু এই মৌলিক অধিকাৰ বিলাক চৰম বা অবাধ নহয়। সংবিধান অনুসৰি ৰাষ্ট্ৰই প্ৰয়োজন সাপেক্ষে এই অধিকাৰ বিলাকৰ ওপৰত হস্তক্ষেপ বা বাধা-নিষেধ আৰোপ কৰিব পাৰে। উদাহৰণস্বৰূপে যদিও ভাৰতীয় নাগৰিকক বাক স্বাধীনতাৰ অধিকাৰ প্ৰদান কৰা হৈছে ৰাষ্ট্ৰৰ নিৰাপত্তা বিপদাপন্ন হ'লে, আনৰ স্বাধীনতা খৰ্ব হ'লে, আদালত অৱমাননা কৰিলে বা সামাজিক শৃংখলাত বাধাৰ সৃষ্টি হোৱাৰ আশংকা থাকিলে চৰকাৰে আইন প্ৰণয়ন কৰি এই অধিকাৰৰ ওপৰত সাময়িকভাৱে বাধা আৰোপ কৰিব পাৰে। ঠিক সেইদৰে অস্ত্ৰবিহীনভাবে সমবেত হোৱাৰ অধিকাৰে যদি সমাজৰ শান্তি-শৃংখলা ভংগ কৰে বা ৰাষ্ট্ৰৰ স্বাৰ্থত আঘাট হানে তেন্তে তেনে অধিকাৰৰ ওপৰত ৰাষ্ট্ৰই হস্তক্ষেপ কৰিব পাৰে। ঠিক একেদৰে সংস্থা গঠন কৰাৰ অধিকাৰে যদি সামাজিক স্বাৰ্থ বা ৰাষ্ট্ৰৰ স্বাৰ্থ ক্ষুণ্ণ কৰে তেতিয়া তেনে অধিকাৰৰ ওপৰত ৰাষ্ট্ৰই বাধা-নিষেধ আৰোপ কৰিব পাৰে। আকৌ কেতিয়াবা সাধাৰণ অৱস্থাতো দেশৰ আইন-শৃংখলা পৰিস্থিতিৰ দোহাই দিও নাগৰিকৰ অধিকাৰৰ ওপৰত ৰাষ্ট্ৰই হস্তক্ষেপ কৰিব পাৰে। আনহাতে সংবিধান অনুসৰি দেশত জৰুৰীকালীন অৱস্থা বলবৎ হোৱাৰ সময়তো নাগৰিকৰৰ মৌলিক অধিকাৰৰ ওপৰত কিছু সীমাৱদ্ধতা আৰোপ কৰা হয়। সেই অনুসৰি দেশত জৰুৰী অৱস্থা ঘোষণা হ'লে নাগৰিকে মৌলিক অধিকাৰ সুৰক্ষাৰ বাবে ন্যায়ালয়ৰ কাষ চাপিব নোৱাৰে। অৰ্থাৎ এনে সময়ত নাগৰিকৰ অধিকাৰৰ ওপৰত কিছু হস্তক্ষেপ জাৰি কৰা হয়। মুঠতে ভাৰতীয় সংবিধানে দেশৰ নাগৰিকক মৌলিক অধিকাৰ প্ৰদান কৰিলেও কিছুমান সীমাৱদ্ধতাৰ মাজেদিহে নাগৰিকে এই অধিকাৰ সমূহ উপভোগ কৰিব পাৰে।

### ২.৩.৪. মৌলিক অধিকাৰৰ গুৰুত্ব ঃ

ভাৰতীয় নাগৰিকৰ অধিকাৰৰ ওপৰত কিছু সীমাৱদ্ধতা থাকিলেও এই অধিকাৰ সমূহৰ গুৰুত্ব নথকা নহয়।

সংবিধানত প্ৰদান কৰা এই মৌলিক অধিকাৰৰ দ্বাৰা ভাৰতীয় নাগৰিকে গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ সমৰ্থ হৈছে। যিহেতু অধিকাৰ মানে অবাধ অধিকাৰ নহয়। গতিকে এই অধিকাৰৰ ওপৰত থকা নিষেধাজ্ঞা অস্বীকাৰ কৰিব নোৱাৰি। সমাজৰ সকলো শ্ৰেণীৰ লোকে সমভাৱে অধিকাৰ উপভোগ কৰিবলৈ হ'লে আমি প্ৰত্যেকেই কিছু অধিকাৰ ত্যাগ কৰিবই লাগিব। সংবিধানৰ প্ৰস্তাৱনাত থকা আদৰ্শসমূহ পূৰণ কৰাটো মৌলিক অধিকাৰৰ গুৰুত্ব আছে। ভাৰতীয় সংবিধানৰ

প্ৰস্তাৱনাত গণতন্ত্ৰ আৰু গণৰাজ্য প্ৰতিষ্ঠা কৰা, সাৰ্বভৌম, সমাজবাদী আৰু ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ ৰূপে প্ৰতিষ্ঠা কৰাৰ আদৰ্শ স্থিৰ কৰা হৈছে। গতিকে প্ৰস্তাৱনাত সন্নিবিষ্ট এই আদৰ্শসমূহ কাৰ্য্যকৰী কৰাৰ ক্ষেত্ৰত এই মৌলিক অধিকাৰৰ গুৰুত্ব অপৰিসীম। দেশত শান্তি-শৃংখলা অটুট ৰখাৰ স্বাৰ্থত নাগৰিকৰ মৌলিক অধিকাৰৰ ওপৰত ৰাষ্ট্ৰৰ বাধা-নিষেধ অস্বীকাৰ কৰিব নোৱাৰি। কিয়নো সুস্থ আৰু শৃংখলিত পৰিবেশতহে নাগৰিকে মৌলিক অধিকাৰ উপভোগ কৰিব পাৰে। তদুপৰি ৰাষ্ট্ৰৰ নিৰাপত্তা আৰু স্বাধীনতা ৰক্ষাৰ বাবে এনে বাধা-নিষেধ অতি প্ৰয়োজনীয়। গতিকে, এনে বাধা-নিষেধ মৌলিক অধিকাৰৰ পৰিপন্থী নহয়। সেয়ে, মৌলিক অধিকাৰৰ যোগেদি এখন সুস্থ - শৃংখলিত সমাজ প্ৰতিষ্ঠা কৰাটো অতি প্ৰয়োজনীয়। ভাৰতীয় সংবিধানত থকা মৌলিক অধিকাৰে ভাৰতত সামাজিক ন্যায় প্ৰতিষ্ঠা কৰি গণতন্ত্ৰৰ ভেটি সু-দৃঢ় কৰাটো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সেয়ে নাগৰিকৰ অধিকাৰ সমূহ সুৰক্ষিত কৰিবৰ বাবে প্ৰতিজন নাগৰিকেই সচেতন আৰু সতৰ্ক হোৱা উচিত।

### ২.৩.৫. মৌলিক অধিকাৰ সংশোধন কৰিব পাৰিনে ?

ভাৰতৰ সংবিধানত থকা মৌলিক অধিকাৰ সংশোধন কৰিব পাৰি নে নোৱাৰি এই লৈ দ্বি-মত আছিল। কিছুমান লোকৰ মতে মৌলিক অধিকাৰ সংশোধন কৰিব পাৰি। আনহাতে আন কিছুমানৰ মতে মৌলিক অধিকাৰ সংশোধন কৰিব নোৱাৰি।

সংবিধান কাৰ্য্যকৰী কৰাৰ পাচত প্ৰথম সংশোধনীৰ জৰিয়তে স্বাধীনতাৰ অধিকাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপ কৰিবলৈ চৰকাৰক ক্ষমতা অৰ্পণ কৰা হৈছিল। অৰ্থাৎ প্ৰথম অৱস্থাত মৌলিক অধিকাৰ সংশোধন কৰিবলৈ বাধা প্ৰদান কৰা নহৈছিল। কিন্তু ১৯৬৭ চনৰ বিখ্যাত গোলোক নাথ গোচৰত উচ্চতম ন্যায়ালয়ৰ ৰায়ত কোৱা হয় যে কেন্দ্ৰীয় সংসদে মৌলিক অধিকাৰ সংশোধন কৰিব নোৱাৰে। অৱশ্যে ১৯৭১ চনত সংবিধানৰ ২৪তম সংশোধনী আইন গ্ৰহণ কৰি সংবিধানৰ ৩৬৮নং অনুচ্ছেদৰ লগত দুটা ধাৰা সংযুক্ত কৰা হয়। এই সংশোধনীয়ে সংসদক মৌলিক অধিকাৰ সংশোধন কৰিবলৈ ক্ষমতা প্ৰদান কৰে। সংবিধানৰ ৩৬৮(১)নং অনুচ্ছেদত কোৱা হৈছে যে সংসদে ইয়াৰ সংবিধান প্ৰদত্ত ক্ষমতাৰ দ্বাৰা সংবিধানৰ যিকোনো অংশৰ সংশোধন কৰিব পাৰে। ঠিক একেদৰে ২৫তম সংশোধনীয়েও সংবিধান সংশোধনৰ ক্ষেত্ৰত দেখা দিয়া কিছুমান বাধা আঁতৰ কৰে। কিন্তু ১৯৭৩ চনত কেশৱানন্দ ভাৰতী গোচৰত ২৪তম সংবিধান সংশোধনী আইনৰ বৈধতাৰ প্ৰশ্ন তোলা হয়। এই গোচৰৰ ৰায় দান কৰোতে উচ্চতম ন্যায়ালয়ে সংসদে মৌলিক অধিকাৰ সংশোধন কৰিব পাৰে বুলি মত প্ৰকাশ কৰে। সংবিধানৰ ৪২তম সংশোধনীয়েও সংসদে সংবিধানৰ যিকোনো

বিষয় সংশোধন কৰাৰ কৰ্তৃত্ব প্ৰদান কৰে আৰু এনে সংশোধন সম্পৰ্কে আদালতত কোনো প্ৰশ্ন উত্থাপন কৰিব নোৱাৰি। ১৯৮০ চনত 'মিনাৰ্ভ মিল চ' গোচৰত উচ্চতম ন্যায়ালয়ে ৪২তম সংশোধনী আইনৰ দ্বাৰা ন্যায়ালয়ৰ ক্ষমতা সংকোচন কৰা বাধাবোৰ বাতিল কৰে। গতিকে এতিয়া সংসদে মৌলিক অধিকাৰ সংশোধন কৰিব পাৰে। কিন্তু ন্যায়ালয়ে ইয়াৰ বৈধতা বিচাৰ কৰাৰ ক্ষমতা আছে। অৰ্থাৎ বৰ্তমান পৰিৱৰ্ত্তিত পৰিস্থিতিৰ লগত খাপ-খোৱাকৈ মৌলিক অধিকাৰ সংশোধন কৰিব পাৰি।

**২.৩.৬. আত্ম মূল্যায়ণৰ প্ৰশ্ন (ক) ঃ**

i) ভাৰতৰ সংবিধানৰ কোন অংশত মৌলিক অধিকাৰসমূহ সন্নিবিষ্ট কৰা হৈছে?

..............................................................................................................

..............................................................................................................

ii) ভাৰতীয় নাগৰিকে কেই প্ৰকাৰৰ মৌলিক অধিকাৰ উপভোগ কৰে?

..............................................................................................................

..............................................................................................................

iii) সম্পত্তিৰ অধিকাৰ মৌলিক অধিকাৰ হয় নে?

..............................................................................................................

..............................................................................................................

iv) কিমানতম সংশোধনীৰ যোগেদি সম্পত্তিৰ অধিকাৰ বাতিল কৰা হয়।

..............................................................................................................

..............................................................................................................

v) 'মৌলিক অধিকাৰ সংশোধন কৰিব পাৰি' শুদ্ধ নে অশুদ্ধ।

..............................................................................................................

..............................................................................................................

**২.৪ নির্দেশাত্মক নীতি ঃ**

নির্দেশাত্মক নীতি হ'ল সংবিধানে ৰাষ্ট্ৰৰ প্ৰতি প্ৰদান কৰা কিছুমান নিৰ্দেশ। এই নিৰ্দেশ অনুসৰি ৰাষ্ট্ৰই দেশৰ শাসন কাৰ্য্য পৰিচালনা কৰে। এই নিৰ্দেশাত্মক নীতি সমূহ দেশ শাসনৰ মৌলিক নীতি। ভাৰতৰ সংবিধান প্ৰনেতা সকলে ভাৰতৰ সংবিধানত এই নীতিবিলাক অন্তৰ্ভুক্ত কৰাৰ মূল উদ্দেশ্য হল ভাৰতবৰ্ষক এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাবে প্ৰতিষ্ঠা কৰা। এই নিৰ্দেশাত্মক নীতিৰ দ্বাৰা সংবিধানৰ প্ৰস্তাৱনাত উল্লেখ কৰা নীতি আৰু আদৰ্শসমূহ ৰূপায়িত কৰাৰ ব্যৱস্থা কৰা হৈছে। অৱশ্যে এই নীতিবিলাক মৌলিক অধিকাৰৰ দৰে বিচাৰযোগ্য নহয়। সেয়ে হ'লেও চৰকাৰে উপযুক্ত আইন প্ৰণয়ন কৰি এই নিৰ্দেশাত্মক নীতিবিলাক কাৰ্য্যকৰী কৰাৰ ব্যৱস্থা কৰিব লাগে।

**২.৪.১. ভাৰতীয় সংবিধানত সন্নিবিষ্ট নিৰ্দেশাত্মক নীতি সমূহঃ**

ভাৰতবৰ্ষৰ সংবিধানৰ ৪ৰ্থ ভাগত নিৰ্দেশাত্মক নীতি সমূহ সন্নিবিষ্ট কৰা হৈছে। এই অধ্যায়ত ৩৬ৰ পৰা ৫১নং অনুচ্ছেদলৈ মুঠ ১৬ টা অনুচ্ছেদত এই নীতিসমূহ সন্নিবিষ্ট হৈ আছে। ইয়াৰ প্ৰথম দুটা অনুচ্ছেদত ৰাষ্ট্ৰৰ ব্যাখ্যা আৰু নিৰ্দেশাত্মক নীতিৰ সাংবিধানিক তাৎপৰ্য্যৰ ব্যাখ্যা আছে।

প্ৰকৃতি আৰু উদ্দেশ্যৰ ফালৰ নিৰ্দেশাত্মক নীতি সমূহ চাৰিটা ভাগত ভাগ কৰিব পাৰি। সেইবোৰ হ'ল–

১) অৰ্থনৈতিক নীতি,

২) গান্ধীবাদী নীতি,

৩) আন্তঃৰাষ্ট্ৰীয় নীতি আৰু

৪) অন্যান্য নীতি

**১) অৰ্থনৈতিক নীতি (Economic Principles) :**

সংবিধানৰ ৩৮,৩৯,৪১,৪২আৰু ৪৩নং অনুচ্ছেদত অৰ্থনৈতিক নীতি সমূহ সন্নিবিষ্ট কৰা হৈছে। এই নীতিসমূহৰ জৰিয়তে ভাৰতবৰ্ষক এখন সমাজবাদী ৰাষ্ট্ৰ হিচাপে গঢ় দিয়াৰ চেষ্টা কৰা হৈছে। এই অৰ্থনৈতিক নীতিসমূহৰ প্ৰধান উদ্দেশ্য হ'ল ভাৰতবৰ্ষক এখন কল্যানকামী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰা।জনকল্যানৰ উদ্দেশ্য আগত ৰাখি শাসন পৰিচালনা আৰু আইন প্ৰণয়নৰ ক্ষেত্ৰত এই নীতিসমূহ মানি চলিবলৈ ৰাষ্ট্ৰক নিৰ্দেশ দিয়া হৈছে।

i) সংবিধানৰ ৩৮নং অনুচ্ছেদ অনুযায়ী জনগণৰ উন্নতিৰ অৰ্থে চৰকাৰৰ দ্বাৰা সামাজিক ব্যৱস্থাৰ প্ৰৱৰ্ত্তন কৰা হ'ব আৰু জনসাধাৰনৰ মাজত আৰু বিভিন্ন ক্ষেত্ৰৰ মাজত আয়ৰ অসমতা আঁতৰ কৰিবৰ বাবে যত্ন কৰিব।

ii) ৩৯নং অনুচ্ছেদ অনুযায়ী জীৱিকাৰ উপায়ৰ বাবে পুৰুষ-মহিলা উভয়কে সমান সুবিধা কৰি দিয়া।

iii) সম্পদৰ সমবিতৰন কৰা।

iv) ৰাষ্ট্ৰীয় সম্পদ আৰু উপাদানৰ উপায় যাতে এমুঠিমান লোকৰ হাতত কেন্দ্ৰীভূত নহৈ জনসাধাৰনৰ মাজত সমবিতৰন হয় তাৰ প্ৰতি ব্যৱস্থা গ্ৰহন কৰা।

v) পুৰুষ আৰু মহিলা উভয়কে সমান কামৰ বাবে সমান মজুৰীৰ ব্যৱস্থা কৰা।

vi) দেশৰ যুৱক আৰু শিশুসকলক সকলো ধৰনৰ শোষনৰ পৰা মুক্ত কৰা।

vii) নাৰী আৰু পুৰুষ উভয় শ্ৰমিকে যাতে কামৰ বাবে শাৰীৰিক বা মানসিক কষ্ট নাপায় তাৰ ব্যৱস্থা কৰা।

viii) শ্ৰমিকসকলৰ নিৰাপত্তা নিশ্চিত কৰা আৰু জীৱন ধাৰনৰ মানদণ্ড উন্নত কৰা।

ix) আৰ্থিক বা আন কোনো নিৰ্যোগ্যতাৰ বাবে যাতে কোনো ব্যক্তি ন্যায় বিচাৰ পোৱাৰ পৰা বঞ্চিত নহয় তাৰ ব্যৱস্থা কৰা।

x) ৪১ নং অনুচ্ছেদ অনুযায়ী চৰকাৰে নিবনুৱা, বৃদ্ধ, ৰুগীয়া আৰু বিকলাংগ লোকসকলৰ বাবে আৰ্থিক সাহাৰ্য্যৰ ব্যৱস্থা কৰিব।

xi) উপযুক্ত পৰিৱেশত কাম কৰাৰ সুবিধা দিয়া আৰু মাতৃত্বৰ সময়ত মহিলা সকলক দৰকাৰী সাহাৰ্য্য আগবঢ়োৱা।

xii) বনুৱাসকলক জীৱন ধাৰণৰ কাৰণে যথোপযুক্ত মজুৰি, জিৰণি আৰু সামাজিক আৰু সাংস্কৃতিক সুযোগ দিয়া, উদ্যোগ পৰিচালনাৰ ক্ষেত্ৰত বনুৱাসকলক অংশ গ্ৰহণৰ সুবিধা দিয়া।

**২) গান্ধীবাদী নীতি (Gandhian principles) :**

সংবিধানৰ ৪০, ৪৩, ৪৬, ৪৭ আৰু ৪৮ নং অনুচ্ছেদ সমূহত গান্ধীবাদী নীতি সমূহ সন্নিবিষ্ট কৰা হৈছে। সেইবোৰ হ'ল-

i) পঞ্চায়তীৰাজ ব্যৱস্থাৰ সৃষ্টি কৰা।

ii) ব্যক্তিগত ভাবে নাইবা সমবায় ভিত্তিত কুটীৰ শিল্পৰ প্ৰসাৰণৰ ব্যৱস্থা কৰা।

iii) সমাজৰ দুৰ্বল, পিচপৰা শ্ৰেণীৰ লোক আৰু অনুসূচীত জাতি আৰু জনজাতিৰ লোকক শিক্ষা লাভৰ সুবিধা দিয়া আৰু তেওঁলোকৰ অৰ্থনৈতিক স্বাৰ্থ ৰক্ষা কৰা।

iv) জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰা আৰু ঔষধ হিচাপে ব্যৱহাৰ কৰাৰ বাহিৰে মাদক দ্ৰব্যৰ ব্যৱহাৰ বন্ধ কৰা ।

v) আধুনিক আৰু বৈজ্ঞানিক পদ্ধতিত কৃষি আৰু পশুপালনৰ ব্যৱস্থা কৰা, গো-বধ বন্ধ কৰা।

vi) চৰকাৰে পাৰিপাৰ্শ্বিক অৱস্থাৰ সংৰক্ষণ আৰু উন্নয়ন কৰিবলৈ তথা দেশৰ বনজ সম্পদ আৰু বন্যপ্ৰাণীক ৰক্ষা কৰিবলৈ প্ৰয়াস কৰিব।

**৩) আন্তঃৰাষ্ট্ৰীয় নীতি (International Principles):**

সংবিধানৰ ৫১নং অনুচ্ছেদত আন্তঃৰাষ্ট্ৰীয় নীতি সমূহ সন্নিবিষ্ট কৰা হৈছে। ভাৰতবৰ্ষৰ বৈদেশীক নীতি ভেটি আৰু তাৰ প্ৰকৃতিৰ সম্পৰ্কে সু-স্পষ্ট নিৰ্দেশ এই নীতিবোৰৰ মাজেৰে প্ৰতিফলিত হৈছে। এই নীতি সমূহ হ'ল–

i) আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বৃদ্ধি কৰা।

ii) ৰাষ্ট্ৰসমূহৰ মাজত ন্যায্য আৰু সন্মানজনক সমন্ধ ৰক্ষা কৰা।

iii) ৰাষ্ট্ৰসমূহৰ মাজত আন্তঃৰাষ্ট্ৰীয় আইনৰ আৰু আন্তঃৰাষ্ট্ৰীয় সন্ধিৰ প্ৰতি শ্ৰদ্ধা বঢ়োৱা আৰু

iv) মধ্যস্থতাৰ যোগেদি আন্তৰাষ্ট্ৰীয় বিবাদ নিস্পত্তি কৰাত উৎসাহ দিয়া।

### ৪) অন্যান্য নীতি (Miscellaneous principles) ঃ

সংবিধানৰ ৪৪, ৪৫, ৪৯ আৰু ৫০ নং অনুচ্ছেদত বিভিন্ন ধৰণৰ অন্যান্য নীতি সমূহ সন্নিবিষ্ট কৰা হৈছে। এই নীতিসমূহ হ'ল -

i) ৪৪ নং অনুচ্ছেদ অনুযায়ী সমগ্র ভাৰতবৰ্ষত সমৰূপী দেৱানী কানুন প্ৰচলন কৰা।

ii) ৪৫ নং অনুচ্ছেদ অনুযায়ী ১৪ বছৰ বয়সলৈকে ল'ৰা-ছোৱালীক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষাৰ সুবিধা দিয়া।

iii) ৪৯নং অনুচ্ছেদ মতে চৰকাৰে তাতীৰ শিল্পকলা, ঐতিহাসিক স্মৃতি বিজড়িত মঠ-মন্দিৰ আদিৰ সংৰক্ষণৰ ব্যৱস্থা কৰা।

iv) ৫০নং অনুচ্ছেদ অনুযায়ী কাৰ্য্যপালিকা আৰু ন্যায় পালিকাক পৃথক কৰা।

### ২.৪.২. নিৰ্দেশাত্মক নীতিৰ বৈশিষ্ট্য ঃ

ভাৰতৰ সংবিধানত সন্নিৱিষ্ট নিৰ্দেশাত্মক নীতিসমূহৰ কিছুমান বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা ধৰণৰ ঃ-

i) নিৰ্দেশাত্মক নীতিসমূহ আদালতৰ দ্বাৰা বলবৎ কৰিব নোৱাৰি। চৰকাৰে এই নীতিবোৰ কাৰ্য্যকৰী নকৰিলেও কোনো ব্যক্তিয়ে চৰকাৰৰ বিৰুদ্ধে আদালতৰ আশ্ৰয় ল'ব নোৱাৰে।

ii) জনকল্যাণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ পৰামৰ্শ নিৰ্দেশাত্মক নীতিৰ প্ৰধান বৈশিষ্ট্য। সংবিধানৰ ৩৮ নং অনুচ্ছেদত চৰকাৰে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত ন্যায় প্ৰতিষ্ঠা কৰিব।

iii) নিৰ্দেশাত্মক নীতিবোৰ সংবিধানৰ লক্ষ্য আৰু উদ্দেশ্যৰ প্ৰধান ইস্তাহাৰ। এই নীতিবোৰ হ'ল জাতীয় লক্ষ্য আৰু ইয়াক প্ৰত্যেক চৰকাৰেই পালন কৰিবলগীয়া হয়। চৰকাৰৰ কৃতকাৰ্য্যতা এই নীতিবোৰৰ কাৰ্য্যকাৰিতাৰ ওপৰত নিৰ্ভৰ কৰে।

iv) নিৰ্দেশাত্মক নীতিবোৰ বাধ্যতামূলক নহয়, চৰকাৰে এই নীতিবোৰ কাৰ্য্যকৰী কৰিবও পাৰে বা নকৰিবও পাৰে।

v) নিৰ্দেশাত্মক নীতিবোৰ আনৰ ওপৰত নিৰ্ভৰশীল। এই নীতিবিলাক নিজে নিজে কাৰ্য্যকৰী নহয়। এইবোৰ চৰকাৰৰ ওপৰত নিৰ্ভৰশীল।

vi) নিৰ্দেশাত্মক নীতিৰ প্ৰধান লক্ষ্য হ'ল কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰা। এই নীতিবোৰ সমাজবাদী চিন্তাধাৰাৰ ওপৰত প্ৰতিষ্ঠিত।

vii) ন্যায় আৰু জনকল্যাণ প্ৰতিষ্ঠা কৰা হৈছে ভাৰতৰ সংবিধানৰ প্ৰধান লক্ষ্য। সেয়ে আৰ্থসামাজিক উন্নয়নৰ বাবে এই নিৰ্দেশাত্মক নীতিসমূহ অপৰিহাৰ্য্য।

viii) নিৰ্দেশাত্মক নীতিসমূহে জনমতক প্ৰতিনিধিত্ব কৰে। এই নীতিসমূহ ভাৰতীয় জনসাধাৰণৰ আশা-আকাংখ্যা প্ৰতিফলিত কৰে।

ix) নিৰ্দেশাত্মক নীতিসমূহক ৰাষ্ট্ৰপৰিচালনাৰ ক্ষেত্ৰত মৌলিক হিচাপে গণ্য কৰা হয়। কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ চৰকাৰে এই নীতিসমূহক অনুসৰণ কৰাটো একান্ত অপৰিহাৰ্য্য।

**২.৪.৩. নিৰ্দেশাত্মক নীতিৰ গুৰুত্ব আৰু তাৎপৰ্য্য ঃ**

সংবিধানৰ ৩৭নং অনুচ্ছেদৰ যোগেদি নিৰ্দেশাত্মক নীতিসমূহক শাসন পৰিচালনাৰ ক্ষেত্ৰত মৌলিক হিচাপে গণ্য কৰা হৈছে। ৰাষ্ট্ৰৰ আইন প্ৰণয়নৰ ক্ষেত্ৰত এই নীতিসমূহ অনুসৰণ কৰাটো ৰাষ্ট্ৰৰ প্ৰধান কৰ্তব্য। এই নিৰ্দেশাত্মক নীতিবোৰ আদালতৰ দ্বাৰা বলৱৎযোগ্য নোহোৱাৰ বাবে বহুতো লিখকে ইয়াৰ গুৰুত্ব নাই বুলি ক'ব খোজে। কিন্তু ভাৰতীয় সংবিধানত থকা নিৰ্দেশাত্মক নীতিবোৰ একেবাৰে মূল্যহীন নহয়। এই নীতিবোৰ বিচাৰযোগ্য নহ'লেও এইবোৰৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। আইনৰ দৃষ্টিৰে চালে এই নীতিবোৰ তাৎপৰ্য্যহীন যেন লাগিলেও এইবোৰৰ ৰাজনৈতিক তাৎপৰ্য্য আছে। এই নীতিসমূহৰ দ্বাৰা জনসাধাৰণে চৰকাৰৰ যোগ্যতা বিচাৰ কৰে। ক্ষমতাত অধিষ্ঠিত দলে এই নীতিবোৰ কাৰ্য্যকৰী কৰাত ব্যৰ্থ হ'লে সংশ্লিষ্ট দলে জনগণৰ সমৰ্থন হেৰুৱাব পাৰে। সেয়ে দলে দীৰ্ঘদীন চৰকাৰ গঠন কৰিবলৈ হ'লে এই নীতিবোৰ কাৰ্য্যকৰী কৰিবই লাগিব। নিৰ্দেশাত্মক নীতিবোৰে ভাৰতবৰ্ষত এক স্থায়ী নীতি প্ৰচলন কৰাত সহায় কৰিছে। যি ৰাজনৈতিক দলৰে চৰকাৰ নহওঁক কিয় প্ৰতিটো দলেই এই নীতিবোৰ কাৰ্য্যকৰী কৰাত আগ্ৰহী হ'ব লাগে। নিৰ্দেশাত্মক নীতিবোৰ বাতিল কৰিব পৰা নাযায়। কোনো এখন চৰকাৰে এইবোৰ কাৰ্য্যকৰী নকৰিব পাৰে, কিন্তু এই নীতিবোৰক কোনেও বাতিল কৰিব নোৱাৰে। নিৰ্দেশাত্মক নীতিসমূহ প্ৰকৃতাৰ্থত কাৰ্য্যকৰী কৰিব পাৰিলে ভাৰতবৰ্ষ প্ৰকৃতাৰ্থত এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাপে পৰিগণিত হ'ব পাৰিব। এই নিৰ্দেশাত্মক নীতিবোৰে সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰত সমতা প্ৰতিষ্ঠা কৰাত যথেষ্ট সহায়ক। এই নীতিবোৰে চৰকাৰক নিজৰ দায়িত্ব সম্পৰ্কে সচেতন কৰি দিয়ে। এইবোৰ বলবৎ কৰাটো চৰকাৰৰ নৈতিক দায়িত্ব।

নিৰ্দেশাত্মক নীতিবোৰৰ আইনগত দিশৰ পৰাও গুৰুত্ব আছে। এই নীতিবোৰ আদালতৰ জৰিয়তে সাব্যস্ত কৰিব নোৱাৰি সচাঁ, কিন্তু উচ্চতম ন্যায়ালয়ে নিৰ্দেশাত্মক

নীতিৰ ভিত্তিত বহুতো সময়ত বৈধতাৰ বিচাৰ কৰে। বিভিন্ন গোচৰৰ ৰায়দানৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ে নিৰ্দেশাত্মক নীতিৰ সহায় ল'ব পাৰে। তদুপৰি নিৰ্দেশাত্মক নীতিবোৰে জনসাধাৰণক তেওঁলোকৰ অধিকাৰও কৰ্তব্য সম্পৰ্কে সজাগ কৰি দিয়ে। সেই দিশৰ পৰা নিৰ্দেশাত্মক নীতিৰ শিক্ষাগত মূল্যও পৰিলক্ষিত হয়। মুঠতে নিৰ্দেশাত্মক নীতিসমূহ সংবিধানৰ অৱিচ্ছেদ্য অংগ হোৱাৰ বাবে প্ৰত্যেক চৰকাৰে এই নীতিসমূহৰ সঠিক ৰূপায়ণ কৰা দৰকাৰ। এই নীতিসমূহৰ দ্বাৰাই ভাৰতীয় জনসাধাৰণৰ আশা-আকাংখ্যা প্ৰতিফলিত হয়।

### ২.৪.৪. মৌলিক অধিকাৰ আৰু নিৰ্দেশাত্মক নীতিৰ পাৰ্থক্য ঃ

মৌলিক অধিকাৰ আৰু নিৰ্দেশাত্মক নীতিসমূহ ভালদৰে অধ্যয়ণ কৰিলে উভয়ৰ মাজত কেতবোৰ পাৰ্থক্য পৰিলক্ষিত হয়। সেইবোৰ হ'ল -

i) মৌলিক অধিকাৰসমূহ নাগৰিকৰ বাবে প্ৰদান কৰা হৈছে। আনহাতে নিৰ্দেশাত্মক নীতিসমূহ ৰাষ্ট্ৰৰ বাবে প্ৰদান কৰা হৈছে।

ii) মৌলিক অধিকাৰসমূহ বাধ্যতামূলক। এই অধিকাৰসমূহক সকলোৱে মানি চলিব লাগিব। মৌলিক অধিকাৰসমূহ ভংগ কৰিব নোৱাৰি কিন্তু নিৰ্দেশাত্মক নীতিবোৰ বাধ্যতামূলক নহয়। এইবোৰ চৰকাৰে কাৰ্য্যকৰি কৰিবও পাৰে বা নকৰিবও পাৰে। চৰকাৰক এই ক্ষেত্ৰত বাধ্য কৰিব নোৱাৰি।

iii) মৌলিক অধিকাৰসমূহ বিচাৰযোগ্য। আদালতৰ জৰিয়তে এই অধিকাৰসমূহ ৰক্ষা কৰিব পাৰি। কোনোবাই এই অধিকাৰ ভংগ কৰিলে আদলতৰ ওচৰ চাপিব পাৰি। উচ্চতম ন্যায়ালয়ক ভাৰতীয় জনসাধাৰণৰ মৌলিক অধিকাৰৰ অভিভাৱক বুলি কোৱা হয়। কিন্তু নিৰ্দেশাত্মক নীতিবোৰ বিচাৰযোগ্য নহয়। ন্যায়ালয়ে এই নীতিবোৰ বলৱৎ কৰিব নোৱাৰে। চৰকাৰে নিৰ্দেশাত্মক নীতি কাৰ্য্যকৰী নকৰিলেও ন্যায়ালয়ৰ কাষ চাপিব নোৱাৰি।

iv) মৌলিক অধিকাৰ অবাধ নহয়। চৰকাৰে যুক্তিসংগত কাৰণত ইয়াৰ ওপৰত বাধা-নিষেধ আৰূপ কৰিব পাৰে। এই চৰ্তবোৰৰ মাজেদিহে মৌলিক অধিকাৰ উপভোগ কৰিব পাৰি। কিন্তু নিৰ্দেশাত্মক নীতিৰ ওপৰত কোনো সাংবিধানিক বাধা-নিষেধ বা সীমাবদ্ধতা নাই। এই নীতিবোৰৰ কৃতকাৰ্যতা নিৰ্ভৰ কৰে ৰাষ্ট্ৰৰ ইচ্ছা আৰু অৰ্থনৈতিক অৱস্থাৰ ওপৰত।

v) মৌলিক অধিকাৰৰ মূল উদ্দেশ্য হৈছে ভাৰতবৰ্ষত ৰাজনৈতিক গণতন্ত্ৰ প্ৰতিষ্ঠা কৰা। আনহাতে নিৰ্দেশাত্মক নীতিৰ মূল উদ্দেশ্য হ'ল ভাৰতবৰ্ষক এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰা।

vi) মৌলিক অধিকাৰসমূহ ব্যক্তিকেন্দ্ৰীক। আনহাতে নিৰ্দেশাত্মক নীতিবোৰ সমাজকেন্দ্ৰিক। মৌলিক অধিকাৰে ব্যক্তিৰ মংগল সাধন কৰিব বিচাৰে কিন্তু নিৰ্দেশাত্মক নীতিয়ে সামাজিক কল্যাণ সাধন কৰিব বিচাৰে।

vii) মৌলিক অধিকাৰে ৰাষ্ট্ৰৰ ক্ষমতা সীমিত কৰিছে। মৌলিক অধিকাৰ ভংগ কৰি ৰাষ্ট্ৰই কোনো কাৰ্য্য সম্পাদন কৰিব নোৱাৰে, আনহাতে কিন্তু নিৰ্দেশাত্মক নীতিসমূহে ৰাষ্ট্ৰৰ ক্ষমতাৰ সম্প্ৰসাৰণ কৰিছে। এই নীতিবোৰে ৰাষ্ট্ৰৰ হাতত অধিক দায়িত্ব অৰ্পণ কৰিছে। ইয়াৰ ফলত ৰাষ্ট্ৰৰ কাৰ্য্যাৱলী বহু পৰিমাণে বৃদ্ধি পাইছে।

viii) মৌলিক অধিকাৰ কাৰ্য্যকৰি কৰিবৰ বাবে সংসদত সূকীয়া আইন-প্ৰণয়ণ কৰাৰ প্ৰয়োজন নহয়। কিন্তু নিৰ্দেশাত্মক নীতিক কাৰ্য্যকৰি কৰিবলৈ হ'লে সংসদে প্ৰয়োজনীয় আইন প্ৰণয়ণ কৰিব লাগে। অৰ্থাৎ নিদেত্মকনীতিৰ কাৰ্য্যকাৰিতা সংসদৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল।

ix) ৰাষ্ট্ৰত জৰুৰীকালীন অৱস্থা ঘোষণা হ'লে নাগৰিকৰ মৌলিক অধিকাৰ উপভোগ কৰাৰ সাময়িক ভাৱে স্থগিত ৰখা হয়। কিন্তু নিৰ্দেশাত্মক নীতিৰ ক্ষেত্ৰত তেনে প্ৰতিবন্ধকতা নাথাকে।

x) মৌলিক অধিকাৰসমূহ ব্যক্তিবাদী নীতিৰ ওপৰত প্ৰতিষ্ঠিত। এইবোৰৰ সামাজিক কোনো লক্ষ্য নাই। কিন্তু নিৰ্দেশাত্মক নীতিবোৰ সমাজবাদী নীতিৰ ভিত্তিত ৰচিত। সামাজিক কল্যাণ সাধনেই এই নীতিবোৰৰ প্ৰধান লক্ষ্য।

xi) মৌলিক অধিকাৰ বিৰুধী বা ভংগকাৰী যিকোনো আইন ন্যায়ালয়ে অসাংবিধানিক বুলি ঘোষণা কৰিব পাৰে। কিন্তু সংসদে প্ৰণয়ণ কৰা কোনো আইন নিৰ্দেশাত্মক নীতিৰ বিৰুধী হোৱাৰ অজুহাতত বাতিল কৰিব পৰা নাযায়।

xii) মৌলিক অধিকাৰ সমূহ সু-নিৰ্দিষ্ট আৰু বাস্তৱ। আনহাতে ইয়াৰ তুলনাত নিৰ্দেশাত্মক নীতিসমূহ সু-নিৰ্দিষ্ট নহয়। এইবোৰ বহল পৰিসৰৰ।

**আত্ম মূল্যায়ণৰ প্ৰশ্ন (খ)ঃ**

i) নিৰ্দেশাত্মক নীতিবোৰ ভাৰতীয় সংবিধানৰ কোন অনুচ্ছেদত সন্নিৱিষ্ট আছে?

......................................................................

ii) নিৰ্দেশাত্মক নীতিৰ প্ৰধান লক্ষ্য কি ?

......................................................................

......................................................................

iii) নির্দেশাত্মক নীতিসমূহ ন্যায়ালয়ৰ দ্বাৰা সাব্যস্ত কৰিব পাৰি, শুদ্ধ / অশুদ্ধ ?

..........

iv) নির্দেশাত্মক নীতিৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

..........

..........

v) নির্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰৰ মাজৰ এটা পাৰ্থক্য উল্লেখ কৰা।

..........

..........

### ২.৫. মৌলিক কৰ্ত্তব্য :

গণতান্ত্রিক ব্যৱস্থা এটা সূচাৰুৰূপে বৰ্তী থাকিবলৈ যিদৰে নাগৰিকৰ কিছুমান অধিকাৰৰ প্ৰয়োজন সেইদৰে নাগৰিকৰো ৰাষ্ট্ৰৰ প্ৰতি কিছুমান কৰ্তব্য থকাটো একান্ত প্ৰয়োজনীয়। অৱশ্যে সেয়ে হ'লেও ভাৰতৰ সংবিধান প্ৰণেতাসকলে আৰম্ভণিতে তেনে কোনো নাগৰিকৰ কৰ্তব্যৰ বিষয়ে ভাৰতীয় সংবিধানত সন্নিবিষ্ট কৰা নাছিল। পৰৱৰ্ত্তীসময়ত ১৯৭৬ চনৰ সংবিধানৰ ৪২তম্ সংশোধনীৰ দ্বাৰাহে এই মৌলিক কৰ্তব্যসমূহ ভাৰতীয় সংবিধানৰ অন্তৰ্ভূক্ত কৰা হয়। বৰ্তমান ভাৰতীয় সংবিধানৰ চতুৰ্থ অংশৰ ৫১(ক) নং অনুচ্ছেদত এই মৌলিক কৰ্তব্যসমূহ উল্লেখ আছে।

### ২.৫.১. ভাৰতীয় সংবিধানত থকা নাগৰিকৰ মৌলিক কৰ্তব্যসমূহ ঃ

ভাৰতৰ সংবিধানৰ ৪২তম্ সংশোধনীয়ে ভাৰতৰ নাগৰিকৰ দহবিধ কৰ্তব্যৰ কথা উল্লেখ কৰিছিল। কিন্তু ২০০২ চনত সংবিধানৰ ৮৬তম্ সংশোধনীয়ে আৰু এটা নতুন কতব্য নাগৰিকৰ বাবে সংযোজিত কৰিছে। সেই অনুসৰি বৰ্তমান ভাৰতৰ সংবিধানত মুঠ এঘাৰবিধ মৌলিক কৰ্তব্য উল্লেখিত হৈ আছে। সেইবোৰ হ'ল -

১) সংবিধান মানি চলা আৰু জাতীয় পতাকা আৰু ৰাষ্ট্ৰীয় প্ৰতীকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা।

২) ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনক অনুপ্ৰাণিত কৰা মহান আদৰ্শসমূহ পোষণ আৰু অনুসৰণ কৰা।

৩) ভাৰতবৰ্ষৰ সাৰ্বভৌমত্ব, ঐক্য আৰু সংহতি ৰক্ষা কৰা।

৪) দেশখনক ৰক্ষা কৰা আৰু যেতিয়াই আহ্বান কৰা হয় তেতিয়াই দেশৰ প্ৰতি সেৱা আগবঢ়োৱা।

৫) ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত বাস কৰা বিভিন্ন ধৰ্ম আৰু ভাষা-ভাষী মানুহৰ মাজত ভ্ৰাতৃত্ব ভাৱৰ সৃষ্টি কৰা আৰু মহিলাসকলৰ প্ৰতি মৰ্য্যাদা হানিকৰ আচৰণ ত্যাগ কৰা।

৬) ভাৰতৰ মূল্যবান ঐতিহ্যৰ মূল্য দিয়া আৰু তাক সংৰক্ষণ কৰা।

৭) বনানি, হ্ৰদ, নদ-নদী, বন্য জীৱ জন্তুকে আদি কৰি প্ৰাকৃতিক পৰিৱেশ সংৰক্ষণ কৰা আৰু পৰিৱেশৰ উন্নতি সাধন কৰা।

৮) বৈজ্ঞানিক দৃষ্টিভংগীৰ বিকাশ সাধন কৰা, মানৱতা-বোধভাৱৰ সৃষ্টি কৰা আৰু অনুসন্ধিৎসু তথা সংস্কাৰ মনোভাৱৰ বিকাশ সাধন কৰা।

৯) ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা আৰু হিংসাৰ মনোভাৱ পৰিত্যাগ কৰা।

১০) ব্যক্তিগত আৰু সামূহিক সকলো কাম-কাজৰ ক্ষেত্ৰত উৎকৰ্ষ সাধনৰ চেষ্টা কৰা আৰু ৰাষ্ট্ৰই যাতে প্ৰগতিৰ পথত আগুৱাই যাব পাৰে তাৰ ব্যৱস্থা কৰা আৰু

১১) ছয় বছৰ বয়সৰ পৰা চৈধ্য বছৰ (৬-১৪) বয়সৰ প্ৰত্যেক শিশুক শিক্ষাগ্ৰহণৰ মৌলিক অধিকাৰ প্ৰদান কৰা। প্ৰত্যেক শিশুৰে পিতৃ-মাতৃ বা অভিভাৱকৰ নিজৰ ল'ৰা-ছোৱালীক শিক্ষা প্ৰদান কৰাটো অভিভাৱকৰ মৌলিক কৰ্তব্য হিচাপে ২০০২ চনৰ ৮৬তম্ সংশোধনী আইনে প্ৰদান কৰিছে।

### ২.৫.২. মৌলিক কৰ্তব্যৰ প্ৰকৃতি ঃ

ভাৰতবৰ্ষৰ সংবিধানৰ চতুৰ্থ (ক) (Part IV(A) অংশত মৌলিক কৰ্তব্য সংযোজিত হৈছে। নাগৰিকৰ এই মৌলিক কৰ্তব্যসমূহ নাগৰিকৰ প্ৰতি এক পৰামৰ্শৰ নিচিনা। এই কৰ্তব্যসমূহৰ কিছুমান সামাজিক আৰু আন কিছুমান নৈতিক কৰ্তব্য। এই কৰ্তব্যসমূহ পালন কৰাটো নাগৰিকৰ বাবে কোনো আইনগত বাধ্য-বাধকতা নাই। এইবোৰ ন্যায়ালয়ৰ জৰিয়তে বলৱৎ কৰিব নোৱাৰি। কোনো নাগৰিকে এই কৰ্তব্যসমূহ পালন নকৰিলে সংবিধান অনুসৰি নাগৰিকক কোনো শাস্তি প্ৰদান কৰিব নোৱাৰি। অৱশ্যে সেয়ে হ'লেও এই মৌলিক কৰ্তব্যসমূহ ভাৰতীয় সংবিধানৰ এক অবিচ্ছেদ্য অংগ। মৌলিক কৰ্তব্যসমূহৰ নৈতিক মূল্যবোধ আৰু জনসাধাৰণৰ প্ৰতি নৈতিক দায়বদ্ধতা স্বীকাৰ কৰি ভাৰতীয় নাগৰিক সকলে মৌলিক কৰ্তব্যসমূহ পালন কৰে। ৰাষ্ট্ৰৰ শান্তি, প্ৰগতি আৰু ঐক্যৰ বাবে নাগৰিকৰ মৌলিক কৰ্তব্যসমূহ অতি প্ৰয়োজনীয়, মৌলিক কৰ্তব্যসমূহ বাধ্যতামূলক নহয় যদিও দেশৰ সংবিধান মানি চলা, ৰাষ্ট্ৰীয় পতাকা ৰাষ্ট্ৰীয় প্ৰতীকৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা, দেশৰক্ষাৰ উদ্দেশ্যে প্ৰয়োজন অনুসৰি ৰাষ্ট্ৰীয় সেৱা আগবঢ়োৱা, ৰাজহুৱা সম্পত্তি ৰক্ষা কৰা ইত্যাদি মৌলিক কৰ্তব্যসমূহ নাগৰিকে অৱমাননা কৰিলে দেশৰ প্ৰচলিত আইন অনুসৰি বিচাৰ কৰি ন্যায়ালয়ে শাস্তি প্ৰদান কৰিব পাৰে। অন্যহাতে নাগৰিকৰ বাবে সংবিধানে প্ৰদান কৰা অধিকাৰসমূহ

সঠিক ভাৱে উপভোগ কৰিবলৈ হ'লে নাগৰিকসকলে নিজৰ কৰ্তব্যসমূহো সূচাৰুৰূপে পালন কৰাটো প্ৰয়োজন। অৱশ্যে সেয়ে হ'লেও ভাৰতৰ সংবিধানত থকা নাগৰিকৰ এই কৰ্তব্যসমূহৰ কিছুমান অস্পষ্ট হোৱাৰ লগতে সাধাৰণ জনগণৰ বাবে সহজে বোধগম্য নহয় যেন লাগে।

**২.৫.৩. মৌলিক কৰ্তব্যৰ গুৰুত্ব ঃ**

ভাৰতবৰ্ষৰ দৰে বৈচিত্ৰপূৰ্ণ দেশ এখনত মৌলিক কৰ্তব্যৰ গুৰুত্ব অপৰিসীম, যিহেতু ভাৰতবৰ্ষত বিভিন্ন জাতি-উপজাতি, ভাৰ্ষ্য-ধৰ্ম, কৃষ্টি-সংস্কৃতিৰ লোকে বসবাস কৰে। গতিকে এনে এখন ৰাষ্ট্ৰৰ ঐক্য আৰু সংহতি ৰক্ষাৰ ক্ষেত্ৰত নাগৰিকৰ মৌলিক কৰ্তব্যসমূহে সহায় কৰিছে। জনসাধাৰণৰ ৰাজনৈতিক সচেতনতা বৃদ্ধি কৰাত এই মৌলিক কৰ্তব্যসমূহে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। ভাৰতীয় সংবিধানত নাগৰিকৰ মৌলিক কৰ্তব্যৰ অন্তৰ্ভূক্তিয়ে নাগৰিক সকলৰ ৰাষ্ট্ৰৰ তথা সমাজৰ প্ৰতি দায়িত্ব বোধ বৃদ্ধি কৰাত সহায় কৰিছে। মৌলিক কৰ্তব্যসমূহে কিছুমান সমাজ বিৰোধী কাম নিয়ন্ত্ৰণ কৰাত সহায়ক হৈছে। সেয়ে এইবোৰৰ গুৰুত্ব নাগৰিকৰ বিচাৰ-বুদ্ধিৰ ওপৰতো নিৰ্ভৰ কৰে।

গণতান্ত্ৰিক ৰাষ্ট্ৰ এখনত নাগৰিকসকলে নিজৰ নিজৰ কৰ্তব্য পালন নকৰিলে গণতন্ত্ৰ কেতিয়াও কৃতকাৰ্য্য হ'ব নোৱাৰে। ভাৰতীয় গণতন্ত্ৰৰ ভৱিষ্যত সেয়ে দেশখনৰ নাগৰিকসকলৰ কৰ্তব্য পালনৰ ওপৰত নিৰ্ভৰ কৰে। এই মৌলিক কৰ্তব্যসমূহ বাধ্যতামূলক নহয় যদিও জনমতৰ যোগেদি এইবোৰ কাৰ্য্যকৰী কৰিব পাৰি। সুস্থ জনমত গঠনৰ দ্বাৰা নাগৰিক সকলক এই কৰ্তব্যসমূহ পালন কৰিবলৈ বাধ্য কৰিব পাৰি। গণতান্ত্ৰিক ৰাষ্ট্ৰত সুস্থ জনমতক সঠিকভাৱে প্ৰয়োগ কৰিলেহে মৌলিক কৰ্তব্যসমূহৰ উদ্দেশ্য পূৰণ হ'ব। গণতান্ত্ৰিক ৰাষ্ট্ৰ এখন জনগণৰ সজাগতাৰ অবিহনে প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে। তাৰবাবে নাগৰিকে নিজ নিজ কৰ্তব্য পালন কৰাটো অপৰিহাৰ্য্য, গতিকে এই মৌলিক কৰ্তব্যসমূহৰ পালনে আমাৰ দেশত গণতন্ত্ৰৰ ভেটি শক্তিশালী কৰাত যে অৰিহণা যোগাব তাত কোনো সন্দেহ নাই। সেয়ে দেশখনৰ সকলো নাগৰিকে এই কৰ্তব্যসমূহ সঠিক ভাৱে পালন কৰাটো উচিত।

**২.৫.৪. মৌলিক কৰ্তব্যৰ সমালোচনা ঃ**

ভাৰতবৰ্ষৰ সংবিধানত সন্নিবিষ্ট মৌলিক কৰ্তব্যসমূহ সমালোচনাৰ উৰ্দ্ধত নহয়। বিভিন্ন দিশৰ পৰা এই মৌলিক কৰ্তব্যসমূহ সমালোচিত হৈছে। সেইবোৰ হ'ল-

১) ভাৰতৰ সংবিধানে নাগৰিকৰ বাবে মৌলিক কৰ্তব্যৰ বিষয়ে গুৰুত্ব দিছে যদিও এই কৰ্তব্যবোৰৰ বিষয়ে সংবিধানত পৃথক ব্যৱস্থা কৰা হোৱা নাই, এই মৌলিক কৰ্তব্যবোৰ নিৰ্দেশাত্মক নীতিৰ লগতেহে উল্লেখ কৰা হৈছে।

২) মৌলিক কৰ্তব্য আদালতৰ দ্বাৰা বলৱৎ কৰিব নোৱাৰি। কোনো লোকে যদি মৌলিক কৰ্তব্য পালন নকৰে তেন্তে আদালতৰ আশ্ৰয় লৈ বলৱৎ কৰাব নোৱাৰি, সেয়ে ভাৰতীয় সংবিধানৰ এই মৌলিক কৰ্তব্যবিলাকক বলৱৎ কৰিব নোৱাৰা কিছুমান নৈতিক নিৰ্দেশনা বুলিহে ক'ব পাৰি।

৩) ভাৰতীয় সংবিধানত থকা কিছুমান মৌলিক কৰ্তব্য অস্পষ্ট। জনসাধাৰণৰ বাবে এইবোৰ সহজে বোধগম্য নহয়। এনে কিছুমান অধিকাৰ দ্ব্যৰ্থবোধক হৈ পৰা পৰিলক্ষিত হয়।

৪) কিছুমান সমালোচকৰ মতে মৌলিক কৰ্তব্যবিলাক সম্পূৰ্ণ নহয়। তেওঁলোকৰ এই বোৰৰ উপৰিও আন কেতবোৰ মৌলিক কৰ্তব্য সংবিধানত সংযোজন হোৱাৰ অৱকাশ আছে।

৫) অৰ্থনৈতিক স্বাৱলম্বিতাৰ অবিহনে মৌলিক কৰ্তব্য পালন কৰাত বাধাৰ সৃষ্টি হোৱাৰ সম্ভাৱনা আছে। আৰ্থিক ভাৱে দূৰ্বল লোকে জাতীয় সম্পদৰ প্ৰতি সন্মান জনোৱাতকৈ জীয়াই থকাৰ প্ৰবৃত্তিকহে অধিক গুৰুত্ব দিব পাৰে।

৬) বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণ আৰু প্ৰসাৰ সাধন কৰাটো ভাৰতীয় সংবিধানে নাগৰিকৰ এটা মৌলিক কৰ্তব্য হিচাপে উল্লেখ কৰিছে। কিন্তু প্ৰথা, পৰম্পৰা, প্ৰাচীন নীতি-নিয়ম পালন কৰি অহা জনসাধাৰণক বৈজ্ঞানিক দৃষ্টিভংগীৰ অৰ্থই বিভ্ৰান্তিৰহে সৃষ্টি কৰিব।

৭) শিক্ষাক সাৰ্বজনীন কৰিব নোৱাৰিলে মৌলিক কৰ্তব্যৰ অন্তৰ্ভূক্তিৰে ইপ্সিত ফল লাভত সহায় কৰিব নোৱাৰে। অধিকাৰ, কৰ্তব্য আদি সম্পৰ্কত জনসাধাৰণৰ জ্ঞান নাথাকিলে জনসাধাৰণে তাক পালন কৰিব নোৱাৰে। সেয়ে কিছুমান মৌলিক কৰ্তব্যতকৈ শিক্ষা গ্ৰহণ আৰু প্ৰদানহে ভাৰতবৰ্ষত অতি প্ৰয়োজনীয়।

৮) জনসাধাৰণৰ সচেতনতা অৱিহনে এই কৰ্তব্য সমূহ প্ৰহসনত পৰিণত হ'ব। অসচেতন, অজ্ঞ আৰু সুবিধাবাদী শ্ৰেণীৰ লোকে সদায় প্ৰাকৃতিক পৰিবেশ বিনষ্টহে কৰে।

আত্ম মূল্যায়নৰ প্ৰশ্ন (গ)

I) সংবিধানৰ কোনটো অংশত মৌলিক কৰ্তব্যসমূহ সন্নিৱিষ্ট আছে ?

..........................................................................................

II) ৪২তম্ সংশোধনীৰ.জৰিয়তে মৌলিক কৰ্তব্যসমূহ ভাৰতীয় সংবিধানত সংযোজন কৰা হৈছে। শুদ্ধ / অশুদ্ধ ?

..............................................................................................................................

III) বৰ্তমান ভাৰতৰ নাগৰিকৰ মৌলিক কৰ্তব্য কেইবিধ ?

..............................................................................................................................

IV) ২০০২ চনত ৮৬তম্ সংশোধনীৰ যোগেদি অন্তৰ্ভূক্ত  কৰা মৌলিক কৰ্তব্যটো কি?

..............................................................................................................................

## ২.৬. সামৰণি ঃ

এই গোটটিৰ পৰা তোমালোকে জানিব পাৰিছা যে বিশ্বৰ আন আন ৰাষ্ট্ৰসমূহৰ দৰে ভাৰতবৰ্ষইও এখন সংবিধানৰ যোগেদি গণতান্ত্ৰিক শাসন ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিছে। গণতান্ত্ৰিক শাসন ব্যৱস্থা এটা সঠিকভাৱে বৰ্তি থাকিবলৈ হ'লে তাৰ নাগৰিক সকলে কেতবোৰ অধিকাৰ উপভোগ কৰিবলৈ সুযোগ পাব লাগিব।

আমাৰ ভাৰতবৰ্ষৰ সংবিধানখনে ভাৰতৰ নাগৰিকসকলৰ বাবে এনে কিছুমান অধিকাৰ প্ৰদান কৰিছে। এই অধিকাৰবোৰৰ জৰিয়তে নাগৰিকসকলে নিজকে দেশৰ প্ৰশাসন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিবলৈ সুযোগ  লাভ কৰাৰ লগতে নিজৰ ব্যক্তিত্ব বিকাশৰো সুযোগ লাভ কৰিছে। এই গোটটিৰ জৰিয়তে ভাৰতীয় নাগৰিকসকলে উপভোগ কৰিবলৈ পোৱা বিভিন্ন অধিকাৰসমূহৰ লগতে সেইবোৰৰ সীমাৱদ্ধতা সম্পৰ্কেও আলোচনা কৰা হৈছে।

তদুপৰি এই গোট টিৰ জৰিয়তে তোমালোকক ভাৰতৰ সংবিধানত থকা ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ, এই বোৰৰ বৈশিষ্ট্য, সমালোচনাৰ লগতে ভাৰতীয় নাগৰিকে ৰাষ্ট্ৰখনৰ প্ৰতি পালন কৰিব লগা কৰ্তব্য সমূহৰ বিষয়েও সম্যক জ্ঞান দিয়া হৈছে। গতিকে এই গোটটিৰ জৰিয়তে নিশ্চয় জানিব পাৰিছা যে দেশৰ নাগৰিকসকলে নিজৰ ব্যক্তিত্ব বিকাশৰ বাবে যিদৰে কিছুমান অধিকাৰ উপভোগ কৰিব পাৰে ঠিক একেদৰে নাগৰিসকলেও ৰাষ্ট্ৰৰ প্ৰতি কেতবোৰ কৰ্তব্য পালন কৰিব লাগে। নাগৰিকসকলে তেওঁলোকৰ এই কৰ্তব্য সমূহ সঠিকভাৱে পালন কৰিলেহে এখন সুস্থ-সবল সমাজ প্ৰতিষ্ঠা কৰাটো সম্ভৱপৰ হৈ উঠে।

## ২.৭. ঘাই শব্দসমূহ ঃ

**অনুপাতিক প্ৰতিনিধিত্ব** ঃ জনসংখ্যা অনুসৰি দিয়া প্ৰতিনিধিত্ব।

**লেখ** ঃ ন্যায়ালয়ৰ দ্বাৰা প্ৰকাশিত এক আনুষ্ঠানিক আদেশ-পত্ৰ।

**বন্দী উপস্থাপন** ঃ কোনো বন্দী ব্যক্তিক বন্দী অৱস্থাত ন্যায়ালয়ত সো-শৰীৰে উপস্থিত কৰোৱাৰ নিৰ্দেশ।

**পৰমাধিদেশ** ঃ ন্যায়ালয়ৰ দ্বাৰা কোনো বিষয়াক চৰকাৰী বা অৰ্ধচৰকাৰী পৰ্য্যায়ৰ আইনগত বাধ্যতামূলক কাৰ্য্য কৰিবলৈ দিয়া নিৰ্দেশ।

**নিষেধাজ্ঞা** ঃ কোনো নিম্ন আদালতক ইয়াৰ ক্ষেত্ৰাধিকাৰ ভংগ কৰাত বাধা প্ৰদান কৰা লেখ।

**উৎপেষন** ঃ কোনো মোকদৰ্মাক নিম্ন আদালতৰ পৰা উচ্চ আদালতলৈ স্থানান্তৰিত কৰিবলৈ দিয়া আদেশ।

**কৈফিয়ৎ তলবী** ঃ কোনো ব্যক্তিক তেওঁৰ বাবে অনুপযুক্ত পদত অধিষ্ঠিত হোৱাত বাধা প্ৰদান কৰি দিয়া নিৰ্দেশ।

## ২.৮ পাঠ্য নিৰ্দেশনা (Suggested Readings) ঃ


* স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা -
  ড০ কৃপেশ চন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক,
  অধ্যাপক শুভাশীষ শৰ্ম্মা,
  অৰুণ প্ৰকাশন কলেজ হোষ্টেল ৰ'ড, গুৱাহাটী।
* স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা - এক আলোকপাত -
  দুৰ্গাকান্ত শৰ্ম্মা, ৰফিক জামান আৰু পূৰবী শৰ্ম্মা।
* স্নাতক মহলাৰ তুলনামূলক চৰকাৰ -
  আদ্যনাথ চক্ৰৱৰ্ত্তী, জ্যোতি প্ৰকাশন, গুৱাহাটী।
* ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি -
  ড০ থানেশ্বৰ লাহন, শান্তি প্ৰকাশন, গুৱাহাটী।
* স্নাতক মহলাৰ ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি -
  নবীন গোহাঁই, দ্বীপেন দাস, বিদ্যাভৱন, যোৰহাট।
* Indian Government and politics - Hans Raj, Surjeet Publications, Delhi.
* Indian Government and Politcs - Prokash Chander.
* Constitutional Government in India - M. V. Pylee.

## ২.৯. আত্মমূল্যায়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ ঃ

আত্মমূল্যায়ণৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ (ক)

I) তৃতীয় অধ্যায়ৰ (Part III)

II) ৬ প্ৰকাৰৰ

III) বৰ্তমান নহয়

IV) ৪৪তম্ সংশোধনীৰ যোগেদি

V) শুদ্ধ।

আত্মমূল্যায়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ (খ)

I) চতুৰ্থ অধ্যায়ৰ (Part IV)

II) ভাৰতবৰ্ষক এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰা।

III) অশুদ্ধ

IV) নিৰ্দেশাত্মক নীতিবোৰ আদালতৰ দ্বাৰা বলৱৎ কৰিব নোৱাৰি।

V) মৌলিক অধিকাৰ বিলাক ন্যায়ালয়ৰ বিচাৰযোগ্য কিন্তু নিৰ্দেশাত্মক নীতিবোৰ বিচাৰযোগ্য নহয়।

আত্মমূল্যায়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ(গ)

I) চতুৰ্থ (ক) অংশত

II) শুদ্ধ

III) ১১ বিধ

IV) ছয়ৰ পৰা চৈধ্য বছৰ বয়সৰ সকলো ল'ৰা ছোৱালীকে বিদ্যালয়লৈ পঠোৱাটো প্ৰত্যেক পিতৃ-মাতৃ আৰু অভিভাৱকৰ মৌলিক কৰ্তব্য।

## ২.১০ প্ৰসংগ পুথি (Reference Book)


* স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা
  ড° কৃপেশ চন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক, অধ্যাপক শুভাশীষ শৰ্ম্মা
  অৰুন প্ৰকাশন, কলেজ, হোষ্টেল ৰড, গুৱাহাটী
* স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা-এক আলোকপাত
  দুৰ্গাকান্ত শৰ্মা, ৰফিক জামান আৰু ড°পূৰবী শৰ্মা।
* ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি
  অধ্যাপক পুৰন্দৰ গগৈ, বনলতা প্ৰকাশন, ডিব্ৰুগড়

* স্নাতক মহলাৰ তুলনামূলক চৰকাৰ
আদ্যনাথ চক্ৰবৰ্তী, জ্যোতি প্ৰকাশন, গুৱাহাটী
* ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি
ড°থানেশ্বৰ লাহন, শান্তি প্ৰকাশন গুৱাহাটী
* স্নাতক মহলাৰ ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি
নবীন গোঁহাই, দ্বীপেন দাস, বিদ্যাভৱন, যোৰহাট।
* Indian Government and Politics - Hans Raj,
Surjeet Publications, Delhi.
* Select Constitutions -
Anup Chandra Kapur and K.K. Misra, S.Chand and Company Ltd.
New Dehi
* Indian Government and politics-- Prakash Chander
* Constitutional Government in India -- M.V. Pylee
S.Chand and Company Ltd., New Delhi

**২.১১ আৰ্হি প্ৰশ্ন (Model question) :**

১) মৌলিক অধিকাৰ বুলি ক'লে কি বুজা?
২) ভাৰতীয় সংবিধানত সন্নিবিষ্ট থকা মৌলিক অধিকাৰসমূহ কি কি?
৩) ভাৰতীয় সংবিধানত উল্লেখ থকা মৌলিক অধিকাৰ সমূহৰ বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰা।
৪) মৌলিক অধিকাৰৰ গুৰুত্ব সম্পৰ্কত এটা চমু টোকা লিখা।
৫) ভাৰতীয় নাগৰিকৰ মৌলিক অধিকাৰৰ সীমাৱদ্ধতাসমূহ আলোচনা কৰা।
৬) ভাৰতীয় সংবিধানত সন্নিবিষ্ট থকা ভাৰতীয় নাগৰিকৰ মৌলিক কৰ্তব্য কেই প্ৰকাৰৰ আৰু কি কি, চমুৱাই আলোচনা কৰা।
৭) মৌলিক কৰ্তব্যসমূহ ন্যায়ালয়ৰ বিচাৰযোগ্য হয়নে?
৮) ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতি বুলিলে কি বুজা?
৯) নিৰ্দেশাত্মক নীতি আৰু মৌলিক অধিকাৰৰ মাজত থকা পাৰ্থক্যসমূহ আলোচনা কৰা।
১০) নিৰ্দেশাত্মক নীতিৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰা।
১১) নিৰ্দেশাত্মক নীতিৰ সংবিধানিক তাৎপৰ্য্য ব্যাখ্যা কৰা।
১২) নিৰ্দেশাত্মক নীতিত অন্তৰ্ভূক্ত সমাজবাদী আৰু অৰ্থনৈতিক নীতিসমূহ আলোচনা কৰা।
১৩) নিৰ্দেশাত্মক নীতিৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

# গোট -৩

# (Unit -3)

## ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়া

**গঠন বিন্যাস ঃ**


৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা।

৩.২ ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়া

৩.২.১ ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ বৈশিষ্ট্য

৩.২.২ সংবিধান সংশোধনৰ পদ্ধতিসমূহ

আত্ম মূল্যায়নৰ প্ৰশ্ন

৩.২.৩ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ আঁসোৱাহসমূহ

৩.২.৪ সংবিধানৰ মূল গাঁথনি আৰু ইয়াৰ সংশোধন

আত্ম মূল্যায়নৰ প্ৰশ্ন

৩.৩ ভাৰতীয় সংবিধানৰ গুৰুত্বপূৰ্ণ সংশোধনীসমূহ

৩.৩.১ ৪২তম সংশোধনী আইনৰ বৈশিষ্ট্যসমূহ

৩.৩.২ ৭৩ নং সংশোধনী আইনৰ বিধানসমূহ

আত্ম মূল্যায়নৰ প্ৰশ্ন

৩.৪ সামৰণি

৩.৫ ঘাই শব্দ সমূহ

৩.৬ পাঠ্য নিৰ্দেশনা

আত্ম মূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ

প্ৰসংগ পুথি

আৰ্হি প্ৰশ্ন

## ৩.০ উদ্দেশ্য ঃ

এইটো গোট অধ্যয়নৰ পিছত তোমালোকে-

- ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়া বিশ্লেষণ কৰিব পাৰিবা।
- ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ বৈশিষ্ট্যসমূহ বাখ্যা কৰিব পাৰিবা।
- ভাৰতৰ সংবিধান সংশোধনৰ পদ্ধতিকেইটা বাখ্যা কৰিব পাৰিবা।
- সংবিধান সংশোধন প্ৰক্ৰিয়াৰ আঁসোৰাহসমূহ আঙুলিয়াই দিব পাৰিবা।
- সংবিধানৰ মূল গাঁথনি আৰু ইয়াৰ সংশোধনৰ ওপৰত আলোচনা আগবঢ়াব পাৰিবা।
- সংবিধানৰ ৪২ তম সংশোধনী আইনৰ বৈশিষ্ট্যসমূহ বাখ্যা কৰিব পাৰিবা।
- সংবিধানৰ ৭৩ নং সংশোধনী আইনৰ মূল বিধানসমূহ আলোচনা কৰিব পাৰিবা।

## ৩.১. প্ৰস্তাৱনা ঃ

তোমালোকে ইতিমধ্যে নমনীয় আৰু অনমনীয় সংবিধানৰ বিষয়ে জানিব পাৰিছা। সংবিধান সংশোধন প্ৰক্ৰিয়াৰ ওপৰত ভিত্তি কৰিয়েই সংবিধানক নমনীয় আৰু অনমনীয় এই ভাগত ভাগ কৰা হয়। পৰিবৰ্তিত পৰিস্থিতিৰ লগত খাপ খুৱাই চলিবৰ বাবে পৃথিৱীৰ প্ৰায়বোৰ দেশৰে সংবিধান সংশোধনৰ ব্যৱস্থা আছে। কিছুমান দেশত সংবিধান সংশোধন পদ্ধতি জটিল হোৱাৰ বিপৰীতে অন্য কিছুমান দেশত সংবিধান সংশোধনৰ ক্ষেত্ৰত সহজ পদ্ধতি অৱলম্বন কৰা দেখা যায়। এইটো গোটত তোমালোকক ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ লগত চিনাকি কৰি দিয়াৰ প্ৰয়াস কৰিম।

অন্য ৰাষ্ট্ৰৰ সংবিধানৰ দৰে ভাৰতৰ সংবিধানখনতো সংশোধনৰ ব্যৱস্থা আছে। ভাৰতৰ সংবিধান প্ৰণেতাসকল সংবিধান সংশোধন পদ্ধতিৰ প্ৰয়োজনীয়তা সম্পৰ্কত সচেতন আছিল। অৱশ্যে তেওঁলোকৰ মাজত সংবিধান সংশোধনৰ পদ্ধতিক লৈ মতভেদ আছিল। কিছুমান সদস্যই ভাৰতৰ সংবিধান সংশোধন পদ্ধতিটো জটিল হোৱাটো বিচাৰিছিল। অন্য কিছুমানে আকৌ সংশোধন প্ৰক্ৰিয়া নমনীয় বা সহজ হ'ব লাগে বুলিহে মত প্ৰকাশ কৰিছিল। অবশেষত ভাৰতৰ সংশোধন পদ্ধতিক একেবাৰে সহজ বা অতি জটিল নকৰি দুয়োটাৰে সংমিশ্ৰিত ব্যৱস্থা গ্ৰহণ কৰা হ'ল। অৰ্থাৎ ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়া নমনীয়তা আৰু অনমনীয়তাৰ এক সংমিশ্ৰন। ই বৃটিছ সংবিধানৰ দৰে নমনীয়ও নহয় আৰু আমেৰিকাৰ সংবিধানৰ দৰে দৃঢ়ও নহয়।

### ৩.২ ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়া ঃ

ভাৰতীয় সংবিধানৰ ৩৬৮নং অনুচ্ছেদত সংবিধান সংশোধন প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰা হৈছে। ৩৬৮ নং অনুচ্ছেদ অনুসৰি সংসদে ইয়াৰ সাংবিধানিক ক্ষমতা প্ৰয়োগৰ জৰিয়তে সংবিধান সংশোধন কৰিব পাৰে। অন্যকথাত কবলৈ হ'লে সংবিধান সংশোধনৰ ক্ষেত্ৰত সংসদেই সৰ্বেসৰ্বা। এইক্ষেত্ৰত ৰাজ্যিক বিধানমণ্ডলসমূহৰ ভূমিকা সীমিত। সংবিধান সংশোধনী বিধেয়ক কেৱল সংসদতহে উত্থাপন কৰিব পাৰি। ৰাজ্যিক বিধানমণ্ডলত তেনে বিধেয়ক উত্থাপন কৰিব নোৱাৰি।

### ৩.২.১ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ বৈশিষ্ট্য ঃ

ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়া বিশ্লেষণ কৰিলে ইয়াৰ কেতবোৰ বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। সেইবোৰ হ'ল -

**১) সংসদৰ প্ৰাধান্য ঃ** ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়াত সংসদে প্ৰাধান্য বিস্তাৰ কৰা দেখা যায়। সংবিধান সংশোধনী বিধেয়ক কেৱল কেন্দ্ৰীয় বিধানমণ্ডল বা সংসদতহে উত্থাপন কৰিব পাৰি।

**২) নমনীয়তা আৰু অনমনীয়তাৰ সংমিশ্ৰণ ঃ** ভাৰতৰ সংবিধান সংশোধন পদ্ধতি একেবাৰে সহজো নহয় বা অতিশয় জটিল বুলিও ক'ব নোৱাৰি। কিছুমান অনুচ্ছেদ অতি সহজে সংশোধন কৰিব পাৰি। আন্যহাতে সংবিধানৰ কিছুমান অনুচ্ছেদ সংশোধনৰ ক্ষেত্ৰত জটিল পদ্ধতি অনুসৰণ কৰা হয়।

**৩) আইন প্ৰণয়নৰ সৈতে একে পদ্ধতি ঃ** ভাৰতত সংবিধান সংশোধনী প্ৰস্তাৱ উত্থাপনৰ কোনো পৃথক পদ্ধতি নাই। আইন প্ৰনয়ন পদ্ধতিৰ সৈতে একে ধৰণেৰে এই প্ৰস্তাৱো উত্থাপন কৰিব পাৰি।

**৪) ৰাজ্যসমূহৰ সীমিত ভূমিকা ঃ** সংবিধান সংশোধন প্ৰক্ৰিয়াত ৰাজ্যসমূহৰ ভূমিকা অতি সীমিত। সংবিধানৰ মাত্ৰ কেইটামান অনুচ্ছেদ সংশোধনৰ ক্ষেত্ৰতহে ৰাজ্যিক বিধানমণ্ডলসমূহৰ অনুমোদন দৰকাৰ হয়।

**৫) ৰাষ্ট্ৰপতিৰ সন্মতি ঃ** ৰাষ্ট্ৰপতিৰ সন্মতিৰ অবিহনে কোনো সংবিধান সংশোধনী বিধেয়ক আইনত পৰিণত নহয়। উভয় সদনত গৃহীত হোৱাৰ পিছত সংবিধান সংশোধনী বিধেয়ক এখন ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ বাবে প্ৰেৰণ কৰা হয়। ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ পিছতহে সি আইনত পৰিণত হয়।

**৬) সংবিধানক গতিশীলতা প্ৰদান ঃ** সংবিধান সংশোধন প্ৰক্ৰিয়াই ভাৰতৰ সংবিধানক গতিশীল কৰি তুলিছে। ই সংবিধানখনক এক জীৱন্ত দলিললৈ ৰূপান্তৰিত কৰিছে।

### ৩.২.২ সংবিধান সংশোধনৰ পদ্ধতিসমূহ ঃ

ভাৰতৰ সংবিধানখন সংশোধনৰ ক্ষেত্ৰত তিনিটা পদ্ধতি অৱলম্বন কৰা হয়। সেইকেইটা হ'ল সংবিধান সংশোধনৰ নমনীয় পদ্ধতি, মিশ্ৰ পদ্ধতি আৰু দৃঢ় পদ্ধতি। ইয়াৰে পিছৰ দুটা পদ্ধতিৰ বিষয়ে ৩৬৮ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে। সংবিধান সংশোধনৰ নমনীয় পদ্ধতি ৩৬৮ নং অনুচ্ছেদৰ বৰ্হিভূত। এই পদ্ধতিটো সংবিধানৰ ৩৬৮ নং অনুচ্ছেদত উল্লেখ নকৰাৰ মূল কাৰণটো হ'ল ই সাধাৰণ। আইন প্ৰক্ৰিয়াৰ সৈতে একে। যি কি নহওঁক ভাৰতৰ সংবিধানখন সংশোধনৰ ক্ষেত্ৰত তিনিটা পদ্ধতি অনুসৰণ কৰা হয়। সেই কেইটাৰ বিষয়ে তলত আলোচনা কৰা হ'ল-

**১) নমনীয় পদ্ধতি ঃ** ভাৰতীয় সংবিধানৰ কিছুমান অনুচ্ছেদ সাধাৰণ আইন প্ৰনয়ন পদ্ধতিৰে সংশোধন কৰিব পাৰি। এনে সংশোধনৰ ক্ষেত্ৰত কোনো বিশেষ পদ্ধতি অনুসৰণ কৰিব নালাগে। সাধাৰণ বিধেয়কৰ নিচিনাকৈ সংশোধনী বিধেয়ক সংসদৰ যিকোনো সদনতে উত্থাপন কৰিব পাৰি। উভয় সদনত সাধাৰণ সংখ্যাগৰিষ্ঠতাত বিধেয়ক খন গ্ৰহণ কৰি ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ বাবে প্ৰেৰণ কৰা হয়। ৰাষ্ট্ৰপতিৰ সন্মতি পালেই বিধেয়কখন সংশোধনী আইনত পৰিণত হয়। এইটো পদ্ধতিৰে সংবিধান সংশোধন কৰাটো সহজ বাবে ইয়াক সংবিধান সংশোধনৰ নমনীয় পদ্ধতি বুলি কোৱা হয়। সংবিধান সংশোধনৰ ক্ষেত্ৰত নমনীয় পদ্ধতি অনুসৰণ কৰা কেইটামান বিষয় হ'ল - নতুন ৰাজ্য সৃষ্টি আৰু পুৰণি ৰাজ্যৰ নাম বা সীমা সলনি, ৰাজ্যত উচ্চসদন গঠন আৰু বিলোপ সাধন, সংসদৰ সদস্যসকলৰ বিশেষাধিকাৰ, চৰকাৰী ভাষা, ভাৰতীয় নাগৰিকত্ব, উচ্চতম ন্যায়ালয়ৰ ক্ষমতাৰ সম্প্ৰসাৰণ, দেশৰ নিৰ্বাচন ইত্যাদি।

**২) মিশ্ৰ পদ্ধতি ঃ** সংবিধান সংশোধনৰ দ্বিতীয় পদ্ধতিটো ৩৬৮ নং অনুচ্ছেদৰ অৰ্ন্তগত। এই পদ্ধতি অনুসৰি সংবিধানৰ কিছুমান অনুচ্ছেদ সংশোধনৰ বাবে সংসদৰ উভয় সদনৰ মুঠ সদস্যসকলৰ অধিকাংশ আৰু প্ৰত্যেক সদনত উপস্থিত থকা ভোট প্ৰদানকাৰী সদস্যৰ দুই-তৃতীয়াংশ সদস্যৰ সমৰ্থন দৰকাৰ হয়। অৰ্থাৎ এই পদ্ধতিৰে সংবিধান সংশোধনৰ বাবে বিশেষ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন। উভয় সদনত বিশেষ সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত বিধেয়কখন গৃহীত হোৱাৰ পিছত ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ বাবে পঠোৱা হয়। ৰাষ্ট্ৰপতিৰ স্বাক্ষৰ লাভ কৰিলেই সংশোধনী বিধেয়ক আইনত পৰিণত হয়। সংবিধান সংশোধনৰ এইটো পদ্ধতি অতি সহজ নহয়; অতি জটিলো নহয়। ই নমনীয়তা আৰু অনমনীয়তাৰ সংমিশ্ৰণ হোৱা বাবে ইয়াক মিশ্ৰ পদ্ধতি বুলি কোৱা হয়।

ভাৰতীয় সংবিধানৰ বেছিভাগ অনুচ্ছেদ এইটো পদ্ধতিৰে সংশোধন কৰা হয়। বিশেষকৈ তৃতীয় অধ্যায়ত বৰ্ণিত মৌলিক অধিকাৰ আৰু চতুৰ্থ অধ্যায়ত সন্নিবিষ্ট নিৰ্দেশাত্মক নীতিসমূহ সংশোধনৰ ক্ষেত্ৰত এইটো পদ্ধতি অৱলম্বন কৰা হয়।

**৩) দৃঢ় পদ্ধতি ঃ** সংবিধান সংশোধনৰ তৃতীয় পদ্ধতিটো তুলনামূলকভাবে জটিল। সাধাৰণতে প্ৰথম আৰু দ্বিতীয় পদ্ধতিৰে সংশোধন কৰিব নোৱাৰা অনুচ্ছেদবোৰ সংশোধনৰ বাবে তৃতীয় পদ্ধতি গ্ৰহণ কৰা হয়। সংবিধানৰ ৩৬৮ নং অনুচ্ছেদ অনুসৰি সংবিধানৰ কিছুমান বিষয় সংসদৰ উভয় সদনৰ মুঠ সদস্যৰ গৰিষ্ঠ সংখ্যাক আৰু উপস্থিত থাকি ভোট প্ৰদানকাৰী সদস্যৰ দুই তৃতীয়াংশই অনুমোদন জনোৱাৰ পিছত সংবিধান সংশোধনী বিধেয়ক ৰাজ্যসমূহৰ আধাসংখ্যক বা তাতোধিক বিধানমনগুলে অনুমোদন জনাব লাগে। তাৰ পিছত ৰাষ্ট্ৰপতিৰ সন্মতিক্ৰমে বিধেয়কখন সংশোধনী আইনত পৰিণত হয়। এইটো পদ্ধতিৰে তলত দিয়া বিষয়সমূহ সংশোধন কৰা হয়-

১) ৰাষ্ট্ৰপতিৰ নিৰ্বাচন আৰু নিৰ্বাচন পদ্ধতি।

২) কেন্দ্ৰীয় কাৰ্যপালিকাৰ ক্ষমতাৰ সম্প্ৰসাৰণ ।

৩) ৰাজ্যিক কাৰ্যপালিকাৰ ক্ষমতা বৃদ্ধি।

৪) উচ্চতম ন্যায়ালয়ৰ স্থাপন আৰু গঠন।

৫) ৰাজ্যসমূহৰ উচ্চ ন্যায়ালয়।

৬) সংবিধানৰ সপ্তম অনুসূচী।

৭) সংসদত ৰাজ্যসমূহত প্ৰতিনিধিত্ব।

৮) ৩৬৮ নং অনুচ্ছেদৰ বিধান বা উপদেশসমূহ।

**আত্মমূল্যায়নৰ প্ৰশ্ন (ক)ঃ**

১) ভাৰতীয় সংবিধানৰ কোনটো অনুচ্ছেদত সংবিধান সংশোধন প্ৰক্ৰিয়াৰ বিষয়ে আলোচনা কৰা হৈছে?

------------------------------------------------------------

২) ভাৰতৰ সংবিধানখন সংশোধনৰ ক্ষেত্ৰত কেইটা পদ্ধতি অৱলম্বন কৰা হয়?

------------------------------------------------------------

৩) ৰাজ্যিক বিধানমণ্ডলত সংবিধান সংশোধনী বিধেয়ক উত্থাপন কৰিব পাৰিনে?

------------------------------------------------------------

৪) ৰাষ্ট্ৰপতিৰ সন্মতিৰ অবিহনে সংশোধনী বিধেয়ক আইনত পৰিণত হয়নে?

------------------------------------------------------------

৫) সংবিধান সংশোধনৰ ক্ষেত্ৰত ৰাজ্যিক বিধান মণ্ডলৰ অনুমোদন দৰকাৰ হোৱা দুটা বিষয় উল্লেখ কৰা।

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

৬) সাধাৰণ আইন প্ৰনয়ন পদ্ধতিৰে সংশোধন কৰিব পৰা দুটা বিষয় উল্লেখ কৰা।

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

**৩.২.৩ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ আঁসোৱাহসমূহ ঃ**

তোমালোকে ইতিমধ্যে ভাৰতৰ সংবিধান সংশোধন পদ্ধতি আৰু ইয়াৰ বৈশিষ্ট্যসমূহ জানিব পাৰিলা। এতিয়া তোমালোকে ভাৰতৰ সংবিধান সংশোধনৰ প্ৰক্ৰিয়াৰ দোষ বা আঁসোৱাহবোৰ ধৰিব পাৰিছানে? ভাৰতৰ সংবিধান সংশোধন পদ্ধতিৰ কেতবোৰ দোষ বা আঁসোৱাহ আছে। সোইবোৰ তলত উল্লেখ কৰা হ'ল-

**১) একক পদ্ধতিৰ অভাৱঃ** ভাৰতীয় সংবিধানখন সংশোধনৰ ক্ষেত্ৰত তিনিটা পদ্ধতি আছে। একক পদ্ধতি নথকা বাবে বহুসময়ত সমস্যাৰ সৃষ্টি হয় বুলি সমালোচক সকলে মত প্ৰকাশ কৰিছে।

**২) সংসদৰ একচেতিয়া প্ৰভাৱঃ** ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়াত সংসদে একচেতিয়া ভূমিকা গ্ৰহণ কৰে বুলি সমালোচকসকলে মত প্ৰকাশ কৰিছে।

**৩) ৰাজ্যিক আইনসভাৰ গুৰুত্ব কম ঃ** সংবিধান সংশোধনৰ ক্ষেত্ৰত ৰাজ্যিক আইনসভা সমূহৰ গুৰুত্ব একেবাৰে কম। সংবিধান সংশোধনী বিধেয়ক ৰাজ্যিক আইনসভাত উত্থাপন কৰিব নোৱাৰি। তদুপৰি, মাত্ৰ কেইটামান অনুচ্ছেদ সংশোধনৰ ক্ষেত্ৰতহে ৰাজ্যিক আইনসভাসমূহৰ অনুমোদন দৰকাৰ হয়।

**৪) মৌলিক অধিকাৰ সংশোধন ঃ** মৌলিক অধিকাৰৰ সংশোধন ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ আন এটা আঁসোৱাহ। এক মৰ্য্যদাপূৰ্ণ জীৱন অতিবাহিত কৰিবৰ বাবে আৱশ্যকীয় এই অধিকাৰসমূহ সংশোধনযোগ্য হ'ব নালাগে বুলি সমালোচক সকলে মত প্ৰকাশ কৰিছে।

**৫) ৰাষ্ট্ৰপতিৰ অনুমোদনৰ নিৰ্দিষ্ট সময়সীমা নাই ঃ** সংসদত গৃহীত হোৱাৰ পিছত সংশোধনী বিধেয়ক এখনত ৰাষ্ট্ৰপতিয়ে কিমান দিনৰ ভিতৰত স্বাক্ষৰ দিব লাগে তাৰ নিৰ্দিষ্ট সময়সীমা নাই।

**৬) সাংবিধানিক স্পষ্টতাৰ অভাৱঃ** সংবিধান সংশোধনী বিধেয়কক লৈ দুয়োটা সদনৰ মাজত মত বিৰোধ হ'লে কি উপায়েৰে সেই মতবিৰোধ দূৰ কৰিব পাৰি-সেই বিষয়ত ভাৰতীয় সংবিধানখন স্পষ্ট নহয়।

### ৩.২.৪ সংবিধানৰ মূল গাঁথনি আৰু ইয়াৰ সংশোধন ঃ

তোমালোকে ইতিমধ্যে জানিব পাৰিছা যে, সংসদে মৌলিক অধিকাৰ সংশোধন কৰিব পাৰে। ১৯৭২ চনত ২৪তম সংশোধনী আইনে সংসদক মৌলিক অধিকাৰৰ লগতে সংবিধানৰ যিকোনো অংশ সংশোধনৰ অপৰিসীম ক্ষমতা প্ৰদান কৰিলে। কিন্তু ১৯৭৩ চনত কেশবানন্দ ভাৰতী গোচৰত উচ্চতম ন্যায়ালয়ে ৰায় প্ৰদান কৰি ঘোষণা কৰিলে যে সংবিধানৰ এটা মৌলিক গাঁথনি আছে আৰু ইয়াক সংশোধন কৰিব নোৱাৰি। উচ্চতম ন্যায়ালয়ৰ এই ঐতিহাসিক ৰায়টোৰ পিছতে সংবিধানৰ মৌলিক গাঁথনিৰ এক নতুন ধাৰণা পোহৰলৈ আহিল। ইয়াৰ আগতে তেনে ধাৰণা কোনেও ব্যক্ত কৰা নাছিল। গতিকে ১৯৭৩ চনৰ পিছত সংবিধানৰ মূল গাঁথনি আৰু ইয়াৰ সংশোধনৰ বিষয়টোৱে বিশেষ চৰ্চা লাভ কৰিবলৈ ধৰিলে। অবশ্যে উচ্চতম ন্যায়ালয়ে মূল গাঁথনিৰ ধাৰণাটো আগবঢ়ালেও ইয়াৰ স্পষ্ট সংজ্ঞা দিয়া নাছিল। সংবিধানৰ কোন কোন অংশ মূল গাঁথনিৰ অৰ্ন্তগত সেই সম্পৰ্কত উচ্চতম ন্যায়ালয়ে কোনো মত দাঙি ধৰা নাই। এই ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ ন্যায়ধীশসকলে ব্যক্তিগত ভাবে মূল গাঁথনি সম্পৰ্কে তেওঁলোকৰ মতামত দাঙি ধৰিছে। উদাহৰণস্বৰূপে, ন্যায়াধীশ গ্ৰোভাৰ আৰু ন্যায়াধীশ চেলেটে নিম্নলিখিত বিষয়সমূহকেই সংবিধানৰ মূল গাঁথনি বুলি অভিহিত কৰিছে,

১) সংবিধানৰ প্ৰাধান্য

২) দেশৰ ঐক্য সংহতি আৰু সাৰ্বভৌমত্ব

৩) যুক্তৰাষ্ট্ৰীয় আৰু ধৰ্মনিৰপেক্ষ চৰিত্ৰ

৪) কাৰ্যপালিকা, আইনপালিকা আৰু ন্যায়পালিকাৰ মাজত সমন্বয়।

৫) গণতান্ত্ৰিক আৰু প্ৰজাতান্ত্ৰিক চৰকাৰ।

যিকি নহওক ন্যায়াধীশসকলে ব্যক্তিগত ভাবে আগবঢ়োৱা মতামতৰ ভিত্তিত তলত দিয়া বিষয়বোৰক সংবিধানৰ মূল গাঁথনিৰ অৰ্ন্তগত বুলি ক'ব পাৰি।

১) সংবিধানৰ প্ৰাধান্য।

২) আইনৰ শাসন।

৩) ক্ষমতাৰ পৃথকীকৰণ নীতি।

৪) প্ৰস্তাৱনাত উল্লেখিত উদ্দেশ্যসমূহ।

৫) ন্যায়িক সমীক্ষা।

৬) যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা।

৭) ধৰ্মনিৰপেক্ষতা।

৮) ভাৰতৰ সাৰ্বভৌম, গণতান্ত্ৰিক আৰু প্ৰজান্ত্ৰিক গাঁথনি।

৯) ব্যক্তিৰ মৰ্য্যদা আৰু স্বাধীনতা।

১০) ভাৰতৰ ঐক্য আৰু অখণ্ডতা।

১১) সমতা নীতি।

১২) মৌলিক অধিকাৰ।

১৩) অৰ্থনৈতিক আৰু সামাজিক ন্যায়।

১৪) সংসদীয় শাসনব্যৱস্হা।

১৫) মুক্ত আৰু নিকা নিৰ্বাচন।

১৬) ন্যায়পালিকাৰ স্বাধীনতা ইত্যাদি।

সংবিধানৰ মূল গাঁথনিৰ ধাৰণাটো নাকচ কৰিবৰ বাবে সংবিধানৰ ৪২ তম সংশোধনী আইন পাছ কৰা হ'ল। এই আইনে সংসদক সংবিধান সংশোধনৰ অপৰিসীম ক্ষমতা প্ৰদান কৰিলে। সংসদে সংবিধানৰ যিকোনো অংশ সংশোধনৰ ক্ষমতা লাভ কৰিলে। কাজেই মূল গাঁথনিৰ ধাৰণাটো কিছুদিনলৈ তল পৰিল। অৱশ্যে, ১৯৮০ চনত মূল গাঁথনিৰ ধাৰণাটোৱে পুনৰ স্বীকৃতি লাভ কৰিলে। ১৯৮০ চনত মিনাৰ্ভা মিল' গোচৰৰ ৰায় প্ৰদান কৰি উচ্চতম ন্যায়ালয়ে ৪২ তম সংশোধনী আইনৰ ভালেমান দফা বাতিল কৰিলে। লগতে উচ্চতম ন্যায়ালয়ে সংবিধান সংশোধনী আইনৰ বৈধ্যতা বিচাৰ কৰিব পাৰিব বুলি মত প্ৰকাশ কৰা হ'ল।

বৰ্তমান সংসদে মৌলিক অধিকাৰ সংশোধন কৰিব পাৰে। কিন্তু সংবিধানৰ মূল বা মৌলিক গাঁথনি সংশোধন কৰিব নোৱাৰে। অৱশ্যে এটা কথা ঠিক যে, কোন কোন বিষয়ক সংবিধানৰ মূল গাঁথনিৰ অন্তৰ্গত কৰিব পাৰি সেই সম্পৰ্কে আগতীয়াকৈ সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰি। উচ্চতম ন্যায়ালয়ে সময় আৰু পৰিস্থিতি সাপেক্ষেহে সেইটো ঠিক কৰিব। মূল গাঁথনিৰ ধাৰণাটো উচ্চতম ন্যায়ালয়েই উদ্ভাৱন কৰিছিল আৰু ইয়াৰ ৰক্ষণাবেক্ষণৰ দায়িত্বও উচ্চতম ন্যায়ালয়েই গ্ৰহণ কৰিব।

**আত্মমূল্যায়নৰ প্ৰশ্ন (খ)ঃ**

১) ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ এটা দোষ উল্লেখ কৰা।

-------------------------------------------------------------

২) মৌলিক অধিকাৰ সংশোধন কৰিব পাৰিনে?

-------------------------------------------------------------

৩) কোনটো গোচৰৰ ৰায় প্ৰদান কৰি উচ্চতম ন্যায়ালয়ে মৌলিক গাঁথনিৰ ধাৰণাটো আগবঢ়াইছিল?

-------------------------------------------------------------

৪) সংবিধানৰ মূল গাঁথনিৰ অৰ্ন্তগত দুটা বিষয় উল্লেখ কৰা।

-------------------------------------------------------------

-------------------------------------------------------------

-------------------------------------------------------------

৫) সংবিধান সংশোধনী বিধেয়কক লৈ দুটা সদনৰ মাজত মতবিৰোধ হ'লে যুটীয়া অধিবেশন আহ্বান কৰিব পাৰিনে?

-------------------------------------------------------------

৬) কিমান চনত উচ্চতম ন্যায়ালয়ে সংবিধানৰ মূল গাঁথনিৰ ধাৰণাটো উদ্ভাৱন কৰিছিল?

-------------------------------------------------------------

## ৩.৩ ভাৰতীয় সংবিধানৰ গুৰুত্বপূৰ্ণ সংশোধনীসমূহ ঃ

ভাৰতীয় সংবিধানখন **১৯৫০** চনৰ ২৬ জানুৱাৰীৰ পৰা বলবৎ হৈছে। সংবিধানখন বলবৎ হোৱাৰ দিনধৰি ইয়াক বহুবাৰ সংশোধন কৰা হৈছে। ভাৰতীয় সংবিধানৰ কেইটামান গুৰুত্বপূৰ্ণ সংশোধনীৰ বিষয়ে তলত আলোচনা কৰা হ'ল -

**১নং সংশোধনী ঃ ১৯৫১** চনত পোনপ্ৰথমবাৰৰ বাবে ভাৰতীয় সংবিধানখন সংশোধন কৰা হয়। এই সংশোধনী আইনৰ জৰিয়তে সমতা, স্বাধীনতা আৰু সম্পতিৰ অধিকাৰৰ ওপৰত যুক্তিসংগত বাধা আৰোপৰ ক্ষমতা ৰাষ্ট্ৰক প্ৰদান কৰা হৈছিল। সংবিধানৰ নৱম অনুসূচীও এইটো সংশোধনীৰ জৰিয়তেই সংযোজন কৰা হৈছিল।

**১৩ নং সংশোধনী ঃ ১৯৬২** চনত গৃহীত এই সংশোধনী আইনে নাগালেণ্ডক ৰাজ্যৰ মৰ্য্যদা প্ৰদান কৰিছিল। আৰু সংবিধানত **৩৭১** (ক) অনুচ্ছেদটো সংযোজন কৰা হৈছিল।

**১৮ নং সংশোধনী ঃ** ১৯৬৩ চনৰ ১৮ নং সংশোধনী আইনে ‘ৰাষ্ট্ৰৰ’ সংজ্ঞা নতুন ৰূপত দাঙি ধৰিছিল।

**২৪ তম সংশোধনী (১৯৭১) ঃ** এই সংশোধনী আইনে সংসদক মৌলিক অধিকাৰকে ধৰি সংবিধানৰ যিকোনো অংশ সংশোধনৰ ক্ষমতা প্ৰদান কৰিছিল।

**২৭তম সংশোধনী (১৯৭১)ঃ** এই সংশোধনীৰ দ্বাৰা উত্তৰ-পূৰ্বাঞ্চলক পুনৰ সংগঠিত কৰা হৈছিল।

**৩৬তম সংশোধনী (১৯৭৪)ঃ** চিকিমক পূৰ্ণাংগ ৰাজ্যৰ মৰ্য্যদা দিয়া হৈছিল।

**৪২ তম সংশোধনী ঃ** ভাৰতৰ সাংবিধানিক ইতিহাসত ৪২ তম সংশোধনী আইনে বিশেষ তাৎপৰ্য্য বহন কৰিছে। ১৯৭৬ চনত গৃহীত হোৱা এই সংশোধনীয়ে মুঠ ৫৯ টা সংশোধনী আনিছিল। ভাৰতীয় সংবিধানলৈ ব্যাপক পৰিবৰ্তন কঢ়িয়াই অনা এই সংশোধনী আইনক বহুতে Mini Constitution আখ্যাও দিছিল। এই আইনৰ গুৰুত্বপূৰ্ণ সংশোধনী বোৰৰ ভিতৰত - সংবিধানত সমাজবাদ, ধৰ্মনিৰপেক্ষতা, অখণ্ডতা শব্দৰ সংযোজন, মৌলিক অধিকাৰৰ ওপৰত নিৰ্দেশাত্মক নীতিৰ অগ্ৰাধিকাৰ, সংসদক শ্ৰেষ্ঠতা প্ৰদান, লোকসভা ও বিধানসভাৰ কাৰ্য্যকাল ৬ বছৰলৈ বৃদ্ধি, ৰাষ্ট্ৰপতিক মন্ত্ৰীসভাৰ পৰামৰ্শ মতে কাম কৰিবলৈ বাধ্য কৰোৱা আদি উল্লেখযোগ্য।

**৪৪নং সংশোধনী (১৯৭৮)ঃ** ১৯৭৮ চনত জনতা চৰকাৰৰ কাৰ্যকালত গৃহীত হোৱা এই সংশোধনী আইনে অনা কেইটামান পৰিবৰ্তন হ’ল-

১) সম্পত্তিৰ অধিকাৰক মৌলিক অধিকাৰৰ তালিকাৰ পৰা বাতিল।

২) ৰাষ্ট্ৰপতিৰ জাতীয় জৰুৰী ক্ষমতাৰ ক্ষেত্ৰত আভ্যন্তৰীণ অশান্তি শব্দটোৰ ঠাইত সশস্ত্ৰ বিদ্ৰোহ (Armed Rebellion) শব্দ সংযোজন ।

৩) লোকসভা আৰু ৰাজ্যিক বিধানসভাৰ কাৰ্যকাল ৫ বছৰলৈ হ্ৰাস কৰা হৈছিল।

**৫২নং সংশোধনী (১৯৮৫)ঃ** সংবিধানত দশম অনুসূচী সংযোজন কৰি এই সংশোধনী আইনে ‘দলত্যাগ’ৰ সংজ্ঞা আৰু দলত্যাগ বিৰোধী ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

**৫৩ নং সংশোধনী (১৯৮৬)ঃ** মিজোৰামক ভাৰতৰ ২৩ সংখ্যক ৰাজ্য হিচাপে স্বীকৃতি দিয়া হৈছে।

**৫৫ নং সংশোধনী (১৯৮৬)ঃ** অৰুণাচল প্ৰদেশক ২৪ তম ৰাজ্য হিচাপে স্বীকৃতি দিয়া হৈছিল।

**৬১ নং সংশোধনী (১৯৮৮)ঃ** ভোটাধিকাৰৰ বয়স ২১ ৰ পৰা ১৮ লৈ হ্ৰাস কৰা হৈছিল।

**৭৩নং সংশোধনী (১৯৯২) ঃ** সংবিধানৰ ৭৩ নং সংশোধনী আইনৰ জৰিয়তে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহক সাংবিধানিক মৰ্য্যদা প্ৰদান কৰা হৈছিল। সংবিধানত একাদশ অনুসূচীৰ অন্তৰ্ভূক্তিৰে পঞ্চায়তীৰাজ অনুষ্ঠানসমূহক ২৯টা বিভাগ অৰ্পণ কৰা হৈছিল। মহিলাসকলৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা হ'ল এই সংশোধনীৰ এক উল্লেখযোগ্য দিশ।

**৭৪ নং সংশোধনী (১৯৯৩)ঃ** সংবিধানৰ ৭৪ তম সংশোধনৰ জৰিয়তে নগৰ অঞ্চলৰ স্থানীয় স্বায়ত্ব শাসিত অনুষ্ঠানসমূহক সাংবিধানিক মৰ্য্যদা প্ৰদান কৰা হৈছিল। সংবিধানত দ্বাদশ অনুসূচীৰ সংযোজন এই সংশোধনৰ এক উল্লেখযোগ্য দিশ। এই সংশোধনী আইনৰ জৰিয়তে পৌৰ অনুষ্ঠানসমূহক ১৮ টা বিষয় অৰ্পণ কৰা হৈছে।

**৮৬ নং সংশোধনী (২০০২)ঃ** ২০০২ চনত সংবিধানৰ ৮৬তম সংশোধনী আইন গ্ৰহণ কৰা হৈছিল। এই সংশোধনীৰ জৰিয়তে সংবিধানত ২১(ক) অনুচ্ছেদ অন্তৰ্ভূক্তিৰে শিক্ষাক মৌলিক অধিকাৰ হিচাপে স্বীকৃতি দিয়া হয়। একেদৰে সংবিধানৰ ৫১নং অনুচ্ছেদত এটি ধাৰা (Clause) অন্তৰ্ভূক্তিৰে ১৪ বছৰৰ তলৰ শিশুক শিক্ষাৰ সুবিধা প্ৰদান কৰাটো অভিভাৱকসকলৰ পক্ষে এক মৌলিক কৰ্তব্য বুলি ঘোষণা কৰা হয়।

**৯২তম সংশোধন (২০০৪)ঃ**

২০০৪ চনৰ জানুৱাৰী মাহত গৃহীত এই সংশোধনী আইনে অষ্টম অনুসূচীত চাৰিটা নতুন ভাষাক আঞ্চলিক ভাষা হিচাপে সাংবিধানিক স্বীকৃতি প্ৰদান কৰিছে।

৯৪নং সংশোধন (২০০৬)ঃ

সংবিধানৰ ১৬৪নং অনুচ্ছেদ সংশোধনৰ জৰিয়তে দুখন নতুন ৰাজ্য ছটিছগড় আৰু ঝাৰখণ্ড সৃষ্টি কৰা হয়।

**জানানে?**

তোমালোকে জানানে যোৱা কিছু দিন ধৰি এখন সংবিধান সংশোধনী বিধেয়কে যথেষ্ট বিৰ্তকৰ সৃষ্টি কৰিছে। সেই বিধেয়ক খন হ'ল সংবিধানৰ ১০৮ তম সংশোধনী বিধেয়ক। মহিলাৰ সংৰক্ষণ বিধেয়ক (Women's Reservation Bill) নামেৰে পৰিচিত এই বিধেয়ক খনত লোকসভা আৰু ৰাজ্যিক বিধানসভাত মহিলাৰ বাবে ৩৬% আসন সংৰক্ষণৰ ব্যবস্থা কৰিবলৈ বিচৰা হৈছে। বিধেয়কখন ২০১০ চনৰ ১০ মাৰ্চত ৰাজ্য সভাত গৃহীত হ'ল যদিও লোকসভাত এতিয়ালৈকে গৃহীত হোৱা নাই।

**৩.৩.১. ৪২ তম সংশোধনী আইনৰ বৈশিষ্ট্যসমূহ ঃ**

আমি ইতিমধ্যে উল্লেখ কৰিছোঁ যে ভাৰতৰ সাংবিধানিক ইতিহাসত ৪২ তম সংশোধনী আইনে বিশেষ গুৰুত্ব লাভ কৰিছে। এই সংশোধনীয়ে ভাৰতীয় সংবিধানলৈ অনা পৰিবৰ্তনৰ ব্যাপকতালৈ লক্ষ্য কৰি বহুতে ইয়াক 'মিনি সংবিধান' বুলিও ক'ব খোজে। ১৯৭৬ চনত ভাৰতৰ এই সংকটজনক ৰাজনৈতিক পৰিস্থিতিত বিধেয়কখন গৃহীত হৈছিল। ১৯৭৬ চনৰ সংশোধনী আইন নামেৰে পৰিচিত এই আইনখনৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যসমূহ আছিল এনেধৰণৰ-

**১) প্ৰস্তাৱনা সংশোধন ঃ** এই আইনৰ জৰিয়তে ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত 'সমাজবাদী', 'ধৰ্মনিৰপেক্ষ' ৰাষ্ট্ৰ, 'ঐক্য আৰু সংহতি' শব্দকেইটা সংযোজন কৰা হৈছিল।

**২) মৌলিক অধিকাৰ আৰু নিৰ্দেশাত্মক নীতিৰ মাজত থকা সম্পৰ্কৰ পৰিৱৰ্তনঃ** এই সংশোধনী আইনে মৌলিক অধিকাৰৰ ওপৰত নিৰ্দেশাত্মক নীতিক অগ্ৰাধিকাৰ দিছিল।

**৩) নতুন নিৰ্দেশাত্মক নীতিত অৰ্ন্তভুক্তি ঃ** ৪২ তম সংশোধনী আইনে কেইটামান নতুন নিৰ্দেশাত্মক নীতি সংবিধানত অৰ্ন্তভূক্ত কৰিছিল। তাৰ ভিতৰত দ্ৰৰিদ্ৰ সীমাৰেখাৰ তলত বাসকৰা লোকক বিনামূলীয়া আইনী সাহাৰ্য্য, উদ্যোগ পৰিচালনাত শ্ৰমিকক অংশগ্ৰহণৰ সুবিধা প্ৰদান, পৰিবেশ, বন আৰু বন্যপ্ৰাণীৰ ৰক্ষণাবেক্ষণ উল্লেখযোগ্য।

**৪) মৌলিক কতৰ্ব্যৰ ব্যৱস্থা ঃ** ৪২ তম সংশোধনী আইনে সংবিধানত এটা নতুন অনুচ্ছেদ ৫১(ক) সংযোজন কৰি নাগৰিকৰ বাবে দহটা মৌলিক কৰ্তব্য সন্নিবিষ্ট কৰিছিল।

**৫) ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু পদমৰ্য্যদা ঃ** ১৯৭৬ চনত ৪২ তম সংশোধনী আইনে ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু পদমৰ্য্যাদালৈ পৰিবৰ্তন আনিছিল। এই সংশোধনী অনুসৰি ৰাষ্ট্ৰপতিয়ে মন্ত্ৰীসভাৰ পৰামৰ্শমতে কাম কৰিবলৈ বাধ্য।

**৬) লোকসভা আৰু বিধানসভাৰ কাৰ্যকাল ঃ** এই সংশোধনী আইনে লোকসভা আৰু ৰাজ্যিক বিধানসভাৰ কাৰ্যকাল ৬বছৰলৈ বৃদ্ধি কৰিছিল।

**৭) কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা বৃদ্ধি ঃ** এই আইনে কেন্দ্ৰীয় চৰকাৰক কোনো ৰাজ্যত সশস্ত্ৰ বাহিনী নিয়োগ কৰাৰ ক্ষমতা প্ৰদান কৰিছিল। লগতে কিছুমান বিষয়ক ৰাজ্যিক সূচীৰ পৰা সমৰ্বতী সূচীলৈ নিয়া হৈছিল। যেনে- শিক্ষা, বনবিভাগ।

**৮) ৰাষ্ট্ৰপতিৰ জৰুৰীকালীন ক্ষমতা ঃ** এই আইনে ৰাষ্ট্ৰপতিক প্ৰয়োজন হ'লে দেশৰ যিকোনো অংশত জৰুৰী অৱস্থা ঘোষণাৰ কৰ্তৃত্ব প্ৰদান কৰে। তদুপৰি ৩৫৬ নং অনুচ্ছেদ অনুসৰি ঘোষণা কৰা জৰুৰী অৱস্থা ছমাহৰ পৰা এবছৰলৈ বঢ়াই দিয়াৰ ক্ষমতাও ৰাষ্ট্ৰপতিক প্ৰদান কৰা হৈছিল।

**৯) উচ্চতম আৰু উচ্চ ন্যায়ালয়ৰ ক্ষমতা হ্রাসঃ** ১৯৭৬ চনৰ সংশোধনী আইনে ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ ন্যায়িক ক্ষমতা হ্রাস কৰিছিল। কিছু ক্ষেত্ৰত ই ন্যায়ালয়ৰ ন্যায়িক সমীক্ষাৰ সমতাও হ্রাস কৰিছিল।

**১০) সংবিধানৰ মূল গাঁথনিৰ ধাৰণা বাতিলঃ** এই সংশোধনী আইনমতে সংবিধানৰ কোনো মূল গাঁথনি নাই। এই আইনমতে সংসদে সংবিধানৰ যিকোনো অংশ সংশোধন কৰিব পাৰে।

**৩.৩.২. ৭৩ নং সংশোধনী আইনৰ বিধানসমূহ ঃ**

ভাৰতৰ পঞ্চায়তীৰাজ ব্যৱস্থাৰ ইতিহাসত ৭৩নং সংশোধনী আইন বিশেষভাৱে গুৰুত্বপূৰ্ণ। স্বাধীনতাৰ সময়ৰ পৰাই পঞ্চায়তীৰাজ ব্যৱস্থাৰ সৃষ্টি হৈছিল যদিও সামগ্ৰিকভাবে পঞ্চায়ত ব্যৱস্থা কৃতকাৰ্য হোৱা বুলি ক'ব নোৱাৰি। সেয়ে পঞ্চায়তীৰাজ ব্যৱস্থাৰ ওপৰত পৰামৰ্শ আগবঢ়াবলৈ ১৯৭৭ চনত জনতা চৰকাৰে অশোক মেহতাৰে নেতৃত্বত এখন কমিটি গঠন কৰি দিছিল। কিন্তু অশোক মেহতা কমিটিৰ পৰামৰ্শবোৰত সেই সময়ৰ কংগ্ৰেছ চৰকাৰে কোনো গুৰুত্ব নিদিলে। ১৯৮৬ চনত ৰাজীৱ গান্ধী নেতৃত্বাধীন কংগ্ৰেছ চৰকাৰে L. M. Singvi ৰ নেতৃত্বত পঞ্চায়তীৰাজ সম্পৰ্কত পৰামৰ্শ দিবলৈ এখন কমিটি গঠন কৰি দিছিল। এই কমিটিয়ে পঞ্চায়তীৰাজ ব্যৱস্থাক সাংবিধানিক মৰ্য্যদা দিবলৈ পৰামৰ্শ আগবঢ়ায়। ৰাজীৱগান্ধী নেতৃত্বাধীন চৰকাৰে এই পৰামৰ্শ কাৰ্যকৰী কৰিবৰ বাবে ১৯৮৯ চনত লোকসভাত এখন বিধেয়ক উত্থাপন কৰে। লোকসভাত বিধেয়কখন গৃহীত হৈছিল যদিও ৰাজ্যসভাত গৃহীত নহ'ল। ইয়াৰ পিছত নৰসিংহ ৰাও চৰকাৰে পুনৰ সেই বিধেয়কখন সদনত উত্থাপন কৰে। এইবাৰ দুয়োটা সদনতে গৃহীত হৈ বিধেয়কখন আইনত পৰিণত হয়। এইখনেই আছিল সংবিধানৰ ৭৩নং সংশোধনী আইন। ১৯৯২ চনৰ এপ্ৰিল মাহত গৃহীত এইখন সংশোধনী আইনৰ মূল বিধানসমূহ আছিল এনেধৰণৰ-

**১) পঞ্চায়তক সাংবিধানিক মৰ্য্যদা প্ৰদানঃ** ৭৩ নং সংশোধনী আইনে গাঁও অঞ্চলত স্থানীয় স্বায়ত্ব শাসিত গোটবোৰক সাংবিধানিক মৰ্য্যদা প্ৰদান কৰিছিল। এই আইন অনুসৰি ৰাজ্যিক বিধানমণ্ডলে আইন প্ৰণয়নৰ দ্বাৰা পঞ্চায়তৰ গঠন প্ৰণালী, সদস্য সংখ্যা, অনুসূচীত জাতি জনজাতি আৰু সমাজৰ অনান্য পিচপৰা শ্ৰেণীৰ প্ৰতিনিধিৰ সংখ্যা নিৰ্দ্ধাৰণ কৰিব।

**২) তিনিতৰপীয়া পঞ্চায়তঃ** এই সংশোধনী আইনে গাওঁ পৰ্য্যায়ত, গাওঁ পঞ্চায়ত উন্নয়নখণ্ড পৰ্য্যায়ত আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰ্য্যায়ত জিলা পৰিষদ গঠনৰ ব্যৱস্থা কৰিছিল।

**৩) মহিলাৰ বাবে আসন সংৰক্ষণ** এই আইন অনুসৰি পঞ্চায়তৰ ৩০% আসন মহিলাৰ বাবে সংৰক্ষিত হ'ব। সংবিধানৰ ৩৩৪ নং অনুচ্ছেদত সংৰক্ষণ ব্যৱস্থা অব্যাহত থকালৈকে মহিলাৰ সংৰক্ষণৰ ব্যৱস্থা চলি থাকিব।

৪) বিত্ত আয়োগ গঠন ঃ এই আইনৰ বিধান অনুসৰি ৰাজ্যপালে পঞ্চায়তসমূহৰ বিত্তীয় অৱস্থা পৰ্য্যবেক্ষণ কৰাৰ উদেশ্যে বিত্ত আয়োগ গঠন কৰিব পাৰিব। ৰাজ্যিক চৰকাৰ আৰু পঞ্চায়তৰ মাজত ৰাজহ বিতৰণ, সঞ্চিত নিধিৰ পৰা পঞ্চায়ত আৰু নগৰ পালিকাসমূহলৈ আগবঢ়োৱা অনুদান আদি নিৰূপণ কৰি ৰাজ্যপালক পৰামৰ্শ প্ৰদান কৰাই হৈছে বিত্ত আয়োগৰ প্ৰধান কাম।

৫) পঞ্চায়তৰ কাৰ্যকাল ঃ এই আইনে পঞ্চায়তৰ কাৰ্যকাল ৫বছৰ নিৰ্দ্ধাৰণ কৰিছিল। ৰাজ্য চৰকাৰে প্ৰয়োজনবোধ কৰিলে কাৰ্যকাল শেষ হোৱাৰ আগতে ইয়াক ভংগ কৰি দিব পাৰে। নিদিষ্ট কাৰ্যকালৰ আগতে ভংগ কৰিলে ছমাহৰ ভিতৰত নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব। কাৰ্যকাল শেষ হ'বলৈ ছমাহ বাকী থাকিলে নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰয়োজন নাথাকে।

**আত্মমূল্যায়নৰ প্ৰশ্ন- (গ)**

১) কোনটো সংবিধান সংশোধনীয়ে সংসদক মৌলিক অধিকাৰ সংশোধন কৰাৰ ক্ষমতা প্ৰদান কৰিছিল।

------------------------------------------------------------

২) কোনটো সংবিধান সংশোধনী আইন অনুসৰি ভোটাধিকাৰ বয়স ১৮ বছৰ নিৰ্দ্ধাৰণ কৰা হৈছে?

------------------------------------------------------------

৩) ৪২ তম সংশোধনী আইনৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

------------------------------------------------------------

------------------------------------------------------------

৪) কোনটো সংবিধান সংশোধনীৰ দ্বাৰা সম্পত্তিৰ অধিকাৰক মৌলিক অধিকাৰৰ তালিকাৰ পৰা উঠাই দিয়া হৈছিল?

------------------------------------------------------------

৫) ৭৩নং সংশোধনী আইনৰ দুটা বিধান লিখা।

------------------------------------------------------------

------------------------------------------------------------

৬) দলত্যাগ বিৰোধী আইন কোনটো সংবিধান সংশোধনী অনুসৰি গ্ৰহণ কৰা হৈছিল?

---------------------------------------------------------------

## ৩.৪ সামৰণিঃ

এইটো গোট অধ্যয়ণ কৰি তোমালেকে ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়া আৰু ইয়াৰ লগত জড়িত বিভিন্ন দিশসমূহ অনুধাৰন কৰিব পাৰিলা। অন্য দেশৰ সংবিধানৰ নিচিনাকৈ ভাৰতৰ সংবিধানখন সংশোধনৰ ক্ষেত্ৰতো এক বিশেষ পদ্ধতি অৱলম্বন কৰা হয়। সংবিধান সংশোধনৰ ক্ষেত্ৰত ভাৰতে গ্ৰহণ কৰা পদ্ধতিটো অতি জটিলো নহয় আৰু অতি সহজো নহয়। ই নমনীয়তা আৰু অনমনীয়তাৰ এক সংমিশ্ৰণ। অৱশ্যে ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ দোষ বা আঁসোৱাহ নথকা নহয়। সংবিধান সংশোধনৰ ক্ষেত্ৰত ভাৰতত সংসদেই সৰ্বেসৰ্বা যদিও উচ্চতম ন্যায়ালয়ে আগবঢ়োৱা মূল গাঁথনিৰ (Basic structure) ধাৰণাটোৱে সংসদৰ সংবিধান সংশোধনী ক্ষমতাত কিছু সীমাবদ্ধতা আৰোপ কৰিছে। এইটো গোটত তোমালোকে ভাৰতৰ কেইটামান গুৰুত্বপূৰ্ণ সংবিধান সংশোধনীৰ বিষয়েও জানিব পাৰিলা। বিশেষকৈ ৪২তম আৰু ৭৩ নং সংশোধনীৰ বৈশিষ্ট্য তথা বিধান সম্পৰ্কে তোমালোক স্পষ্ট হ'লা। মুঠৰ ওপৰত গোটটো অধ্যয়ন কৰি তোমালোকে ক'ব পাৰা যে সংবিধান সংশোধন প্ৰক্ৰিয়াই ভাৰতৰ সংবিধানখনক এক গতিশীল চৰিত্ৰ প্ৰদান কৰিছে।

## ৩.৫ ঘাই শব্দসমূহ ঃ

**সংশোধন ঃ** সংশোধন শব্দৰ ইংৰাজী প্ৰতিশব্দ Amendment শব্দটো লেটিন শব্দ Amendwu ৰ পৰা আহিছে যাৰ দ্বাৰা কোনো বিল বা আইনৰ খচৰাৰ দোষ ত্ৰুটি আতৰ কৰা হয়। সংবিধানৰ কোনো অংশৰ সালসলনি ঘটাই কোনো অংশৰ বাদ দি তাৰ ঠাইত অন্য কোনো অংগ সংযোজন কৰাকে সংশোধন বোলা হয়।

**বিধেয়ক ঃ** আইনৰ প্ৰস্তাৱিত খচৰা।

## ৩.৬ পাঠ্য নিৰ্দেশনা ঃ

১) স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা -
কৃপেশ চন্দ্ৰ পাল আৰু প্ৰতুল চন্দ্ৰ নায়ক

২) স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা- এক আলোকপাত -
দূৰ্গাকান্ত শৰ্মা, ৰফিক জমান আৰু ড° পূৰৱী শৰ্মা।

৩) ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি - পুৰন্দৰ গগৈ।

**আত্মমূল্যায়ন প্ৰশ্নৰ সম্ভাব্য উত্তৰঃ**

(ক) ১)৩৬৮ নং অনুচ্ছেদ ২) তিনিটা ৩) নোৱাৰি। ৪) নহয়। ৫) ৰাষ্ট্ৰপতিৰ নিৰ্বাচন আৰু ৩৬৮ নং অনুচ্ছেদৰ বিধানসমূহ।

খ) ১) একক পদ্ধতিৰ অভাব ২) পাৰি ৩) কেশবানন্দ ভাৰতী গোচৰ ৪) ভাৰতৰ ঐক্য সংহতি আৰু ধৰ্মনিৰপেক্ষ চৰিত্ৰ, ৫) নোৱাৰি ৬) ১৯৭৩

গ) ১) ২৪ তম সংশোধনী ২) ৬১নং ৩) প্ৰস্তাৱনাত সমাজবাদী, ধৰ্মনিৰপেক্ষ শব্দৰ সংযোজন আৰু লোকসভাৰ কাৰ্যকাল বৃদ্ধি ৪) ৪৪ তম ৫) পঞ্চায়তক সাংবিধানিক মৰ্য্যদা প্ৰদান আৰু মহিলাৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্হা। ৬) ৫২ তম সংশোধনী

**প্ৰসংগ পুথি ঃ**

Indian Government and Politics - K.K. Ghai

Indian Government and Politics - Hans Raj

Constitutional Government in India - M.V. Ryle

স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা - পাল আৰু নায়ক।

**আৰ্হি প্ৰশ্ন ঃ**

১) ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়া চমুকৈ আলোচনা কৰা।

২) সংবিধান সংশোধন প্ৰক্ৰিয়াৰ বৈশিষ্ট্যসমূহ চমুকৈ বাখ্যা কৰা।

৩) সংবিধান সংশোধনৰ পদ্ধতিকেইটা বিশ্লেষণ কৰা।

৪) ভাৰতৰ সংবিধান সংশোধন প্ৰক্ৰিয়াৰ আঁসোৱাহসমূহ আঙুলিয়াই দিয়া।

৫) সংবিধানৰ মূল গাঁথনিৰ ওপৰত এটি চমু টোকা লিখা।

৬) সংবিধানৰ ৪২তম সংশোধনী আইনৰ প্ৰধান বৈশিষ্ট্যসমূহ আলোচনা কৰা।

৭) সংবিধানৰ ৭৩ নং সংশোধনী আইনৰ মূল বিধানসমূহ বাখ্যা কৰা।

*****

আত্মশিকন সামগ্ৰী

# ৰাজনীতি বিজ্ঞান

## POLITICAL SCIENCE

## ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি

## (Indian Government and Politics)

পাঠ্যক্ৰম - **PSCG-301**

**খণ্ড — ৩, ৪, ৫**

**(Block - 3, 4 & 5)**

খণ্ড — ৩ ঃ ভাৰত যুক্তৰাষ্ট্ৰ

**(Block - 3: Indian Federalism)**

খণ্ড — ৪ ঃ ভাৰত চৰকাৰৰ গঠন

**(Block - 4: Structure of Indian Government)**

খণ্ড — ৫ ঃ ৰাজনৈতিক দলসমূহ আৰু প্ৰভাৱগোষ্ঠী

**(Block - 5: Political Parties and Pressure Groups)**

মুক্ত আৰু দূৰশিক্ষা সঞ্চালকালয়
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড় - ৭৮৬০০৪

২

# POLITICAL SCIENCE

## COURSE : PSCG - 301

## BLOCK - 3, 4 & 5

**ISBN NO. : 978-93-82785-09-5**

***Contributors :***

**Block - 3**

Unit -1 * Sri Lucky Chetia
Sonari College, Sivsagar

Unit -2 * Sri Kalyan Kumar Dutta
S.M.D. College, Chari

Unit -3 * Sri Anita Sharma
M.D.K.G. College, Dibrugarh

Unit -4 * Sri Bhaskar Mili
D.K.D. College, Dergaon

Unit -5 * Sri Mridul Dutta
Bahona College, Jorhat

Unit -6 * Sri Ankita Baruah
DDE, Dibrugarh University

**Block - 4**

Unit -1 * Sri Dhiraj Kr. Das
Naharkatiya College, Dibrugarh

Unit -2 * Sri Lucky Chetia
Sonari College, Sivsagar

Unit -3 * Sri Bijoy Phukan
J.H.N.S. College, Sivasagar

**Block - 4**

Unit -1 * Sri Sanjib Saikia
Nabin Bordoloi College, Titabor

Unit -2 * Sri Amken Gohain
Naharkatiya College, Dibrugarh

Unit -3 * Dr. Dipen Saikia
Moridhal College, Dhemaji

Unit -4 * Sri Pranab Jyoti Gogoi
Namrup College, Namrup

***Editor :***

**Prof. (Retd.) Thaneshwar Lahon**
Deptt. of Political Science
Dibrugarh University

© Copy right by Directorate of Open and Distance Learning, Dibrugarh University. All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted, in any form of by any means, electronic, mechanical, photocopying, recording or otherwise.

Published on behalf of the Directorate of Open and Distance Learning, Dibrugarh University by the Director, DODL, D.U. and printed at **Quick Offsets, Dibrugarh.**

**Acknowledgement**

*The Directorate of Open & Distance Learning, Dibrugarh University duely acknowledges the financial assistance from the Directorate of Open & Distance Learning Council, IGNOU, New Delhi for preparation of this Self Learning Material.*

# ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি
# (Indian Government and Politics)
## পাঠ্যক্ৰম - PSCG - 301
## বিষয়সূচী

খণ্ড - ৩

গোট - ১ ঃ **যুক্তৰাষ্ট্ৰ** ৯ - ১৯

উদ্দেশ্য, প্ৰস্তাৱনা, যুক্তৰাষ্ট্ৰৰ সংজ্ঞা, ভাৰতীয় যুক্তৰাষ্ট্ৰৰ প্ৰকৃতি, ভাৰতীয় যুক্তৰাষ্ট্ৰৰ বৈশিষ্ট্য আত্মমূল্যায়নৰ প্ৰশ্ন, ৰাৰতীয় যুক্তৰাজ্যবাদত কেন্দ্ৰৰ প্ৰৱণতা, ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ, চিন্তনীয় দিশসমূহ, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি, আৰ্হি প্ৰশ্ন।

গোট - ২ ঃ **কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক** ২০ - ৩৩

উদ্দেশ্য, প্ৰস্তাৱনা, কেন্দ্ৰ-ৰাজ্যৰ মাজৰ আইন প্ৰণয়ন সম্বন্ধ, কেন্দ্ৰ-ৰাজ্যৰ মাজত প্ৰশাসনিক সম্বন্ধ, কেন্দ্ৰ-ৰাজ্যৰ মাজত বিত্তীয় সম্বন্ধ, বিত্তীয় ব্যৱস্থাত কেন্দ্ৰীয় চৰকাৰৰ নিৰ্ভৰশীলতা, বিত্তীয় আয়োগৰ ভূমিকা হ্ৰাস, অনুদান বিতৰণত বৈষম্য, ৰাজ্যসমূহৰ অভিযোগ আৰু অধিক স্বায়ত্ব শাসনৰ দাবী, ৰাজ্যসমূহৰ ক্ষমতা বৃদ্ধিৰ বাবে আগবঢ়োৱা পৰামৰ্শাৱলী, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিদেৰ্শনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি, আৰ্হি প্ৰশ্ন।

গোট - ৩ ঃ **কেন্দ্ৰ-ৰাজ্য সংঘাত** ৩৪ - ৫০

উদ্দেশ্য, প্ৰস্তাৱনা, কেন্দ্ৰ-ৰাজ্যৰ সংঘাতৰ মূখ্য কাৰণসমূহ, আত্মমূল্যায়নৰ প্ৰশ্ন, কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্কৰ ক্ষেত্ৰত বিভিন্ন আয়োগৰ পৰামৰ্শাৱলী, পুনজি আয়োগৰ পৰামৰ্শাৱলী, আত্মমূল্যায়নৰ প্ৰশ্ন, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, সম্ভাব্য উত্তৰ, আৰ্হি প্ৰশ্ন।

গোট - ৪ ঃ **ভাৰতীয় ৰাজনীতিত স্বৈৰাচাৰী ধাৰা** ৫১ - ৬২

উদ্দেশ্য, প্ৰস্তাৱনা, স্বৈৰাচাৰী শাসনৰ অৰ্থ, ভাৰতীয় ৰাজনীতিত স্বৈৰাচাৰী ধাৰা ১৯৫২ চনৰ পৰা ১৯৬৪ চনলৈ, ১৯৬৪ চনৰ পৰা ১৯৬৬ চনলৈ আত্মমূল্যায়নৰ প্ৰশ্ন, ১৯৬৬ চনৰ পৰা ১৯৭৭ চনলৈ, ১৯৭৭ চনৰ পৰা ১৯৮০ চনলৈ, ১৯৮০ চনৰ পৰা ১৯৮৪ চনলৈ, ১৯৮৪ চনৰ পৰা ১৯৯০ চনলৈ, আত্মমূল্যায়নৰ প্ৰশ্ন, ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ, ১৯৯৬ চনৰ পৰা বৰ্ত্তমানলৈ, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, প্ৰসংগ পুথি, সম্ভাব্য প্ৰশ্ন।

গোট - ৫ ঃ ৰাজনৈতিক আৰু আমোলাতান্ত্ৰিক দুৰ্নীতি ৬৩ - ৮৪
উদ্দেশ্য, প্ৰস্তাৱনা, ৰাজনৈতিক দুৰ্নীতি, ৰাজনৈতিক দুৰ্নীতিৰ অৰ্থ, ৰাজনৈতিক দুৰ্নীতিৰ পৰিসৰ, ৰাজনৈতিক দুৰ্নীতিৰ কাৰণ, ৰাজনৈতিক দুৰ্নীতি নিবাৰণৰ উপায়, আত্মমূল্যায়ৰ প্ৰশ্ন, আমোলাতান্ত্ৰিক দুৰ্নীতি, আমোলাতান্ত্ৰিক দুৰ্নীতিৰ ধাৰণা, আমোলাতান্ত্ৰিক দুৰ্নীতিৰ পৰিসৰ, আমোলাতান্ত্ৰিক দুৰ্নীতিৰ বৃদ্ধিৰ কাৰণ, আমোলাতান্ত্ৰিক দুৰ্নীতিৰ নিৰাময়ৰ উপায়সমূহ, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি, আৰ্হি প্ৰশ্ন।

গোট - ৬ ঃ আঞ্চলিকতাবাদ ৮৫ - ৯৫
উদ্দেশ্য, প্ৰস্তাৱনা, আঞ্চলিকতাবাদৰ অৰ্থ, আঞ্চলিকতাবাদৰ প্ৰকৃতি, ভাৰতৰ ৰাজনীতিত উদ্ভৱ হোৱা কাৰণসমূহ, আঞ্চলিকতাবাদ বাধা দিয়া উপায়সমূহ, আঞ্চলিকতাবাদ আৰু ভাৰতৰ ৰাজনীতি, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি, আৰ্হি প্ৰশ্ন।

খণ্ড - ৪

গোট - ১ ঃ কাৰ্য্যপালিকা ৯৭ - ১২৩
উদ্দেশ্য, প্ৰস্তাৱনা, ৰাষ্ট্ৰপতি, ৰাষ্ট্ৰপতিৰ যোগ্যতা, ৰাষ্ট্ৰপতিৰ নিৰ্বাচন প্ৰক্ৰিয়া, ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পৰোক্ষ হোৱাৰ কাৰণ, শপত গ্ৰহণ, আত্ম মূল্যায়ৰ প্ৰশ্ন, ৰাষ্ট্ৰপতিৰ কাৰ্যকাল, ৰাষ্ট্ৰপতিৰ অপসাৰণ, ৰাষ্ট্ৰপতিৰ দৰমহা, বানচ ইত্যাদি, ৰাষ্ট্ৰপতিৰ নিস্কৃতি, ৰাষ্ট্ৰপতিৰ ক্ষমতা, আইন প্ৰণয়ন ক্ষমতা, শাসন বিভাগীয় ক্ষমতা, কূটনৈতিক ক্ষমতা, জৰুৰীকালীন, ক্ষমতা, ন্যায়িক ক্ষমতা, অধ্যাদেশ জাৰি ক্ষমতা, সামৰিক ক্ষমতা, সংসদৰ অধিৱেশন আহ্বান, স্থগিত আৰু ভংগ কৰাৰ ক্ষমতা, বিবিধ ক্ষমতা, ৰাষ্ট্ৰপতিৰ পদমৰ্যদা, প্ৰধানমন্ত্ৰী, প্ৰধানমন্ত্ৰীৰ নিযুক্তি, প্ৰধানমন্ত্ৰীৰ কাৰ্যকাল, প্ৰধানমন্ত্ৰীৰ ক্ষমতা আৰু কাৰ্যাৱলী, মন্ত্ৰীপৰিষদৰ গঠন, দপ্তৰ বিতৰণ, মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ, মন্ত্ৰীসভাৰ মূৰব্বী, মন্ত্ৰীপৰিষদৰ নেতা, লোকসভাৰ নেতা, সংখ্যাগৰিষ্ঠ দলৰ নেতা, বৈদেশীক নীতি নিৰ্দ্ধাৰণ, উচ্চ পদাধিকাৰী, ব্যক্তিৰ নিযুক্তি, ৰাষ্ট্ৰীয় নেতা, ৰাষ্ট্ৰপতিৰ মুল পৰামৰ্শদাতা, প্ৰধানমন্ত্ৰী ভূমিকা আৰু পদমৰ্যাদা, ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ সম্পৰ্ক, জনসাধাৰণৰ সৈতে প্ৰধানমন্ত্ৰীৰ সম্পৰ্ক, দলৰ লগত প্ৰধানমন্ত্ৰীৰ সম্পৰ্ক, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি, আৰ্হি প্ৰশ্ন।

গোট - ২ ঃ ভাৰতীয় সংসদ ১২৪ - ১৪৩
উদ্দেশ্য, প্ৰস্তাৱনা, ভাৰতীয় সংসদ আৰু ইয়াৰ গঠন, সংসদৰ ক্ষমতা আৰু ইয়াৰ কাৰ্যাৱলী, ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত সংসদৰ স্থান, আত্মমূল্যায়নৰ প্ৰশ্ন,

ৰাজ্যসভা আৰু ইয়াৰ গঠন, সদস্যপদৰ যোগ্যতা, কাৰ্যকাল, ৰাজ্যসভাৰ ক্ষমতা আৰু কাৰ্যাৱলী, আত্মমূল্যায়নৰ প্ৰশ্ন, লোকসভা আৰু ইয়াৰ গঠন, সদস্য পদৰ যোগ্যতা আৰু কাৰ্যকাল, লোকসভাৰ ক্ষমতা আৰু কাৰ্যাৱলী, লোকসভাৰ মৰ্য্যাদা, লোকসভাৰ অধ্যক্ষ, অধক্ষ্যৰ কাৰ্যকাল, অধ্যক্ষৰ ক্ষমতা আৰু কাৰ্যাৱলী, অধ্যক্ষ পদমৰ্যাদা, লোকসভা আৰু ৰাজ্যসভাৰ মাজৰ সম্পৰ্ক, ক্ষমতা বিভাজন, ৰাজ্যসভাৰ প্ৰাধান্য, লোকসভাৰ প্ৰাধান্য, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি, আৰ্হি প্ৰশ্ন।

গোট - ৩ ঃ ন্যায়পালিকা ১৪৪ - ১৫৭

উদ্দেশ্য, প্ৰস্তাৱনা, স্বাধীন ন্যায়পালিকাৰ প্ৰয়োজনীয়তা, ন্যায়পালিকাৰ গঠন প্ৰক্ৰিয়া, ভাৰতৰ ন্যায়পালিকাৰ বৈশিষ্ট্য, ন্যায়ালয়ৰ ক্ষমতা আৰু কাৰ্যাৱলী, ন্যায়িক সমীক্ষা, ন্যায়িক সক্ৰিয়তা ন্যায়পালিকা আৰু ব্যক্তিৰ স্বাধীনতা, সাৰাংশ, ঘাই শব্দসমূহ, আত্মমূল্যায়নৰ প্ৰশ্ন, সম্ভাব্য প্ৰশ্ন, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি।

খণ্ড - ৫

গোট - ১ ঃ **ৰাজনৈতিক দলসমূহ ঃ ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহ** ১৬১ - ১৭৭

উদ্দেশ্য, পৰিচয়, ৰাজনৈতিক দলসমূহৰ ধাৰণা, ৰাজনৈতিক দলসমূহৰ কাৰ্যাৱলী, নিৰ্বাচনমুখী কাৰ্যাৱলী, অনিৰ্বনমুখী কাৰ্যাৱলী, ৰাজনৈতিক দলসমূহৰ শ্ৰেণী বিভাগ, ৰাষ্ট্ৰীয় ৰাজনৈতিক দল, আঞ্চলিক ৰাজনৈতিক দল, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, প্ৰসংগ পুথি, আৰ্হি প্ৰশ্ন।

গোট - ২ ঃ **প্ৰভাৱগোষ্ঠী** ১৭৮ - ১৯৪

উদ্দেশ্য, প্ৰস্তাৱনা, প্ৰভাৱগোষ্ঠীৰ অৰ্থ, স্বাৰ্থসম্বলিত গোট, আত্মমূল্যায়নৰ প্ৰশ্ন, প্ৰভাৱগোষ্ঠী আৰু ৰাজনৈতিক দলৰ পাৰ্থক্য, প্ৰভাৱগোষ্ঠীৰ বৈশিষ্ট্য, প্ৰভাৱগোষ্ঠীৰ গুণ আৰু দোষ, প্ৰভাৱগোষ্ঠীৰ শ্ৰেণীবিভাগ, প্ৰভাৱগোষ্ঠীৰ কৌশল, আত্মমূল্যায়নৰ প্ৰশ্ন, ভাৰতৰ প্ৰভাৱগোষ্ঠী আৰু ইয়াৰ ভূমিকা, ভাৰতৰ বিভিন্ন প্ৰভাৱগোষ্ঠী, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, আদৰ্শ প্ৰশ্ন, প্ৰসংগ পুথি।

গোট - ৩ ঃ **নিৰ্বাচন প্ৰক্ৰিয়া আৰু ভোটদাতাৰ আচৰণ** ১৯৫ - ২০৭

উদ্দেশ্য, প্ৰস্তাৱনা, ভাৰতীয় নিৰ্বাচন পদ্ধতিৰ বৈশিষ্ট্যসমূহ, নিৰ্বাচনী আয়োগ, নিৰ্বাচন আয়োগৰ গঠন, মুখ্য নিৰ্বাচনী আয়োগ আৰু অন্য আয়ুক্তসকলক নিযুক্তি পদ্ধতি, নিৰ্বাচন আয়োগৰ ক্ষমতা আৰু কাৰ্যাৱলী, নিৰ্বাচন আয়োগৰ স্বতন্ত্ৰতা, ভাৰতীয় নিৰ্বাচনী প্ৰক্ৰিয়া, নিৰ্বাচন বিধি, ভোটদাতাৰ আচৰণ।

গোট - ৪ ঃ সন্মিলিত চৰকাৰ ২০৮ - ২১৭
উদ্দেশ্য, প্ৰস্তাৱনা, সন্মিলিত চৰকাৰৰ অৰ্থ, সন্মিলিত চৰকাৰ গঠনৰ কাৰণ, আত্মমূল্যায়নৰ প্ৰশ্ন, কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ গঠন হোৱা সন্মিলিত চৰকাৰ, কেন্দ্ৰত সন্মিলিত চৰকাৰ, ৰাজ্যত সন্মিলিত চৰকাৰ, সন্মিলিত চৰকাৰৰ মূল্যায়ন, আত্মমূল্যায়নৰ প্ৰশ্ন, সামৰণি, ঘাই শব্দসমূহ, পাঠ্য নিৰ্দেশনা, আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ, আৰ্হি প্ৰশ্ন, প্ৰসংগ পুথি।

# ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি

# (Indian Government and Politics)

## পাঠ্যক্ৰম - PSCG - 301

## খণ্ড-৩

## (Block -3)

## ভাৰতীয় যুক্তৰাষ্ট্ৰ ব্যৱস্থা

**পাঠ্যক্ৰমৰ পৰিচয় (Block Introduction) ঃ**

এই খণ্ডটি 'ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি' পাঠ্যক্ৰমৰ তৃতীয় খণ্ড। এই খণ্ডটিত ভাৰতৰ যুক্তৰাষ্ট্ৰীয়তাবাদৰ কেইটামান অতি প্ৰয়োজনীয় দিশ আলোচনা কৰা হৈছে।

খণ্ড-৩'ৰ প্ৰথম গোটটো হৈছে 'Nature & Dynamics of Indian Federalism'। এই গোটটো পঢ়ি তোমালোকে যুক্তৰাষ্ট্ৰ সম্পৰ্কে তাত্বিক জ্ঞান লাভ কৰাৰ উপৰিও ভাৰতীয় যুক্তৰাষ্ট্ৰীয়তাবাদৰ বৈশিষ্ট্য, প্ৰকৃতি আৰু যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত থকা চিন্তনীয় দিশসমূহ অনুধাৱন কৰিব পাৰিবা। গোট-২ আৰু গোট-৩'ত কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্ক, কেন্দ্ৰ-ৰাজ্যৰ বিবাদ সম্পৰ্কে আলোচনা কৰা হৈছে। কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্ক আৰু বিবাদ ভাৰতীয় ৰাজনীতিৰ এক বৈশিষ্ট্য। আমাৰ সংবিধান প্ৰণেতাসকলে গভীৰভাৱে চিন্তা-চৰ্চা কৰি কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্ক নিৰ্ণয় কৰিছিল যাতে ভৱিষ্যতে ভাৰত যুক্তৰাষ্ট্ৰত বিবাদৰ সূত্ৰপাত নহয়।

গোট-৪ আৰু গোট-৫'ত ক্ৰমে 'ভাৰতীয় ৰাজনীতিত স্বৈৰাচাৰী ধাৰা' আৰু 'ৰাজনৈতিক আৰু আমোলাতান্ত্ৰিক দূৰ্নীতি' সম্পৰ্কে আলোচনা কৰা হৈছে। ইয়াৰ উপৰিও গোট-৬'ত 'আঞ্চলিকতাবাদ' সম্পৰ্কে আলোচনা কৰা হৈছে।

মৰমৰ শিক্ষাৰ্থীসকল, এই খণ্ডটি গঢ়ি তোমালোকে ভাৰতৰ যুক্তৰাষ্ট্ৰীয়তাবাদ সম্পৰ্কীয় বিভিন্ন দিশসমূহৰ ওপৰত বিস্তৃতভাৱে জ্ঞান আহৰণ কৰিব পাৰিবা।

# খণ্ড-৩ (Block-3)
# গোট -১
# (Unit -1)

## যুক্তৰাষ্ট্ৰ

**গঠন বিন্যাস ঃ**

৩.১ উদ্দেশ্য

৩.২ প্ৰস্তাৱনা

৩.৩ যুক্তৰাষ্ট্ৰৰ সংজ্ঞা

৩.৪ ভাৰতীয় যুক্তৰাষ্ট্ৰৰ প্ৰকৃতি

৩.৫ ভাৰতীয় যুক্তৰাষ্ট্ৰৰ বৈশিষ্ট্য।

৩.৬ আত্মমূল্যায়নৰ প্ৰশ্ন

৩.৭ ভাৰতীয় যুক্তৰাজ্যবাদত কেন্দ্ৰৰ প্ৰৱণতা

৩.৮ ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ চিন্তণীয় দিশসমূহ।

৩.৯ আত্মমূল্যায়নৰ প্ৰশ্ন।

৩.১০ সামৰণি।

৩.১১ ঘাই শব্দসমূহ।

৩.১২ পাঠ্য নিৰ্দেশনা।

৩.১৩ আত্মমূল্যায়ন প্ৰশ্নৰ সম্ভাব্য উত্তৰ।

৩.১৪ প্ৰসংগ পুথি।

৩.১৫ আৰ্হি প্ৰশ্ন

## ৩.১ উদ্দেশ্য ঃ

এই গোটটো পঢ়াৰ পিছত তোমালোকে -

- যুক্তৰাষ্ট্ৰৰ সংজ্ঞা বা অৰ্থ নিৰূপণ কৰিব পাৰিবা।
- ভাৰতীয় যুক্তৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰিব পাৰিবা।
- ভাৰতীয় যুক্তৰাষ্ট্ৰৰ বৈশিষ্ট্যসমূহ অনুধাৱন কৰিব পাৰিবা।
- ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত থকা চিন্তনীয় দিশসমূহৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিবা।

## ৩.২ প্ৰস্তাৱনা ঃ

ইতিমধ্যে তোমালোকে ভাৰতৰ সংবিধানৰ বৈশিষ্ট্যসমূহৰ বিষয়ে পঢ়িলা। যুক্তৰাষ্ট্ৰীয় আৰু এককেন্দ্ৰীক ব্যৱস্থাৰ সংমিশ্ৰণ হৈছে ভাৰতৰ সংবিধানৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। বিশ্বৰ বিভিন্ন দেশসমূহে এককেন্দ্ৰীক অথবা কিছুসংখ্যকে যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাক অনুসৰণ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰ হ'ল যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ উৎকৃষ্ট নিৰ্দশন। দুই ধৰণৰ চৰকাৰ, লিখিত সংবিধান, ক্ষমতা বিভাজন আৰু সংবিধানৰ অৰ্থ নিৰ্ণয়কাৰী হিচাপে যুক্তৰাষ্ট্ৰীয় ন্যায়ালয় হ'ল- আধুনিক যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ বিশিষ্ট চৰিত্ৰ। আমেৰিকাৰ যুক্তৰাষ্ট্ৰত দ্বি- নাগৰিকত্ব আৰু দুই সদন বিশিষ্ট কেন্দ্ৰীয় আইনসভাৰ উপস্থিতি পোৱা যায়। আনহাতে ১৯৩৫ চনৰ ভাৰত চৰকাৰ আইনৰ অধীনত পোন প্ৰথমবাৰৰ বাবে ভাৰতত যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ ব্যৱস্থা কৰা হৈছিল যদিও স্বাধীন ভাৰতৰ নতুন পৰিস্থিতিৰ লগত সামঞ্জস্য ৰাখি ইয়াৰ সংশোধন কৰা হৈছে। সেয়েহে এই গোটটোত আমি যুক্তৰাষ্ট্ৰৰ অৰ্থ, ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ প্ৰকৃতি, ভাৰতৰ যুক্তৰাষ্ট্ৰৰ বৈশিষ্ট্য, ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা আৰু চিন্তনীয় দিশসমূহৰ বিষয়ে আলোচনা কৰিম।

## ৩.৩ যুক্তৰাষ্ট্ৰৰ সংজ্ঞা (Definition of Federation) ঃ

ৰাজনীতিবিদসকলে আৰু ''যুক্তৰাষ্ট্ৰ'' সম্পৰ্কে বিভিন্ন সংজ্ঞা আগবঢ়াইছে। অধ্যাপক ডাইচিয়ে 'যুক্তৰাষ্ট্ৰ'ৰ সম্পৰ্কে কৈছে যে ''জাতীয় ঐক্য আৰু শক্তিৰ সৈতে অঙ্গৰাজ্যসমূহৰ অধিকাৰৰ সামঞ্জস্য বিধানৰ ৰাজনৈতিক উপায়ক যুক্তৰাষ্ট্ৰ বোলা হয়।'' কে. চি. হোৱেৰৰ মতে, ''যুক্তৰাষ্ট্ৰ হ'ল এনে এটি শাসন ব্যৱস্থা য'ত সংবিধান অনুসৰি গোটেই দেশৰ চৰকাৰ আৰু আঞ্চলিক চৰকাৰসমূহৰ মাজত এনেদৰে ক্ষমতা বিভাজন কৰা হ'ব যাতে উভয় চৰকাৰে নিজৰ নিজৰ এলেকাত স্বাধীনভাৱে কাৰ্য্য সম্পাদন কৰিব পাৰে''। কাৰ্কে কৈছে যে- ''যুক্তৰাষ্ট্ৰ বোলোতে এনে এটি শাসন ব্যৱস্থাক বুজায় য'ত এক সাধাৰণ চৰকাৰৰ মাজত এনেদৰে ক্ষমতা ভাগ কৰি দিয়া হয় যে, এইবোৰৰ প্ৰত্যেকেই নিজৰ নিজৰ এলেকাত একে আনৰ পৰিপূৰক হিচাবে কাম কৰে আৰু এইবোৰৰ প্ৰত্যেকে শাসন বিভাগীয় প্ৰতিনিধিৰ মাধ্যমত প্ৰত্যক্ষভাৱে শাসনকাৰ্য্য পৰিচালনা কৰে।''

এই সংজ্ঞাসমূহ বিশ্লেষণ কৰিলে আমি ইয়াত দুই ধৰণৰ চৰকাৰ ক্ষমতা বিভাজন নীতি, যুক্তৰাষ্ট্ৰীয় ন্যায়ালয় আদিৰ উপস্থিতি যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত দেখিবলৈ পাইছো। গতিকে আমি এই কথা অনুমান কৰিব পাৰিছো যে- যুক্তৰাষ্ট্ৰৰ সম্পৰ্কে আগবঢ়োৱা সংজ্ঞাসমূহৰ প্ৰকাশ ভংগী বিভিন্ন হ'লেও ইয়াৰ মূল উপাদানসমূহ একেই। ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাক অধ্যয়ন কৰিলেও একেধৰণৰ উপাদান দেখিবলৈ পাম।

### ৩.৪ ভাৰতীয় যুক্তৰাষ্ট্ৰৰ প্ৰকৃতি (Nature of the Indian Federation)ঃ

ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ প্ৰকৃতি সম্পৰ্কে আলোচনা কৰাৰ আগতে এই কথা উল্লেখ কৰিব লাগিব যে ভাৰতবৰ্ষৰ সংবিধান প্ৰণেতাসকলে ভাৰতবৰ্ষক এখন "যুক্তৰাষ্ট্ৰ" বুলি সংবিধানত উল্লেখ কৰা নাই। সংবিধানৰ ১(১) নং অনুচ্ছেদত ভাৰতবৰ্ষক "ৰাজ্যসমূহৰ এটা সংঘ বা ইউনিয়ন" বুলিহে উল্লেখ কৰিছে। সাংগঠনিক দিশ বিশ্লেষণ কৰিলেহে আমি যুক্তৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কে জানিব পাৰিম। কে. পি. মুখাৰ্জীয়ে ভাৰতক যুক্তৰাষ্ট্ৰৰ পৰিৱৰ্তে এককেন্দ্ৰীয় বা অযুক্তৰাষ্ট্ৰীয় বুলি মতপোষণ কৰিছে। কে. শান্তাণমেও ঠিক একেধৰণৰ অভিমত ব্যক্ত কৰিছে।

ভাৰত যুক্তৰাষ্ট্ৰ মুঠ ২৮ খন ৰাজ্যৰ ৬ খন কেন্দ্ৰীয় শাসিত অঞ্চল লৈ গঠিত। প্ৰায়বোৰ যুক্তৰাষ্ট্ৰীয় উপাদান ভাৰতবৰ্ষৰ ক্ষেত্ৰত প্ৰতিফলিত হোৱা দেখা যায়। যেনে - এখন লিখিত আৰু অ-নমনীয় সংবিধান, দুইতৰপীয়া চৰকাৰ, কেন্দ্ৰ আৰু অঙ্গৰাজ্য সমূহৰ মাজত ক্ষমতা বন্টন আৰু স্বাধীন আৰু নিৰপেক্ষ ন্যায় পালিকা। সেয়েহে কিছুসংখ্যক ৰাজনীতিবিদে মতপোষণ কৰে যে ভাৰতবৰ্ষ প্ৰকৃতাৰ্থত এখন যুক্তৰাষ্ট্ৰ। ভাৰতীয় সংবিধানত যুক্তৰাষ্ট্ৰৰ মৌলিক বৈশিষ্ট্যসমূহ অতি স্পষ্ট ভাৱে দেখা যায়।

### ৩.৫ ভাৰতীয় যুক্তৰাষ্ট্ৰৰ বৈশিষ্ট্যসমূহ (Characteristics of the Indian Federation)ঃ

তোমালোকে উপৰোক্ত আলোচনাৰ পৰা ভাৰতীয় যুক্তৰাষ্ট্ৰৰ প্ৰকৃতি সম্পৰ্কে জানিব পাৰিলা। এতিয়া আমি ভাৰতীয় যুক্তৰাষ্ট্ৰৰ নিজস্ব বৈশিষ্ট্যসমূহৰ বিষয়ে আলোচনা কৰিম।

#### ১) ৰাজ্যসমূহৰ সূকীয়া সংবিধান নাই ঃ

ভাৰতৰ ৰাজ্যসমূহৰ সূকীয়া সংবিধান নাই। ভাৰতৰ সংবিধানত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাসমূহ থকাৰ উপৰিও ৰাজ্যিক চৰকাৰৰ ব্যৱস্থাসমূহকো সন্নিবিষ্ট কৰিছে। যুক্তৰাষ্ট্ৰীয় গাঁথনিৰ ভিতৰত থাকিয়েই অংগৰাজ্যসমূহে কাৰ্য্যনিৰ্বাহ কৰিব লাগিব। অন্যান্য যুক্তৰাষ্ট্ৰৰ অঙ্গৰাজ্যসমূহে যি মৰ্য্যদা ভোগ কৰে, ভাৰতীয় যুক্তৰাষ্ট্ৰৰ অংগৰাজ্যসমূহে সেই মৰ্য্যদা ভোগ নকৰে যিহেতু ভাৰতৰ অংগৰাজ্যসমূহৰ নিজস্ব পৃথক সংবিধান নাই।

**২) ভাৰতৰ ৰাষ্ট্ৰপতিক এটা নিৰ্বাচনী গোটে নিৰ্বাচিত কৰে ঃ**

ভাৰতৰ ৰাষ্ট্ৰপতিক এটা নিৰ্বাচনী গোটে পৰোক্ষভাৱে নিৰ্বাচিত কৰে। কিন্তু আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিক জনসাধাৰণে নিৰ্বাচিত কৰে।

**৩) ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা অনুযায়ী অংগৰাজ্যসমূহৰ ৰাজ্যপালসকলক ৰাষ্ট্ৰপতিয়ে নিযুক্ত কৰে ঃ**

ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা অনুযায়ী অংগৰাজ্যসমূহৰ ৰাজ্যপালসকলক ৰাষ্ট্ৰপতিয়ে নিযুক্ত কৰে আৰু কাৰ্য্যকালো ৰাষ্ট্ৰপতিৰ ইচ্ছাৰ ওপৰত নিৰ্ভৰশীল। ৰাজ্যপালে ৰাজ্যিক বিধান মণ্ডলৰ দ্বাৰা গৃহীত কোনো বিধেয়ক ৰাষ্ট্ৰপতিৰ সন্মতিৰ কাৰণে পঠিয়াব পাৰে। ৰাজ্যপালে ৰাজ্যিক বিধানসভা ভংগ কৰিব পাৰে। ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত ৰাজ্যপালসকলে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি হিচাপে কাৰ্য্যনিৰ্বাহ কৰে।

**৪) দ্বি- নাগৰিকত্ব ব্যৱস্থা নাই ঃ**

ভাৰতবৰ্ষৰ সংবিধানে দ্বি-নাগৰিকত্ব ব্যৱস্থাৰ প্ৰৱৰ্তন কৰা নাই। ভাৰতবৰ্ষত দুই তৰপীয়া শাসন ব্যৱস্থা আছে, কিন্তু ইয়াৰ নাগৰিক সকলৰ দুই প্ৰকাৰৰ নাগৰিকত্ব স্বীকৃত হোৱা নাই। সংবিধানৰ ৫নং অনুচ্ছেদত উল্লেখ থকাৰ মতে ভাৰতৰ প্ৰতিজন নাগৰিক অকল ভাৰতীয় নাগৰিক, তেওঁলোক কোনো এখন অংগৰাজ্যৰ নাগৰিক নহয়।

**৫) দ্বি-সদনযুক্ত বিধানমণ্ডল ঃ**

ভাৰতীয় যুক্তৰাষ্ট্ৰৰ কেন্দ্ৰীয় বিধানমণ্ডল দ্বি-সদনযুক্ত । ইয়াৰ উচ্চসদন হ'ল ৰাজ্য সভা আৰু নিম্নসদন হৈছে লোকসভা। কিন্ত ৰাজ্যসভাক যুক্তৰাষ্ট্ৰীয় নীতিত গঠন কৰা নাই। ই ৰাজ্যসমূহক প্ৰতিনিধিত্ব নকৰে, জনসাধাৰণকহে প্ৰতিনিধিত্ব কৰে। আনহাতে লোকসভাৰ সদস্যসকলক জনসাধাৰণে প্ৰত্যক্ষ নিৰ্বাচন পদ্ধতিৰে নিৰ্বাচিত কৰে।

**৬) মিশ্ৰিত সংবিধান ঃ**

ভাৰতবৰ্ষৰ সংবিধানখন হ'ল এখন মিশ্ৰিত সংবিধান। ইয়াত একাত্মক আৰু যুক্তৰাষ্ট্ৰীয় দুয়োধৰণৰ শাসন ব্যৱস্থাৰ সংমিশ্ৰণ হোৱা দেখা যায়।

**৭) ক্ষমতা বিভাজন নীতি ঃ**

ভাৰতীয় সংবিধানে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত ক্ষমতা বন্টন কৰিছে। ভাৰতীয় সংবিধানে তিনিটা সূচীৰ জৰিয়তে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত ক্ষমতা বণ্টন কৰিছে। অৱশিষ্ট ক্ষমতাসমূহ কেন্দ্ৰীয় চৰকাৰে ভোগ কৰে। সমৱৰ্তী সূচীত থকা বিষয় সমূহৰ ওপৰত দুয়োবিধ চৰকাৰৰ সমান কৰ্তৃত্ব আছে যদিও কেন্দ্ৰীয় চৰকাৰে অধিক ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

৮) **ভাৰতবৰ্ষ এখন সমবায় যুক্তৰাষ্ট্ৰ ঃ**

ভাৰতবৰ্ষক এখন সমবায় যুক্তৰাষ্ট্ৰ বুলি বহুতে মত পোষণ কৰে। কাৰণ ইয়াত কেন্দ্ৰ আৰু ৰাজ্য উভয়েই উভয়ৰ ওপৰত নিৰ্ভৰশীল। দুয়োখন চৰকাৰৰ মাজত সহযোগিতা অবিহনে দেশৰ শাসনকাৰ্য্য পৰিচালনা কৰিব নোৱাৰি।

**৯) ভাৰতীয় সংবিধানখন নমনীয় আৰু অনমনীয়ৰ সমষ্টি ঃ**

ভাৰতবৰ্ষৰ সংবিধানৰ সংশোধন প্ৰণালী সিমান দৃঢ় নহয়। প্ৰকৃতাৰ্থ'ত ইয়াক নমনীয় বুলি ক'ব পাৰি। সংবিধান সংশোধনত ৰাজ্যসমূহে আগ ভাগ ল'ব নোৱাৰে। ভাৰতীয় সংসদে একক ভাৱে সাধাৰণ আইন প্ৰণয়ন পদ্ধতিৰ জৰিয়তে সংবিধানৰ এক বিৰাট অংশক সংশোধন কৰিব পাৰে।

## ৩.৬ আত্মমূল্যায়নৰ প্ৰশ্ন (ক)

১) যুক্তৰাষ্ট্ৰৰ এটা সংজ্ঞা দিয়া ।

........................................................................................................

........................................................................................................

২) ভাৰতীয় যুক্তৰাষ্ট্ৰৰ এটা বৈশিষ্ট্য উল্লেখ কৰা।

........................................................................................................

........................................................................................................

৩) ভাৰতবৰ্ষৰ সংবিধানখন লিখিত/অলিখিত সংবিধান।

........................................................................................................

৪) ভাৰতবৰ্ষৰ সংবিধানত ক'তো "যুক্তৰাষ্ট্ৰ" শব্দটো উল্লেখ নাই। শুদ্ধনে অশুদ্ধ কোৱা।

........................................................................................................

## ৩.৭ ভাৰতীয় যুক্তৰাজ্যবাদত কেন্দ্ৰীভূত প্ৰৱণতা (Centralising Tendency in Indian Federation) ঃ

ভাৰতীয় যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত কেন্দ্ৰ প্ৰৱণতা দেখা যায়। সেয়েহে বহুতে এই শাসনব্যৱস্থাক এককেন্দ্ৰীয় শাসন ব্যৱস্থা বুলি ক'ব খোজে। ভাৰতীয় সংবিধান প্ৰণেতাসকলে কেন্দ্ৰীয় চৰকাৰক অধিক শক্তিশালী ৰূপত দাঙি ধৰিছে। এইবোৰক ভাৰতীয় যুক্তৰাষ্ট্ৰত অযুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্য বুলি কোৱা হয়, যাৰ ফলশ্ৰুতিত ভাৰতীয় সংবিধানত কেন্দ্ৰীভূত্ৰ প্ৰৱণতা দেখা যায়।

১) **ক্ষমতা বন্টনৰ ক্ষেত্ৰত কেন্দ্ৰৰ প্ৰাধ্যন্য (Centralised Tendcncy in Division of Powers) ঃ** সংবিধানৰ কেন্দ্ৰীয় সূচীত অন্তৰ্ভূক্ত বিষয়সমূহ কেন্দ্ৰীয় চৰকাৰৰ হাতত অৰ্পন কৰা হৈছে, যিবোৰে কেন্দ্ৰীয় চৰকাৰক অধিক ক্ষমতাশালী কৰিছে। কেন্দ্ৰীয় আৰু সমৱতী সূচীত থকা বিষয়সমূহৰ উপৰিও অৱশিষ্ট ক্ষমতা সংবিধানে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত অৰ্পন কৰিছে। যুগ্ম তালিকাভূক্ত বিষয়সমূহৰ ওপৰত যদিও কেন্দ্ৰ আৰু ৰাজ্য উভয় চৰকাৰৰ সমানে ক্ষমতা আছে, তথাপিও এই ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰৰ প্ৰাধান্য দেখা যায়। আনহাতে ৰাজ্যিক সূচীৰ বিষয়সমূহৰ ওপৰতো কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ আছে। এইদৰেই ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত কেন্দ্ৰৰ প্ৰাধ্যান্য দেখা যায়।

২) **আৰ্থিক ক্ষেত্ৰত কেন্দ্ৰৰ প্ৰাধ্যান্য (Centralised Tendency in Economic Affairs) ঃ** ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত আৰ্থিক ক্ষেত্ৰতো কেন্দ্ৰৰ প্ৰাধান্য দেখা যায়। অধিক গুৰুত্বপূৰ্ণ প্ৰত্যক্ষ আৰু পৰোক্ষ কৰসমূহ কেন্দ্ৰৰ অধীনত। কেন্দ্ৰই কৰ ধাৰ্য্য আৰু সংগ্ৰহ কৰে। কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহক আৰ্থিক সাহাৰ্য্য দিয়ে আৰু ৰাজ্যসমূহৰ আয় ব্যয়ৰ হিচাব কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা নিযুক্ত বিষয়াসকলে পৰ্য্যবেক্ষন কৰে।

৩) **সংবিধানৰ প্ৰাধান্যহীনতা (Constitution is not Fundamental Law) ঃ** সংবিধানক মৌলিক আইন বোলা হয় যদিও সংসদে সংবিধানৰ 'মূল গাঁথনিৰ' বাহিৰে সকলো অংশক সংশোধন কৰিব পাৰে। গতিকে ভাৰতবৰ্ষত সংবিধানৰ প্ৰাধান্যৰ পৰিৱৰ্তে সংসদৰ ওপৰত অধিক প্ৰাধান্য দিয়া হৈছে।

৪) **সংশোধন পদ্ধতি দৃঢ় নহয় (Amendment Procedure is not Rigid)ঃ** ভাৰতীয় সংবিধানৰ সংশোধন পদ্ধতি দৃঢ় নহয়। সংবিধান সংশোধনৰ প্ৰস্তাৱ অকল সংসদেহে উত্থাপন কৰিব পাৰে। কিছুমান সংশোধনীতহে ৰাজ্যসমূহৰ অনুমোদনৰ প্ৰয়োজন।

৫) **কেন্দ্ৰীভূত ন্যায়িক ব্যৱস্থা (Integrated Judicial System) ঃ** ভাৰতবৰ্ষৰ ন্যায়িক ব্যৱস্থাতো কেন্দ্ৰীয়কৰণ নীতি দেখা যায়। ৰাজ্যসমূহৰ নিজস্ব স্বতন্ত্ৰ আৰু স্বাধীন আদালত নাই। ভাৰতবৰ্ষৰ ন্যায়িক ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰনাধীন। ভাৰতবৰ্ষৰ বিচাৰ ব্যৱস্হাৰ শীৰ্ষস্হানত উচ্চতম ন্যায়ালয় অৱস্থিত। এই আদালতে সকলোবোৰে তলৰ আদালতক নিয়ন্ত্ৰণ কৰিব পাৰে। উচ্চতম ন্যায়ালয়ৰ আদেশ, নিৰ্দেশ, ৰায় বা সিদ্ধান্তক ভাৰতৰ চাৰিসীমাৰ ভিতৰত অৱস্থিত সকলো আদালতে মানি চলিব লাগে। ভাৰতবৰ্ষৰ ন্যায়িক ব্যৱস্থাৰ ক্ষেত্ৰতো কেন্দ্ৰীয় প্ৰৱণতা দেখা যায়।

৬) **কেন্দ্ৰীয় বিধানমণ্ডলত ৰাজ্যৰ প্ৰতিনিধিত্ব (Representation of States in the Central Legislature)ঃ** যুক্তৰাষ্ট্ৰৰ কেন্দ্ৰীয় আইনসভাৰ দ্বিতীয় সদনত ৰাজ্যসমূহৰ সমান প্ৰতিনিধিত্ব থাকে। প্ৰায়বোৰ যুক্তৰাষ্ট্ৰতে এই নীতি দেখা যায়। কিন্তু ভাৰতবৰ্ষৰ দ্বিতীয় সদন ৰাজ্যসভাত সমান প্ৰতিনিধি নাই। এই সদনে ৰাজ্যসমূহক প্ৰতিনিধিত্ব নকৰে জনসাধাৰণকহে প্ৰতিনিধিত্ব কৰে।

৭) **অঙ্গৰাজ্যৰ সংবিধান (Constitution of Federating Units) ঃ** বিশ্বৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্হা প্ৰচলন থকা প্ৰায়বোৰ দেশতে অঙ্গঁৰাজ্যসমূহৰ নিজস্ব সংবিধান আছে আৰু ৰাজ্যিক আইন সভাই এই সংবিধানক সংশোধন কৰিব পাৰে। কিন্তু ভাৰতবৰ্ষৰ ৰাজ্যসমূহৰ নিজস্ব সংবিধান নাই। গোটেই ৰাষ্ট্ৰৰবাবে এখন সংবিধান আছে।

৮) **অধ্যাদেশৰ জৰিয়তে নিয়ন্ত্ৰন (Control through Ordinance) ঃ** ভাৰতৰ ৰাষ্ট্ৰপতি আৰু ৰাজ্যৰ ৰাজ্যপালে অধ্যাদেশ জাৰি কৰিব পাৰে। অধ্যাদেশ জাৰী কৰি কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব পাৰে।

৯) **এক নাগৰিকত্ব (Single Citizenship) ঃ** অন্যান্য যুক্তৰাষ্ট্ৰৰ নাগৰিকসকলৰ দ্বি-নাগৰিকত্ব আছে। কিন্তু ভাৰতবৰ্ষৰ সংবিধানে এই দেশৰ নাগৰিকসকলক দ্বি- নাগৰিকত্ব প্ৰদান কৰা নাই। কোনো এখন ৰাজ্যৰ লোক সেই ৰাজ্যৰ স্থায়ী বাসিন্দাহে, সেই ৰাজ্যৰ নাগৰিক নহয়। ভাৰতবৰ্ষৰ সমূহ জনসাধাৰণ ভাৰতীয় নাগৰিক।

১০) **অনুসন্ধানমূলক আয়োগ গঠন (Appointment of the Enquiry Commission)ঃ** কেন্দ্ৰীয় চৰকাৰে কোনো ৰাজ্যৰ মূখ্যমন্ত্ৰী বা মন্ত্ৰীৰ কাৰ্য্যাৱলী সম্পৰ্কে তদন্ত আয়োগ বা অনুসন্ধানমূলক আয়োগ গঠন কৰিব পাৰে।

১১) **ৰাষ্ট্ৰপতিৰ সন্মতি স্থগিত (withhold of Presidential Assent) ঃ** ৰাজ্যিক বিধানমণ্ডলে পাছ কৰা কোনো বিল ৰাজ্যপালে ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে পঠিয়াব পাৰে। ৰাষ্ট্ৰপতিয়ে এনে বিলত সন্মতি দান কৰিবও পাৰে বা নকৰিবও পাৰে। এনে বিলত সন্মতি দান নকৰি কেন্দ্ৰই ৰাজ্যক নিয়ন্ত্ৰন কৰিব পাৰে।

১২) **বৈদেশিক চুক্তি (Agreement with Foreign States)ঃ** কোনো বিদেশী ৰাষ্ট্ৰৰ সৈতে সম্পাদিত চুক্তিক কাৰ্য্যকৰী কৰিবৰ কাৰণে সংসদে ভাৰতৰ যিকোনো এলেকা সম্পৰ্কে সম্পূৰ্ণভাৱে বা আংশিকভাৱে আইন প্ৰণয়ন কৰিব পাৰে। কেন্দ্ৰীয় চৰকাৰৰ কৰ্তৃত্বক ৰাজ্যসমূহে অৱহেলা কৰিব নোৱাৰে বা উলাই কৰিব নোৱাৰে।

### ৩.৮ ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ চিন্তনীয় দিশসমূহ (Tension areas of the Indian Federal System) ঃ

ভাৰতবৰ্ষত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্কৰ্ক লৈ বহু সময়ত চিন্তাৰ উদ্বেগ হোৱা দেখা যায়। কেন্দ্ৰ আৰু ৰাজ্যত বিভিন্ন ৰাজনৈতিক দল ক্ষমতাসীন হ'লে এনে পৰিস্থিতিৰ উদ্ভৱ হোৱা দেখা যায়। গতিকে যিবোৰ ব্যৱস্থাক কেন্দ্ৰ কৰি কেন্দ্ৰ আৰু ৰাজ্য সম্পৰ্কত বিৰোধে দেখা দিছে, সেই চিন্তনীয় দিশসমূহৰ বিষয়ে আলোচনা কৰা হ'ল-

১) **ৰাষ্ট্ৰপতিৰ সাংবিধানিক ভূমিকা আৰু অঙ্গৰাজ্যত ৰাষ্ট্ৰপতিৰ শাসন (Constitutional Position of the President and Imposition of Presidential Rule in the States) ঃ** ভাৰত যুক্তৰাষ্ট্ৰৰ শীৰ্ষত ৰাষ্ট্ৰপতি পদ আৰু তেওঁ এজন নিৰপেক্ষ ব্যক্তি। কিন্তু কেতিয়াবা কেন্দ্ৰত থকা শাসনাধিষ্ঠ দলৰ পৰামৰ্শমতে ৰাষ্ট্ৰপতিয়ে কিছুমান সিদ্ধান্ত গ্ৰহণ কৰে। যিবোৰ ৰাজ্যৰ স্বাৰ্থ বিৰোধী হয়। ইয়াৰ ফলত ৰাজ্যসমূহৰ কেন্দ্ৰৰ বিৰুদ্ধে অসন্তুষ্টি বাঢ়ে।

২) **ৰাজ্যপালৰ কাৰ্য্যাৱলী আৰু প্ৰতিবেদন (Functions of the Governor and His Report) ঃ** ৰাজ্যপালক বহু সময়ত কেন্দ্ৰৰ আৰু ৰাজ্যৰ মধ্যস্থতাকাৰী বুলিও কোৱা হয়। দেখা যায় যে কেতিয়াবা ৰাজ্যপালে কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশক্ৰমে কিছুমান সিদ্ধান্ত গ্ৰহণ কৰে যিবোৰক ৰাজ্যৰ স্বাৰ্থবিৰোধী বুলি বিবেচনা কৰা হয়। তাৰোপৰি্ কেতিয়াবা ৰাজ্যপালে ৰাষ্ট্ৰপতিলৈ কোনো ৰাজ্য সম্পৰ্কে পঠিওৱা প্ৰতিবেদনেও উত্তেজনাৰ সৃষ্টি কৰে।

৩) **অৰ্দ্ধ- সামৰিক বাহিনী (Para Military Force) ঃ** ৰাজ্যৰ আইন-শৃংখলা ৰক্ষা কৰা ৰাজ্যিক চৰকাৰৰ দায়িত্ব। কিন্তু কোনো ৰাজ্যত থকা কেন্দ্ৰীয় উদ্যোগ, অফিচ আৰু সম্পত্তি ৰক্ষাৰ্থে কেন্দ্ৰীয় অৰ্দ্ধ সামৰিক বাহিনীক নিয়োগ কৰা হয়। ৰাজ্য চৰকাৰ সমূহে প্ৰায়েই ইয়াৰ প্ৰতিবাদ কৰে।

৪) **আইন শৃংখলা (Law and Order) ঃ** আইন শৃংখলা আৰু কেন্দ্ৰীয় চৰকাৰৰ সম্পত্তিৰ ৰক্ষণাবেক্ষণক কেন্দ্ৰ কৰি কেন্দ্ৰ-ৰাজ্য সম্পৰ্কত প্ৰচুৰ উত্তেজনাৰ সৃষ্টি হয়। কেন্দ্ৰই ৰাজ্যসমূহৰ আইন- শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত নানা ধৰণৰ অভিযোগ কৰা দেখা যায়। আইন- শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহে কেন্দ্ৰক সদায় সন্তুষ্ট ৰাখিবলগীয়া হয়।

৫) **সৰ্বভাৰতীয় সেৱাসমূহ (All India Services) ঃ** ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ দায়িত্বপালনৰ বাবে সৰ্বভাৰতীয় সেৱাৰ লোকসকলক নিয়োগ কৰা হয়। সৰ্বভাৰতীয় সেৱাৰ বিষয়াসকলক ৰাজ্যিক চৰকাৰে সন্দেহৰ চকুৰে চায়। কাৰণ তেওঁলোক কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি। তেওঁলোকৰ চাকৰিৰ

চৰ্তসমূহক কেন্দ্ৰীয় চৰকাৰে নিৰ্দ্ধাৰণ আৰু নিয়ন্ত্ৰণ কৰে। ৰাজ্যচৰকাৰক উক্ত কৰ্মচাৰীসকলে কিছুক্ষেত্ৰত অবজ্ঞা কৰাও দেখা যায়।

৬) **ভাষাগত বিৰোধ (Dispute Over Language)ঃ** ভাষাগত প্ৰশ্নটো ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ ক্ষেত্ৰত চিন্তনীয় আন এটা বিষয়। আৰম্ভনিৰে পৰা ভাৰতত হিন্দী আৰু অহিন্দী ভাষাক কেন্দ্ৰ কৰি বিৰোধৰ সৃষ্টি হয়। কেতিয়াবা ভাষাক কেন্দ্ৰ কৰি আঞ্চলিকতা আৰু প্ৰাদেশিকতাবাদৰ উদ্ভৱ হোৱা দেখা যায়।

৭) **যুক্তৰাষ্ট্ৰীয় আৰ্থিক ব্যৱস্থা (Economic System)ঃ** ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ সৰ্বপ্ৰধান চিন্তনীয় ক্ষেত্ৰ হ'ল যুক্তৰাষ্ট্ৰীয় আৰ্থিক ব্যৱস্থা। সমগ্ৰ ৰাষ্ট্ৰৰ আৰ্থিক ব্যৱস্থাক বিভিন্ন সংস্থাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে নিয়ন্ত্ৰণ কৰে। বহুতো সময়ত ৰাজ্যসমূহে কেন্দ্ৰৰ পৰা সমব্যৱহাৰ নোপোৱাও দেখা যায়।

৮) **আঞ্চলিকতাবাদ (Regionalism)ঃ** ভাৰতবৰ্ষত আঞ্চলিকতাবাদে গা কৰি উঠা দেখা যায়। কেন্দ্ৰীয় চৰকাৰে দেশৰ অখণ্ডতা আৰু একতাৰ ওপৰত অধিক গুৰুত্ব দিয়ে। আনহাতে আঞ্চলিক দলসমূহে আঞ্চলিক স্বাৰ্থৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰে।

### ৩.৯ আত্ম মূল্যায়নৰ প্ৰশ্ন (খ)ঃ

১) ভাৰতীয় যুক্তৰাজ্যবাদত কেন্দ্ৰৰ প্ৰৱণতাৰ এটা কাৰণ উল্লেখ কৰা।

..........................................................................................

..........................................................................................

২) ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ এটা চিন্তনীয় দিশ লিখা।

..........................................................................................

..........................................................................................

৩) ভাৰতবৰ্ষ যুক্তৰাষ্ট্ৰৰ অংগৰাজ্যসমূহৰ নিজস্ব সংবিধান আছে। শুদ্ধনে অশুদ্ধ লিখা।

..........................................................................................

..........................................................................................

## ৩.১০ সামৰণি ঃ

উক্ত গোটটো অধ্যয়নৰ পৰা তোমালোকে যুক্তৰাষ্ট্ৰৰ সংজ্ঞা, ভাৰতীয় যুক্তৰাষ্ট্ৰীয়বাদৰ প্ৰকৃতি আদিৰ বিষয়ে জানিব পাৰিলা। বিশ্বৰ অন্যান্য যুক্তৰাষ্ট্ৰীয় দেশ সমূহৰ দৰে ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰো কিছুমান নিৰ্দিষ্ট প্ৰকৃতি আছে যিবোৰৰ বিষয়ে আমি যুক্তৰাষ্ট্ৰীয় সাংগঠনিক দিশসমূহ অধ্যয়ন কৰিলে পৰিস্ফুট হয়। তাৰোপৰি তোমালোকে ভাৰতীয় যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহ আৰু ভাৰতীয় যুক্তৰাষ্ট্ৰীয় কেন্দ্ৰীয় প্ৰৱণতাৰ বিষয়ে জানিব পাৰিলা। ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহ অধ্যয়ন কৰিলে আমি যুক্তৰাষ্ট্ৰীয়ৰ লগতে কিছুমান অযুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যও দেখিবলৈ পাওঁ, যাৰ বাবে কিছুসংখ্যক ৰাজনীতিবিদে ভাৰতক এখন ‘‘অৰ্ধ যুক্তৰাষ্ট্ৰ’’ বুলিও ক’ব বিচাৰে। এই অযুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহৰ বাবেই কেন্দ্ৰ শক্তিশালী ৰূপত প্ৰতিফলিত হৈছে আৰু কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত সংঘাতে দেখা দিছে।

## ৩.১১ ঘাই শব্দসমূহ ঃ

| | | |
|---|---|---|
| যুক্তৰাষ্ট্ৰ | ঃ | সংযুক্ত ৰাজ্য বা সন্ধিৰ দ্বাৰা আবদ্ধকৰণ। |
| নমনীয় | ঃ | সহজে সংশোধনযোগ্য। |
| অনমনীয় | ঃ | সহজে সংশোধন কৰিব নোৱাৰা। |
| আঞ্চলিকতাবাদ | ঃ | এটা অঞ্চলৰ স্বাৰ্থৰ ওপৰত আধাৰিত। |

## ৩.১২ পাঠ্য নিৰ্দেশনা ঃ


Prakash Chandra- Indian Government and Politics.

B.L. Fadia- Indian Government and Politics.

ড০ থানেশ্বৰ লাহন- ভাৰত চৰকাৰ আৰু ৰাজনীতি

Sanjib Baruah (ed)- Ethnonationalism in India.


## ৩.১৩ আত্মমূল্যায়ন প্ৰশ্নৰ সাম্ভাব্য উত্তৰ (ক)ঃ

১) ডাইচিৰ মতে, ‘‘জাতীয় ঐক্য আৰু শক্তিৰ সৈতে অঙ্গৰাজ্যসমূহক অধিকাৰৰ সামঞ্জস্য বিধানৰ ৰাজনৈতিক উপায়ক যুক্তৰাষ্ট্ৰ বোলা হয়।’’

২) ভাৰতৰ ৰাজ্যসমূহৰ সূকীয়া সংবিধান নাই ।

৩) লিখিত সংবিধান।

৪) শুদ্ধ।

**আত্মমূল্যায়ন প্ৰশ্ন সাম্ভাব্য উত্তৰ (খ)ঃ**

১) সংবিধান সংশোধন পদ্ধতি দৃঢ় নহয়।

২) অৰ্ধ সামৰিক বাহিনী।

৩) অশুদ্ধ।

**৩.১৪. প্ৰসংগ পুথি ঃ**

ড° কৃপেশ চন্দ্ৰ পাল – ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা।

অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক

ড° থানেশ্বৰ লাহন – ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা।

পুৰন্দৰ গগৈ- - ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা।

**৩.১৫ আৰ্হি প্ৰশ্ন ঃ**

১) ভাৰতীয় যুক্তৰাষ্ট্ৰীয় বৈশিষ্ট্যসমূহ লিখা।

২) ভাৰতবৰ্ষ যুক্তৰাষ্ট্ৰীয় প্ৰকৃতি বিশ্লেষণ কৰা।

৩) ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত থকা চিন্তনীয় দিশসমূহ লিখা।

৪) ভাৰতীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ কেন্দ্ৰীয় প্ৰৱণতা সম্পৰ্কে আলোচনা কৰা।

# গোট-২
# (Unit - 2)
## কেন্দ্ৰ-ৰাজ্য সম্পৰ্ক

**গঠন বিন্যাস ঃ**

২.০ উদ্দেশ্য

২.১ প্ৰস্তাৱনা

২.২ কেন্দ্ৰ-ৰাজ্যৰ মাজৰ আইন প্ৰণয়ন সম্বন্ধ

২.৩ কেন্দ্ৰ-ৰাজ্যৰ মাজৰ প্ৰশাসনিক সম্বন্ধ

২.৪ কেন্দ্ৰ-ৰাজ্যৰ মাজৰ বিত্তীয় সম্বন্ধ

২.৪.১ বিত্তীয় ব্যৱস্থাত কেন্দ্ৰীয় চৰকাৰৰ ওপৰত ৰাজ্য চৰকাৰৰ নিৰ্ভৰশীলতা

২.৪.২ বিত্তীয় আয়োগৰ ভূমিকা হ্ৰাস

২.৪.৩ অনুদান বিতৰণত বৈষম্য

২.৫ ৰাজ্যসমূহৰ অভিযোগ আৰু অধিক স্বায়ত্ব শাসনৰ দাবী

২.৬ ৰাজ্যসমূহৰ ক্ষমতা বৃদ্ধিৰ বাবে আগবঢ়োৱা পৰামৰ্শ

২.৬.১ চাৰকাৰীয়া আয়োগৰ পৰামৰ্শৱলী

আত্মমূল্যায়নৰ প্ৰশ্ন

২.৭ সামৰণি

২.৮ ঘাই শব্দসমূহ

২.৯ পাঠ নিৰ্দেশনা

আত্মমূল্যায়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ

প্ৰসংগ পুথি

আৰ্হি প্ৰশ্ন

## ২.০ উদ্দেশ্য ঃ

- এই গোটটো অধ্যয়ন কৰিলে তুমি কেন্দ্ৰ-ৰাজ্যৰ মাজৰ আইন প্ৰণয়ন সম্বন্ধ, প্ৰশাসনিক সম্বন্ধ আৰু বিত্তীয় সম্বন্ধৰ বিষয়ে জানিব পাৰিবা।
- এই গোটটো অধ্যয়ন কৰিলে তুমি বিত্তীয় দিশত ৰাজ্যসমূহৰ ওপৰত কেন্দ্ৰৰ প্ৰাধান্যৰ বিষয়ে জানিব পাৰিবা।
- এই গোটটো অধ্যয়ন কৰিলে তুমি কেন্দ্ৰৰ বিৰুদ্ধে ৰাজ্য চৰকাৰসমূহৰ প্ৰধান অভিযোগসমূহ জানিব পাৰিবা।
- এই গোটটো অধ্যয়ন কৰিলে তুমি কেন্দ্ৰ-ৰাজ্যৰ মাজৰ সম্পৰ্ক উন্নীত কৰিবৰ বাবে চাৰকাৰীয়া আয়োগৰ পৰামৰ্শৱলীৰ সম্পৰ্কে জানিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

তোমালোকে ইতিমধ্যে গোট-১ শিতানত ভাৰতীয় যুক্তৰাষ্ট্ৰৰ প্ৰকৃতি আৰু ইয়াৰ গতিশীলতাৰ বিষয়ে বুজিব পাৰিছা। যুক্তৰাষ্ট্ৰীয় গাঁঠনিৰ এখন ৰাষ্ট্ৰ হিচাপে ভাৰতবৰ্ষত কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ সম্বন্ধ অপৰিহাৰ্য। কিন্তু কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ সম্পৰ্ক কেনে ধৰণৰ হোৱা উচিত সেইয়া ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছৰেপৰা এক বিতৰ্কৰ বিষয় হিচাপে পৰিগণিত হৈছে।

ভাৰতীয় সংবিধানৰ মুঠ ৫৬ টা অনুচ্ছেদত কেন্দ্ৰ-ৰাজ্যৰ মাজৰ সম্পৰ্কৰ বিষয়ে উল্লেখ কৰা হৈছে। কেন্দ্ৰ ৰাজ্যৰ সম্পৰ্কত অৱশ্যে কেন্দ্ৰৰ প্ৰাধান্যহে অধিক পৰিলক্ষিত হয়। উক্ত সম্পৰ্কৰ বিষয়ে ভাৰতীয় সংবিধানত দীঘলীয়াকৈ আলোচনা কৰাৰ মুখ্য উদ্দেশ্য হ'ল কেন্দ্ৰ ৰাজ্যৰ মাজত উদ্ভৱ হব পৰা বিবাদ যাতে এৰাই চলিব পাৰি।

## ২.২ কেন্দ্ৰ ৰাজ্যৰ মাজৰ আইন প্ৰণয়ন সম্বন্ধ ( Legislative Relation between Centre and States) ঃ

ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত সাংবিধানিকভাৱে ক্ষমতাসমূহ ভগাই দিয়া হৈছে। ইয়াৰ বাবে মুঠ তিনিখন সূচীৰ বিষয়ে উল্লেখ কৰা হৈছে।

(ক) কেন্দ্ৰীয় সূচী (Central List)

(খ) ৰাজ্যিক সূচী (State List)

(গ) সমৱৰ্তী সূচী (Concurrent List)

যিবিলাক বিষয় ৰাষ্ট্ৰীয় চৰিত্ৰৰ তেনে চৰিত্ৰৰ বিষয়বিলাক কেন্দ্ৰীয় সূচীত অন্তৰ্ভূক্ত কৰা হৈছে। ইয়াত মুঠ ৯৭ টা বিষয় সন্নিৱিষ্ট কৰা হৈছে। এই বিষয়বিলাকৰ ওপৰত আইন প্ৰণয়নৰ কৰ্তৃত্ব সম্পূৰ্ণভাৱে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত অৰ্পণ কৰা হৈছে। যিবিলাক বিষয় ৰাজ্যিক চৰিত্ৰৰ তেনে বিষয়বিলাক ৰাজ্যিক সূচীত অন্তৰ্ভূক্ত

কৰা হৈছে আৰু ইয়াত মুঠ ৬৬ টা বিষয় সন্নিৰিষ্ট কৰা হৈছে। উক্ত বিষয়বিলাকৰ ওপৰত আইন প্ৰণয়নৰ কৰ্তৃত্ব ৰাজ্যিক চৰকাৰসমূহক প্ৰদান কৰা হৈছে। আনহাতে সমৱৰ্তী সূচীত অন্তৰ্ভূক্ত বিষয়ৰ সংখ্যা হ'ল বৰ্তমান ৫২ টা (পূৰ্বতে ৪৭ টা)। এই বিষয়সমূহ উমৈহতীয়া চৰিত্ৰৰ আৰু এনে বিষয়বোৰৰ ওপৰত আইন প্ৰণয়নৰ কৰ্তৃত্ব কেন্দ্ৰ-ৰাজ্য উভয়কে প্ৰদান কৰা হৈছে। উক্ত তিনিওখন সূচীত অন্তৰ্ভূক্ত নোহোৱা বিষয়বিলাকক "অৱশিষ্ট ক্ষমতা" (Residuary Power) বুলি কোৱা হয় আৰু এই ক্ষমতাৰ কৰ্তৃত্ব ভাৰতবৰ্ষত কেন্দ্ৰীয় চৰকাৰৰ হাতত অৰ্পণ কৰা হৈছে।

গতিকে দেখা যায় যে ভাৰতীয় সংসদ আইন প্ৰণয়নৰ ক্ষেত্ৰত ৰাজ্যিক বিধান সভাৰ তুলনাত অধিক শক্তিশালী। ইয়াৰ উপৰিও সাংবিধানিকভাৱে ভাৰতৰ সংসদক ৰাজ্যিক তালিকাত অন্তৰ্ভুক্ত কেতবোৰ বিষয়ত হস্তক্ষেপ কৰাৰ কৰ্তৃত্ব অৰ্পণ কৰিছে। এই ব্যৱস্থাসমূহ হৈছে এনেধৰণৰ ঃ

(১) ভাৰতীয় সংবিধানৰ ২৪৯ নং অনুচ্ছেদ অনুসৰি যদি ৰাজ্যসভাৰ উপস্থিত আৰু ভোটদানকাৰী সদস্যৰ দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰে ৰাজ্যিক তালিকাত অন্তৰ্ভুক্ত কোনো বিষয় ৰাষ্ট্ৰৰ স্বাৰ্থৰ লগত জড়িত বুলি প্ৰস্তাৱ গ্ৰহণ কৰে তেন্তে তেনে বিষয়ৰ ওপৰত সংসদে আইন প্ৰণয়ন কৰিব পাৰে।

(২) সংবিধানৰ ২৫০ নং অনুচ্ছেদ অনুসৰি দেশত জাতীয় জৰুৰী অৱস্থা চলি থকাৰ সময়ত বা কোনো ৰাজ্যত ৰাষ্ট্ৰপতি শাসন চলি থকাৰ সময়চোৱাত দেশৰ সংসদে ৰাজ্যিক তালিকাত অন্তৰ্ভুক্ত বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰিব পাৰে।

(৩) সংবিধানৰ ২৫২ নং অনুচ্ছেদ অনুসৰি যদি দুই বা ততোধিক ৰাজ্যই ৰাজ্যিক সূচীত অন্তৰ্ভুক্ত কোনো বিষয়ৰ ওপৰত সংসদক আইন প্ৰণয়নৰ কৰ্তৃত্ব প্ৰদানৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰে তেনে ক্ষেত্ৰত সংশ্লিষ্ট ৰাজ্যকেইখনৰ বাবে সংসদে আইন প্ৰণয়ন কৰিব পাৰে।

(৪) সংবিধানৰ ২৫৩ নং অনুচ্ছেদ অনুসৰি কোনো বিদেশী ৰাষ্ট্ৰৰ লগত সম্পাদন কৰা চুক্তি কাৰ্যকৰী কৰিবৰ বাবে দেশৰ সংসদে সমগ্ৰ দেশত প্ৰযোজ্য হোৱাকৈ আইন প্ৰণয়ন কৰিব পাৰে।

(৫) সংবিধানৰ ২০১ নং অনুচ্ছেদ অনুসৰি ৰাজ্যিক বিধান সভাই গ্ৰহণ কৰা কোনো বিধেয়ক ৰাজ্যপালে স্বাক্ষৰ নকৰি ৰাষ্ট্ৰপতিৰ বিবেচনাৰ বাবে সংৰক্ষিত কৰি ৰাখিব পাৰে। উক্ত বিধেয়কত ৰাষ্ট্ৰপতিয়ে স্বাক্ষৰ দান কৰিলেহে আইনত পৰিণত হয়।

গতিকে দেখা যায় যে ৰাজ্যিক তালিকাভুক্ত বিষয়সমূহৰ ওপৰত কেন্দ্ৰীয় সংসদে আইন প্ৰণয়ন কৰিব পৰা ক্ষমতাই ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰক অধিক শক্তিশালী কৰি তুলিছে। অৱশ্যে এইক্ষেত্ৰত প্ৰণিধানযোগ্য কথাটো হ'ল যে ভাৰতীয় সংবিধান প্ৰণয়ন কৰাৰ সময়চোৱাত দেশৰ অৰ্থনৈতিক ও ৰাজনৈতিক পৰিস্থিতিৰ বাবেই কেন্দ্ৰক শক্তিশালী কৰাটো অৱশ্যম্ভাৱী হৈ পৰিছিল।

## ২.৩ কেন্দ্ৰ ৰাজ্যৰ প্ৰশাসনিক সম্বন্ধ (Administrative Relation between Centre and States)ঃ

আইন প্ৰণয়নৰ ক্ষেত্ৰত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত যি ক্ষমতা বণ্টন কৰা হয় তাৰ সৈতে শাসন পৰিচালনা ক্ষমতা বিশেষভাৱে জড়িত। ভাৰতীয় সংবিধানৰ ৭৩ নং অনুচ্ছেদ অনুসৰি সংসদে যিবোৰ বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰিব পাৰে তেনেবোৰ বিষয়ত প্ৰশাসনীয় ক্ষমতাও প্ৰয়োগ কৰিব পাৰে। ভাৰতীয় সংবিধানৰ প্ৰণেতাসকলে কেন্দ্ৰ-ৰাজ্যৰ মাজত সু-সম্পৰ্ক গঢ়ি তুলিবলৈ ২৫৬ আৰু ২৬২ নং অনুচ্ছেদত কেন্দ্ৰ ৰাজ্যৰ মাজত প্ৰশাসনীয় সম্বন্ধৰ বিষয়ে উল্লেখ কৰিছে। উক্ত ব্যৱস্থাৱলীসমূহ হল-

(১) সংবিধানৰ ২৫৬ নং অনুচ্ছেদ অনুসৰি ৰাজ্য চৰকাৰে সংসদে প্ৰণয়ন কৰা আইনৰ লগত সংগতি ৰাখি যাতে কাৰ্য্যপালন কৰে তাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশ জাৰি কৰিব পাৰে।

(২) সংবিধানৰ ২৫৭ নং অনুচ্ছেদ অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ প্ৰশাসনীয় ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে যাতে বাধাৰ সৃষ্টি কৰিব নোৱাৰে তাৰ বাবে ৰাজ্য চৰকাৰক প্ৰয়োজনীয় নিৰ্দেশ জাৰী কৰিব পাৰে।

(৩) সংবিধানৰ ৩৩৯ (২) অনুচ্ছেদ অনুসৰি অনুসূচিত জাতি-জনজাতিসকলৰ কল্যাণ সাধনৰ অৰ্থে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰক নিৰ্দেশ দিব পাৰে।

(৪) সংবিধানৰ ২৫৮ (ক) অনুচ্ছেদ অনুসৰি ৰাজ্যৰ ৰাজ্যপালে কেন্দ্ৰীয় চৰকাৰৰ সন্মতি সাপেক্ষে ৰাজ্যৰ শাসন বিভাগৰ কোনো কাম কেন্দ্ৰীয় চৰকাৰৰ হাতত অৰ্পণ কৰাৰ ব্যৱস্থা আছে। তাৰোপৰি কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ সন্মতি সাপেক্ষে কেন্দ্ৰীয় চৰকাৰৰ যিকোনো দায়িত্ব পালনৰ ভাৰ ৰাজ্য চৰকাৰক বা ৰাজ্য চৰকাৰৰ বিষয়াক অৰ্পণ কৰিব পাৰে।

(৫) সংবিধানৰ ৩৫৫ নং অনুচ্ছেদ অনুসৰি প্ৰত্যেক ৰাজ্যকে বহিঃ আক্ৰমণ আৰু আভ্যন্তৰীণ অশান্তিৰ পৰা ৰক্ষা কৰা আৰু ৰাজ্যসমূহে যাতে সাংবিধানিকভাৱে কাৰ্য্যপালন সুনিশ্চিত কৰিব পাৰে তাৰ ব্যৱস্থা গ্ৰহণৰ বাবে কেন্দ্ৰীয় চৰকাৰক কৰ্তৃত্ব প্ৰদান কৰিছে।

(৬) সংবিধানৰ ৩৫২ নং অনুচ্ছেদ অনুসৰি যুদ্ধ বা সশস্ত্ৰ সংগ্ৰামৰ পৰিপ্ৰেক্ষিতত আৰু ৩৫৬ নং অনুচ্ছেদ অনুসৰি কোনো এখন বা ততোধিক ৰাজ্যত দেখা দিয়া সাংবিধানিক সংকটৰ বাবে জৰুৰী অৱস্থা ঘোষণা কৰিলে কেন্দ্ৰীয় চৰকাৰে প্ৰশাসনীয় ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত নীতি-নিৰ্দেশনা জাৰী কৰিব পাৰে।

(৭) সংবিধানৰ ২৬২ নং অনুচ্ছেদ অনুসৰি আন্তঃৰাজ্যিক নদীৰ পানীৰ ভাগ-বটৰোৱাক লৈ হোৱা বিবাদৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণৰ বাবে সংসদক ক্ষমতা দিয়া হৈছে।

(৮) সংবিধানৰ ২৬৫ নং অনুচ্ছেদ অনুসৰি আন্তঃৰাজ্যিক বিবাদ অনুসন্ধান আৰু ৰাজ্যসমূহৰ সমূহীয়া স্বাৰ্থজড়িত বিষয়সমূহ আলোচনাৰ বাবে ৰাষ্ট্ৰপতিয়ে আন্তঃৰাজ্যিক পৰিষদ গঠন কৰিব পাৰে।

(৯) সংবিধানৰ ১৬৯ নং অনুচ্ছেদ অনুসৰি কোনো ৰাজ্যৰ বিধান পৰিষদ বিলুপ্ত কৰা বা কোনো ৰাজ্যত বিধান পৰিষদ গঠন কৰাৰ বিষয়ত সিদ্ধান্ত গ্ৰহণৰ কৰ্তৃত্ব সংসদক প্ৰদান কৰা হৈছে।

(১০) কেন্দ্ৰীয় চৰকাৰে কোনো ৰাজ্যৰ মুখ্যমন্ত্ৰী বা আন কোনো মন্ত্ৰীৰ বিৰুদ্ধে উত্থাপিত অভিযোগ বিচাৰ কৰিবৰ বাবে তদন্ত আয়োগ গঠন কৰিব পাৰে। উদাহৰণ স্বৰূপে, ১৯৬৩ চনত পাঞ্জাৱৰ মুখ্যমন্ত্ৰী প্ৰকাশ সিং বাদলৰ বিৰুদ্ধে এনে তদন্ত আয়োগ পোন প্ৰথমবাৰৰ বাবে কেন্দ্ৰীয় চৰকাৰে গঠন কৰিছিল।

ওপৰৰ আলোচনাত এইটো স্পষ্ট হৈ পৰিছে যে কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰসমূহক নিজৰ নিয়ন্ত্ৰণত ৰখাৰ উদ্দেশ্যে প্ৰশাসনিক ক্ষমতা প্ৰয়োগ কৰিব পাৰে। সেয়েহে সাম্প্ৰতিক সময়চোৱাত ৰাজ্যৰ আঞ্চলিক দল যেনে, অসমৰ অসম গণ পৰিষদ, পাঞ্জাৱৰ আকালি দল, তামিলনাডুৰ ডি. এম. কে., অন্ধ্ৰপ্ৰদেশৰ তেলেগু দেশাম আদিয়ে কেন্দ্ৰ-ৰাজ্যৰ সমন্ধ পুনৰ বিবেচনা কৰি ৰাজ্যসমূহক অধিক ক্ষমতা প্ৰদানৰ দাবী জনাই আহিছে।

## ২.৪ কেন্দ্ৰ-ৰাজ্যৰ মাজৰ বিত্তীয় সম্পৰ্ক (Financial Relation between Centre and States) ঃ

ভাৰতীয় সংবিধানৰ দ্বাদশ ভাগত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ৰাজহ বিতৰণ সম্পৰ্কে আলোচনা কৰা হৈছে। সংবিধানৰ ২৬৪ নং অনুচ্ছেদৰপৰা ৩০০ নং অনুচ্ছেদলৈকে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহৰ আয়ৰ উৎসসমূহৰ বিষয়ে উল্লেখ কৰিছে। সংবিধান অনুসৰি কেন্দ্ৰ আৰু ৰাজ্যৰ কৰৰ উৎসবিলাক ৭ম অনুসূচিত অন্তৰ্ভুক্ত কৰা হৈছে। সেইসমূহ হ'ল-

(১) সংবিধানৰ ২৫৯ নং অনুচ্ছেদ অনুযায়ী কিছুমান কৰ কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰাৰ উপৰিও সংগ্ৰহ কৰিব পাৰিব। উদাহৰণস্বৰূপে ৰেলৰ টিকট আৰু বয়-বস্তুৰ ওপৰত লগোৱা কৰ।

(২) সংবিধানৰ ২৬৮ নং অনুচ্ছেদ অনুসৰি কিছুমান কৰ কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰে কিন্তু উক্ত কৰ ৰাজ্য চৰকাৰে সংগ্ৰহ কৰি ব্যৱহাৰ কৰিব পাৰে। উদাহৰণস্বৰূপে, ষ্টাম্পৰ ওপৰত লগোৱা শুল্ক, দৰৱ প্ৰস্তুতকৰণৰ ওপৰত আৰোপ কৰা আবকাৰী কৰ।

(৩) সংবিধানৰ ২৭০ নং অনুচ্ছেদ অনুসৰি কিছুমান কৰ কেন্দ্ৰীয় চৰকাৰে আৰোপ কৰাৰ উপৰিও সংগ্ৰহ কৰিব পাৰে। কিন্তু উক্ত সংগৃহীত কৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত ভগাই লোৱা হয়। উদাহৰণস্বৰূপে, আয় কৰৰ বিষয়ে উল্লেখ কৰিব পাৰি।

উপৰোক্ত কৰৰ উৎসসমূহ বিশ্লেষণ কৰি চালে দেখা যায় যে ৰাজ্যসমূহৰ আয় কেন্দ্ৰতকৈ বহু পৰিমাণে সীমিত। কাৰণ ৰাজ্যসমূহতকৈ কেন্দ্ৰীয় চৰকাৰৰ কৰৰ উৎসসমূহ অধিক। ফলস্বৰূপে ৰাজ্য চৰকাৰে বিভিন্ন জনকল্যাণমুখী আঁচনিসমূহ ৰূপায়ণৰ বাবে নিজ উৎসৰপৰা সংগ্ৰহ কৰা কৰৰ জৰিয়তে সম্পাদন কৰাটো সক্ষম নহয়। সেয়েহে ৰাজ্য চৰকাৰবিলাকে কেন্দ্ৰৰ ওচৰত নিৰ্ভৰশীল হব লগা হয়। তাৰোপৰি সংসদে কেন্দ্ৰীয় চৰকাৰৰ আয়ৰ উৎস বৃদ্ধি কৰি ৰাজ্যসমূহক বিত্তৰ ক্ষেত্ৰত কেন্দ্ৰৰ ওচৰত বহতীয়া কৰি ৰখাৰ ব্যৱস্থা কৰিছে।

### ২.৪.১ বিত্তীয় ব্যৱস্থাত কেন্দ্ৰীয় চৰকাৰৰ ওপৰত ৰাজ্য চৰকাৰৰ নিৰ্ভৰশীলতা (Dependence of State Governments upon Central Government on Finance) ঃ

বিত্তীয় ব্যৱস্থাত থকা সাংবিধানিক ব্যৱস্থাই ৰাজ্যসমূহক কেন্দ্ৰীয় চৰকাৰৰ ওপৰত নিৰ্ভৰশীল কৰি তুলিছে। ব্যাপক হাৰত হোৱা উদ্যোগীকৰণ, নগৰীকৰণ, জনকল্যাণমূলক আঁচনি ৰূপায়ণ আদিৰ বাবে ৰাজ্য চৰকাৰৰ খৰছৰ বোজা দিনক দিনে বৃদ্ধি পাই গৈছে। ইয়াক জোৰা মাৰিবৰ বাবে ৰাজ্য চৰকাৰবোৰে কেন্দ্ৰ তথা অন্যান্য উৎসৰপৰা লোৱা ধাৰৰ পৰিমাণ দিনক দিনে বৃদ্ধি পাবলৈ ধৰিছে। বৰ্তমান ইয়াৰ পৰিমাণ প্ৰায় ৩০ হাজাৰ কোটি টকা মান হৈছেগৈ। তাৰোপৰি ৰিজাৰ্ভ বেংকৰপৰা ৰাজ্যসমূহে নিজৰ জমাতকৈ অতিৰিক্ত হিচাপে কেইবাশ কোটি টকা ধন ধাৰে লৈছে। ৰাজ্যসমূহে যাতে নিজৰ বিত্তীয় অৱস্থা টনকীয়াল কৰিব পাৰে তাৰ বাবে বিত্তীয় আয়োগসমূহে ৰাজ্যবিলাকলৈ কৰৰ অংশৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় অনুদান বৃদ্ধি কৰিবলৈ অনুমোদন জনাই আহিছে। উদাহৰণস্বৰূপে, ১৯৮৮-৯০ চনৰ সময়চোৱাত মুঠ ১৩,৬৬২ কোটি টকা ৰাজ্যসমূহলৈ হস্তান্তৰ কৰাৰ বাবে অনুমোদন

জনাইছিল। কিন্তু এই ব্যৱস্থাৰ সঠিক ৰূপায়ণ নোহোৱাৰ বাবে ৰাজ্য চৰকাৰসমূহৰ আৰ্থিক অৱস্থাৰ ছবিখন এতিয়াও দুখ লগা হৈয়ে আছে।

### ২.৪.২ বিত্তীয় আয়োগৰ ভূমিকা হ্ৰাস (Decrease of the Role of Finance Commission) ঃ

ভাৰতীয় সংবিধানৰ ২৮০ (৩) নং অনুচ্ছেদ অনুসৰি বিত্তীয় আয়োগক বিভিন্ন কৰৰ জৰিয়তে সংগ্ৰহ কৰা পুঁজি কেন্দ্ৰ ও ৰাজ্যসমূহৰ মাজত বিতৰণ কৰা আৰু ৰাজ্যসমূহলৈ অনুদান আগবঢ়োৱাৰ ক্ষেত্ৰত পৰামৰ্শ দিবৰ বাবে কৰ্তৃত্ব প্ৰদান কৰিছে।কিন্তু বিত্তীয় আয়োগৰ পৰিৱৰ্তে সংবিধান বৰ্হিভূত সংগঠন হ'লেও পৰিকল্পনা আয়োগেহে অধিক ভূমিকা পালন কৰা দেখা যায়। উদাহৰণস্বৰূপে, ১৯৫১-১৯৭৪ চনৰ ভিতৰত মুঠ ১০,০৫৩ কোটি টকা বিত্তীয় আয়োগৰ জৰিয়তে হস্তান্তৰ কৰা হৈছিল। কিন্তু পৰিকল্পনা আয়োগে ধাৰ্য্য কৰা ধনৰ পৰিমাণ আছিল ১০,৭০৪ কোটি টকা।

গতিকে দেখা যায় যে সংবিধান বহিৰ্ভুত সংগঠন হিচাপে পৰিকল্পনা আয়োগে, সংবিধান প্ৰদত্ত সংগঠন বিত্তীয় আয়োগতকৈ অধিক গুৰুত্বতা পায়। ইয়াৰ মূলতে আমি কব পাৰো যে পৰিকল্পনা আয়োগ কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সৃষ্টি কৰা অনুষ্ঠান আৰু স্বয়ং প্ৰধানমন্ত্ৰী হ'ল ইয়াৰ সভাপতি। তাৰোপৰি এই আয়োগৰ বাকী সদস্যসকল হ'ল শাসনাধিষ্ঠিত দলৰ মন্ত্ৰী বা সদস্য। সেয়েহে ৰাজ্যৰ উন্নয়নমূলক কাম-কাজৰ বাবে প্ৰয়োজনীয় পুঁজিৰ হস্তান্তৰত পৰিকল্পনা আয়োগে অধিক গুৰুত্বতা পায়। উল্লেখযোগ্য কথা এয়ে যে ৰাজ্যত কেন্দ্ৰত শাসনাধিষ্ঠ বা অংশীদাৰী দলৰ বাদে আন দলৰ চৰকাৰ থাকে তেনেহ'লে ৰাজ্যসমূহলৈ পুঁজি হস্তান্তৰত বৈষম্য পৰিলক্ষিত হয়।

### ২.৪.৩ অনুদান বিতৰণত বৈষম্য (Discrimination in Grants-in-Aid Distribution) ঃ

কেন্দ্ৰই ৰাজ্যসমূহলৈ সময়ে সময়ে আগবঢ়োৱা অনুদান বিতৰণৰ ক্ষেত্ৰত বৈষম্যমুলক আচৰণৰ কথা নতুন নহয়। দলীয় ৰাজনীতিৰ বাবেই হওঁক বা আন কাৰণতেই হওঁক এনে বৈষম্যমূলক আচৰণৰ বিৰুদ্ধে সততে ৰাজ্যসমূহে অভিযোগ উত্থাপন কৰা দেখা যায়। এনে ধৰণৰ বৈষম্যমূলক আচৰণৰ উদাহৰণ হিচাপে কব পাৰি যে ১৯৭৪-৭৮ চনৰ সময়ত মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, তামিলনাডু, গুজৰাট, হাৰিয়ানা, কৰ্ণাটক আৰু পঞ্জাৱে কোনো ধৰণৰ অনুদান কেন্দ্ৰৰপৰা পোৱা নাছিল। আনহাতেদি একে সময়তে ভাৰতবৰ্ষৰ বাকী ১৪ খন ৰাজ্যই ২,৫০৯.৬১ কোটি কেন্দ্ৰৰপৰা অনুদান হিচাপে লাভ কৰিছিল। সেইদৰে আকস্মিক সমস্যাৰ সৈতে মোকাবিলা কৰাৰ ক্ষেত্ৰত ৰাজ্যবিলাকে আৰ্থিক সমস্যাৰ সন্মুখীন হ'ব লগা হয়। উদাহৰণ স্বৰূপে, ১৯৮৭-৮৮ চনৰ বৰ্ষটোত কেন্দ্ৰীয় চৰকাৰে অনাবৃষ্টিৰ ফলত সৃষ্টি

হোৱা সমস্যাৰ জোৰা মাৰিবলৈ সেই সময়ৰ ৪০ লাখ জনসাধাৰণৰ হাৰিয়ানা ৰাজ্যক মুঠ ১৬ কোটি টকা সাহাৰ্য্য হিচাপে আগবঢ়াইছিল। ইয়াৰ পৰিৱৰ্তে ৭.৭৮ লাখ জনসাধাৰণৰ নগালেণ্ডক মুঠ ৩০ কোটি টকা আগবঢ়াইছিল। এনে বৈষম্যমূলক আচৰণৰ বাবে ৰাজ্যবিলাকে সময়ে সময়ে কেন্দ্ৰৰ বিৰুদ্ধে বিৰূপ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি আহিছে।

## ২.৫ ৰাজ্যসমূহৰ অভিযোগ আৰু অধিক স্বায়ত্ব শাসনৰ দাবী (Grievances of States and Demand for Greater Autonomy)ঃ

কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে ৰাজ্যসমূহে কৰা অভিযোগৰ মূলতে হ'ল কেন্দ্ৰৰ অযুক্তৰাষ্ট্ৰীয় মনোভাৱ। ভাৰতীয় সংবিধানখন ৰচনা কৰাৰ সময়ত সংবিধান সভাৰ খচৰা সমিতিৰ সভাপতি ড° বি. আৰ. আম্বেদকাৰে ভাৰতৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ ওপৰত মন্তব্য প্ৰকাশ কৰি কৈছিল যে ৰাজ্যিক সূচীৰ বিষয়সমূহৰ ওপৰত ৰাজ্যচৰকাৰৰ আৰু কেন্দ্ৰীয় সূচীৰ অন্তৰ্ভূক্ত বিষয়সমূহৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ কৰ্তৃত্ব থাকিব। কিন্তু বাস্তৱ ক্ষেত্ৰত ইয়াৰ ওলোটা প্ৰতিচ্ছবিহে পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে, ১৯৬৭ চনৰ ৪ৰ্থ সাধাৰণ নিৰ্বাচনৰ পিছত মুঠ ৮ খন ৰাজ্যত- হাৰিয়ানা, উত্তৰ প্ৰদেশ, পশ্চিমবংগ, বিহাৰ, তামিলনাডু, কেৰেলা, মধ্যপ্ৰদেশ আৰু উৰিষ্যাত অ-কংগ্ৰেছী চৰকাৰ দলৰ চৰকাৰ গঠন হোৱাত উক্ত ৰাজ্যকেইখনত কেন্দ্ৰই দমনমূলক নীতি অৱলম্বন কৰিছিল। ইয়াৰ ফলস্বৰূপে ৰাজ্যসমূহৰ মাজত অসন্তুষ্টিৰ মাত্ৰা বৃদ্ধি পাইছিল আৰু কেন্দ্ৰৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰিছিল। উক্ত অভিযোগসমূহ হ'ল-

(১) সংবিধান প্ৰণেতাসকলে ৰাজ্য চৰকাৰৰ তুলনাত কেন্দ্ৰীয় চৰকাৰক অধিক ক্ষমতা প্ৰদান কৰি কেন্দ্ৰীয় চৰকাৰক শক্তিশালী হোৱাত পোষকতা কৰিছে। এই প্ৰসঙ্গত পশ্চিমবংগ চৰকাৰে যুক্তি দাঙি ধৰি কৈছে যে কেন্দ্ৰ-ৰাজ্যৰ মাজত যদি ক্ষমতাৰ ভাগ বিতৰণ প্ৰকৃত আৰু স্পষ্ট হয় তেনেহ'লে উভয়েই শক্তিশালী হোৱাৰ লগতে উভয়ৰে মাজত সৌহাদ্যমূলক সম্পৰ্ক স্থাপন হ'ব।

(২) ৰাজ্যবিলাকৰ কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে আন এটা অভিযোগ হ'ল কেন্দ্ৰই ৰাজ্যবিলাকৰ আভ্যন্তৰীণ আইন-শৃঙ্খলাৰ পৰিস্থিতিত হস্তক্ষেপ কৰাটো। আইন-শৃঙ্খলা ৰক্ষা কৰা বিষয়টো সম্পূৰ্ণৰূপে ৰাজ্য চৰকাৰৰ। কিন্তু কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ বিনা অনুমতিত সংৰক্ষিত বাহিনী, সীমান্ত নিৰাপত্তা বাহিনী আদি নিয়োগ কৰি ৰাজ্যিক বিষয়ৰ ওপৰত হস্তক্ষেপ কৰাত ৰাজ্যবিলাকৰ মাজত অসন্তুষ্টি প্ৰকাশ পায়।

(৩) ৰাজ্যবিলাকৰ অসন্তুষ্টিৰ আন এটা কাৰণ হ'ল মুঠ জাতীয় আয়ৰ প্ৰাপ্য অংশ পোৱাৰ পৰা ৰাজ্যবিলাক বঞ্চিত হোৱাটো। জনসংখ্যা বৃদ্ধি, উদ্যোগীকৰণ, নগৰীকৰণ আদিৰ ফলস্বৰূপে ৰাজ্যবিলাকে উন্নয়নমূলক আঁচিনসমূহ ৰূপায়ণ কৰিব লগা হোৱা স্বত্তেও সাংবিধানিকভাৱে ৰাজ্যবিলাকৰ তুলনাত কেন্দ্ৰীয় চৰকাৰক আয়ৰ ক্ষেত্ৰত অধিক সুবিধা প্ৰদান কৰিছে।

## ২.৬. ৰাজ্যসমূহৰ ক্ষমতা বৃদ্ধিৰ বাবে আগবঢ়োৱা পৰামৰ্শ (Suggestions for Increasing Powers of the States.)ঃ

ৰাজ্যসমূহৰ ৰাজ্যপাল নিযুক্তিৰ পৰা আৰম্ভ কৰি চৰকাৰী অনুদান পোৱালৈকে কেন্দ্ৰৰ বিৰুদ্ধে নানা অভিযোগ উত্থাপিত হয়। সময়ে সময়ে সংসদৰ মজিয়াতো সংসদৰ সদস্যসকলে কেন্দ্ৰীয় চৰকাৰক ৰাজ্যসমূহলৈ অধিক ক্ষমতা দিবৰ বাবে দাবী উত্থাপন কৰে। কেন্দ্ৰ ৰাজ্যৰ সম্পৰ্ক উন্নীত কৰাৰ অৰ্থে বিভিন্ন সময়ত ৰাজ্যসমূহে পৰামৰ্শ আগবঢ়াই আহিছে। উদাহৰণস্বৰূপে ১৯৭০ চনৰ তামিলনাডুৰ ডি. এম. কে চৰকাৰে পি. ভি. ৰাজামানৰ নেতৃত্বত গঠিত আয়োগৰ পৰামৰ্শৱলী, ১৯৭৩ চনৰ পঞ্জাৱৰ আকালি দলৰ আনন্দপূৰ চাহিব প্ৰস্তাব, ১৯৭৭ চনৰ পশ্চিমবংগ চৰকাৰৰ স্মাৰকপত্ৰ।

এইসমূহৰ উপৰিও কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ পুনঃবিন্যাসৰ বাবে ৰাজ্যবিলাকে জনোৱা দাবীৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় চৰকাৰে ১৯৮৩ চনত উচ্চতম ন্যায়ালয়ৰ অবসৰপ্ৰাপ্ত ন্যায়ধীশ আৰ. এচ. চাৰকাৰীয়াৰ অধীনত এখন আয়োগ গঠন কৰি দিছিল। এই আয়োগৰ অন্যান্য সদস্যসকল হ'ল বি. শিৱৰমন (কেবিনেট সচিব), এচ. আৰ. সেন (সদস্য সচিব) আৰু ৰাম সুৱমনিয়াম (সদস্য সচিব).

### ২.৬.১ চাৰকাৰীয়া আয়োগৰ প্ৰতিবেদন (Sarkaria Commission Report)ঃ

চাৰকাৰীয়া আয়োগে কেন্দ্ৰ-ৰাজ্যৰ মাজৰ সম্পৰ্কৰ বিষয়ে পৰ্য্যালোচনা কৰি ১৯৮৮ চনত ইয়াৰ পৰামৰ্শৱলীৰ প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰে। উক্ত প্ৰতিবেদনত কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা কৰ্তনৰ দাবীটো গ্ৰহণ কৰাৰ পৰিবৰ্তে দেশৰ ঐক্য-সংহতিৰ ৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰত এখন শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰহে পোষকতা কৰিছিল। বৰ্তমানে থকা সাংবিধানিক ব্যৱস্থাৱলীৰ আমূল পৰিবৰ্ত্তনৰ আবশ্যকতাও আয়োগে নুই কৰিছিল।

বিত্তীয় বিষয়ত আয়োগে বিশেষ পৰিবৰ্ত্তন অনাৰ বাবে দিহা-পৰামৰ্শ দিয়া নাছিল। এই ক্ষেত্ৰত কেৱল ক'ৰ্পৰেচন কৰ আৰু বিজ্ঞাপন কৰৰ ক্ষেত্ৰতহে কিছু পৰিবৰ্ত্তনৰ পোষকতা কৰিছিল।

কেন্দ্ৰীয় তালিকাৰ পৰা ৰাজ্যিক বা উমৈহতীয়া তালিকালৈ কোনো বিষয় হস্তান্তৰ কৰাৰ বা ৰাজ্যসমূহত কেন্দ্ৰীয় সশস্ত্ৰ বাহিনী নিয়োগ কৰিব পৰা কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা কৰ্তনৰ দাবী আয়োগে বিৰোধীতা কৰিছিল। অৱশ্যে এনে সংৰক্ষিত বাহিনী ৰাজ্যসমূহত নিয়োগ কৰাৰ পূৰ্বে-সংশ্লিষ্ট ৰাজ্যৰ লগত আলোচনা কৰাৰ পৰামৰ্শ আগবঢ়াইছিল। সংসদৰ সৰ্বভৌমত্বৰ ওপৰত মন্তব্য কৰি এনে ক্ষমতা প্ৰদান কৰা সংবিধানৰ ২৪৬ আৰু ২৫৬ নং অনুচ্ছেদ কেইটাৰ আৱশ্যকতা স্বীকাৰ কৰিছিল।

কৰ সম্বন্ধীয় বিষয়সমূহৰ বাদে আন সকলো অবশিষ্ট বিষয় উমৈহতীয়া তালিকা বা সমৱৰ্ত্তী সুচিৰ তালিকাত অন্তৰ্ভূক্ত কৰাৰ বাবে আয়োগে পৰামৰ্শ আগবঢ়াইছিল।

আয়োগে ৰাজ্যপালৰ পদটোৰ বিলুপ্তি ঘটোৱা আৰু ৰাজ্য চৰকাৰে তৈয়াৰ কৰা তালিকাৰপৰা ৰাজ্যপালক নিযুক্তি দিবলৈ ৰাজ্যবিলাকে জনোৱা দাবী নাকচ কৰিছিল যদিও আয়োগে ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ নিযুক্তিৰ ক্ষেত্ৰত এইবুলি পৰামৰ্শ আগবঢ়াইছিল যে বিধানসভাৰ সংখ্যাগৰিষ্ঠ দলটোৰ নেতাজনক আৰু যদি কোনো দলে সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰে তেন্তে সংখ্যাগৰিষ্ঠ সদস্যৰ সমৰ্থন পোৱাৰ সম্ভৱনা থকা নেতাজনক মুখ্যমন্ত্ৰীৰূপে নিযুক্তি দিবলৈ ৰাজ্যপালসকললৈ পৰামৰ্শ আগবঢ়াইছিল। অবশ্যে বিধানসভাৰ মজিয়াত উক্ত সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰাৰ অৰ্থে ৩০ দিনৰ সময় দিব লাগে বুলি আয়োগে পৰামৰ্শ আগবঢ়াইছিল।

ভাৰতীয় সংবিধানৰ ৩৫৬ নং অনুচ্ছেদটোৰ বিলুপ্তিৰ বাবে জনোৱা ৰাজ্যবিলাকৰ দাবী আয়োগে নাকচ কৰিছিল। অবশ্যে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বিভিন্ন ব্যৱস্থা গ্ৰহণৰ পিছত একেবাৰে শেষ ব্যৱস্থা হিচাপেহে এই ৩৫৬ নং অনুচ্ছেদটো ব্যৱহাৰৰ পৰামৰ্শ আয়োগে দাঙি ধৰিছিল।

ৰাজ্যত ৩৫৬ নং অনুচ্ছেদটোৰ ক্ষেত্ৰত এই কথাও কৈছিল যে সংসদে উক্ত অনুচ্ছেদটো ঘোষণাৰ অনুমোদন নজনোৱালৈকে ৰাজ্যিক বিধানসভা ভংগ কৰিব নালাগে বুলি পৰামৰ্শ আগবঢ়াইছিল।

কোনো এখন ৰাজ্যত ৰাষ্টপতি শাসন প্ৰবৰ্ত্তন কৰাৰ প্ৰাক-মুহূৰ্ত্তত ৰাজ্যখনত বিকল্প চৰকাৰ গঠনৰ সম্ভাবনীয়তা বিচাৰ কৰি চোৱাটো আবশ্যক বুলি আয়োগে প্ৰতিবেদনত উল্লেখ কৰিছিল।

চাৰকাৰীয়া আয়োগৰ আন এটা পৰামৰ্শ হ'ল সংসদৰ উভয় সদনে দাবী উত্থাপন নকৰালৈকে ক্ষমতাত অধিষ্ঠিত বা ভূতপূৰ্ব কোনো ৰাজ্যিক মন্ত্ৰীৰ বিৰুদ্ধে কোনো ধৰণৰ অনুসন্ধান আয়োগ গঠন কৰিব নালাগে।

উমৈহতীয়া তালিকাত অন্তৰ্ভূক্ত কোনো বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰাৰ পূৰ্বে ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰিবৰ বাবে কেন্দ্ৰীয় চৰকাৰক আয়োগে পৰামৰ্শ দান কৰিছিল।

আয়োগে সংবিধানৰ ২৬৩ অনুচ্ছেদৰ অধীনত আন্ত: ৰাজ্যিক পৰিষদ গঠনৰ ক্ষেত্ৰত বিশেষ পৰামৰ্শ আগবঢ়াইছিল।

এই সমূহ পৰামৰ্শৰ উপৰিও চাৰকাৰীয়া আয়োগে অভিযান্ত্ৰিক, চিকিৎসা, শিক্ষা, কৃষি আৰু উদ্যোগৰ ক্ষেত্ৰত নতুন সৰ্বভাৰতীয় সেৱা প্ৰবৰ্ত্তন, উচ্চ ন্যায়ালয়ৰ ন্যায়ধীশক কেৱল তেওঁলোকৰ সন্মতি সাপেক্ষেহে বদলি কৰা, আনাতাৰ আৰু দূৰদৰ্শনক অধিক স্বায়ত্বতা প্ৰদানৰ পৰামৰ্শ আগবঢ়াইছিল।

ওপৰৰ আলোচনাৰ পৰা আমি কব পাৰো যে চাৰকাৰীয়া আয়োগে কেন্দ্ৰ ৰাজ্যৰ সম্পৰ্ক উন্নীত কৰিবৰ বাবে যি পৰামৰ্শ আগবঢ়াইছিল তাৰ বেছি ভাগেই প্ৰচলিত ব্যৱস্থাকে বাহাল ৰখাৰ পোষকতা কৰিছিল। তাৰোপৰি আয়োগৰ প্ৰতিবেদনত উল্লেখ কৰাৰ পিছতো ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰৰ মুখ্যমন্ত্ৰীৰ সৈতে আলোচনা নকৰাকৈয়ে ৰাজ্যপালক নিযুক্তি দিয়াৰ বিষয়টোলৈ লক্ষ্য ৰাখি ইয়াকো কব পাৰি যে আয়োগৰ পৰামৰ্শৱলী কেন্দ্ৰীয় চৰকাৰে কাৰ্য্যকৰী কৰাত আগ্ৰহী বুলি ভাবিব নোৱাৰি। গতিকে অদূৰ ভৱিষ্যতে কেন্দ্ৰ-ৰাজ্যৰ মাজৰ সম্পৰ্ক স্বাভাবিক হ'ব বুলি আশা কৰিব নোৱাৰি। অৱশ্যে কেন্দ্ৰত সংযুক্ত চৰকাৰ গঠন হোৱাৰ পৰা কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্কত আমূল পৰিৱৰ্তন ঘটা দেখা গৈছে।

**২.৭ আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১) অৱশিষ্ট ক্ষমতা মানে কি?

----------------------------------------------------------------

----------------------------------------------------------------

২) সমবৰ্ত্তী সূচীৰ অন্তৰ্গত বিষয়সমূহৰ ওপৰত আইন প্ৰণয়নৰ কৰ্তৃত্ব কাৰ হাতত আছে?

----------------------------------------------------------------

----------------------------------------------------------------

৩)　পৰিকল্পনা আয়োগৰ সভাপতি কোন?

-----------------------------------------------------------

-----------------------------------------------------------

৪)　চাৰকাৰীয়া আয়োগ কোন চনত গঠন কৰা হৈছিল?

-----------------------------------------------------------

-----------------------------------------------------------

**২.৭　সামৰণি ঃ**

এই গোটত আমি কেন্দ্ৰ-ৰাজ্যৰ মাজৰ আইন প্ৰণয়ন সম্পৰ্ক, প্ৰশাসনিক সম্পৰ্ক আৰু বিত্তীয় সম্পৰ্কৰ বিষয়ে আলোচনা কৰিলো।

আমি জানিব পাৰিলো যে তিনিখন সূচী বা তালিকাৰ জৰিয়তে কেন্দ্ৰ-ৰাজ্যৰ মাজত ক্ষমতা সমূহ ভগাই দিয়া হয়।

কেন্দ্ৰীয় চৰকাৰে কেতবোৰ বিশেষ পৰিস্থিতিত ৰাজ্যিক সূচীৰ বিষয়ৰ ওপৰতো আইন প্ৰণয়ন কৰিব পাৰে।

কেন্দ্ৰ-ৰাজ্যৰ বিত্তীয় সম্বন্ধত সংসদে কেন্দ্ৰীয় চৰকাৰৰ আয়ৰ উৎস বৃদ্ধি কৰি ৰাজ্যসমূহক কেন্দ্ৰৰ ওপৰত বিত্তীয় দিশত নিৰ্ভৰতা বৃদ্ধি কৰিছে।

কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্ক উন্নীত কৰিবৰ অৰ্থে সংগঠিত ভাবে তামিলনাডু আৰু পশ্চিমবংগ চৰকাৰে কেন্দ্ৰৰ ওচৰত পৰামৰ্শ আগবঢ়াইছে। ৰাজ্যসমূহৰ দাবীৰ প্ৰতি সহাৰি জনাই কেন্দ্ৰই চাৰকাৰিয়া আয়োগ গঠন কৰিছিল আৰু আয়োগে কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্ক স্বাভাবিক কৰাৰ বাবে যদিও বিভিন্ন পৰামৰ্শ আগবঢ়াইছিল তথাপিও আয়োগৰ পৰামৰ্শৰলী বৰ্ত্তমানেও বহুলাংশে কাৰ্য্যকৰী হোৱা নাই।

**২.৮ ঘাই শব্দ ঃ**

ডি. এম. কে: তামিলনাডুৰ এটা আঞ্চলিক ৰাজনৈতিক দল। ইয়াৰ সম্পূৰ্ণ ৰূপ হ'ল দ্ৰাবিড় মুন্নেতা কাগ্‌জাম।

**২.৯ পাঠ্য নিৰ্দেশনা ঃ**

১) ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা:
ড০ কৃপেশ চন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক
অৰুণ প্ৰকাশন, কলেজ হোষ্টেল ৰ'ড
গুৱাহাটী - ২০১০

২) ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি
ড০ থানেশ্বৰ লাহন
ষ্টোডেন্টচ্ এম্পৰিয়াম, ডিব্ৰুগড় -২০০৪

৩) Indian Government and Politics
A.S. Narang
Gitanjali Publishing House
New Delhi 1997.

**আত্মমূল্যায়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ ঃ**

১) অৱশিষ্ট ক্ষমতা মানে হ'ল ক্ষমতা বিভাজনৰ তিনিখন সুচীত অন্তৰ্ভূক্ত নোহোৱা বিষয়সমূহ।

২) সমবৰ্ত্তী সুচীৰ অন্তৰ্গত বিষয়সমূহৰ ওপৰত আইন প্ৰণয়নৰ কৰ্তৃত্ব কেন্দ্ৰ- ৰাজ্য উভয়ৰে আছে।

৩) ভাৰতৰ প্ৰধানমন্ত্ৰী হ'ল পৰিকল্পনা আয়োগৰ সভাপতি।

৪) চাৰকাৰীয়া আয়োগ ১৯৮৩ চনত গঠন কৰা হৈছিল।

**প্ৰসংগ পুথি ঃ**

১) লাহন, ড০. থানেশ্বৰ, ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি. ষ্টুডেন্টচ এম্পৰিয়াম প্ৰথম প্ৰকাশ, ২০১২

২) Avasthi, A.P. Indian Government and Politics,
Lakshmi Narayan Publishing, Agra 2007.

৩) Narang, A.S. Indian Government and Politics,
Gitanjali Publishing House, New Delhi 1997.

**আৰ্হি প্ৰশ্ন ঃ**

১) ভাৰতৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত আইন প্ৰণয়ন সম্পৰ্কে আলোচনা কৰা।

২) ভাৰতৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত প্ৰশাসনিক সম্পৰ্ক আলোচনা কৰা।

৩) ভাৰতৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত বিত্তীয় সম্পৰ্ক আলোচনা কৰা।

৪) ভাৰতৰ কেন্দ্ৰ-ৰাজ্যৰ সম্পৰ্কৰ বিষয়ে চাৰকাৰীয়া আয়োগৰ পৰামৰ্শৱলী বহলাই আলোচনা কৰা।

# গোট - ৩
# (Unit - 3)

## কেন্দ্ৰ-ৰাজ্য সংঘাত

গঠন বিন্যাস ঃ

৩.০ উদ্দেশ্য
৩.১ প্ৰস্তাৱনা
৩.২ কেন্দ্ৰ-ৰাজ্য সংঘাতৰ মুখ্য কাৰণসমূহ
আত্মমূল্যায়নৰ প্ৰশ্ন
৩.৩ কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ ক্ষেত্ৰত বিভিন্ন আয়োগৰ পৰামৰ্শাৱলী
৩.৩.১ চাৰকাৰিয়া আয়োগৰ পৰামৰ্শাৱলী
৩.৩.২ পুনজি আয়োগৰ পৰামৰ্শাৱলী
আত্মমূল্যায়নৰ প্ৰশ্ন
৩.৪ সাৰাংশ
ঘাই শব্দসমূহ
পাঠ্য নিৰ্দেশনা
সম্ভাৱ্য উত্তৰ
আৰ্হি প্ৰশ্ন

## ৩.০ উদ্দেশ্য ঃ

- এই গোটটো অধ্যয়ন কৰিলে তুমি কেন্দ্ৰ-ৰাজ্য বিবাদ সম্পৰ্কে ধাৰণা লাভ কৰিবা।
- কেন্দ্ৰ-ৰাজ্য বিবাদৰ কাৰণসমূহ চিনাক্ত কৰিব পাৰিবা।
- কেন্দ্ৰ-ৰাজ্য বিবাদ সমাধানৰ উপায়সমূহৰ বিষয়ে জানিব পাৰিবা।
- কেন্দ্ৰ-ৰাজ্য বিবাদ সমাধানৰ অৰ্থে গঠিত হোৱা দুটা উল্লেখযোগ্য আয়োগৰ পৰামৰ্শাৱলীৰ বিশ্লেষণ কৰিব পাৰিবা।

## ৩.১ প্ৰস্তাৱনা ঃ

আমি জানো যে, প্ৰকৃত যুক্তৰাষ্ট্ৰ এখনত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ সমূহৰ মাজত ক্ষমতাৰ ভাৰসাম্য ৰক্ষা কৰা হয়। যদিও ভাৰতবৰ্ষৰ সংবিধান প্ৰণেতাসকলে, তিনিখন তালিকাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰসমূহৰ মাজত ক্ষমতা বিভাজন কৰিছে আৰু সংঘাতৰ সম্ভাৱনীয়তা দূৰ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে কিন্তু এই ক্ষেত্ৰত সফলতা লাভ কৰিব পৰা নাই। ইয়াৰ ফলস্বৰূপে কেন্দ্ৰ-ৰাজ্য সংঘাতে যথেষ্ট চৰ্চা লাভ কৰিছে। ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰবাদৰ অন্যতম এক বৈশিষ্ট্য হ'ল - বিধায়িনী, প্ৰশাসনিক আৰু বিত্তীয় বিষয়সমূহত কেন্দ্ৰ চৰকাৰৰ আধিপত্য। কেন্দ্ৰই বিভিন্ন কৌশল অৱলম্বন কৰাৰ জৰিয়তে ৰাজ্য চৰকাৰৰ প্ৰশাসনত হস্তক্ষেপ কৰে আৰু ৰাজ্যসমূহ কেন্দ্ৰৰ ওপৰত নিৰ্ভৰশীল হৈ চলিবলগীয়া হয়। কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সময়ত নিয়ন্ত্ৰণমূলক নীতি গ্ৰহণ কৰাৰ ফলত ভাৰতীয় যুক্তৰাষ্ট্ৰবাদৰ ক্ষেত্ৰত বিবাদ (Conflict) আৰু সংঘাত (Confrontration)ৰ সৃষ্টি হৈছে। এনে এক পৰিস্থিতিয়ে কেন্দ্ৰ-ৰাজ্য সমমৰ্য্যদাৰ ধাৰণাক সম্পূৰ্ণৰূপে নস্যাৎ কৰিছে।

## ৩.২ কেন্দ্ৰ-ৰাজ্য সংঘাতৰ মুখ্য কাৰণসমূহ ঃ

কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ ক্ষেত্ৰত দেখা দিয়া এনে অসমতাৰ প্ৰতি স্পষ্ট অসন্তুষ্টি প্ৰকাশ কৰি ভাৰতবৰ্ষৰ ৰাজ্যসমূহে অধিক ক্ষমতা, স্বতন্ত্ৰতা তথা স্বায়ত্ব শাসনৰ দাবী কৰি আহিছে। উল্লেখযোগ্য যে ১৯৬৭ চন পৰ্য্যন্ত কেন্দ্ৰ ৰাজ্য সংঘাতৰ বিষয়টোৱে বিশেষ চৰ্চা লাভ কৰা নাছিল। চতুৰ্থ সাধাৰণ নিৰ্বাচন পৰ্য্যন্ত, ১৯৬৭ চনলৈকে ভাৰতবৰ্ষৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহত কংগ্ৰেছৰ একক ৰাজত্ব আছিল (Era of Congress Party) আৰু সেয়েহে কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজৰ সম্পৰ্ক মসৃণ আছিল। ১৯৬৭ চনৰ পিছত বহুকেইখন ৰাজ্যত অ-কংগ্ৰেছী চৰকাৰ গঠন হয় আৰু ইয়াৰ লগে লগে মৰ্চা চৰকাৰৰ ধাৰণাইও বিকাশ লাভ কৰে। ফলস্বৰূপে ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰবাদৰ ক্ষেত্ৰত নতুন প্ৰৱণতাৰ সৃষ্টি হোৱাৰ উপৰিও কেন্দ্ৰ-ৰাজ্য সংঘাত ক্ৰমাৎ তীব্ৰতৰ হবলৈ ধৰে। কেন্দ্ৰ-ৰাজ্য সংঘাতৰ মূখ্যকাৰণসমূহ হৈছে ঃ

**(১) সংবিধান সংশোধনীসমূহৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা বৃদ্ধি (Increase in the power of the union through constitutional amendments)ঃ**

ভাৰতবৰ্ষৰ কেন্দ্ৰ-ৰাজ্য সংঘাতৰ অন্যতম এক কাৰণ হৈছে বিভিন্ন সময়ত গ্ৰহণ কৰা সংবিধান সংশোধনীসমূহৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা বৃদ্ধি কৰা কাৰ্য্য। এনে সংবিধান সংশোধনীসমূহে কেন্দ্ৰীয়কৰণ প্ৰৱণতাৰ স্পষ্ট ইংগিত বহন কৰে। স্বাধীনতাৰ পিছতে ১৯৫৪ চনৰ সংবিধানৰ তৃতীয় সংশোধনীৰ জৰিয়তে সংমৱৰ্তী সূচীৰ ৩৩ নং বিষয় কেন্দ্ৰীয় সূচীলৈ হস্তান্তৰ কৰাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে উৎপাদন, বিতৰণ আৰু সামগ্ৰীৰ মূল্য নিৰ্ধাৰণৰ ক্ষমতা লাভ কৰে। ১৯৫৬ চনৰ ষষ্ঠ সংশোধনীৰ দ্বাৰা ৯-এ ধাৰা কেন্দ্ৰীয় সূচীত অন্তৰ্ভূক্ত কৰি বিক্ৰী কৰ (Sales Tax)ৰ ক্ষেত্ৰত ৰাজ্যিক বিধানমণ্ডলৰ ক্ষমতা হ্ৰাস কৰা হয়। একে বছৰতে গ্ৰহণ কৰা সপ্তম সংশোধনীৰ দ্বাৰা সংবিধানত ৩৫০-এ ধাৰা সংলগ্ন কৰা হয় যাৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে ভাষিক সংখ্যালঘুসকলৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ ক্ষমতা আহৰণ কৰে। সপ্তম সংশোধনীয়ে ৰাজ্যিক সূচীত থকা উদ্যোগখণ্ড (Industries)ক কেন্দ্ৰীয় বিষয় হিচাপে অন্তৰ্ভুক্ত কৰে। তদুপৰি সংবিধানৰ ৪২তম সংশোধনীয়ে (১৯৭৬ চন) ব্যাপক সালসলনিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰৰ আধিপত্যক শক্তিশালী ৰূপত প্ৰতিষ্ঠা কৰে। এই সংশোধনীয়ে ৰাজ্যিক সূচীৰ সালসলনি কৰি শিক্ষা, জোখ-মাপ (Weights and measures), বননি আৰু বন্যজীৱন সুৰক্ষা (Forest and protection of wildlife), ন্যায় প্ৰশাসন (Administration of justice excluding Supreme court and high court) ইত্যাদি বিষয় সমৱৰ্তী সূচীলৈ হস্তান্তৰ কৰে। ৪২তম সংশোধনীয়ে সংবিধানত ২৫৭(ক) নামেৰে নতুনকৈ এক অনুচ্ছেদ অন্তৰ্ভূক্ত কৰি ৰাজ্যসমূহত আইন শৃংখলা পৰিস্থিতিৰ অৱনতি হোৱাৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনী নিয়োগৰ কৰ্তৃত্ব কেন্দ্ৰীয় চৰকাৰক প্ৰদান কৰে।

**(২) উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা ৰায়ৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা বৃদ্ধি (Increase in the power of the union through Judicial Judgement)ঃ**

তোমালোক জানা যে, ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ে সাংবিধানিক ৰক্ষাকৰ্তা হিচাপে স্বাধীন আৰু নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰে। কিন্তু, উচ্চতম ন্যায়ালয়ে প্ৰদান কৰা কিছুমান নিৰ্দেশে কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা বৃদ্ধিৰ ক্ষেত্ৰত পৰোক্ষভাবে ইন্ধন যোগাইছে। উদাহৰণস্বৰূপে, কেন্দ্ৰীয় চৰকাৰক ৰাজ্যসমূহত উৎপাদিত সামগ্ৰীৰ ওপৰত কৰ অৰোপ কৰিবলৈ অনুমতি প্ৰদান কৰাৰ জৰিয়তে উচ্চতম ন্যায়ালয়ে ইয়াৰ ক্ষমতা বৃদ্ধিত অৰিহণা যোগাইছে। কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা বৃদ্ধি কৰা অন্য কেইটামান আইনী নিৰ্দেশ হৈছে - Andhra Pradesh Road Transport Corporation Vs Income Tax Officer, Hyderabad, Gujrat University Vs Krishan Ronganath Mudholkar ইত্যাদি।

**(৩) ৰাজ্যপালৰ বৈষম্যমূলক ভূমিকা (Discriminatory Role of the Government) ঃ**

সংবিধান মতে ৰাজ্যপালে কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি আৰু ৰাজ্যৰ সংবিধানিক মুৰব্বী হিচাপে দ্বৈত ভূমিকা পালন কৰিব। ৰাজপালে নিজ কাৰ্য্য পালন কৰোতে দায়িত্বশীল আৰু নিৰপেক্ষ ভূমিকা পালন কৰিব বুলি আশা কৰা হয় যদিও ৰাষ্ট্ৰপতিৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি হিচাপে নিযুক্তি লাভ কৰা কাৰ্য্যই ৰাজ্যপালৰ পদবীক সন্দেহৰ আৱৰ্তলৈ আনে। বিশেষকৈ ১৯৬৭ চনৰ পিছৰ পৰিৱৰ্ত্তিত ৰাজনৈতিক পৰিস্থিতিত গ্ৰহণ কৰা ভূমিকাই ৰাজ্যসমূহৰ এনে সন্দেহ অধীক ঘনীভূত কৰিছে। আমি জানো যে, ৰাজ্যপালৰ পদবী এক সাংবিধানিক পদবী (Costitutional Office) অৰ্থাৎ ৰাজ্যৰ জনসাধাৰণৰ ভোটৰ আধাৰত তেওঁ নিযুক্তি লাভ নকৰে। সেয়েহে, ৰাজ্যৰ ৰাজনৈতিক আৰু প্ৰশাসনিক ক্ষেত্ৰত হস্তক্ষেপ কৰাৰ নৈতিক অধিকাৰ ৰাজ্যপালৰ নাই বুলি বহুতে ক'ব খোজে। কিন্তু ১৯৬৭ চনৰ পৰিবৰ্তিত ৰাজনৈতিক প্ৰেক্ষাপটৰ পৰিপ্ৰেক্ষিতত বহুকেইজন ৰাজ্যপালে নিৰপেক্ষ নীতি পৰিহাৰ কৰি ৰাজ্যসমূহতত অকংগ্ৰেছী চৰকাৰ ভংগ কৰাৰ অভিযোগ পোৱা যায়। ১৯৫৭ চনৰ কেৰেলাৰ বিধানসভা নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠ দলৰূপে পৰিগণিত চি.পি.এম দলৰ নেতা ই এম এচ নাম্বুৰিপাদৰ পৰিবৰ্তে কংগ্ৰেছ দলৰ নেতা কৰুণাকৰক চৰকাৰ গঠনৰ বাবে ৰাজ্যপালে আহ্বান জনোৱা কাৰ্য্য। জম্মু-কাশ্মীৰৰ ৰাজ্যপাল জগমোহন(১৯৮৮), অন্ধপ্ৰদেশৰ ৰাজ্যপাল ৰামলাল(১৯৮৪), উত্তৰ প্ৰদেশৰ ৰাজ্যপাল ৰমেশ ভাণ্ডাৰী হৰিয়ানাৰ ৰাজ্যপাল জি. ডি. তাপাসী(১৯৮২), বিহাৰৰ ৰাজ্যপাল গোবিন্দ নাৰায়ন(১৯৮৮) ইত্যাদি হৈছে ৰাজ্যপালৰ পক্ষপাতিত্বমূলক আচৰণৰ উদাহৰণ।

**(৪) আৰ্থিক ক্ষেত্ৰত কেন্দ্ৰ-ৰাজ্যৰ ক্ষমতাৰ অসমতা (Inequality in the Share of revenue roesources of the Center and the States)ঃ**

তোমালোকে কেন্দ্ৰ -ৰাজ্য বিত্তীয় সম্পৰ্ক অধ্যয়ন কৰিলে দেখা পাবা যে সংবিধানে কেন্দ্ৰীয় চৰকাৰক আৰ্থিক ক্ষেত্ৰত ক্ষমতাশালী কৰাৰ বিপৰীতে ৰাজ্যসমূহক দুৰ্বল স্থান প্ৰদান কৰিছে। কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় সূচীৰ বিষয়সমূহৰ উপৰিও ৰাজ্যিক সূচীভূক্ত বিষয়সমূহৰ ওপৰতো কৰ আৰোপ, সংগ্ৰহ আৰু উপভোগ কৰিব পাৰে। তদুপৰি কেন্দ্ৰ চৰকাৰে বিত্তীয় আয়োগ (Finance commission), পৰিকল্পনা আয়োগ (Planning Commission), মহালেখা আৰু নিয়ন্ত্ৰক (Comptroller & Auditor General) ইত্যাদিৰ জৰিয়তেও ৰাজ্যসমূহৰ ওপৰত আৰ্থিক নিয়ন্ত্ৰণ সাব্যস্ত কৰিব পাৰে। বহুক্ষেত্ৰত ৰাজ্য চৰকাৰসমূহ কেন্দ্ৰৰ ওচৰত আৰ্থিক অনুদানৰ বাবে নিৰ্ভৰশীল হ'বলগীয়া কাৰ্য্যই

ৰাজ্যসমূহৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰি আহিছে। তদুপৰি কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহৰ মাজত ৰাজহ আৰু পুঁজিৰ আৱন্টন দিয়াৰ ক্ষেত্ৰতো পক্ষপাতিত্বমূলক আচৰণ প্ৰদৰ্শন কৰে। ৰাজ্যসমূহৰ চৰকাৰ যদি কেন্দ্ৰৰ শাসনাধিষ্ঠ দলৰ দ্বাৰা গঠিত নহয়, তেন্তে কেন্দ্ৰই এনে চৰকাৰক পুঁজিৰ আৱন্টন দিয়াৰ ক্ষেত্ৰত 'মাহী আইৰ আচৰণ (Step motherly Attitude) প্ৰদৰ্শন কৰে বুলি অভিযোগ পোৱা যায়।

**(৫) সংবিধানৰ ৩৫৬ নং অনুচ্ছেদ অপব্যৱহাৰক লৈ সৃষ্টি হোৱা সংঘাত (Conflict over the misuse of Article 356 of the Constitution)ঃ**

সংবিধানৰ ৩৫৬নং অনুচ্ছেদ মতে সাংবিধানিক অচলাৱস্থাৰ প্ৰৰিপ্ৰেক্ষিতত এক বা ততোধিক ৰাজ্যত ৰাষ্ট্ৰপতিয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিব পাৰে। যদি ৰাজ্যপালৰ প্ৰতিবেদনত ভিত্তিত ৰাষ্ট্ৰপতি এই কথাত পতিয়ন যায় যে কোনো এখন ৰাজ্যত আইন- শৃংখলা পৰিস্থিতিৰ অৱনতি ঘটাৰ ফলত সাংবিধানিক অচলাৱস্থাই দেখা দিছে, তেন্তে তেওঁ ৩৫৬ নং অনুচ্ছেদ আধাৰত জৰুৰীকালীন ক্ষমতা প্ৰয়োগ কৰিব পাৰে। জৰুৰী অৱস্থাৰ ঘোষণাৰ লগে লগে ৰাজ্যিক বিধানসভাৰ পতন ঘটে আৰু চৰকাৰ ভংগ হয়। ফলস্বৰূপে, ৰাজ্যৰ প্ৰশাসনৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ হাতলৈ যায়। ভাৰতবৰ্ষৰ ৰাজনৈতিক ইতিহাসত ক্ষমতাত অধিষ্ঠিত কেন্দ্ৰীয় চৰকাৰে ৰাষ্ট্ৰপতিক প্ৰভাৱান্বিত কৰাৰ জৰিয়তে ৰাজ্যসমূহৰ বিৰোধীদলৰ চৰকাৰ ভংগ কৰাৰ বহুকেইটা উদাহৰণ পোৱা যায়। উল্লেখযোগ্য যে, ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় গণতান্ত্ৰিক ব্যৱস্থাত বৰ্তমানলৈকে ৯৬ বাৰতকৈ অধিক বাৰ ৩৫৬ নং অনুচ্ছেদৰ প্ৰয়োগ ঘটিছে আৰু সেয়েহে এনে প্ৰয়োগৰ সাংবিধানিক বৈধতাক লৈও প্ৰশ্ন উত্থাপিত হৈছে।

**(৬) দলীয় ৰাজনীতি আৰু ৰাজ্যসমূহৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ বৈষম্যমূলক ব্যৱহাৰ (Discriminatrory behaviour towards the States under the impact of Party System) ঃ**

ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰবাদক প্ৰভাৱান্বিত কৰা অন্যতম এক কাৰক হৈছে ভাৰতবৰ্ষৰ দলীয় ব্যৱস্থা। দলীয় ৰাজনীতিৰ দ্বাৰা পৰিচালিত হৈ ৰাজ্যত গঠিত বিৰোধী দলৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰে কৰা পক্ষপাতমূলক আচৰণে বহুসময়ত উত্তেজনাৰ সৃষ্টি কৰি আহিছে। বিশেষকৈ ১৯৬৭ চনৰ পিছত বিভিন্ন ৰাজ্যৰ আঞ্চলিক ৰাজনৈতিক দলসমূহে চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছে আৰু এনে চৰকাৰসমহূৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে বৈষম্যমূলক নীতি গ্ৰহণ কৰাৰ অভিযোগ পোৱা যায়। কেন্দ্ৰীয় চৰকাৰে এই ক্ষেত্ৰত পৰিকল্পনা আয়োগ (Planning Commission) আৰু বিত্তীয় আয়োগ (Finance Commission)ৰ দৰে অভিকৰণৰ মাধ্যমত বৈষম্যমূলক কৌশল প্ৰয়োগ কৰি আহিছে

বুলি ৰাজ্যসমূহে অভিযোগ উত্থাপন কৰিছে। এই দুই অভিকৰণৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা অসমান পুঁজি আৰু সহায়ক অনুদানক লৈ ৰাজ্য চৰকাৰ সমূহে অসন্তুষ্টি প্ৰকাশ কৰিছে। তদুপৰি উন্নয়ন আৰু উদ্যোগীকৰণৰ ক্ষেত্ৰতো দাক্ষিণাত্যৰ ৰাজ্য, উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্য আৰু পাঞ্জাব, হৰিয়ানা, হিমাচল প্ৰদেশ, জম্মু আৰু কাশ্মীৰৰ দৰে ৰাজ্যসমূহৰ প্ৰতি কেন্দ্ৰই অৱজ্ঞামূলক নীতি গ্ৰহণ কৰি আহিছে বুলি উপৰোক্ত ৰাজ্যসমূহে অভিযোগ তুলিছে। তামিলনাডু চৰকাৰে ১৯৬৭আৰু ১৯৭৫ চনৰ অপৰ্য্যাপ্ত পৰিমাণৰ খাদ্য যোগান পোৱাকে ধৰি অন্য কেইবাটাও অভিযোগ তুলিছিল। একেদৰে পশ্চিমবংগৰ বাঁওপন্থী চৰকাৰে (Food for work) আঁচনিৰ আধাৰত পৰ্য্যাপ্ত পৰিমানৰ খাদ্য-শস্য যোগান ধৰাৰ ক্ষেত্ৰত কেন্দ্ৰৰ বৈষম্যমূলক আচৰণৰ বিৰোধীতা কৰিছিল।

**(৭) সৰ্বভাৰতীয় সেৱা (All India Services) ঃ**

কেন্দ্ৰ-ৰাজ্যৰ সংঘাতৰ অন্য এক কাৰণ হ'ল সৰ্বভাৰতীয় সেৱাক লৈ সৃষ্টি হোৱা বিতৰ্ক। সকলোবোৰ উচ্চশ্ৰেণীৰ পদবী (GradeA Services)ৰ প্ৰবেশনৰ দায়িত্ব কেন্দ্ৰীয় লোকসেৱা আয়োগৰ (UPSC) ওপৰত ন্যস্ত কৰা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ এই সংস্থাৰ দ্বাৰা নিৰ্বাচিত IAS, IPS বিষয়াসকলো ৰাজ্যসমূহত নিযুক্তি লাভ কৰে আৰু কেন্দ্ৰীয় চৰকাৰে ইয়াৰ সিদ্ধান্ত বিলাক ৰাজ্যবিলাকত কাৰ্য্যকৰী কৰিবৰ বাবে বিষয়াসকলক যাৱতীয় নিৰ্দেশনা প্ৰদান কৰে। কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা এনে নিৰ্দেশাৱলী ৰাজ্যিক স্বাৰ্থৰ পৰিপন্থী হলেও, এই বিলাক প্ৰশাসনীয় বিষয়াসকলে ৰূপায়ণ কৰিবলগীয়া হয়। ১৯৮৬ চনত কেৰেলা চৰকাৰে অপৰিহাৰ্য্য সেৱাসমূহৰ অধ্যাদেশ (Essential Services Ordinance) ৰূপায়ণ কৰিবলৈ অমান্তি হোৱাত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যত নিয়োজিত কেবিনেট সচিব, আৰক্ষী মহাপৰিদৰ্শক (IG) আৰু কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনী (CRPF)ৰ জৰিয়তে এই অধ্যাদেশ ৰূপায়ন কৰে। হিন্দী বিৰোধী আন্দোলনৰ সময়ছোৱাত তামিলনাডুত সংঘটিত হিন্দী বিৰোধী অভিযানত জড়িত লোকসকলৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰে IAS আৰু IPS বিষয়া সকলৰ জৰিয়তে যথোচিত ব্যৱস্থা গ্ৰহণ কৰিছিল।

**(৮) ৰাজ্যসমূহলৈ কেন্দ্ৰৰ অৰ্ধ সামৰিক বাহিনী প্ৰেৰণ (Deployment of Central Paramilitary Forces to State) ঃ**

ভাৰতবৰ্ষৰ ৰাজ্যসমূহে অভিযোগ কৰি আহিছে যে কেন্দ্ৰই অৰ্ধসামৰিক বাহিনীৰ নিয়োগৰ জৰিয়তে ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতিত সঘনাই হস্তক্ষেপ কৰে। কেন্দ্ৰ চৰকাৰে সীমা সুৰক্ষা বল (BSF), কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনী (CRPF) আৰু উদ্যোগিক সুৰক্ষা বাহিনী (ISF) আদিৰ নিয়োগৰ জৰিয়তে ৰাজ্যসমূহৰ সন্মতি

অবিহনেও, সংশ্লিষ্ট ৰাজ্যৰ আইন-শৃংখলা পৰিস্থিতিত নিয়ন্ত্ৰণ সাব্যস্ত কৰে। এইক্ষেত্ৰত বিশেষকৈ কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ প্ৰয়োগক লৈ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত সঘনাই সংঘাতে দেখা দিয়ে। কেন্দ্ৰই ৰাজ্য চৰকাৰৰ অনুমতি অবিহনে সামৰিক বাহিনী নিয়োগ কৰা কাৰ্য্যক কেৰেলা, পশ্চিম বংগ আদি ৰাজ্যই বিৰোধীতা কৰিছে।

**(৯) আন্তঃৰাজ্যিক বিবাদ আৰু কেন্দ্ৰৰ ভূমিকা (Inter-State disputes and the role of Central Government) ঃ**

আন্তঃৰাজ্যিক বিবাদসমূহৰ সমাধানৰ বাবে এক শক্তিশালী স্থিতি গ্ৰহণ কৰাৰ ক্ষেত্ৰত কেন্দ্ৰৰ অপাৰগতাকো ৰাজ্যসমূহে চোকা ভাষাৰে সমালোচনা কৰিছে। পঞ্জাৱ আৰু হাৰিয়ানাৰ মাজত চণ্ডীগড়ক কেন্দ্ৰ কৰি চলি থকা বিবাদ, কৰ্ণাটক আৰু তামিলনাডুৰ মাজত কাৱেৰী জলবিবাদ, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশৰ মাজত নৰ্মদা নদীকেন্দ্ৰীক বিবাদ, পঞ্জাৱ, ৰাজস্থান আৰু হাৰিয়ানাৰ মাজৰ সূতলুজ-যমুনা একত্ৰীকৰণক (Sutluj -Yamuna Link) কেন্দ্ৰ কৰি উদ্ভৱ হোৱা বিবাদ ইত্যাদিৰ ফলপ্ৰসু সমাধান নোহোৱাক কেন্দ্ৰ কৰি কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সঘনাই বিবাদে দেখা দিছে। উল্লেখযোগ্য যে, সংবিধানৰ ২৬২ নং অনুচ্ছেদ মতে নদী আৰু নদী উপত্যকাক লৈ সৃষ্টি হোৱা বিবাদসমূহৰ সমাধানৰ দায়িত্ব কেন্দ্ৰীয় চৰকাৰৰ হাতত ন্যস্ত কৰা হৈছে।

**(১০) গণমাধ্যমক প্ৰভাৱান্বিত কৰাক লৈ সৃষ্টি হোৱা সংঘাত (Conflict over the misuse of mass-media) ঃ**

গণ মাধ্যম বা সংবাদ মাধ্যমক গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে আখ্যা দিয়া হয়। গণ মাধ্যমৰ ভিতৰত অনাঁতাৰ (Radio) বা শ্ৰাব্য, দৃশ্য-শ্ৰাব্য (Audio-Visual) তথা ছপা মাধ্যমক (Print Media) ক ধৰা হয়। উল্লেখযোগ্য যে অনাতাঁৰ আৰু দূৰদৰ্শন, এই দুই শক্তিশালী গণমাধ্যমৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে যথেষ্ট নিয়ন্ত্ৰণ সাব্যস্ত কৰে। কেন্দ্ৰ চৰকাৰে নিজ আদৰ্শ তথা আঁচনিসমূহ প্ৰচাৰ কৰাৰ বাবে অথবা এইবিলাকৰ সপক্ষে জনসাধাৰণৰ সমৰ্থন আদায় কৰাৰ উদ্দেশ্যে গণমাধ্যমসমূহৰ ব্যৱহাৰ কৰিব পাৰে। তদুপৰি ৰাজ্যসমূহত শাসনাধিষ্ঠ বিৰোধী দলসমূহক সমালোচনা কৰাৰ বাবেও গণমাধ্যমক ব্যৱহাৰ কৰাৰ উদাহৰণ আছে। কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশ মতে ৰাজ্যৰ প্ৰচাৰ ভাৰতী কেন্দ্ৰই পক্ষপাতমূলক ব্যৱহাৰ কৰাৰ অভিযোগ পোৱা যায়। উল্লেখযোগ্য যে ১৯৮৩ চনত অন্ধ্ৰপ্ৰদেশৰ তদানীন্তন মূখ্যমন্ত্ৰী N. T. Ramarao ক All India Radio, Hyderabad য়ে ভাষণ প্ৰদানৰ অনুমতি প্ৰদান কৰা নাছিল। গতিকে দেখা যায় যে গণমাধ্যমৰ প্ৰয়োগক লৈও কেন্দ্ৰ চৰকাৰ আৰু ৰাজ্যসমূহৰ মাজত সংঘাতৰ সৃষ্টি হৈছে।

অৱশ্যে, এই ক্ষেত্ৰত উল্লেখযোগ্য যে ব্যক্তিগত খণ্ডৰ দৃশ্য-শ্ৰাব্য মাধ্যম, ইন্টাৰনেট ইত্যাদিৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে কঠোৰ নিয়ন্ত্ৰণ সাব্যস্ত কৰিব নোৱাৰে।

**(১১) অধিক স্বতন্ত্ৰতা দাবী (Demand for greater State Autonomy) ঃ**

১৯৬৭ চনৰ চতুৰ্থ সাধাৰণ নিৰ্বাচনৰ পিছৰে পৰা ভাৰতবৰ্ষৰ ৰাজনৈতিক প্ৰেক্ষাপটৰ সলনি হয় আৰু সৰ্বভাৰতীয় ৰাজনীতিৰ ক্ষেত্ৰত কিছুমান নতুন সমীকৰণ তথা প্ৰকৃতি সংযোজিত হয়। এই সময়ত দলীয় ৰাজনীতি (Party Politics) ৰ প্ৰৱণতা শক্তিশালী হয় তথা মৰ্চা চৰকাৰ (Coalition government), দল বিভাজন (Split in party), দল বাগৰা ৰাজনীতি (Defection politics) বিৰোধী দলৰ দ্বাৰা গঠিত ৰাজ্য চৰকাৰৰ সমূহীয়া ভংগকৰণ (Wholesale dessolution of State Assemblies) ইত্যাদিৰ দৰে প্ৰৱণতাই গা কৰি উঠে। এই সকলোবোৰৰ ফলাফল স্বৰূপে কেন্দ্ৰ - ৰাজ্য সম্পৰ্কৰ ক্ষেত্ৰত অধিক অৱনতিয়ে দেখা দিয়ে। কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীকৰণৰ প্ৰৱণতা (Centralising tendency)ৰ দ্বাৰা পৰিচালিত হোৱাৰ বিপক্ষে ৰাজ্যসমূহে অধিক স্বতন্ত্ৰতা (Greater autonomy)ৰ দাবী উত্থাপন কৰে। পশ্চিমবংগ, জম্মু-কাশ্মীৰ, পাঞ্জাব, মহাৰাষ্ট্ৰ, কেৰেলা ইত্যাদি ৰাজ্যই কেন্দ্ৰৰ 'অকৰ্তৃত্বশীল ভূমিকা' (Anti-Authoritative role)ৰ সমালোচনা কৰি অধিক স্বতন্ত্ৰতাৰ বাবে শক্তিশালী যুক্তি প্ৰদৰ্শন কৰে।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

(ক) ভাৰতবৰ্ষৰ সংবিধানে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজৰ ক্ষমতা কেইটা অনুসূচীৰ জৰিয়তে বিভাজন কৰিছে?

----------------------------------------------------------------

----------------------------------------------------------------

(খ) ভাৰতবৰ্ষৰ চতুৰ্থ সাধাৰণ নিৰ্বাচন কেতিয়া অনুষ্ঠিত হৈছিল?

----------------------------------------------------------------

----------------------------------------------------------------

(গ) সংবিধানৰ কোনটো অনুচ্ছেদ মতে ৰাজ্যিক জৰুৰীকালিন অৱস্থা ঘোষণা কৰিব পাৰি ?

----------------------------------------------------------------

----------------------------------------------------------------

(ঘ) কেন্দ্ৰ চৰকাৰৰ পৰা অধিক স্বতন্ত্ৰতাৰ দাবী উত্থাপন কৰা যি কোনো দুখন ৰাজ্যৰ নাম লিখা।

-----------------------------------------------------------------

-----------------------------------------------------------------

(ঙ) কেন্দ্ৰ ৰাজ্য সংঘাতৰ যিকোনো তিনিটা কাৰণ উল্লেখ কৰা।

-----------------------------------------------------------------

-----------------------------------------------------------------

**৩.৩ কেন্দ্ৰ সম্পৰ্কৰ ক্ষেত্ৰত বিভিন্ন আয়োগৰ পৰামৰ্শাৱলী (Recommendation of different Commissions for improving Centre State Relations)ঃ**

কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ উন্নতি সাধন কৰি ভাৰতবৰ্ষত এক সুস্থিৰ তথা প্ৰকৃতাৰ্থত গণতান্ত্ৰিক যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা প্ৰতিষ্ঠাৰ বাবে বিভিন্ন আয়োগে বিভিন্ন পৰামৰ্শ দাঙি ধৰিছে। এই ক্ষেত্ৰত ৰাজ্যচৰকাৰ আৰু কেন্দ্ৰ, এই দুয়োপক্ষই সময়ে-সময়ে কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ পুনৰীক্ষণৰ বাবে কিছুমান আয়োগৰ নিযুক্তি দিছে। ৰাজ্যচৰকাৰসমূহে গ্ৰহণ কৰা পদক্ষেপৰ ভিতৰত উল্লেখযোগ্য হ'ল - ১৯৭০ চনত তামিলনাডু চৰকাৰে গঠন কৰা ৰাজামান্নাৰ সমিতি (Rajamannar Committee, 1970), ১৯৭৭ চনৰ পশ্চিমবংগ চৰকাৰৰ স্মাৰকপত্ৰ (West Bengal Memorendum, 1977) ১৯৭৩ চনত পঞ্জাবৰ অকালি দলে গ্ৰহণ কৰা আনন্দপুৰ চাহিব প্ৰস্তাৱ (Anandpur Saheb Resolution 1973) ইত্যাদি। এনে সমিতি তথা প্ৰস্তাবৰ জৰিয়তে বিভিন্ন পৰামৰ্শ প্ৰদান কৰা হৈছিল যদিও সৰ্বভাৰতীয় ভিত্তিত এনে পৰামৰ্শাৱলী গ্ৰহণযোগ্য হিচাপে বিবেচিত হোৱা নাই।

**৩.৩.১ চাৰকাৰিয়া আয়োগৰ পৰামৰ্শৱলী (Recommendation of the Sarkaria Commission)ঃ**

কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ পুনৰীক্ষণৰ বাবে ৰাজ্যসমূহে বৰ্ধিত হাৰত জনাই অহা দাবীৰ প্ৰতি লক্ষ্য ৰাখি ১৯৮৩ চনৰ ২৪ মাৰ্চ তাৰিখে সেইসময়ৰ ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী ইন্দিৰাগান্ধীয়ে উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ R.S. Sarkaria ৰ নেতৃত্বত এক আয়োগৰ নিযুক্তি দিয়ে। এই আয়োগক নিযুক্তি প্ৰদান কৰি দিয়া বক্তব্যত

প্ৰধানমন্ত্ৰীয়ে কয় যে, আয়োগৰ মুখ্য কাৰ্য্য হ'ব ভাৰতবৰ্ষৰ সামাজিক আৰু অৰ্থনৈতিক পৰিবৰ্তনৰ পৰিপ্ৰেক্ষিতত প্ৰচলিত কেন্দ্ৰ- ৰাজ্য সম্পৰ্কৰ গাঁথনিৰ পুনৰ মূল্যায়ন কৰা। অৱশ্যে এই ক্ষেত্ৰত ভাৰতবৰ্ষ ঐক্য আৰু সংহতি আৰু জনকল্যানৰ প্ৰতি লক্ষ্য ৰাখি আয়োগে কাৰ্য্য কৰা উচিত বুলি তেওঁ নিজ বক্তব্যত কৈছিল।

এই আয়োগৰ সদস্যসকল আছিল–

**ৰঞ্জিত শেখৰ চাৰকাৰিয়া** - সভাপতি/অধ্যক্ষ

**বি. চিভাৰমন** - কেবিনেট সচিব

**এচ. আৰ সেন** - সদস্য সচিব

**ৰাম সুব্ৰমনিয়াম** - সদস্য সচিব

চাৰকাৰিয়া আয়োগে ১৯৮৮ চনত কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ২৪৭ টা পৰামৰ্শৱলীৰে সমৃদ্ধ এক প্ৰতিবেদন দাখিল কৰে। আয়োগে বিস্তৃত অধ্যয়ন, আলোচনা আৰু গৱেষণা অন্তত ১৯টা বিষয়ক সামৰি নিজ প্ৰতিবেদন প্ৰস্তুত কৰিছিল। এই বিষয়সমূহৰ ভিতৰত উল্লেখযোগ্য আছিল- বিধায়িনী সম্পৰ্ক, প্ৰশাসনীয় সম্পৰ্ক, ৰাজ্যপালৰ ভূমিকা, ৰাষ্ট্ৰপতিৰ বিবেচনাৰ বাবে ৰাজ্যপালৰ দ্বাৰা বিধেয়ক সংৰক্ষণ, জৰুৰীকালিন ক্ষমতা, কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ নিযুক্তি, সৰ্বভাৰতীয় সেৱা, আন্তঃৰাজ্যিক পৰিষদ, বিত্তীয় সম্পৰ্ক, অৰ্থনৈতিক আৰু সামাজিক পৰিকল্পনা, উদ্যোগ, খনি আৰু খনিজাত সম্পদ, কৃষি, বনাঞ্চল, বাণিজ্য, খাদ্য আৰু অসামৰিক যোগান ইত্যাদি।

**চাৰকাৰিয়া আয়োগৰ মুখ্য পৰামৰ্শ হ'ল-**

**(১) শক্তিশালী কেন্দ্ৰ (Strong Centre)ঃ** আয়োগে মতপোষণ কৰে যে, ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতি ৰক্ষা কৰাৰ বাবে এক শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ গুৰুত্ব অতি বেছি। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা কৰ্তনৰ প্ৰস্তাৱ আয়োগে সম্পূৰ্ণ ৰূপে নাকচ কৰে।

**(২) ৰাজ্যিক সূচীৰ অন্তৰ্গত সমৱৰ্তী সূচীলৈ হস্তান্তৰ কৰাৰ সন্দৰ্ভত অসন্মতি (Rejection of the demand of transfer of some Subjects to the Cocurrent list from the State list)ঃ** চাৰকাৰিয়া আয়োগে কেন্দ্ৰ- ৰাজ্য সম্পৰ্কৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি মতপোষণ কৰে যে, ৰাজ্যিক সূচীৰ অন্তৰ্গত বিষয়সমূহ সমৱৰ্তী সূচীলৈ হস্তান্তৰ কৰা অনুচিত। আয়োগে কেন্দ্ৰীয় চৰকাৰে ৰাজ্যসমূহলৈ অৰ্ধসামৰিক বাহিনী প্ৰেৰণ কৰাৰ ক্ষেত্ৰত বাধ্যবাধকতা আৰোপ নকৰে যদিও এই ক্ষেত্ৰত সংশ্লিষ্ট ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰাৰ প্ৰয়োজনীয়তা আছে বুলি মত প্ৰকাশ কৰে।

**(৩) সহযোগিতামূলক যুক্তৰাজ্যবাদ (Co-operative Federalism)** ঃ চাৰকাৰিয়া আয়োগে কেন্দ্ৰ-ৰাজ্য সংঘাতৰ কাৰণসমূহ নিৰাময় কৰি ভাৰতবৰ্ষত এক সহযোগিতামূলক যুক্তৰাজ্যিক ব্যৱস্থাৰ প্ৰচলনৰ পোষকতা কৰে। ইয়াৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে সঘনাই আলোচনাত মিলিত হৈ কাৰ্য্য সম্পাদন কৰা উচিত বুলি আয়োগে মত পোষণ কৰে। কেন্দ্ৰীয় চৰকাৰে এক পক্ষীয়ভাৱে সিদ্ধান্ত গ্ৰহণ কৰি ৰাজ্যসমূহৰ ওপৰত এনে সিদ্ধান্ত জাপি দিয়া কাৰ্য্যক আয়োগে কঠোৰ ভাষাৰে সমালোচনা কৰে।

**(৪) ৰাজ্যপালৰ পদৰী (Office of the Governor)** ঃ চাৰকাৰিয়া আয়োগে ৰাজ্যপালৰ পদবী আৰু নিয়োগ প্ৰক্ৰিয়া সম্পৰ্কেও কিছুমান পৰামৰ্শ আগবঢ়াই। ৰাজ্যপালৰ পদবীৰ বিলুপ্তীকৰণৰ বাবে ৰাজ্যসমূহৰ উত্থাপন কৰা দাবী নাকচ কৰি আয়োগে মত পোষণ কৰে যে-

(ক) ৰাজ্যপালৰ নিযুক্তি দিওঁতে, ৰাষ্ট্ৰপতিয়ে সংশ্লিষ্ট ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ উপৰিও, উপৰাষ্ট্ৰপতি আৰু লোকসভাৰ অধ্যক্ষৰ লগত আলোচনা কৰিব লাগে। ইয়াৰ বাবে সংবিধানে ১৫৫ নং অনুচ্ছেদ সংশোধন কৰি যাৱতীয় ব্যৱস্থা কৰিব লাগে।

(খ) সক্ৰিয় ৰাজনীতিবিদক (Active politician) ৰাজ্যপাল হিচাপে নিযুক্তি দিব নলাগে।আয়োগৰ প্ৰতিবেদন অনুসৰি কেন্দ্ৰৰ শাসকীয় দলৰ প্ৰাৰ্থীক বিৰোধী দলে শাসন কৰা নাইবা সংযুক্ত চৰকাৰ থকা ৰাজ্যত ৰাজ্যপাল হিচাপে নিয়োগ কৰা অনুচিত।

(গ) ৰাজ্যপালক অৱসৰ গ্ৰহণৰ পিছত কোনো ধৰণৰ লাভজনক বৃত্তিত নিয়োজিত হোৱাৰ অনুমতি প্ৰদান কৰিব নালাগে। তদুপৰি ৰাজ্যপালৰ কাৰ্যাৱলী আৰু কাৰ্য্য পৰিসৰ সম্পৰ্কেও আয়োগে কেতবোৰ পৰামৰ্শ আগবঢ়াই।

**(৫) মুখ্যমন্ত্ৰীৰ নিযুক্তি (Appointment of the Chief Minister)**ঃ আয়োগে মতপোষণ কৰে যে বিধানসভাত সংখ্যাগৰিষ্ঠ আসন লাভ কৰা দলৰ নেতাজনক, ৰাজ্যপালে চৰকাৰ গঠন কৰিবলৈ আহ্বান জনাব লাগে।যদি দুই বা ততোধিক দল সন্মিলিত হৈ সংখ্যাগৰিষ্ঠতাৰ দাবী তোলে, তেন্তে তুলনামূলকভাৱে সংখাগৰিষ্ঠ দলৰ নেতা জনক মুখ্যমন্ত্ৰী হিচাপে নিযুক্তি প্ৰদান কৰিব লাগে। অৱশ্যে এনে অৱস্থাত মুখ্যমন্ত্ৰীজনে ৩০ দিনৰ ভিতৰত নিজ সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব লাগে।

**(৬) কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ নিয়োগ (Deployment of Central para- military)ঃ** আয়োগে ৰাজ্যসমূহত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ নিয়োগৰ বিৰোধিতা কৰা নাছিল। কিন্তু এই ক্ষেত্ৰত সংশ্লিষ্ট ৰাজ্যচৰকাৰখনৰ আগতীয়া অনুমোদন লব লাগে।

**(৭) ৩৫৬ নং অনুচ্ছেদ প্ৰয়োগ (Use of Article 356 of the Constitution)ঃ**

আয়োগে, নিজ প্ৰতিবেদনত ৩৫৬নং অনুচ্ছেদৰ বিলুপ্তিৰ দাবী সম্পূৰ্ণ নাকচ কৰে। অৱশ্যে ৩৫৬ নং অনুচ্ছেদ (ৰাজ্যিক জৰুৰীকালিন অৱস্থা) যাতে অপপ্ৰয়োগ নহয় আৰু বিশেষভাৱে জৰুৰী অৱস্থাৰ উদ্ভৱ হ'লেহে সংবিধান অচলাৱস্থাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতিয়ে কোনো ৰাজ্যত ৰাষ্ট্ৰপতি শাসন ঘোষণা কৰা উচিত বুলি আয়োগে অভিমত প্ৰকাশ কৰে। তদুপৰি কেন্দ্ৰীয় সংসদৰ বিনা অনুমোদনত ৰাজ্যিক বিধানমণ্ডল ভংগ কৰিব নালাগে।

**(৮) অনুসন্ধানমূলক আয়োগ (Appointment of Enquiry Commission) ঃ**

চাৰকাৰিয়া আয়োগৰ অন্যতম এক পৰামৰ্শ আছিল এয়ে যে, কেন্দ্ৰীয় চৰকাৰে ৰাজ্য চৰকাৰ বা মূখ্যমন্ত্ৰীৰ কাৰ্য্যাৱলী অনুসন্ধান কৰাৰ বাবে জধে-মধে অনুসন্ধানমূলক আয়োগ গঠন কৰিব নালাগে। ৰাজ্য চৰকাৰৰ কাম-কাজ মূল্যায়ন কৰাৰ দায়িত্ব ৰাজ্যিক বিধানমণ্ডলৰ ওপৰতহে ন্যস্ত আছে।

**(৯) ৰাষ্ট্ৰপতিৰ বিচাৰৰ বাবে বিধেয়ক সংৰক্ষণ (Reservation of Bill for the Consideration of President)ঃ**

ভাৰতীয় সংবিধান ২০০ নং অনুচ্ছেদ মতে ৰাজ্যপালে কোনো বিধেয়ক ৰাষ্ট্ৰপতিৰ পুনৰ বিচাৰৰ বাবে সংৰক্ষণ কৰিব পাৰে। চাৰকাৰিয়া আয়োগে এই সন্দৰ্ভত পৰামৰ্শ আগবঢ়াই কয় যে, ৰাজ্যপালে কোনো বিধেয়কত সন্নিবিষ্ট নীতিত এক মত নোহোৱাৰ বাবে তেনে বিধেয়ক ৰাষ্ট্ৰপতিৰ বিবেচনাৰ বাবে সংৰক্ষণ কৰিব নালাগে। বিশেষ কাৰণ নাথাকিলে পৰাপক্ষত ৰাজ্যপালে এনে কাৰ্য্য কৰাৰ পৰা বিৰত থাকিব লাগে।

**(১০) অধ্যাদেশ জাৰি (Promulgation of Ordinance)ঃ** ৰাজ্যপালে অধ্যাদেশ জাৰি কৰা সম্পৰ্কতো আয়োগে পৰামৰ্শ দিছে। ৰাজ্যপালে অধ্যাদেশ জাৰি কৰাৰ আগতে ৰাজ্যপালে সেইবিষয়ে মন্ত্ৰী পৰিষদৰ সমূহীয়াভাৱে আলোচনা কৰিব লাগে।

উপৰোক্ত পৰামৰ্শৰলীৰ ওপৰিও চাৰকাৰিয়া আয়োগে কৃষি, শিক্ষা, চিকিৎসা, অভিযান্ত্রিক সেৱা ইত্যাদিক সৰ্বভাৰতীয় সেৱা হিচাপে ঘোষণা কৰাৰ বাবে, দুৰদৰ্শন- অনাঁতাৰ বিভাগক অধিক স্বতন্ত্ৰতা প্ৰদান কৰাৰ বাবে, ত্ৰি-ভাষিক সুত্ৰৰ (Three language formula) প্ৰচলনৰ বাবে, আন্তঃৰাজ্যিক পৰিষদৰ গঠন তথা কেন্দ্ৰ -ৰাজ্য সম্পৰ্কক প্ৰভাৱান্বিত কৰা অন্যান্য বিভিন্ন বিষয়ত পৰামৰ্শ প্ৰদান কৰিছিল। যদিও চাৰকাৰিয়া আয়োগে কেন্দ্ৰ-ৰাজ্য সম্পৰ্কক প্ৰভাৱান্বিত কৰা সকলোবোৰ বিষয়ক সামৰি ৪৯০০ পৃষ্ঠা জোৰা বিস্তৃত প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰে, কিন্তু আয়োগৰ পৰামৰ্শৰলী বাস্তৱক্ষেত্ৰত প্ৰয়োগ কৰা নহ'ল। ১৯৮৮ চনত নতুন দিল্লীত অনুষ্ঠিত হোৱা এক বৈঠকত অ-কংগ্ৰেছী দলসমূহে আয়োগৰ পৰামৰ্শ নাকচ কৰে। তদুপৰি আঞ্চলিক ৰাজনৈতিক দলসমূহেও আয়োগৰ পৰামৰ্শৰলীৰ গ্ৰহণযোগ্য নহয় বুলি মত পোষণ কৰে। কেন্দ্ৰীয় চৰকাৰে আয়োগৰ পৰামৰ্শসমূহ বাস্তৱায়িত কৰাৰ বাবে আইন বা নীতি প্ৰণয়ন কৰাত বিফল হয়।

### ৩.৩.২ পুন্‌ছি আয়োগৰ পৰামৰ্শৰলী (Recommendation of the Punchhi Commission)ঃ

১৯৮৩ চনত গঠিত চাৰকাৰিয়া আয়োগৰ পৰামৰ্শৰলীসমূহ সকলো দলৰ বাবে গ্ৰহণযোগ্য নোহোৱাৰ প্ৰতি লক্ষ্য ৰাখি কেন্দ্ৰত শাসনাধিষ্ঠ সংযুক্ত প্ৰগতিশীল মৰ্চা (UPA) চৰকাৰে কেন্দ্ৰ - ৰাজ্য সম্পৰ্কৰ মূল্যায়নৰ বাবে নতুনকৈ এক আয়োগৰ নিযুক্তি দিয়ে। ২০০৭ চনৰ এপ্ৰিল মাহত নিযুক্তি লাভ কৰা এই আয়োগৰ অধ্যক্ষ আছিল উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ মদন মোহন পুনছি (Madan Mohan Punchhi)। আয়োগৰ অন্যান্য সদস্য সকল আছিল শ্ৰী ধীৰেন্দ্ৰ সিং, শ্ৰী ভি. কে. ডুগ্গল, শ্ৰী বিজয় শংকৰ আৰু ড. এন. আৰ. মাধৱ মেনন। আয়োগে ২০১০ চনৰ এপ্ৰিল মাহত ১৪৫৬ পৃষ্ঠা জোৰা এক প্ৰতিবেদন কেন্দ্ৰীয়-চৰকাৰৰ ওচৰত দাখিল কৰে। কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ ক্ষেত্ৰত আয়োগৰ মুখ্য পৰামৰ্শৰলীসমূহ আছিল এনেধৰণৰ -

(১) সংবিধানৰ ৩৫৫ আৰু ৩৫৬ নং অনুচ্ছেদৰ আধাৰত ব্যৱস্থা গ্ৰহণ কৰি সমগ্ৰ ৰাজ্যৰ পৰিবৰ্তে নিৰ্দিষ্ট অশান্ত জৰ্জৰ অঞ্চল (জিলা বা জিলাৰ কোনো অঞ্চল)ত ৰাজ্যপাল শাসন প্ৰৱৰ্তন কৰা উচিত। ইয়াৰ জৰিয়তে 'জৰুৰীকালিন ক্ষমতা কেন্দ্ৰীভূত' (localising emergency provision) কৰাৰ পৰামৰ্শ প্ৰদান কৰা হৈছে।

(২) আয়োগে 'সাম্প্ৰদায়িক সংঘৰ্ষ বিধেয়ক' (Communal Violence Bill)ৰ সংশোধন ঘটাই হ্ৰস্বকালীন সময়ৰ বাবে ৰাজ্য চৰকাৰৰ অনুমতি অবিহনেও কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ নিয়োগৰ ক্ষমতা কেন্দ্ৰীয় চৰকাৰক প্ৰদান কৰাৰ পৰামৰ্শ আগবঢ়াই। অৱশ্যে এনে ক্ষমতা কেৱল ১ সপ্তাহ সময় পৰ্য্যন্তহে বাহাল থাকিব।

(৩) মুখ্যমন্ত্ৰীৰ নিযুক্তি সম্পৰ্কে পৰামৰ্শ আগবঢ়াই আয়োগে মতপ্ৰকাশ কৰে যে এই ক্ষেত্ৰত প্ৰাক-নিৰ্বাচনী মিত্ৰতা (Pre-Poll Alliance)ৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যপালে কাৰ্য্য কৰা উচিত। অৱশ্যে এই অভিধাৰণাটো মৰ্চা চৰকাৰৰ ক্ষেত্ৰতহে প্ৰযোজ্য, য'ত কোনো দলেই একক সংখ্যা গৰিষ্ঠতা লাভ কৰিব নোৱাৰে।

(৪) ৰাজ্যপালে কোনো মন্ত্ৰীৰ কাৰ্য্যাৱলী বিচাৰৰ বাবে ৰাজ্যিক বিধান পৰিষদৰ মতৰ বিপক্ষে গৈ অনুমতি প্ৰদান কৰিব পাৰে। অৱশ্যে আয়োগে ৰাজ্যপালসকলক বিশ্ববিদ্যালয়ৰ আচাৰ্য্য (Chancellor) হিচাপে নিযুক্তি দিয়া প্ৰথাৰ বিৰোধীতা কৰে।

(৫) ৰাজ্যপাল পদৰ প্ৰাৰ্থীগৰাকীয়ে নিযুক্তি পোৱাৰ অন্ততঃ দুবছৰ পূৰ্বেই ৰাষ্ট্ৰীয় তথা ৰাজ্যিক পৰ্য্যায়ৰ সক্ৰিয় ৰাজনীতিৰ পৰা অৱসৰ লোৱা হ'ব লাগিব।

(৬) আয়োগে স্বেচ্ছাচাৰী ৰূপত কেন্দ্ৰীয় চৰকাৰে ৰাজ্যপালৰ অপসাৰণ কৰা কাৰ্য্যক সমালোচনা কৰি কয় যে, "The practice of treating governors as political football must stop."

(৭) ৰাজ্যপালৰ কাৰ্য্যকাল কেৱল ৫ বছৰীয়া হ'ব লাগে, কেৱল ৰাজ্যিক বিধানমণ্ডলে গ্ৰহণ কৰা মহাভিযোগ প্ৰস্তাৱৰ ভিত্তিতহে ৰাজ্যপালৰ অপসাৰণ হ'ব লাগে আৰু ৰাজ্যপালৰ নিযুক্তিৰ ক্ষেত্ৰত সংশ্লিষ্ট ৰাজ্যৰ মুখ্যমন্ত্ৰীৰ মতামত গ্ৰহণ কৰাটো অত্যাৱশ্যকীয়।

(৮) সংবিধানৰ ১৬৩(খ) অনুচ্ছেদৰ আধাৰত ৰাজ্যপালক প্ৰদান কৰা স্ব-বিচাৰাধীন ক্ষমতাক নিয়ন্ত্ৰিত কৰাৰ বাবে এক সাংবিধানিক সংশোধনীৰ পৰামৰ্শ পুনছি আয়োগে আগবঢ়াই।

(৯) সুৰক্ষাজনিত সমস্যাৰ বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি যুক্তৰাষ্ট্ৰীয় Homeland Security-ৰ আৰ্হিত এক শক্তিশালী আন্তগাঁথনি গঠন কৰাৰ বাবে আয়োগে পৰামৰ্শ আগবঢ়াই। ইয়াৰ বাবে ৰাষ্ট্ৰীয় সংহতি পৰিষদক (NIC) অধিক ক্ষমতা অৰ্পন কৰাৰ প্ৰয়োজনীয়তাক আয়োগে দোহাৰে।

(১০) চাৰকাৰিয়া আয়োগৰ পৰামৰ্শৰ সৈতে একমত হৈ পুনছি আয়োগেও মতপোষণ কৰে যে, ৰাজ্যপালৰ নিযুক্তিৰ বাবে এক উচ্চ ক্ষমতা সম্পন্ন সমিতি গঠন কৰা উচিত। এই সমিতিত প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী, লোকসভাৰ অধ্যক্ষ আৰু সংশ্লিষ্ট ৰাজ্যৰ মূখ্যমন্ত্ৰীক অন্তৰ্ভুক্ত কৰা উচিত।

পুনছি আয়োগৰ পৰামৰ্শৱলী বাস্তৱত প্ৰয়োগ কৰাটো কেন্দ্ৰীয় চৰকাৰৰ প্ৰতি এক কঠোৰ প্ৰত্যাহ্বান।

**আত্মমূল্যায়ণৰ প্ৰশ্ন ঃ**

(ক) চাৰকাৰিয়া আয়োগ কোন চনত গঠিত হৈছিল?

----------------------------------------------------------

----------------------------------------------------------

(খ) কেন্দ্ৰ ৰাজ্য সংঘাত নিৰাময়ৰ বাবে চাৰকাৰিয়া আয়োগে প্ৰদান কৰা যিকোনো দুটা পৰামৰ্শ লিখা।

----------------------------------------------------------

----------------------------------------------------------

----------------------------------------------------------

(গ) সংবিধানৰ কোনটো অনুচ্ছেদৰ মতে ৰাজ্যপালে কোনো বিধেয়ক ৰাষ্ট্ৰপতিৰ পুনৰ বিবেচনাৰ বাবে সংৰক্ষণ কৰিব পাৰে ?

----------------------------------------------------------

----------------------------------------------------------

----------------------------------------------------------

(ঘ) পুন্‌ছি আয়োগৰ অধ্যক্ষ কোন আছিল ?

----------------------------------------------------------

----------------------------------------------------------

----------------------------------------------------------

(ঙ) পুন্‌ছি আয়োগৰ যিকোনো দুটা পৰামৰ্শ উল্লেখ কৰা।

----------------------------------------------------------

----------------------------------------------------------

----------------------------------------------------------

## ৩.৪ সাৰাংশ ঃ

আমি উপৰোক্ত আলোচনাৰ পৰা দেখিলো যে, কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজত ক্ষমতা বিভাজনৰ বাবে তিনিখন তালিকা থাকিলেও, এই তালিকাভুক্ত বিষয়বিলাকৰ ওপৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰাধান্য অতি স্পষ্ট। কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় সূচী আৰু সমৱৰ্তী সূচীত অন্তৰ্ভূক্ত বিষয়ৰ ওপৰত সহজে আইন প্ৰণয়ন কৰিব পাৰে। তদুপৰি অৱশিষ্ট বিষয়ৰ ওপৰতো কেন্দ্ৰীয় চৰকাৰৰ আইন প্ৰণয়নৰ সম্পূৰ্ণ কৰ্তৃত্ব আছে। সেই কাৰণে কেন্দ্ৰীয় চৰকাৰ ৰাজ্যিক চৰকাৰৰ তুলনাত অধিক শক্তিশালী হ'বলৈ সক্ষম হৈছে। তদুপৰি, অন্যান্য বহুবোৰ বিষয়ৰ ক্ষেত্ৰতো কেন্দ্ৰীয় চৰকাৰৰ প্ৰাধান্য দেখা যায়। কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সৃষ্টি হোৱা বিবাদৰ কাৰণসমূহ উচিত আৰু সময়োপযোগী ভাৱে সমাধান কৰি ভাৰতবৰ্ষৰ যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ ক্ষেত্ৰত সমতা স্থাপন কৰিব পাৰি।

### ঘাই শব্দসমূহ ঃ

**সংঘাত ঃ** পাৰস্পৰিক বিবাদ, উত্তেজনা

**গণমাধ্যম ঃ** জনসাধাৰণৰ লগত জড়িত মাধ্যম, দৃশ্য-শ্ৰব্য আৰু বৈদ্যুতিক মাধ্যম যেনে- বাতৰি কাকত ৰেডিঅ, টি. ভি. ইন্টাৰনেট ইত্যাদি।

**সহযোগিতামূলক যুক্তৰাজ্যবাদ ঃ** এনে এক যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা য'ত কেন্দ্ৰ চৰকাৰ আৰু ৰাজ্যসমূহে পাৰস্পৰিক সমিলমিলেৰে কাৰ্য্য সম্পাদন কৰে।

### পাঠ্য নিৰ্দেশনা ঃ

1) Agarwal R. C.,
Constitutional Development and National Movement in India,
S. Chand Publication, New Delhi, 2005.

2) Ghai K. K.,
Indian Govt. & Politics,
Kalyani Publishers, Ludhiana - 141008.

3) Pylee M. V.,
India's Constitution,
S. Chand Publication, New Delhi, 2009.

4) আমাৰ সংবিধান - ভাৰতৰ সংবিধান আৰু সাংবিধানিক বিধিৰ এটি পৰিচয়-
সুভাস চি. কাশ্যপ, অনুবাদ ঃ গুন বৰুৱা,
নেশনেল বুক ট্ৰাষ্ট ইণ্ডিয়া - New Delhi - 110016, 1994

5) ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি, নবীন গোহাঁই, দীপেন দাস, বিদ্যাভৱন, যোৰহাট, অসম।

**সম্ভাব্য উত্তৰ ঃ**

* কেন্দ্ৰ-ৰাজ্য সংঘাতৰ দুটা কাৰণ লিখা।

  - কেন্দ্ৰ-ৰাজ্য সংঘাতৰ দুটা মুখ্য কাৰণ হ'ল - কেন্দ চৰকাৰৰ বৰ্ধিত ক্ষমতা আহৰণ আৰু আৰ্থিক ক্ষেত্ৰত কেন্দ্ৰ-ৰাজ্যৰ অসমতা।

* কেন্দ্ৰ-ৰাজ্য সংঘাত সমাধানৰ বাবে দুটা পৰামৰ্শ আগবঢ়োৱা।

  - কেন্দ্ৰ-ৰাজ্য সংঘাত সমাধানৰ বাবে - সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয় আদৰ্শৰ বিকাশ আৰু ৰাজ্য চৰকাৰসমূহক অধিক স্বতন্ত্ৰতা প্ৰদান।

* চাৰকাৰিয়া আয়োগে শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ ধাৰণাৰ বিষয়ে কি মতামত প্ৰদান কৰে ?

  - চাৰকাৰিয়া আয়োগৰ মতে ভাৰতবৰ্ষৰ ঐক্য তথা সংহতিৰ সুৰক্ষাৰ বাবে এক শক্তিশালী কেন্দ্ৰীয় চৰকাৰৰ স্থিতি অতি প্ৰয়োজনীয়।

**সম্ভাব্য প্ৰশ্ন ঃ**

১) কেন্দ্ৰ-ৰাজ্য সংঘাতৰ বিষয়টো আলোচনা কৰা।

২) কেন্দ্ৰ-ৰাজ্য সংঘাতৰ বিভিন্ন কাৰণসমূহৰ বিষয়ে লিখা।

৩) কেন্দ্ৰ-ৰাজ্য সংঘাতৰ বিষয়ে চৰকাৰিয়া আয়োগে প্ৰদান কৰা পৰামৰ্শাৱলী উল্লেখ কৰা।

৪) পুনছি আয়োগৰ বিষয়ে চমুকৈ লিখা।

# গোট - ৪
# (Unit -4)

## ভাৰতীয় ৰাজনীতিত স্বৈৰাচাৰী ধাৰা

**গঠন বিন্যাস ঃ**

৪.০. উদ্দেশ্য

৪.১ প্ৰস্তাৱনা

৪.১.১. স্বৈৰাচাৰী শাসনৰ অৰ্থ

৪.২. ভাৰতীয় ৰাজনীতিত স্বৈৰাচাৰী ধাৰা

৪.২.০. ১৯৫২ চনৰ পৰা ১৯৬৪ চনলৈ

৪.২.১ ১৯৬৪ চনৰ পৰা ১৯৬৬ চনলৈ

৪.২.২. আত্মমূল্যায়নৰ প্ৰশ্ন

৪.২.৩. ১৯৬৬ চনৰ পৰা ১৯৭৭ চনলৈ

৪.২.৪. ১৯৭৭ চনৰ পৰা ১৯৮০ চনলৈ

৪.২.৫. ১৯৮০ চনৰ পৰা ১৯৮৪ চনলৈ

৪.২.৬. ১৯৮৪ চনৰপৰা ১৯৯০ চনলৈ

৪.২.৭. আত্মমূল্যায়নৰ প্ৰশ্ন

৪.২.৮. ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ

৪.২.৯ ১৯৯৬ চনৰপৰা বৰ্ত্তমানলৈ

৪.২.১০. আত্মমূল্যায়নৰ প্ৰশ্ন

৪.৩. সামৰণি

ঘাই শব্দসমূহ

প্ৰসংগ পুথি

সম্ভাব্য প্ৰশ্ন

**৪.০ উদ্দেশ্য ঃ**

- এই গোটটো অধ্যয়ন কৰিলে তুমি ভাৰতবৰ্ষৰ গণতান্ত্ৰিক ব্যৱস্থাত স্বৈৰাচাৰী শাসন ব্যৱস্থাৰ বিষয়ে অৱগত হ'ব পাৰিবা।
- এই গোটটোৰ অধ্যয়নৰ জৰিয়তে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰধানমন্ত্ৰীৰ কাৰ্যকালত তেওঁলোকৰ স্বৈৰাচাৰী প্ৰৱণতা অনুধাৱন কৰিবা।
- এই গোটটো অধ্যয়নৰ দ্বাৰা তুমি ভাৰতবৰ্ষ কেনেকৈ এখন গণতান্ত্ৰিক যুক্তৰাষ্ট্ৰীয় দেশ হোৱা স্বত্বেও স্বৈৰাচাৰী ব্যৱস্থালৈ ৰূপান্তৰিত হ'বলৈ ধৰিছে সেই সম্পৰ্কে অৱগত হ'ব পাৰিবা।
- এই গোটটোৰ অধ্যয়নৰ যোগেদি কেনেদৰে পূৰ্বৰ স্বৈৰাচাৰী প্ৰৱণতা সাম্প্ৰতিক মৰ্চা চৰকাৰ ব্যৱস্থাত অৱনমিত হ'বলৈ বাধ্য হৈছে সেই সম্পৰ্কে অৱগত হ'ব পাৰিবা।

**৪.১ প্ৰস্তাৱনা ঃ**

ইতিমধ্যে তোমালোকে তিনি নং গোটত ভাৰতৰ কেন্দ্ৰ আৰু ৰাজ্যৰ মাজৰ বিবাদৰ কাৰণ সম্পৰ্কে অনুধাৱন কৰিব পাৰিছা। এই গোটত তোমালোকে কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সময়ত দেখুওৱা স্বৈৰাচাৰী প্ৰৱণতা সম্পৰ্কে অৱগত হ'ব পাৰিবা। যদিও ভাৰতীয় সংবিধানে ভাৰতৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহক সাংবিধানিক মৰ্যাদাৰ লগতে নিজা নিজা ক্ষমতা আৰু কৰ্তব্য প্ৰদান কৰিছে তথাপিও বহু সময়ত দেখা যায় যে কেন্দ্ৰীয় চৰকাৰে সংবিধানৰ এই ব্যৱস্থাক অৱমাননা কৰি নিজৰ স্বৈৰাচাৰী প্ৰৱণতাক কাৰ্যকৰী কৰা পৰিলক্ষিত হয়। কেন্দ্ৰীয় চৰকাৰে সংবিধানৰ বিভিন্ন অনুচ্ছেদসমূহৰ অপপ্ৰয়োগৰ যোগেদি আৰু প্ৰধানমন্ত্ৰীৰ পদত অধীস্থিত ব্যক্তিৰ ব্যক্তিত্বৰ প্ৰভাৱৰ দ্বাৰা স্বৈৰাচাৰী শাসন চলাই আহিছে।

পৰৱৰ্তী গোটত তোমালোকে ভাৰতৰ ৰাজনৈতিক আৰু আমোলাতান্ত্ৰিক দুৰ্নীতি সম্পৰ্কে বুজিব পাৰিবা।

**৪.১.১ স্বৈৰাচাৰী শাসনৰ অৰ্থ ঃ**

স্বৈৰাচ্চাৰী শাসন হ'ল এনে এক ব্যৱস্থা য'ত ৰাষ্ট্ৰৰ সকলো ৰাজনৈতিক ক্ষমতা কোনো এক সৰু ৰাজনৈতিক ব্যক্তি গোটৰ হাতত ন্যস্ত হৈ থাকে, এনে ব্যৱস্থাত সকলো ৰাজনৈতিক ক্ষমতা ব্যৱহাৰ কৰি ব্যক্তি গোটে তেওঁলোকৰ যিকোনো ধৰণৰ সম্ভাব্য ভাবুকিক প্ৰতিহত কৰিব বিচাৰে। স্বৈৰাচাৰী শাসন ব্যৱস্থাই আইনৰ শাসন ব্যৱস্থাৰ পৰিৱৰ্তে স্বেচ্চাচাৰী আইনৰ শাসনত গুৰুত্ব আৰোপ কৰে। এনে ব্যৱস্থাত সকলো ৰাজনৈতিক সিদ্ধান্ত বন্ধ কোঠাত কেইজনমান ব্যক্তিৰ দ্বাৰা নিৰ্দ্ধাৰণ কৰা হয়। এনে শাসনে ৰাষ্ট্ৰৰ গণতান্ত্ৰিক শাসন ব্যৱস্থাত ব্যাঘাত জন্মাই সামৰিক শক্তিৰ জৰিয়তে সমাজ নিয়ন্ত্ৰণ কৰিব বিচাৰে।

## ৪.২. ভাৰতীয় ৰাজনীতিত স্বৈৰাচাৰী শাসনৰ ধাৰা ঃ

ভাৰতীয় সংবিধানে ভাৰতক এখন গণতান্ত্রিক গণৰাজ্য হিচাপে প্রতিষ্ঠা কৰিছে। কিন্তু বিভিন্ন সময়ত সংবিধানৰ কিছুমান অনুচ্ছেদৰ সুবিধা গ্রহণ কৰি আৰু ৰাজনৈতিক দলীয় প্রভাৱৰ দ্বাৰা বিভিন্ন সময়ত কেন্দ্রীয় চৰকাৰে স্বৈৰাচাৰী শাসন প্রৱর্তন কৰা পৰিলক্ষিত হৈ আহিছে। আমি এই গোটৰ পৰৱর্তী পর্যায়ত বিভিন্ন সময়ত ভাৰতত স্বৈৰাচাৰী শাসনৰ প্রবর্ত্তন সম্পর্কে আলোচনা কৰিম।

### ৪.২.০. ১৯৫২ চনৰ পৰা ১৯৬৪ চনলৈ ঃ

স্বাধীনোত্তৰ ভাৰতত অনুষ্ঠিত প্রথম সাধাৰণ নির্বাচন ১৯৫২ চনত অনুষ্ঠিত হৈছিল। আৰু এই নির্বাচনত ভাৰতীয় জাতীয় কংগ্রেছ দলে কেন্দ্র আৰু ৰাজ্যসমূহত সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। ১৯৪৭ চনৰ পৰা আৰম্ভ কৰি প্রথম সাধাৰণ নির্বাচনত জয় লাভ কৰি জৱাহৰলাল নেহৰু ২৪ মে', ১৯৬৪ চনত তেওঁৰ মৃত্যুৰ আগলৈকে ভাৰতৰ প্রধানমন্ত্রী হিচাপে কাৰ্যভাৰ পালন কৰি আছিল। তেওঁক এজন ৰাষ্ট্র গঠনকাৰী নেতা হিচাপে দেশ বিদেশত স্বীকৃতি প্রদান কৰা হৈছিল। প্রধানমন্ত্রী হিচাপে নেহৰুৱে ৰাষ্ট্রৰ সবাতোকৈ শক্তিশালী নেতাৰ ভূমিকা পালন কৰিছিল। তেওঁ তৃতীয় বিশ্বৰ এখন ৰাষ্ট্রত স্বতন্ত্র নির্বাচন আয়োগ প্রতিষ্ঠা কৰি সার্বজনীন প্রাপ্তবয়স্ক ভোটাধিকাৰৰ ভিত্তিত ৰাষ্ট্রৰ সংসদৰ নির্বাচন অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। তেওঁ ৰাজ্যসমূহত গণতান্ত্রিক পদ্ধতি প্রৱর্তনৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ আনকি তেওঁৰ লগত মতৰ অমিল থকা কংগ্রেছ দলৰ মুখ্যমন্ত্রীসকলক প্রাপ্য সুবিধা প্রদান কৰি গুৰুত্ব আৰোপ কৰিছিল। তেওঁ দলীয় নীতি অনুসৰণ কৰা কার্যত কদাচিতহে হস্তক্ষেপ কৰিছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনৰ জনপ্রিয় নেতা হিচাপে নেহৰু পৰৱর্তী কালতো জনসাধাৰণৰ মাজত অতি জনপ্রিয় আছিল আৰু এই জনপ্রিয়তাৰ সুযোগ গ্রহণ কৰি তেওঁ পৰৱর্তী সময়ত স্বৈৰাচাৰীভাৱে শাসন যন্ত্র নিয়ন্ত্রণ কৰিছিল। চৰকাৰ আৰু দলৰ ওপৰত নেহৰুৱে নিজৰ ব্যক্তিত্বৰ আধিপত্য বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল সেয়েহে তেওঁৰ কার্যকালৰ সময়ত ৰাষ্ট্রৰ অধিকাংশ সিদ্ধান্ত নেহৰুৱে গ্রহণ কৰি স্বৈৰাচাৰী প্রৱণতা বিকাশত সুবিধা প্রদান কৰিছিল। ইয়াৰোপৰি প্রাৰম্ভিক সাধাৰণ নির্বাচনত কেন্দ্র আৰু ৰাজ্যত ভাৰতীয় জাতীয় কংগ্রেছ দলে নিৰংকুশ সংখ্যা গৰিষ্ঠতাৰে চৰকাৰ প্রতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল.। সেয়েহে দলৰ ৰাষ্ট্রীয় নেতা আৰু চৰকাৰৰ মুৰব্বী হিচাপে নেহৰুৱে কেন্দ্র আৰু ৰাজ্যৰ যিকোনো বিষয়তে নীতি নির্দ্ধাৰণ কৰিবলৈ সক্ষম হৈছিল। নেহৰুৰ জনপ্রিয়তা আৰু ৰাজ্যিক দলীয় নেতাসকলৰ কেন্দ্রীয় নের্তৃবর্গৰ ওচৰত থকা দায়বদ্ধতাৰ বাবে তেওঁলোকে নেহৰুৰ যিকোনো নীতি নির্দেশক বিনা প্রতিবাদে পালন কৰিছিল। নেহৰুৱে তেওঁৰ জীৱিতকালত নিজৰ ব্যক্তিত্বৰ প্রভাৱ

খটুৱাই ৰাষ্ট্ৰৰ আভ্যন্তৰীণ, সামৰিক, অৰ্থনৈতিক আৰু বৈদেশিক নীতি নিৰ্দ্ধাৰণৰ ক্ষেত্ৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছিল। এনেদৰে জনপ্ৰিয় নেতা হোৱাৰ বাবেই নেহৰুৱে ৰাষ্ট্ৰৰ যিকোনো বিষয়ত নিজ ইচ্ছা অনুসৰি নীতি নিৰ্দ্ধাৰণ কৰি স্বৈৰাচাৰী শাসনৰ প্ৰৱণতাক উদ্‌গণি জনাইছিল। আকৌ তেওঁৰ কাৰ্যকালৰ সময়ত নেহৰুক কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ কোনো দলীয় কৰ্মী আৰু চৰকাৰী বিষয়ববীয়াই তেওঁৰ সিদ্ধান্ত অথবা নেতৃত্বক প্ৰত্যাহ্বান জনোৱা নাছিল। সেয়েহে তেওঁৰ কাৰ্যকালত স্বৈৰাচাৰী শাসন সম্পৰ্কে বিশেষভাৱে প্ৰচাৰিত হোৱা নাছিল। কিন্তু পৰৱৰ্তী সময়ত তেওঁৰ বৈদেশিক নীতি সম্পৰ্কে বিশেষকৈ চীন আৰু ভাৰতৰ কুটনৈতিক সম্পৰ্কত নেহৰুৱে গ্ৰহণ কৰা স্বৈৰাচাৰী মনোভাৱক সমালোচনা কৰিছিল।

### ৪.২.১. ১৯৬৪ চনৰপৰা ১৯৬৬ চনলৈ ঃ

জৱাহৰ লাল নেহৰুৰ মৃত্যুৰ পিছত ২জুন, ১৯৬৪ চনত লাল বাহাদুৰ শাস্ত্ৰী ভাৰতৰ দ্বিতীয় প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। তেওঁ নেহৰুৰ দৰে অসামান্য প্ৰতিভাসম্পন্নও নাছিল আৰু দাম্ভিকো নাছিল। শাস্ত্ৰীয়ে তেওঁৰ চমু কাৰ্যকালত নানান সমস্যাৰ সন্মুখীন হৈছিল। কিন্তু তেওঁ অতি নমনীয়তাৰে এনে সমস্যা সমাধান কৰিছিল। তেওঁ কেন্দ্ৰ -ৰাজ্য সম্পৰ্কক সুস্থিৰ কৰিবৰ বাবে গুৰুত্ব প্ৰদান কৰিছিল। ইয়াৰ উপৰিও শাস্ত্ৰীয়ে দক্ষিণ ভাৰতৰ ৰাজ্যসমূহৰ দাবী অনুসৰি হিন্দীৰ লগতে ইংৰাজী ভাষাকো চৰকাৰী ভাষা হিচাপে ব্যৱহাৰ কৰাৰ অনুমতি প্ৰদানেৰে তেওঁৰ নমনীয়তাৰ পৰিচয় দিছিল। তেওঁ গণতান্ত্ৰিক পদ্ধতিৰ বিৰোধীসকলকো চৰকাৰী সিদ্ধান্ত গ্ৰহণত এক গুৰুত্বপূৰ্ণ অংশ হিচাপে বিবেচনা কৰিছিল। তেওঁ কেবিনেটৰ সভাটো সতীৰ্থ মন্ত্ৰীক নিজা দৃষ্টিভংগী দাঙি ধৰিবলৈ সুবিধা প্ৰদান কৰিছিল। এনেদৰে শাস্ত্ৰীয়ে যিকোনো পদ্ধতিৰে গণতান্ত্ৰিক ব্যৱস্থাৰ সংৰক্ষণত গুৰুত্ব আৰোপ কৰি তেওঁ নেহৰুৰ কাৰ্যকালৰ স্বেচ্চাচাৰী প্ৰৱণতাক প্ৰতিহত কৰিবলৈ চেষ্টা কৰিছিল।

### ৪.২.২ আত্মমূল্যায়নৰ প্ৰশ্ন ঃ

১) নেহৰুৰ কাৰ্যকালত চৰকাৰী সিদ্ধান্ত গ্ৰহণত মন্ত্ৰীসকলৰ ভূমিকা কেনে আছিল?

-----------------------------------------------------------

-----------------------------------------------------------

২)　শাস্ত্ৰীৰ কাৰ্যকালত ভাষা সম্পৰ্কীয় বিবাদত কেনে সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল?

------------------------------------------------------------

------------------------------------------------------------

### ৪.২.৩ ১৯৬৬ চনৰ পৰা ১৯৭৭ চনলৈ ঃ

প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীৰ আকস্মিক বিয়োগৰ পিছত ইন্দিৰা গান্ধীয়ে ১৯৬৬ চনত ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। তেওঁৰ কাৰ্যকালৰ সময়ত ৰাষ্ট্ৰৰ ৰাজনৈতিক অনুষ্ঠানসমূহত আমোল পৰিৱৰ্তন সংঘটিত হৈছিল। তেওঁৰ প্ৰতিষ্ঠিত নীতি আৰু গণতান্ত্ৰিক মূল্যবোধৰ ওপৰত কোনো ধৰণৰ সম্ভাৱ নাছিল। ১৯৬৬ চনত দলৰ নেতৃবৃন্দই তেওঁক প্ৰধানমন্ত্ৰীৰ পদবীত অধিষ্ঠিত কৰে আৰু ১৯৬৯ চনত তেওঁ নেৰ্তৃবৃন্দৰ লগত ক্ষমতা সম্পৰ্কীয় বিবাদত লিপ্ত হয়। এনেদৰে কংগ্ৰেছ দলৰ মাজত দুটা ঠালৰ উৎপত্তি হয়, য'ত ইন্দিৰা গান্ধীয়ে যুৱশক্তিক প্ৰতিনিধিত্ব কৰিছিল আৰু বয়োজ্যেষ্ঠসকলে দলৰ ইতিহাসক প্ৰতিনিধিত্ব কৰিছিল। ইন্দিৰা গান্ধীৰ কাৰ্যকালত ভাৰতীয় ৰাজনীতিত স্বেচ্চাচাৰী শাসনৰ প্ৰৱণতা শীৰ্ষ পৰ্যায়ত উপনীত হৈছিল। তেওঁ মন্ত্ৰীপৰিষদৰ আন আন সদস্যৰ মত গ্ৰহণ নকৰাকৈ বেংকসমূহৰ ৰাষ্ট্ৰীয়কৰণ, ৰাজন্যবৰ্গৰ ভাট্টা বাতিলকৰণ, ব্যৱসায়ত একচত্ৰীকৰণৰ সমাপ্তিকৰণ, ইত্যাদিৰ দৰে কিছুমান দৃঢ় আৰু সংবেদনশীল সিদ্ধান্ত নিজাববীয়াকৈ গ্ৰহণ কৰিছিল। ইন্দিৰা গান্ধীয়ে তেওঁৰ পৰিৱৰ্তনশীল মনোভাৱৰ দ্বাৰা ভাৰতত বিভিন্ন বৌদ্ধিক আৰু দুখীয়া শ্ৰেণীৰ লোকৰ সমৰ্থন লাভ কৰিবলৈ সক্ষম হৈছিল।

১৯৭২চনৰ ভাৰত-পাক যুদ্ধত বিজয়ী হৈ স্বাধীন বাংলাদেশ গঠন কৰিবলৈ সক্ষম হোৱাৰ পিছত ইন্দিৰা গান্ধী দল আৰু দেশৰ জনসাধাৰণৰ বাবে অপ্ৰতিদ্বন্দী নেতা হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। তেওঁৰ লগত মতৰ অমিল থকা দলৰ প্ৰাক্তন নেৰ্তৃবগৰ লগত মীমাংসা কৰিবলৈ অমান্তি প্ৰকাশ কৰে। সেয়েহে তেওঁ নিজা স্বাধীন কাৰ্য প্ৰণালী অনুসৰণ কৰি কংগ্ৰেছ (ই) নামেৰে এক নৱ ৰাজনৈতিক দল গঠন কৰে। ১৯৭২ চনৰ নিৰ্বাচনত চৰকাৰী যন্ত্ৰ আৰু আমোলাসকলক ব্যৱহাৰ কৰি নিৰ্বাচনত জয় লাভ কৰাৰ প্ৰত্যাহ্বান জনাই এলাহাবাদ উচ্চ ন্যায়ালয়ত জনোৱা আবেদনৰ ভিত্তিত ১৯৭৫ চনত ন্যায়ালয়ে তেওঁৰ বিৰুদ্ধে ৰায় প্ৰদান কৰাত জুন, ১৯৭৫ চনত তেওঁ ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্হা ঘোষণা কৰে। তেওঁ এই জৰুৰীকালীন অৱস্থা ঘোষণা কৰাৰ সম্পৰ্কে মন্ত্ৰীপৰিষদৰ কোনো সদস্যক অৱগত কৰা নাছিল। তেওঁ নিজৰ ৰাজনৈতিক সুৰক্ষাৰ বাবেই ৰাষ্ট্ৰৰ সংবিধানৰ গণতান্ত্ৰিক নীতিক অৱমাননা কৰি দেশত ১৮ মাহ ধৰি স্বৈৰাচাৰী শাসন প্ৰবৰ্তন কৰি আছিল।

এই কালছোৱাত তেওঁ প্ৰেছ, অনাঁতাৰ, দুৰদৰ্শন তথা অন্যান্য প্ৰচাৰ মাধ্যমৰ ওপৰত স্হগিতাদেশ ব্যৱস্থা কাৰ্যকৰী কৰিছিল আৰু বিভিন্ন সংগঠনসমূহৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছিল। তেওঁ সংবিধান সংশোধন কৰি প্ৰধানমন্ত্ৰীক ন্যায়পালিকাৰ নিয়ন্ত্ৰণৰ পৰা মুক্ত কৰিছিল। ইয়াৰোপৰি তেওঁ সংসদৰ নিৰ্বাচন পিছুৱাই সংসদৰ কাৰ্যকাল ৬ বছৰলৈ বৃদ্ধি কৰিছিল। এই কালছোৱাত তেওঁৰ কনিষ্ঠ পুত্ৰ সঞ্জয় গান্ধী এক অসাংবিধানিক ক্ষমতাৰ কেন্দ্ৰলৈ ৰূপান্তৰিত হৈছিল আৰু তেওঁৰ নীতিক বিৰুদ্ধাচৰণ কৰা বিষয়াক বেআইনীভাৱে বদলীকৰণ কৰিছিল আৰু কিছুমান ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলকো অনীতিগতভাৱে বৰ্খাস্ত কৰিছিল। ইয়াৰোপৰি তেওঁ জনসংখ্যা বৃদ্ধিক নিয়ন্ত্ৰণ কৰিবলৈ জনসাধাৰণক বলপূৰ্বকভাৱে বন্ধ্যাকৰণ কৰিবলৈ বাধ্য কৰিছিল।

ইন্দিৰা গান্ধীয়ে জৰুৰীকালীন সময়ত সংবিধানৰ সংশোধন ঘটাই ইয়াৰ অধিকাংশ অনুচ্ছেদক নিজ ইচ্ছা অনুসৰি পুনৰ গঠন কৰি লয়। তেওঁৰ এই নীতিৰ বৈধ্যকৰণ কৰিবলৈ মাৰ্চ, ১৯৭৭ চনত তেওঁ সংসদৰ নিৰ্বাচন অনুষ্ঠিত কৰে। এই নিৰ্বাচনত তেওঁৰ দল সম্পূৰ্ণৰূপে পৰাজিত হোৱাৰ লগতে ইন্দিৰা গান্ধী আৰু তেওঁৰ পুত্ৰ সঞ্জয় গান্ধীও নিৰ্বাচনত পৰাজিত হয়।

ইন্দিৰা গান্ধীৰ পুৰ্বেও স্বৈৰাচাৰী নীতিৰে শাসন পৰিচালনা কৰা হৈছিল যদিও সেই সময়ত কেন্দ্ৰ আৰু ৰাজ্যসমূহত দলৰেই চৰকাৰ থকাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ স্বৈৰাচাৰী নীতিক প্ৰতিবাদ জনোৱা নাছিল। কিন্তু ১৯৬৭ চনৰ নিৰ্বাচনৰ পিছত কিছু ৰাজ্যত অকংগ্ৰেছী চৰকাৰ গঠন হ'বলৈ ধৰে। এনে অকংগ্ৰেছী ৰাজ্যসমূহৰ ওপৰত প্ৰয়োগ কৰা স্বৈৰাচাৰী নীতিক ৰাজ্যসমূহে বিৰুদ্ধাচৰণ কৰিবলৈ আৰম্ভ কৰাৰ পিছতহে কেন্দ্ৰীয় চৰকাৰৰ স্বৈৰাচাৰী শাসনৰ প্ৰতিবাদ প্ৰতিফলিত হ'বলৈ ধৰে। ইন্দিৰা গান্ধীয়ে তেওঁৰ শাসনকালত আঠখনকৈ অকংগ্ৰেছী ৰাজ্য চৰকাৰক বৰ্খাস্ত কৰি তেওঁৰ স্বৈৰাচাৰী শাসন ব্যৱস্থাৰ পৰিচয় দিছিল। এনেদৰে ইন্দিৰা গান্ধীৰ শাসন কালৰ সময়ৰপৰাই ভাৰতবৰ্ষত স্বৈৰাচাৰী শাসনৰ বৰ্হি প্ৰকাশ হ'বলৈ ধৰে।

### ৪.২.৪ ১৯৭৭ চনৰ পৰা ১৯৮০ চনলৈ ঃ

১৯৭৭ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ (ই) দলৰ সূচনীয় পৰাজয়ে ভাৰতবৰ্ষত জনতা দলৰ এখন অকংগ্ৰেছী কেন্দ্ৰীয় চৰকাৰ গঠন কৰিবলৈ সুবিধা প্ৰদান কৰে। মোৰাজী দেশাইৰ নেৰ্তৃত্বত এখন অকংগ্ৰেছী মৰ্চা চৰকাৰ কেন্দ্ৰত প্ৰতিষ্ঠা কৰা হয়। দেশাইৰ চৰকাৰে ইন্দিৰা গান্ধীৰ দিনত প্ৰৱৰ্তন হোৱা স্বৈৰাচাৰী শাসনৰ অৱসান ঘটাই গণতান্ত্ৰিক শাসন ব্যৱস্থক সুৰক্ষিত কৰিবৰ বাবে সংস্কাৰৰ আৰম্ভণি কৰে। তেওঁ জৰুৰীকালীন

সময়ত বাতিল কৰা নাগৰিকৰ স্বাধীনতা, সংবাদ মাধ্যমৰ স্বাধীনতা পুনৰ প্ৰতিষ্ঠা কৰি আইনৰ শাসন ব্যৱস্থাৰে ৰাষ্ট্ৰ পৰিচালনাৰ প্ৰক্ৰিয়া আৰম্ভ কৰে। যদিও দেশাই এগৰাকী প্ৰাক্তন কংগ্ৰেছ দলৰ সদস্য আছিল কিন্তু তেওঁৰ আদৰ্শ ইন্দিৰা গান্ধীৰ পৰা সম্পূৰ্ণ পৃথক আছিল। তেওঁ ইন্দিৰা গান্ধীৰ দৰে ভাৰতীয় ৰাজনীতিৰ পৰিৱৰ্তনশীল নীতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। দেশাইৰ চৰকাৰে জৰুৰীকালীন সময়ত সম্পাদন কৰা সংবিধান সংশোধনী বাতিল কৰি সংবিধানৰ পুনৰ সংশোধন কৰে। তেওঁ সংসদৰ কাৰ্যকাল পুনৰ ৫ বছৰলৈ অৱনমিত কৰে আৰু ভৱিষ্যতে কোনো প্ৰধানমন্ত্ৰীয়ে যাতে সহজে ৰাষ্ট্ৰীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰিব নোৱাৰে এনে ধাৰা সংবিধানত অন্তৰ্ভূক্ত কৰে। ইয়াৰোপৰি দেশাইৰ চৰকাৰে ইন্দিৰা গান্ধীৰ শাসন কালৰ দুৰ্নীতি, মানৱ অধিকাৰ উলংঘনকাৰী ঘটনা, ৰাজনৈতিক দল, পুলিচবাহিনী আৰু সঞ্জয় গান্ধীৰ বিৰুদ্ধে অনুসন্ধান আয়োগ গঠন কৰি এনে গোচৰৰ অনুসন্ধান কৰে। অনুসন্ধানৰ শেষত ইন্দিৰা গান্ধী আৰু সঞ্জয় গান্ধীক দুৰ্নীতিত লিপ্ত থকাৰ দোষী সাব্যস্ত কৰি গ্ৰেপ্তাৰ কৰা হয়।

দেশাই চৰকাৰৰ কাৰ্যকালৰ সময়তো স্বৈৰাচাৰী নীতিৰ অনুসৰণ হৈছিল। চৰকাৰ গঠনৰ লগে লগেই দেশাইয়ে নখন কংগ্ৰেছ শাসিত ৰাজ্য চৰকাৰক ভংগ কৰি নতুন নিৰ্বাচন অনুষ্ঠিত কৰিছিল। নিৰ্বাচনত কংগ্ৰেছ দল সকলো ৰাজ্যতে পৰাজিত হয়। আৰু জনতা দলে সাতখন ৰাজ্যত নিজা শাসন প্ৰতিষ্ঠা কৰে। এনেদৰে দেশাই চৰকাৰেও স্বৈৰাচাৰী নীতিক আগবঢ়াই নিয়াত উল্লেখযোগ্য ভূমিকা পালন কৰিছিল।

আভ্যন্তৰীণ অস্থিৰতাৰ বাবে আৰু চৰকাৰৰ বাকী অংশীদাৰী দলসমূহৰ সমৰ্থন প্ৰত্যাহাৰৰ বাবে দেশাইৰ চৰকাৰে ইয়াৰ সম্পূৰ্ণ কাৰ্যকাল পুৰণ কৰিব নোৱাৰিলে। চৌধুৰী চৰণ সিঙৰ নেৰ্তৃত্বত পুনৰ এখন মৰ্চা চৰকাৰ গঠন কৰা হৈছিল যদিও এই চৰকাৰে সংসদত নিজৰ সংখ্যাগৰিষ্ঠতা প্ৰদৰ্শন কৰিব পৰা নাছিল। সেয়েহে ১৯৮০ চনত সংসদ ভংগ কৰি পুনৰ নিৰ্বাচন আহ্বান কৰা হয়।

### ৪.২.৫. ১৯৮০ চনৰ পৰা ১৯৮৪ চনলৈ ঃ

১৯৮০ চনৰ নিৰ্বাচনত ইন্দিৰা গান্ধীৰ কংগেছ দলে পুনৰ একক সংখ্যাগৰিষ্ঠতাৰে কেন্দ্ৰত চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়। শাসনলৈ অহাৰ লগে লগে ইন্দিৰা গান্ধীয়ে তেওঁৰ পূৰ্বৱৰ্তী চৰকাৰৰ দৰেই নখন অকংগ্ৰেছী ৰাজ্য চৰকাৰক বৰ্খাস্ত কৰি পুনৰ নিৰ্বাচনৰ নিৰ্দেশ প্ৰদান কৰে। এনেদৰেই ইন্দিৰা গান্ধীয়ে তেওঁৰ দ্বিতীয়টো কাৰ্যকালত পদত অধিষ্ঠিত হৈ স্বৈৰাচাৰী নীতিৰ আৰম্ভণি কৰে।

আকৌ পঞ্জাৱত শিখ বিদ্ৰোহীসকলক দমনৰ বাবে অমৃতস্বৰৰ স্বৰ্ণ মন্দিৰত সামৰিক বাহিনীৰ আক্ৰমণৰ সিদ্ধান্তও তেওঁৰ স্বৈৰাচাৰী শাসনৰ আন এক উদাহৰণ। তেওঁ শিখ উগ্ৰপন্থীক দমন কৰিবলৈ ব্যৱহাৰ কৰা নীতিৰ ফলতেই পৰৱৰ্তী সময়ত তেওঁৰ শিখ সম্প্ৰদায়ৰ ব্যক্তিগত দেহৰক্ষীৰ হাতত প্ৰাণ হেৰুৱাব লগা হৈছিল।

আন কথাত ক'বলৈ হ'লে ইন্দিৰা গান্ধীৰ শাসনতেই ভাৰতীয় ৰাজনীতিত স্বৈৰাচাৰী শাসনৰ ধাৰা তুংগত উপনীত হৈছিল।

**৪.২.৬. ১৯৮৪ চনৰ পৰা ১৯৯০ চনলৈ ঃ**

ইন্দিৰা গান্ধীৰ আকস্মিক মৃত্যুৰ পিছত বহুতো দলীয় জ্যেষ্ঠ সদস্যৰ বিৰোধৰ স্বত্বেও ৰাজীৱ গান্ধী ভাৰতৰ প্ৰধানমন্ত্ৰীৰ পদত অধীস্থিত হয়। প্ৰাৰম্ভিক সময়ত তেওঁৰ মাতৃ ইন্দিৰা গান্ধীৰ পৰিৱৰ্তে ককাক জৱাহৰ লাল নেহৰুৰ আদৰ্শৰে ৰাজনৈতিক ব্যৱস্থা পৰিচালনাত গুৰুত্ব আৰোপ কৰিছিল। তেওঁ যিকোনো বিবাদৰ পৰা ফালৰি কাটি সকলো দল আৰু চৰকাৰক গুৰুত্ব প্ৰদান কৰিছিল। কিন্তু কিছু সময়ৰ পিছতেই তেওঁ মাতৃৰ পথকেই অনুসৰণ কৰিবলৈ ধৰি স্বৈৰাচাৰী শাসনত গুৰুত্ব আৰোপ কৰিবলৈ ধৰে। তেওঁ সদনৰ অধিবেশনৰ পৰা আঁতৰি থকা, ৰাষ্ট্ৰপতিক নিয়মীয়া সাক্ষাৎ বৰ্জন কৰা আৰু তেওঁৰ উপস্থিতিতেই ৰাজ্য সভাত তেওঁৰ দলীয় সদস্যৰ দ্বাৰা উপৰাষ্ট্ৰপতিক অৱমাননা কৰাৰ দৰে কাৰ্যত লিপ্ত হয়। তেওঁৰ কাৰ্যকালত তেওঁ মাতৃ আৰু ককাকৰ দিনত যিমান সংখ্যক মন্ত্ৰীক বৰ্খাস্ত কৰিছিল তাতোতকৈ বহুগুণে অধিক মন্ত্ৰীক বৰ্খাস্ত কৰে। ইয়াৰোপৰি, তেওঁ ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলক সঘনে নতুন দিল্লীলৈ যাবলৈ বাধা কৰিছিল। তেওঁক বৰ্ফচ আৰু আন আন কেলেংকাৰীত অভিযুক্ত কৰাৰ বাবে বিৰোধীসকলক ঘৃণাৰ দৃষ্টিৰে চাইছিল। ৰাজীৱ গান্ধীয়ে দল আৰু চৰকাৰক স্বৈৰাচাৰীভাৱে পৰিচালনা কৰিছিল। তেওঁ দলৰ ভিতৰত আভ্যন্তৰীণ ক্ষেত্ৰত গণতান্ত্ৰিক ব্যৱস্থাৰ বিলুপ্তি সাধন কৰিছিল। এনেদৰে তেওঁৰ দল আৰু চৰকাৰত অৱলম্বন কৰা স্বৈৰাচাৰী নীতিৰ বাবে এসময়ত ভাৰতৰ যুৱৰাজ হিচাপে অভিহিত ব্যক্তিজনাই নিজৰ গৌৰৱ হেৰুৱাব ধৰে। আৰু **১৯৮৯** চনৰ নিৰ্বাচনত তেওঁৰ দলে পৰাজয় বৰণ কৰে।

১৯৮৯ চনৰ নিৰ্বাচনত কংগ্ৰেছ দল পৰাজিত হোৱাৰ বাবে অকংগ্ৰেছী দলসমূহে ভি. পি. সিঙৰ নেতৃত্বত জনতা দলৰ চৰকাৰ প্ৰতিষ্ঠা কৰে। ভি. পি. সিঙৰ কাৰ্যকালতো কিছুপৰিমাণে স্বৈৰাচাৰী শাসন প্ৰতিফলিত হয়। তেওঁৰ কাৰ্যকালত মণ্ডল আয়োগৰ পৰামৰ্শ কাৰ্যকৰী কৰিবলৈ গ্ৰহণ কৰা স্বৈৰাচাৰী সিদ্ধান্তই তেওঁৰ চৰকাৰৰ পতনৰ কাৰণ হিচাপে পৰিগণিত হয়।

ভি. পি. সিং চৰকাৰৰ পতনৰ পিছত চন্দ্ৰ শেখৰৰ নেৰ্তৃত্বত এখন সংখ্যালঘু চৰকাৰ প্ৰতিষ্ঠা কৰা হয়। এই চৰকাৰৰ দিনত কাশ্মীৰ আৰু পঞ্জাবৰ উগ্ৰপন্থীসকলৰ লগত প্ৰত্যক্ষ আলোচনাৰ প্ৰস্তাৱ আগবঢ়ায়। ইয়াৰোপৰি, বাবৰী মছজিদৰ সম্পৰ্কত বিশ্ব হিন্দু পৰিষদ আৰু সৰ্বভাৰতীয় বাবৰী মছজিদ সংগ্ৰাম সমিতিৰ লগত একেলগে আলোচনাৰ ব্যৱস্হা কৰিছিল। পাৰস্যৰ যুদ্ধৰ সময়ত তেওঁ নিজৰ স্বৈৰাচাৰী নীতি প্ৰৰ্দশন কৰি এক বিবাদমান সিদ্ধান্ত গ্ৰহণ কৰিছিল।

**৪.২.৭. আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১) ভাৰত পাকিস্তানৰ যুদ্ধৰ ফলত কোনখন ৰাষ্ট্ৰ গঠন হৈছিল?

------------------------------------------------------------

------------------------------------------------------------

২) কোন চনৰ নিৰ্বাচনৰ দোষী হিচাপে ইন্দিৰা গান্ধীক দোষাৰোপ কৰা হৈছিল?

------------------------------------------------------------

------------------------------------------------------------

৩) কোন চনত ভাৰতত জাতীয় জৰুৰীকালীন অৱস্থা ঘোষণা কৰা হৈছিল?

------------------------------------------------------------

------------------------------------------------------------

৪) দেশাই চৰকাৰৰ এক স্বৈৰাচাৰী নীতিৰ উদাহৰণ দিয়া।

------------------------------------------------------------

------------------------------------------------------------

৫) ৰাজীৱ গান্ধীৰ কাৰ্যকালত কংগ্ৰেছ দলৰ সাংগঠনিক গঠন কেনেধৰণৰ আছিল?

------------------------------------------------------------

------------------------------------------------------------

### ৪.২.৮. ১৯৯১ চনৰ পৰা ১৯৯৬ চনলৈ ঃ

১৯৯১ চনৰ সংসদৰ নিৰ্বাচনৰ প্ৰাকমূৰ্হূতত ৰাজীৱ গান্ধীৰ হত্যাৰ ফলত পি. ভি. নৰসিংহ ৰাওক কংগ্ৰেছ দলৰ সংসদীয় নেতা হিচাপে নিৰ্বাচিত কৰি প্ৰধানমন্ত্ৰীৰ পদত নিযুক্ত কৰা হয়। যদিও তেওঁ নেহৰু গান্ধী পৰিয়ালৰ দৰে কোনো ঐশ্বৰিক প্ৰতিভাৰ গৰাকী নাছিল তথাপিও তেওঁ দলত পুনৰ গণতান্ত্ৰিক নিৰ্বাচনী আৰম্ভ কৰিছিল। নৰসিংহ ৰাওৱেও তেওঁৰ শাসনকালত কিছু পৰিমাণে স্বৈৰাচাৰী প্ৰৱণতাক প্ৰতিফলিত কৰিছিল। তেওঁ বিৰোধীৰ লগত সহনশীলতাৰ পৰিৱৰ্তে বাক্ -যুদ্ধত লিপ্ত হৈছিল। ইয়াৰোপৰি ৰাওৱে তেওঁৰ চৰকাৰৰ সিদ্ধান্তসমূহ গ্ৰহণৰ সময়ত মন্ত্ৰীপৰিষদৰ আন আন সদস্যক অন্তভূৰ্ক্ত কৰাৰ পৰিৱৰ্তে সিদ্ধান্ত গ্ৰহণৰ সকলো ক্ষমতা নিজৰ ওচৰত কেন্দ্ৰীভূত কৰি ৰাখিছিল। সেয়েহে তেওঁৰ চৰকাৰে পঞ্জাৱ-কাশ্মীৰ সমস্যা সমাধানত বিশেষ সফলতা লাভ কৰিব পৰা নাছিল।

পূৰ্বৰ চৰকাৰৰ তুলনাত ৰাওৰ চৰকাৰৰ কাৰ্যকালত স্বৈৰাচাৰী শাসনৰ ধাৰা কিছু পৰিমানে সীমিত হ'বলৈ বাধ্য হয়। এখন সংখ্যালঘু চৰকাৰৰ মুৰব্বী হোৱাৰ বাবেই তেওঁ কিছু পৰ্যায়লৈ নিজৰ স্বৈৰাচাৰী নীতিক সীমাবদ্ধ কৰিবলৈ বাধ্য হয়।

### ৪.২.৯. ১৯৯৬ চনৰ পৰা বৰ্তমানলৈ ঃ

১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনত কোনো দলেই চৰকাৰ গঠন কৰিব পৰাকৈ সংখ্যাগৰিষ্ঠতা লাভ কৰা নাছিল। এই নিৰ্বাচনৰ পিছৰ পৰাই ভাৰতত ক্ৰমাগতভাৱে মৰ্চা চৰকাৰ গঠন হৈ আহিছে। কোনো ৰাষ্ট্ৰীয় দলে একক সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰিব নোৱাৰাৰ ফলত আঞ্চলিক দলসমূহে তেওঁলোকৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়। আঞ্চলিক দলসমূহৰ কেন্দ্ৰৰ চৰকাৰ গঠনত অংশগ্ৰহণৰ লগে লগেই কেন্দ্ৰীয় চৰকাৰৰ স্বৈৰাচাৰী শাসন ব্যৱস্থাৰ পৰিসৰ সীমিত হ'বলৈ ধৰে। কেন্দ্ৰত মৰ্চা চৰকাৰৰ গঠনৰ পিছত পুৰ্বৰ দৰেই সকলো সিদ্ধান্ত কেন্দ্ৰই অকলশৰীয়াকৈ গ্ৰহণ কৰিবলৈ সক্ষম নোহোৱা হয়। এনে চৰকাৰৰ সময়ত কোনো ৰাজ্যত সাংবিধানিক অচলাৱস্থাৰ নামত ৰাষ্ট্ৰপতিৰ শাসন প্ৰৱৰ্তন কৰিবলৈ কঠিন হৈ পৰে। আঞ্চলিক দলসমূহেই এনে মৰ্চা চৰকাৰৰ ৰাজ্য বিৰোধী বা যিকোনো স্বৈৰাচাৰী সিদ্ধান্তৰ বিৰুদ্ধে প্ৰতিবাদ কৰি চৰকাৰক অস্থিৰ কৰিব পাৰে। সেয়েহে পূৰ্বৰ তুলনাত ১৯৯৬ চনৰ পাছৰে পৰা বৰ্তমান সময়লৈকে কোনো কেন্দ্ৰীয় চৰকাৰে নিজৰ ৰাজনৈতিক লাভালাভৰ বাবে কোনো ৰাজ্য চৰকাৰক বৰ্খাস্ত কৰিব পৰা নাই। আন কথাত ক'বলৈ হ'লে মৰ্চা চৰকাৰৰ ৰাজনীতিয়ে কেন্দ্ৰীয় চৰকাৰক স্বৈৰাচাৰী শাসন প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত বহু পৰিমাণে বাধা আৰোপ কৰিছে। বৰ্তমান চৰকাৰে কোনো সিদ্ধান্ত নিজাববীয়াকৈ গ্ৰহণ

কৰাৰ পৰিৱৰ্তে ইয়াৰ সহযোগী দলসমূহৰ লগত আলাপ আলোচনাত মিলিত হৈহে গ্ৰহণ কৰিব পাৰে।

### ৪.২.১০. আত্মমূল্যায়নৰ প্ৰশ্ন ঃ

১) স্বৈৰাচাৰী শাসন সীমিত হোৱাৰ এটা কাৰণ লিখা।

--------------------------------------------------------------

--------------------------------------------------------------

২) ভাৰতত কেতিয়াৰ পৰা নিয়মীয়া ৰূপত মৰ্চা চৰকাৰ গঠন হৈ আহিছে?

--------------------------------------------------------------

--------------------------------------------------------------

৩) কাৰ কাৰ্যকালৰ সময়ত পাৰস্যৰ যুদ্ধ সংঘটিত হৈছিল ?

--------------------------------------------------------------

--------------------------------------------------------------

### ৪.৩ সামৰণি ঃ

ভাৰতৰ সংবিধানে ভাৰতবৰ্ষক এখন গণতান্ত্ৰিক গণৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰিছে, কিন্তু এই গণৰাজ্যত জনগণৰ দ্বাৰা নিৰ্বাচিত চৰকাৰে বহু সময়ত স্বৈৰাচাৰীৰে শাসন পৰিচালনা কৰি ইয়াৰ গণৰাজ্যিক বৈশিষ্ট্যত আঘাত হানিছে। প্ৰধানমন্ত্ৰীৰ পদত অধীস্থিত ব্যক্তিৰ ক্ষমতাৰ অপব্যৱহাৰৰ বাবেই স্বৈৰাচাৰী শাসনৰ ব্যৱস্থা প্ৰচলন হ'বলৈ ধৰে। এনে ব্যক্তিৰ চৰকাৰ আৰু দলৰ ওপৰত থকা নিজৰ নিয়ন্ত্ৰণৰ ফলত স্বৈৰাচাৰীভাবে শাসন পৰিচালনা কৰাত সহায়ক হৈছে। কিন্তু ১৯৯৬ চনৰ নিৰ্বাচনৰ পিছৰপৰা কোনো ৰাষ্ট্ৰীয় ৰাজনৈতিক দলে নিৰ্বাচনত একক সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰাৰ ফলত আৰু আঞ্চলিক দলসমূহৰ ৰাষ্ট্ৰীয় ৰাজনীতিত বৰ্ধিত প্ৰভাৱৰ ফলত বৰ্তমানে ভাৰতীয় ৰাজনীতিত স্বৈৰাচাৰী শাসনৰ ধাৰা বহু পৰিমাণে সীমিত হৈ পৰিছে। ইয়াৰোপৰিও সংবাদ মাধ্যমৰ বৰ্ধিত ভূমিকা আৰু জমসাধাৰণৰ বৰ্ধিত সজাগতায়েও স্বৈৰাচাৰী মনোভাৱক নিয়ন্ত্ৰণ কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

**ঘাই শব্দসমূহ ঃ**

**গণৰাজ্য** - জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত ৰাষ্ট্ৰৰ মুৰব্বীৰ ব্যৱস্হা।

**আইনৰ শাসন** - ৰাষ্ট্ৰৰ সাংবিধানিক আইনৰ দ্বাৰা নিয়ন্ত্ৰিত শাসন ব্যৱস্থা।

**সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ**- জাতি বৰ্ণ ধৰ্ম নিৰ্বিশেষে সকলোকে নিৰ্দিষ্ট বয়সত উপনীত হোৱা পাছত ভোটাধিকাৰ প্ৰদান কৰা।

**কেবিনেট** - মন্ত্ৰীপৰিষদৰ কেইজন গুৰুত্বপূৰ্ণ মন্ত্ৰী যি সকলে চৰকাৰী সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰে।

**ৰাজন্যবৰ্গৰ ভাট্টা**- পূৰ্বৰ ৰাজকীয় পৰিয়ালৰ সদস্যসকলক প্ৰদান কৰা এক ভাট্টা।

**প্ৰচাৰ মাধ্যমৰ ওপৰত স্থগিতাদেশ** - প্ৰচাৰ মাধ্যমক মুক্ত আৰু নিৰপেক্ষ ভাৱে বাতৰি পৰিবেশনৰ ওপৰত কৰা বাধা।

**প্ৰসংগ পুথিঃ**

1. Indian Government and Politics by Dr. T. Lahon, Bani Publication.
2. Indian Government and Politics by B.L. Fadia Pratiyoita Sahitya Publication.
3. Indian Government and Politics by Bidyut Chakrabarty, Rajendra Kumar Pandey, Sage India Publication
4. Indian Government and Politics by P.C. Gupta, Sublime Publication.
5. Indian Government and Politics by S.S. Awasthi, Haranand Publications Pvt. Ltd.

**সাম্ভাব্য প্ৰশ্ন ঃ**:

১) জৱাহৰলাল নেহৰুৰ কাৰ্য্যকালত ৰাষ্ট্ৰৰ নীতি গঠন ব্যৱস্থাৰ সম্পৰ্কে বৰ্ণনা কৰা।

২) লালবাবাদুৰ শাস্ত্ৰীৰ উদাৰ/নমনীয়তা দৃষ্টিভংগীৰ সৰ্ম্পৰ্কে লিখা।

৩) ইন্দিৰা গান্ধীৰ শাসন কালৰ স্বৈৰাচাৰী শাসনৰ এক বৰ্ণনা কৰা।

৪) ৰাজীৱ গান্ধীৰ কাৰ্য্যকালৰ স্বৈৰাচাৰী শাসন ব্যৱস্থাৰ বৰ্ণনা কৰা।

৫) মৰ্চা চৰকাৰ ব্যৱস্থাই কেনেকৈ স্বৈৰাচাৰী প্ৰৱণতাক সীমিত কৰাত সহায় কৰিছে বৰ্ণনা কৰা।

# গোট - ৫
# (Unit-5)
## ৰাজনৈতিক আৰু আমোলাতান্ত্রিক দুর্নীতি

**গঠন বিন্যাস ঃ**


৫.১ উদ্দেশ্য

৫.২ প্রস্তাৱনা

৫.৩ ৰাজনৈতিক দুর্নীতি

৫.৩.১ ৰাজনৈতিক দুর্নীতিৰ অৰ্থ

৫.৩.২ ৰাজনৈতিক দুর্নীতিৰ পৰিসৰ

৫.৩.৩ ৰাজনৈতিক দুর্নীতিৰ কাৰণ

৫.৩.৪ ৰাজনৈতিক দুর্নীতি নিবাৰণৰ উপায়

আত্মমূল্যায়নৰ প্ৰশ্ন

৫.৪ আমোলাতান্ত্রিক দুর্নীতি

৫.৪.১ আমোলাতান্ত্রিক দুর্নীতিৰ ধাৰণা

৫.৪.২ আমোলাতান্ত্রিক দুর্নীতিৰ পৰিসৰ

৫.৪.৩ আমোলাতান্ত্রিক দুর্নীতিৰ বৃদ্ধিৰ কাৰণ

৫.৪.৪ আমোলাতান্ত্রিক দুর্নীতি নিৰাময়ৰ উপায়সমূহ

আত্মমূল্যায়নৰ প্ৰশ্ন

৫.৫ সামৰণি

৫.৬ ঘাই শব্দসমূহ

৫.৭ পাঠ্য নির্দেশনা

আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ

প্ৰসংগ পুঁথি

আৰ্হি প্ৰশ্ন

**৫.১ উদ্দেশ্য ঃ**

এই গোটটো পঢ়াৰ পাছত তোমালোকে -

- দুর্নীতিৰ সম্পৰ্কে এক সাধাৰণ অৱধাৰণা লাভ কৰিব পাৰি।
- ৰাজনৈতিক আৰু আমোলাতান্ত্রিক দুর্নীতিৰ অৰ্থ নিৰূপণ কৰাৰ লগতে ইয়াৰ কাৰণসমূহৰ সম্পৰ্কে এক স্পষ্ট ধাৰণা লাভ কৰিব পাৰিবা।
- ৰাজনৈতিক আৰু আমোলাতান্ত্রিক দুর্নীতিৰ নিৱাৰণৰ উপায় সম্পৰ্কে অৱগত হোৱাৰ লগতে, সমাজ ব্যৱস্থা তথা ৰাজনৈতিক ব্যৱস্থাত প্ৰচলিত প্ৰভাৱ সম্পৰ্কে আভাস লাভ কৰিব পাৰিবা।

**৫.২. প্ৰস্তাৱনা ঃ**

তোমালোকে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰ ব্যৱস্থাৰ কাৰ্য্যপালিকাৰ গঠন, ক্ষমতা সম্পৰ্কে অৱগত হোৱাৰ লগতে কাৰ্য্যাৱলী সম্পৰ্কে অৱগত হৈছা। ভাৰতবৰ্ষত সাধাৰণতে দুই ধৰণৰ কাৰ্য্যপালিকা আছে - নামমাত্ৰ কাৰ্য্যপালিকা আৰু প্ৰকৃত কাৰ্য্যপালিকা। আকৌ প্ৰকৃত কাৰ্য্যপলিকা দুই প্ৰকাৰৰ - স্থায়ী আৰু অস্থায়ী কাৰ্য্যপালিকা। স্থায়ী কাৰ্য্যপালিকা বুলিলে প্ৰধানমন্ত্ৰী আৰু তেওঁৰ মন্ত্ৰীপৰিষদক বুজায়। আনহাতে, অস্থায়ী কাৰ্য্যপালিকা বুলিলে আমোলাসকলক বুজায়। অৰ্থাৎ চৰকাৰৰ বিভাগীয় কৰ্মচাৰীসকলে স্থায়ীভাৱে প্ৰশাসনীক কাৰ্য্য পৰিচালনা কৰিবলৈ সুবিধা পায়। কিন্তু গণতান্ত্রিক ৰাষ্ট্ৰ ব্যৱস্থাত প্ৰত্যেক পাঁচ বছৰৰ মূৰে মূৰে চৰকাৰ পৰিবৰ্তন হ'ব পাৰে, গতিকে ৰাজনৈতিক দল ভিত্তিত নিৰ্বাচিত হোৱা প্ৰতিনিধি সকলে অস্থায়ী ভাবেহে প্ৰশাসন যন্ত্ৰ পৰিচালনা কৰিবলৈ সুবিধা পায়।

এই অধ্যায়ত ৰাজনৈতিক নেতা আৰু আমোলা বিষয়াসকলে নীতি বৰ্হিভূত ভাৱে কৰা দুৰ্নীতিমূলক কাৰ্য্যৰ প্ৰকৃতি, স্বৰূপ আৰু পৰিসৰ সম্পৰ্কে আলোচনা কৰা হৈছে। তোমালোকে, এই অধ্যায়ত ভাৰতবৰ্ষত প্ৰভাৱিত হোৱা ৰাজনৈতিক আৰু আমোলাতান্ত্রিক দুৰ্নীতি সম্পৰ্কে আভাস পাবা। লগতে সমাজৰ সকলো দিশতে প্ৰবাহিত হোৱা ৰাজনৈতিক আৰু আমোলাতান্ত্রিক দুৰ্নীতিয়ে সামাজিক ভাৱে পেলোৱা প্ৰভাৱ তথা সামাজিক অসমতা বৃদ্ধি সম্পৰ্কে অধ্যয়ন আৰু বিশ্লেষণৰ সুবিধা পাবা।

বৰ্তমানৰ সামাজিক প্ৰেক্ষাপটত ৰাজনৈতিক আৰু আমোলাতান্ত্রিক দুৰ্নীতি এক ব্যাধি হিচাপে পৰিগণিত হৈছে। অৱশ্যে সাম্প্ৰতিক কালছোৱাত পৃথিৱীৰ প্ৰায়বোৰ ৰাষ্ট্ৰ ব্যৱস্থাত এই দুৰ্নীতিৰ প্ৰভাৱ বিশেষভাৱে বিদ্যমান। এই ৰাজনৈতিক আৰু আমোলাতান্ত্রি ক দুৰ্নীতিৰ প্ৰভাৱ সমাজৰ কেৱল কিছুসংখ্যক ব্যক্তিৰ ওপৰতেই নপৰে, ই সমাজৰ সকলো শ্ৰেণীৰ ব্যক্তিৰ ওপৰতে প্ৰভাৱ পেলাই আহিছে। এই অধ্যায়ত ছাত্ৰ-ছাত্ৰীসকলৰ উপযোগী হোৱাকৈ ৰাজনৈতিক আৰু আমোলাতান্ত্রিক দুৰ্নীতিৰ অৰ্থ পৰিসৰ,

কাৰণ আৰু নিৰাময়ৰ উপায়সমূহ আলোচনা কৰা হৈছে। এই বিষয়সমূহৰ অধ্যয়নৰ যোগেদি তোমালোকে আমাৰ দেশত প্ৰচলিত এক সামাজিক সমস্যা সম্পৰ্কে অৱগত হ'ব পাৰিবা। লগতে আমাৰ ৰাষ্ট্ৰব্যৱস্থাৰ প্ৰগতি তথা গতিশীলতাত বিশেষভাৱে বাধা হিচাপে ৰাজনৈতিক আৰু আমোলাতান্ত্ৰিত দুৰ্নীতি চিহ্নিত হৈছে, তাক পৰ্য্যালোচনা কৰিবলৈ সক্ষম হ'ব পাৰিবা।

### ৫.৩.১ ৰাজনৈতিক দুৰ্নীতিৰ অৰ্থ ঃ

সাধাৰণ অৰ্থত, ৰাজনৈতিক দুৰ্নীতি বুলিলে ৰাজনীতিত জড়িত ব্যক্তিসকলে কৰা অসাংৱিধানিক কাম-কাজ বুজায়। অৱশ্যে বহল অৰ্থত ৰাজনৈতিক কাৰ্য্যকলাপত জড়িত ব্যক্তিসকলে প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে ৰাষ্ট্ৰ ব্যৱস্থাৰ প্ৰচলিত নীতি বৰ্হিভূত তথা সামাজিক ভাৱে স্বীকৃতি নোপোৱা কাৰ্য্যকলাপ কৰাকে বুজায়। বিশেষকৈ ৰাজনৈতিক নেতাসকলে নিজ ব্যক্তি স্বাৰ্থ সুৰক্ষাৰ বাবে আত্মকেন্দ্ৰীক মনোভাৱেৰে বহু কাৰ্য্য সমাপন কৰে। আৰু তেওঁলোকৰ অ-চিন্তনীয় কাৰ্য্য নিজ নিজ দলীয় আদৰ্শক আঘাত কৰাৰ লগতে ৰাষ্ট্ৰ ব্যৱস্থাত এক বিৰূপ প্ৰভাৱ পেলায়। গতিকে, ৰাজনীতিত জড়িত ব্যক্তিসকলে ক্ষমতা কেন্দ্ৰীক মনোভাৱেৰে আদৰ্শচ্যুত হৈ বহু ৰাষ্ট্ৰবিৰোধী কাৰ্য্য সমাপন কৰে।

আমাৰ ভাৰতবৰ্ষত, স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাৰ পৰাই ৰাজনৈতিক ক্ষেত্ৰখনত ব্যাপকভাৱে দুৰ্নীতিয়ে গা কৰি উঠিছে। বৰ্তমান ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত দুৰ্নীতি এক 'সৰ্বব্যাপী' প্ৰচলিত সাধাৰণ ঘটনা হিচাপে বিবেচিত হৈছে। ভাৰতীয় জনগণৰ দৃষ্টিগোচৰ হোৱা বহু ৰাজনৈতিক দুৰ্নীতিয়ে, ভাৰতবৰ্ষক বিশ্ববাসীৰ দৃষ্টিত এখন দুৰ্নীতি পৰায়ণ দেশ হিচাপে চিনাকী দিছে। যাৰ বাবে, বহু বিদেশী ৰাষ্ট্ৰই তেওঁলোকৰ অৰ্থনৈতিক লেনদেন তথা আৰ্থ সামাজিক সম্পৰ্ক ৰক্ষা কৰাৰ ক্ষেত্ৰত আলোচনাৰ মাধ্যমেৰে গ্ৰহণ কৰাৰ ক্ষেত্ৰত পক্ষপাতী হয়।

### ৫.৩.২ ৰাজনৈতিক দুৰ্নীতিৰ পৰিসৰ ঃ

বৰ্তমানৰ ৰাজনৈতিক ব্যৱস্থাত, ৰাজনৈতিক দুৰ্নীতি এক বিশেষ গুৰুত্বপূৰ্ণ সমস্যা। কাৰণ, আমাৰ দেশখনৰ সৰ্বাংগীন বিকাশ আৰু বহনক্ষম প্ৰগতি, ৰাজনৈতিক দক্ষতা আৰু গতিশীলতাৰ ওপৰতেই নিৰ্ভৰ কৰে। কিন্তু ভাৰতীয় ৰাজনীতিত দুৰ্নীতিৰ পৰিসৰ সৰ্বত্ৰ বিৰাজমান। ৰাজনৈতিক নেতাসকলে দলীয় প্ৰাৰ্থিত্ব আগবঢ়াৰৰ বাবে প্ৰয়োজনীয় দলীয় টিকট লাভ কৰিবৰ বাবে দলীয় নেতাক উৎকোচ দিয়াৰ লগতে চৰকাৰ গঠনৰ সময়ত সাংসদ আৰু বিধায়ক ক্ৰয় কৰা ঘটনা, এক সাধাৰণ নীতিলৈ ৰূপান্তৰিত হৈছে।

স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত সংঘটিত হোৱা কেতবোৰ বিশেষ দুৰ্নীতি সম্পৰ্কীয় ঘটনা এনেধৰণৰ বৰ্ফচ কেলেংকাৰী, সাৰৰ কেলেংকাৰী, বিহাৰৰ পশুখাদ্যৰ কেলেংকাৰী, খাদ্য যোগান কেলেংকাৰী, এল অ'চি কেলেংকাৰী, হাওলা কেলেংকাৰী, উত্তৰ প্ৰদেশৰ আয়ুৰ্বেদিক কেলেংকাৰী, তামিলনাডুৰ কয়লা কেলেংকাৰী, অসমৰ কাৰ্বিআংলং স্বায়ত্ব পৰিষদৰ ১০০০ কোটী টকীয়া কেলেংকাৰী আৰু বৰ্তমান সৰ্বত্ৰ চৰ্চিত ২ জি স্পেকট্ৰাম কেলেংকাৰী আদিত ৰাজনীতিবিদসকল জড়িত থকাৰ অভিযোগ উঠি আহিছে, আৰু ইয়াৰ প্ৰভাৱ আমাৰ ৰাজনৈতিক ক্ষেত্ৰখনত বিয়োগাত্মক প্ৰভাৱ পেলাইছে।

গতিকে, বহল অৰ্থত ৰাজনৈতিক দুৰ্নীতিৰ পৰিসৰ বিশ্লেষণ কৰিবলৈ যাওঁতে, আমি ক'ব পাৰে যে- নিৰ্বাচনত অংশলোৱা নেতা আৰু তেওঁলোকৰ সংগীসকলে ৰাইজৰ প্ৰতিনিধি হিচাপে বিশেষ ধন-জনৰ 'দিয়া-লোৱা' লেনদেনত জড়িত হৈ পৰে আৰু তাৰে ভিতৰত যিসকল ৰাইজৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত হোৱাৰ পিছত লাভ কৰা ক্ষমতাৰ জৰিয়তে নিজৰ অৰ্থনৈতিক লাভালাভৰ গুৰুত্ব দিয়াৰ লগতে, নিজ সম্বন্ধীয় ৰাজনৈতিক আনুগত্য তথা লোকসকলক অৰ্থনৈতিক বাবে সুবিধা দিবলৈ সম্পূৰ্ণৰূপে প্ৰচেষ্টা চলায়। ফলশ্ৰুতিতে, সমাজৰ এচাম লোকে অনিয়ম কৰি ধন উপাৰ্জন কৰিৱলৈ সক্ষম হয়। ইয়াৰউপৰিও, ৰাজনৈতিক নেতাসকলে চৰকাৰী চাকৰিৰ নিযুক্তিত, ব্যৱসায়ৰ অনুজ্ঞা পত্ৰ প্ৰদান, কোনো চৰকাৰী কামৰ ঠিকাৰ অনুমোদন, আনকি বৈদেশিক ৰাষ্ট্ৰৰ লগতো কোনো ব্যৱযায়ীৰ লগত বিনিয়োগ সম্পৰ্কীয় অনুমোদনৰ ক্ষেত্ৰত 'ধন'ৰ লেনদেন এক সাধাৰণ বিষয় হিচাপে স্বীকৃতি লাভ কৰাত, এইসকল লোকে নিজ স্বাৰ্থ সুৰক্ষাৰ বাবে আইন বৰ্হিভূত ভাবে দুৰ্নীতিপৰায়ণ কাৰ্য্যসমুহ সমাপন কৰি আহিছে।

এখন দেশৰ ভৱিষ্যত গণতান্ত্ৰিক চৰকাৰখনৰ ওপৰতেই নিৰ্ভৰ কৰে। কিন্তু আমাৰ দেশখনত চৰকাৰ গঠনৰ ক্ষেত্ৰত বৃহৎ পৰিমানৰ 'ধন'ৰ লেন-দেনৰ বাতৰি ইতিমধ্যে সংবাদ মাধ্যমত বিশেষভাৱে প্ৰচাৰিত হৈছে। উদাহৰণস্বৰূপে- চৰকাৰ গঠনৰ বাবে সাংসদ আৰু বিধায়ক ক্ৰয়ৰ কেইবাটাও ঘটনা কেন্দ্ৰীয় ৰাজনীতিৰ লগতে ৰাজ্যৰ ৰাজনীতি অন্যতম ঘটনা।

ভাৰতবৰ্ষৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী পি. ভি. নৰসিংহ ৰাওৰ চৰকাৰখনে নিজ চৰকাৰৰ সাংসদ প্ৰয়োজনতকৈ কম হোৱা বাবে অনাস্থা প্ৰস্তাৱৰ যোগেদি 'সংসদত' উত্থাপিত হোৱা আস্থা ভোটৰ সময়ত কেইজনমান সংসদক ক্ৰয় কৰাৰ অভিযোগ উত্থাপিত হৈছিল। আৰু এই অপৰাধৰ বাবে, এই চৰকাৰৰ লগত জড়িত ৰাজনৈতিক নেতাসকলে আদালতৰ সন্মুখীন হ'ব লগা হৈছিল।

আন এক উল্লেখযোগ্য ঘটনা হৈছে (UPA Government) ইউনাইটেড প্ৰগেছিভ এলায়েন্স চৰকাৰৰ পৰা 'আমেৰিকাৰ লগত নিউক্লিয় চুক্তি' বিষয়টোক লৈ আলোচনা কালত ভাৰতীয় কমিউনিষ্ট পাৰ্টিয়ে সমৰ্থন প্ৰত্যাহাৰ কৰাত সংসদত অনাস্থা প্ৰস্তাৱৰ সন্মুখীন হ'ব লগা হৈছিল। আস্থা ভোটৰ সময়ছোৱাত সংসদৰ মজিয়াত এক বৃহৎ পৰিমাণৰ টকা উদ্ধাৰ হৈছিল। এই ঘটনাৰ অন্যতম অভিযুক্ত হিচাপে প্ৰাক্তন সমাজবাদী নেতা অমৰ সিং বিচাৰৰ সন্মুখীন হ'ব লগা হৈছে, গতিকে, এই ঘটনাই আমাৰ ৰাষ্ট্ৰীয় ৰাজনীতিত আন এক কলা অধ্যায়ৰ সুচনা কৰিলে।

ইয়াৰউপৰিও, প্ৰায়বোৰ ৰাজ্যত নিৰ্বাচনৰ সময়ত অন্যান্য ঘটনা তথা বিত্তীয় লেন-দেনৰ ঘটনা সংঘটিত হৈছে। উল্লেখযোগ্য যে- এই ৰাজনৈতিক দুৰ্নীতিৰ সম্পৰ্কে পাঠ্যপুথিত আলোচনাৰ কালছোৱাতেই আন এক ঘটনা সংবাদ মাধ্যমত প্ৰচাৰ হোৱাত ছাত্ৰ- ছাত্ৰীৰ জ্ঞাতাৰ্থে অৱগত কৰা হৈছে। অৱশ্যে, ইয়াৰ এক বিশেষ কাৰণো আছে - যিহেতু, ভাৰতৰ সংবিধানীক মুৰব্বী 'ৰাষ্ট্ৰপতিৰ' পুত্ৰক দুৰ্নীতিৰ কাৰ্য্যত জড়িত বিষয়ত সংবাদ মাধ্যমত প্ৰচাৰিত হৈছে। সংবাদ অনুসৰি মহাৰাষ্ট্ৰৰ পৌৰ নিৰ্বাচনৰ প্ৰাক্মুহূৰ্তত ৰাষ্ট্ৰপতি প্ৰতিভা দেৱী সিং পাটিলৰ পুত্ৰ তথা ৰাজ্যখনৰ কংগ্ৰেছ বিধায়ক ৰাওচাহেব শেখাৱট আৰক্ষীৰ হাতত 'এক কোটি' টকাৰ সৈতে ধৰা পৰে। তেওঁ উক্ত টকা ভোটাৰৰ মাজত বিতৰণ কৰিবলৈ নিয়া হৈছিল বুলি প্ৰচাৰ হোৱাত, ৰাজনৈতিক দুৰ্নীতিৰ আন এক কলা অধ্যায়ৰ সুচনা হ'ল। গতিকে এনেবোৰ ঘটনাই, আমাৰ ৰাজনাতিক ব্যৱস্থাটোক তথা গণতান্ত্ৰিক প্ৰমুল্যবোধক এক অন্ধকাৰৰ মাজলৈ ক্ৰমে ঢাৱমান কৰি আহিছে।

সাম্প্ৰতিক সময়ছোৱাত, ৰাজনৈতিক দুৰ্নীতিৰ ব্যাপক প্ৰসাৰ হোৱাৰ প্ৰৱণতা বৃদ্ধি পাইছে আৰু যাৰ পৰিণতিত গণতান্ত্ৰিক প্ৰমুল্যবোধৰ অৱক্ষয় দেখিৱলৈ পোৱা গৈছে। যিহেতুকে ৰাজনৈতিক নেতাসকলে নিজ নিজ ৰাজনৈতিক ক্ষমতাৰ অপ-প্ৰয়োগ সমাজৰ সকলো ক্ষেত্ৰতে প্ৰসাৰিত কৰিছে। তেওঁলোকে, ক্ষমতাকেন্দ্ৰীক ৰাজনীতিক মুলধন হিচাপে হৈ, ক্ষমতাত থকাৰ কালছোৱাত ৰাজনৈতিক নেতাসকলে, চৰকাৰী কৰ্মচাৰীকে ধৰি, আৰক্ষী বিভাগক নিজৰ ব্যক্তিস্বাৰ্থ পুৰণৰ বাবে ব্যৱহাৰ কৰাৰ লগতে, ব্যক্তিগত উদ্যোগ, প্ৰতিষ্ঠানসমুহতো নিজৰ কতৃত্ব প্ৰয়োগ কৰিব বিচাৰে, আনকি নিজৰ দলীয় স্বাৰ্থ সুৰক্ষাৰ বাবে বহুসময়ত ভাবুকি প্ৰদান কৰাৰ বাতৰিও সংবাদ মাধ্যমক প্ৰচাৰ হৈছে। এনেধৰণৰ কাৰ্য্যকলাপ, ভাৰতবৰ্ষৰ ৰাজনীতিৰ সংস্কৃতিৰ বিৰুদ্ধ বুলি আমি ক'ব পাৰো।

গুৰুত্বপূৰ্ণ কথা এই যে - ভাৰতবৰ্ষৰ ৰাজনৈতিক ব্যৱস্থাত সৰ্বত্ৰ প্ৰসাৰিত ‘ৰাজনৈতিক দুৰ্নীতি’ বিষয়টো এক চৰ্চিত বিষয়। এইক্ষেত্ৰত শাসকীয় পক্ষ যিদৰে জড়িত হৈ পৰে, ঠিক একেদৰে বিৰোধী নেতা তথা দলসমূহ সম্পুৰ্ণভাৱে জড়িত হৈ থাকে। কাৰণ তেওঁলোকো ক্ষমতাকেন্দ্ৰীক ৰাজনীতিৰ উৰ্দ্ধত নহয়। সেয়েহে, নিজৰ ৰাজনৈতিক স্বাৰ্থ সুৰক্ষিত কৰিবৰ বাবে উভয়পক্ষেই দুৰ্নীতিমুলক কাৰ্য্যত জড়িত হৈ থাকে। যাৰবাবে, সমাজৰ বিভিন্ন স্তৰৰ পৰা এই বিষয়ত প্ৰতিবাদ হয় যদিও আত্ম সমাধান লাভ কৰিৱ বিচৰাতো এক ভ্ৰান্ত- ধাৰণালৈ গতি কৰে, কাৰণ সকলোৱে ৰাজনীতিৰ মেৰপেছত বন্দী হৈ শাসক বিৰোধী উভয়ে, নিজৰ ব্যক্তি-স্বাৰ্থৰ লগতে দলীয় স্বাৰ্থ সুৰক্ষাৰ বাবে দায়বদ্ধ হোৱাত, সাধাৰণ জনতাই দিয়া ‘নিৰ্বাচনী ৰায়’ এক প্ৰহসন হিচাপে স্বীকৃতি পাইছে।

### ৫.৩.৩ ৰাজনৈতিক দুৰ্নীতিৰ কাৰণ -

স্বাধীন ভাৰতবৰ্ষত অধিক মাত্ৰাত দুৰ্নীতিয়ে গা কৰি উঠিছে। ইয়াৰ স্বৰূপ, সময় অনুসৰি ভিন্ন স্বৰূপত প্ৰকাশ পায়। সাধাৰণতে ৰাজনীতিবিদসকলে নিজকে পৰোক্ষ ৰূপত ‘দুৰ্নীতিৰ’ নায়ক হিচাপে স্বীকৃতি পাই আহিছে, যদিও পৰিবেশ আৰু পৰিস্থিতিয়ে তেওঁলোকৰ প্ৰকৃত স্বৰূপ জনসাধাৰণত সন্মুখত প্ৰকট ৰূপত প্ৰকাশ পাই আহিছে। স্বাধীন ভাৰতবৰ্ষত নেহেৰুৰ শাসনৰ পৰাই প্ৰসাৰিত হৈছিল, যদিও তেওঁ এনেধৰণৰ মন্তব্য কৰিছিল - In 1945, Jawaharlal Nehru said that he would hang the black marketeers on the nearest tree he could find.

কিন্তু, ভাৰতবৰ্ষত কংগ্ৰেছৰ শাসনকালৰ পৰাই দুৰ্নীতিৰ আৰম্ভ হৈছিল। যিহেতু, নেহেৰুৰ শাসনৰ সময়ছোৱাতেই ৰাজনৈতিক নেতা - টি. প্ৰকাশন (T, Prakasan 1946) ভি. কে. কৃষ্ণমেনন (V. K. Krishna Mohon 1948), টি. টি কৃষ্ণমাছাৰী (T.T. Krishnamachari) আদিৰ নাম উল্লেখ কৰিব পাৰি। কিন্তু গুৰুত্বপূৰ্ণ কথা এই যে - নেহেৰুৰ শাসনৰ কালছোৱাতেই এওঁলোককে ধৰি বহুজনৰ নাম দুৰ্নীতি কাৰ্য্যত জড়িত হিচাপে উত্থাপিত হৈছিল, লগতে অনুসন্ধান কমিটিয়ে দিয়া প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি শাস্তি প্ৰদান কৰাৰ বিপৰীতে ৰক্ষণাবেক্ষণ দিয়াহে দেখা গৈছে। এনেধৰণৰ, ৰাজনৈতিক নেতাই শাসনকালত নিজৰ দলীয় নেতাক শাস্তি দিয়াৰ বিপৰীতে সুৰক্ষা দিয়াৰ প্ৰৱণতা আজি পৰ্য্যন্ত ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাত বিৰাজমান। গতিকে, ক্ৰমাগতভাৱে ভাৰতবৰ্ষত বৃদ্ধি পোৱা ৰাজনৈতিক দুৰ্নীতিৰ কেতবোৰ বিশেষ কাৰণ উল্লেখ কৰা হৈছে -

**১) ঐতিহাসিক কাৰণ ঃ**

বৃটিছ শাসনকালছোৱাত, শাসনত অধিস্থিত লোকসকলে নিজ নিজ ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত ব্যক্তিগত আচৰণক প্ৰশ্ৰয় দিছিল। কিয়নো, বহু বৃটিছ শাসকে ভাৰতীয় জনগণক শোষণ কৰাৰ বিপৰীতে বহুশাসকে ভাৰতীয় জনগণক গণতান্ত্ৰিক প্ৰমুল্যবোধৰ লগত শিক্ষা সংস্কৃতিৰ বিষয়ে অৱগত হোৱাত সুবিধা কৰি দিছিল। কিন্তু, একেসময়তে, যিসকল ভাৰতীয় বৃটিছ শাসকৰ লগত চামিল হৈ জনগণৰ শোষণ কৰি আহিছিল, তাৰ বহু প্ৰভাব ভাৰতীয় ৰাজনীতিত স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত দেখিৱলৈ পোৱা গৈছিল। বিশেষকৈ ভাৰতীয় জাতীয় কংগ্ৰেছক গান্ধীজীয়ে এক ৰাজনৈতিক দললৈ ৰূপান্তৰ হোৱাত বাধা প্ৰদান কৰিছিল, যদিও তেওঁ সফল নহ'ল, আৰু তাৰ পৰাই ভাৰতীয় ৰাজনীতিত নেতৃত্ব কেন্দ্ৰীক লাভা-লাভৰ ৰাজনীতি আৰম্ভ হোৱাৰ লগত, ক্ষমতা আহৰণৰ বাবে নীতি-আৰ্দশৰ বিসৰ্জন দিয়াতো এক সাধাৰণ ঘটনা হিচাপে পৰিচিত হৈ আহিছে।

**২) অৰ্থনৈতিক কাৰণ ঃ**

ৰাজনৈতিক সংস্কৃতিক উলাই কৰি, ক্ষমতা আৰু মৰ্য্যাদা লাভৰ বাবে ৰাজনীতিৰ পথাৰত খোজ দিয়াতোক বিশেষভাৱে প্ৰশ্ৰয় দিয়াত ৰাজনৈতিক দুৰ্নীতিৰ পয়োভৰ বৃদ্ধি পাইছে। ৰাজনীতিত জড়িত হৈ অৰ্থ আহৰণৰ কেতবোৰ বিশেষ সুবিধা আহৰণ কৰিবলৈ সুবিধা পোৱাত সমাজৰ যিকোনো লোকে ইয়াক 'বৃত্তি' হিচাপে গ্ৰহণ কৰিব বিচাৰে। আনকি বহুলোকে ক'লা ধন, তথা হিচাপ বহিৰ্ভূত ধন - ৰাজনীতিৰ পথাৰলৈ আহি 'বগা' অৰ্থাৎ উপাৰ্জনৰ অন্তৰ্ভূক্ত কৰাৰ এক উপায় হিচাপেও বিবেচিত কৰা দেখা যায়। ইয়াৰ ফলশ্ৰুতিৰ, ৰাজনৈতিক দুৰ্নীতিৰ পৰিসৰ বৃদ্ধি পাইছে।

**৩) সামাজিক কাৰণ** -

সামাজিকভাৱে স্বীকৃত হোৱাৰ বাবেও বহু অদক্ষ, আৰু ৰাজহুৱা ভাৱে অনৈতিক বুলি বিবেচিত কেতবোৰ লোক ৰাজনীতিৰ লগত জড়িত হৈ পৰাত ৰাজনৈতিক দুৰ্নীতিয়ে বিশেষভাৱে প্ৰসাৰ লাভ কৰিছে। বিশেষকৈ, সামাজিকভাৱে বৰ্হিভূত বহুলোক আমাৰ ৰাষ্ট্ৰত আইন প্ৰণেতা হিচাপে স্বীকৃতি পাইছে। ইয়াৰ উপৰিও, বহুলোকৰ শিক্ষাগত অৰ্হতা অতি দুখজনক যদিও বৃহৎ পৰিমাণৰ জমা পুঁজিৰ বাবেই ৰাজনীতিক ব্যৱস্থাত চৰকাৰ ভঙাঁ-পতা অন্যতম লোক হিচাপেও বিবেচিত হ'ৱলৈ সুবিধা পোৱা দেখা গৈছে। গতিকে, এনোবোৰ লোকে ৰাজনৈতিক দুৰ্নীতি কৰাতো এক ঘটনা হিচাপে বিবেচিত হৈছে।

**৪) পৰিবেশগত কাৰণ-**

আমাৰ সমাজ ব্যৱস্থাত বহুলোকৰ ৰাজনৈতিক সচেতনতাৰ অভাৱ দেখা যায়। ইয়াৰুপৰিও, সমাজৰ সৰহসংখ্যক লোক সামাজিকভাৱে নিক্ৰিয় হৈ থাকি ব্যক্তিগত লাভক বিশেষ গুৰুত্ব আৰোপ কৰাত ৰাজনৈতিক দুৰ্নীতি বৃদ্ধি পাইছে। কিয়নো সমাজত সচৰাচৰ হৈ থকা ৰাজনৈতিক সংঘাত সম্পৰ্কত সমাজৰ সকলো লোক সচেতন ভাৱে প্ৰতিবাদ কৰিলে এই ব্যৱস্থাক বাধা আৰোপ কৰিব পৰা গ'লহেতেন। কিন্তু, ব্যক্তিস্বাৰ্থক প্ৰশ্ৰয় দিয়াৰ বাবে এনেধৰণৰ কাৰ্য্যক প্ৰতিবাদ কৰাতো উচিত বুলি বিবেচনা নকৰে। ফলত, ক্ৰমাগতভাৱে সামাজিক সুস্থিৰতা হ্ৰাস পায়, আৰু সকলোতে ৰাজনৈতিক প্ৰাদুৰ্ভাৱ বৃদ্ধি পায়। গতিকে, সমাজিক সচেতনতাৰ অভাৱে ৰাজনৈতিক দুৰ্নীতি বৃদ্ধি কৰাত এক কাৰক হিচাপে বিবেচিত হৈছে।

**৫) নিৰ্বাচনকেন্দ্ৰীক ৰাজনীতি-**

ৰাজনীতি বুলিলে নিৰ্বাচনৰ জৰিয়তে ক্ষমতা দখল কৰাকে মুল নীতি হিচাপে বিবেচিত হোৱাত ভাৰতবৰ্ষৰ ৰাজনৈতিক ব্যৱস্থাত ৰাজনৈতিক দুৰ্নীতিয়ে বিশেষভাৱে গা কৰি উঠিছে। সমাজৰ এচাম লোকে ৰাজনীতিত অংশ গ্ৰহণ কৰি ব্যক্তিগত সুবিধা সহজতে অৰ্জন কৰাৰ লগতে ৰাইজৰ প্ৰতিনিধি হিচাপে নিৰ্বাচিত হ'ব পাৰিলে ক্ষমতা জৰিয়তে নিজৰ অৰ্থনৈতিক দিশটো উন্নত কৰিবলৈ সুবিধা পায়। সেয়েহে, যিকোনো উপায়েৰে ৰাজনৈতিক নেতা হোৱাৰ হাবিয়াসে ৰাজনৈতিক দুৰ্নীতিৰ প্ৰভাৱ বৃদ্ধি কৰিছে। ইয়াৰউপৰিও, ৰাজনীতিত জয়ী হ'বৰ বাবে ধন-জনৰ অৱাধ প্ৰচলনে দুৰ্নীতিৰ পৰিসৰ বৃদ্ধি হোৱাত আন এক অন্যতম কাৰক হিচাপে চিহ্নত হৈছে।

ওপৰৰ আলোচনাৰ পৰা তোমালোকে ৰাজনৈতিক দুৰ্নীতিৰ কাৰণসমূহৰ এক আভাস লাভ কৰিব পাৰিবা। লগতে ভাৰতবৰ্ষত কি ৰূপত এই দুৰ্নীতিৰ কাৰ্য্য বিদ্যামান, সেই সম্পৰ্কে অৱগত হ'ব পাৰিবা।

### ৫.৩.৪ ৰাজনৈতিক দুৰ্নীতি নিবাৰণৰ উপায় (Measures to Check Political Corruption)

ৰাজনৈতিক দুৰ্নীতি ভাৰতবৰ্ষৰ এচাম লোকৰ জাতীয় চৰিত্ৰৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য হৈ পৰিছে। ইয়াৰ প্ৰভাৱে সমাজৰ সকলো স্তৰতে বিশেষভাৱে প্ৰভাৱ পেলাইছে। আমি প্ৰত্যক্ষ কৰিছো যে, ৰাজনৈতিক দুৰ্নীতিয়ে সমাজৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত থকা সমন্বয় তথা ঐক্য নষ্ট কৰিছে। গতিকে ৰাজনৈতিক দুৰ্নীতি নিবাৰণৰ বাবে সমাজৰ সকলো স্তৰৰ লোকসকলে ব্যক্তি স্বাৰ্থৰ উৰ্দ্ধত হৈ সামাজিক দায়বদ্ধতাৰ

প্ৰতি সচেতন হৈ কাম কৰা উচিত আৰু যিবিলাক কাৰণত ৰাজনৈতিক নেতাসকল ৰাজনৈতিক দুৰ্নীতিত লিপ্ত হয়, সেইকাৰণ বিলাক যুক্তিসহকাৰে পৰ্য্যালোচনা কৰি ইয়াক নিবাৰণ কৰাত গুৰুত্ব প্ৰদান কৰিব লাগিব। ৰাজনৈতিক দুৰ্নীতি নিবাৰণৰ বাবে কৰিৱলগীয়া কেতবোৰ ব্যৱস্থা তলত আলোচনা কৰা হ'ল -

**১) সামাজিক সচেতনতা ঃ**

সমাজৰ পৰা ৰাজনৈতিক দুৰ্নীতি মুক্ত কৰিবৰ কাৰণে জনসাধাৰণ সচেতন হ'ব লাগিব। এইক্ষেত্ৰত সমাজ ব্যৱস্থাত প্ৰচলিত সামাজিক মূল্যবোধ, প্ৰমুল্যতা আৰু সামাজিক দায়বদ্ধতা সুদৃঢ় কৰিবৰ বাবে আনুষ্ঠানিক আৰু অনানুষ্ঠানিক উভয় শিক্ষাক উন্নতি কৰা লগতে বিভিন্ন প্ৰচাৰ মাধ্যমৰ জৰিয়তে সমাজৰ সামাজিক সংস্কৃতিৰ যাতে বিলোপ সাধন নহয়, তাৰবাবে বাস্তৱসন্মত কাৰ্য্যাৱলী গ্ৰহণ কৰা উচিত। ইয়াৰউপৰিও, ৰাজনৈতিক দুৰ্নীতিৰ বিৰুদ্ধে জনমত গঠন কৰা বাবে বিভিন্ন স্বেচ্ছাসেৱক সংগঠনসমুহে পদক্ষেপ গ্ৰহণ কৰিব লাগে। উদাহৰণস্বৰূপে- ৰাজহুৱা সভা, আলোচনা চক্ৰ, তৰ্ক প্ৰতিযোগিতা বাটৰ নাট, শ্লʼগান, আদি কাৰ্য্যসুচী গ্ৰহণ কৰাৰ প্ৰয়োজন। মুঠতে, জনসচেতনতা জাগ্ৰত হ'লেহে বাস্তৱ সন্মতভাৱেহে সমাজৰপৰা ৰাজনৈতিক দুৰ্নীতি নিবাৰণ কৰিব পৰা যাব।

**২) ৰাজনীতি অপৰাধ আৰু অপৰাধী উভয়ৰে পৰা মুক্ত হ'ব লাগিবঃ**

এই কথা সৰ্বজনবিদীত যে, ৰাইজৰ নেতাসকলেই সাম্প্ৰতিক কালত অধিক দুৰ্নীতিত লিপ্ত হৈছে। বৰ্তমান ৰাজনৈতিক প্ৰেক্ষাপটত আইনভঙ্গকাৰীসকলে পৰৱৰ্তী সময়ত আইন প্ৰণেতা হিচাপে কেন্দ্ৰ আৰু ৰাজ্য উভয়তে আইনসভাৰ সদস্য হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আহিছে। সেয়েহে, সংবিধান সংশোধনৰ যোগেদি অনতি পলমে যোগাত্মক পদক্ষেপ গ্ৰহণ কৰা উচিত। গতিকে, কোনো ধৰণৰ অপৰাধী যাতে ৰাইজৰ নেতা হিচাপে নিৰ্বাচিত হ'ব নোৱাৰে তাৰ উপযুক্ত ব্যৱস্থা কৰা উচিত। আৰু দুৰ্নীতিত লিপ্ত ৰাজনৈতিক নেতাক ভৱিষ্যত ৰাজনীতিৰ পৰা আঁতৰাই ৰাখিৱ পৰাকৈ আইন প্ৰস্তুত কৰিব লাগে। ইয়াৰ উপৰিও, আমি লক্ষ্য কৰো যে, অপৰাধীসকলে নিজৰ প্ৰতিৰোধৰ বাবে ৰাজনৈতিক নেতাৰ আশ্ৰয় লয়, গতিকে এইক্ষেত্ৰত অপৰাধীক ৰক্ষণাবেক্ষণ দিয়া ৰাজনৈতিক নেতাৰ বিৰুদ্ধে আইনে কঠোৰ শাস্তিমুলক ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ঠিক একেদৰে, ৰাজনৈতিক নেতাসকলে ক্ষমতাৰ অপব্যৱহাৰ সততে কৰা দেখা যায়, তেনেঅৱস্থাত আইন অনুসৰি ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থা কৰিব লাগে। তেতিয়াহে আমাৰ সমাজৰ পৰা অপৰাধ আৰু অপৰাধী উভয়ে মুক্ত হ'ব।

**৩) সক্ৰিয় ন্যায়িক ব্যৱস্থা ঃ**

ন্যায়পালিকা ব্যৱস্থা সচেতন হ'লে আমাৰ সমাজত ৰাজনৈতিক দুৰ্নীতিৰ পৰিসৰ সীমিত হোৱাৰ আশা কৰিব পাৰি। কাৰণ ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত হৈ ন্যায়পালিকাই বিহীত আইনী ব্যৱস্থা গ্ৰহণ কৰিলে ৰাজনৈতিক নেতাসকল, দূৰ্নীতিৰ আওঁতাৰ পৰা আঁতৰত থাকিবলৈ প্ৰয়াস কৰিব। ইয়াৰ উপৰিও, আইনৰ দ্বাৰা দুৰ্নীতিত অভিযুক্ত হ'লে, ৰাজনৈতিক নেতাৰ বিৰুদ্ধে আইনে কঠোৰ শাস্তিমুলক ব্যৱস্থা গ্ৰহণ কৰিলে, ৰাজনৈতিক দুৰ্নীতি হ্ৰাস পাব বুলি আশা কৰিব পাৰি। উদাহৰণস্বৰূপে - ২জি স্কেকট্ৰাম কেলেংকাৰীত জড়িত AIDMK ৰ দুই নেতা এ. ৰাজা আৰু কানিমুঝিৰ বিৰুদ্ধে ন্যায়ালয়ে গ্ৰহণ কৰা পদক্ষেপ এইক্ষেত্ৰত উচিত বুলি ক'ব পৰা যায়।

**৪) দুৰ্নীতি নিবাৰণকাৰী অনুষ্ঠানৰ সবল ভূমিকা ঃ**

ভাৰতবৰ্ষৰ পৰা ৰাজনৈতিক দুৰ্নীতি নিবাৰণ কৰিবলৈ হ'লে দুৰ্নীতি নিবাৰণী সংস্থাসমূহে সবল ভূমিকা গ্ৰহণ কৰিব লাগিব। সাধাৰণতে দেখিবলৈ পোৱা যায় যে, ৰাজনৈতিক নেতা দুৰ্নীতিত লিপ্ত হ'লে চৰকাৰী ভাৱে কোনো ন্যায়াধীশৰ অধীনত তদন্তকাৰী অনুস্থানক অৰ্পন কৰাৰ লগতে ভাৰতবৰ্ষৰ অন্যতম দুৰ্নীতি নিৱাৰণী অনুস্থান CBI ক অৰ্পন কৰা হয়। কিন্তু এই অনুস্থানসমূহে ৰাজনীতিৰ পৰা উৰ্দ্ধত হৈ কাৰ্য্য পৰিচালনা কৰিলেহে ৰাজনৈতিক দুৰ্নীতি নিৰ্মূল হ'ব বুলি আশা কৰিব পাৰি।

**নিৰ্বাচনী সংস্কাৰ :**

ভাৰতবৰ্ষত নিৰ্বাচনী সংস্কাৰৰ যোগেদি ৰাজনৈতিক দুৰ্নীতি নিৰ্মূল কৰিব পৰা যাব। সেয়েহে, নিৰ্বাচনী আচৰণ বিধিৰ সংশোধন ঘটাই দূৰ্নীতিত লিপ্ত কোনো লোকে যাতে নিৰ্বাচনত অংশগ্ৰহণ বা প্ৰতিনিধিত্ব কৰিব নোৱাৰে, তাৰ বাবে নিৰ্বাচনী আয়োগে কঠোৰ ব্যৱস্থা হাতত লোৱা উচিত। ইয়াৰ উপৰিও, শাসনত অধিষ্ঠিত কোনো ৰাজনৈতিক নেতাৰ বিৰুদ্ধে উথাপিত হোৱা দুৰ্নীতিৰ বিচাৰ নোহোৱা পৰ্য্যন্ত দায়িত্বৰ পৰা অব্যাহতি দিয়া উচিত। এইক্ষেত্ৰত, নিৰ্বাচনী আয়োগে কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰিব লাগে। ইয়াৰলগতে, ৰাজনৈতিক নেতাসকলে প্ৰাৰ্থীত্ব আগবঢ়াওতে তেওঁলোকৰ উপাৰ্জনৰ উৎসসমুহ পুখানুপুংখ ভাৱে পৰীক্ষা কৰা উচিত আৰু লগতে কৰ ফাঁকি যাতে দিব নোৱাৰে এইক্ষেত্ৰতো নিবাচৰ্নী আয়োগ সচেতন হোৱা উচিত। মুঠতে, নিৰ্বাচনী আয়োগৰ দূৰদৃষ্টিসম্পন্ন অভিজ্ঞতাই আমাৰ দেশৰ পৰা ৰাজনৈতিক দুৰ্নীতি কিছু পৰিমাণে নিৰ্মূল কৰিব পাৰিব বুলি আশা কৰিব পাৰি।

এইকথাত সকলোৱে প্ৰতীয়মান যে, ৰাজনৈতিক দুৰ্নীতিৰ প্ৰক্ৰিয়াটোৱে ভাৰতবৰ্ষৰ গোটেই সামাজিক ব্যৱস্থাটোকে অস্থিৰ কৰি তুলিছে। স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত ভাৰতীয় জনগণৰ জীৱন ধাৰণৰ মানদণ্ড সামগ্ৰিকভাৱে উন্নত নোহোৱাৰ একমাত্ৰ কাৰণ হিচাপে ৰাজনৈতিক দুৰ্নীতিয়ে চিহ্নিত হৈছে। ইয়াৰ উপৰিও সমাজখনৰ ধনী আৰু দুখীয়াৰ মাজৰ পাৰ্থক্য ক্ৰমাগতভাৱে বৃদ্ধি পাইছে। গতিকে, ৰাজনৈতিক দুৰ্নীতিয়ে ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক দিশত ঋণাত্মক প্ৰভাৱ বিশেষভাৱেই পেলাইছে। ৰাজনৈতিক দুৰ্নীতিৰ পৰিসৰ আমাৰ সমাজত সৰ্বব্যাপী প্ৰসাৰ ঘটিছে। খাদ্য কেলেংকাৰীৰ পৰা আৰম্ভ কৰি সমাজৰ সকলো স্তৰতে ৰাজনৈতিক দুৰ্নীতিয়ে কু-প্ৰভাৱ পেলাইছে। এইক্ষেত্ৰত সমাজৰ সকলো শ্ৰেণী লোকৰ ঐক্যবদ্ধ সংগ্ৰাম নিতান্তই প্ৰয়োজন হৈ পৰিছে। ইয়াৰ উপৰিও, যিসকল ৰাজনৈতিক ব্যক্তি দুৰ্নীতিমুক্ত তেওঁলোকৰ সজ চিন্তা আৰু সৰল পদক্ষেপে ৰাজনৈতিক দুৰ্নীতিক নিৰ্মূল কৰিব পৰা যাব। গতিকে, জনসচেতনতা আৰু সামাজিক দায়বদ্ধতাইহে ৰাজনৈতিক দুৰ্নীতি প্ৰতিৰোধ কৰিব পাৰিব।

**ক) আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১) ৰাজনৈতিক দুৰ্নীতি বুলিলে কি বুজা ?

..........................................................................................................

..........................................................................................................

২) ৰাজনৈতিক দুৰ্নীতিৰ দুটা প্ৰভাৱ লিখা।

..........................................................................................................

..........................................................................................................

৩) ৰাজনৈতিক দুৰ্নীতি নিৰাময়ৰ দুটা পৰামৰ্শ আগবঢ়োৱা।

..........................................................................................................

..........................................................................................................

### ৫.৪.১ আমোলাতান্ত্রিক দূৰ্নীতিৰ ধাৰণা

### (The Concept of Bureaucratic Corruption) ঃ

সাধাৰণ অৰ্থত, আমোলাতান্ত্রিক দূৰ্নীতি বুলিলে চৰকাৰী বিষয়াই ব্যক্তি স্বাৰ্থক গুৰুত্ব প্ৰদান কৰি সামূহিক স্বাৰ্থক অৱহেলা কৰি ক্ষমতাৰ অপপ্ৰয়োগ কৰাকে বুজায়। এইক্ষেত্ৰত আমি ক'ব পাৰো যে, চৰকাৰী বিষয়া, কৰ্মচাৰীসকলে ৰাজহুৱা জীৱনত নিজৰ বিশেষ কৰ্তব্যক অৱহেলা কৰা নীতি বিৰুদ্ধে কামৰ জৰিয়তে আনক উপকাৰ কৰি বিনিময়ত অধিক প্ৰাপ্তিৰ আশা কৰা কাৰ্য্যই আমোলাতান্ত্রিক দূৰ্নীতি বৃদ্ধি কৰিছে। সাধাৰণ দৃষ্টিভঙ্গীৰে যদিও বা এজন বিষয়াই কৰা অনৈতিক কামকে বুজায়, অৱশ্যে ব্যাপক দৃষ্টিভঙ্গীৰে ইয়াৰ বহু দিশ জটিল ৰূপত আত্মপ্ৰকাশ কৰে। কিয়নো আমোলাতান্ত্রিক দুৰ্নীতিৰ প্ৰভাৱে ৰাজনৈতিক ব্যৱস্থাৰ লগতে সামাজিক ব্যৱস্থাটোৰ ওপৰত বিশেষভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে। যাৰবাবে আমাৰদেশৰ আৰ্থ সামাজিক প্ৰগতিত বাধা আহি পৰিছে। ভাৰতবৰ্ষত সাম্প্ৰতিক সময়ছোৱাত আমোলাতান্ত্রিক দূৰ্নীতিৰ পৰিসৰ বিশেষভাৱে বৃদ্ধি পাইছে। এটা বিভাগৰ পিয়নজনৰ পৰা আৰম্ভ কৰি উচ্চপদস্থ বিষয়াজনলৈকে উপঢৌকন অবিহনে কোনো চৰকাৰী কাম সমাধা হ'ব বুলি আশা কৰিব নোৱাৰি। সেয়েহে, উপঢৌকনৰ প্ৰচলন হ্ৰাস হোৱাৰ পৰিৱৰ্তে বৃদ্ধি পাইছে, কাৰণ চৰকাৰী কাৰ্য্যালয়ত ইজনে সিজনক দোষাৰোপ কৰাৰ পৰিৱৰ্তে অংশীদাৰী ব্যৱসায়ত দিয়া লোৱা লেনদেন ভাৰতবৰ্ষত এক সাধাৰণ ঘটনালৈ ৰূপান্তৰিত হৈছে।

### ৫.৪.২ আমোলাতান্ত্রিক দুৰ্নীতিৰ পৰিসৰ ঃ

এখন গণতান্ত্রিক ৰাষ্ট্ৰ ব্যৱস্থাৰ প্ৰগতি আৰু উন্নতি বহু পৰিমাণে নিৰ্ভৰ কৰে চৰকাৰৰ স্থায়ী প্ৰশাসন যন্ত্ৰটোৰ ওপৰত। অৰ্থাৎ চৰকাৰৰ নীতি ৰূপায়ণ আৰু প্ৰণয়নত স্থায়ী প্ৰশাসন অন্যতম, আমোলাতান্ত্রিক ব্যৱস্হাত জড়িত বিষয়াসকল বিশেষভাৱে জড়িত হৈ থাকে। মুঠতে, আজিৰ ৰাষ্ট্ৰ ব্যৱস্থাত এটি শিশু মাতৃগৰ্ভত থকাৰ পৰা শ্মশানলৈ নি দাহ কৰা পৰ্য্যন্ত প্ৰশাসনৰ দায়িত্বত থাকে। কিন্তু, স্বাধীনতাৰ পৰৱৰ্তী সময়ৰেপৰাই প্ৰশাসনৰ নীতি কাৰ্য্যকৰী কৰা কৰ্মচাৰীসকলে নিজৰ দায়িত্ব আৰু কৰ্তব্যক অৱহেলা কৰাৰ লগতে নিজৰ স্বাৰ্থক গুৰুত্ব প্ৰদান কৰি ক্ষমতাৰ অপপ্ৰয়োগ কৰাৰ অভিযোগ বিশেষভাৱে চিহ্নিত হৈ আহিছে। যাৰবাবে সামাজিক বৈষম্যতা আৰু বিশৃংখলতা বৃদ্ধি পাইছে। বৰ্তমান সময়ত প্ৰশাসনৰ সকলো স্তৰতে দুৰ্নীতিয়ে শিপাইছে। প্ৰশাসনৰ প্ৰায়বোৰ কৰ্মচাৰীসকলে উৎকোচ বা ভেটি নোলোৱাকৈ নিজ নিজ বিভাগীয় কাম দায়িত্ব অনুসৰি পালন নকৰে। মুঠতে, ভাৰতবৰ্ষৰ চৰকাৰী কাম-কাজ সমুহত 'দিয়া আৰু লোৱা' নীতিৰ ব্যাপক প্ৰসাৰে সমাজৰ প্ৰতিটো স্তৰত কু-প্ৰভাৱ পেলাইছে। উদাহৰণস্বৰূপে- চৰকাৰে দৰিদ্ৰতা নিৰ্মূলকৰণ আৰু নিবনুৱা

সমস্যা সমাধানৰ বাবে পৰ্য্যাপ্ত পৰিমাণে আঁচনি ৰূপায়ণ কৰিছে। কিন্তু কাৰ্য্যক্ষেত্ৰত, গ্ৰাম্য অঞ্চলৰ জনসাধাৰণ উপযুক্ত পৰিমাণে লাভাৰান্বিত হোৱা নাই। কাৰণ, এই আঁচনিসমুহ কাৰ্য্যকৰী কৰিবৰ বাবে যিসমুহ চৰকাৰী কৰ্মচাৰী জড়িত হৈ আছে, তেওঁলোকে উৎকোচ নোলোৱাকৈ কাম নকৰে। বিশেষকৈ গ্ৰাম্য অঞ্চলত, 'ইন্দিৰা আবাস যোজনা' ঘৰ এটা দুখীয়া পৰিয়ালক অনুমোদন দিওঁতে বিশেষ মাননী লোৱাৰ লগতে, চৰকাৰী বিষয়াই নিজাববীয়াকৈ ঘৰ সজাৰ নামত নিম্ন মানদণ্ডৰ সামগ্ৰী ব্যৱহাৰ কৰি ধন আত্মসাৎ কৰাৰ বহু উদাহৰণ সংবাদ মাধ্যমৰ যোগেদি প্ৰচাৰিত হৈ আহিছে।

ঠিক একেদৰে, ৰাজহুৱা কামৰ ক্ষেত্ৰতো যেনে- ৰাস্তা নিৰ্মাণ, বিদ্যালয় মেৰামতি, চৰকাৰী গৃহ নিৰ্মাণ আদি নিজ নিজ অঞ্চলৰ স্বাৰ্থৰ বাবেই নিৰ্মাণ কৰা হয়, আৰু এইসমুহ অনুমোদন কৰাৰ পৰা আৰম্ভ কৰি নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈ ধন মোকলাই দিয়া পৰ্য্যন্তলৈকে বিভাগীয় নিম্ন পৰ্য্যায়ৰ পৰা উচ্চ পৰ্য্যায়ৰ প্ৰায়বোৰ কৰ্মচাৰীয়ে উৎকোচ লৈহে দায়িত্ব পালন কৰে। গতিকে, নিজৰ সুখ-স্বাচ্ছন্দ্যতাৰ বাবে আনৰ প্ৰাপ্যখিনিলৈ চকুদিয়া বা কাঢ়ি অনা অনৈতিক কাৰ্য্যৰ প্ৰয়োগেৰে সামাজিক ব্যৱস্থাতোৰ দৈন্যতাক স্বীকাৰ কৰি লোৱা হৈছে।

সাধাৰণভাৱে দেখা গৈছে যে, আমোলাতান্ত্ৰিক বিষয়াসকলৰ দুৰ্নীতিমুলক কাৰ্য্য বিশেষভাবে প্ৰসাৰিত হৈ সমাজৰ সকলো স্তৰতে ছানিধৰাত দেশখনৰ উন্নয়ন স্থৱিৰ হৈ পৰিছে। গতিকে, চৰকাৰী কৰ্মচাৰীসকলে আত্মকেন্দ্ৰীক মনোভাৱ পৰিহাৰ কৰি সামাজিক দায়বদ্ধতাক গুৰুত্ব দিয়া উচিত। যিহেতুকে, চৰকাৰী কৰ্মচাৰীসকলে ৰাজহুৱা দায়িত্বৰ প্ৰতি সচেতন হৈ দায়বদ্ধতাৰে কাৰ্য্য পৰিচালনা কৰিলেই 'দুৰ্নীতিৰ প্ৰভাৱ' হ্ৰাস পাব আৰু সমাজৰ সকলো স্তৰৰ ব্যক্তিৰে আৰ্থ-সামাজিক উন্নয়ন গতিশীল হ'ব। এইক্ষেত্ৰত, ৰক্ষণশীল মনোভাৱ পৰিহাৰ কৰি চৰকাৰৰ অন্যতম স্থায়ী কৰ্মচাৰীসকলে ৰাজনৈতিক হেঁচা বা প্ৰভাৱৰ উৰ্দ্ধত হৈ কাম কৰিলেই জনসাধাৰণ উপকৃত হ'ব আৰু কৰ্মচাৰীসকলে শৃংখলাবদ্ধৰূপত বিভাগীয় দায়িত্ব পালন কৰিলেই সামাজিক উত্তৰণৰ ধ্বজস্কন্ধবাহক হিচাপে সমাজত জিলিকি থাকিব পাৰিব।

### ৫.৪.৩ আমোলাতান্ত্ৰিক দুৰ্নীতিৰ বৃদ্ধিৰ কাৰণ ঃ

বৃটিছৰ শাসনকালত ভাৰতীয় জনগণৰ ওপৰত অত্যাধিক শোষণ, নিস্পেষণ চলিছিল আৰু স্বাধীনতাৰ পৰৱৰ্তী সময়ছোৱাত স্বাধীন দেশৰ এচাম ক্ষমতালোভী ব্যক্তিৰ শোষণ আৰু নিস্পেষণৰ বলী হৈ আহিছে ভাৰতবৰ্ষৰ নৱজাতক শিশুৰ পৰা

বৃদ্ধলৈ সকলোৱে। যিসকল চৰকাৰী বিষয়াৰ ওপৰত আমাৰ দেশখনৰ প্ৰতিজন নাগৰিক প্ৰাপ্য অধিকাৰৰ বাবে নিৰ্ভৰশীল সেইসময়ত এচাম সুবিধালোভী চৰকাৰী বিষয়াই নিজৰ স্বাৰ্থ পুৰণৰ কাৰণে চৰকাৰী নিৰ্দেশনা আৰু আইন ভংগ কৰিবলৈও কুণ্ঠাবোধ নকৰে। মুঠতে, এইসকল ব্যক্তিয়ে বস্তুবাদী সমাজত যশস্যা, সন্মান, ক্ষমতা আৰু মৰ্য্যদা লাভৰ হাবিয়াসৰ লগতে ধন-সম্পদৰ লিপ্সাই সকলোকে আদৰ্শ্যচ্যুত কৰি দুৰ্নীতিমুলক কাৰ্য্যত লিপ্ত কৰাইছে। আমাৰ সমাজত আমোলাতান্ত্ৰিক দুৰ্নীতি বৃদ্ধিৰ কেতবোৰ কাৰণ তলত আলোচনা কৰা হ'ল -

**১) অৰ্থনৈতিক কাৰণ ঃ**

ভোগবাদী সমাজব্যৱস্থাত প্ৰত্যেক ব্যক্তিয়ে সম্ভ্ৰান্ত লোকৰদৰে জীৱন-নিৰ্বাহ কৰিব বিচাৰে। কিন্তু চৰকাৰীভাবে তেওঁলোকে লাভ কৰা দৰমহ াকে ধৰি অন্যান্য সুবিধাবোৰে সেইসকল ব্যক্তিক তেওঁলোকৰ উচ্ছাকাংঙ্খা পুৰণ কৰিব নোৱাৰে। ফলশ্ৰুতিত তেওঁলোকে ধন উপাৰ্জনৰ নতুন উৎস বিচৰাৰ বাবে ক্ৰমাগত হাৰত দুৰ্নীতি বৃদ্ধি পাইছে। গতিকে, চাহৰ খৰচৰ বাবে টকা লোৱাটো চৰকাৰী কাৰ্য্যালয়ত এক সাধাৰণ ঘটনালৈ পৰিণত হৈছে। এখন ৰাজহুৱা আবেদন টাইপ কৰি বিষয়াৰ ওচৰ পাবলৈকো পিয়নক চাহৰ খৰচ দিব লাগে।

**২) সামাজিক কাৰণ ঃ**

আমাৰ সমাজ ব্যৱস্থাত এজন ব্যক্তিৰ যোগ্যতা আৰু দক্ষতাক সম্পদৰ তুলাচনীৰে জুখিবলৈ আৰম্ভ কৰাৰ পিছৰে পৰা দুৰ্নীতিৰ মাত্ৰা বৃদ্ধি পাইছে। কিয়নো, ব্যক্তিৰ মনত 'দ' কৈ শিপালে যে, ধনেহে সন্মান আনে, যোগ্যতা থাকিলেও ভাল উপাৰ্জন ন'হলে কোনেও কাকো সন্মান নকৰে। ইয়াৰউপৰিও, ধনী শ্ৰেনীৰ লোকে নিজৰ আভিজাত্য অক্ষুন্ন ৰাখিবৰ বাবে বা প্ৰদৰ্শন কৰিবৰ বাবে ধনৰ বিনিময়ত সকলো কাম কৰিব বিচাৰে, যাৰবাবে আমোলাতান্ত্ৰিক দুৰ্নীতি বৃদ্ধি পাইছে। যোগ্যতা থাকিও চৰকাৰী চাকৰিৰ পৰা বঞ্চিত হয় আৰু এজন অযোগ্য ব্যক্তি ধনৰ বিনিময়ত পৰিয়ালত আত্মীয়-স্বজনৰ দোহাই দি চাকৰিত মকৰল কৰাৰ প্ৰৱণতা ক্ৰমাগত হাৰত বৃদ্ধি পাইছে। যাৰবাবে প্ৰশাসনীয় অদক্ষতা আৰু চৰকাৰী কামৰ স্থবিৰতা আমাৰ দেশত বৃদ্ধি পাইছে।

**৩) পৰিবেশগত কাৰণ ঃ**

বৰ্তমানৰ প্ৰেক্ষাপটত ক্ৰমাগতভাৱে নগৰীকৰণ আৰু উদ্যোগিক বিকাশৰ গতি বৃদ্ধি পাইছে, যাৰবাবে গাঁৱলীয়া সহজ-সৰল জীৱন ধাৰণ পদ্ধতিত সম্পূৰ্ণৰূপে

পৰিৰৰ্তন আহি পৰিছে। যাৰফলত, বস্তুবাদী চিন্তাধাৰাই ব্যক্তিবাদী চিন্তা তথা মনক আদৰ্শচ্যুত কৰি নিয়ন্ত্ৰণহীন কৰি পেলাইছে। গতিকে, সকলো ব্যক্তিয়ে নিজৰ প্ৰয়োজনীয়তা তথা সামাজিক মানদণ্ড উন্নত কৰি ৰাখিবৰ বাবে ইচ্ছাকৃতভাৱে দুৰ্নীতিক প্ৰশ্ৰয় দিয়ে।

**৪) সামাজিক সচেতনতা তথা দায়বদ্ধতাৰ অভাৱ ঃ**

আমাৰ দেশৰ সৰহসংখ্যক ব্যক্তিয়েই নিজৰ প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈ থাকিলেও প্ৰতিবাদৰ বাবে আগবাঢ়ি নাহে। কিয়নো, এইসকল ব্যক্তি অৰ্থনৈতিকভাৱে দুৰ্বল আৰু অশিক্ষিত, আৰু যিসকল ব্যক্তি শিক্ষিত আৰু সচেতন তেওঁলোকে নিজৰ সুবিধাসমুহ গ্ৰহণ কৰাত ব্যস্ত। ফলত, চৰকাৰী বিষয়াসকলে সমাজৰ গৰিষ্ঠসংখ্যক মানুহক শোষণ কৰি চৰকাৰী আঁচনিকে ধৰি অন্যান্য সুবিধাসমুহ আত্মসাত কৰিবলৈ সুবিধা পাইছে। উদাহৰণস্বৰূপে-ইন্দিৰা আবাস যোজনাৰ গৃহ পোৱা হিতাধীকাৰীজনৰ পৰা আগতীয়া ধন লোৱাৰ বহু উদাহৰণ সংবাদ মাধ্যমত প্ৰচাৰ হৈছে, আকৌ গৃহ নিৰ্মানৰ বাবে যি টকা খৰচ হয়, সেয়া ভালদৰে ব্যৱহাৰ নকৰাৰ উদাহৰণ আছে। কিন্তু, উক্ত হিতাধীকাৰীসকলে উপৰোক্ত চৰকাৰী প্ৰতিনিধি বা কৰ্মচাৰীৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ তুলি শাস্তি প্ৰদান কৰিবৰ বাবে আগবাঢ়ি উলাই আহিব নোৱাৰে। যাৰবাবে, এইসকল লোকে দুৰ্নীতি কৰিবলৈ সুবিধা পাইছে।

**৫) ৰাজনৈতিক সদিচ্ছাৰ প্ৰভাৱ ঃ**

আমোলাতান্ত্ৰিক দুৰ্নীতি বিশেষভাৱে গা কৰি উঠাৰ অন্যতম কাৰণ হৈছে - চৰকাৰী বিষয়া - কৰ্মচাৰীৰ ওপৰত ৰাজনৈতিক নেতাৰ সদিচ্ছা তথা আশীষধন্যতা। যাৰবাবে, চৰকাৰী বিষয়া-কৰ্মচাৰীসকলে আইন তথা নীতি-নিয়মৰ উদ্ধত গৈ নিজৰ স্বাৰ্থ পূৰণৰ বাবে ৰাজনৈতিক নেতা আৰু বিষয়াসকলে একেলগে কাম কৰাৰ বাবে কোনেও কাকো নিয়ন্ত্ৰণ কৰিবলৈ সূবিধা নাপায়। ইতিমধ্যে সংবাদ মাধ্যমত প্ৰচাৰিত হৈছে যে- যিবিলাক অক্ষমনীয় দুৰ্নীতি সংঘটিত হৈছে, সেইসকলোবিলাক দুৰ্নীতিতে চৰকাৰৰ উচ্চতম বৰ্গৰ বিভাগীয় বিষয়াসকলৰ লগতে দেশৰ আগশাৰীৰ ৰাজনৈতিক নেতাসকল অভিযুক্ত হৈছে। উদাহৰণস্বৰূপে, উত্তৰ কাছাৰৰ ১০০০ কোটী টকীয়া কেলেংকাৰীৰ লগত চৰকাৰী বিষয়া আৰ. এইচ. খানৰ লগত বহুকেইজন অভিযন্তা আৰু অসম চৰকাৰৰ বহুকেইজন মন্ত্ৰীৰ নাম সন্নিবিষ্ট হৈছে, যিটো বিবাদ বৰ্তমান বিচাৰাধীন হৈ আছে। গতিকে, যি দুৰ্নীতি ব্যৱস্থাক ৰাজনৈতিক নেতাৰ সদিচ্ছাৰ দ্বাৰা নিয়ন্ত্ৰণ কৰিব পৰা যায় তাৰ বিপৰীতে দুৰ্নীতিক প্ৰশ্ৰয় দি চৰকাৰী বিষয়াসকলক বিশেষভাবে সমৰ্থন কৰাৰ ফলত, আমোলাতান্ত্ৰিক দুৰ্নীতিৰ পৰিসৰ বৃদ্ধি পাইছে।

**৬)  নৈতিকতাৰ স্খলন ঃ**

বৰ্তমানৰ সামাজিক প্ৰেক্ষাপটত ব্যক্তিবাদী চিন্তাধাৰৰ ফলত নৈতিকতাক যিকোনো মূল্যৰ বিনিময়ত বিসৰ্জন দিবলৈ কোনেও কুণ্ঠাবোধ নকৰে। চৰকাৰৰ বিভাগীয় কৰ্মচাৰীসকলে চৰকাৰী অনুজ্ঞাপত্ৰ, কামৰ আবন্টন, চৰকাৰী আঁচনিৰ ৰূপায়ন তথা অনুমোদন সকলোতে ধনৰ বিনিময়ত কামৰ সমাধা কৰে, গতিকে উচ্চ শিক্ষিত চৰকাৰী বিষয়াই নৈতিকতাক বিসৰ্জন দি উৎকোচ লবলৈ কুন্ঠাবোধ নকৰে।

**৭)  কঠোৰ শাস্তিৰ অভাৱ ঃ**

সাম্প্ৰতিক সময়ছোৱাত দেখা গৈছে যে- দুৰ্নীতিত অভিযুক্ত চৰকাৰী বিষয়াসকলক কঠোৰ শাস্তি দিয়াৰ পৰিবৰ্তে কেৱল মাত্ৰ চাকৰিৰ বদলিকৰণ, দৰ্মহা কৰ্তন আদি লঘু শাস্তি প্ৰদান কৰা হয়। ইয়াৰউপৰিও, আইন ব্যৱস্থাৰ কেতবোৰ সুৰুঙা থকাৰ বাবে অতি সহজতে তথা পুলিচী ব্যৱস্থাৰ সন্মুখীন নোহোৱাকৈ আদালতলৈ যোৱাৰ পূৰ্বে জামিন লোৱা ব্যৱস্থা থকাৰ বাবে দুৰ্নীতি কৰিবলৈ কুন্ঠাবোধ নকৰে। আকৌ, আমি সংবাদ মাধ্যমৰ যোগেদি প্ৰত্যক্ষ কৰো যে, দুৰ্নীতিত অভিযুক্ত হোৱাৰ লগে লগে বিষয়াসকলে শাৰিৰীক অসুস্থতাৰ অজুহাত দেখুৱাই পুলিচৰ সন্মুখীন হোৱাৰ বিপৰীতে চিকিৎসালয়ত ভৰ্ত্তী হৈ জামিন লোৱাৰ বাবে তৎপৰ হয়। গতিকে, কঠোৰ শাস্তিৰ ভয় নথকাৰ বাবে, চৰকাৰী বিষয়াসকলে দুৰ্নীতিমূলক কাৰ্য্যত সহজে লিপ্ত হৈ থাকিব বিচাৰে।

মুঠতে নিয়ন্ত্ৰীত ব্যৱস্থাত কোনো যোগাত্মক ফল আশা কৰিব নোৱাৰি। বৰ্তমান সময়ছোৱাত বহু চৰকাৰী কৰ্মচাৰীয়ে উপঢৌকণ দি এটা চাকৰি ক্ৰয় কৰাৰ পাছত সেই ব্যক্তিজনৰ পৰা এক সুস্থ সেৱা আশা কৰাতো ভুল। ঠিক একেদৰে, যি শিক্ষাই মানুহক গঢ় দিয়াৰ বিপৰীতে জীৱিকা উপাৰ্জনক মাধ্যম হিচাপে পৰিচয় কৰাই দিয়ে, তাৰপৰা এজন যোগ্য, নৈতিকতা সম্পন্ন ব্যক্তি বিচৰাতো অপ্ৰাসংগিক কাৰণ আজিৰ প্ৰতিযোগিতামুলক শিক্ষাই ছাত্ৰ-ছাত্ৰীক সামাজিক দায়বদ্ধতাৰ প্ৰতি চিনাকী কৰি দিয়াৰ পৰিৱৰ্তে এটা ভাল চাকৰিৰ দ্বাৰা কিদৰে জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব পাৰি, তাকহে পৰিচয় কৰাই দিয়ে, গতিকে তেনে অৱস্থাত এজন শিক্ষিত ব্যক্তিৰ পৰা এজন সৎ বিষয়াক আশা কৰিব নোৱাৰি। ইয়াৰউপৰিও, বহুসময়ত বিষয়াসকলে নিজৰ স্বাভিমান ত্যাগ কৰিব লাগে যাৰবাবে তেওঁলোক ক্ষুদ্ধ হৈ দুৰ্নীতিমুলক কাৰ্য্যত লিপ্ত হয়।

গতিকে, এনে বহু পৰিবেশ পৰিস্থিতিত আমাৰ দেশত আমোলাতান্ত্রিক দুর্নীতি বৃদ্ধি পাইছে।

### ৫.৪.৪ আমোলাতান্ত্রিক দুর্নীতি নিৰাময়ৰ উপায়সমূহ ঃ

চৰকাৰী কর্মচাৰী তথা বিষয়াসকলৰ ব্যক্তিকেন্দ্রীক মনোভাৱৰ বাবে সমাজৰ সৰহসংখ্যক লোক সা-সুবিধাৰ পৰা বঞ্চিত হোৱাৰ লগতে ক্ষমতাৰ অপব্যৱহাৰৰ বাবে সাধাৰণ লোকসকলে সকলো সময়তে অসুবিধাৰ সন্মুখীন হ'ব লগীয়া হৈছে। এইসকল বিষয়া কর্মচাৰীয়ে বস্তুবাদী সমাজব্যৱস্থাত নিজ নিজ সন্মান, ক্ষমতা আৰু মৰ্য্যদা অটুট ৰাখিবৰ বাবে প্ৰয়াস কৰে, যাৰবাবে নৈতিকভাৱে শূণ্য হৈ দুর্নীতিমুলক কার্য্যত লিপ্ত হৈ আহিছে। কিন্তু বর্তমান সময়ত যি হাৰত আমোলাতান্ত্রিক দুর্নীতি বৃদ্ধি পাইছে, তাৰ সমাধান নিতান্তই প্ৰয়োজন হৈ পৰিছে। গতিকে, এই দুর্নীতিমুলক কার্য্যক বাধা দিয়াটো প্ৰয়োজন। এনে কেতবোৰ দিশ বা উপায় তলত আলোচনা কৰা হৈছে-

**১) প্ৰশাসনিক দায়বদ্ধতা** -

প্ৰত্যেক বিভাগৰ কর্মচাৰীসকলে যাতে প্ৰশাসনীক দায়বদ্ধতা মানি চলে তাৰবাবে প্ৰশাসনীয় আইন কঠোৰ আৰু শৃংখলাবদ্ধ হ'ব লাগে। লগতে বিষয়া-কর্মচাৰীসকলে যাতে ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত হৈ কাম কৰিব পাৰে, তাৰ সু-ব্যৱস্থা কৰিব লাগে। ইয়াৰউপৰিও, যোগ্য ব্যক্তিক চৰকাৰে সময়ে সময়ে যথোচিত সন্মান আৰু পদোন্নতি দি উৎসাহিত কৰিলে, বিষয়া-কর্মচাৰীসকলে প্ৰশাসনিক দায়বদ্ধতাৰে কাম কৰিব বুলি আশা কৰিব পাৰি। গতিকে, সামৰিক বিভাগৰ দৰে অন্যান্য চৰকাৰী কর্মচাৰীসকলকো, কামৰ যথোচিত সন্মান প্ৰদৰ্শন কৰা উচিত। যিহেতুকে চৰকাৰৰ বিভাগ সমুহত বহু যোগ্য কর্মচাৰীয়ে নিৰৱে বহু সফল কাম সমাপন কৰি যায়, কিন্তু তাৰ মূল্য মাহেকীয়া ভাট্টাৰ জৰিয়তেহে কেৱল পূৰণ কৰা হয। গতিকে, প্ৰশাসনিক দায়বদ্ধতা প্ৰযোজ্য কৰাতো অতি জৰুৰী।

**২) নাগৰিক সমাজৰ সক্রিয় ভূমিকা** -

নাগৰিক সমাজ সচেতন আৰু সক্রিয় হ'লে, চৰকাৰী বিষয়াসকলে দায়বদ্ধতাৰে কাম কৰিবলৈ বাধ্য আৰু তেনে পৰিবেশত দুর্নীতিৰ প্ৰভাৱ ম্লান হ'ব। গতিকে, আমোলাতান্ত্রিক দুর্নীতি নিবাৰণৰ কাৰণে নাগৰিক সমাজে চৰকাৰী বিষয়া কর্মচাৰীসকলক নির্ধাৰিত

দায়িত্ব আৰু কৰ্তব্যৰ প্ৰতি সচেতন কৰিব লাগিব। এইক্ষেত্ৰত, সংবাদ মাধ্যমৰ ভূমিকা যোগাত্মক আৰু গঠনমূলক হ'লে নাগৰিক সমাজৰ দায়বদ্ধতাই এই দুৰ্নীতিৰ প্ৰকোপ কিছু পৰিমাণে হ্ৰাস কৰিব পাৰিব। উদাহৰণস্বৰূপে, বৰ্তমান সময়ত চৰকাৰৰ বহুকেইটা বিভাগৰ দুৰ্নীতিৰ কাৰ্য্য তথ্যসহকাৰে সংবাদ মাধ্যমত প্ৰচাৰ হোৱাৰ বাবে চৰকাৰ আৰু প্ৰশাসন উভয়ে সজাগ হ'বলৈ বাধ্য হৈছে।

**৩) বিচাৰ বিভাগৰ সক্ৰিয়তা** -

আমোলাতান্ত্ৰিক দুৰ্নীতি নিয়ন্ত্ৰণৰ কাৰণে বিচাৰ বিভাগ সক্ৰিয় হ'ব লাগিব দুৰ্নীতিত অভিযুক্ত বিষয়া-কৰ্মচাৰী যাতে কোনো কাৰণতে আইনৰ চকুত ধুলি মাৰি বাচি যাব নোৱাৰে তাৰবাবে বিচাৰ প্ৰক্ৰিয়া কঠোৰ হ'ব লাগে। ইয়াৰউপৰিও তদন্তকাৰী সংস্থাসমুহে যাতে নিৰপেক্ষ ভূমিকা পালন কৰিব পাৰে তাৰ যথোপযুক্ত ব্যৱস্থা কৰিব লাগে। অন্যহাতে, দুৰ্নীতিত অভিযুক্ত চৰকাৰী বিষয়া কৰ্মচাৰীৰ দুৰ্নীতিত লিপ্ত থকাৰ প্ৰমাণ হ'লে কঠোৰ শাস্তি প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে।

**৪) বিকেন্দ্ৰীভূত প্ৰশাসনীয় কাৰ্য্যকাৰিতা** -

প্ৰশাসনীয় কাৰ্য্যৰ বিকেন্দ্ৰীকৰণে আমোলাতান্ত্ৰিক দুৰ্নীতি হ্ৰাস কৰিব পাৰে। কিয়নো, এজন ব্যক্তিয়ে সিদ্ধান্ত গ্ৰহণত সৰ্ব্বোচ্চ ক্ষমতা উপভোগ কৰিবলৈ সুবিধা পালে, ক্ষমতাৰ অপব্যৱহাৰৰ জৰিয়তে দুৰ্নীতিত লিপ্ত হয়। গতিকে, বিভাগীয় কাম-কাজ সমুহত প্ৰশাসনীক দক্ষতা বৃদ্ধিৰ বাবে কামৰ বিকেন্দ্ৰীকৰণ কৰিলে কাৰ্য্যালয়সমুহৰ গতিশীলতা বৃদ্ধি পাব, আৰু দুৰ্নীতি লাঘৱ হ'ব।

**৫) গুণগত তথা প্ৰকৃত শিক্ষাৰ প্ৰয়োগ** -

গুণগত তথা প্ৰকৃত শিক্ষাইহে সমাজৰ পৰা আমোলাতান্ত্ৰিক দুৰ্নীতি নিৰাৰণ কৰিব পাৰিব। গতিকে, ছাত্ৰ-ছাত্ৰীক পুঁথিগত শিক্ষাৰ লগতে সামাজিক তথা নৈতিকতাৰ শিক্ষা প্ৰদান কৰিব লাগে, আৰু কতৰ্ব্যপৰায়ণ, চৰিত্ৰৱান, আদৰ্শবান, ত্যাগী, সংযমশীল ব্যক্তি গঢ় দিয়াৰ শিক্ষাহে প্ৰদান কৰিব লাগে। এনেধৰণৰ গুণগত শিক্ষা তথা প্ৰায়োগিক জ্ঞানৰ সফল প্ৰয়োগেহে ব্যক্তিসমষ্টিক সামাজিক ভাৱে দায়বদ্ধ আৰু সুশৃংখলাবদ্ধ কৰি গঢ়ি তুলিব, আৰু তেনে পৰিবেশতহে সমাজৰপৰা আমোলাতান্ত্ৰিক দুৰ্নীতিৰ চেতনা তথা মনোভাৱ হ্ৰাস পাব বুলি আশা কৰিব পাৰি।

৬) যথোপযুক্ত সুবিধা প্ৰদান -

চৰকাৰৰ বিষয়া কৰ্মচাৰীসকলে সুস্থভাৱে কাম কৰিবলৈ হ'লে, তেওঁলোকৰ জীৱন-ধাৰণৰ মানদণ্ড উন্নত হোৱা উচিত। অৰ্থাৎ যোগ্যতা অনুসৰি সকলোৱে সমানে সা-সুবিধা পাব লাগে। উদাহৰণস্বৰূপে, এজন স্নাতক ডিগ্ৰীধাৰী যুৱকে কেন্দ্ৰীয় চৰকাৰৰ অধীনত কাৰ্য্যনিৰ্বাহ কৰিলে যি পৰিমাণৰ দা-দৰমৰ্হা পায়, সেই একে যোগ্যতাৰ কৰ্মচাৰী এজনে ৰাজ্যিক চৰকাৰৰ অধীনত সেই সা-সুবিধাসমূহ লাভ নকৰে। ফলত হতাশাগ্ৰস্থতা আৰু নিৰাশ হৈ এনে যুক্তিগত দিশ বিবেচনা কৰি, অধিক সা-সুবিধা আহৰণৰ বাবে চৰকাৰী বিষয়া কৰ্মচাৰীয়ে উপাৰ্জনৰ নতুন উৎস বিচৰাৰ প্ৰৱণতাই আমোলাতান্ত্ৰিক দুৰ্নীতি বৃদ্ধি কৰিছে।

গতিকে, চৰকাৰী বিষয়া কৰ্মচাৰীসকলে যাতে কোনো পৰিস্থিতিতে জীৱন ধাৰণৰ মানদণ্ড তুলনামুলক ভাবে আন কোনো কৰ্মচাৰীৰ লগত তুলনা কৰি হতাশাগ্ৰস্থ হ'ব নালাগে, তাৰ বাবে উপযুক্ত মৰ্য্যদা, সা-সন্মান, দৰমহা আৰু অন্যান্য সা-সুবিধা প্ৰদান কৰা উচিত।

ওপৰত আমোলাতান্ত্ৰিক দুৰ্নীতি নিৰাময়ৰ কেতবোৰ উপায় আলোচনা কৰা হৈছে। ইয়াৰপৰা, ছাত্ৰ-ছাত্ৰীসকলে এক আভাষ লাভ কৰিব পাৰিবা, লগতে বৰ্তমান সমাজত চলি থকা দুৰ্নীতিমুলক কাৰ্য্যৰ উপায় সম্পৰ্কে নিজস্ব মতামত আগবঢ়াবলৈ চিন্তা কৰিব পাৰিবা। ইয়াৰ উপৰিও, ছাত্ৰ-ছাত্ৰীসকলে, কিদৰে এখন দুৰ্নীতিমুক্ত সমাজ গঢ়ি তুলিব পৰা যাব সেই সম্পৰ্কে নিজাববীয়াকৈ আলোকপাত কৰিবলৈ যত্ন কৰিব পাৰিবা।

**খ) আত্ম মূল্যায়নৰ প্ৰশ্ন ঃ**

১) আমোলাতান্ত্ৰিক দুৰ্নীতি বৃদ্ধিৰ দুটা কাৰণ লিখা।

..............................................................................................................

..............................................................................................................

২) আমোলাতান্ত্ৰিক দুৰ্নীতি নিৰাময়ৰ দুটা পৰামৰ্শ লিখা।

..............................................................................................................

..............................................................................................................

## ৫.৫ সামৰণি ঃ

ভাৰতবৰ্ষৰ ইতিহাসত দুৰ্নীতিৰ শিপা স্বৰাজোত্তৰ কালৰে পৰা আৰম্ভ হৈছিল। কিয়নো স্বাধীন দেশৰ নাগৰিকে মুক্তভাৱে আচৰণ কৰিব পৰিছিল কিন্তু প্ৰতিমূহুৰ্ততে নিৰ্দিষ্ট কিছুমান ক্ষমতাশালী লোকৰ শ্ৰুতলিপি মতে দেশখনৰ অৰ্থ-সামাজিক কাৰ্য্যাৱলী মানি চলিব লগা হৈছে। গতিকে, ৰাজহুৱা স্বাৰ্থৰ নামত বহু ব্যক্তিয়ে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে নিজৰ স্বাৰ্থক সুৰক্ষা দি আহিছে আৰু এনেদৰে দুৰ্নীতিমুলক কাৰ্য্যত লিপ্ত হৈছে। আমি সকলোৱে প্ৰত্যক্ষ কৰিছো যে, যেতিয়া কোনো ৰাজহুৱা কাৰ্য্য সমাপন কৰিবলৈ যোৱা যায় তেতিয়া ৰাজনৈতিক মুৰব্বী আৰু বিভাগীয় কৰ্মচাৰীৰ সহযোগতহে কাৰ্য্য সমাপন হয়। তেনে অৱস্থাত উভয়ে জড়িত হোৱাৰ বাবে দুৰ্নীতি কৰিবলৈ সুবিধা পায়। অৰ্থাৎ চৰকাৰী আঁচনি বিলাকৰ ৰূপায়ণৰ বাবে উভয় পক্ষই অনুমোদনৰ নামত লোৱা কমিছনৰ হিচাপ ইতিমধ্যে সংবাদ মাধ্যমত প্ৰচাৰিত হৈছে। ঠিক একেদৰে, ঠিকাৰ আৱন্টনত, চাকৰিৰ নিযুক্তিৰ ক্ষেত্ৰত বিভাগীয় মন্ত্ৰীৰ সহয়োগতহে চৰকাৰৰ উচ্চপদস্থ বিষয়াসকলে অনুমোদন জনায়, গতিকে ৰাজনৈতিক দুৰ্নীতি আৰু আমোলাতান্ত্ৰিক দুৰ্নীতি উভয়ে পৰস্পৰৰ সহযোগত পৰিচালিত হোৱাত ই এক নিয়ন্ত্ৰণহীন পৰিবেশলৈ পৰ্য্যবেসিত হৈছে।

উল্লেখ্যযোগ্য যে - ৰাজনৈতিক দুৰ্নীতি আৰু আমোলাতান্ত্ৰিক দুৰ্নীতিৰ বিৰুদ্ধে, আন্না হাজাৰিৰ নেতৃত্বত গঢ়ি উঠা দুৰ্নীতি বিৰোধী আন্দোলনৰ ভূমিকা লেখত লৱলগীয়া। ‘জনলোকপাল’ বিধেয়ক, আইন হিচাপে গ্ৰহণ কৰি দুৰ্নীতি নিৰ্মুলৰ যি প্ৰচেষ্টা আন্না হাজাৰিৰ উদ্যোগত গঢ়ি উঠিছে, ই এক প্ৰশংসনীয় পদক্ষেপ। এই দুৰ্নীতি বিৰোধী আন্দোলনত জনগণৰ ব্যাপক সঁহাৰি অতি গুৰুত্বপূৰ্ণ। কিয়নো বৰ্তমান সময়ত দেশৰ শতসহস্ৰ জনগণ দুৰ্নীতিৰ বাবে অতিষ্ঠ হৈ পৰিছে, সকলোলোক প্ৰাপ্য অধিকাৰৰ পৰা বঞ্চিত হৈছে। গতিকে, জনসচেতনতাই দুৰ্নীতিমুলক কাৰ্য্য প্ৰতিৰোধ কৰিব পাৰিব বুলি আশা কৰিব পাৰি আৰু এইক্ষেত্ৰত আন্না হাজাৰিৰ নেতৃত্বত গঢ়ি উঠা দুৰ্নীতি বিৰোধী অভিযানৰ যোগাত্মক পদক্ষেপ সকলোৰে বাবে পাথেয় হৈ ৰ’ৱ।

শেষত, আমি বুজি উঠাৰ প্ৰয়োজন যে - ৰাজনৈতিক আৰু আমোলাতান্ত্ৰিক দুৰ্নীতিৰ পয়োভৰে দেশৰ অৰ্থ-সামাজিক প্ৰগতিত বাধা আৰোপ কৰাৰ লগতে সাধাৰণ জনতাৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত হোৱাত বাধা জন্মাইছে। কিয়নো দুৰ্নীতিৰ বাবে পৰ্য্যাপ্ত পৰিমাণে জনসাধাৰণে খাদ্য, স্বাস্থ্য, শিক্ষা আদি অধিকাৰৰ সুৰক্ষাৰ পৰা বঞ্চিত হৈছে। অৱশ্যে, প্ৰত্যেক মানুহৰ বিবেক বুদ্ধিৰ, চিন্তাৰ সজ উদয় ন’হলে দুৰ্নীতি নিৰ্মুল নহয়। এইক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে লাভ কৰা শিক্ষাৰ যোগেদি সচেতন

হ'লে নিজে এই অপবিত্ৰ কামৰ পৰা বিৰত থকাৰ লগতে আনক উপদেশ দি দুৰ্নীতি বিৰোধী সংগ্ৰামত তৎপৰ হ'ব পাৰিব। মুঠতে সজভাৱ আৰু সজ আদৰ্শইহে, ব্যক্তিক সচেতন কৰিব পাৰিব আৰু তেতিয়াই ৰাজনৈতিক দুৰ্নীতি আৰু আমোলাতান্ত্ৰিক দুৰ্নীতি নিৰ্মূল হ'ব।

**৫.৬ ঘাই শব্দসমূহ ঃ**

১) আমোলাতন্ত্ৰ - চৰকাৰৰ উচ্চতম বৰ্গৰ কৰ্মচাৰীসকল

২) ৰাজনৈতিক ব্যৱস্থা - দেশ এখনৰ যি ৰাজনৈতিক নীতিৰে পৰিচালিত শাসনব্যৱস্থা।

৩) ৰাষ্ট্ৰীয় ৰাজনীতি - সমগ্ৰ ভাৰতবৰ্ষত প্ৰচলিত ৰাজনৈতিক ঘটনাৱলী।

**৫.৭ পাঠ্য নিৰ্দেশনা ঃ**

১) লোক প্ৰশাসনৰ পৰিচয়– পুৰন্দৰ গগৈ

২) ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা– ডঃ কৃপেশ চন্দ্ৰ পাল
প্ৰতুল চন্দ্ৰ নায়ক।

**আত্মমুল্যায়ন প্ৰশ্নৰ সম্ভাব্য উত্তৰ ঃ**

ক) ১) ৰাজনৈতিক নেতা বা শাসকীয় পক্ষই ক্ষমতাৰ অপব্যৱহাৰৰ জৰিয়তে নিজস্ব স্বাৰ্থ পুৰণ কৰাৰ লগতে নীতি বৰ্হিভূত ভাবে সামাজিক স্বাৰ্থক আওকান কৰি ব্যক্তিস্বাৰ্থ পুৰণৰ বাবে কৰা প্ৰচেষ্টা।

২) ই শ্ৰেণীবিভাজন কৰে। আৰু সমাজত অসমতা আনে। আৰু দেশখনৰ প্ৰগতিত বাধা জন্মায়।

৩) সামাজিক সচেতনতা বৃদ্ধি আৰু সক্ৰিয় ন্যায়িক ব্যৱস্থা।

খ) ১) অৰ্থনৈতিক কাৰণ - ভোগবাদী সমাজ ব্যৱস্থাত, ব্যক্তিবিশেযে ন্যস্ত স্বাৰ্থ পুৰণৰ বাবে কৰা প্ৰয়াস। সামাজিক সচেতনতাৰ অভাব , জনসচেতনতাৰ অভাৱ আৰু জনসাধাৰণৰ সক্ৰিয়তাৰ অভাৱ এক গুৰুত্বপূৰ্ণ কাৰণ।

২) নাগৰিক সমাজৰ সক্ৰিয়তা আৰু প্ৰশাসনিক দায়বদ্ধতাৰদ্বাৰা আমোলাতান্ত্ৰিক দুৰ্নীতি নিৰ্মুল কৰিব পৰা যাব।

**প্ৰসংগ পুথি ঃ**

১) সামাজিক সমস্যা - ড° জ্যোতিপ্ৰসাদ শইকীয়া।

২) Corruption India's Enemy Within - Srivastava.

৩) Public Administration it Theory and Practice

- Dr. M. P. Sharma
- Dr. B. L. Sadna.

৪) Public Administration

- Vishnoo Bhagwan
- Vidya Bhushan.

আৰ্হি প্ৰশ্ন ঃ

১) ৰাজনৈতিক দুৰ্নীতি বুলিলে কি বুজা? আমাৰ দেশত ইয়াৰ প্ৰভাৱ সম্পৰ্কে বাখ্যা আগবঢ়োৱা।

২) ভাৰতবৰ্ষত ৰাজনৈতিক দুৰ্নীতিৰ পৰিসৰ চমুকৈ আলোচনা কৰা।

৩) আমোলাতান্ত্ৰিক দুৰ্নীতি বুলিলে কি বুজা? ৰাজনৈতিক দুৰ্নীতি আৰু আমোলাতান্ত্ৰিক দুৰ্নীতিৰ মাজত কেনেধৰণৰ সম্পৰ্ক আছে, চমুকৈ আলোচনা কৰা।

৪) আমোলাতান্ত্ৰিক দুৰ্নীতিৰ প্ৰভাৱ আমাৰ সমাজত কেনেদৰে পৰিছে আৰু ইয়াক কিদৰে নিৰ্মুল কৰিব পৰা যাব তাৰ চমুকৈ আলোচনা কৰা।

# গোট - ৬

# (Unit - 6)

## আঞ্চলিকতাবাদ


৬.১ উদ্দেশ্য

৬.২ প্ৰস্তাৱনা

৬.৩ আঞ্চলিকতাবাদৰ অৰ্থ

৬.৪ আঞ্চলিকতাবাদৰ প্ৰকৃতি

৬.৫ ভাৰতৰ ৰাজনীতিত উদ্ভৱ হোৱা কাৰণসমূহ

৬.৬ আঞ্চলিকতাবাদ বাধা দিয়া উপায়সমূহ

৬.৭ আঞ্চলিকতাবাদ আৰু ভাৰতৰ ৰাজনীতি

আত্মমূল্যায়নৰ প্ৰশ্ন

৬.৮ সামৰণি

৬.৯ ঘাই শব্দসমূহ

৬.১০ পাঠ্য নিৰ্দেশনা

আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ

প্ৰসংগ পুথি

আৰ্হি প্ৰশ্ন

**৬.১ উদ্দেশ্য ঃ**

এই গোটটো অধ্যয়ন কৰাৰ পিছত তোমালোকে -

- আঞ্চলিকতাবাদৰ অৰ্থ, প্ৰকৃতিৰ বিষয়ে বুজিব পাৰিবা।
- আঞ্চলিকতাবাদ উদ্ভৱ হোৱা কাৰণসমূহৰ লগতে ইয়াক বাধা দিয়া উপায়সমূহ অনুধাৱন কৰিব পাৰিবা।
- লগতে তোমালোকে ভাৰতৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ প্ৰভাৱৰ সম্পৰ্কে জানিবলৈ পাবা।

**৬.২ প্ৰস্তাৱনা ঃ**

ইতিমধ্যে তোমালোকে 'ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি ' এই পাঠ্যপুথিখনৰ বিভিন্ন খণ্ডৰ লগতে গোটবোৰ অধ্যয়নৰ জৰিয়তে ভাৰতৰ ৰাজনীতিৰ প্ৰকৃত ৰূপ বা ইয়াৰ চৰিত্ৰৰ বিষয়ে এটি সামূহিক ধাৰণা লাভ কৰিছাহওঁক। এতিয়াৰ আলোচনাত আমি আঞ্চলিকতাবাদৰ বিষয়ে এটি সামূহিক ধাৰণা আগবঢ়াম। লগতে আঞ্চলিকতাবাদৰ বিভিন্ন দিশসমূহ, ভাৰতৰ ৰাজনীতিত ইয়াৰ বিকাশ আৰু ভূমিকাৰ সন্দৰ্ভত আমি এটি আলোচনা এই গোটটোৰ জৰিয়তে তোমালোকলৈ আগবঢ়ালো।

**৬.৩ আঞ্চলিকতাবাদৰ অৰ্থ :**

আমি জানো যে ভাৰতবৰ্ষ এখন বিশাল দেশ। ইয়াত নানা জাতি, নানা ভাষা আৰু নানা ধৰ্মাৱলম্বী লোক বসবাস কৰে। এইবিলাকৰ আকৌ বিভিন্ন শাখা-প্ৰশাখাও আছে। ভাৰতবৰ্ষৰ কোনো কোনো অঞ্চলত একে ধৰ্ম, ভাষা আৰু জাতিৰ লোক বসবাস কৰে। সেয়েহে তেওঁলোকে নিজৰ নিজৰ অঞ্চলৰ স্বকীয়তা ৰক্ষা কৰিব বিচাৰে। তেওঁলোকে তেওঁলোকৰ সাংস্কৃতিক ঐতিহ্যৰ প্ৰতিও সজাগ থাকে। নিজৰ অঞ্চলৰ অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক উন্নয়নেই হল তেওঁলোকৰ প্ৰধান লক্ষ্য। গতিকে চমু অৰ্থত অঞ্চলিকতাবাদ বুলিলে কোনো এটা অঞ্চলত বসবাস কৰা লোকসকলে যেতিয়া নিজৰ ভাষা-সংস্কৃতি ৰক্ষা, অৰ্থ-সামাজিক আৰু ৰাজনৈতিক উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত পৃথকভাৱে নিজ অঞ্চলৰ স্বাৰ্থ ৰক্ষাৰ বাবে দাবী জনায় তাকে আঞ্চলিকতাবাদ বুলি কোৱা হয়। এই দিশত কেৱল আঞ্চলিক স্বাৰ্থ পূৰণক মূল উদ্দেশ্য হিচাপে সেই অঞ্চলৰ বাসিন্দাসকলে মানি লয়।

আঞ্চলিকতাবাদক বহল আৰু সংকীৰ্ণ দুটা ৰূপত ব্যাখ্যা কৰিব পাৰি। বহল অৰ্থত আঞ্চলিকতাবাদ কেন্দ্ৰীয়কৰণ ধাৰাৰ বিপৰীতে হোৱা এটা আন্দোলন। অন্যহাতেদি সংকীণ অৰ্থত আঞ্চলিকতাবাদ বুলিলে আমি স্থানীয় স্বাৰ্থৰক্ষাৰ প্ৰতি জনসাধাৰণৰ তাক মানসিকতাক বুজো।

সাধাৰণতে দেখা যায় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত কেন্দ্ৰীয় চৰকাৰে বিভিন্ন সময়ত ৰাজ্যবিলাকৰ ওপৰত বিভিন্ন উপায়েৰে নিয়ন্ত্ৰণ ৰাখিব বিচাৰে। ইয়াৰ ফলত সেই বিশেষ ৰাজ্যখনৰ বা অঞ্চলটোৰ স্বাৰ্থ বিঘ্নিত হোৱা দেখা যায়। এনে হোৱাৰ ফলত অঞ্চলটোৰ জনসাধাৰণে এক বিশেষ চিন্তাধাৰা গঢ়ি তোলে যাতে কেন্দ্ৰীয় চৰকাৰৰ ক্ষমতা নিয়ন্ত্ৰণ কৰিব পৰা যায়। ইয়াৰ ফলত উদ্ভৱ হয় আঞ্চলিকতাবাদ।

ইংৰাজ শাসনকালত ভাৰতবৰ্ষত আঞ্চলিকতাবাদ ধাৰণাটোৱে বিশেষ প্ৰসাৰ লাভ কৰিব পৰা নাছিল। কিন্তু ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছৰে পৰা এই দেশত লাহে লাহে আঞ্চলিকতাবাদে জনপ্ৰিয়তা লাভ কৰিবলৈ ধৰে। বৰ্তমান আঞ্চলিকতাবাদৰ ৰাজনীতিয়ে ভাৰতৰ ৰাজনৈতিক বাতাবৰণ অস্থিৰ কৰি তোলা দেখিবলৈ পোৱা যায়।

## ৬.৪ আঞ্চলিকতাবাদৰ প্ৰকৃতি ঃ

উপৰোক্ত আলোচনাত তোমালোকে আঞ্চলিকতাবাদনো কি সেই বিষয়ে এটি চমু ধাৰণা পালাহওঁক। আঞ্চলিকতাবাদৰ বিষয়ে সবিশেষ জানিবলৈ হ'লে তোমালোকে ইয়াৰ প্ৰকৃতি, উদ্ভৱৰ কাৰণ ইত্যাদিৰ সম্পৰ্কে সবিশেষ জানিব লাগিব। যিকিনহওঁক তলৰ আলোচনাত তোমালোকে আঞ্চলিকতাবাদৰ প্ৰকৃতিৰ বিষয়ে জানিবলৈ পাবা।

ভাৰতবৰ্ষত আঞ্চলিকতাবাদে বিভিন্ন ৰূপ লোৱা দেখা যায়। এই ৰূপসমূহ হ'ল-

১) **পৃথক ৰাষ্ট্ৰ গঠনৰ দাবীত সৃষ্টি হোৱা আঞ্চলিকতাবাদ ঃ** পৃথক ৰাষ্ট্ৰ গঠনৰ বাবেও ভাৰতৰ ৰাজনীতিত আঞ্চলিকতাবাদ গঢ় লৈ উঠা দেখা যায়। উদাহৰণস্বৰূপে, খালিস্থানৰ দাবীত শিখসকলে কৰা বিদ্ৰোহ। পৃথক নাগালেণ্ডৰ দাবীত কৰা বিদ্ৰোহ।

২) **ৰাজ্যৰ মৰ্য্যদাৰ বাবে দাবী ঃ** বহুসময়ত ভাৰতবৰ্ষত বিভিন্ন অঞ্চলৰ লোকসকলে পৃথক ৰাজ্যগঠনৰ দাবীটো আন্দোলন কৰা দেখা যায়। উদাহৰণস্বৰূপে, গোৰ্খা লেণ্ডৰ দাবীত কৰা আঞ্চলিকতাবাদী আন্দোলন।

৩) **আন্তঃৰাজ্যিক বিবাদ ঃ** ভাৰতৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ আন এটা ৰূপ হ'ল আন্তঃৰাজ্যিক বিবাদ। এনে বিবাদসমূহ মূলতঃ সীমা বিবাদ, পানী বিতৰণৰ বিবাদ ইত্যাদি। এনে বিবাদসমূহৰ ফলত বহুসময়ত ৰাজ্যবিলাকৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত হয়। যাৰ ফলত অঞ্চলবিলাকৰ জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হয়। উদাহৰণস্বৰূপে, নাগালেণ্ড, অৰুণাচল আৰু অসমৰ মাজত সঘনাই দেখা দিয়া বিবাদসমূহ।

৪) **ভাষাভিত্তিক আঞ্চলিকতাবাদ :** ভাষাভিত্তিক আঞ্চলিকতাবাদৰ ফলতে স্বাধীনতাৰ পাছত ভাষা ভিত্তিত কিছুমান পৃথক ৰাজ্য গঠন কৰা হ'ল। বৰ্ত্তমানেও এই ধাৰা ভাৰতৰ ৰাজনীতিত অব্যাহত থকা দেখিবলৈ পাওঁ। উদাহৰণস্বৰূপে, টেলেঙ্গানা ৰাজ্য গঠনৰ দাবী।

৫) **কোনো এখন ৰাজ্যৰ ভিতৰতে স্বায়ত্ব শাসনৰ দাবী :** ভাৰতৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ আন এটা প্ৰকৃতি হল স্বায়ত্ব শাসনৰ দাবী। তোমালোকে যদি উত্তৰ- পূবৰ ৰাজ্য অসমলৈকে মন কৰা তেতিয়া দেখিবা যে ইয়াত বিভিন্ন গোষ্ঠীবিলাকে স্বায়ত্বশাসনৰ দাবীত আন্দোলন চলাই আহিছে।

ওপৰত উল্লেখিত বিভিন্ন ধৰণৰ আঞ্চলিকতাবাদে ভাৰতবৰ্ষৰ ৰাজনৈতিক সামাজিক আৰু অৰ্থনৈতিক আদি ক্ষেত্ৰত অস্থিৰতাৰ সৃষ্টি কৰে। এই ধৰণৰ আঞ্চলিকতাবাদে আইন শৃংখলা ৰক্ষাৰ ক্ষেত্ৰতো যথেষ্ট বাধাৰ সৃষ্টি কৰে। ভাষিক আঞ্চলিকতাবাদৰ বাবে ভাষাৰ ভিত্তিত ৰাজ্যবিলাকৰ পুৰ্ণগঠন কৰিবলগীয়া হৈছে। নিজৰ ভাষাক মৰ্যাদা দিবৰ বাবে কেতিয়াবা ভাষিক সংখ্যালঘুসকলক নানাভাৱে নিৰ্যাতন কৰা হয়। অন্যহাতেদি আঞ্চলিকতাবাদী ধাৰণা যেনে- Son of the soil Theory অৰ্থাৎ ভূমিপূত্ৰ ধাৰণাৰ ফলত স্থানীয় লোকসকলকহে চাকৰিত নিযুক্তি দিয়াৰ মনোভাৱৰ ফলত যোগ্যতাসম্পন্ন ব্যক্তিসকল বাদ পৰি যোৱা দেখা যায়। যাৰ ফলত জাতীয় সংহতিত ক্ষতি সাধন হয়। ইয়াৰ উপৰিও ৰাজ্যবিলাকে অধিক আৰু পূৰ্ণ ক্ষমতা লাভৰ বাবে সঘনে দাবী, নতুন ৰাজ্য গঠনৰ দাবী আৰু ৰাজ্যৰ ভিতৰতে কোনো অঞ্চলৰ লোকে স্বায়ত্বশাসনৰ দাবী তুলি ৰাজ্যিক তথা ৰাষ্ট্ৰীয় ৰাজনীতি উত্তপ্ত কৰি তোলে। সেইদৰে পানীৰ বিতৰণ আৰু ৰাজ্যৰ সীমা লৈ বিভিন্ন ৰাজ্যৰ মাজত হোৱা বিবাদ ইত্যাদিসমূহক কেন্দ্ৰীয় চৰকাৰে সফলভাবে সমাধান কৰিবলৈ সক্ষম হব পৰা নাই যিহেতু এই বিলাক দাবীৰ প্ৰতি আঞ্চলিকতাবাদী শক্তি বিলাকৰ পূৰ্ণ সমৰ্থন আছে। ভাৰতবৰ্ষৰ কিছুমান ঠাইত আঞ্চলিকতাবাদ ইমানেই শক্তিশালী যে সেইবিলাক ঠাইত বহুতো বছৰ ধৰি স্বাধীনতা দিৱস, গণৰাজ্য দিৱস আদি জাতীয় উৎসৱ সুকলমে পালন কৰিব পৰা নাই। কাৰণ, আঞ্চলিকতাবাদী আৰু বিচ্ছিন্নতাবাদীসকলে এই বিলাক উৎসৱ পালনৰ বিৰোধিতা কৰি আহিছে।

এইখিনিতে উল্লেখ কৰিব পাৰি যে বহুতো সময়ত আঞ্চলিকতাবাদে বিচ্ছিন্নতাবাদৰ জন্ম দিয়ে বা দিব পাৰে। উগ্ৰপন্থী আঞ্চলিকতাবাদীসকলে শান্তি পূৰ্ণ উপায়ে তেওঁলোকৰ দাবী পূৰণ কৰিব নোৱাৰিলে বিচ্ছিন্নতাবাদৰ সূত্ৰপাত কৰে। কেতিয়াবা আকৌ বিচ্ছিন্নতাবাদৰ পৰা আতঙ্কবাদৰ জন্ম হয়। ইয়াৰ বহুতো উদাহৰণ ভাৰতবৰ্ষত থকা দেখা যায়।

## ৬.৫. ভাৰতৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ উদ্ভৱৰ কাৰণসমূহ ঃ

আগতেই কোৱা হৈছে যে আঞ্চলিকতাবাদী শক্তি বৃটিছ শাসনকালত বৰ শক্তিশালী নাছিল। দেশ স্বাধীন হোৱাৰ পিছত প্ৰায় দুই দশক কাললৈকে আঞ্চলিকতাবাদে শক্তিশালী ৰূপত মূৰ দাঙি উঠিব পৰা নাছিল। কিন্তু ইয়াৰ পাছত সময় সলনি হোৱাৰ লগে লগে আঞ্চলিকতাবাদী ভাৱধাৰাই ভাৰতৰ ৰাজনৈতিক বাতাবৰণ উত্তপ্ত কৰি তুলিলে। তলৰ আলোচনাত আমি ভাৰতৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ উদ্ভৱৰ কাৰণসমূহৰ বাখ্যা দাঙি ধৰিলো।

১) **অৰ্থনৈতিক অসমতা (Economic inequality)ঃ**

ভাৰতবৰ্ষ এখন তৃতীয় বিশ্বৰ দেশ। ইয়াৰ অৰ্থনীতি উন্নয়নশীল অৰ্থনীতি। অৰ্থনৈতিক ক্ষেত্ৰত ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলবিলাক একে নহয়। ভাৰতবৰ্ষত যদিও অৰ্থনৈতিক পৰিকল্পনা গ্ৰহণৰ জড়িয়তে দেশখনৰ অৰ্থনৈতিক বিকাশ কৰিব যত্ন কৰা হৈছে কিন্তু বৰ্ত্তমানেও ভাৰতবৰ্ষৰ সকলোবিলাক অঞ্চলত সমভাৱে অৰ্থনৈতিক উন্নয়ন সম্ভৱপৰ হৈ উঠা নাই। এই অঞ্চলবিলাকৰ জনসাধাৰণে এই অনগ্ৰসৰতাৰ বাবে কেন্দ্ৰীয় চৰকাৰেই জগৰীয়া বুলি ভাৱে। সেয়ে তেঁওলোকে আঞ্চলিকতাবাদৰ জৰিয়তে অৰ্থনৈতিক ক্ষেত্ৰত অগ্ৰসৰ হ'ব বিচাৰে।

২) **ৰাজনৈতিক সচেতনতা (Political Conciousness) ঃ**

সময় আগবঢ়াৰ লগে লগে অঞ্চলবিলাকত এচাম শিক্ষিত অভিজ্ঞ লোকৰ আগমন ঘটিল। এই শিক্ষিত লোকসকলে সেই বিশেষ অঞ্চলৰ জনসাধাৰণক ৰাজনৈতিক ভাৱে শিক্ষিত কৰি তুলিবলৈ চেষ্টা চলালে। লগতে তেওঁলোক কিদৰে বিভিন্ন দিশত যেনে শিক্ষা, স্বাস্থ্য, নিয়োগৰ ক্ষেত্ৰত পাছ পৰি ৰৈছে তাক উপলব্ধি কৰিলে। আৰু এই বিষয়বিলাকৰ উন্নয়নৰ বাবে আঞ্চলিকতাবাদী মনোভাৱৰ উদ্ভৱ ঘটিল।

৩) **উচ্চাকাঙ্ক্ষী ৰাজনৈতিক নেতা ঃ**

কিছুমান ৰাজনৈতিক নেতাই নিজৰ ৰাজনৈতিক স্বাৰ্থ ৰক্ষণাবেক্ষণ দিবৰ বাবে অঞ্চলবিলাকৰ জনসাধাৰণক উচতনি দিয়াৰ ফলতো আঞ্চলিকতাবাদে বিকাশ লাভ কৰিলে। তেওঁলোকে আঞ্চলিকতাবাদৰ জড়িয়তে নতুন ৰাজ্য গঠন কৰি, পুৰণি ৰাজ্যক দ্বি-খণ্ডিত কৰি বা সৰ্বভাৰতীয় দলক ক্ষমতাৰ পৰা আতঁৰাই তেওঁলোকৰ আশা পূৰ্ণ কৰিব বিচাৰে।

**৪) অৰ্থনৈতিক শোষণ :**

ভাৰতবৰ্ষত আঞ্চলিকতাবাদৰ আন এটা কাৰণ হ'ল অৰ্থনৈতিক শোষণ। উত্তৰ-পূৰ্বাঞ্চল প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ, কিন্তু এই অঞ্চলৰ ৰাজ্যবিলাক এতিয়াও বিভিন্ন ক্ষেত্ৰত পিছপৰা। সেয়েহে এই অঞ্চলৰ জনসাধাৰণৰ মনত এনে এটা ভাৱ সৃষ্টি হৈছে যে কেন্দ্ৰীয় চৰকাৰে এই অঞ্চলটোক অৰ্থনৈতিকভাৱে শোষণ কৰি আহিছে, কিন্তু ইয়াৰ প্ৰগতিৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নাই। সেয়েহে এই অঞ্চলত আঞ্চলিকতাবাদ শক্তিশালী হোৱা দেখা যায়।

**৫) আঞ্চলিক দলৰ বিকাশ :**

আঞ্চলিকতাবাদে যেনেকৈ আঞ্চলিক ৰাজনৈতিক দলৰ জন্ম দিয়ে, ঠিক তেনেকৈ আঞ্চলিক ৰাজনৈতিক দলৰ জনপ্ৰিয়তা আৰু সংখ্যা বৃদ্ধিয়েও আঞ্চলিকতাবাদৰ বিকাশত সহায় কৰিছে। কিছুমান ৰাজ্যত আৰু ভাৰতীয় ৰাজনীতিত আঞ্চলিক ৰাজনৈতিক দলৰ কৃতকাৰ্যতাৰ বাবে আঞ্চলিকতাবাদীসকল নানাভাৱে উৎসাহিত হৈছে।

**৬) সৰু সৰু ৰাজ্যৰ দ্ৰুত উন্নতি :**

ভাৰতবৰ্ষত কিছুমান সৰু সৰু ৰাজ্য গঠন হোৱাৰ ফলত অন্যান্য কিছুমান অঞ্চলতো তেনে ধৰণৰ ৰাজ্য গঠনৰ বাবে দাবী কৰা হৈছে। কাৰণ সৰু ৰাজ্যবিলাকে দ্ৰুত গতিত উন্নতিৰ ফালে আগুৱাই যাব পাৰে, এনে সৰু ৰাজ্যই যিকোনো সমস্যা সোনকালে সমাধান কৰিব পাৰে। আঞ্চলিকতাবাদৰ জড়িয়তেহে সৰু সৰু ৰাজ্যৰ গঠন কৰা সম্ভৱপৰ হয়। সেয়েহে ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলত আঞ্চলিকতাবাদে সক্ৰিয় ৰূপ ধাৰণ কৰিছে আৰু নতুন ৰাজ্য গঠনৰ বাবে দাবী উত্থাপন কৰিছে।

**৭) ৰাজনৈতিক আধিপত্য :**

ভাৰতৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ বিকাশৰ আন এটা কাৰণ হ'ল ৰাজনৈতিক আধিপত্য। সৰ্বভাৰতীয় দলবিলাকৰ ৰাজনৈতিকআধিপত্যৰ বাবেও আঞ্চলিকতাবাদে প্ৰকটৰূপ ধাৰণ কৰিছে। এই দলবিলাকে স্থানীয় সমস্যাবিলাকৰ ওপৰত সিমান গুৰুত্ব নিদিয়ে। স্থানীয় নেতাসকলৰ মতামতৰ প্ৰতিও- সৰ্বভাৰতীয় ৰাজনৈতিক দলে সিমান গুৰুত্ব নিদিয়ে।

**৮) সাংস্কৃতিক আৰু ধৰ্মীয় বৈশিষ্ট হেৰুৱাৰ আশঙ্কা :** আগতেই কোৱা হৈছে যে ভাৰতবৰ্ষ বিভিন্ন জাতি, ধৰ্ম লোকৰ বাসস্থান। গতিকে এইজাতি উপজাতি সমূহৰ, ধৰ্ম, কৃষ্টি, সংস্কৃতি ভিন্ন। বহুসময়ত বাহিৰৰ পৰা অহা প্ৰব্ৰজনকাৰী সকলে এই অঞ্চলৰ ভাষা, সংস্কৃতিত প্ৰভাৱ পেলোৱা উপক্ৰম হোৱাৰ ফলত ইয়াক উদ্ধাৰৰ বাবে আঞ্চলিকতাবাদী মনোভাৱে গঢ় লোৱা দেখা যায়।

এইদৰে দেখা গ'ল যে আঞ্চলিকতাবাদৰ উদ্ভৱৰ বাবে কেৱল এটা কাৰণেই দায়ী নহয়। ভাৰতবৰ্ষত ভিন্ন ভিন্ন ঠাইত ভিন্ন ভিন্ন কাৰণত আঞ্চলিকতাবাদে মূৰ দাঙি উঠিছে। এটা দিশৰ পৰা চালে এইটো অনুমান কৰিব পাৰি যে আঞ্চলিকতাবাদৰ ফলত কোনো এটা অঞ্চলৰ জনসাধাৰণৰ সামাজিক, অৰ্থনৈতিক উন্নয়নৰ লগতে সাংস্কৃতিক বিকাশ সম্ভৱ হয়। আনফালে আঞ্চলিকতাবাদৰ ফলত চৰকাৰ আঞ্চলিক দলৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ বাবে কোনো সিদ্ধান্ত সোনকালে গ্ৰহণ কৰিব নোৱাৰে। কাৰণ, আঞ্চলিকতাবাদৰ ভিত্তিত গঠিত ৰাজনৈতিক দলবিলাকে দেশৰ স্বাৰ্থতকৈ নিজৰ অঞ্চলৰ স্বাৰ্থৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰে। গতিকে আঞ্চলিকতাবাদক ভাৰতীয় ৰাজনৈতিক ব্যৱস্থাৰ কৃতকাৰ্যতাৰ বাবে উপযোগী নহয় বুলি কব পাৰি।

### ৬.৬ আঞ্চলিকতাবাদক বাধা দিয়াৰ উপায়সমূহ ঃ

ভাৰতবৰ্ষৰ স্বাধীনতা আৰু জাতীয় সংহতি অটুত ৰখাৰ বাবে আঞ্চলিকতাবাদক বাধা দিয়াৰ প্ৰয়োজন। আঞ্চলিকতাবাদে ভাৰতবৰ্ষৰ ভেটি দুৰ্বল কৰিব পাৰে। অন্যহাতে উগ্ৰ আঞ্চলিকতাবাদে বিভিন্নধৰণৰ সংখ্যালঘুৰ জীৱন বিপন্ন কৰিব পাৰে। বিশ্বায়নৰ যুগত আঞ্চলিকতাবাদ প্ৰগতিৰ ক্ষেত্ৰত এক বাধা হিচাপে থিয় দিব পাৰে। ভাৰতবৰ্ষৰ নিচিনা এখন বিশাল দেশত জনসাধাৰণৰ মাজত আঞ্চলিকতাবাদৰ পৰিবৰ্তে জাতীয় চেতনা বৃদ্ধি কৰাত সকলোৱে আপ্ৰাণ চেষ্টা চলাব লাগিব। তেতিয়াহে ভাৰতবৰ্ষ প্ৰগতিৰ পথত আগবাঢ়ি যাব।

১. আঞ্চলিকতাবাদক ৰোধ কৰাৰ প্ৰথম উপায় হ'ল দেশখনৰ সকলোবিলাক অঞ্চলক কেন্দ্ৰীয় চৰকাৰে সমানে গুৰুত্ব দিয়া। যাতে পিচপৰা অঞ্চলবিলাকো সমভাৱে উন্নতিৰ পথত আগুৱাই যাব পাৰে। আনকি, কোনো ৰাজ্যৰ ভিতৰত থকা অনুন্নত অঞ্চলবিলাকৰ উন্নতিৰ বাবে ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰে বিশেষ গুৰুত্ব দিব লাগিব।

২. উন্নতিৰ ক্ষেত্ৰত আমাৰ ৰাষ্ট্ৰৰ বিভিন্ন অঞ্চলৰ ভাৰসাম্যতা থাকিব লাগিব। সকলো অঞ্চলৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে সমান গুৰুত্ব দিব লাগিব যাতে কোনো অঞ্চল পিচপৰি নাথাকে। কোনো অঞ্চল পিচপৰি থাকিলে ইয়াত আঞ্চলিকতাবাদে দেখা দিব।

৩) সৰ্বভাৰতীয় ৰাজনৈতিক দলবিলাকে দেশৰ সকলোবিলাক অঞ্চলৰ উন্নতিৰ বাবে চেষ্টা কৰিব লাগিব। এই দলবিলাকে স্থানীয় সমস্যাৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ প্ৰয়োজন।

৪) আঞ্চলিকতাবাদক বাধা দিয়া আন এটা উপায় হ'ল প্ৰত্যেকটো অঞ্চলৰ ভাষা, সংস্কৃতি আৰু ধমৰ্ক সুৰক্ষা দিয়া। কোনো এটা সম্প্ৰদায় নাইবা ভাষীক লোকে আন এটা দুৰ্বল সম্প্ৰদায় বা ভাষীক লোকক যাতে হীন জ্ঞান নকৰে তাৰ প্ৰতি গুৰুত্ব দিব লাগিব।

৫) কেন্দ্ৰীয় চৰকাৰে ৰাজিক চৰকাৰৰ সহযোগত যদি পৰিকল্পিতভাৱে বিভিন্ন অঞ্চলৰ শিল্পায়ন বেহা বেপাৰ, যাতায়ত ব্যৱস্থা, শিক্ষা আৰু স্বাস্থ্যৰ উন্নতি কৰিব পাৰে তেতিয়াহলে ই নিশ্চিতভাৱে আঞ্চলিকতাবাদৰ বিকাশত বাধা জন্মাৱ।

৬) আঞ্চলিকতাবাদৰ নামত যে কিছুমান ৰাজনৈতিক দলে কিদৰে অঞ্চলটোৰ জনসাধাৰণক বিপথে পৰিচালিত কৰিছে তাক জনসাধাৰণক অৱগত কৰাব লাগিব। তেতিয়াহে আঞ্চলিকতাবাদক বাধা দিব পৰা যাব।

৭) আঞ্চলিকতাবাদক বাধা দিবৰ বাবে প্ৰচাৰ মাধ্যম বিলাকো সংযত হ'ব লাগিব। এই মাধ্যম বিলাকে জনসাধাৰণৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰাৰ পৰিবৰ্তে সৰ্বভাৰতীয় মনোভাৱ বৃদ্ধি কৰাত সহায় কৰিব লাগিব।

**৬.৭. আঞ্চলিকতাবাদ আৰু ভাৰতৰ ৰাজনীতি ঃ**

তোমালোকক ইতিমধ্যে উল্লেখ কৰিছো যে বৃটিছ শাসন কালত ভাৰতবৰ্যত আঞ্চলিকতাবাদৰ বিশেষ প্ৰভাৱ নাছিল। কিন্তু বৃটিছসকলে শাসনৰ স্বাৰ্থত নাইবা নিজৰ স্থিতি সবল কৰিবৰ বাবে অঞ্চলবিলাকৰ জনসাধাৰণৰ মাজত আঞ্চলিকতাবাদী মনোভাৱৰ লগতে সাম্প্ৰদায়িকতাবাদী মনোভাৱ সাধাৰণ জনসাধাৰণৰ মাজত দেখুৱাই দিয়ে যাতে ভাৰতীয়সকল একগোট হৈ বৃটিছৰ বিৰুদ্ধে থিয় দিব নোৱাৰে। বৃটিছসকলে ভাৰত এৰি গুচি যোৱাৰ ফলত এখন নতুন সাৰ্বভৌম ৰাষ্ট্ৰ গঠন হ'ল। লগতে উদ্ভৱ হল আঞ্চলিকতাবাদী মনোভাৱ। ভাষাভিত্তিত বহুতো ৰাজ্য গঠন কৰি আঞ্চলিকতাবাদী মনেভাৱক উৎসাহিত কৰিলে। অঞ্চলবিলাকৰ আশা-ভৰসা বিলাক বাস্তৱত ৰূপায়িত কৰাৰ লোভ দেখুৱাই বহুতো আঞ্চলিক ৰাজনৈতিক দল গঠিত হল। এই আঞ্চলিক ৰাজনৈতিক দলবিলাকে জনসাধাৰণৰ মন জয় কৰি নিৰ্বাচনত জয়লাভ কৰিলে। ভাৰতৰ ৰাজ্যবিলাকত বৰ্ত্তমানেও আঞ্চলিক ৰাজনৈতিক দলৰ প্ৰভাৱ স্পষ্ট হয়। উদাহৰণস্বৰূপে, অন্ধ্ৰপ্ৰদেশত তেলেগুদেশম ক্ষমতাহীন হৈ আছিল আৰু তামিলনাডুত এ.ডি. এম. কে এতিয়াও ক্ষমতাধীন হৈ আছে। এই দল দুটা জনপ্ৰিয় ৰাজনৈতিক দল। অন্যহাতেদি কংগ্ৰেছ দলে এতিয়া অসমৰ শাসন ব্যৱস্থা পৰিচালনা কৰি আছে। এতিয়া অসমত অসম গণ পৰিষদ নামৰ আঞ্চলিক দলে বিৰোধী দলৰ ভূমিকা গ্ৰহণ কৰিছে। দুবাৰকৈ ক্ষমতাত অধিষ্ঠিত হোৱা অসম গণ পৰিষদ অসমৰ এটা জনপ্ৰিয় আঞ্চলিক ৰাজনৈতিক দল। দক্ষিণ ভাৰতত ডি.এম. কে আৰু এ.ডি.এম কে দল দুটাৰ ভূমিকাও বৰ গুৰুত্বপূৰ্ণ। তামিলনাডুত বহুতো দিনৰ পৰা কংগ্ৰেছ দল ক্ষমতাচ্যুত হৈছে আৰু সেইৰাজ্যৰ ৰাজনীতিত বিৰোধী দলৰ ভূমিকা গ্ৰহণ কৰি আহিছে।

সেইদৰে জন্মু আৰু কাশ্মীৰ, উৰিষ্যা আৰু পঞ্জাৱতো আঞ্চলিক ৰাজনৈতিক দলৰ অৱস্থান বৰ গুৰুত্বপূৰ্ণ। এতেকে কব পাৰি যে ভাৰতবৰ্ষৰ কিছুমান ৰাজ্যত বৰ্তমানে আঞ্চলিক ৰাজনৈতিক দলবিলাকৰ স্থিতি বৰ শক্তিশালী।

আঞ্চলিক ৰাজনৈতিক দলবিলাকৰ গুৰুত্ব বৰ্ত্তমানে কোনো এখন ৰাজ্যৰ সীমাৰ ভিতৰতে সীমাবদ্ধ নহয়। সৰ্বভাৰতীয় ৰাজনীতিৰ ক্ষেত্ৰতো ইয়াৰ গুৰুত্ব আৰু প্ৰাধান্য প্ৰচুৰ পৰিমাণে বৃদ্ধি পাইছে। ভাৰতৰ ৰাজনীতিত যি মিত্ৰগোষ্ঠী চৰকাৰৰ ধাৰা- ইয়াত আঞ্চলিক দলবিলাকৰ সহযোগীতাৰ অবিহনে এখন কেন্দ্ৰীয় চৰকাৰ তিষ্ঠি থকাটো সম্ভবপৰ হৈ উঠা নাই। বৰ্ত্তমান কেন্দ্ৰত অধিষ্ঠিত UPA চৰকাৰ খনলৈকে যদি তোমালোকে মন কৰা ইয়াত বহুতো আঞ্চলিক দলৰ সহযোগিতাতহে চৰকাৰখন বৰ্তি আছে। এতেকে দেখা যায় যে এতিয়া আঞ্চলিক ৰাজনৈতিক দলবিলাকে ভাৰতৰ ৰাজনীতিত অধিপত্য স্থাপন কৰিবলৈ সক্ষম হৈছে।

**আত্মমূল্যায়নৰ প্ৰশ্নসমূহ ঃ**

১) ভাৰতৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ উৎপত্তিৰ দুটা কাৰণ লিখা।

........................................................................................................

........................................................................................................

২) ভাৰতৰ ৰাজনীতিত প্ৰধান চাৰিটা আঞ্চলিকতাবাদৰ ৰূপৰ বিষয়ে লিখা।

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

## ৩.৮ সামৰণি ঃ

উপৰোক্ত আলোচনাত তোমালোকে আঞ্চলিকতাবাদৰ অৰ্থ, ইয়াৰ প্ৰকৃতিৰ লগতে উদ্ভৱৰ কাৰণ আৰু বাধা দিয়াৰ উপায়সমূহৰ বিষয়ে পালা। লগতে এটা কথা স্পষ্ট হ'ল যে আঞ্চলিকতাবাদে যদিও কিছুক্ষেত্ৰত জনসাধাৰণৰ স্বাৰ্থৰক্ষাত সহায় কৰে তথাপি ইয়াৰ নেতিবাচক দিশবোৰ অত্যাধিক। বিশেষকৈ আঞ্চলিকতাবাদৰ

নামত যেতিয়া সন্ত্ৰাসবাদী কাৰ্যকলাপ সংঘটিত কৰি জনসাধাৰণৰ স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত কৰি তোলে। উদাহৰণস্বৰূপে, যদি আমি বড়ো অধ্যুষিত অঞ্চল অৰ্থাৎ BTAD লৈ চাওঁ তেতিয়া আমি দেখিম যে পৃথক ৰাজ্যগঠন নাইবা পৃথক ৰাষ্ট্ৰ গঠনৰ নামত এই বড়ো লোকসকলে কেইবাদশক জুৰি সন্ত্ৰাসবাদী কাৰ্য্যকলাপ চলাই আহিছে। এই সন্ত্ৰাসবাদী কাৰ্যকলাপত বৃহৎভাৱে ক্ষতিগস্ত হৈছে অনা-বড়োসকল। গতিকে এই অনা-বড়োসকলে সদায় ভয় শংকাত জীৱন-যাপন কৰিব লগা হৈছে। সামৰণিত আমি এটা কথা ক'ব পাৰো যে আঞ্চলিকতাবাদ হ'ল জাতীয় সংহতি ৰক্ষাৰ বাবে বাধাস্বৰূপ। আঞ্চলিকতাবাদে ৰাষ্ট্ৰীয় ভেঁটি দুৰ্বল কৰিব পাৰে। এনে পৰিস্থিতি উদ্ভৱ হোৱাৰ আগতে কেন্দ্ৰীয় চৰকাৰ আৰু সৰ্বভাৰতীয় ৰাজনৈতিক দলবিলাকে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা প্ৰয়োজন। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে ভাৰতবৰ্ষৰ জনসাধাৰণে তেওঁলোকৰ দেশৰ স্বাধীনতা অৰ্জন কৰিছে। আঞ্চলিকতাবাদৰ জৰিয়তে নহয়, সৰ্বভাৰতীয় মনোভাৱপন্ন হৈহে । আঞ্চলিকতাবাদ যাতে ক্ষমতা লাভৰ উপায় হ'ব নোৱাৰে তাৰ প্ৰতি সকলোৱে চোকা দৃষ্টি ৰখা উচিত।

**৬.৯ ঘাই শব্দসমূহ ঃ**

১) ভূমিপুত্ৰ (Son of the Soil theory)

**৬.১০ পাঠ্য নিৰ্দেশনা ঃ**

১) স্নাতক মহলাৰ 'ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা- এক আলোকপাত'
— দুৰ্গাকান্ত শৰ্মা, ৰফিক জামান আৰু ড° পূৰবী শৰ্মা।

২) স্নাতক মহলাৰ 'ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা'
– শ্ৰীকৃপেশ চন্দ্ৰ পাল, আৰু প্ৰতুল চন্দ্ৰ নায়ক।

৩) ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি - পূৰন্দৰ গগৈ।

**আত্মমুল্যায়ন প্ৰশ্নৰ সম্ভাব্য উত্তৰ ঃ**

১) উত্তৰ- ক) আঞ্চলবিলাকৰ অৰ্থনৈতিক অসমতা।
খ) সাংস্কৃতিক আৰু ধৰ্মীয় বৈশিষ্ট হেৰুৱাৰ আশঙ্কা।

২) উত্তৰ- ক) ভাৰতৰাষ্ট্ৰৰ পৰা আঁতৰি বেলেগ ৰাষ্ট্ৰ গঠন কৰা
খ) ৰাজ্য মৰ্যাদাৰ বাবে দাবী।
গ) পৃথক ৰাজ্যগঠনৰ বাবে দাবী।
ঘ) আন্ত:ৰাজ্যিক বিবাদ।

**প্ৰসংগ পুথি ঃ**

১) Indian Government and Politics - K.K. Ghai

২) Constitutional Government in India - M.V. Pyle

৩) Indian Government and Politics - Prakash Chandra.

**আৰ্হি প্ৰশ্ন ঃ**

১) আঞ্চলিকতাবাদৰ অৰ্থ ব্যাখ্যা কৰা আৰু ইয়াৰ প্ৰকৃতি উল্লেখ কৰা।

২) ভাৰতৰ ৰাজনীতিত আঞ্চলিকতাবাদৰ স্থিতি ব্যাখ্যা কৰা।

৩) আঞ্চলিকতাবাদৰ উৎপত্তিৰ কাৰণবোৰ আলোচনা কৰা।

৪) আঞ্চলিকতাবাদক বাধা দিয়া উপায়সমূহ ব্যাখ্যা কৰা।

*****

# ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি
# (Indian Government and Politics)
# পাঠ্যক্ৰম - PSCG - 301

## খণ্ড-৪ (Block - 4)
## ভাৰত চৰকাৰৰ গঠন

### পাঠ্যক্ৰম পৰিচয় (Block Introduction) ঃ

'ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি' পাঠ্যক্ৰমৰ এইটো চতুৰ্থ খণ্ড। এই খণ্ডটোত তিনিটা গোট সন্নিবিষ্ট কৰা হৈছে - ক্ৰমে- কাৰ্যপালিকা, আইনসভা আৰু ন্যায়পালিকা। এই খণ্ডটো পঢ়ি তোমালোকে ভাৰত চৰকাৰৰ গঠন সম্পৰ্কে এক সম্যক ধাৰণা লাভ কৰিবা।

ভাৰত যুক্তৰাষ্ট্ৰত সংসদীয় চৰকাৰ বিদ্যমান। সেয়েহে আমি ভাৰত যুক্তৰাষ্ট্ৰৰ দুই ধৰণৰ চৰকাৰ অৰ্থাৎ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ দেখিবলৈ পাওঁ। ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰ ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, মন্ত্ৰী-পৰিষদ, সংসদ আৰু উচ্চতম ন্যায়ালয়কলৈ গঠিত। ৰাষ্ট্ৰপতি চৰকাৰৰ মূৰব্বী আৰু সংবিধানে ৰাষ্ট্ৰৰ সকলো ক্ষমতা ৰাষ্ট্ৰপতিৰ হাতত অৰ্পণ কৰিছে। কিন্তু ৰাষ্ট্ৰপতিয়ে এই ক্ষমতাসমূহ নিজে উপভোগ কৰিব নোৱাৰে। প্ৰধান মন্ত্ৰী আৰু মন্ত্ৰী পৰিষদৰ সদস্যসকলহে প্ৰকৃত কাৰ্যপালিকা। উচ্চ ন্যায়ালয়ে বাদ-বিবাদ মীমাংসা কৰাৰ লগতে নিৰপেক্ষভাৱে সংবিধানৰ ব্যাখ্যা দাঙি ধৰিব লাগে।

অন্যহাতে, ৰাজ্যৰ ৰাজ্য চৰকাৰসমূহ ৰাজ্যপাল, মন্ত্ৰী পৰিষদ, ৰাজ্যিক বিধানমণ্ডল আৰু ন্যায়ালয়ক লৈ গঠিত। কেন্দ্ৰীয় চৰকাৰৰ দৰে ৰাজ্য চৰকাৰসমূহৰ মূৰব্বী ৰাজ্যপাল। ৰাজ্যৰ সকলো ক্ষমতা ৰাজ্যপালৰ হাতত ন্যস্ত কৰিছে যদিও মূখ্যমন্ত্ৰী আৰু তেওঁৰ সতীৰ্থ মন্ত্ৰী পৰিষদহে প্ৰকৃত কাৰ্যপালিকা। ৰাজ্যপালে মন্ত্ৰী পৰিষদৰ পৰামৰ্শমতে কাৰ্য সম্পাদন কৰিবলৈ বাধ্য। ৰাজ্যসমূহৰ বাবে থকা উচ্চ ন্যায়ালয় আৰু অন্যান্য ন্যায়ালয়সমূহো নিৰপেক্ষ আৰু স্বাধীন।

এই খণ্ডটিৰ অধ্যয়নৰ জৰিয়তে তোমালোকে চৰকাৰৰ তিনিওটা অংগৰ ক্ষমতা তথা কাৰ্যাৱলীৰ এক তুলনামূলক আলোচনা কৰিব পাৰিবা।

# গোট - ১
## (Unit-1)
## কাৰ্যপালিকা

**গঠন বিন্যাস ঃ**

১.১ উদ্দেশ্য
১.২ প্ৰস্তাৱনা
১.৩ ৰাষ্ট্ৰপতি
১.৪ ৰাষ্ট্ৰপতিৰ যোগ্যতা
১.৫ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন প্ৰক্ৰিয়া
১.৬ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পৰোক্ষ হোৱাৰ কাৰণ
১.৭ শপত গ্ৰহণ
আত্মমূল্যায়নৰ প্ৰশ্ন - ক
১.৮ ৰাষ্ট্ৰপতিৰ কাৰ্যকাল
১.৯ ৰাষ্ট্ৰপতিৰ অপসাৰণ
১.১০ ৰাষ্ট্ৰপতিৰ দৰ্মহা, বানচ ইত্যাদি
১.১১ ৰাষ্ট্ৰপতিৰ নিস্কৃতি
১.১২ ৰাষ্ট্ৰপতিৰ ক্ষমতা
১.১২.১ আইন প্ৰণয়ন ক্ষমতা
১.১২.২ শাসন বিভাগীয় ক্ষমতা
১.১২.৩ কূটনৈতিক ক্ষমতা
১.১২.৪ অৰ্থসংক্ৰান্ত ক্ষমতা
১.১২.৫ জৰুৰীকালীন ক্ষমতা
১.১২.৬ ন্যায়িক ক্ষমতা
১.১২.৭ অধ্যাদেশ জাৰি ক্ষমতা
১.১২.৮ সামৰিক ক্ষমতা
১.১২.৯ সংসদৰ অধিবেশন আহ্বান, স্থগিত আৰু ভংগ কৰাৰ ক্ষমতা
১.১২.১০ বিবিধ ক্ষমতা

১.১৩ ৰাষ্ট্ৰপতিৰ পদমৰ্যদা

১.১৪ প্ৰধানমন্ত্ৰী

১.১৫ প্ৰধানমন্ত্ৰীৰ নিযুক্তি

১.১৬ প্ৰধানমন্ত্ৰীৰ কাৰ্যকাল

১.১৭ প্ৰধানমন্ত্ৰীৰ ক্ষমতা আৰু কাৰ্যাৱলী

১.১৭.১ মন্ত্ৰীপৰিষদৰ গঠন

১.১৭.২ দপ্তৰ বিতৰণ

১.১৭.৩ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ

১.১৭.৪ মন্ত্ৰীসভাৰ মুৰব্বী

১.১৭.৫ মন্ত্ৰীপৰিষদৰ নেতা

১.১৭.৬ লোকসভাৰ নেতা

১.১৭.৭ সংখ্যাগৰিষ্ঠ দলৰ নেতা

১.১৭.৮ বৈদেশীক নীতি নিৰ্ধাৰক

১.১৭.৯ উচ্চ পদাধিকাৰী ব্যক্তিৰ নিযুক্তি

১.১৭.১০ ৰাষ্ট্ৰীয় নেতা

১.১৭.১১ ৰাষ্ট্ৰপতিৰ মূল পৰামৰ্শদাতা

১.১৮ প্ৰধানমন্ত্ৰীৰ ভূমিকা আৰু পদমৰ্যাদা

১.১৯ ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ সম্পৰ্ক

১.২০ জনসাধাৰণৰ সৈতে প্ৰধানমন্ত্ৰীৰ সম্পৰ্ক

১.২১ দলৰ লগত প্ৰধানমন্ত্ৰীৰ সম্পৰ্ক

আত্মমূল্যায়নৰ প্ৰশ্ন - খ

১.২২ সামৰণি

১.২৩ ঘাই শব্দসমূহ

১.২৪ পাঠ্য নিৰ্দেশনা

আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ

প্ৰসংগ পুথি

আৰ্হি প্ৰশ্ন

# গোট - ১
# কাৰ্যপালিকা
# (Executive)

**১.১ উদ্দেশ্য ঃ**

- এই গোটটো অধ্যয়ন কৰিলে তোমালোকে কেন্দ্ৰীয় কাৰ্যপালিকাৰ বিভিন্ন অংগসমূহৰ বিষয়ে জানিব পাৰিবা।
- এই গোটটোৰ পৰা তোমালোকে ৰাষ্ট্ৰপতিৰ যোগ্যতা, ৰাষ্ট্ৰপতিৰ নিৰ্বাচন, ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্যাৱলী, সংবিধানিক পদমৰ্য্যদা সম্পৰ্কে জানিব পাৰিবা।
- এই গোটটোত তোমালোকে প্ৰধানমন্ত্ৰীৰ ক্ষমতা আৰু কাৰ্যাৱলী, প্ৰধানমন্ত্ৰীৰ পদমৰ্য্যদা আৰু ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ সম্পৰ্ক জানিব পাৰিবা।
- এই গোটটোত ৰাষ্ট্ৰপতিৰ সৈতে মন্ত্ৰীসভাৰ সম্পৰ্কৰ বিষয়েও আলোচনা কৰা হৈছে। অধ্যয়নৰ পৰা এই বিষয়টোত জ্ঞান লাভ কৰিব পাৰিবা।

**১.২ প্ৰস্তাবনা ঃ**

তোমালোকে আগৰ গোটটোত ভাৰত চৰকাৰ আৰু ভাৰতৰ সংবিধান সম্পৰ্কে অধ্যয়ন কৰিছা। এই গোটটোত বিশেষকৈ ভাৰতৰ কেন্দ্ৰীয় কাৰ্যপালিকা সম্পৰ্কে আলোচনা কৰা হৈছে।

প্ৰতিটো সংগঠিত চৰকাৰৰ তিনিটা অংগ হ'ল - কাৰ্যপালিকা, আইন সভা আৰু ন্যায়পালিকা। গতিকে চৰকাৰৰ এই তিনিটা অংগৰ ভিতৰত কাৰ্যপালিকাও এটা গুৰুত্বপূৰ্ণ অংগ। ভাৰতৰ সংবিধানে ভাৰতবৰ্ষত সংসদীয় প্ৰকৃতিৰ চৰকাৰ প্ৰৱৰ্তন কৰিছে। ভাৰতবৰ্ষৰ কেন্দ্ৰীয় কাৰ্য্যপালিকা - ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি, কেন্দ্ৰীয় মন্ত্ৰীপৰিষদ আৰু স্থায়ী কৰ্মচাৰীসকলক লৈ গঠিত। সংবিধান অনুসৰি কেন্দ্ৰীয় চৰকাৰৰ শাসন ক্ষমতা ৰাষ্ট্ৰপতিৰ হাতত ন্যস্ত কৰা হৈছে। তেওঁ এই ক্ষমতাসমূহ প্ৰত্যক্ষভাৱে বা তেওঁৰ অধীনস্থ কৰ্মচাৰীসকলৰ দ্বাৰা প্ৰয়োগ কৰিব পাৰে। ভাৰতীয় সাংবিধানীক ব্যৱস্থা অনুসৰি ৰাষ্ট্ৰপতিক সহায় আৰু পৰামৰ্শদানৰ বাবে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত এখন মন্ত্ৰীপৰিষদ গঠন কৰাৰ ব্যৱস্থা আছে। দেশৰ শাসনকাৰ্য পৰিচালনাৰ বাবে এই মন্ত্ৰী পৰিষদ লোকসভাৰ ওচৰত সমূহীয়াভাৱে দায়বদ্ধ। ৰাষ্ট্ৰপতিয়ে মন্ত্ৰী পৰিষদৰ পৰামৰ্শ মতে ভাৰতবৰ্ষৰ শাসন কাৰ্য পৰিচালনা কৰিবলৈ দায়বদ্ধ। দেশৰ দৈনন্দিন, প্ৰশাসন কাৰ্য পৰিচালনাৰ বাবে স্থায়ী কৰ্মচাৰীসকলক নিয়োগ কৰা হয়।

কেন্দ্ৰীয় কাৰ্যপালিকা, সংসদ, উচ্চতম ন্যায়ালয় আৰু স্থায়ী কৰ্মচাৰীসকলক লৈ ভাৰতবৰ্ষৰ কেন্দ্ৰীয় চৰকাৰ গঠিত হৈছে। ভাৰতৰ কেন্দ্ৰীয় কাৰ্যপালিকাৰ দুটা গুৰুত্বপূৰ্ণ অংগ হ'ল - ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী।

### ১.৩ ভাৰতৰ ৰাষ্ট্ৰপতি (President of India) ঃ

ভাৰতীয় সংবিধানৰ ৫২ নং অনুচ্ছেদত কোৱা হৈছে যে ভাৰত যুক্তৰাষ্ট্ৰৰ এজন ৰাষ্ট্ৰপতি থাকিব। ৫৩ নং অনুচ্ছেদত পুনৰ কোৱা হৈছে, ৰাষ্ট্ৰৰ শাসন বিভাগীয় ক্ষমতা তেওঁৰ ওপৰত ন্যস্ত থাকিব। তেওঁ এই ক্ষমতা নিজে বা তেওঁৰ অধীনস্থ কৰ্মচাৰীৰ যোগেদি প্ৰয়োগ কৰিব। ভাৰতত সংসদীয় প্ৰকৃতিৰ চৰকাৰ থকাৰ বাবে ইয়াত দুই প্ৰকাৰৰ মূৰব্বীৰ ব্যৱস্থা আছে। নামমাত্ৰ মূৰব্বী আৰু প্ৰকৃত মুৰব্বী। ভাৰতৰ ৰাষ্ট্ৰপতি গৰাকী নামতহে মুৰব্বী। প্ৰকৃততে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত গঠিত মন্ত্ৰীসভাই ৰাষ্ট্ৰপতিৰ নামত ভাৰতবৰ্ষৰ শাসনকাৰ্য পৰিচালনা কৰে। সেই বাবে ভাৰতবৰ্ষৰ ৰাষ্ট্ৰপতিক ইংলেণ্ডৰ ৰাণীৰদৰে 'নামমাত্ৰ শাসক' আৰু মন্ত্ৰীসভাক 'প্ৰকৃত শাসক' বুলি কোৱা হয়। সংবিধান প্ৰণেতাসকলে ৰাষ্ট্ৰপতি পদৰ ধাৰণাটো আমেৰিকাৰ সংবিধানৰ পৰা অনুসৰণ কৰি আমাৰ সংবিধানত অন্তৰ্ভূক্ত কৰিছে যদিও ভাৰতবৰ্ষত ৰাষ্ট্ৰপতীয় চৰকাৰ প্ৰৱৰ্তন কৰা নাই। ভাৰতবৰ্ষত সংসদীয় চৰকাৰৰ ব্যৱস্থা কৰা হৈছে। ভাৰতৰ ৰাষ্ট্ৰপতি হ'ল ভাৰতৰ প্ৰথম নাগৰিক।

### ১.৪ ৰাষ্ট্ৰপতিৰ যোগ্যতা (Qualifications of President) ঃ

ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হোৱা ব্যক্তিজনৰ কিছুমান নিৰ্দিষ্ট অৰ্হতা থকাৰ প্ৰয়োজন। সংবিধানৰ ৫৮ তথা ৫৯ নং অনুচ্ছেদৰ উপৰিও ৰাষ্ট্ৰপতি নিৰ্বাচন অধিনিয়মত (Presidential Election Act) এই অৰ্হতা সম্পৰ্কে নিম্নলিখিত ধৰণে উল্লেখ কৰা হৈছে -

(১) ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীজন ভাৰতীয় নাগৰিক হ'ব লাগিব।

(২) তেওঁৰ বয়স ৩৫ বছৰ পূৰ্ণ হ'ব লাগিব।

(৩) লোকসভালৈ নিৰ্বাচিত হ'বৰ বাবে প্ৰয়োজন হোৱা যোগ্যতাসমূহ তেওঁৰ থাকিব লাগিব।

(৪) তেওঁ কেন্দ্ৰ বা ৰাজ্যিক চৰকাৰৰ অধীনস্থ কোনো লাভজনক পদত থাকিব নালাগিব। অৰ্থাৎ কোনো চৰকাৰী চাকৰিয়ালেই ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী হ'বৰ বাবে যোগ্য নহয়।

(৫) ৰাষ্ট্ৰপতি প্ৰাৰ্থীজন কেন্দ্ৰীয় বা ৰাজ্যিক বিধান মণ্ডলৰ সদস্য হ'ব নোৱাৰিব।

## ১.৫ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনী প্ৰক্ৰিয়া (Election of President)ঃ

ৰাষ্ট্ৰপতিৰ নিৰ্বাচন সম্পৰ্কে সংবিধানৰ ৫৪ আৰু ৫৫ নং অনুচ্ছেদত উল্লেখ কৰা হৈছে। অনুচ্ছেদ ৫৪ অনুসৰি সংসদ আৰু বিধানসভাৰ নিৰ্বাচিত সদস্যসকলক লৈ গঠিত এখন নিৰ্বাচক মণ্ডলীয়ে ৰাষ্ট্ৰপতি নিৰ্বাচন কৰে। ৰাষ্ট্ৰপতি নিৰ্বাচনৰ নিৰ্বাচক মণ্ডলীৰ গঠন প্ৰক্ৰিয়াৰ পৰা এটা কথা স্পষ্টভাৱে প্ৰকাশ পাইছে যে সংসদৰ উভয় সদনৰ নিৰ্বাচিত সদস্যসকলে ৰাষ্ট্ৰপতি নিৰ্বাচনত অংশগ্ৰহণ কৰিব পাৰে। কিন্তু ৰাজ্যিক স্তৰত কেৱল বিধানসভাৰ নিৰ্বাচিত সদস্যসকলেহে এই নিৰ্বাচনত অংশগ্ৰহণ কৰিব পাৰে। বিধান পৰিষদৰ নিৰ্বাচিত সদস্যসকলে ইয়াত অংশ ল'ব নোৱাৰে।

ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পৰিচালনা কৰিবৰ কাৰণে নিৰ্বাচনী আয়োগে এজন নিৰ্বাচনী বিষয়া আৰু এজন বা দুজন সহকাৰী নিৰ্বাচনী বিষয়াক নিয়োগ কৰে। নিৰ্বাচনী আয়োগে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবৰ বাবে প্ৰাৰ্থীসকলৰ মনোনয়ন পত্ৰ দাখিল কৰাৰ শেষ তাৰিখ নিৰ্ধাৰণ কৰে। নিৰ্বাচনী আয়োগে মনোনয়ন পত্ৰ পৰীক্ষা কৰা, মনোনয়ন পত্ৰ উঠাই লোৱা আৰু নিৰ্বাচন অনুষ্ঠিত কৰাৰ দিন ধাৰ্য কৰে। যিসকল প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বুলি গৃহীত হয়, সেইসকল প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিব পাৰে।

ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোট গ্ৰহণ নতুন দিল্লীৰ উপৰিও ৰাজ্যসমূহৰ ৰাজধানীসমূহতো কৰা হয়। বিধানসভাৰ সদস্যসকলে নিজ নিজ ৰাজধানীত ভোটদান কৰিব লাগে। সংসদৰ সদস্য সকলে নতুন দিল্লীত নাইবা তেওঁলোকৰ নিজৰ ৰাজ্য ৰাজধানীত ভোটদান কৰিব পাৰে। নিৰ্বাচনী বিষয়াৰ তত্বাবধানত নতুন দিল্লীত ভোটগণনা কৰা হয়। ৰাষ্ট্ৰপতি নিৰ্বাচনত সংসদ আৰু বিধানসভাৰ সদস্যসকলৰ প্ৰত্যেকৰে কিমান ভোট থাকিব আৰু তেওঁলোকৰ ভোটৰ পৰিমাণ কিমান হ'ব সেইটো নিৰ্ধাৰণ কৰিবৰ বাবে সংবিধানত বিশেষ পদ্ধতিৰ উল্লেখ কৰা হৈছে। সেই পদ্ধতি সম্পৰ্কে তলত আলোচনা কৰা হ'ল-

কোনো এখন ৰাজ্যৰ বিধানসভাৰ প্ৰত্যেক নিৰ্বাচিত সদস্যৰ ভোটৰ সংখ্যা নিধাৰণ কৰিবৰ কাৰণে সেই ৰাজ্যৰ মুঠ জনসংখ্যাক বিধান সভাৰ মুঠ সদস্য সংখ্যাৰে ভাগ কৰিব লাগে। এই ভাগফলক আকৌ ১০০০ ৰে ভাগ কৰিব লাগে আৰু ইয়াৰ ফলত যি ভাগফল পোৱা যায় সেয়াই হ'ল প্ৰত্যেক নিৰ্বাচিত সদস্যৰ ভোটৰ সংখ্যা। অৱশ্যে এই ভাগফলৰ পিছত যি ভাগশেষ থাকে সি যদি ৫০০ বা তাতোধিক

হয় তেন্তে প্ৰত্যেক সদস্যৰে ভোটৰ সংখ্যা আৰু এটাকৈ বাঢ়ে। ৫০০ তকৈ কম হ'লে বাকী থকা সংখ্যাটো ধৰা নহয়।

$$\frac{\text{ৰাজ্যৰ মুঠ জনসংখ্যা-}}{\text{নিৰ্বাচিত সদস্যৰ সংখ্যা}} \div \text{১০০০} = \text{এজন সদস্যৰ ভোটৰ মূল্য}$$

সংসদৰ প্ৰত্যেক নিৰ্বাচিত সদস্যৰ ভোটৰ সংখ্যা নিৰ্ণয় কৰিবলৈ হ'লে প্ৰথমতে ৰাজ্যসমূহৰ বিধানসভাৰ সদস্যসকলৰ মুঠ ভোটৰ সংখ্যা নিৰ্ধাৰণ কৰিব লাগে। সেই সংখ্যাক সংসদৰ দুয়োটা সদনৰ মুঠ নিৰ্বাচিত সদস্যৰ সংখ্যাৰে ভাগ কৰিলে যি ভাগফল পোৱা যায় সেয়ে হ'ল সংসদৰ প্ৰত্যেক নিৰ্বাচিত সদস্যৰ ভোটৰ সংখ্যা। এই ক্ষেত্ৰটো যদি ভাগশেষ ভাজকৰ আধা হয় বা আধাতকৈ বেছি হয় তেন্তে প্ৰত্যেক সদস্যৰ ভোটৰ সংখ্যা আৰু এটাকৈ বাঢ়িব আৰু যদি ভাজকৰ আধাতকৈ কম থাকে তেন্তে সেই সংখ্যাটো যোগ দিব নালাগে।

$$\frac{\text{ভাৰতৰ ৰাজ্যসমূহৰ বিধান সভাৰ সদস্য সকলৰ মুঠ ভোট সংখ্যা}}{\text{সংসদৰ উভয় সদনৰ নিৰ্বাচিত সদস্য সংখ্যা}} = \text{এজন}$$

ৰাষ্ট্ৰপতি নিৰ্বাচনৰ প্ৰক্ৰিয়া কেনে হ'ব সেইটো সংসদে আইন প্ৰণয়ন কৰি নিৰ্ধাৰণ কৰে। বৰ্তমান প্ৰক্ৰিয়া অনুসৰি ৰাষ্ট্ৰপতি একক হস্তান্তৰ যোগ্য ভোটৰ দ্বাৰা সমানুপতিক প্ৰতিনিধিত্বৰ ভিত্তিত নিৰ্বাচিত হয়। এই ব্যৱস্থা অনুসৰি ৰাষ্ট্ৰপতি পদৰ বাবে যিমান প্ৰাৰ্থী থাকে প্ৰত্যেক ভোটাৰৰ সিমান সংখ্যক পছন্দ থাকিব। ভোটাৰৰ পছন্দ অনুসৰি সংখ্যা বহুৱাই যাব।

ৰাষ্ট্ৰপতি পদৰ কোনজন প্ৰাৰ্থীয়ে প্ৰথমে পছন্দৰ ভোট কিমান পাইছে সেইটো ভোট দিয়া প্ৰক্ৰিয়া শেষ হোৱাৰ পিছত গণনা কৰি মুঠ পছন্দ ভোটৰ সংখ্যাক ২ৰে ভাগ কৰি তাৰ লগত ১ যোগ দিয়া হয় আৰু সেয়ে হয় অনুপাতিক বা 'কোটা'। ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হ'বলৈ হ'লে সেই অনুপাতিক বা 'কোটা' পাব লাগিব। যি জন প্ৰাৰ্থীয়ে 'কোটা' বা ততোধিক ভোট পায় তেওঁকেই নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰা হয়।

$$\frac{\text{সৰ্বমুঠ ভোট প্ৰদানৰ সংখ্যা}}{\text{নিৰ্বাচিত হ'বলগীয়া প্ৰাৰ্থীৰ সংখ্যা}} + \text{১} = \text{কোটা}$$

ৰাষ্ট্ৰপতি পদত প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীসকলৰ মাজৰ কোনো এজনেও যদি নিৰ্দিষ্ট 'কোটা' লাভ কৰিব নোৱাৰে তেন্তে যিজন প্ৰাৰ্থীয়ে আটাইতকৈ কম সংখ্যাক প্ৰথম পছন্দৰ ভোট পায় তেওঁক নিৰ্বাচনৰ পৰা বাদ দিয়া হয় আৰু তেওঁৰ দ্বিতীয় পছন্দৰ ভোট পিছৰ বাকী থকা প্ৰাৰ্থীসকললৈ হস্তান্তৰ কৰা হয়। এইদৰে কোনো প্ৰাৰ্থীয়ে আৱশ্যকীয় কোটাৰ ভোট নোপোৱালৈকে নাইবা অবশিষ্ট এজন মাত্ৰ প্ৰাৰ্থী থকালৈকে ভোট হস্তান্তৰ কাম চলি থাকিব আৰু সেই অনুসৰি ফল ঘোষণা কৰা হয়।

যদি একাধিক প্ৰাৰ্থীয়ে কোটাতকৈ বেছি ভোট পায় তেতিয়াহ'লে তেওঁলোকৰ ভিতৰত যিজন প্ৰাৰ্থীয়ে বেছি ভোট পায় তেওঁক ৰাষ্ট্ৰপতি পদত নিৰ্বাচিত হৈছে বুলি ঘোষণা কৰা হ'য়।

ভাৰতৰ ৰাষ্ট্ৰপতি যাতে অযোগ্য আৰু অদক্ষ ব্যক্তি হব নোৱাৰে তাৰবাৰে সংসদে এক আইনৰ ব্যৱস্থা কৰিছে। এই আইন অনুসৰি ৰাষ্ট্ৰপতি পদৰ কোনো এক প্ৰাৰ্থীৰ মনোনয়ন পত্ৰত **১০** জন ভোটদাতাই প্ৰস্তাৱক আৰু সমান সংখ্যক ভোটদাতাই সমৰ্থক হিচাপে স্বাক্ষৰ কৰিব লাগে। উপৰাষ্ট্ৰপতিৰ প্ৰাৰ্থীৰ বাবে ভোটদাতাৰ সংখ্যা ৫ জনকৈ নিৰ্ধাৰণ কৰা হৈছে। সেইদৰে এজন ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰৰ লগত ২,৫০০ টকা জমা দিয়াৰ ব্যৱস্থা কৰা হৈছে।

### ১.৬ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পৰোক্ষ হোৱাৰ কাৰণ ঃ

ৰাষ্ট্ৰপতি পদৰ নিৰ্বাচন প্ৰত্যক্ষভাবে নকৰি পৰোক্ষভাৱে কৰাৰ বাবে ভালেমান লোকে সমালোচনা কৰা দেখা যায়। সমালোচকসকলৰ মতে এই ব্যৱস্থা গণতন্ত্ৰৰ পৰিপন্থী। প্ৰকৃততে সংবিধান প্ৰণেতাসকলে ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পদ্ধতি পৰোক্ষ কৰাৰ কাৰণ কেইটামান তলত আলোচনা কৰা হ'ল -

১) সংবিধানে ভাৰতৰ বাবে দায়িত্বশীল চৰকাৰৰ ব্যৱস্থা কৰিছে আৰু এই ব্যৱস্থাত চৰকাৰৰ প্ৰকৃত ক্ষমতা মন্ত্ৰী পৰিষদৰ হাতত অৰ্পন কৰা হৈছে। গতিকে প্ৰকৃত দায়িত্বৰ অধিকাৰী নোহোৱা এটা পদৰ প্ৰাৰ্থীজনক প্ৰত্যক্ষভাৱে নিৰ্বাচন কৰাৰ কোনো আৱশ্যক নাই।

২) বিশাল আৰু জনবহুল ৰাষ্ট্ৰ ভাৰতৰ ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰত্যক্ষ নিৰ্বাচনৰ ব্যৱস্থা কৰিলে অযথা সময়, শক্তি আৰু অৰ্থৰ ক্ষতি হ'ব।

৩) ৰাষ্ট্ৰপতি পদৰ কাৰণে প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীৰ যোগ্যতা নিৰ্ণয় কৰাৰ ক্ষমতা আমাৰ সাধাৰণ ভোটাৰ সকলৰ নাই।

৪) ৰাষ্ট্ৰপতিগৰাকী প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা নিৰ্বাচিত হ'লে মন্ত্ৰী পৰিষদৰ লগত সঘনে কাজিয়া হোৱাৰ সম্ভাৱনা থাকিব।

এনেবোৰ কাৰণতে সংবিধান প্ৰণেতাসকলে ৰাষ্ট্ৰপতি পদৰ বাবে প্ৰত্যক্ষ নিৰ্বাচনৰ ব্যৱস্থা নকৰিলে।

### ১.৭ শপত গ্ৰহণ (Oath taking) ঃ

ৰাষ্ট্ৰপতিয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ আগতে উচ্চতম ন্যায়ালয়ৰ প্ৰধান বিচাৰপতিৰ ওচৰত সত্যনিষ্ঠাৰে কৰ্তব্য পালন কৰিব বুলি শপত গ্ৰহণ কৰিব

লাগে। এই শপত অনুযায়ী ৰাষ্ট্ৰপতিয়ে সংবিধান আৰু দেশৰ আইনক সংৰক্ষণ আৰু সমৰ্থন কৰিব আৰু ভাৰতৰ জনগণৰ সেৱা আৰু কল্যাণত নিজকে নিয়োজিত কৰিব। ৰাষ্ট্ৰপতিয়ে গ্ৰহণ কৰা এই শপতৰ যথেষ্ট নৈতিক গুৰুত্ব আছে। উচ্চতম ন্যায়ালয়ৰ প্ৰধান বিচাৰপতিৰ অনুপস্থিতিত, এই বিচাৰালয়ৰ জ্যেষ্ঠ ন্যায়াধীশে ৰাষ্ট্ৰপতিক শপত বাক্য পাঠ কৰায়।

**আত্মমূল্যায়নৰ প্ৰশ্ন - ক ঃ**

১) ভাৰতৰ ৰাষ্ট্ৰপতিৰ নিৰ্বাচনতো হ'ল প্ৰত্যক্ষ/ পৰোক্ষ নিৰ্বাচন? (শুদ্ধ উত্তৰটো লিখা)

---------------------------------------------------------------------

---------------------------------------------------------------------

২) ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত কোনে ভোটদান কৰিব পাৰে?

---------------------------------------------------------------------

---------------------------------------------------------------------

৩) ৰাষ্ট্ৰপতি নিৰ্বাচন হোৱাৰ পিছত কাৰ ওচৰত শপত গ্ৰহণ কৰিব লাগে ?

---------------------------------------------------------------------

৪) ৰাষ্ট্ৰপতি হবলৈ নূন্যতম বয়স কিমান হ'ব লাগে?

---------------------------------------------------------------------

৫) ৰাষ্ট্ৰপতিৰ অৰ্হতা দুটা উল্লেখ কৰা।

---------------------------------------------------------------------

---------------------------------------------------------------------

## ১.৮ ৰাষ্ট্ৰপতিৰ কাৰ্যকাল (Term of office of the President) ঃ

ভাৰতৰ ৰাষ্ট্ৰপতি গৰাকীৰ কাৰ্যকাল পাঁচ বছৰ। কিন্তু এয়ে হ'লেও তেওঁৰ উত্তৰাধিকাৰী গৰাকীয়ে কাৰ্যভাৰ গ্ৰহণ নকৰালৈকে তেওঁ পদত অধিষ্ঠিত হৈ থাকিব

পাৰে। ৰাষ্ট্ৰপতিয়ে তেওঁৰ কাৰ্যকালৰ ভিতৰত যিকোনো সময়ত উপ-ৰাষ্ট্ৰপতিলৈ লিখা স্বহস্তে স্বাক্ষৰিত চিঠিৰ দ্বাৰা পদত্যাগ কৰিব পাৰে। ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ পদ একেলগে শূন্য হ'লে ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ প্ৰধান বিচাৰপতি বা তেওঁৰ অনুপস্থিতিত এই আদালতৰ জ্যেষ্ঠ বিচাৰপতিজনে সাময়িক ভাৱে ৰাষ্ট্ৰপতি হিচাপে দায়িত্ব পালন কৰিব। ৰাষ্ট্ৰপতিৰ পদ শূন্য হ'লে উপৰাষ্ট্ৰপতিয়ে অস্থায়ী ৰাষ্ট্ৰপতি হিচাবে এই পদৰ দায়িত্ব পালন কৰিব। কিন্তু ৰাষ্ট্ৰপতিৰ পদ শূন্য হোৱাৰ ৬ মাহৰ ভিতৰত নতুন ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'ব লাগিব।

ৰাষ্ট্ৰপতিয়ে নিজে এই পদৰ পৰা পদত্যাগ কৰাৰ উপৰিও আন ভালেমান কাৰণত ৰাষ্ট্ৰপতিৰ পদ শূন্য হ'ব পাৰে। সেইবোৰ যেনে সংবিধান ভঙ্গৰ অপৰাধত সংসদে তেওঁক পদচ্যুত কৰিব পাৰে। ৰাষ্ট্ৰপতিৰ মৃত্যুৰ ফলতো এই পদ খালী হ'ব পাৰে। উচ্চতম ন্যায়ালয়ে ৰাষ্ট্ৰপতিৰ নিৰ্বাচন বাতিল কৰিলে কাৰ্যকালৰ ম্যাদ পূৰ্ণ হোৱাৰ আগতে এই পদ খালী হ'ব পাৰে।

### ১.৯ ৰাষ্ট্ৰপতিৰ অপসাৰণ (Removal of President) ঃ

ভাৰতৰ ৰাষ্ট্ৰপতিক মহাভিযোগৰ (Impeachment) যোগেদি কামৰপৰা আঁতৰ কৰিব পাৰে। সংবিধানৰ বিধি উলংঘা, অযোগ্যতা আৰু অসৎ ব্যৱহাৰৰ বাবে ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে মহাভিযোগ উত্থাপন কৰিব পাৰে। মহাভিযোগ সম্বন্ধীয় প্ৰস্তাৱ সংসদৰ উচ্চ বা নিম্ন সদনত উত্থাপন কৰিব পাৰে। কিন্ত মহাভিযোগ সম্বন্ধীয় এনে প্ৰস্তাৱ সদনৰ ১/4 অংশ সদস্যৰ সমৰ্থনেৰে ৰাষ্ট্ৰপতিক ১৫ দিনৰ আগতে জাননী দিব লাগে। তাৰ উপৰি এই প্ৰস্তাৱ সদনৰ ২/৩ অংশ সদস্যৰ সমৰ্থনত গৃহীত হ'ব লাগিব। এনেদৰে এটা সদনত গৃহীত হোৱা অভিযোগ সম্বলিত প্ৰস্তাৱ আনটো সদনৰ অনুসন্ধান আৰু গ্ৰহণৰ নিমিত্তে পঠাব লাগে। নিম্নসদনৰ দৰে উচ্চসদনৰ সদস্যসকলেও অনুসন্ধান কৰি ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে তোলা অভিযোগৰ প্ৰমাণ কৰি ২/৩ অংশ ভোটাধিক্যত এটা প্ৰস্তাৱ গ্ৰহণ কৰিলে ৰাষ্ট্ৰপতিক কামৰ পৰা অপসাৰণ কৰিব পাৰে।

অৱশ্যে ৰাষ্ট্ৰপতিয়ে তেওঁৰ বিৰুদ্ধে উত্থাপিত অভিযোগ খণ্ডন কৰিবলৈ নিজে বা তেওঁৰ প্ৰতিনিধিয়ে সুবিধা পায়।

### ১.১০ ৰাষ্ট্ৰপতিৰ দৰ্মহা, বানচ ইত্যাদি (Salaries and Allowances of President)ঃ

ভাৰতীয় সংবিধানৰ দ্বিতীয় অনুসূচীত ৰাষ্ট্ৰপতিৰ দৰ্মহা, বানচ আদিৰ বিষয়ে উল্লেখ আছে। অৱশ্যে ৰাষ্ট্ৰপতিৰ দৰ্মহা বানচ আদি সংসদে নিৰ্ধাৰণ কৰে। আৰম্ভণিতে ৰাষ্ট্ৰপতিৰ দৰ্মহা ১০,০০০ টকা আছিল। ১৯৮৬ চনত সংসদে এক প্ৰস্তাৱ যোগে ইয়াৰ পৰিমাণ ১৫,০০০ টকালৈ বৃদ্ধি কৰে। কিন্তু বৰ্তমান ইয়াৰ পৰিমাণ ১,৫০,০০০টকা। তদুপৰি তেওঁক ভাড়া আৰু অন্যান্য সুবিধা দিয়াৰ ব্যৱস্থা আছে।

ৰাষ্ট্ৰপতিৰ বাবে বিনামূলীয়া ৰাষ্ট্ৰপতি ভৱন আছে। ৰাষ্ট্ৰপতিৰ কাৰ্যকালৰ ভিতৰত তেওঁৰ দৰ্মহা, ভাট্টা আদি হ্ৰাস কৰিব নোৱাৰে। ৰাষ্ট্ৰপতিৰ অৱসৰ গ্ৰহণৰ পিছটো পেঞ্চন দিয়াৰ ব্যৱস্থা আছে। ৰাষ্ট্ৰপতিক প্ৰত্যেক বছৰতে ভ্ৰমন বানচ, ৰাষ্ট্ৰপতি ভৱনৰ কৰ্মচাৰীৰ খৰচ, অতিথিৰ আতিথ্য আৰু ভৱন পৰিচালনাৰ বাবে খৰচ চৰকাৰে বহন কৰে।

### ১.১১ ৰাষ্ট্ৰপতিৰ নিস্কৃতি (Protection of President)ঃ

ৰাষ্ট্ৰপতিয়ে তেওঁৰ পদমৰ্যাদাৰ কাৰণে কিছুমান বিষয়ত নিস্কৃতি লাভ কৰে। ৰাষ্ট্ৰপতিৰ কাৰ্যকালৰ ভিতৰত তেওঁৰ বিৰুদ্ধে কোনো গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিব নোৱাৰে। সেইদৰে ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে কোনো ফৌজদাৰী গোচৰ উত্থাপন কৰিব নোৱাৰে। অৱশ্যে ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে দেৱানী গোচৰ তৰিব পাৰিলেও এই বিষয়ে দুমাহৰ আগতেই জাননী দিব লাগে। ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে দেৱানী গোচৰ তৰা বাবে কোনো নিৰ্ধাৰিত আদালত নাই। যিকোনো আদালতে তেওঁৰ বিৰুদ্ধে দেৱানী গোচৰ উত্থাপন কৰিব পাৰে।

### ১.১২ ৰাষ্ট্ৰপতিৰ ক্ষমতা (Power of the President)ঃ

**১.১২.১ আইন প্ৰণয়ন ক্ষমতা** ঃ আইন প্ৰণয়ন সম্পৰ্কত ৰাষ্ট্ৰপতিৰ গুৰুত্বপূৰ্ণ ক্ষমতা আছে। সাধাৰণতে সংসদত গ্ৰহণ কৰা কোনো বিধেয়ক আইনত পৰিণত কৰিবলৈ হ'লে ৰাষ্ট্ৰপতিৰ সন্মতিৰ প্ৰয়োজন। ৰাষ্ট্ৰপতিয়ে বিত্ত সম্পৰ্কীয় বিধেয়কৰ বাদে অন্য বিষয়ৰ বিধেয়ক সদনৰ সদস্যৰ পুনৰ বিবেচনাৰ বাবে ঘুৰাই পঠাব পাৰে। অৱশ্যে সংসদে যদি দ্বিতীয়বাৰ সেই বিধেয়ক আলোচনা কৰা বা নকৰাকৈ ৰাষ্ট্ৰপতিৰ অনুমোদনৰ বাবে পঠায় তেন্তে ৰাষ্ট্ৰপতিয়ে সেই বিধেয়ক গ্ৰহণ কৰিবলৈ বাধ্য। ৰাষ্ট্ৰপতিৰ 'ভেটো' ক্ষমতা আছে আৰু এই ক্ষমতা প্ৰয়োগ কৰি সংসদে গ্ৰহণ কৰা কোনো বিধেয়ক নাকচ কৰিব পাৰে। কিছুমান বিষয়ৰ বিধেয়ক সংসদত উত্থাপন কৰিবলৈ হ'লে ৰাষ্ট্ৰপতিৰ আগতীয়া অনুমোদনৰ আৱশ্যক। সাধাৰণতে নতুন ৰাজ্য গঠন বা কোনো ৰাজ্যৰ চাৰিসীমা সাল-সলনি কৰা সম্পকীয় বিধেয়ক আদিৰ ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ আগতীয়া অনুমোদনৰ আৱশ্যক। তাৰ উপৰি ৰাজ্য চৰকাৰে প্ৰণয়ন কৰা কেতবোৰ বিধেয়কৰ ক্ষেত্ৰতো ৰাষ্ট্ৰপতিৰ সন্মতি সাপেক্ষেহে আইন হ'ব পাৰে।

ৰাষ্ট্ৰপতিয়ে আৱশ্যক অনুসৰি অধ্যাদেশ জাৰি কৰিব পাৰে। অৱশ্যে ৰাষ্ট্ৰপতিয়ে তেনে অধ্যাদেশ সংসদৰ অধিবেশন নবহাৰ সময়তহে জাৰি কৰিব পাৰে। তাৰোপৰি

সেই অধ্যাদেশ সংসদ বহাৰ সময়ত অনুমোদন কৰাব লাগে। ইয়াৰ অন্যথা সংসদৰ অধিবেশন পুনৰ বহাৰ ছমাহৰ পিছতে স্বাভাৱিক ভাৱে ইয়াৰ বলবৎৰ ম্যাদ উকলি যায়।

### ১.১২.২ শাসন বিভাগীয় ক্ষমতা (Executive Power) ঃ

ৰাষ্ট্ৰপতিগৰাকী শাসন বিভাগৰ মুৰব্বী। ভাৰতীয় সংবিধানৰ ৫৩ নং অনুচ্ছেদত কোৱা হৈছে যে ৰাষ্ট্ৰৰ শাসন বিভাগৰ ক্ষমতা ৰাষ্ট্ৰপতিৰ হাতত ন্যস্ত থাকিব। ৰাষ্ট্ৰপতিয়ে তেওঁৰ এই ক্ষমতা নিজে বা তেওঁৰ অধীনস্থ কৰ্মচাৰীৰ জৰিয়তে কাৰ্যকৰী কৰিব পাৰে। সংবিধানৰ ৭৪ নং অনুচ্ছেদত কোৱা হৈছে যে ৰাষ্ট্ৰপতিয়ে তেওঁৰ কাম-কাজ পৰিচালনা কৰাৰ ক্ষেত্ৰত পৰামৰ্শ দিবৰ বাবে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত এখন মন্ত্ৰী পৰিষদ থাকিব আৰু মন্ত্ৰী পৰিষদৰ পৰামৰ্শমতেই তেওঁ কাম-কাজ চলাব। প্ৰধানমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰ অনুমোদনক্ৰমে মন্ত্ৰীপৰিষদৰ সদস্যসকলক ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে আৰু ৰাষ্ট্ৰপতিৰ আস্থা লাভ কৰি থকালৈকে পদত অধিষ্ঠিত হৈ থাকে।

প্ৰধানমন্ত্ৰী আৰু অন্যান্য মন্ত্ৰীসকলক নিযুক্তি দিয়াৰ উপৰিও ৰাষ্ট্ৰপতিয়ে এই ক্ষমতাৰ অধীনত দেশৰ সকলোবিলাক উচ্চপদতে প্ৰাৰ্থী নিযুক্তি দিয়ে। এই সকলৰ ভিতৰত অন্যতম উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু আন বিচাৰপতিসকল, উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু আন বিচাৰপতিসকল, ভাৰতৰ লোকসেৱা আয়োগৰ সভাপতি আৰু সদস্য, ৰাজ্যৰ ৰাজ্যপাল, এটৰ্নী জেনেৰেল, কম্পট্ৰলাৰ আৰু অডিটৰ জেনেৰেল, মুখ্য নিৰ্বাচনী আয়ুক্ত, বিত্ত আয়োগৰ সভাপতি আৰু সদস্য, জনজাতি কল্যাণ আয়োগ, চৰকাৰী ভাষা আয়োগ, ৰাষ্ট্ৰদূত, উচ্চ আয়ুক্ত আদি। এই পদসমূহত ৰাষ্ট্ৰপতিয়ে মন্ত্ৰীপৰিষদৰ পৰামৰ্শ অনুসৰি নিযুক্তি দিয়ে। অৱশ্যে কিছুমান পদত নিযুক্তি  দিয়াৰ সময়ত ৰাষ্ট্ৰপতিয়ে বিভাগীয় মন্ত্ৰী বা পৰিষদৰ লগত আলোচনা কৰাৰ উপৰিও আন কোনো ব্যক্তিৰ লগতো আলোচনা কৰিব পাৰে। উদাহৰণস্বৰূপে, উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ নিযুক্তিৰ সময়ত ৰাষ্ট্ৰপতিয়ে মুখ্য ন্যায়াধীশৰ বাহিৰেও উচ্চতম বা উচ্চ ন্যায়ালয়ৰ আন ন্যায়াধীশসকলৰ লগত আলোচনা কৰিব পাৰে।

### ১.১২.৩ কূটনৈতিক ক্ষমতা (Diplomatic Power) ঃ

ৰাষ্ট্ৰপতিৰ গুৰুত্বপূৰ্ণ কূটনৈতিক ক্ষমতা আছে। সেই ক্ষমতা প্ৰয়োগ কৰি ৰাষ্ট্ৰপতিয়ে বিদেশী ৰাষ্ট্ৰৰ লগত সম্বন্ধ স্থাপন বা যেইকোনো সময়তে তেনে সম্পৰ্ক ছেদ কৰিব পাৰে। ৰাষ্ট্ৰপতিয়ে বিদেশী ৰাষ্ট্ৰৰ লগত আন্তৰ্জাতিক চুক্তি নাইবা সন্ধি আদি সম্পাদন কৰিব পাৰে। অৱশ্যে এনে চুক্তি বা সন্ধি কাৰ্যকৰী কৰিবৰ কাৰণে সংসদৰ অনুমোদনৰ আৱশ্যক হয়। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে আন্তৰ্জাতিক সন্মিলন, ৰাষ্ট্ৰসংঘ আদিত

নিজ দেশক প্ৰতিনিধিত্ব কৰিব পাৰে। পৰৰাষ্ট্ৰক স্বীকৃতি দিয়াৰ ক্ষমতাও ৰাষ্ট্ৰপতিৰ হাতত ন্যস্ত কৰা হৈছে। অৱশ্যে ভাৰতত বৈদেশীক পৰিক্ৰমা সম্পকীয় এজন মন্ত্ৰী থাকিলেও প্ৰধানমন্ত্ৰীয়েই ৰাষ্ট্ৰপতিৰ নামত বৈদেশীক পৰিক্ৰমা সম্পকীয় কাম-কাজ পৰিচালনা কৰে। ৰাষ্ট্ৰপতিয়ে অন্যান্য দেশৰ বাবে ভাৰতৰ কূটনৈতিক প্ৰতিনিধি নিয়োগ কৰে আৰু বিদেশৰ পৰা ভাৰতলৈ অহা কূটনৈতিক প্ৰতিনিধিসকলৰ পৰিচয় পত্ৰ গ্ৰহণ কৰে।

### ১.১২.৪ অৰ্থসংক্ৰান্ত ক্ষমতা (Financial Power) ঃ

ভাৰতীয় সংবিধানে ৰাষ্ট্ৰপতিক অৰ্থসংক্ৰান্তীয় ক্ষমতাও প্ৰদান কৰিছে। ৰাষ্ট্ৰপতিৰ সন্মতি অবিহনে কোনো বিত্তীয় বিধেয়ক সংসদত উত্থাপন কৰিব নোৱাৰে। প্ৰত্যেক আৰ্থিক বছৰৰ আনুমানিক আয় আৰু ব্যয়ৰ এক বিৱৰণ বা বাজেট সংসদৰ ওচৰত উত্থাপন কৰাৰ দায়িত্বও ৰাষ্ট্ৰপতিৰ হাতত অৰ্পণ কৰিছে। ৰাষ্ট্ৰপতিৰ অনুমোদন নহ'লে কৰ, ঋণ আদি বিলৰ সংশোধনী দাঙি ধৰিব নোৱাৰে। ৰাষ্ট্ৰপতিয়ে সম্ভাব্য নিধিৰ পৰা আকস্মিক ব্যয়ৰ কাৰণে আগতীয়া ধন মঞ্জুৰ কৰিব পাৰে। অৱশ্যে সংসদৰ অনুমোদন সাপেক্ষেহে। এই বিলাকৰ উপৰিও আয়কৰৰ পৰা সংগৃহীত হোৱা ধন ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়া বিত্ত আয়োগৰ পৰামৰ্শক্ৰমে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ মাজত ভাগ কৰি দিব পাৰে।

### ১.১২.৫ জৰুৰীকালীন ক্ষমতা (Emergency Power) ঃ

ৰাষ্ট্ৰপতিৰ এটা গুৰুত্বপূৰ্ণ ক্ষমতা হ'ল জৰুৰীকালীন ক্ষমতা। এনে ক্ষমতা দেশৰ সংকটকালীন অৱস্থাত প্ৰয়োগ কৰিব পাৰে। ৰাষ্ট্ৰপতিৰ জৰুৰী ক্ষমতা তিনিবিধ-প্ৰথমতে, অনুচ্ছেদ নং ৩৫২- অনুসৰি তেওঁ ভাৰত ইউনিয়ন বা ইয়াৰ কোনো অংশৰ নিৰাপত্তা, যুদ্ধ, বহিঃ আক্ৰমণ.বা সশস্ত্ৰ সংগ্ৰামৰ কাৰণে বিপদাপন্ন হ'লে জৰুৰীকালীন অৱস্থা ঘোষণা কৰিব পাৰে। দ্বিতীয়তে, অনুচ্ছেদ নং ৩৫৬ অনুসৰি যদি কোনো এখন ৰাজ্য চৰকাৰে সংবিধানমতে কাৰ্য পৰিচালনা কৰিব নোৱাৰে তেতিয়া ৰাষ্ট্ৰপতিয়ে জৰুৰীকালীন অৱস্থা ঘোষণা কৰি সেই ৰাজ্যৰ শাসন কাৰ্য নিজৰ হাতলৈ নিব পাৰে। এনে জৰুৰীকালীন ঘোষণাৰ কাৰণে সংসদে ৰাজ্য চৰকাৰৰ বিষয় বিলাকৰ ওপৰতো আইন প্ৰণয়ন কৰিব পাৰে। তৃতীয়তে, অনুচ্ছেদ নং ৩৬০ অনুসৰি দেশৰ আৰ্থিক সংকটৰ কাৰণেও ৰাষ্ট্ৰপতিয়ে এনে ঘোষণা কৰিব পাৰে। এই ঘোষণাৰ উদ্দেশ্য হৈছে যাৱতীয় খৰচ, চৰকাৰী কৰ্মচাৰীৰ দৰ্মহা আদি হ্ৰাস কৰি আৰ্থিক অৱস্থা টনকিয়াল কৰা।

**১.১২.৬ ন্যায়িক ক্ষমতা (Judicial Power) ঃ**

ৰাষ্ট্ৰপতিৰ কিছুমান ন্যায়িক ক্ষমতাও আছে। ৰাষ্ট্ৰপতিয়ে কোনো সৈনিক আদালত বা সাধাৰণ আদালতে দোষী সাব্যস্ত কৰি মৃত্যুদণ্ড বিহা লোকক ব্যক্তিগত বা সমূহীয়াভাৱে ক্ষমা কৰিব পাৰে। আনকি তেওঁ শাস্তি প্ৰদান কৰা ব্যক্তিৰ শাস্তি হ্ৰাস বা সামূহিক ভাৱে স্থগিত ৰাখিব পাৰে। ন্যায়িক বিচাৰত হ'ব পৰা ভুলৰ শুধৰণিৰ সুবিধাৰ বাবেই ৰাষ্ট্ৰপতিক এনে ক্ষমতা দিয়া হৈছে বুলি ক'ব পাৰি।

**১.১২.৭ অধ্যাদেশ জাৰি কৰা ক্ষমতা (Power to Promulgate Ordinance)ঃ**

সংবিধানে ৰাষ্ট্ৰপতিক অধ্যাদেশ জাৰি কৰিব পৰা ক্ষমতাও অৰ্পণ কৰিছে। সংসদে আইন প্ৰণয়ন কৰিব পৰা অৱস্থাত নাথাকিলে অৰ্থাৎ সংসদৰ বৈঠক স্থগিত হৈ থকা সময়ছোৱাত ৰাষ্ট্ৰপতিয়ে আৱশ্যক অনুভৱ কৰিলে এই ক্ষমতাৰ জৰিয়তে আইন প্ৰণয়ন কৰিব পাৰে। এই ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ ক্ষমতা সংসদৰ আইন প্ৰণয়ন ক্ষমতা সৈতে প্ৰায় একেধৰণৰ। কাৰণ সংসদে আইন প্ৰণয়ন কৰিব পৰা সকলো বিষয়তে ৰাষ্ট্ৰপতিয়ে এই ক্ষমতা প্ৰয়োগ কৰিব পাৰে। কিন্তু সংসদৰ অধিবেশন আহ্বান কৰিলেই এই অধ্যাদেশ সংসদত উত্থাপন কৰিব লাগে আৰু সংসদে নাকচ নকৰিলে সংসদ মিলিত হোৱাৰ ৬ সপ্তাহৰ পিছত নিজেই অকাৰ্যকৰী হৈ পৰে।

**১.১২.৮ সামৰিক ক্ষমতা (Military Power) ঃ**

ভাৰতীয় সংবিধান অনুসৰি ভাৰতৰ ৰাষ্ট্ৰপতিজন সেনাবাহিনীৰো সৰ্বাধিনায়ক। ৰাষ্ট্ৰপতিয়ে নিজে সৰ্বোচ্চ সেনাধ্যক্ষ হিচাপে তিনিওটা শ্ৰেণীৰ সৈন্যবাহিনী পৰিচালনা কৰিব পাৰে। অৱশ্যে এই ক্ষেত্ৰত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে সংসদৰ অনুমোদন সাপেক্ষেহে যুদ্ধ ঘোষণা কৰিব পাৰে। ৰাষ্ট্ৰপতিয়ে সামৰিক বাহিনীৰ লোকক তেওঁলোকৰ সাহস আৰু বীৰত্বৰ কাৰণে ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰদান কৰিব পাৰে।

**১.১২.৯ সংসদৰ অধিবেশন আহ্বান, স্থগিত আৰু ভংগ কৰাৰ ক্ষমতা (Power to Summon, Prorogue and dissolve Parliament) ঃ**

ৰাষ্ট্ৰপতিয়ে এই নিৰ্দিষ্ট সময়ৰ ভিতৰত উভয় সদনৰ অধিবেশন আহ্বান, স্থগিত আৰু ভংগ কৰিব পাৰে। অৱশ্যে অধিবেশন আহ্বানৰ ক্ষেত্ৰত শেষৰ অধিৱেশনৰ পৰা আনখন অধিৱেশনৰ মাজৰ সময়ৰ ব্যৱধান ৬ মাহতকৈ বেচি হ'ব নালাগে। সংসদৰ অধিৱেশন যিদৰে আহ্বান কৰিব পাৰে সেইদৰে তেওঁ অধিৱেশন স্থগিত কৰিবও পাৰে। সংসদৰ অধিৱেশন আহ্বান আৰু স্থগিত কৰাৰ উপৰিও ৰাষ্ট্ৰপতিৰ লোকসভা ভংগ কৰিব পৰা ক্ষমতা আছে। সাধাৰণতে প্ৰধানমন্ত্ৰীৰ পৰামৰ্শমতেই

ৰাষ্ট্ৰপতিয়ে এই ক্ষমতা প্ৰয়োগ কৰে যদিও, যেতিয়া লোকসভাত প্ৰধানমন্ত্ৰীয়ে সংখ্যাগৰিষ্ঠৰ সমৰ্থন হেৰুৱায় বা তেওঁৰ সংখ্যাগৰিষ্ঠতাত সন্দেহ প্ৰকাশ পায় তেতিয়া ৰাষ্ট্ৰপতিয়ে নিজৰ ইচ্ছা অনুসৰি এই ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

### ১.১২.১০ বিবিধ ক্ষমতা (Miscellaneons Power) ঃ

ভাৰতৰ ৰাষ্ট্ৰপতিৰ আন ভালেমান ক্ষমতা আছে। তেওঁ ভাষা আয়োগ, লোকসেৱা আয়োগ আৰু নিৰ্বাচনী আয়োগৰ প্ৰতিবেদন বিলাক সময়মতে সংসদত উথাপন হৈছেনে নাই তাৰ প্ৰতি চকু দিব লাগে। তাৰউপৰিও তেওঁ প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ সাপেক্ষে মন্ত্ৰী পৰিষদৰ দপ্তৰ বিলাক বিতৰণ কৰে। কোনো মন্ত্ৰীক বৰ্খাস্ত কৰা কামো প্ৰধান মন্ত্ৰীৰ পৰামৰ্শ সাপেক্ষে ৰাষ্টপতিয়ে কৰিব পাৰে। ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়ৰ বিচাৰকৰ পৰা যেই কোনো বিষয়ে আইন সম্পৰ্কীয় পৰামৰ্শ গ্ৰহণ কৰিব পাৰে।

### ১.১৩ ৰাষ্ট্ৰপতিৰ পদমৰ্যাদা (Position of the President) ঃ

ভাৰতৰ ৰাষ্ট্ৰপতিৰ হাতত ন্যস্ত কৰা বিভিন্ন ক্ষমতা আৰু কাৰ্যাৱলী পৰ্যালোচনা কৰি চালে দেখা যায় যে ৰাষ্ট্ৰপতিৰ হাতত ভালেমান গুৰুত্বপূৰ্ণ কাৰ্য আৰু ক্ষমতা সাংবিধানে অৰ্পণ কৰিছে। দেশত জৰুৰী অৱস্থা ঘোষণা কৰা সময়ত ৰাষ্ট্ৰপতিয়ে স্বেচ্ছাচাৰী শাসকৰ দৰে ক্ষমতা উপভোগ কৰিব পাৰে। অৱশ্যে ৰাষ্ট্ৰপতিয়ে মন্ত্ ীপৰিষদৰ পৰামৰ্শ সাপেক্ষেহে দেশত জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰে। আনকি কোনো বিদেশী আক্ৰমণ নাইবা সশস্ত সংগ্ৰামৰ বাবে আভ্যন্তৰীণ আইন-শৃঙ্খলা পৰিস্থিতিৰ কাৰণেও মন্ত্ৰীপৰিষদৰ লিখিত পৰামৰ্শৰ ভিত্তিত দেশত জৰুৰী অৱস্থা ঘোষণা কৰিব পাৰে। গতিকে এই ক্ষেত্ৰত ভাৰতৰ ৰাষ্ট্ৰপতিৰ পদমৰ্যাদা ইংলেণ্ডৰ ৰাণীৰ সমকক্ষ। ইংলেণ্ডত যেনেকৈ ৰাণীয়ে মন্ত্ৰী পৰিষদৰ পৰামৰ্শমতে সকলো কাম-কাজ পৰিচালনা কৰে, সেইদৰে ভাৰতৰ ৰাষ্ট্ৰপতিয়েও মন্ত্ৰীপৰিষদৰ পৰামৰ্শ সাপেক্ষেহে কাম কৰিবলৈ বাধ্য। ৰাষ্ট্ৰপতিয়ে যদি মন্ত্ৰী পৰিষদৰ পৰামৰ্শ সাপেক্ষে কাম সম্পাদন নকৰে তেন্তে তেওঁৰ বিৰুদ্ধে সংসদত মহাভিযোগ প্ৰস্তাৱ উত্থাপন কৰি কামৰ পৰা নিৰ্দিষ্ট কাৰ্যকালৰ আগতে অপসাৰণ কৰিব পাৰে।

প্ৰকৃততে ভাৰতৰ ৰাষ্ট্ৰপতিৰ সকলো ক্ষমতা মন্ত্ৰীপৰিষদে ৰাষ্ট্ৰপতিৰ নামত প্ৰয়োগ কৰে। ড০ আম্বেদকাৰ আদি সংবিধান প্ৰণেতাসকলৰ মতে ভাৰতৰ ৰাষ্ট্ৰপতি কাৰ্যপালিকাৰ মুৰব্বী নহ'ব, তেওঁ জাতিটোৰহে মুৰব্বী। তেওঁ, জাতিটোক প্ৰতিনিধিত্ব কৰে, শাসন নকৰে। সেই কাৰণে তেওঁ মন্ত্ৰীপৰিষদৰ পৰামৰ্শ মানি চলিবলৈ বাধ্য।

যদিও ভাৰতৰ ৰাষ্ট্ৰপতিক কিছুমানে ৰাবাৰ ষ্টাম্প বুলি আখ্যা দিয়ে প্ৰকৃততে কিন্তু ৰাবাৰ ষ্টাম্প বুলি আখ্যা দিব নোৱাৰি, কাৰণ ৰাষ্ট্ৰপতিয়ে স্বকীয়ভাবেও কেতবোৰ ক্ষমতা প্ৰয়োগ কৰিব পাৰে। ৰাষ্ট্ৰপতিয়ে শাসন ব্যৱস্থাৰ সম্পৰ্কে যিকোনো বিষয়ৰ তথ্যপাতি মন্ত্ৰীপৰিষদ অৱগত কৰাবলৈ ক'ব পাৰে। কোনো মন্ত্ৰীয়ে ব্যক্তিগত ভাৱে কোনো বিষয়ে সিদ্ধান্ত গ্ৰহণ কৰিলে সেই সিদ্ধান্ত মন্ত্ৰীপৰিষদত গ্ৰহণ কৰাই ল'বৰ কাৰণে পৰামৰ্শ দিব পাৰে। মন্ত্ৰীপৰিষদ গঠন কৰিবলৈ কোনো ৰাজনৈতিক দলে সাধাৰণ নিৰ্বাচনত সংখ্যা গৰিষ্ঠতা লাভ কৰিব নোৱাৰিলে ৰাষ্ট্ৰপতিয়ে স্ব- ইচ্ছাই প্ৰধান মন্ত্ৰী নিৰ্বাচন কৰিব পাৰে।

ৰাষ্ট্ৰপতিয়ে মন্ত্ৰীপৰিষদৰ কাম-কাজত সন্তুষ্ট নহ'লে সেই মন্ত্ৰীপৰিষদক ভালদৰে নিজ দায়িত্ব পালন কৰিবৰ কাৰণে সাৱধান কৰি দিব পাৰে। আইন প্ৰণয়নৰ ক্ষেত্ৰতো ৰাষ্ট্ৰপতিৰ স্বকীয় ক্ষমতাৰ গুৰুত্ব উপলব্ধি কৰিব পাৰি। তেওঁ বিত্তীয় বিলৰ বাহিৰে আন যি কোনো বিধেয়ক সংসদৰ সদস্যসকলৰ পুনৰ বিবেচনাৰ কাৰণে ঘূৰাই পঠাব পাৰে। মন্ত্ৰী পৰিষদত গৃহীত সকলো বিধেয়কৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিক অৱগত কৰাব লাগে।

ৰাষ্ট্ৰপতিয়ে আনকি দলীয় ৰাজনীতিৰ উৰ্দ্ধত থকাৰ কাৰণে আৰু সকলো দিশতে নিৰপেক্ষ দৃষ্টিভঙ্গী গ্ৰহণ কৰাৰ কাৰণে প্ৰধানমন্ত্ৰীৰ সিদ্ধান্তৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। গতিকে এজন অভিজ্ঞ, ব্যক্তিত্বসম্পন্ন ৰাষ্ট্ৰপতিয়ে দেশৰ শাসন কাৰ্যত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

### ১.১৪ প্ৰধানমন্ত্ৰী (Prime Minister) ঃ

ভাৰতীয় সংবিধানৰ ৭৪ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰপতিক কামত সহায় আৰু পৰামৰ্শ প্ৰদান কৰিবৰ বাবে প্ৰধানমন্ত্ৰীৰ নেতৃত্বাধীন এখন মন্ত্ৰীপৰিষদ থাকিব। ভাৰতৰ প্ৰধানমন্ত্ৰী হৈছে কেবিনেট আৰু মন্ত্ৰীপৰিষদৰ নেতা। তেওঁ কাৰ্যপালিকাৰ প্ৰকৃত মুৰব্বী।

### ১.১৫ প্ৰধানমন্ত্ৰীৰ নিযুক্তি (Appointment of Prime Minister) ঃ

ভাৰতবৰ্ষৰ সংসদীয় শাসন ব্যৱস্থাত প্ৰধানমন্ত্ৰীৰ নেতৃত্বত এখন মন্ত্ৰীপৰিষদ থাকে আৰু এই মন্ত্ৰীপৰিষদ দেশৰ শাসনকাৰ্য পৰিচালনাৰ বাবে সংসদৰ ওচৰত দায়বদ্ধ থাকে। গতিকে দেখা যায় যে সংসদীয় শাসন ব্যৱস্থাত মন্ত্ৰীপৰিষদৰ নেতৃত্ব দিয়ে প্ৰধানমন্ত্ৰীয়ে। ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীৰ পদটো সংবিধানিক আইনৰ ওপৰত প্ৰতিষ্ঠিত। সংবিধানৰ ৭৪ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰপতিক সহায় আৰু পৰামৰ্শ দান কৰিবলৈ

প্ৰধানমন্ত্ৰীৰ নেতৃত্বত এখন মন্ত্ৰীপৰিষদ থাকিব। সংবিধানৰ ৭৫ নং অনুচ্ছেদত কোৱা হৈছে যে ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰীক নিয়োগ কৰিব। সাধাৰণতে লোকসভাৰ সংখ্যাগৰিষ্ঠ দলৰ নেতাজনক ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰী পদত নিয়োগ কৰে। কোনো এটা দলে লোকসভাত সংখ্যাগৰিষ্ঠতা লাভ কৰিব নোৱাৰিলে আন দলৰ সদস্যৰ সমৰ্থনত যদি সংখ্যাগৰিষ্ঠতা প্ৰমান কৰিব পাৰে তেতিয়া হ'লে এই গোটৰ নেতাক ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰী পদত নিয়োগ কৰে।

লোকসভাৰ নিৰ্বাচনত যিদলে সংখ্যাগৰিষ্ঠতা অৰ্জন কৰে সেই দলৰ সদস্য সকলে তেওলোকৰ নেতা নিৰ্বাচন কৰে আৰু এই নেতাক ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰী পদত নিয়োগ কৰে। এইদৰে সংসদৰ সংখ্যাগৰিষ্ঠ দলৰ নেতাক প্ৰধানমন্ত্ৰী নিয়োগ কৰা ৰাষ্ট্ৰপতিৰ পক্ষে বাধ্যতামূলক। ইয়াত ৰাষ্ট্ৰপতিৰ ইচ্ছা বা অনিচ্ছাৰ প্ৰশ্ন নুঠে। যদি কোনো দলৰ সংখ্যাগৰিষ্ঠতা নাথাকে তেতিয়া হ'লে ৰাষ্ট্ৰপতিয়ে তেওঁৰ বিচাৰ-বিবেচনা অনুযায়ী প্ৰধানমন্ত্ৰী নিযুক্ত কৰিব পাৰে। কিন্তু এনেভাৱে নিযুক্তি লাভ কৰা প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিয়ে বান্ধি দিয়া সময়সীমাৰ ভিতৰত লোকসভাত তেওঁৰ সংখ্যাগৰিষ্ঠতা প্ৰমাণ কৰিব লাগিব, অন্যথা তেওঁ পদত্যাগ কৰিব লাগিব।

ভাৰতৰ প্ৰধানমন্ত্ৰীজন সংসদৰ সদস্য হ'ব লাগিব। সাধাৰণতে তেওঁ লোকসভাৰে সদস্য হয়। নিযুক্তিৰ সময়ত তেওঁ সংসদৰ সদস্য নহ'লেও কাৰ্যভাৰ গ্ৰহণৰ ছমাহৰ ভিতৰত তেওঁ সংসদলৈ নিৰ্বাচিত হ'ব লাগিব। যদি নিৰ্বাচিত হ'ব নোৱাৰে তেতিয়াহলে তেওঁ পদত্যাগ কৰিব লাগিব।

### ১.১৬ প্ৰধানমন্ত্ৰীৰ কাৰ্যকাল (Tenure of Prime Minister) ঃ

সাধাৰণতে প্ৰধানমন্ত্ৰীৰ কাৰ্যকাল ৫ বছৰ যদিও তেওঁৰ নিৰ্দিষ্ট কাৰ্যকাল নাই বুলিয়েই কব পাৰি। লোকসভাৰ সংখ্যাগৰিষ্ঠ সদস্যৰ সমৰ্থন ক্ৰমে তেওঁ পদত অধিষ্ঠিত থাকে। প্ৰধানমন্ত্ৰীৰ কাৰ্যকাল শেষ হোৱাৰ আগতেই লোকসভাৰ আস্থা হেৰুৱালে অনাস্থা প্ৰস্তাৱৰ জৰিয়তে তেওঁক অপসাৰণ কৰিব পাৰি। জৰুৰীকালীন অৱস্থা চলি থকা সময়ত লোকসভাৰ ম্যাদ বৃদ্ধি পালে প্ৰধান মন্ত্ৰীৰ কাৰ্যকালো বৃদ্ধি হয়।

### ১.১৭ প্ৰধানমন্ত্ৰীৰ ক্ষমতা আৰু কাৰ্যাৱলী

### (Power and Functions of Prime Minister) ঃ

ভাৰতৰ সংবিধানৰ ৭৮ নং অনুচ্ছেদত প্ৰধানমন্ত্ৰীৰ কাৰ্যাৱলী সম্পৰ্কে বৰ্ণনা কৰা আছে। প্ৰধানমন্ত্ৰীৰ কাৰ্যাৱলীসমূহ তলত আলোচনা কৰা হ'ল।

### ১.১৭.১ মন্ত্রীপৰিষদৰ গঠন (Formation of Council of Minister) ঃ

ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰীক নিযুক্তি দিয়ে। প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি অন্যান্য মন্ত্ৰীসকলকো তেওঁ নিযুক্তি দিয়ে। মন্ত্ৰীপৰিষদত কিমানজন সদস্য অন্তৰ্ভূক্ত কৰা হ'ব তাক প্ৰধানমন্ত্ৰীয়ে নিৰ্ধাৰণ কৰিব লাগে। মন্ত্ৰীপৰিষদ গঠন কৰাৰ সময়ত প্ৰধানমন্ত্ৰীয়ে তিনিটা বিষয়ৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে - (ক) ৰাষ্ট্ৰখনৰ বিভিন্ন অঞ্চল বা ৰাজ্যৰ পৰা নিৰ্বাচিত হৈ অহা সদস্যসকলে যাতে মন্ত্ৰীপৰিষদত স্থান লাভ কৰে প্ৰধানমন্ত্ৰীয়ে তাৰ প্ৰতি নজৰ দিব লাগে। (খ) দ্বিতীয়তে, বিভিন্ন ভাষা, গোষ্ঠী, আৰু ধৰ্মৰ লোকে যাতে মন্ত্ৰীসভাত স্থান লাভ কৰে তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে আৰু (গ) শাসনাধিষ্ঠ ৰাজনৈতিক দলৰ নিষ্ঠাবান আৰু জ্যেষ্ঠ কৰ্মীয়ে যাতে মন্ত্ৰীপৰিষদত স্থান লাভ কৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। ওপৰত উল্লেখ কৰা এনেবোৰ বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে পৰিষদখনে সুকলমে কাম-কাজ সমাধা কৰিব পাৰে।

### ১.১৭.২ দপ্তৰ বিতৰণ (Distribution of Portfolios) ঃ

প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুসৰি ৰাষ্ট্ৰপতিয়ে বিভিন্ন বিভাগৰ মন্ত্ৰীৰ মাজত দপ্তৰ সমূহ বিতৰণ কৰে। প্ৰয়োজন অনুসৰি তেওঁ দপ্তৰ সমূহৰ সালসলনি ঘটাব পাৰে। দপ্তৰ বিতৰণৰ সময়ত প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰৰ সৰ্বাংগীণ উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ দিশ কিছুমানৰ প্ৰতি নজৰ দিয়া উচিত। দপ্তৰ বিতৰণক কেন্দ্ৰ কৰি মন্ত্ৰীসভাৰ সদস্যৰ মাজত যাতে মনোমালিন্যৰ সৃষ্টি নহ'য় তাৰ প্ৰতি প্ৰধানমন্ত্ৰীয়ে নজৰ দিব লাগে। সেয়ে এনে দিশত দলৰ জ্যেষ্ঠ নেতাসকলক গুৰুত্বপূৰ্ণ দপ্তৰ প্ৰদান কৰাৰ উপৰিও কাৰিকৰী আৰু অন্যান্য দিশত পাৰদৰ্শিতা থকা লোকক মন্ত্ৰীসভাত স্থান দিব লাগে। দেশৰ বৃহত্তৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি প্ৰধানমন্ত্ৰীয়ে কিছুমান গুৰুত্বপূৰ্ণ দপ্তৰ নিজৰ হাতত ৰাখে।

### ১.১৭.৩ মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ (Expansion of Cabinet) ঃ

প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীপৰিষদ গঠনত প্ৰধান ভূমিকা গ্ৰহণ কৰাৰ উপৰিও তেওঁ মন্ত্ৰীসভাৰ সালসলনি ঘটাব পাৰে। কোনো এটা দপ্তৰৰ দায়িত্বত থকা এজন মন্ত্ৰীক আন এটা দপ্তৰৰ দায়িত্ব দিব পাৰে। কোনো মন্ত্ৰীক ৰাজ্যিক পৰ্যায়ৰ পৰা কেবিনেট পৰ্যায়লৈ উন্নীত কৰিব পাৰে। গোটেই মন্ত্ৰীসভা নতুনকৈ গঠন কৰিব পাৰে। কোনো এজন মন্ত্ৰীক পদত্যাগ কৰিবলৈ বাধ্য কৰাব পাৰে। প্ৰধানমন্ত্ৰীৰ অনুৰোধক্ৰমে কোনো মন্ত্ৰীয়ে পদত্যাগ কৰিবলৈ অস্বীকাৰ কৰিলে তেওঁ সেই মন্ত্ৰীজনক বৰ্খাস্ত কৰিবৰ কাৰণে ৰাষ্ট্ৰপতিক পৰামৰ্শ দিব পাৰে। কোনো মন্ত্ৰীয়ে প্ৰধানমন্ত্ৰীৰ আস্থা হেৰুৱালেও পদত্যাগ কৰিবলৈ বাধ্য হ'ব পাৰে।

### ১.১৭.৪ মন্ত্ৰীসভাৰ মূৰব্বী (Leader of the Cabinet) ঃ

প্ৰধানমন্ত্ৰী হৈছে কেবিনেটৰ মূৰব্বী। প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীসভাৰ বৈঠকত সভাপতিত্ব কৰে, সভাৰ কাৰ্যসূচী নিৰ্ধাৰণ কৰে, গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত সিদ্ধান্ত গ্ৰহণ কৰে আৰু বিভাগীয় মন্ত্ৰীক কাম কাজৰ নিৰ্দেশনা জাৰি কৰে। প্ৰধানমন্ত্ৰী হৈছে 'কেন্দ্ৰীয় মন্ত্ৰীসভাৰ মূল চাবিকাঠি'। প্ৰধানমন্ত্ৰী অবিহনে কেবিনেটৰ কোনো মূল্য নাই। প্ৰধানমন্ত্ৰী হৈছে চৰকাৰৰ সংযোগ ৰক্ষাকাৰী আৰু তেওঁ চৰকাৰৰ হৈ বক্তব্য প্ৰকাশ কৰিব পাৰে। মন্ত্ৰী সভাৰ বৈঠকত আলোচনা কৰিবলগীয়া বিষয়বস্তু প্ৰধান মন্ত্ৰীয়েই নিৰ্ধাৰণ কৰে আৰু সিদ্ধান্ত গ্ৰহণৰ দায়িত্বও প্ৰধানমন্ত্ৰীৰ হাততে ন্যস্ত থাকে। কোনো মন্ত্ৰীয়ে মন্ত্ৰীসভাৰ সিদ্ধান্তৰ বিৰোধীতা কৰিব নোৱাৰে। মন্ত্ৰীসভাৰ সদস্যসকল প্ৰধানমন্ত্ৰীক কেন্দ্ৰ কৰিয়েই পৰিচালিত হয়।

### ১.১৭.৫ মন্ত্ৰীপৰিষদৰ নেতা (Leader of the Council of Ministers) ঃ

প্ৰধানমন্ত্ৰী হৈছে মন্ত্ৰীপৰিষদৰ নেতা। তেওঁ মন্ত্ৰীপৰিষদৰ সভাত সভাপতিত্ব কৰে। মন্ত্ৰীপৰিষদৰ সভাত ৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ বিষয়সমূহ আলোচনা কৰি সিদ্ধান্ত গ্ৰহণ কৰা হয়। সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মন্ত্ৰীসভাৰ বৈঠকত সকলো সদস্যই নিজ মতামত ব্যক্ত কৰে যদিও কোনো মন্ত্ৰীয়ে মন্ত্ৰীপৰিষদৰ সৰ্বসন্মত সিদ্ধান্তৰ বিৰোধীতা কৰিব নোৱাৰে। প্ৰধানমন্ত্ৰীয়ে পদত্যাগ কৰিলে মন্ত্ৰীপৰিষদো ভাঙি যায়।

### ১.১৭.৬ লোকসভাৰ নেতা (Leader of Parliament) ঃ

প্ৰধানমন্ত্ৰী সংসদৰ নিম্নসদন অৰ্থাৎ লোকসভাৰ সংখ্যাগৰিষ্ঠ দলৰ নেতা। সংসদৰ দুয়োখন সদনৰ অনুস্থিত সভাত তেওঁ যোগদান কৰি আলোচনাত অংশ গ্ৰহণ কৰিব পাৰে। প্ৰধানমন্ত্ৰীয়ে সদনত নিজ দলৰ নীতি, লক্ষ্য আৰু কাৰ্যসূচী সম্পৰ্কে স্পষ্ট বক্তব্য দাঙি ধৰে। মন্ত্ৰীসভাৰ কোনো মন্ত্ৰীয়ে বিৰোধী সদস্যই কৰা কোনো প্ৰশ্নৰ উত্তৰ যথাযথভাবে প্ৰদান কৰিব নোৱাৰিলে প্ৰধানমন্ত্ৰীয়ে হস্তক্ষেপ কৰি উত্তৰ প্ৰদান কৰিব পাৰে। মন্ত্ৰী সভাৰ সকলো সদস্যকে সংসদৰ মজিয়াত সমালোচনাৰ পৰা ৰক্ষা কৰাৰ দায়িত্বও প্ৰধানমন্ত্ৰীৰ হাততে ন্যস্ত আছে। দেশৰ আভ্যন্তৰীণ, বৈদেশিক আৰু শাসন সম্পৰ্কীয় সকলো সিদ্ধান্ত প্ৰধানমন্ত্ৰীয়ে সংসদত ঘোষণা কৰে। সংসদত উত্থাপন কৰা বিধেয়কবোৰ যাতে গৃহীত হয় তাৰ প্ৰতি লক্ষ্য ৰখাটোও প্ৰধানমন্ত্ৰীৰ দায়িত্ব আৰু কৰ্তব্যৰ ভিতৰত পৰে। প্ৰধানমন্ত্ৰীয়ে নিৰ্দিষ্ট সময়ৰ আগতে লোকসভা ভংগ কৰাৰ পৰামৰ্শও ৰাষ্ট্ৰপতিক প্ৰদান কৰিব পাৰে। লোকসভা ভংগৰ পৰামৰ্শদানৰ ক্ষমতাই মন্ত্ৰী পৰিষদৰ ওপৰত থকা প্ৰধানমন্ত্ৰীৰ গুৰুত্ব কথাকে প্ৰকাশ কৰে।

**১.১৭.৭ সংখ্যাগৰিষ্ঠ দলৰ নেতা (Leader of the Majority Party) ঃ**

প্ৰধানমন্ত্ৰী হ'ল সংখ্যাগৰিষ্ঠ দলৰ নেতা। সেয়েহে তেওঁ যিকোনো ত্যাগৰ বিনিময়ত দলীয় ঐক্য, সংহতি আৰু সংখ্যাগৰিষ্ঠতা ৰক্ষা কৰিব লাগে। শাসনাধিষ্ঠ ৰাজনৈতিক দলৰ দলীয় ভাৱমূৰ্ত্তি উজ্জ্বল কৰিবলৈ হ'লে প্ৰধানমন্ত্ৰীয়ে প্ৰশাসনীয় কাম-কাজ নিষ্ঠাৰে পালন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগে। বহু ৰাজনৈতিক দলেৰে গঠিত সংযুক্ত মৰ্চা চৰকাৰৰ নেতৃত্ব বহন কৰা প্ৰধানমন্ত্ৰীয়ে নিজ দলৰ উপৰিও শাসনাধিষ্ঠ দলৰ উমৈহতীয়া স্বাৰ্থৰ প্ৰতিও গুৰুত্ব প্ৰদান কৰিব লাগিব।

**১.১৭.৮ বৈদেশীক নীতি নিৰ্ধাৰক (Determination of foreign Policy) ঃ**

বিদেশী ৰাষ্ট্ৰৰ লগত কূটনৈতিক সম্বন্ধ স্থাপন কৰাটো প্ৰধানমন্ত্ৰীৰ দায়িত্ব। তেওঁ মন্ত্ৰীসভাৰ সদস্য সকলৰ লগত আলোচনা কৰি বৈদেশীক নীতি নিৰ্ধাৰণ কৰে। বিভিন্ন দেশলৈ স্বদেশী কূটনৈতিক বিষয়া নিয়োগ কৰাটো প্ৰধানমন্ত্ৰীয়ে আগভাগ লয়। কোনো দেশৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিব লগা হ'লে মন্ত্ৰীসভাৰ সিদ্ধান্ত অনুসৰি প্ৰধানমন্ত্ৰীয়ে কৰে। বিদেশী ৰাষ্ট্ৰৰ লগত শান্তি চুক্তি বা অন্য চুক্তি সম্পাদন কৰাত প্ৰধানমন্ত্ৰীয়েই সৰ্বেসৰ্বা। অৱশ্যে তেনে চুক্তি কাৰ্যকৰি কৰিবলৈ হ'লে সংসদৰ অনুমোদনৰ আৱশ্যক হয়। আন্তৰ্জাতিক সন্মিলন আদিটো প্ৰধানমন্ত্ৰীয়ে প্ৰতিনিধিত্ব কৰে।

**১.১৭.৯ উচ্চ পদাধিকাৰী ব্যক্তিৰ নিযুক্তি (Appointment of High Officials)ঃ**

ৰাষ্ট্ৰৰ শীৰ্ষ স্থানীয় পদাধিকাৰী ব্যক্তিৰ নিযুক্তিৰ ক্ষেত্ৰতো প্ৰধানমন্ত্ৰীয়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰী নেতৃত্বাধীন মন্ত্ৰীপৰিষদৰ পৰামৰ্শ অনুসৰি এটৰ্নি জেনেৰেল, নিয়ন্ত্ৰক আৰু মহা গণনা পৰীক্ষক, নিৰ্বাচন আয়োগ, বিত্ত আয়োগ আৰু লোকসেৱা আয়োগৰ অধ্যক্ষ, প্ৰতিৰক্ষা বিভাগৰ মূৰব্বী আদি গুৰুত্বপূৰ্ণ বিষয়াসকলক নিযুক্তি দিয়ে।

**১.১৭.১০ ৰাষ্ট্ৰীয় নেতা (National Leader) ঃ**

প্ৰধানমন্ত্ৰী, মন্ত্ৰীপৰিষদ আৰু সংসদৰ মুখপাত্ৰ হোৱাৰ উপৰিও সমগ্ৰ দেশৰ নেতা। তেওঁৰ নেতৃত্বৰ ওপৰতে দেশৰ জনসাধাৰণৰ সুখ, শান্তি, সমৃদ্ধি নিৰ্ভৰ কৰে। শাসক দলৰ নিৰ্বাচনী ইস্তাহাৰ প্ৰধানমন্ত্ৰীৰ পৰামৰ্শমতে ৰচিত হয়। সেইকাৰণে সাধাৰণ নিৰ্বাচনৰ সময়ত প্ৰধানমন্ত্ৰীৰ বাণী প্ৰচাৰ কৰা দেখা যায়। ইয়াৰউপৰি প্ৰধানমন্ত্ৰীয়ে নিজ দলৰ কামত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

### ১.১৭.১১ ৰাষ্ট্ৰপতিৰ মূল পৰামৰ্শদাতা

**(Chief Adviser of the President) ঃ**

প্ৰধানমন্ত্ৰী হৈছে ৰাষ্ট্ৰপতিৰ মূল পৰামৰ্শদাতা প্ৰধান মন্ত্ৰীৰ পৰামৰ্শমতেই ৰাষ্ট্ৰপতিয়ে লোকসভা আহ্বান কৰিব, স্থগিত ৰাখিব আৰু ভংগ কৰিব পাৰে। প্ৰধানমন্ত্ৰীৰ পৰামৰ্শক্ৰমে লোকসভা ভংগ হোৱাৰ উদাহৰণ ভাৰতত বহুটো আছে।

### ১.১৮. প্ৰধানমন্ত্ৰীৰ ভূমিকা আৰু পদমৰ্যাদা

**(Role and Position of the Prime Minister) ঃ**

ভাৰতবৰ্ষৰ সংসদীয় শাসন ব্যৱস্থাত প্ৰধানমন্ত্ৰী নেতৃত্বাধীন মন্ত্ৰীপৰিষদখনেই হৈছে প্ৰকৃত শাসন ক্ষমতাৰ অধিকাৰী। প্ৰধানমন্ত্ৰী হ'ল ৰাষ্ট্ৰৰ প্ৰকৃত শাসক প্ৰধান। ভাৰতৰ ৰাষ্ট্ৰপতি নামমাত্ৰ কাৰ্যপালিকা হোৱা হেতুকে প্ৰশাসনৰ সকলো দায়িত্ব প্ৰকৃত অৰ্থত প্ৰধানমন্ত্ৰীৰ নেতৃত্বাধীন মন্ত্ৰীপৰিষদেই সম্পাদন কৰে।

বৃটিছ প্ৰধানমন্ত্ৰীৰ তুলনাত ভাৰতৰ প্ৰধানমন্ত্ৰীৰ পদমৰ্যাদা আৰু গুৰুত্ব অধিক। বৃটিছ প্ৰধানমন্ত্ৰীৰ পদ প্ৰথাৰ দ্বাৰা আৰু ভাৰতৰ প্ৰধানমন্ত্ৰীৰ পদ সংবিধানৰ দ্বাৰা স্বীকৃত। সংবিধানৰ ৭৪ নং অনুচ্ছেদ অনুসৰি ৰাষ্ট্ৰপতিক কামত সহায়-সহযোগ আৰু পৰামৰ্শ প্ৰদান কৰাৰ বাবে প্ৰধানমন্ত্ৰী পদৰ সৃষ্টি কৰা হৈছে। সেয়ে বৃটিছ প্ৰধানমন্ত্ৰীৰ তুলনাত ভাৰতৰ প্ৰধানমন্ত্ৰী অধিক ক্ষমতাশালী। প্ৰধানমন্ত্ৰীৰ ক্ষমতা প্ৰকৃত অৰ্থত সেই পদত অধিষ্ঠিত ব্যক্তিৰ গুণগত মানদণ্ড আৰু ব্যক্তিত্বৰ ওপৰত নিৰ্ভৰ কৰে। ৰাজনৈতিক পণ্ডিত এচকুইথাৰ মতে ‘ পদাধিকাৰী ব্যক্তিয়ে যিদৰে এই পদটো ব্যৱহাৰ কৰিব বিচাৰে প্ৰধানমন্ত্ৰীৰ পদ ঠিক তেনেকুৱাই হয়’ (The office of the Prime Minister is What its holders Chooses to make it)। প্ৰধানমন্ত্ৰীৰ পদত অধিষ্ঠিত ব্যক্তিৰ যোগ্যতা, অভিজ্ঞতা, নিষ্ঠা আৰু কাৰ্যদক্ষতাই এই পদক বিশেষ মৰ্যদাপূৰ্ণ কৰি তুলিছে। ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহেৰুৱে প্ৰধানমন্ত্ৰীৰ হাতত থকা সকলোবোৰ ক্ষমতা তেওঁ প্ৰকৃত অৰ্থত উপভোগ কৰিছিল। ব্যক্তিগত সিদ্ধান্তৰ ভিত্তিতে তেওঁ ৰাষ্ট্ৰৰ যথেষ্ট গুৰুত্বপূৰ্ণ দায়িত্ব সমাধান কৰিছিল। প্ৰধানমন্ত্ৰী হৈছে কেন্দ্ৰীয় মন্ত্ৰীসভাৰ মূল চাবিকাঠি।

ভাৰতৰ প্ৰধানমন্ত্ৰী বিস্তৃত শাসনক্ষমতাৰ অধিকাৰী যদিও বাস্তৱ ক্ষেত্ৰত তেওঁৰ ক্ষমতাৰ ওপৰত কিছু সীমাবদ্ধতা থকা দেখা যায়। প্ৰধানমন্ত্ৰীৰ ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত থকা সীমাবদ্ধতাসমূহ তলত আলোচনা কৰা হ'ল।

১) জনমত

২) প্ৰভাৱগোষ্ঠীসমূহৰ দাবী

৩) বিৰোধী ৰাজনৈতিক দলৰ সমালোচনা

৪) প্ৰচাৰ মাধ্যমৰ সমালোচনা

৫) সংখ্যাগৰিষ্ঠতা বজায় ৰখাৰ দায়িত্ব।

প্ৰধানমন্ত্ৰীৰ অবাধ ক্ষমতাত জনমতে প্ৰথমতে বাধাৰ সৃষ্টি কৰে। জনসাধাৰণৰ মতামতক অগ্ৰাহ্য কৰি প্ৰধানমন্ত্ৰী কেতিয়াও ক্ষমতাত তিষ্ঠি থাকিব নোৱাৰে। জনমতৰ উপৰিও দেশৰ প্ৰভাৱ গোষ্ঠীসমূহৰ দাবী আদিৰ প্ৰতিও প্ৰধানমন্ত্ৰীয়ে গুৰুত্ব প্ৰদান কৰিব লাগিব। প্ৰভাৱগোষ্ঠীসমূহৰ দাবীসমূহ বিচৰাধৰণে সমাধান নহ'লে তেওঁলোকে আন্দোলন, হৰতাল, ধৰ্মঘট আদিৰ দ্বাৰা সামাজিক আইন-শৃংখলা ব্যাহত কৰাৰ ওপৰিও ৰাষ্ট্ৰৰ আইন-শৃংখলাও ক্ষতিগ্ৰস্ত কৰে। তাৰোউপৰি, গণতান্ত্ৰিক শাসনব্যৱস্থাত সবল বিৰোধী দলৰ অৱস্থিতিয়েও প্ৰধানমন্ত্ৰীক স্বেচ্ছাচাৰী ভাবে কাম কৰাত বাধা প্ৰদান কৰে। বিৰোধীপক্ষৰ সমালোচনাৰ স্পষ্ট প্ৰত্যুত্তৰ দিব নোৱাৰিলে প্ৰধানমন্ত্ৰীয়ে সংসদত আস্থা হেৰুৱাই পেলাব আৰু সংসদত আস্থা হেৰুৱালে তেওঁ পদত্যাগ কৰিবলৈ বাধ্য। মুক্ত আৰু নিৰপেক্ষ সংবাদ মাধ্যমেও প্ৰধানমন্ত্ৰীক জনপ্ৰিয় বা জনসাধাৰণৰ অপ্ৰিয় কৰি তুলিব পাৰে। সেয়ে ওপৰত আলোচনা কৰাৰ নিচিনাকৈ প্ৰধানমন্ত্ৰীৰ পদবীত সংবিধানে এহাতে যথেষ্ট ক্ষমতা প্ৰদান কৰিছে যদিও আনহাতে সেই ক্ষমতাত যথেষ্ট সীমাবদ্ধতাও আনি দিছে।

### ১.১৯. ৰাষ্ট্ৰপতিৰ সৈতে প্ৰধানমন্ত্ৰীৰ সম্পৰ্ক (Relation between the President and the Prime Minister) ঃ

প্ৰধানমন্ত্ৰী হ'ল ৰাষ্ট্ৰপতিৰ প্ৰধান উপদেষ্টা। মন্ত্ৰীসকলৰ নিয়োগৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিক পৰামৰ্শ দিয়ে। ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰীৰ পৰামৰ্শ অনুযায়ী কোনো মন্ত্ৰীক অপসাৰণ কৰিব পাৰে। মন্ত্ৰীসকলৰ মাজত প্ৰধানমন্ত্ৰীৰ পৰামৰ্শক্ৰমে ৰাষ্ট্ৰপতিয়ে দপ্তৰ বিতৰণ কৰে।

প্ৰধানমন্ত্ৰীয়ে কেন্দ্ৰৰ কাৰ্যাৱলী পৰিচালনা সংক্ৰান্ত মন্ত্ৰীসভাৰ সকলো সিদ্ধান্ত আৰু আইন প্ৰণয়নৰ প্ৰস্তাৱসমূহৰ বিষয়ে ৰাষ্ট্ৰপতিক জনায়। ৰাষ্ট্ৰপতিয়ে যদি কেন্দ্ৰৰ কাৰ্যাৱলী সংক্ৰান্ত আৰু আইন প্ৰণয়নৰ প্ৰস্তাবৰ বিষয়ে কিবা জানিব খোজে তেন্তে প্ৰধানমন্ত্ৰীয়ে তেওঁক সেইবোৰৰ বিষয়ে জনায়। ৰাষ্ট্ৰপতিয়ে প্ৰয়োজন বুলি

ভাবিলে যি বিষয়ত কোনো মন্ত্ৰীয়ে সিদ্ধান্ত গ্ৰহণ কৰিছে, অথচ মন্ত্ৰীসভাই সেই বিষয়টো বিবেচনা কৰা নাই, এনে বিষয় মন্ত্ৰীসভাত আলোচনা কৰিব লাগে বুলি তেওঁ প্ৰধানমন্ত্ৰীক নিৰ্দেশ দিব পাৰে। এতেকে দেখা যায় যে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতি আৰু মন্ত্ৰীপৰিষদৰ মাজত যোগসূত্ৰৰ দায়িত্ব পালন কৰে।

প্ৰধানমন্ত্ৰীয়ে সময়ে সময়ে ৰাষ্ট্ৰপতিক দেশৰ আভ্যন্তৰীণ আৰু বৈদেশীক বিষয় সম্পৰ্কে অবগত কৰিব লাগে। মন্ত্ৰীসভাই যিবোৰ সিদ্ধান্ত গ্ৰহণ কৰে, সেই সম্পৰ্কে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিক জনাব লাগে। ৰাষ্ট্ৰপতিয়ে প্ৰয়োজন বুলি ভাবিলে কোনো বিষয়
মন্ত্ৰীসভাত পুনবিবেচনাৰ বাবে প্ৰধানমন্ত্ৰীকে নিৰ্দেশ দিব পাৰে।

প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিৰ মাজত থকা সম্পৰ্কৰ ওপৰত ভাৰতবৰ্ষৰ শাসনব্যবস্থা বহুপৰিমাণে নিৰ্ভৰ কৰে। এই দুয়োপদাধিকাৰীৰ মাজত বিৰোধ ভাৱে দেখা দিলে দেশৰ শাসনকাৰ্য পৰিচালনাত বহুটো অসুবিধা দেখা দিব পাৰে। দুয়োৱে দুয়োৰ সীমাৰ মাজত থাকি কৰ্তব্য পালন কৰিলে দেশৰ শাসনব্যবস্থাত কোনো অসুবিধাই দেখা নিদিয়ে। ৰাষ্ট্ৰপতি ৰাষ্ট্ৰৰ প্ৰধান, সেয়েহে এই পদৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰা প্ৰধানমন্ত্ৰীৰ একান্ত কৰ্তব্য। দেশৰ মুৰব্বী হিচাবে সকলো বিষয়তে ৰাষ্টপতিৰ উপদেশ লোৱাটো প্ৰধানমন্ত্ৰীৰ পক্ষে বাঞ্চনীয়।

ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰীক নিয়োগ কৰে আৰু তেওঁক সংবিধানৰ প্ৰতি আনুগত্য আৰু গোপনীয়তাৰ শপথ-বাক্য পাঠ কৰায়। সংবিধানমতে প্ৰধানমন্ত্ৰীয়ে ৰাষ্ট্ৰপতিৰ সন্তুষ্টিতহে পদত বাহাল থাকে। কিন্তু প্ৰধানমন্ত্ৰী লোকসভাৰ সংখ্যাগৰিষ্ঠ সদস্যৰ আস্থাভাজন হৈ থাকিলে ৰাষ্ট্ৰপতিয়ে তেওঁক পদচ্যুত কৰিব নোৱাৰে।

## ১.২০ জনসাধাৰণৰ সৈতে প্ৰধানমন্ত্ৰীৰ সম্পৰ্ক

**(Relation of Prime Minister with People) ঃ**

প্ৰধানমন্ত্ৰী হৈছে জনসাধাৰণৰ নেতা। জনসাধাৰণৰ প্ৰত্যক্ষ নিৰ্বাচনৰ দ্বাৰা বিজয়ী হৈ অহা লোকসভাৰ সংখ্যাগৰিষ্ঠ ৰাজনৈতিক দলৰ নেতাজনেই প্ৰধানমন্ত্ৰী পদত অধিস্থিত হয়। প্ৰধানমন্ত্ৰীৰ সৈতে জনসাধাৰণৰ নিবিড় সম্পৰ্ক বিৰাজমান।

প্ৰধানমন্ত্ৰীৰ ভাৰমূৰ্তিৰ ওপৰতেই দেশৰ ভৱিষ্যত নিৰ্ভৰশীল। প্ৰধানমন্ত্ৰীৰ নীতি আদৰ্শ আৰু কাৰ্য্যাৱলীৰ ওপৰত জনসাধাৰণে সদায় নজৰ দিয়ে। প্ৰশাসনৰ সামগ্ৰীক সফলতা আৰু বিফলতা প্ৰধানমন্ত্ৰীৰ ভাবমূৰ্তিৰ ওপৰতে নিৰ্ভৰ কৰে। প্ৰধানমন্ত্ৰীৰ ব্যক্তিত্বয়ো দলীয় ভাৰমুৰ্তি উজ্জ্বল কৰাত অৰিহণা যোগায়। সেয়েহে সমগ্ৰ জনসাধাৰণৰ সৰ্বাংগীণ উন্নয়ন সাধন কৰাই প্ৰধানমন্ত্ৰী গৰাকীৰ মুখ্য উদ্দেশ্য হোৱা উচিত। প্ৰধানমন্ত্ৰী জনসাধাৰণ আৰু চৰকাৰৰ মাজত মূল যোগসূত্ৰ।

## ১.২১. দলৰ লগত প্ৰধানমন্ত্ৰীৰ সম্পৰ্ক

**(Relation of Prime Minister with the Party) ঃ**

প্ৰধানমন্ত্ৰী সংসদৰ নেতা হোৱাৰ উপৰিও তেওঁ দলৰো নেতা। বহুটো সময়ত প্ৰধানমন্ত্ৰীয়ে দলৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰে। এনে অবস্থাত প্ৰধানমন্ত্ৰীৰ ক্ষমতা আৰু বেছি বৃদ্ধি পোৱা পৰিলক্ষিত হয়। প্ৰধানমন্ত্ৰীয়ে নিজৰ পদমৰ্যাদা অক্ষুন্ন ৰাখিবলৈ হ'লেও দলীয় সংখ্যাগৰিষ্ঠতা অটুত ৰাখিব লাগিব। দলীয় সংখ্যাগৰিষ্ঠতাৰ অভাৱ হ'লে তেওঁ শাসন ক্ষমতাত অধিষ্ঠিত হৈ থাকিব নোৱাৰে। সেয়ে প্ৰধানমন্ত্ৰীয়ে সদায় নিজ দলক শক্তিশালী আৰু জনপ্ৰিয় কৰিবৰ বাবে বিভিন্ন আঁচনি হাতত লব লাগে।

**আত্মমূল্যায়নৰ প্ৰশ্ন -খ**

১) ৰাষ্ট্ৰপতিৰ কাৰ্যকাল কিমান?

---------------------------------------------------------------

২) ৰাষ্ট্ৰপতিক কি পদ্ধতিৰে অপসাৰণ কৰিব পাৰি?

---------------------------------------------------------------

৩) বিত্তীয় বিধেয়ক সংসদত উত্থাপন কৰিবলৈ ৰাষ্ট্ৰপতিৰ সন্মতি বাধ্যমূলকনে?

---------------------------------------------------------------

৪) ৰাষ্ট্ৰপতিয়ে সংবিধানৰ কি কি অনুচ্ছেদৰ ভিত্তিত জৰুৰী ক্ষমতা ঘোষণা কৰিব পাৰে?

---------------------------------------------------------------

৫) কেন্দ্ৰীয় মন্ত্ৰীসভাৰ গঠন আৰু দপ্তৰ বিতৰণৰ দায়িত্ব সংবিধান অনুসৰি কাৰ হাতত থাকে?

---------------------------------------------------------------

## ১.২১. সামৰণি (Conclusion) ঃ

এই গোটটোত আমি মূলতঃ ভাৰতৰ ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী সম্পৰ্কে আলোচনা কৰিলো। ইয়াত ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীৰ নিযুক্তি, নিৰ্বাচন, কাৰ্যকাল, ক্ষমতা, অপসাৰণ, পদমৰ্যদাসমূহ পুংখানুপুংখ বিশ্লেষণ কৰা হ'ল।

আমি জানিব পাৰিলো যে ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী সংবিধান অনুসৰি ভাৰতৰ মুৰব্বী। এজন নামমাত্ৰ আৰু আনজন প্ৰকৃত। যদিও ৰাষ্ট্ৰপতিক নামমাত্ৰ মুৰব্বী বুলি কোৱা হয় তথাপি ৰাষ্ট্ৰপতি পদবীটো গুৰুত্বহীন নহয়। আইন বিষয়ক, প্ৰশাসনিক, বিত্তীয় তথা ন্যায়িক ক্ষেত্ৰত ৰাষ্ট্ৰপতিৰ গুৰুত্ব যথেষ্ট পৰিমাণে দেখিবলৈ পোৱা যায়। আনকি মৃত্যু দণ্ডেৰে দণ্ডিত ব্যক্তিৰ জীৱন ৰক্ষা কৰাৰ ক্ষমতা অকল ৰাষ্ট্ৰপতিৰহে আছে। আনহাতে প্ৰধানমন্ত্ৰীৰ গুৰুত্বও অসীম। দেশখন প্ৰকৃতপক্ষে পৰিচালনা কৰাৰ সম্পূৰ্ণ দায়িত্ব প্ৰধান মন্ত্ৰীৰ ওপৰতহে থাকে। এই দুয়োজন ব্যক্তিৰ কাৰ্যদক্ষতাৰ ওপৰতে দেশখনৰ অস্তিত্ব বহু পৰিমানে নিৰ্ভৰ কৰে। দুয়োজন ব্যক্তিৰ কাৰ্যদক্ষতাই দেশখনক বহু পৰিমাণে আগবঢ়াই নিব পাৰে। এই দুয়োজন ব্যক্তিয়ে কৰা কাৰ্যসমুহে ভাৰতক প্ৰতিনিধিত্ব কৰাকে বুজায়। গতিকে উক্ত ব্যক্তিদুজন দেশৰ স্বাৰ্থত যোগ্যবান তথা জ্ঞানী হোৱা উচিত।

ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰী ভাৰতৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পদবী। এই পদবীত অধিস্থিত হ'বলৈ নিৰ্বাচনত বিজয়ী হ'ব লাগিব। অবশ্যে ৰাষ্ট্ৰপতিক পৰোক্ষ নিৰ্বাচনৰ জৰিয়তেহে নিৰ্বাচিত কৰা হয়। সৰ্ববৃহৎ ভাৰত গণতন্ত্ৰৰ ভোটাৰসকলে সেয়েহে উক্ত পদবীৰ নিৰ্বাচনত সুক্ষ্ম বিবেচনাৰে ভোটদান কৰি উপযুক্ত প্ৰাৰ্থী নিৰ্বাচিত কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে।

### ১.২৩ ঘাই শব্দসমূহ ঃ

কাৰ্যপালিকা ঃ কাৰ্যপালিকা সেইসকল পদাধিকাৰী আৰু সংস্থাৰ সমষ্টিক বুজায়, যি সকলে আইনৰ মাধ্যমত নিৰ্ণয় আৰু প্ৰকাশ কৰা ৰাষ্ট্ৰৰ ইচ্ছাক প্ৰয়োগ কৰে। ৰাষ্ট্ৰপ্ৰধান, মন্ত্ৰীসকল আৰু প্ৰশাসনৰ কৰ্মচাৰীসকলক লৈ শাসন- বিভাগ গঠিত।

**নিৰ্বাচকমণ্ডলী** ঃ যি মণ্ডলে বা সদস্যৰ গোটে নিৰ্বাচনত অংশগ্ৰহণ কৰিব পাৰে।

**লোকসভা** ঃ ভাৰতীয় সংসদৰ নিম্নসদনৰ নাম হ'ল লোক সভা।

**কোটা** ঃ নিৰ্দিষ্ট সংখ্যা এটা। ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ক্ষেত্ৰত নিদিষ্ট পৰিমানৰ ভোটৰ সংখ্যাক বুজায়।

**পৰোক্ষ নিৰ্বাচন** ঃ যি নিৰ্বাচনত সাধাৰণ ভোটাৰ সকলে প্ৰত্যক্ষভাৱে ভোট দান নকৰি, সিহঁতে নিৰ্বাচিত কৰি দিয়া ভোটাৰেহে ভোটদান কৰে।

**নিস্কৃতি** ঃ পৰিত্ৰান। অৰ্থাৎ কিছুমান দিশৰ পৰা মুক্ত।

## ১.২৪ পাঠ্য নিৰ্দেশনা :

* ''ভাৰত চৰকাৰ আৰু ৰাজনীতি''— ড০ থানেশ্বৰ লাহন
* ''ভাৰতৰ জাতীয় আন্দোলন আৰু সংবিধানৰ বিকাশ'' — আদ্যনাথ চক্ৰবৰ্ত্তী
* ''ভাৰতীয় চৰকাৰ আৰু ৰাজনীতি'' — নবীন গোসাই, দ্বীপেন দাস
* "Indian Government and Politics" --- K.K. Ghai

**আত্মমূল্যায়ন প্ৰশ্নৰ সম্ভাব্য উত্তৰ :**

**আত্মমূল্যায়নৰ উত্তৰ - ক**

১) পৰোক্ষ নিৰ্বাচন

২) সংসদৰ আৰু ৰাজ্যৰ বিধানসভাসমূহৰ সদস্যসকলে।

৩) উচ্চতম ন্যায়ালয়ৰ প্ৰধান বিচাৰপতিৰ ওচৰত।

৪) তেওঁৰ বয়স ৩৫ বছৰ পূৰ্ণ হ'ব লাগিব।

৫) ক) তেওঁ ভাৰতীয় নাগৰিক হ'ব লাগিব।

খ) তেওঁ কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰৰ কোনো লাভজনক পদত নিয়োজিত হৈ থাকিব নোৱাৰিব।

**আত্মমূল্যায়ন উত্তৰ - খ**

১) ৰাষ্ট্ৰপতিৰ কাৰ্যকাল ৫ (পাঁচ) বছৰ।

২) ৰাষ্ট্ৰপতিক মহাভিযোগ পদ্ধতিৰে অপসাৰণ কৰিব পাৰি।

৩) বাধ্যতামূলক।

৪) অনুচ্ছেদ নং ৩৫২, ৩৫৬ আৰু ৩৬০

৫) প্ৰধানমন্ত্ৰীৰ হাতত থাকে।

**প্ৰসংগ পুথিঃ**

১) 'ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা' (স্নাতক মহলাৰ)
– ড০ কৃপেশ চন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক অধ্যাপক শুভাশীষ শৰ্মা।

২) 'ভাৰতীয় সংবিধান আৰু চৰকাৰ' — পুৰন্দৰ গগৈ

৩) 'Constitutional Development and National Movement of India'
– R.C. Agarwal

৪) 'Indian Government and Politics' – Dr. Hans Raj

৫) 'Indian Government and Politics' – J.C. Johari

৬) 'Indian Government and Politics' – D.C. Gupta.

**আৰ্হি প্ৰশ্ন :**

**শুদ্ধ উত্তৰটো লিখা/ বাছি উলিওৱাঃ**

১. (ক) ৰাষ্ট্ৰপতিৰ প্ৰাৰ্থীজন ভাৰতীয় হোৱাটো বাধ্যতামূলক নে?

(খ) কেন্দ্ৰীয় বা ৰাজ্যিক বিধানমণ্ডলৰ সদস্য হৈ থকা কোনো ব্যক্তিয়ে ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হ'ব পাৰেনে।

(গ) ৰাষ্ট্ৰপতি অপসাৰিত বা মৃত্যু হ'লে কিমান দিনৰ ভিতৰত নতুন ৰাষ্ট্ৰপতি নিৰ্বাচন কৰিব লাগে।

(ঘ) প্ৰধানমন্ত্ৰী হ'বলৈ হ'লে সংসদৰ সদস্য হোৱাটো বাধ্যতামূলকনে ?

(ঙ) প্ৰধানমন্ত্ৰীয়ে মন্ত্ৰীসভাৰ সালসলনিৰ ক্ষেত্ৰত অকলে সিদ্ধান্ত গ্ৰহণ কৰিব পাৰেনে ?

২) ৰাষ্ট্ৰপতিৰ নিৰ্বাচন প্ৰক্ৰিয়া আলোচনা কৰা।

৩) ৰাষ্ট্ৰপতিৰ অপসাৰণ পদ্ধতি আলোচনা কৰা।

৪) ৰাষ্ট্ৰপতিৰ ক্ষমতা আৰু কাৰ্যাৱলী আলোচনা কৰা।

৫) প্ৰধানমন্ত্ৰীৰ কাৰ্য আৰু ক্ষমতাসমূহ আলোচনা কৰা।

৬) প্ৰধানমন্ত্ৰীৰ ভূমিকা আৰু পদমৰ্যদা আলোচনা কৰা।

৭) প্ৰধানমন্ত্ৰী আৰু ৰাষ্ট্ৰপতিৰ মাজত থকা সম্পৰ্ক আলোচনা কৰা।

# গোট- ২
# (Unit - 2)
# ভাৰতীয় সংসদ

**গঠন বিন্যাস**

২.০. উদ্দেশ্য
২.১ প্ৰস্তাৱনা
২.২ ভাৰতীয় সংসদ আৰু ইয়াৰ গঠন
২.২.১. সংসদৰ ক্ষমতা আৰু ইয়াৰ কাৰ্যাৱলী
২.২.২ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত সংসদৰ স্থান।
আত্মমূল্যায়নৰ প্ৰশ্ন (ক)
২.৩ ৰাজ্যসভা আৰু ইয়াৰ গঠন
২.৩.১. সদস্যপদৰ যোগ্যতা
২.৩.২ কাৰ্যকাল
২.৩.৩ ৰাজ্যসভাৰ ক্ষমতা আৰু কাৰ্যাৱলী
আত্মমূল্যায়নৰ প্ৰশ্ন (খ)
২.৪ লোকসভা আৰু ইয়াৰ গঠন
২.৪.১ সদস্যপদৰ যোগ্যতা আৰু কাৰ্যকাল
২.৪.২ লোকসভাৰ ক্ষমতা আৰু কাৰ্যাৱলী
২.৪.৩ লোকসভাৰ মৰ্য্যাদা
২.৫ লোকসভাৰ অধ্যক্ষ
২.৫.১ অধ্যক্ষৰ কাৰ্যকাল
২.৫.২ অধ্যক্ষৰ ক্ষমতা আৰু কাৰ্যাৱলী
২.৫.৩ অধ্যক্ষৰ পদমৰ্যাদা
২.৬. লোকসভা আৰু ৰাজ্যসভাৰ মাজৰ সম্পৰ্ক
২.৬.১ ক্ষমতা বিভাজন
২.৬.২ ৰাজ্যসভাৰ প্ৰাধ্যান্য
২.৬.৩ লোকসভাৰ প্ৰাধান্যা
আত্মমূল্যায়নৰ প্ৰশ্ন (গ)
২.৭ সামৰণি
২.৮ ঘাই শব্দসমূহ
২.৯ পাঠ্য নিৰ্দেশনা
আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ
প্ৰসঙ্গ পুথি
আৰ্হি প্ৰশ্ন

## ২.০ উদ্দেশ্য ঃ

এইটো গোট পঢ়াৰ পিছত তোমালোকে

- ভাৰতবৰ্ষৰ সংসদৰ গঠন সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিবা।
- ভাৰতবৰ্ষৰ সংসদৰ ক্ষমতা আৰু কাৰ্যৱলী বিষয়ে বৰ্ণনা কৰিব পাৰিবা।
- ভাৰতবষৰ্ৰ সংসদীয় ব্যৱস্থাৰ গুৰুত্ব সম্পৰ্কে অৱগত হ'বা।
- ভাৰতবষৰ্ৰ সংসদৰ উচ্চসদন ৰাজ্যসভাৰ গঠন, ক্ষমতা আৰু কাৰ্যৱলী বিষয়ে ব্যাখ্যা কৰিব পাৰিবা।
- ভাৰতবষৰ্ৰ সংসদৰ নিম্নসদন লোকসভাৰ গঠন, ক্ষমতা আৰু কাৰ্যাৱলী সম্পৰ্কে জ্ঞাত হ'বা।
- ৰাজ্যসভা আৰু লোকসভাৰ মাজৰ সম্পৰ্কৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিবা।

## ২.১ প্ৰস্তাৱনা ঃ

ইতিমধ্যে তোমালোকে আগৰ গোটটোত কাৰ্যপালিকাৰ গঠন, ক্ষমতা আৰু কাৰ্যৱলী সম্পৰ্কে পঢ়িলা। এই গোটটোত আমি ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আইনসভা বা বিধানমণ্ডলৰ বিষয়ে আলোচনা কৰিম। চৰকাৰৰ তিনিটা অংগৰ ভিতৰত এটা অতি উল্লেখযোগ্য অংগ হৈছে আইনসভা বা বিধানমণ্ডল। চৰকাৰৰ আন দুটা অংগ হৈছে কাৰ্যপালিকা আৰু ন্যায়পালিকা।

ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আইনসভা বা বিধান মণ্ডলক 'সংসদ' বুলি কোৱা হয়। ভাৰতবৰ্ষৰ সংসদ দুখন সদনৰ দ্বাৰা গঠিত- ৰাজ্যসভা আৰু লোকসভা। ৰাষ্ট্ৰপতিকো সংসদৰ অবিচ্ছেদ্য অংগ বুলি ধৰা হয়। ৰাজ্যসভাক উচ্চসদন আৰু লোকসভাক নিম্নসদন নামেৰে জনা যায়। ভাৰতবৰ্ষৰ সংবিধানে সংসদৰ ওপৰত আইন প্ৰণয়নৰ ক্ষেত্ৰত সৰ্বোচ্চ ক্ষমতা ন্যস্ত কৰিছে আৰু ই নিজৰ ক্ষমতাৰ গণ্ডীৰ ভিতৰত থাকি কাৰ্য সম্পাদন কৰে। সেয়েহে এই গোটটোত আমি ভাৰতবৰ্ষৰ সংসদৰ গঠন, ক্ষমতা আৰু কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰাৰ লগতে লোকসভা আৰু ৰাজ্যসভাৰ মাজৰ সম্পৰ্কৰ বিষয়ে আলোচনা কৰাৰ চেষ্টা কৰিম।

এই গোটটো অধ্যায়ন কৰাৰ পিছত তোমালোকে ভাৰতবৰ্ষৰ সংসদৰ সম্পৰ্কত এক বিশ্লেষণাত্মক ব্যাখ্যা কৰিব পাৰিবা আৰু লগতে সংসদীয় ব্যৱস্থাৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰিব পাৰিবা।

## ২.২ ভাৰতীয় সংসদ আৰু ইয়াৰ গঠন ঃ

তোমালোকে নিশ্চয় জ্ঞাত হ'লা যে ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আইনসভা বা বিধানমণ্ডলক সংসদ নামেৰে জনা যায়। ভাৰতীয় সংসদ দুখন সদনৰ দাৰা গঠিত। সংসদৰ উচ্চ সদনক ৰাজ্যসভা আৰু নিম্ন সদনক লোকসভা বুলি কোৱা হয়। ৰাষ্ট্ৰপতি সংসদৰ কোনো সদনৰে সদস্য নহয়, কিন্তু সংসদৰ এক অবিচ্ছেদ্য অংগ হিচাবে গণ্য কৰা হয়। কিয়নো ৰাষ্ট্ৰপতিয়ে সংসদৰ অধিৱেশন আহ্বান কৰিব পাৰে আৰু যিকোনো সময়ত সংসদৰ অধিৱেশন স্থগিত ৰাখিব পাৰে। তদোপৰি ৰাষ্ট্ৰপতিয়ে সংসদৰ বিশেষ অধিৱেশন আৰু যুটীয়া অধিৱেশন আহ্বান কৰিব পাৰে। ভাৰতৰ সংবিধানৰ ৭৯ নং অনুচ্ছেদত এই কথা স্পষ্টভাৱে উল্লেখ আছে যে ৰাষ্ট্ৰপতি, লোকসভা আৰু ৰাজ্যসভাক লৈ সংসদ গঠিত।

### ২.২.১ সংসদৰ ক্ষমতা আৰু কাৰ্যাৱলী ঃ

ওপৰৰ আলোচনাৰ পৰা তোমালোকে জানিব পৰিলা যে ভাৰতীয় সংসদেই হৈছে দেশৰ কেন্দ্ৰীয় আইনসভা। সংসদৰ প্ৰধান কাৰ্য হৈছে আইন প্ৰণয়ন কৰা। ই বিভিন্ন দিশত ক্ষমতা প্ৰয়োগ কৰিব পাৰে। সংসদৰ গুৰুত্বপূৰ্ণ ক্ষমতা আৰু কাৰ্যাৱলীসমূহ তলত উল্লেখ কৰা হ'ল-

**১) আইন প্ৰণয়ন সংক্ৰান্তীয় ক্ষমতা ঃ** সংসদৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰ্যটো হৈছে - আইন প্ৰণয়ন কৰা। আইন প্ৰণয়ন সংক্ৰান্ত বিষয়সমূহ সংবিধানত তিনিখন তালিকাৰ জৰিয়তে অন্তভূৰ্ক্ত কৰিছে। তালিকাকেইখন হ'ল - কেন্দ্ৰীয় তালিকা, ৰাজ্যিক তালিকা আৰু সমৱৰ্তী তালিকা। কেন্দ্ৰীয় তালিকাত ৯৭ টা বিষয়, ৰাজ্যিক তালিকাত পূৰ্বতে ৬৬টা বিষয় সন্নিবিষ্ট আছিল যদিও বৰ্ত্তমান ৬১ টা বিষয় অন্তভূৰ্ক্ত কৰাৰ লগতে সমৱৰ্তী তালিকাত পূৰ্বৰ ৪৭ টা বিষয়ৰ পৰিৱৰ্তে বৰ্তমান ৫২ টা বিষয় অন্তভুৰ্ক্ত কৰা হৈছে। ইয়াৰে কেন্দ্ৰীয় তালিকাত অন্তভূৰ্ক্ত সকলো বিষয়ৰ ওপৰত সংসদে আইন প্ৰণয়ন কৰিব পাৰে।কিছুমান বিশেষ পৰিস্থিতিত অথবা পৰিস্থিতি সাপেক্ষে ৰাজ্যিক তালিকাভূক্ত বিষয়সমূহৰ ওপৰতো সংসদে আইন প্ৰণয়ন কৰিব পাৰে।আনহাতে, সমৱৰ্তী তালিকাত অন্তভূৰ্ক্ত বিষয়সমূহৰ ওপৰত সংসদ আৰু ৰাজ্যিক আইনসভা উভয়ে আইন প্ৰণয়ন কৰিব পাৰে। কিন্তু এই বিষয়ত সংসদ আৰু ৰাজ্যিক আইনসভা উভয়ে আইন পাছ কৰাৰ ফলত দুয়োৰে মাজত বিৰোধ হ'লে সংবিধান অনুসৰি কেন্দ্ৰীয় আইন বলবৎ থাকিব। ইয়াৰ উপৰিও অৱশিষ্ট ক্ষমতাসমূহক কেন্দ্ৰীয় চৰকাৰৰ হাতত অৰ্পন কৰা হৈছে আৰু কেন্দ্ৰীয় চৰকাৰে এই বিষয়সমূহৰ ওপৰত আইন পাছ কৰিব পাৰে।

**২) শাসন সংক্ৰান্তীয় ক্ষমতা ঃ** ভাৰতবৰ্ষত মন্ত্ৰীসভা পৰিচালিত শাসন ব্যৱস্থা প্ৰৱৰ্তন আছে সেয়েহে মন্ত্ৰীপৰিষদৰ সদস্যসকল সংসদৰ যিকোনো এখন সদনৰ সদস্য হোৱাটো বাধ্যতামূলক। দেশৰ শাসনকাৰ্য পৰিচালনাৰ ক্ষেত্ৰত মন্ত্ৰীসভা সংসদৰ ওচৰত দায়বদ্ধ। মন্ত্ৰীসভাৰ কাৰ্যকাল সংসদৰ নিম্নসদন লোকসভাৰ আস্থাৰ ওপৰত নিৰ্ভৰশীল। লোকসভাই উত্থাপন কৰা অনাস্থা প্ৰস্তাৱত চৰকাৰ পৰাজিত হ'লে মন্ত্ৰীসভাই পদত্যাগ কৰিব লগা হয়। কিন্তু ৰাজ্যসভাই মন্ত্ৰীসভাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিব নোৱাৰে। সংসদে বিভিন্ন বিষয়ত মন্ত্ৰীসকলক প্ৰশ্ন সুধিব পাৰে। ৰাজেট সম্পৰ্কে বিৰ্তকৰ সময়তো চৰকাৰক সচেতন কৰি দিব পাৰে। তাৰোপৰি সংসদে বিভিন্ন বিলৰ ওপৰত আলোচনা, কোনো বিষয়ত প্ৰস্তাৱ উত্থাপন আদিৰ জৰিয়তেও শাসন বিভাগক নিয়ন্ত্ৰণ কৰিব পাৰে। আনহাতে গুৰুত্বপূৰ্ণ কোনো জৰুৰী বিষয়ৰ ওপৰত আলোচনাৰ প্ৰয়োজন হ'লে সংসদৰ যিকোনো সদস্যই মুলতুবী প্ৰস্তাৱ উত্থাপন কৰিব পাৰে। সংসদে এনেদৰে বিভিন্ন উপায়েৰ শাসন বিভাগক নিয়ন্ত্ৰণ কৰিব পাৰে।

**৩) অৰ্থসংক্ৰান্তীয় ক্ষমতা ঃ** চৰকাৰৰ সকলো আয়-ব্যয়ৰ নিয়ন্ত্ৰনৰ ক্ষমতা সংসদৰ হাতত ন্যস্ত কৰা হৈছে। সংসদৰ নিম্নসদন লোকসভা অৰ্থসংক্ৰান্ত বিষয়ক সকলো ক্ষমতাৰ অধিকাৰী। সংসদৰ অনুমোদন অবিহনে চৰকাৰে কোনো নতুন কৰ ধাৰ্য্য, পুৰণি কৰৰ সংশোধন বা পুৰণি কৰৰ বিলোপ ঘটাব নোৱাৰে। উ ল্লেখযোগ্য যে, অৰ্থ বিল সংসদত উত্থাপন কৰিবৰ বাবে ৰাষ্ট্ৰপতিৰ অনুমতি প্ৰয়োজন। চৰকাৰী আয়-ব্যয়ৰ হিচাব ৰাখিবৰ বাবে লোকসভাই হিচাব পৰীক্ষা সমিতি আৰু ব্যয় নিৰ্ণায়ক কমিটি গঠন কৰিব পাৰে। মন্ত্ৰীসকলৰ দৰমহা, বানচ্, ইত্যাদি সংসদে আইনৰ জৰিয়তে নিৰ্ধাৰণ কৰে। কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়ে বছেৰেকীয়া আয়-ব্যয়ৰ হিচাপ লোকসভাত উত্থাপন কৰে। সংসদৰ বাজেট অধিৱেশনত চৰকাৰৰ দোষবোৰ আঙুলিয়াই দিবৰ বাবে সদস্যসকলে সুযোগ লাভ কৰে আৰু আলোচনাৰ জৰিয়তে চৰকাৰক নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰে।

**৪) বিচাৰ সংক্ৰান্তীয় ক্ষমতা ঃ** সংসদক অৱমাননা কৰা বাবে ইয়াৰ সদস্যসকলক সংসদে শাস্তি প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। কেন্দ্ৰীয় শাসিত অঞ্চলত উচ্চ ন্যায়ালয় স্থাপন কৰাৰ লগতে এই অঞ্চলত থকা উচ্চ ন্যায়ালয়সমূহৰ ক্ষমতা সম্পসাৰণ কৰাৰ ক্ষেত্ৰত সংসদে আইন প্ৰণয়ন কৰিব পাৰে। সংসদে উচ্চতম ন্যায়ালয়ৰ বিচাৰপতিৰ সংখ্যা বৃদ্ধি কৰিব পাৰে। গতিকে, দেখা যায় যে ভাৰতীয় সংসদৰ বিচাৰ সংক্ৰান্তীয় যথেষ্ট ক্ষমতা আছে আৰু এই ক্ষমতাসমূহৰ জৰিয়তে সংসদে নিজৰ মৰ্য্যদা আৰু স্বতন্ত্ৰতা অটুট ৰাখিবলৈ সক্ষম হৈছে।

**৫) সংবিধান সংশোধনৰ ক্ষমতা ঃ** সংবিধান সংশোধনৰ ক্ষেত্ৰত সংসদৰ ভূমিকা উল্লেখযোগ্য। ভাৰতীয় সংবিধানৰ ৩৬৮ নং অনুচ্ছেদত সংবিধান সংশোধন পদ্ধতি সম্পৰ্কে উল্লেখ আছে। ভাৰতৰ সংবিধানখন তিনিটা ভিন্ন পদ্ধতিৰ দ্বাৰা সংশোধন কৰিব পাৰি। পদ্ধতি কেইটা হ'ল-

ক) নমনীয় পদ্ধতি খ) মিশ্ৰ পদ্ধতি গ) অনমনীয় পদ্ধতি। নমনীয় পদ্ধতি অনুসৰি সংসদৰ উভয় সদনৰ সাধাৰণ সংখ্যাগৰিষ্ঠ ভোটাধিকাৰৰ জৰিয়তে সংবিধান সংশোধন ঘটাব পাৰে। অনমনীয় পদ্ধতি অনুসৰি সংবিধান সংশোধনৰ ক্ষেত্ৰত সংশোধনী বিধেয়কখন সংসদৰ দুয়োটা সদনতে মুঠ সদস্যৰ অধিকাংশ আৰু প্ৰত্যেক সদনত উপস্থিত আৰু ভোট প্ৰদানকাৰী সদস্যসকলৰ দুই-তৃতীয়াংশৰ দ্বাৰা গৃহীত হ'ব লাগে। মিশ্ৰ পদ্ধতিৰ দ্বাৰা সংবিধান সংশোধনৰ ক্ষেত্ৰত সংসদৰ উভয় সদনত উচিত পদ্ধতিৰে সংশোধনী বিধেয়কখন গৃহীত হোৱাৰ লগতে কমেও আধা সংখ্যক অংগৰাজ্যৰ অনুমোদনৰ প্ৰয়োজন।

**৬) নিৰ্বাচন আৰু পদচ্যুত বিষয়ক ক্ষমতাঃ** ৰাষ্ট্ৰপতি নিৰ্বাচনত সংসদৰ উভয় সদনৰ নিৰ্বাচিত সদস্যসকলে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সংসদৰ সদস্যসকলে ৰাষ্ট্ৰপতিৰ বিৰুদ্ধে সংবিধান ভংগৰ অভিযোগ উত্থাপন কৰি তেওঁক পদচ্যুত কৰিব পাৰে। তাৰোপৰি উচ্চতম ন্যায়ালয় আৰু উচ্চন্যায়ালয়ৰ বিচাৰপতিসকল, মুখ্য নিৰ্বাচনী বিষয়া, ব্যয় নিয়ন্ত্ৰক আৰু মহাহিচাপ পৰীক্ষক আদিক পদচ্যুত কৰাৰ বাবে সংসদে প্ৰস্তাৱ গ্ৰহণ কৰিব পাৰে। সংসদৰ প্ৰস্তাৱক্ৰমেহে ৰাষ্ট্ৰপতিয়ে এই পদাধিকাৰী সকলক পদচ্যুত কৰে।

### ২.২.২. ভাৰতৰ ৰাজনৈতিক ব্যৱস্থাত সংসদৰ স্থান ঃ

ভাৰতবৰ্ষৰ সংবিধানে সংসদৰ হাতত বহুতো ক্ষমতা অৰ্পন কৰিছে আৰু এই ক্ষমতাসমূহ কাৰ্যকৰী কৰা ক্ষেত্ৰত সংসদে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই কথা প্ৰনিধানযোগ্য যে- সংবিধান বিৰোধী কোনো আইন সংসদে গ্ৰহণ কৰিব নোৱাৰে অথবা গ্ৰহণ কৰিলেও এই আইনক উচ্চতম ন্যায়ালয়ে অবৈধ বুলি ঘোষণা কৰিব পাৰে। ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ে আইনৰ গুণাগুণ বিচাৰ কৰিব নোৱাৰে যদিও সংবিধান বিৰোধী আইন বাতিল কৰিব পাৰে।

উল্লেখযোগ্য যে সংবিধানৰ সীমাৰেখাৰ ভিতৰত ভাৰতীয় সংসদক চূড়ান্ত ক্ষমতাৰ অধিকাৰী বুলি ক'ব পাৰি। ভাৰতীয় সংসদক সাৰ্বভৌম আৰু অ-সাৰ্বভৌম আইন প্ৰণয়নকাৰী কৰ্তৃপক্ষ বুলি অভিহিত কৰিব পাৰি। বৰ্তমান বিশ্বৰ প্ৰায়বোৰ ৰাষ্ট্ৰতেই আইনসভাৰ প্ৰাধান্যৰ পৰিৱৰ্তে শাসন বিভাগৰ কৰ্তৃত্ব আৰু প্ৰাধান্য বৃদ্ধি পোৱা দেখা যায়। ভাৰতবৰ্ষৰ ক্ষেত্ৰতো শাসন বিভাগৰ কৰ্তৃত্বও প্ৰাধান্য ক্ৰমাৎ বৃদ্ধি

পাইছে। কিয়নো আইন প্রণয়নৰ ক্ষেত্ৰত মন্ত্ৰীসকলে আগভাগ লোৱা দেখা যায়। সংসদে মন্ত্ৰী পৰিষদক নিয়ন্ত্ৰণ কৰিব লাগে যদিও দলীয় নিয়ন্ত্ৰণ ব্যৱস্থাৰ ফলত বৰ্তমান মন্ত্ৰী পৰিষদেহে সংসদক নিয়ন্ত্ৰণ কৰা দেখা যায়। সংসদৰ ক্ষমতা হ্ৰাস হোৱাৰ বহুতো কাৰণ দেখা যায়। কাৰণসমূহ হ'ল -

**১) দলীয় অনুশাসন** - ভাকতবৰ্ষত দলীয় ব্যৱস্থাৰ অৱিৰ্ভাৱ আৰু দলীয় অনুশাসনে সংসদৰ প্ৰাধান্যৰ পৰিৱৰ্তে মন্ত্ৰীসভাই অধিক ক্ষমতা আৰু প্ৰাধান্য লাভ কৰিছে। ৰাজনৈতিক দলৰ সমৰ্থনৰ অবিহনে এজন প্ৰাৰ্থী নিৰ্বাচনত জয় লাভ কৰাটো সম্ভৱ নহয় সেয়েহে দলৰ অনুশাসন ভংগ কৰাৰ বা দলৰ নেতৃস্থানীয় ব্যক্তিসকলৰ নিৰ্দেশ উপেক্ষা কৰা সেই দলৰ সংসদীয় সদস্যসকলৰ পক্ষে সম্ভৱ নহয়। সেয়েহে বহুতো সময়ত সংসদৰ শাসক দলৰ সদস্যসকলে মন্ত্ৰীসভাৰ সিদ্ধান্তক অনিচ্ছা সত্তেও সমৰ্থন কৰিব লগা হয়। এনেদৰে ভাৰতবৰ্ষত দলীয় সংহতি আৰু অনুশাসন বিশেষভাৱে বৃদ্ধি পোৱাৰ ফলত সংসদৰ পৰিৱৰ্তে মন্ত্ৰীসভাৰ প্ৰাধান্য বৃদ্ধি পাইছে।

**২) সমিতি ব্যৱস্থা** - ভাৰতীয় সংসদৰ কাৰ্যাৱলী দিনক দিনে ব্যাপকভাৱে বৃদ্ধি পাইছে আৰু এই কাৰ্যসমূহ পাৰদৰ্শিতাৰে সম্পাদন কৰিবৰ বাবে সংসদে কিছুমান বিশেষজ্ঞৰ কমিটি গঠন কৰিব লগা হয়। এই কমিটি সমূহে সংসদৰ হৈ কাৰ্য সম্পাদন কৰে। এই কমিটিসমূহৰ ওপৰত সংসদে এনেকৈ নিৰ্ভৰশীল হৈ পৰিছে যে এইবোৰৰ অবিহনে সংসদে নিজৰ দায়িত্ব ভালদৰে সম্পাদন কৰিব নোৱাৰে। সেয়েহে দেখা যায় যে কমিটিৰ আৱিৰ্ভাৱেও সংসদৰ গুৰুত্ব হ্ৰাস কৰিছে।

**৩) জৰুৰী ব্যৱস্থাৰ বাবে অনুপযোগী** - সংসদে যিকোনো সিদ্ধান্ত আলাপ আলোচনাৰ জৰিয়তেহে গ্ৰহণ কৰিব পাৰে। সেয়েহে কোনো সিদ্ধান্ত গ্ৰহণৰ বাবে সংসদক যথেষ্ট সময়ৰ প্ৰয়োজন হয়। যাৰ ফলত জৰুৰী অৱস্থাত সংসদে যিকোনো সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰে আৰু এনে অৱস্থাত সংসদতকৈ মন্ত্ৰীসভা বেছি উপযুক্ত বুলি বিবেচিত হয়। ইয়াৰ ফলত মন্ত্ৰীসভাৰ ক্ষমতা ক্ৰমান্নয়ে বৃদ্ধি পাইছে।

**৪) প্ৰশাসনিক বিচাৰ ব্যৱস্থাৰ প্ৰৱৰ্তন** - বৃট্ৰেইনৰ দৰে ভাৰতবৰ্ষতো প্ৰশাসনিক বিচাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰাৰ ফলত মন্ত্ৰীসভাৰ ক্ষমতা আৰু গুৰুত্ব বৃদ্ধি পাইছে। বিভিন্ন মন্ত্ৰণালয়ক বিৰোধ নিস্পত্তিৰ বাবে বিচাৰ বিভাগীয় ক্ষমতা অৰ্পন কৰা হৈছে আৰু ইয়াৰ ফলত মন্ত্ৰীসভাৰ সদস্যসকলৰ বিচাৰ সংক্ৰান্ত ক্ষমতা যথেষ্ঠ বৃদ্ধি পাইছে। এনেবোৰ কাৰণত সংসদৰ পৰিৱৰ্তে মন্ত্ৰীসভাৰ ক্ষমতা আৰু গুৰুত্ব দিনে দিনে বাঢ়ি আছে।

**৫) জনসংযোগৰ অভাৱ** - ভাৰতবৰ্ষত জনসাধাৰণ শাসন বিভাগৰ লগত বেছি পৰিমানে জড়িত সেয়েহে জনসাধাৰণে শাসন বিভাগৰ ওপৰত অধিক গুৰুত্ব

আৰোপ কৰে। সংসদীয় গণতন্ত্ৰত মন্ত্ৰীসভাই নীতি নিৰ্ধাৰণ কৰে আৰু সেই নিৰ্ধাৰিত নীতিবোৰ কাৰ্যকৰী কৰে। জনসাধাৰণে সেয়ে মন্ত্ৰীসভাক সৰ্বেসৰ্বা বুলি ভাবে। জনসাধাৰণৰ এনে মানসিকতাৰ ফলতো সংসদৰ গুৰুত্ব হ্ৰাস পাইছে।

**৬) সময়ৰ অভাৱ** - সংসদৰ অধিৱেশন কম দিনৰ বাবেহে বছৰি দুবাৰ বহে। এনে ক্ষেত্ৰত সংসদৰ সদস্যসকলে সংসদৰ সকলো কামৰ আলোচনা কৰাটো সম্ভৱ নহয। কিছুমান কাম সংসদে আনুষ্ঠানিক ভাৱেহে পালন কৰিবলগীয়া হয়। সদস্যসকলেও আলোচনাৰ বাবে যথেষ্ট সময় নাপায়। গতিকে সময়ৰ অভাৱৰ বাবেও সংসদৰ গুৰুত্ব হ্ৰাস পাইছে বুলি ক'ব পাৰি।

**৭) কাৰ্যসূচী** - সংসদৰ কাৰ্যসূচী চৰকাৰে স্থিৰ কৰে। ইয়াৰ ওপৰত সংসদৰ নিয়ন্ত্ৰণ দেখা নাযায়। গতিকে মন্ত্ৰীসভাই নিজৰ সুযোগ আৰু সুবিধামতে সংসদৰ কাৰ্যসুচী নিৰ্ধাৰণ কৰে। বহুতো সময়ত সংসদৰ সদস্যসকলে নিজৰ মত প্ৰকাশ কৰিবলৈ সুয়োগ নাপায়। এনেবোৰ কাৰণৰ ফলতো সংসদৰ গুৰুত্ব হ্ৰাস পাইছে বুলি ক'ব পাৰি।

**আত্মমূল্যায়নৰ প্ৰশ্ন (ক)ঃ**

১) ভাৰতবৰ্ষৰ (কেন্দ্ৰীয়) আইন সভাৰ নাম কি কোৱা।

---------------------------------------------------------------

---------------------------------------------------------------

২) ভাৰতবৰ্ষৰ আইনসভা দ্বি-সদনীয়। শুদ্ধ নে অশুদ্ধ লিখা।

---------------------------------------------------------------

---------------------------------------------------------------

৩) ভাৰতবৰ্ষৰ আইনসভাৰ সদন দুখনৰ নাম উল্লেখ কৰা।

---------------------------------------------------------------

---------------------------------------------------------------

৪) ৰাজ্যসভা ভাৰতবৰ্ষৰ আইনসভাৰ ________ সদন। (খালী ঠাই পূৰণ কৰা)

৫) ভাৰতবৰ্ষৰ সংসদৰ গুৰুত্ব হ্ৰাস হোৱাৰ এটা কাৰণ লিখা।

---------------------------------------------------------------

---------------------------------------------------------------

## ২.৩ ৰাজ্য সভা আৰু ইয়াৰ গঠন ঃ

ভাৰতীয় সংসদৰ উচ্চসদনক ৰাজ্যসভা নামেৰে জনা যায়। সংবিধানৰ ৮০ নং অনুচ্ছেদত ৰাজ্যসভাৰ গঠন সম্পৰ্কে উল্লেখ আছে। ৰাজ্যসভাৰ মুঠ সদস্য সংখ্যা ২৫০ জন। ইয়াৰে ২৩৮ জন সদস্য পৰোক্ষ নিৰ্বাচন পদ্ধতিৰ দ্বাৰা নিৰ্বাচিত কৰা হয় আৰু বাকী ১২ জন সদস্যক ৰাষ্ট্ৰপতিয়ে সাহিত্য, বিজ্ঞান, কলা, সমাজসেৱা আদি বিভিন্ন দিশত প্ৰতিষ্ঠিত ব্যক্তিসকলৰ মাজৰ পৰা ৰাজ্যসভাৰ সদস্যৰূপে মনোনীত কৰে।

ৰাজ্যসভালৈ আমেৰিকাৰ চিনেটৰ নিচিনাকৈ প্ৰত্যেকখন ৰাজ্যৰপৰা সমান প্ৰতিনিধি নিৰ্বাচিত কৰা নহয়। ৰাজ্যসমূহৰ জনসংখ্যাৰ ওপৰত ভিত্তি কৰিহে প্ৰতিনিধি নিৰ্বাচিত কৰা হয়। ৰাজ্যসভাৰ সদস্যসকলক পৰোক্ষ নিৰ্বাচন পদ্ধতিৰ দ্বাৰা নিৰ্বাচিত কৰা হয়। ৰাজ্যৰ বিধান সভাসমূহৰ নিৰ্বাচিত সদস্যসকলে সামানুপতিক প্ৰতিনিধিত্বৰ একক হস্তান্তৰ যোগ্য ভোটৰ দ্বাৰা ৰাজ্যসভাৰ সদস্যসকলক নিৰ্বাচিত কৰে। কেন্দ্ৰীয় শাসিত অঞ্চল সমূহৰ ক্ষেত্ৰত সংসদে আইনৰ দ্বাৰা প্ৰতিনিধি নিৰ্বাচন পদ্ধতি স্হিৰ কৰে।

### ২.৩.১. সদস্যপদৰ যোগ্যতা ঃ

ৰাজ্যসভাৰ সদস্য হ'বৰ বাবে কিছুমান বিশেষ যোগ্যতাৰ প্ৰয়োজন। এই যোগ্যতাসমূহ তলত উল্লেখ কৰা হ'ল -

১) প্ৰাৰ্থীজন ভাৰতীয় নাগৰিক হ'ব লাগিব।

২) প্ৰাৰ্থীৰ বয়স কমেও ৩০ বছৰ হ'ব লাগিব।

১৯৫১ চনৰ 'জনপ্ৰতিনিধিত্ব আইন' (Peoples Act of Representation 1951) অনুসৰি তলত উল্লেখ কৰা ব্যক্তিসকল ৰাজ্যসভাৰ সদস্য পদৰ বাবে যোগ্য নহয় -

ক) আদালতে অপৰাধী বুলি ঘোষণা কৰা ব্যক্তি।

খ) আদালতৰ দ্বাৰা দণ্ডিত ব্যক্তি আৰু দুবছৰতকৈ অধিক সময় কাৰাবাস খটা ব্যক্তি।

গ) দুৰ্নীতি বা আনুগত্যহীনতাৰ বাবে চৰকাৰী চাকৰিৰ পৰা পদচ্যুত হোৱা ব্যক্তি।

ঘ) চৰকাৰী স্বাৰ্থৰ লগত জড়িত কোনো অনুষ্ঠানৰ কৰ্মচাৰী।

সংবিধানৰ ১০২ নং অনুচ্ছেদ অনুসৰি তলত উল্লেখ কৰা ব্যক্তিসকল সংসদৰ কোনো এখন সদনৰে সদস্য হ'ব নোৱাৰে -

১) কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰৰ অধীনত লাভজনক পদত নিয়োজিত ব্যক্তি।

২) আদালতৰ দ্বাৰা বিকৃত মস্তিস্কৰ বুলি ঘোষিত ব্যক্তি।

৩) দেউলীয়া ব্যক্তি।

৪) সংসদে আইনৰ দ্বাৰা সদস্যপদৰ অযোগ্য বুলি স্হিৰ কৰা ব্যক্তি।

**২.৩.২. সদস্যসকলৰ কাৰ্যকাল ঃ**

ভাৰতীয় সংসদৰ উচ্চসদন, ৰাজ্যসভা হ'ল এখন স্থায়ী সদন । ৰাজ্যসভাৰ সদস্যসকলৰ কাৰ্যকাল ৬ বছৰ। এই সদস্যসকলৰ ভিতৰৰ এক তৃতীয়াংশ সদস্য প্ৰত্যেক দুবছৰৰ মূৰে মূৰে অৱসৰ গ্ৰহণ কৰে আৰু তেওঁলোকৰ পদসমূহ পূৰণ কৰিবৰ বাবে নতুন সদস্যক নিৰ্বাচিত কৰা হয়। এজন অৱসৰ প্ৰাপ্ত সদস্য পুন: ৰাজ্যসভাৰ সদস্য হিচাপে নিৰ্বাচিত হ'ব পাৰে।

ভাৰতবৰ্ষৰ উপ-ৰাষ্ট্ৰপতি ৰাজ্যসভাৰ পদেন সভাপতি যদিও উপৰাষ্ট্ৰপতি ৰাজ্যসভাৰ সদস্য নহয়। ৰাজ্যসভাৰ সদস্যসকলে তেওঁলোকৰ মাজৰ পৰা এজনক উপ-সভাপতি হিচাপে নিৰ্বাচিত কৰে। সভাপতিক ৰাজ্যসভাৰ সদস্যসকলৰ অধিকাৰৰ প্ৰধান ৰক্ষক বুলি কোৱা হয়। ৰাজ্যসভাৰ সভাপতি আৰু উপ সভাপতিৰ দৰমহা সংসদে নিৰ্ধাৰণ কৰে।

**২.৩.৩ ৰাজ্যসভাৰ ক্ষমতা আৰু কাৰ্যাৱলী ঃ**

ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আইনসভাৰ দ্বিতীয় সদন ৰাজ্যসভাৰ ওপৰত সংবিধানে বহুতো ক্ষমতা অৰ্পন কৰিছে। সংবিধানে প্ৰদান কৰা ৰাজ্যসভাৰ ক্ষমতা আৰু কাৰ্যাৱলীসমূহ তলত উল্লেখ কৰা হ'ল -

**ক) আইন প্ৰণয়ন ক্ষমতাঃ** ৰাজ্যসভাত সাধাৰণ বিধেয়কসমূহ উত্থাপন কৰা হয় কিন্তু অৰ্থ সংক্ৰান্তীয় বিধেয়কসমূহ ৰাজ্যসভাত উত্থাপন কৰিব নোৱাৰি। সাধাৰণ বিধেয়ক সমূহত ৰাজ্যসভাই অনুমোদন নজনালে ই আইনত পৰিণত হ'ব নোৱাৰে। সাধাৰণ বিধেয়কক লৈ সংসদৰ উভয় সদনৰ মাজত মতানৈক্য ঘটিলে ৰাষ্ট্ৰপতিয়ে সদনৰ যুটীয়া অধিবেশন আহ্বান কৰিব পাৰে। এই যুটীয়া সভাত লোকসভাৰ অধ্যক্ষই সভাপতিত্ব কৰে।

**খ) শাসন বিষয়ক ক্ষমতা :** শাসন বিষয়ক ক্ষমতাৰ ক্ষেত্ৰত ৰাজ্যসভা লোকসভাৰ দৰে ক্ষমতাশালী নহয় কিয়নো, ৰাজ্যসভাই মন্ত্ৰীসভাক লোকসভাৰ দৰে নিয়ন্ত্ৰণ কৰিব নোৱাৰে। মন্ত্ৰী সকলৰ বিৰুদ্ধে ৰাজ্যসভাই আনাস্থা প্ৰস্তাৱ গ্ৰহণ

কৰিব নোৱাৰে। ৰাজ্যসভাৰ সদস্যসকলে চৰকাৰক সমালোচনা কৰিব পাৰে আৰু বিভিন্ন বিষয়ত প্ৰশ্ন সুধিব পাৰে। প্ৰশাসন সম্পৰ্কত ৰাজ্যসভাই চৰকাৰক সচেতন হ'বলৈ বাধ্য কৰিব পাৰে।

**গ) অৰ্থসংক্ৰান্ত ক্ষমতাঃ** অৰ্থসংক্ৰান্ত বিষয়ত ৰাজ্যসভাৰ বিশেষ ক্ষমতা নাই কিয়নো কোনো অৰ্থ সংক্ৰান্ত বিধেয়ক ৰাজ্যসভাত উত্থাপন কৰিব নোৱাৰি। লোকসভাই পাছ কৰা অৰ্থ সংক্ৰান্ত বিধেয়ক ৰাজ্যসভাৰ অনুমোদনৰ বাবে পঠোৱা হয় যদিও ৰাজ্যসভাই ১৪ দিনৰ ভিতৰত বিধেয়কখন উভতাই নপঠালে ৰাজ্যসভাই গ্ৰহণ কৰিছে বুলি ধৰি লোৱা হয়। তাৰ পিছত উক্ত বিধেয়কখন ৰাষ্ট্ৰপতিৰ সন্মতিৰ কাৰণে পঠোৱা হয়।

**ঘ) সংবিধান সংশোধন ক্ষমতা ঃ** সংবিধান সংশোধনৰ ক্ষেত্ৰত ৰাজ্যসভা আৰু লোকসভা সমানে শক্তিশালী কিয়নো যি কোনো সংবিধান সংশোধনী বিধেয়ক ৰাজ্যসভাত উত্থাপন কৰিব পাৰি। সংবিধানৰ ৩৬৮ নং অনুচ্ছেদত উল্লেখ আছে যে সংবিধান সংশোধনী বিধেয়কসমূহ ৰাজ্যসভাৰ দুই তৃতীয়াংশ সদস্যৰ দ্বাৰা গৃহীত হ'ব লাগে।

**ঙ) অন্যান্য ক্ষমতা ঃ** ৰাষ্ট্ৰপতি আৰু উপৰাষ্ট্ৰপতিৰ নিৰ্বাচনত ৰাজ্যসভাৰ সদস্যসকলে অংশগ্ৰহণ কৰে। ৰাজ্যসভাই ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি, উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ৰ বিচাৰকসকলৰ অপসাৰণতো বিশেষ ভূমিকা গ্ৰহণ কৰে। বিভিন্ন আয়োগে ৰাষ্ট্ৰপতিৰ ওচৰত দাখিল কৰা প্ৰতিবেদনসমূহ সংসদৰ উভয় সদনতে উত্থাপন কৰিব লাগে।

**আত্মমূল্যায়নৰ প্ৰশ্ন (খ)ঃ**

১) ৰাজ্যসভাৰ মুঠ সদস্য সংখ্যা কিমান লিখা।

------------------------------------------------------------

------------------------------------------------------------

২) ৰাজ্যসভাৰ নিৰ্বাচিত সদস্য সংখ্যা কিমান কোৱা।

------------------------------------------------------------

------------------------------------------------------------

৩) ৰাজ্যসভাৰ সদস্য পদৰ এটা যোগ্যতা উল্লেখ কৰা।

------------------------------------------------------------

------------------------------------------------------------

৪) ৰাজ্যসভাৰ এটা ক্ষমতা উল্লেখ কৰা।

------------------------------------------------------------

------------------------------------------------------------

**২.৪. লোকসভা আৰু ইয়াৰ গঠন ঃ**

ভাৰতীয় সংসদৰ নিম্নসদনক লোকসভা নামেৰে জনা যায়। লোকসভাক জনপ্ৰিয় সদন বুলি কোৱা হয়। ভাৰতবৰ্ষৰ সংবিধানৰ ৮১ নং অনুচ্ছেদত লোকসভাৰ নিৰ্বাচিত সদস্যৰ সংখ্যা ৫৪৫ জন। লোকসভালৈ এংলো ইণ্ডিয়ান সম্প্ৰদায়ৰ কোনো এজন সদস্য নিৰ্বাচিত নহ'লে ৰাষ্ট্ৰপতিয়ে এই সম্প্ৰদায়ৰ পৰা ২জন সদস্যক লোকসভালৈ মনোনীত কৰে। লোকসভাৰ সদস্যসকলক নিৰ্বাচিত কৰিবৰ বাবে গোটেই দেশক কিছুমান সমষ্টিত ভাগ কৰা হয় আৰু প্ৰতিটো সমষ্টিৰ পৰা সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ ভিত্তিত এজনকৈ প্ৰাৰ্থী এই সভালৈ নিৰ্বাচিত কৰা হয়। অনুসূচীত জাতি আৰু জনজাতি লোকৰ বাবেও আসন সংৰক্ষণৰ ব্যৱস্থা আছে। লোকসভাৰ সদস্যসকলক ভোটদাতাসকলে প্ৰত্যক্ষ নিৰ্বাচন পদ্ধতিৰ দ্বাৰা নিৰ্বাচিত কৰে।

**২.৪.১. সদস্যপদৰ যোগ্যতা ঃ**

লোকসভাৰ সদস্যপদৰ বাবে প্ৰাৰ্থীত্ব লাভ কৰিবলৈ হ'লে এজন ব্যক্তি ভাৰতীয় নাগৰিক হ'ব লাগিব। প্ৰাৰ্থীজনৰ বয়স কমেও ২৫ বছৰ হ'ব লাগিব। তেওঁ কেন্দ্ৰীয় বা ৰাজ্যিক চৰকাৰৰ অধীনত কোনো লাভজনক পদবীত নিয়োজিত থাকিব নোৱাৰিব। ব্যক্তিজন পাগল অথবা দেউলীয়া হ'ব নোৱাৰিব।

**কাৰ্যকাল** -

নিম্নসদন লোকসভাৰ কাৰ্যকাল ৫ বছৰ। ১৯৭৬ চনৰ ৪২ তম সংবিধান সংশোধনীয়ে লোকসভাৰ কাৰ্যকাল ৬ বছৰলৈ বৃদ্ধি কৰিছিল। কিন্তু ১৯৭৮ চনৰ ৪৪ তম সংবিধান সংশোধনীয়ে লোকসভাৰ কাৰ্যকাল পুনৰ ৫ বছৰলৈ হ্ৰাস কৰে। ৰাষ্ট্ৰপতিয়ে যি কোনো সময়ত লোকসভা ভংগ কৰি সাধাৰণ নিৰ্বাচন পাতিবৰ বাবে নিৰ্দেশ দিব পাৰে। লোকসভাৰ সদস্যই ইচ্ছানুসৰি পদত্যাগ কৰিব পাৰে। জৰুৰীকালীন অৱস্থাত সংসদে আইন প্ৰণয়নৰ জৰিয়তে লোকসভাৰ কাৰ্যকাল এবছৰলৈ বঢ়াই দিব পাৰে। কিন্তু জৰুৰী অৱস্থাৰ অন্ত পৰাৰ ৬ মাহৰ ভিতৰত লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰিব লাগিব। লোকসভাৰ কোনো সদস্যই যদি এই সভাৰ অনুমতি অবিহনে ৬০ দিনতকৈ অধিক কাল ইয়াৰ অধিৱেশনত অনুপস্থিত থাকে, তেনেহ'লে সেই পদ নাকচ হোৱা বুলি বিবেচনা কৰা হয়।

লোকসভাৰ সদস্যসকলে তেওঁলোকৰ মাজৰপৰা এজনক অধ্যক্ষ আৰু এজনক উপাধ্যক্ষ নিৰ্বাচিত কৰে। লোকসভাৰ অধিবেশনত অধ্যক্ষই সভাপতিত্ব কৰে। লোকসভাৰ সদস্যসকলে সভাত আসন গ্ৰহণ কৰাৰ আগতে সংবিধানৰ প্ৰতি আনুগত্য আৰু সংবিধান মানি চলাৰ শপত গ্ৰহণ কৰে। প্ৰত্যেক সদস্যই এই শপত বাক্য অনুযায়ী কাৰ্যপালন কৰিবলৈ বাধ্য।

## ২.৪.২ লোকসভাৰ ক্ষমতা আৰু কাৰ্যৱলী ঃ

ভাৰতীয় সংসদৰ নিম্ন সদন, লোকসভাৰ ওপৰত সংবিধানে অধিক প্ৰাধান্যতা অৰোপ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী পৰিষদ লোকসভাৰ ওচৰত দায়বদ্ধ হোৱাৰ বাবে লোকসভাৰ ক্ষমতা আৰু গুৰুত্ব অধিক। লোকসভাৰ সদস্যসকলক জনসাধাৰণে তেওঁলোকৰ আশাৰ স্থল হিচাপে গণ্য কৰে। সংবিধানে প্ৰদান কৰা লোকসভাৰ ক্ষমতা আৰু কাৰ্যাৱলীসমূহ তলত আলোচনা কৰা হ'ল -

**১) আইন প্ৰণয়ন ক্ষমতা** - ৰাষ্ট্ৰপতি, লোকসভা আৰু ৰাজ্যসভাৰ হাতত আইন প্ৰণয়নৰ ক্ষমতা অসীম। কিয়নো এই তিনিওটাৰে সন্মতিৰ অবিহনে কোনো বিধেয়ক আইনত পৰিণত হ'ব নোৱাৰে। যিকোনো সাধাৰণ বিধেয়ক লোকসভাত উত্থাপন কৰিব পাৰি। বিধেয়ক সম্পৰ্কত দুয়ো সদনৰ মাজত বিৰোধ হ'লে ৰাষ্ট্ৰপতিয়ে সংবিধানৰ **১০৮** নং অনুচ্ছেদ অনুসৰি যুটীয়া অধিবেশন আহ্বান কৰিব পাৰে। লোকসভাৰ সদস্য সংখ্যা অধিক হোৱাৰ বাবে যুটীয়া অধিবেশনত লোকসভাৰ মতামতে প্ৰাধান্যতা লাভ কৰে। কেন্দ্ৰীয় আৰু সমৱৰ্তী সূচীত অন্তভূৰ্ক্ত বিষয়সমূহৰ ওপৰত লোকসভাত বিধেয়ক উত্থাপন কৰিব পাৰি। কিছুমান বিশেষ পৰিস্থিতিত বা পৰিস্থিতি সাপেক্ষে লোকসভাই ৰাজ্যিক তালিকাভূক্ত বিষয়সমূহৰ ওপৰতো বিধেয়ক উত্থাপন কৰিব পাৰে।

**২) শাসন সম্পৰ্কীয় ক্ষমতা** - লোকসভাই দেশৰ শাসন ব্যৱস্থাক নিয়ন্ত্ৰণ কৰে। ভাৰতৰ সংবিধানৰ ৭৫(ত)নং অনুচ্ছেদ মতে মন্ত্ৰীপৰিষদ (যুটীয়াভাৱে) দেশৰ শাসনকাৰ্য পৰিচালনাৰ বাবে লোকসভাৰ ওচৰত দায়বদ্ধ। লোকসভাই চৰকাৰ গঠনৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। লোকসভাৰ নিৰ্বাচনত সংখ্যাগৰিষ্ঠতা লাভ কৰা ৰাজনৈতিক দলৰ সদস্যসকলে তেওঁলোকৰ নেতা নিৰ্বাচিত কৰে আৰু সেই নেতাজনক ৰাষ্ট্ৰপতিয়ে প্ৰধানমন্ত্ৰী পদত নিয়োগ কৰে। লোকসভাৰ সংখ্যাগৰিষ্ঠ সদস্যৰ সমৰ্থনতহে মন্ত্ৰী পৰিষদৰ কাৰ্যকাল নিৰ্ভৰ কৰে। লোকসভাই অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰি মন্ত্ৰীসভাক পদৰ পৰা অপসাৰণ কৰিব পাৰে যদিহে লোকসভাত শাসকীয় দলৰ সংখ্যাগৰিষ্ঠতা নাথাকে। গতিকে, ইয়াৰ পৰা দেখা যায় যে কেন্দ্ৰীয় চৰকাৰৰ ওপৰত লোকসভাৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ আছে।

**৩) আৰ্থিক ক্ষমতা** - আৰ্থিক ক্ষমতাৰ ক্ষেত্ৰত লোকসভাৰ ভূমিকা অসীম কিয়নো, অৰ্থসংক্ৰান্তীয় বিধেয়ক কেৱল লোকসভাতহে উত্থাপন কৰিব পাৰি। লোকসভাই চৰকাৰৰ আৰ্থিক নীতি আৰু আয়-ব্যয়ৰ নিয়ন্ত্ৰণ কৰে। লোক সভাই গ্ৰহণ কৰা

অৰ্থসংক্ৰান্ত বিধেয়ক ৰাজ্যসভালৈ অনুমোদনৰ বাবে পঠোৱা হয়। ১৪ দিনৰ ভিতৰত ৰাজ্যসভাই অৰ্থবিলখন ওভতাই নপঠালে বিলখন ৰাজ্যসভাত গ্ৰহণ কৰা হৈছে বুলি বিবেচিত হয়। ইয়াৰ পিছত বিধেয়কখন ৰাষ্ট্ৰপতিৰ স্বাক্ষৰৰ বাবে পঠোৱা হয়। ৰাষ্ট্ৰপতিয়ে অৰ্থবিলত স্বাক্ষৰ দান কৰিব লাগে। উল্লেখযোগ্য, কথাটো হ'ল যে কোনো বিধেয়ক অৰ্থ সংক্ৰান্ত বিধেয়ক হয় নে নহয় তাক লোকসভাৰ অধ্যক্ষই স্থিৰ কৰে। বিত্তীয় আয়োগৰ প্ৰতিবেদন ৰাষ্ট্ৰপতিয়ে লোকসভালৈ আলোচনাৰ বাবে পঠাব লাগে।

৪) নিৰ্বাচনী ক্ষমতা - লোকসভাৰ নিৰ্বাচিত সদস্যসকলে ৰাষ্ট্ৰপতি আৰু উপৰাষ্ট্ৰপতিৰ নিৰ্বাচনত অংশ গ্ৰহণ কৰে। তদোপৰি ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি, উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়সমূহৰ বিচাৰপতি সকলক অপসাৰণ কৰাৰ ক্ষেত্ৰতো লোকসভাই অংশ গ্ৰহণ কৰে। লোকসভাৰ সদস্যসকলে তেওঁলোকৰ মাজৰ পৰা এজন অধ্যক্ষ আৰু এজন উপাধ্যক্ষ নিৰ্বাচিত কৰে।

৫) সংবিধান সংশোধনী ক্ষমতা - লোকসভাৰ সদস্যসকলে সংবিধান সংশোধন প্ৰক্ৰিয়াটো অংশ গ্ৰহণ কৰে।লোকসভাৰ সমৰ্থন অবিহনে সংবিধান সংশোধন কৰাটো সম্ভৱ নহয়। সংবিধান সংশোধনৰ ক্ষেত্ৰত লোকসভা আৰু ৰাজ্যসভাৰ মাজত মতানৈক্য ঘটিলে যুটীয়া অধিবেশনৰ দ্বাৰা ৰাষ্ট্ৰপতিয়ে বিবাদ মীমাংসা কৰে।

### ২.৪.৩ লোকসভাৰ মৰ্যদা ঃ

ভাৰতীয় সংসদৰ নিম্ন সদন, লোকসভা এখন জনপ্ৰিয় সদন কিয়নো জনসাধাৰণে লোকসভাৰ সদস্যসকলক প্ৰত্যক্ষ নিৰ্বাচন পদ্ধতিৰ দ্বাৰা নিৰ্বাচিত কৰে। লোক সভাই দেশৰ সমস্যাসমূহৰ প্ৰতি জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰাৰ চেষ্টা কৰে। এই সভাই জনমত গঠনতো সহায় কৰে।

তোমালোকে ইতিমধ্যে লোকসভাৰ ক্ষমতা আৰু কাৰ্যাৱলীৰ পৰা এই কথা জ্ঞাত হৈছে যে - ৰাজ্যসভাৰ তুলনাত লোকসভা অধিক ক্ষমতাশালী। লোকতসভাই আইন আৰু অৰ্থসংক্ৰান্ত বিষয়ত ব্যাপক ক্ষমতাৰ অধিকাৰী। লোকসভাই দেশৰ শাসন ব্যৱস্থাক সম্পূৰ্ণ ভাৱে নিয়ন্ত্ৰণ কৰে। মন্ত্ৰী পৰিষদৰ কাৰ্যকাল আৰু অপসাৰণতো লোকসভাৰ বিশেষ ভূমিকা আছে।

ভাৰতবৰ্ষৰ ৰাজনৈতিক ব্যৱস্থাত লোকসভাৰ গুৰুত্ব অধিক। লোকসভাত অনুষ্ঠিত হোৱা আলোচনা আৰু তৰ্ক-বিতৰ্কই জনসাধাৰণৰ ৰাজনৈতিক চেতনা বৃদ্ধি কৰে। লোকসভাই চৰকাৰক সদা সচেতন আৰু সংযত হ'বলৈ বাধ্য কৰে।

সংবিধানে প্ৰদান কৰা ক্ষমতাসমূহৰ সঠিক প্ৰয়োগ কৰাৰ লগত প্ৰকৃত গণতান্ত্ৰিক ব্যৱস্থা বৰ্তাই ৰখাৰ ক্ষেত্ৰত লোকসভাই বিশেষ ভূমিকা পালন কৰি আছে।

**২.৫. লোকসভাৰ অধ্যক্ষ ঃ**

লোকসভা পৰিচালনা কৰাৰ ক্ষেত্ৰত লোকসভাৰ অধ্যক্ষৰ ভূমিকা গুৰুত্বপূৰ্ণ। লোকসভা গঠন হোৱাৰ পিছত ইয়াৰ সদস্যসকলে তেওঁলোকৰ মাজৰপৰা এজন অধ্যক্ষ আৰু এজন উপাধ্যক্ষ নিৰ্বাচিত কৰে। লোকসভাৰ অধিবেশনত অধ্যক্ষই সভাপতিত্ব কৰে। অধ্যক্ষৰ অনুপস্থিতিত উপাধ্যক্ষই এই দায়িত্ব পালন কৰে।

**২.৫.১ অধ্যক্ষৰ কাৰ্যকাল ঃ**

লোকসভাৰ অধ্যক্ষৰ কাৰ্যকাল ৫ বছৰ। লোকসভাৰ অধ্যক্ষই স্ব-ইচ্ছাৰে পদত্যাগ কৰিব পাৰে বা লোকসভাই তেওঁৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ গ্ৰহণ কৰি তেওঁক পদৰ পৰা অপসাৰণ কৰিব পাৰে। এনে প্ৰস্তাৱ উত্থাপন কৰা ১৪ দিনৰ আগতে এই বিষয়ে অধ্যক্ষক জাননী দিব লাগে।

**২.৫.২ অধ্যক্ষৰ ক্ষমতা আৰু কাৰ্যৱলীঃ**

অধ্যক্ষৰ ক্ষমতা আৰু কাৰ্যৱলীসমূহ তলত আলোচনা কৰা হ'ল -

**১) প্ৰশাসনীয় কাৰ্য ঃ** অধ্যক্ষই লোকসভাৰ অধিৱেশনত সভাপতিত্ব কৰে আৰু সভাৰ কাৰ্যাৱলী পৰিচালনা কৰে। সভাত কোনটো প্ৰশ্ন উত্থাপন কৰা হ'ব, সভাত উত্থাপিত অতিৰিক্ত প্ৰশ্ন বৈধ হয় নে নহয়, দৃষ্টি আকৰ্ষণকাৰী প্ৰশ্ন দাঙি ধৰা অনুমতি দিব নে নাই, আলোচনা বন্ধৰ প্ৰস্তাৱ ইত্যাদি বিষয়ত অধ্যক্ষই চুড়ান্ত সিদ্ধান্ত গ্ৰহণ কৰে। তদোপৰি সভা পৰিচালনাৰ নিয়ম-কানুন অধ্যক্ষই ব্যাখ্যা কৰে।

**২) সদস্যসকলৰ অধিকাৰ ৰক্ষা কৰা ঃ** অধ্যক্ষই লোকসভাৰ সদস্যসকলৰ বিশেষাধিকাৰ সমূহ ৰক্ষা কৰাৰ দায়িত্ব পালন কৰে। লোকসভাৰ নিয়ম কানুন অৱমাননা কৰা সদস্যৰ বিৰুদ্ধে অধ্যক্ষই যথাযোগ্য ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। লোকসভাৰ সদস্যসকলে যাতে সকলো অধিকাৰ উপভোগ কৰিব পাৰে তাৰ প্ৰতি অধ্যক্ষই দৃষ্টি ৰাখে।

**৩) অৰ্থবিল বিধেয়ক সংক্ৰান্ত ক্ষমতা ঃ** কোনো বিধেয়ক অৰ্থসংক্ৰান্ত বিধেয়ক হয় নে নহয় অধ্যক্ষই তাক স্থিৰ কৰে। অধ্যক্ষৰ এই সিদ্ধান্তক চুড়ান্ত বুলি বিবেচনা কৰা হয়।

**৪) সভাৰ শান্তি শৃংখলা ৰক্ষা কৰা :** অধ্যক্ষই লোকসভাৰ অধিৱেশনত শান্তি শৃংখলা ৰক্ষা কৰাৰ দায়িত্ব পালন কৰে। অধ্যক্ষৰ অনুমতি সাপেক্ষেহে সভাৰ সদস্যসকলে নিজৰ বক্তব্য দাঙি ধৰিব পাৰে। অধ্যক্ষই সভাৰ আলোচনা কালত কোনো সদস্যক সংযত হ'বলৈ নির্দেশ দিব পাৰে। কোনো সদস্যৰ বক্তব্য সংসদীয় নীতি বিৰোধী হ'লে অধ্যক্ষই তাক সংসদৰ কার্য বিৱৰণীৰ পৰা বাদ দিব পাৰে। অধ্যক্ষই সভাৰ কার্য সাময়িকভাৱে স্থগিত ৰাখিব পাৰে।

**৫) ৰাষ্ট্ৰপতি আৰু সংসদৰ মাজত যোগসূত্ৰ :** সংসদ আৰু ৰাষ্ট্ৰপতিৰ মাজত যোগাযোগ ৰক্ষা কৰাৰ দায়িত্ব অধ্যক্ষই পালন কৰে। ৰাষ্ট্ৰপতিৰ বাণী বার্তা, বক্তব্য ইত্যাদি অধ্যক্ষৰ জৰিয়তে সংসদত উত্থাপন কৰা হয়।

**৬) কোৰাম সম্পৰ্কীয় ক্ষমতা :** লোকসভাত নিদিষ্ট সংখ্যক অর্থাৎ **১/১০** ভাগ সদস্য উপস্থিত নাথাকিলে অধ্যক্ষই সভাৰ কাম সাময়িকভাৱে স্থগিত ৰাখিব পাৰে।

**৭) যুটীয়া অধিবেশনত সভাপতিত্ব কৰা :** সংসদৰ উভয় সদনৰ যুটীয়া অধিবেশনত অধ্যক্ষই সভাপতিত্ব কৰে। অধ্যক্ষৰ নির্দেশ অনুযায়ী যুটীয়া অধিবেশনৰ কার্য পৰিচালনা সম্পৰ্কীয় নিয়মাৱলী নির্ধাৰণ কৰা হয।

**৮) পদত্যাগ পত্ৰত সত্যতা বিচাৰ কৰাৰ ক্ষমতা:** লোকসভাৰ সদস্যই অধ্যক্ষৰ ওচৰত দাখিল কৰা পদত্যাগ পত্ৰ স্বেচ্ছামূলক হয় নে নহয় তাক অনুসন্ধান কৰাৰ ক্ষমতা লোকসভাৰ অধ্যক্ষৰ হাতত অৰ্পণ কৰা হৈছে। ১৯৭৪ চনত গৃহীত ৩৩ তম সংবিধান সংশোধনী আইনে অধ্যক্ষৰ হাতত এই ক্ষমতা অৰ্পন কৰিছে। বলপূর্বক ভাৱে লিখোৱা পদত্যাগ পত্ৰ অধ্যক্ষই গ্ৰহণ নকৰিবও পাৰে।

**৯) ভোটদান সংক্ৰান্তীয় ক্ষমতা:** লোকসভাৰ অধ্যক্ষৰ ''নির্ণায়ক ভোট'' প্ৰদান কৰিব পৰা ক্ষমতা আছে। দুয়োপক্ষৰ ভোটৰ পৰিমান সমান হ'লে অধ্যক্ষই এই ভোট প্ৰদান কৰে। সাধাৰণ অৱস্হাত অধ্যক্ষই ভোটদানত অংশ গ্ৰহণ কৰাৰপৰা বিৰত থাকে।

**১০) লোকসভাৰ সচিবালয়ৰ নিয়ন্ত্রণ:** লোকসভাৰ নিজৰ সচিবালয় আছে আৰু অধ্যক্ষৰ নির্দেশ অনুযায়ী সচিবালয়ে কার্যপালন কৰে। লোকসভাৰ কর্মচাৰীসকলক অধ্যক্ষই নিয়ন্ত্রণ কৰে। লোকসভাৰ কর্মচাৰীসকলে অধ্যক্ষৰ আদেশ আৰু নির্দেশ কার্যকৰী কৰে।

### ২.৫.৩. অধ্যক্ষৰ পদমর্যাদা ঃ

লোকসভাৰ অধ্যক্ষৰ পদবীটো সন্মানীয় আৰু গুৰুত্বপূৰ্ণ। অধ্যক্ষজন ব্যাপক ক্ষমতা আৰু মৰ্য্যাদাৰ অধিকাৰী। এটা কথা ঠিক যে অধ্যক্ষৰ নিৰপেক্ষতাৰ ওপৰত

তেওঁৰ মৰ্য্যদা বহু পৰিমাণে নিৰ্ভৰ কৰে। অধ্যক্ষৰ নিৰপেক্ষ আচৰণ তেওঁৰ কাৰ্য্য জৰিয়তে প্ৰকাশ পাব লাগে। নিৰপেক্ষ অধ্যক্ষৰ প্ৰতি বিৰোধী দলৰ সদস্যসকলৰ আস্থা থাকে।

লোকসভাৰ অধ্যক্ষৰ নিৰপেক্ষতাৰ ওপৰত সংসদীয় গণতন্ত্ৰৰ ভৱিষ্যত বহু পৰিমাণে নিৰ্ভৰ কৰে। অধ্যক্ষক লোকসভাৰ আধিপত্যৰ প্ৰতীক বুলি ক'ব পাৰি। অধ্যক্ষৰ কাৰ্য পৰিচালনাৰ ওপৰত লোকসভাৰ বিতৰ্কৰ মান যথেষ্ট পৰিমানে নিৰ্ভৰশীল। দলীয় ৰাজনীতিৰ পৰা আঁতৰত থাকি অধ্যক্ষই তেওঁৰ দায়িত্ব পালন কৰা উচিত।

লোকসভাৰ অধ্যক্ষ পদৰ গুৰুত্ব বৰ্ণনা কৰি জৱাহৰলাল নেহেৰুৱে কৈছিল, ''অধ্যক্ষ সদনৰ মৰ্য্যাদা আৰু স্বাধীনতাৰ প্ৰতিভূ। লোকসভাই সমগ্ৰ জাতিক প্ৰতিনিধিত্ব কৰে সেয়েহে অধ্যক্ষও জাতিৰ স্বাধীনতা আৰু মৰ্য্যাদাৰ প্ৰতীক।'' গতিকে দেখা যায় যে লোকসভাৰ অধ্যক্ষ পদবীটো যথেষ্ট গুৰুত্বপূৰ্ণ।

## ২.৬. লোকসভা আৰু ৰাজ্যসভাৰ মাজৰ সম্পৰ্ক ঃ

তোমালোকে ইতিমধ্যে অৱগত হ'লা যে - ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আইনসভা দুখন সদনৰ দ্বাৰা গঠিত। উচ্চসদনক ৰাজ্যসভা আৰু নিম্নসদনক লোকসভা নামেৰে জনা যায়। সংসদৰ কাৰ্য সম্পাদনৰ ক্ষেত্ৰত দুয়ো সদনৰ সহযোগিতাৰ প্ৰয়োজন। কিন্তু এই কথাও ঠিক যে সংবিধানে ৰাজ্যসভাতকৈ লোকসভাৰ ওপৰত অধিক ক্ষমতা অৰ্পন কৰিছে আৰু দুয়োখন সদনে নিজস্ব ক্ষমতাৰ গণ্ডীৰ ভিতৰত থাকি কাৰ্যসম্পাদন কৰে।

গতিকে, ক্ষমতা আৰু মৰ্য্যাদাৰ দৃষ্টিৰে বিচাৰ কৰিলে ভাৰতীয় সংসদৰ উভয় সদনক সম ক্ষমতাৰ অধিকাৰী বুলি ক'ব নোৱাৰি। লোকসভা আৰু ৰাজ্যসভাৰ মাজৰ সম্পৰ্কক তিনিটা দিশৰ পৰা বিশ্লেষণ কৰি চাব পাৰি। দিশ কেইটা হ'ল-

১) ক্ষমতা বিভাজন ২) ৰাজ্যসভাৰ প্ৰাধ্যান্যতা ৩) লোকসভাৰ প্ৰাধান্যতা

১) লোকসভা আৰু ৰাজ্যসভাৰ কিছুমান সমান ক্ষমতা দেখা যায়। লোকসভা আৰু ৰাজ্যসভাৰ সম ক্ষমতা থকা দিশসমূহ -

ক) সাধাৰণ বিলসমূহ সংসদৰ উভয় সদনতে উত্থাপন কৰিব পাৰি আৰু উভয় সদনে অনুমোদন জনালেহে এই বিলসমূহ আইনত পৰিণত হয়। দুয়োসদনৰ মাজত দেখা দিয়া মতানৈক্য ৰাষ্ট্ৰপতিয়ে যুটীয়া অধিবেশনৰ দ্বাৰা দূৰ কৰে।

খ) ৰাষ্ট্ৰপতি আৰু উপৰাষ্ট্ৰপতিৰ নিৰ্বাচনত দুয়ো সদনৰ সদস্যসকলে অংশগ্ৰহণ কৰে আৰু সকলোৰে ভোটৰ মূল্য সমান।

গ) ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি, উচ্চ আৰু উচ্চতম ন্যায়ালয়ৰ বিচাৰপতি আদিৰ অপসাৰণ কৰাৰ ক্ষেত্ৰতো দুয়ো সদনে সমানে অংশগ্ৰহণ কৰে।

ঘ) সংবিধান সংশোধনৰ ক্ষেত্ৰত লোকসভা আৰু ৰাজ্যসভাৰ ক্ষমতা সমান। সংবিধান সংশোধনী বিল সংসদৰ উভয় সদনতে উত্থাপন কৰিব পাৰি।

ঙ) ৰাষ্ট্ৰপতিৰ জৰুৰীৰ অৱস্থাৰ ম্যাদ বৃদ্ধি কৰিবৰ বাবেও সংসদৰ উভয় সদনৰ অনুমোদনৰ প্ৰয়োজন।

চ) উভয় সদনৰ সদস্যসকলে একে ধৰণৰ বিশেষাধিকাৰসমূহ উপভোগ কৰে।

**২.৬.২. ৰাজ্যসভাৰ প্ৰাধান্য ঃ**

কিছুমান বিষয়ত ৰাজ্যসভাৰ প্ৰাধান্যতা থকা দেখা যায়। ৰাজ্যসভাৰ প্ৰাধান্যতা থকা দিশসমূহ হ'ল -

ক) ৰাজ্যসভাখন স্থায়ী সদন। সেয়েহে এই সদনে শাসন আৰু আইন প্ৰণয়নৰ ধাৰাবাহিকতা ৰক্ষা কৰিব পাৰে। লোকসভা স্থায়ী সদন নহয়। ৰাষ্ট্ৰপতিয়ে এই সদন ভংগ কৰিব পাৰে।

খ) সংবিধানৰ ২৪৯ নং অনুচ্ছেদ অনুসৰি ৰাজ্য সভাই জাতীয় স্বাৰ্থৰ খাতিৰত ৰাজ্যৰ তালিকাভূক্ত যিকোনো বিষয়ত আইন প্ৰণয়ন কৰিবলৈ সংসদক অনুৰোধ জনাব পাৰে।

গ) ভাৰতবৰ্ষৰ উপ-ৰাষ্ট্ৰপতিক পদচ্যুত কৰাৰ প্ৰস্তাৱ ৰাজ্যসভাই উত্থাপন কৰে। কিন্তু ৰাজ্য সভাই উত্থাপন কৰা এই প্ৰস্তাৱৰ প্ৰতি লোকসভাৰ অনুমোদন সাপেক্ষেহে কাৰ্যকৰী হয়।

**২.৬.৩ লোকসভাৰ প্ৰাধান্য ঃ**

লোকসভাৰ প্ৰাধান্যতা থকা দিশসমূহ হ'ল -

ক) অৰ্থবিল কেৱল লোকসভাতহে উত্থাপন কৰিব পাৰে। ৰাজ্যসভাত এই বিল উত্থাপন কৰিব নোৱাৰি।

খ) কোনো বিধেয়ক অৰ্থসংক্ৰান্ত বিধেয়ক হয় নে নহয়, তাক লোকসভাৰ অধ্যক্ষই স্থিৰ কৰে আৰু অধ্যক্ষৰ এই সিদ্ধান্তক চূড়ান্ত বুলি বিবেচনা কৰা হয়।

গ) ব্যয় মঞ্জুৰীৰ দাবী আৰু অৰ্থ অধিগ্ৰহণ বিধেয়ক গ্ৰহণ কৰাৰ ক্ষেত্ৰত লোকসভাৰ সিদ্ধান্তক চূড়ান্ত সিদ্ধান্ত বুলি ধৰা হয়। ইয়াত ৰাজ্যসভাৰ বিশেষ ভূমিকা নাই।

ঘ) মন্ত্ৰীসভাই কাৰ্য পৰিচালনাৰ ক্ষেত্ৰত সমূহীয়াভাৱে লোকসভাৰ ওচৰত দায়বদ্ধ। লোকসভাই মন্ত্ৰীসভাৰ বিৰুদ্ধে অনাস্থা প্ৰস্তাৱ উত্থাপন কৰিব পাৰে।

৬) অৰ্থ সংক্ৰান্ত বিধেয়কৰ ক্ষেত্ৰত ৰাজ্যসভাই দিয়া পৰামৰ্শ লোকসভাই গ্ৰহণ কৰাটো বাধ্যাতামূলক নহয়।

**আত্মমূল্যায়নৰ প্ৰশ্ন (গ)ঃ**

১) লোকসভাৰ মুঠ সদস্যসংখ্যা কিমান লিখা।

-----------------------------------------------------------------

-----------------------------------------------------------------

২) লোকসভাৰ সদস্যসকলৰ কাৰ্যকাল কিমান, কোৱা।

-----------------------------------------------------------------

-----------------------------------------------------------------

৩) লোকসভাৰ এটা ক্ষমতা আৰু কাৰ্যাৱলী উল্লেখ কৰা।

-----------------------------------------------------------------

-----------------------------------------------------------------

৪) লোকসভাৰ অধ্যক্ষৰ এটা ক্ষমতা আৰু কাৰ্যৱলী উল্লেখ কৰা।

-----------------------------------------------------------------

-----------------------------------------------------------------

৫) সংসদৰ উভয় সদনৰ যুটীয়া অধিবেশনত কোনে সভাপতিত্ব কৰে লিখা।

-----------------------------------------------------------------

-----------------------------------------------------------------

## ২.৭ সামৰণি ঃ

উপৰোক্ত আলোচনাৰ পৰা তোমোলোকে ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আইনসভাৰ গঠন, কাৰ্যকাল, ক্ষমতা আৰু কাৰ্যৱলী সম্পৰ্কে জানিব পাৰিলা। ভাৰতবৰ্ষৰ কেন্দ্ৰীয় আইনসভাক 'সংসদ' বুলি কোৱা হয়। ভাৰতীয় সংসদ দুখন সদনক লৈ গঠিত। সদন দুখন হ'ল - লোকসভা আৰু ৰাজ্যসভা। লোকসভাক নিম্নসদন আৰু ৰাজ্যসভাক উচ্চসদন নামেৰে জনা যায়। ৰাষ্ট্ৰপতি সংসদৰ এক অবিচ্ছেদ্য অংগ যদিও কোনো সদনৰে সদস্য নহয়।

ভাৰতীয় সংসদৰ উচ্চসদন, ৰাজ্যসভাৰ মুঠ সদস্য সংখ্যা ২৫০ জন। পৰোক্ষ নিৰ্বাচন পদ্ধতিৰ দ্বাৰা ৰাজ্যসভাৰ ২৩৮ জন সদস্যক নিৰ্বাচিত কৰা হয় আৰু ১২ জন সদস্যক বিভিন্ন দিশত পাৰদৰ্শিতা থকা ব্যক্তিসকলৰ মাজৰ পৰা ৰাষ্ট্ৰপতিয়ে মনোনীত কৰে। উপৰাষ্ট্ৰপতি হ'ল ৰাজ্যসভাৰ পদেন সভাপতি।

সংসদৰ নিম্নসদন, লোকসভাৰ সদস্যসকলক প্ৰত্যক্ষ নিৰ্বাচন পদ্ধতিৰ দ্বাৰা নিৰ্বাচিত কৰা হয়। লোকসভাৰ মুঠ সদস্যৰ সংখ্যা ৫৪৫ জন। আনহাতে এংলো ইণ্ডিয়ান সম্প্ৰদায়ৰ কোনো সদস্য লোকসভালৈ নিৰ্বাচিত নহ'লে ৰাষ্ট্ৰপতিয়ে ২জন এনে সম্প্ৰদায়ৰ সদস্যক লোকসভালৈ মনোনীত কৰে। লোকসভাৰ সদস্যসকলে তেওঁলোকৰ মাজৰপৰা এজন অধ্যক্ষ আৰু এজন উপাধ্যক্ষ নিৰ্বাচিত কৰে। লোকসভাৰ অধিৱেশনত অধ্যক্ষই সভাপতিত্ব কৰে আৰু লোকসভাৰ কাৰ্য পৰিচালনাৰ ক্ষেত্ৰত অধ্যক্ষই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

শেষত, ভাৰতীয় সংসদৰ বিষয়ে বিস্তৃতভাৱে জানিবৰ বাবে লোকসভা আৰু ৰাজ্যসভাৰ মাজত থকা সম্পৰ্ক সমূহ বিশ্লেষণাত্মক ভাৱে আলোচনা কৰা হ'ল।

## ২.৪ ঘাই শব্দসমূহ ঃ

কোৰাম বা থুল - সদনৰ অধিৱেশন অনুষ্ঠিত হ'বৰ বাবে প্ৰয়োজন হোৱা উপস্থিত সদস্য সংখ্যা।

**অধ্যাদেশ** - সদনৰ অধিবেশন নথকা অৱস্থাত ৰাষ্ট্ৰপতিয়ে জাৰী কৰা আদেশ।

**দ্বি সদনীয়** - দুখন সদন বা সভাৰ সমষ্টি।

**সংসদীয় গণতন্ত্ৰ** - যি গণতান্ত্ৰিক ব্যৱস্থাত মন্ত্ৰীসভা ইয়াৰ কাম কাজৰ বাবে সংসদৰ ওচৰত দায়বদ্ধ থাকে, তেনে গণতান্ত্ৰিক ব্যৱস্থাকে সংসদীয় গণতন্ত্ৰ বুলি কোৱা হয়।

## ২.৯ পাঠ্য নিৰ্দেশনা ঃ

এই গোটোটত সন্নিৱিষ্ট বিষয়সমূহৰ সম্পৰ্কে অধিক জানিবলৈ তলত উল্লেখ কৰা গ্ৰন্থ কেইখনৰ সহায় ল'ব পাৰা-

১) ডঃ থানেশ্বৰ লাহন 'ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি''
ষ্টুডেণ্টচ এম্পৰিয়াম, ডিব্ৰুগড়, ২০০৪.

২) ডঃ কৃপেশ চন্দ্ৰ পাল, প্ৰতুল চন্দ্ৰ নায়ক, 'ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা'
অৰুণ প্ৰকাশন, গুৱাহাটী, ২০১১.

৩) K.K. Ghai, "Indian Government and Politics",
Kaylani Publishers, New Delhi, 2003.

**আত্মমূল্যায়ন প্ৰশ্নৰ সাম্ভাব্য উত্তৰ- (ক)ঃ**

১) সংসদ ২) শুদ্ধ ৩) ৰাজ্যসভা আৰু লোকসভা ৪) উচ্চসদন
৫) দলীয় অনুশাসন।

**আত্মমূল্যায়ন প্ৰশ্নৰ সাম্ভাব্য উত্তৰ- (খ)ঃ**

১) ২৫০ জন ২) ২৩৮ জন ৩) বয়স কমেও ৩০ বছৰ হ'ব লাগিব।

৪) শাসন বিষয়ক ক্ষমতা

**আত্মমূল্যায়ন প্ৰশ্নৰ সাম্ভাব্য উত্তৰ- (গ)ঃ**

১) ৫৪৫ জন ২) ৫ বছৰ ৩) অৰ্থ সংক্ৰান্ত ক্ষমতা ৪) সভাৰ শান্তি শৃংখলা ৰক্ষা কৰা ৫) লোকসভাৰ অধ্যক্ষ।

**প্ৰসংগ পুথিঃ**

১) K.K. Ghai, "Indian Government and Politics", Kaylani Publishers, New Delhi, 2003.

২) ড০ থানেশ্বৰ লাহন, 'জাতীয় আন্দোলন আৰু সাংবিধানিক বিকাশ', ষ্টুডেণ্টচ এম্প্ৰৰিয়াম, ডিব্ৰুগড়, ১৯৯৮.

৩) R.C. Agarwal, " Constitutional Developments and National Movements of India", S. Chand and Company Ltd. New Delhi, 2000

৪) ড০ কৃপেশ চন্দ্ৰ পাল, প্ৰতুল চন্দ্ৰ নায়ক, 'ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা' অৰুণ প্ৰকাশন, গুৱাহাটী, ২০১১.

**আৰ্হি প্ৰশ্নাৱলী ঃ**

১) ৰাজ্যসভাৰ ক্ষমতা আৰু কাৰ্যৱলী সম্পৰ্কে লিখা।

২) লোকসভাৰ ক্ষমতা আৰু কাৰ্যাৱলী সম্পৰ্কে লিখা।

৩) লোকসভাৰ অধ্যক্ষৰ ক্ষমতা আৰু কাৰ্যাৱলী বিষয়ে বহলাই আলোচনা কৰা।

৪) লোকসভাৰ অধ্যক্ষৰ পদমৰ্য্যাদা সম্পৰ্কে লিখা।

৫) লোকসভা আৰু ৰাজ্যসভাৰ মাজত থকা সম্পৰ্কৰ বিষয়ে আলোচনা কৰা।

# গোট - ৩
# (Unit - 3)

# ন্যায়পালিকা
# (Judiciary)

গঠন বিন্যাস **(Structure) ঃ**


৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা

৩.২ স্বাধীন ন্যায়পালিকাৰ প্ৰয়োজনীয়তা

৩.৩ ন্যায়পালিকাৰ গঠন প্ৰক্ৰিয়া

৩.৪ ভাৰতৰ ন্যায়পালিকাৰ বৈশিষ্ট্য

৩.৫ ন্যায়ালয়ৰ ক্ষমতা আৰু কাৰ্যাৱলী

৩.৬ ন্যায়িক সমীক্ষা

৩.৭ ন্যায়িক সক্ৰিয়তা

৩.৮ ন্যায়পালিকা আৰু ব্যক্তিৰ স্বাধীনতা

৩.৯ সাৰাংশ

৩.১০ ঘাই শব্দসমূহ

৩.১১ আত্মমূল্যায়নৰ প্ৰশ্ন

৩.১২ সাম্ভাৱ্য প্ৰশ্ন

৩.১৩ পাঠ্য নিৰ্দেশনা

৩.১৪ আত্মমূল্যায়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ

৩.১৫ প্ৰসংগ পুথি

## ৩.০ উদ্দেশ্য (Objectives) ঃ

এই গোটটি অধ্যয়ন কৰা পাছত তোমালোকে -

- ন্যায়ালয়ৰ ধাৰণাটো বাখ্যা কৰিব বা আগবঢ়াব পাৰিবা।
- গণতন্ত্ৰত ন্যায়পালিকাৰ প্ৰয়োজনীয়তা কিমান তাক বিশ্লেষণ কৰিব পাৰিবা।
- ভাৰতৰ ন্যায়পালিকাৰ গঠন, ক্ষমতা আৰু কাৰ্য্যৱলী সম্পৰ্কে বিশদভাৱে বাখ্যা কৰিব পাৰিবা।
- ব্যক্তিৰ স্বাধীনতা সুৰক্ষাত ন্যায়ালয়ৰ ভূমিকা নিৰ্ধাৰণ কৰিব পাৰিবা।
- ন্যায়িক সক্ৰিয়তা আৰু ন্যায়িক সমীক্ষা ধাৰণা কেইটা বাছি উলিয়াব পাৰিবা।

## ৩.১ প্ৰস্তাৱনা (Introduction) ঃ

আগৰ গোটৰ আলোচনাত তোমালোকে ইতিমধ্যে ভাৰতৰ সংসদৰ গঠন প্ৰণালী, ক্ষমতা আৰু কাৰ্য্যাৱলীৰ বিষয়ে বিশদভাৱে জ্ঞান আহৰণ কৰিছা। এই গোটটোত তোমালোকে ন্যয়পালিকাৰ ধাৰণা, গঠন প্ৰণালী, ক্ষমতা আৰু কাৰ্য্যাৱলী আৰু গণতন্ত্ৰত ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা সম্পৰ্কে বিশদভাৱে জানিব পাৰিবা।

চৰকাৰৰ তিনিটা গুৰুত্বপূৰ্ণ অংগ হ'ল - বিধানমণ্ডল, কাৰ্য্যপালিকা আৰু ন্যায়পালিকা। সংবিধানে বিচাৰ বিভাগ অৰ্থাৎ ন্যায়পালিকাক ভাৰতৰ শাসন ব্যৱস্থাৰ অপৰিহাৰ্য্য অংগ হিচাপে প্ৰাধান্য দিছে। সমগ্ৰ ভাৰতৰ বাবে এক সৰ্বভাৰতীয় বিচাৰ ব্যৱস্থা সংবিধানত প্ৰৱৰ্তন কৰা হৈছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে ভাৰত যুক্তৰাষ্ট্ৰত দ্বৈত নাগৰিকত্বৰ ন্যায়পালিকাৰ ব্যৱস্থা নাই। কেন্দ্ৰ আৰু ৰাজ্য উভয়ে এক আদালত আৰু বিচাৰ ব্যৱস্থাৰে নিয়ন্ত্ৰিত হয়। ১৯৫০ চনত জন্ম লাভ কৰা উচ্চতম ন্যায়ালয়ে সমগ্ৰ ভাৰতৰ বিচাৰ ব্যৱস্থাৰ শীৰ্ষস্থানত কাম কৰি আহিছে। উচ্চতম ন্যায়ালয়ে সংবিধানৰ ব্যাখ্যাকৰ্তা, মৌলিক অধিকাৰৰ ৰক্ষক আৰু গণতন্ত্ৰৰ অভিভাৱক হিচাপে কাম কৰি আহিছে। উচ্চতম ন্যায়লয়ৰ তলত প্ৰত্যেক ৰাজ্যতে একোখন উচ্চ ন্যায়ালয় (High Court) আৰু উচ্চ ন্যায়ালয়ৰ তলত অন্যান্য আদালতসমূহ আছে।

## ৩.২ স্বাধীন ন্যায়পালিকাৰ প্ৰয়োজনীয়তা (Need of Independent Judiciary)ঃ

ন্যায়পালিকা চৰকাৰৰ এটা অতি গুৰুত্বপূৰ্ণ অংগ। গণতান্ত্ৰিক শাসনব্যৱস্থা থকা এখন দেশৰ সংবিধানত স্বাধীন ন্যায়পালিকাৰ ব্যৱস্থা থকাৰ যথেষ্ট প্ৰয়োজনীয়তা

আছে। ন্যায়াধীশসকলৰ নিৰপেক্ষতা অটুট ৰখাৰ কাৰণে স্বাধীন ন্যায়পালিকাৰ ব্যৱস্থা অতিকৈ প্ৰয়োজন। স্বাধীনতাৰ বাতাৱৰণ থাকিলেহে ন্যায়ধীশসকলে নিৰ্ভীকভাৱে কাৰ্য নিৰ্বাহ কৰিব পাৰিব। কেৱল স্বাধীন ন্যায়পালিকাইহে নি:স্বাৰ্থ ভাৱে দ্ৰুত বিচাৰকাৰ্য সম্পাদন কৰিব পাৰে।

স্বাধীন আৰু নিৰপেক্ষ ন্যায়পালিকাই নাগৰিকৰ সংবিধান প্ৰদত্ত মৌলিক অধিকাৰসমূহৰ ৰক্ষণাবেক্ষণ দিব পাৰে। ব্যক্তিৰ মাজত হোৱা বিবাদ বা ব্যক্তি আৰু চৰকাৰৰ মাজত হোৱা বিবাদ বা চৰকাৰ আৰু আন কোনো কৰ্তৃপক্ষৰ মাজত সংঘটিত কোনো বিবাদ আইনৰ শাসনৰ (Rule of Low) নীতিৰ ভিত্তিত ন্যায়পালিকাই নিস্পত্তি কৰিব লাগে। স্বাধীন ন্যায়পালিকাই শাসন কৰ্তৃপক্ষৰ একনায়কত্ববাদী (Dictatorial) শাসনত বাধা আৰোপ কৰে। মুঠতে সকলো ধৰণৰ ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত থাকি নিৰপেক্ষ আৰু স্বতন্ত্ৰভাৱে নিজৰ দায়িত্ব পালনৰ বাবে স্বাধীন ন্যায়পালিকাৰ প্ৰয়োজনীয়তা আছে।

### ৩.৩ ন্যায়ালয়ৰ গঠন প্ৰক্ৰিয়া (Structure of Judiciary) ঃ

বিভিন্ন ৰাষ্ট্ৰৰ ন্যায়ালয়ৰ গঠন বিভিন্ন প্ৰকাৰৰ। ন্যায়ালয়ৰ স্বতন্ত্ৰতা আৰু দক্ষতা যাতে অক্ষুন্ন ৰাখিব পৰা যায় তালৈ লক্ষ্য ৰাখিহে ইয়াক গঠন কৰা হয়। ন্যায়ালয়ক সকলো দেশতে সমানে সন্মান আৰু গুৰুত্ব প্ৰদান কৰা নহয়। কিছুমান দেশত ন্যায়ালয়ৰ গঠন সম্পূৰ্ণ কেন্দ্ৰীকৰণ ব্যৱস্থাৰ ওপৰত প্ৰতিষ্ঠিত আৰু আন কিছুমানত বিকেন্দ্ৰীকৰণ নীতিৰ ওপৰত প্ৰতিষ্ঠিত।

ভাৰতৰ সংবিধানত অখণ্ড (Integrated) ন্যায়িক ব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছে। দেশৰ ন্যায়িক ব্যৱস্থাৰ সৰ্বোচ্চ শিখৰত উচ্চতম ন্যায়লয় অৱস্থিত। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে ভাৰত যুক্তৰাষ্ট্ৰৰ অংগ ৰাজ্যসমূহৰ সুকীয়া আৰু স্বতন্ত্ৰ ন্যায়পালিকাৰ ব্যৱস্থা আমাৰ সংবিধানত নাই।

ভাৰতৰ ন্যায়পালিকাৰ ব্যৱস্থা এককেন্দ্ৰীক আৰু পিৰামিড আকাৰৰ। কেন্দ্ৰীভূত ন্যায়িক ব্যৱস্থাৰ সৰ্বোচ্চ শিখৰত উচ্চতম ন্যায়ালয়। উচ্চতম ন্যায়ালয়ৰ নিম্ন পৰ্য্যায়ত প্ৰত্যেক ৰাজ্যত উচ্চ ন্যায়ালয়, উচ্চ ন্যায়ালয়ৰ অধীনত অৱস্থিত জিলা আদালতকে ধৰি অন্যান্য নিম্ন আদালতসমূহ।

**ন্যায়ালয়ৰ গাঁঠনিৰ চিত্ৰ সহকাৰে দাঙি ধৰা হ'ল।**

উচ্চতম ন্যায়ালয়

উচ্চ ন্যায়ালয়

জিলা আদালত

নিম্ন আদালত

* দেৱানী আৰু ফৌজদাৰী সুকীয়া আদালত
* মুনচিফৰ আদালত
* মেজিষ্ট্ৰেটৰ আদালত
* পঞ্চায়ত আদালত

মহিলা আদালত

সংবিধানৰ ১২৪ (১) নং অনুচ্ছেদ অনুযায়ী এজন মুখ্য ন্যায়াধীশ আৰু কেইজনমান ন্যায়াধীশক লৈ উচ্চতম ন্যায়ালয় গঠিত হৈছে। উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশসহ মুঠ ন্যায়াধীশৰ সংখ্যা বৰ্ত্তমান ৩৫ জন। সংবিধানত মুখ্য ন্যায়াধীশ (Chief Justice) আৰু অস্থায়ী ন্যায়াধীশৰ নিযুক্তিৰ ব্যৱস্থা আছে। সংসদে আইন যোগে উচ্চতম ন্যায়ালয়ৰ ন্যায়াধীশৰ সংখ্যা বৃদ্ধি কৰিব পাৰে।

**ক) ন্যায়াধীশ পদৰ যোগ্যতাসমূহ :** ১) তেওঁ ভাৰতীয় নাগৰিক হ'ব লাগিব। ২) তেওঁ এক বা একাধিক উচ্চ ন্যায়ালয়ৰ (High Court) বিচাৰপতি হিচাপে অন্তত: পাঁচ বছৰ কাম কৰিব লাগিব। অথবা তেওঁ অন্তত: দহ বছৰ এক বা একাধিক উচ্চ ন্যায়ালয়ৰ এড'ভকেট হিচাপে কাম কৰিব লাগিব অথবা ৩) ৰাষ্ট্ৰপতিৰ বিচাৰ মতে তেওঁ এজন বিশিষ্ট আইনজ্ঞ হ'ব লাগিব।

**খ) ন্যায়াধীশৰ নিযুক্তি :** উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু অন্যান্য ন্যায়াধীশসকলক ৰাষ্ট্ৰপতিয়ে নিয়োগ কৰে। কিন্তু ৰাষ্ট্ৰপতিয়ে এই ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বা অন্যান্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰে। উচ্চতম ন্যায়ালয়ৰ অন্যান্য ন্যায়াধীশসকলক নিয়োগ কৰোঁতে তেওঁ এই ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ সৈতে পৰামৰ্শ কৰিবলৈ বাধ্য। আচলতে ৰাষ্ট্ৰপতিয়ে মন্ত্ৰীসভাৰ পৰামৰ্শমতেহে ন্যায়াধীশক নিয়োগ কৰে।

**গ) কাৰ্যকাল আৰু অপসাৰণ :** উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আৰু ন্যায়াধীশসকল ৬৫ বছৰ বয়সলৈ পদত অধিষ্ঠিত থাকে। তাৰ পিছত তেওঁ অৱসৰ গ্ৰহণ কৰে। এজন ন্যায়াধীশক অসদাচৰণ বা অ-সামৰ্থ্যতাৰ বাবে পদৰ পৰা অপসাৰণ কৰিব পাৰি। অকল ৰাষ্ট্ৰপতিয়ে এজন ন্যায়াধীশক পদচ্যুত কৰিব নোৱাৰে। অসদাচৰণ বা অ-সামৰ্থ্যৰ অভিযোগ সম্বলিত কোনো প্ৰস্তাৱ সংসদৰ উভয় সদনত উপস্থিত আৰু ভোটদানকাৰী সদস্যসকলৰ দুই তৃতীয়াংশৰ আৰু প্ৰত্যেক সদনৰ মুঠ সদস্যৰ অধিকাংশৰ দ্বাৰা সমৰ্থিত হ'লে প্ৰস্তাৱটো ৰাষ্ট্ৰপতিৰ ওচৰলৈ পঠিওৱা হয়। ৰাষ্ট্ৰপতিয়ে এনে প্ৰস্তাৱ অনুযায়ী ন্যায়াধীশক পদচ্যুত কৰিব পাৰে। এজন ন্যায়াধীশে তেওঁৰ কাৰ্য্যকাল পূৰ্ণ হোৱাৰ আগতেও পদত্যাগ কৰিব পাৰে।

**ঘ) শপত গ্ৰহণ :** ন্যায়াধীশসকলে কাৰ্যভাৰ গ্ৰহণ কৰাৰ আগতে ৰাষ্ট্ৰপতি অথবা তেওঁৰ দ্বাৰা সেই সম্পৰ্কত নিযুক্ত কোনো ব্যক্তিৰ ওচৰত সংবিধান ৰক্ষা কৰা, নিৰ্ভয়ে আৰু নিৰপেক্ষভাৱে কৰ্তব্য পালনৰ শপত গ্ৰহণ কৰিব লাগে। সংবিধান আৰু আইনসমূহক ৰক্ষা কৰা ন্যায়াধীশসকলৰ নীতিগত দায়িত্ব।

**ঙ) সুযোগ-সুবিধা :** সংবিধানৰ ১২৫ নং অনুচ্ছেদত ন্যায়াধীশসকলৰ দৰমহা, বানচ আৰু অন্যান্য সা-সুবিধাৰ বিষয়ে উল্লেখ কৰা হৈছে। মুখ্য ন্যায়াধীশৰ মাহিলি দৰমহা এক লাখ টকা। অন্যান্য ন্যায়াধীশসকলে মাহে ৯০,০০০ টকাকৈ দৰমহা পায়। ন্যায়াধীশসকলে অৱসৰৰ পিছতে পেঞ্চন পায়। তেওঁলোকে থাকিবলৈ বিনা ভাড়াত চৰকাৰী বাসভৱন পায়। ন্যায়াধীশসকলক তেওঁলোকৰ দ্বাৰা সম্পাদিত

আইন আৰু বিচাৰ সম্পৰ্কীয় কাৰ্যৰ বাবে কোনেও সমালোচনা কৰিব নোৱাৰে। কোনো গোচৰ বিচাৰাধীন অৱস্থাত থাকিলে সেই সম্পৰ্কে কোনেও মন্তব্য দিব নোৱাৰে। এই ন্যায়ালয়ে যি কোনো ব্যক্তিক ন্যায়ালয় অৱমাননা কৰা অভিযোগ আনি দণ্ড বিহিব পাৰে।

**৩.৪ ভাৰতৰ ন্যায়পালিকাৰ বৈশিষ্ট্য (Characteristics of Indian Judiciary)ঃ**

ভাৰতৰ ন্যায়পালিকাৰ বৈশিষ্ট্যসমূহ হ'ল-

১) **এককেন্দ্ৰিকতা ঃ** ভাৰতৰ শাসন যুক্তৰাষ্ট্ৰীয় আৰ্হিত হ'লেও ইয়াৰ বিচাৰ ব্যৱস্থা এককেন্দ্ৰিক। অন্যান্য যুক্তৰাষ্ট্ৰীয় দেশৰ দৰে ভাৰত যুক্তৰাষ্ট্ৰৰ অংগৰাজ্যসমূহ আৰু কেন্দ্ৰৰ কাৰণে সুকীয়া ন্যায়পালিকাৰ ব্যৱস্থা নাই।

২) **সমৰূপতা ঃ** ভাৰতৰ আইন ব্যৱস্থাত সমৰূপতাও দেখিবলৈ পোৱা যায়। এজন অপৰাধীৰ বিচাৰ সমগ্ৰ দেশত একে ধৰণৰ ন্যায় আৰু ন্যায়ালয়ৰ অধীনত কৰা হয়।

**৩) সাৰ্বজনীনতা ঃ** ভাৰতত মাত্ৰ এখন যুক্তৰাষ্ট্ৰীয় ন্যায়ালয় আছে। উচ্চতম ন্যায়ালয় আৰু ৰাজ্যবোৰত একোখন উচ্চ ন্যায়ালয় আছে। উভয় চৰকাৰৰ সংগঠন কেন্দ্ৰীয় চৰকাৰৰ নিয়ন্ত্ৰণাধীন। উভয় ন্যায়ালয়ৰ ন্যায়াধীশসকলক ৰাষ্ট্ৰপতিয়ে নিযুক্তি দিয়ে।

**৪) বিচাৰ বিভাগৰ নিৰপেক্ষতাঃ** বিচাৰকসকলে যাতে স্বাধীন আৰু নিৰপেক্ষভাৱে নিজৰ কৰ্তব্য সম্পাদন কৰিব পাৰে তাৰ বাবে ভাৰতৰ লিখিত সংবিধানত কিছুমান ব্যৱস্থাৰ উল্লেখ আছে।

**৫) বিচাৰ বিভাগৰ লেহেম গতিঃ** আমাৰ দেশৰ বিচাৰ ব্যৱস্থাৰ লেহেম গতি ইয়াৰ এটা অন্যতম বৈশিষ্ট্য। একোটা গোচৰ নিস্পত্তিৰ বাবে প্ৰচুৰ সময় লাগে। ইয়াৰ ফলত জনসাধাৰণ ক্ষতিগ্ৰস্ত হয়।

**৬) ব্যয়বহুল ঃ** ভাৰতৰ বিচাৰ ব্যৱস্থা ব্যয়বহুল। যি কোনো গোচৰ বিচাৰ কৰোতে যথেষ্ট ধন আৰু সময় অপচয় হয়।

**৭) সৰ্বব্যাপকতা ঃ** ভাৰতৰ উচ্চতম ন্যায়ালয়ৰ ক্ষেত্ৰাধিকাৰ দেশৰ চাৰিওসীমাৰ ভিতৰত বিস্তৃত আছে। দেশৰ সকলো ন্যায়ালয় উচ্চতম ন্যায়ালয়ৰ দ্বাৰা নিয়ন্ত্ৰণাধীন।

**৮) প্ৰশাসনিক আদালত ঃ** সংবিধানৰ ৪২ তম আইন মতে চৰকাৰী প্ৰশাসনিক কৰ্মচাৰীসকলৰ বিচাৰৰ কাৰণে সংসদে আইন প্ৰণয়নৰ জৰিয়তে প্ৰশাসনিক আদালত গঠন কৰিব পাৰে।

### ৩.৫ ন্যায়ালয়ৰ ক্ষমতা আৰু কাৰ্যাৱলী (Functions and Power of Judiciary)ঃ

ভাৰতৰ সংবিধানে উচ্চতম ন্যায়ালয়ক বহুতো ক্ষমতা প্ৰদান কৰিছে। ইয়াৰ ক্ষমতাক প্ৰধানকৈ তিনি ভাগত ভগাব পাৰি- ১) মূল বা মৌলিক ক্ষমতা ২) আপীল ক্ষমতা আৰু ৩) পৰামৰ্শ দান ক্ষমতা। ইয়াৰ উপৰিও এই ন্যায়লয়ৰ মৌলিক অধিকাৰ সম্পকীয় ক্ষমতা আছে।

**১) মূল অধিকাৰ ক্ষেত্ৰ (Original Jurisdiction)ঃ** উচ্চতম ন্যায়ালয়ৰ মূল অধিকাৰ ক্ষেত্ৰৰ বিচাৰধীন বিষয়সমূহ হ'ল- ক) ভাৰত চৰকাৰ আৰু এখন বা ততোধিক ৰাজ্যৰ মাজত বিবাদ, খ) একপক্ষে ভাৰত চৰকাৰ আৰু কোনো ৰাজ্য বা ৰাজ্যসমূহ আৰু আনপক্ষে এখন বা তাতোধিক ৰাজ্য চৰকাৰৰ মাজত বিবাদ আৰু গ) দুই বা ততোধিক ৰাজ্য চৰকাৰৰ মাজত বিবাদ। সংবিধান প্ৰৱৰ্তিত হোৱাৰ পিছত যিবিলাক সন্ধি, চুক্তি আৰু অংগীকাৰ পত্ৰ সম্পাদিত হৈছে সেইবোৰৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ বিচাৰ ক্ষমতা আছে। সংবিধানৰ ৭১ নং অনুচ্ছেদ অনুযায়ী ভাৰতৰ ৰাষ্ট্ৰপতি আৰু উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচন সংক্ৰান্তীয় যিকোনো বিবাদ মীমাংসাৰ দায়িত্ব উচ্চতম ন্যায়ালয়ৰ ওপৰত ন্যস্ত কৰা হৈছে। আৰু ইয়াৰ এই ক্ষমতা মূল অধিকাৰ ক্ষেত্ৰৰ অন্তৰ্গত।

**২) আপীল সম্পকীয় ক্ষমতা (Appellate Juris diction)ঃ** উচ্চতম ন্যায়ালয় ভাৰতৰ সৰ্বোচ্চ আপীল আদালত। উচ্চতম ন্যায়ালয়ৰ আপীল সম্পৰ্কীয় ক্ষমতাক তিনিটা ভাগত বিভক্ত কৰা যায়। ক) সাংবিধানিক আপীল, খ) দেৱালী গোচৰৰ আপীল আৰু গ) ফৌজদাৰী গোচৰৰ আপীল।

**ক) সাংবিধানিক আপীল ঃ** সংবিধান সংক্ৰান্তীয় বিষয়ত উচ্চ ন্যায়ালয়ে যি ৰায় দিয়ে, সেই ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰে। এই ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে এইবুলি এখন প্ৰমাণ-পত্ৰ দিব লাগিব যে যি গোচৰৰ ৰায়ৰ বিৰুদ্ধে আপীল কৰিবলৈ বিচৰা হৈছে, তাত মৌলিক আইন নিহিত আছে আৰু তাৰ বাবে ভাৰতৰ সংবিধান বাখ্যা কৰিবলগীয়া হয়। উচ্চ ন্যায়ালয়ে এনে প্ৰমাণ-পত্ৰ নিদিলে উচ্চতম ন্যায়ালয়ে এই ধৰণৰ আপীল বিচাৰৰ বাবে বিশেষ অনুমতি (Special Leave) দিব পাৰে।

**খ) দেৱানী গোচৰৰ আপীল ঃ** কোনো দেৱানী গোচৰৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ে যদি চুপাৰিচ কৰে যে সংশ্লিষ্ট গোচৰত গুৰুতৰ আইনৰ প্ৰশ্ন জড়িত আছে, তেতিয়া হ'লে এই গোচৰৰ ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিব পাৰি। ইয়াৰ বাহিৰেও উচ্চ ন্যায়ালয়ে যদি ভাৱে যে কোনো দেৱানী গোচৰৰ বিচাৰ উচ্চতম ন্যায়ালয়ত হোৱা উচিত, তেন্তে সেই গোচৰৰ আপীল উচ্চতম ন্যায়ালয়ত কৰিব পাৰি। বৰ্ত্তমানে এনে গোচৰৰ আপীল বিবাদী বস্তুৰ মূল্যৰ ওপৰত নিৰ্ভৰ নকৰে।

**গ) ফৌজদাৰী গোচৰৰ আপীল ঃ** ফৌজদাৰী গোচৰত উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত তিনিটা ক্ষেত্ৰত আপীল কৰিব পাৰি - ১) যদি উচ্চ ন্যায়ালয়ে নিম্ন আদালতত নিদোৰ্ষী কোনো ব্যক্তিৰ মুক্তিৰ আদেশ নাকচ কৰে অথবা সেই ব্যক্তিক মৃত্যুদণ্ডেৰে দণ্ডিত কৰে।

ঘ) নিম্ন আদালতত বিচাৰধীন কোনো গোচৰ পোনপটীয়াকৈ তুলি আনি উচ্চ ন্যায়ালয়ে অভিযুক্ত ব্যক্তিক মৃত্যুদণ্ড দিয়ে আৰু ৩) গোচৰটো উচ্চতম ন্যায়ালয়ত পুনৰ্বিবেচনাৰ যোগ্য বুলি যদি উচ্চ ন্যায়ালয়ে চুপাৰিচ কৰে। ইয়াৰ বাহিৰেও সংবিধানৰ ১৩৬ নং অনুচ্ছেদ অনুযায়ী ভাৰতৰ ৰাজ্যক্ষেত্ৰৰ কোনো ন্যায়ালয়ৰ বা ন্যায়াধীকৰণৰ ৰায়, আদেশ বা নিৰ্দেশৰ বিৰুদ্ধে আপীল কৰিবলৈ উচ্চতম ন্যায়ালয়ে নিজে বিবেচনা মতে বিশেষ অনুমতি দান কৰিব পাৰে। অৱশ্যে উচ্চতম ন্যায়ালয়ে কোনো সামৰিক আদালতৰ ক্ষেত্ৰত এই ক্ষমতা প্ৰয়োগ কৰিব নোৱাৰে। সংসদে উচ্চতম ন্যায়ালয়ৰ আপীল সংক্ৰান্তীয় ক্ষেত্ৰাধিকাৰ সম্প্ৰসাৰণ কৰিব পাৰে।

**৩) পৰামৰ্শদানৰ ক্ষমতা (Advisory Jurisdiction)ঃ** সাংবিধানিক ফালৰ পৰা উচ্চতম ন্যায়ালয়ৰ পৰামৰ্শদান ক্ষমতা বৰ গুৰুত্বপূৰ্ণ। সংবিধানৰ ১৪৩ (১) নং অনুচ্ছেদত কোৱা হৈছে যে ৰাষ্ট্ৰপতিয়ে যদি কেতিয়াবা বিবেচনা

কৰে যে আইন বা তথ্য সংক্ৰান্তীয় কোনো বিষয়ত গুৰুত্বপূৰ্ণ প্ৰশ্নৰ উদ্ভৱ হৈছে বা উদ্ভৱ হোৱাৰ সম্ভাৱনা আছে আৰু এই বিষয়ত উচ্চতম ন্যায়ালয়ৰ মতামত লোৱাৰ প্ৰয়োজন, তেন্তে তেওঁ সেই বিষয়টো উচ্চতম ন্যায়ালয়ৰ বিবেচনাৰ বাবে পঠিয়াব পাৰে। উচ্চতম ন্যায়ালয়ৰ এই ধৰণৰ বিষয় বিবেচনা কৰাটো পৰামৰ্শদান ক্ষমতাৰ ভিতৰত পৰে। উচ্চতম ন্যায়ালয়ৰ ওচৰত পৰামৰ্শ বিচাৰিলে ই পৰামৰ্শ দিবলৈ বাধ্য। আকৌ ৰাষ্ট্ৰপতিয়ে এই পৰামৰ্শ গ্ৰহণ কৰাটো বাধ্যতামূলক নহয়।

**৪) নিৰ্দেশ, আদেশ আৰু লেখ জাৰিৰ ক্ষমতা ঃ** জনসাধাৰণৰ মৌলিক অধিকাৰ ৰক্ষাৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ে গুৰুত্বপূৰ্ণ ক্ষমতা ভোগ কৰে আৰু এই ক্ষেত্ৰত এই আদালতে মৌলিক অধিকাৰৰ অভিভাৱকৰূপে কাৰ্য কৰে। সংবিধানৰ তৃতীয় অংশত প্ৰদত্ত মৌলিক অধিকাৰসমূহ বলৱৎ কৰিবৰ বাবে উচ্চতম ন্যায়ালয়ক বন্দী প্ৰত্যক্ষীকৰণ (Habeas Corpus) পৰামাদেশ (Mandamus), প্ৰতিৰোধ (Prohibition) অধিকাৰ পৃচ্ছা (Quo Warranto) আৰু উৎপ্ৰেষণ (Certiorari) এই পাঁচটা লেখ (Writs) জাৰিৰ ক্ষমতা দিয়া হৈছে। জৰুৰী অৱস্থা বলৱৎ থাকিলে ৰাষ্ট্ৰপতিয়ে উচ্চতম ন্যায়ালয়ৰ এই ক্ষমতা ৰদ কৰিব পাৰে।

**৫) অভিলেখ আদালত (Court of Record)ঃ** সংবিধানৰ ১২৯ নং অনুচ্ছেদত উচ্চতম ন্যায়ালয়ক এখন অভিলেখ আদালত ৰূপে উল্লেখ কৰা হৈছে। এই আদালতত সকলো আইন আৰু বিচাৰ বিভাগীয় কাৰ্য বিৱৰণী সাক্ষী প্ৰমাণ হিচাপে স্থায়ীভাৱে সংৰক্ষিত থাকে। সাক্ষী হিচাপে এই অভিলেখ পেছ কৰিলে সেই সম্পৰ্কে কোনেও প্ৰশ্ন কৰিব নোৱাৰে।

**৬) আদালত অৱমাননা (Contempt of Court)ঃ** সংবিধানৰ ১২৯নং অনুচ্ছেদত অভিলেখ আদালতৰ তাৎপৰ্য্য বাখ্যা কৰি কোৱা হৈছে যে ন্যায়ালয়ে আদালত অৱমাননাৰ বাবে শাস্তি প্ৰদান কৰিব পাৰে। শাসন বিভাগ বা নিম্ন আদালতৰ বিৰুদ্ধেও আদালত অৱমাননাৰ অভিযোগ আনিব পাৰিব। বিচাৰ বিভাগক হেয় কৰি কিবা প্ৰকাশ কৰা, আদালতৰ ৰায় সম্পৰ্কে মানুহৰ মনত অবিশ্বাস জন্মোৱা, বিচাৰকৰ ৰায়ক উদেশ্য প্ৰণোদিত বুলি বাখ্যা দিয়া ইত্যাদিক 'আদালত অৱমাননা' বুলি ধৰা হয়।

**৭) ৰায় আৰু আদেশৰ পুনৰ্বিবেচনা (Review of Judgement and order)ঃ** উচ্চতম ন্যায়ালয়ে ইয়াৰ আগতে দিয়া ৰায় বা আদেশৰ পুন:বিবেচনা কৰিব পাৰে। তিনিটা কাৰণত উচ্চতম ন্যায়ালয়ে এই ক্ষমতা প্ৰয়োগ কৰিব পাৰে ১) যেতিয়া কোনো নতুন তথ্য বা সাক্ষীৰ সন্ধান পায়, ২) যেতিয়া অভিলেখ (Record) অনুযায়ী কোনো ত্ৰুটি ধৰা পৰে আৰু ৩) পুন:বিবেচনাৰ বাবে যথেষ্ট কাৰণ থাকে। ইয়াৰ মাধ্যমত উচ্চতম ন্যায়ালয়ে ইয়াৰ ভুল সিদ্ধান্ত সংশোধন কৰিবৰ সুযোগ পায়।

**৮) সংবিধানৰ বাখ্যাকৰ্তা (Interpreter of the Constitution)ঃ** উচ্চতম ন্যায়ালয় সংবিধানৰ চূড়ান্ত বাখ্যাকৰ্তা। সংবিধানৰ বাখ্যাক এই আদালতে যিদৰে কৰে সেইদৰেই সেই অংশৰ অৰ্থ নিৰ্ধাৰিত হয়। কোনেও এই বাখ্যাক অস্বীকাৰ কৰিব নোৱাৰে।

**৯) বৈধতা বিচাৰৰ ক্ষমতা বা ন্যায়িক সমীক্ষা (Judicial Review) ঃ** এই ক্ষমতাৰ সহায়ত উচ্চতম ন্যায়ালয়ে আইনৰ বৈধতা আৰু সাংবিধানিকতাক বিচাৰ কৰিব পাৰে। কোনো আইন, আদেশ বা চুক্তি সংবিধানৰ সৈতে সংগতিসম্পন্ন হয় নে নহয়, সেইটো বিচাৰ কৰাই হৈছে বৈধতা ক্ষমতা বা ন্যায়িক সমীক্ষা।

**১০) বিবিধ ক্ষমতাঃ** সংবিধানৰ ৪২ তম সংশোধন অনুসৰি উচ্চতম ন্যায়ালয়ে এখন উচ্চ ন্যায়ালয়ৰ পৰা অন্য উচ্চ ন্যায়ালয়লৈ কোনো গোচৰ স্থানান্তৰ কৰিব পাৰে। কেন্দ্ৰীয় আৰু ৰাজ্যিক আইন জড়িত কোনো গোচৰ একেলগে উচ্চতম ন্যায়ালয়ৰ আৰু এক বা একাধিক উচ্চ ন্যায়ালয়ত চলি থাকিলে ভাৰতৰ এটৰ্ণী-জেনেৰেলৰ আবেদন অনুযায়ী উচ্চতম ন্যায়ালয়ে এই গোচৰ নিজৰ হাতলৈ লৈ আহিব পাৰে।

উচ্চতম ন্যায়ালয় সকলো আদালতৰ শীৰ্ষত অৱস্থিত। সেয়েহে ইয়াৰ ৰায় ভাৰতৰ সকলো আদালতে মানিবলৈ বাধ্য। সকলোৱে এই আদালতৰ ৰায় মানি চলিব লাগিব।

## ৩.৬ ন্যায়িক সমীক্ষা (Judicial Review) ঃ

যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত ন্যায়পালিকা এটা অতি গুৰুত্বপূৰ্ণ আৰু অপৰিহাৰ্য্য অংগ। আদালতে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে প্ৰণয়ন কৰা আইন সংবিধানৰ গণ্ডীৰ ভিতৰত পৰিছেনে নাই বা সংবিধানৰ দফামতে হৈছেনে নাই তাক বিচাৰ কৰিব লাগে। চৰকাৰে প্ৰণয়ন কৰা আইন যদি সংবিধান বিৰোধী হয় বা সেই আইনে দেশৰ স্বাৰ্থৰ প্ৰতিকূলে যায় বা ব্যক্তিৰ মৌলিক অধিকাৰ ভঙ্গ কৰিছে বুলি ন্যায়ালয়ে পতিয়ন যায় তেন্তে আদালতে সেই আইনক যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাত বাতিল কৰিব পাৰে।

যুক্তৰাষ্ট্ৰীয় ন্যায়ালয়ৰ এই ক্ষমতাক ন্যায়িক সমীক্ষা বুলি কোৱা হয়। অৰ্থাৎ কোনো আইন, আদেশ বা চুক্তি সংবিধানৰ সৈতে সংগতিসম্পন্ন হয় নে নহয়, সেইটো বিচাৰ কৰাই হৈছে বৈধতা বিচাৰৰ ক্ষমতা বা ন্যায়িক সমীক্ষা (Judicial Review)।

### ৩.৭. ন্যায়িক সক্ৰিয়তা (Judicial Activism) ঃ

ন্যায়পালিকাৰ প্ৰধান আৰু মুখ্য কাম হ'ল সদায় ন্যায়সংগতভাৱে বিচাৰ কাৰ্য সম্পাদন কৰা। কিন্তু সময়ৰ পৰিবৰ্তনৰ লগে লগে ন্যায়ালয়ৰ কাৰ্যৰ পৰিসৰ দিনক দিনে বৃদ্ধি পাই আছে। বহু সময়ত কোনো গোচৰ বিচাৰ কৰি ৰায় প্ৰদান কৰোঁতে কিছুমান নতুন আইন আৰু নীতিৰ জন্ম দিয়ে। ১৯৬৭ চনত গোলোকনাথ বনাম পঞ্জাৱ চৰকাৰ মোৰ্কদমাৰ ৰায়দান কৰোঁতে উচ্চতম ন্যায়ালয়ে ৰায়দান কৰে যে মৌলিক অধিকাৰ হৰণ বা ক্ষুণ্ণ কৰি ৰাষ্ট্ৰই কোনো আইন ৰচনা কৰিব নোৱাৰে। ১৯৬৯ চনত বেংক জাতীয়কৰণ আইন বাতিল কৰিও উচ্চতম ন্যায়ালয়ে এক অভিলেখ স্থাপন কৰে। ইয়াৰ উপৰিও কেৰল অসমত প্ৰযোজ্য কৰা আই. এম. ডি. টি. আইন বাতিল কৰি উচ্চতম ন্যায়ালয়ে ন্যায়পালিকাৰ ভূমিকাৰ সুদূৰপ্ৰসাৰী পৰিবৰ্তন ঘটায়। ১৯৭৯ চনত ন্যায়পালিকাই আৰু এক নতুন ধাৰণাৰ প্ৰৱৰ্তন কৰে। সেই চনতে ক্ষতিগ্ৰস্ত লোকসকলৰ হৈ আন ব্যক্তিয়ে আদালতত দাখিল কৰা গোচৰ এটা শুনানিৰ বাবে উচ্চতম ন্যায়ালয়ে গ্ৰহণ কৰে। এই গোচৰৰ লগত ৰাজহুৱা স্বাৰ্থ জড়িত আছিল কাৰণে ইয়াক ''ৰাজহুৱা স্বাৰ্থ - জড়িত গোচৰ'' (Public Interest Litigation) বুলি কোৱা হয়। ইয়াৰ পিছত কাৰাবন্দীসকলৰ (Prisoners) অধিকাৰ সম্বন্ধীয় আন এটা গোচৰ উচ্চতম ন্যায়লয়ে শুনানিৰ কাৰণে গ্ৰহণ কৰে। এইদৰে আমাৰ দেশত ন্যয়িক সক্ৰিয়তা সূচনা হয়।

### ৩.৮ ন্যায়পালিকা আৰু ব্যক্তিৰ স্বাধীনতা (Judiciary and Individual Rights)ঃ

ন্যায়পালিকা চৰকাৰৰ এটা অন্যতম অংগ। ভাৰতৰ গণতান্ত্ৰিক সংবিধানে নাগৰিকৰ মৌলিক অধিকাৰ ৰক্ষণাবেক্ষণৰ সমুদায় দায়িত্ব ন্যায়পালিকাৰ ওপৰত অৰ্পণ কৰিছে। ন্যায়পালিকাই নাগৰিকৰ মৌলিক অধিকাৰ যাতে ৰক্ষণাবেক্ষণ দিয়াত কোনো বাধা নাপায় সেয়ে সংবিধানত দুটা নীতি নিৰ্দিষ্ট কৰি দিছে :

ক) সংবিধানৰ ৩২ নং অনুচ্ছেদ অনুযাযী উচ্চতম ন্যায়ালয়ে বিভিন্ন লেখ (Writ) জাৰি কৰি নাগৰিকৰ মৌলিক অধিকাৰকে ধৰি সকলো অধিকাৰ ৰক্ষাৰ ব্যৱস্থা কৰিব পাৰে। এই লেখ সাধাৰণতে পাঁচ প্ৰকাৰৰ, বন্দী প্ৰত্যক্ষীকৰণ (Habeas

Corpus), পৰমাদেশ (Mandamus), নিষেধাজ্ঞা (Prohibition), উৎপ্ৰেষণ (Certiorari) আৰু কৈফিয়ৎ তলবী (Quo-Warranto)। সংবিধানৰ ২২৬ নং অনুচ্ছেদ অনুযায়ী উচ্চ ন্যায়ালয়ে এই লেখবোৰ জাৰি কৰাৰ ক্ষমতা পাইছে।

খ) সংবিধানৰ ১৩ নং অনুচ্ছেদ অনুযায়ী সংসদ প্ৰণীত কোনো আইনে যদি নাগৰিকৰ মৌলিক অধিকাৰ ক্ষুণ্ণ বা খৰ্ব কৰে, তেতিয়া উচ্চতম ন্যায়ালয়ে সেই আইনক অ-সাংবিধানিক বুলি ঘোষণা কৰি বাতিল কৰি নাগৰিকৰ অধিকাৰ অটুট ৰাখিব পাৰে।

### ৩.৯ সাৰাংশ (Sum up) ঃ

সামৰণিত আমি ক'ব পাৰোঁ.যে পৃথিৱীৰ ভিতৰত আটাইতকৈ শক্তিশালী নহলেও ভাৰতৰ ন্যায়পালিকাৰ ক্ষমতা, প্ৰতিপত্তি বা মৰ্য্যদা কম নহয়। ভাৰতৰ শাসনকাৰ্যত ইয়াৰ ভূমিকা বিশেষ তাৎপৰ্যপূৰ্ণ। নাগৰিকৰ স্বাধীনতাৰ ৰক্ষাকবচ হিচাপে ন্যায়পালিকাৰ ওপৰত জনসাধাৰণৰ আস্থা বৃদ্ধি পাইছে। তেওঁলোকৰ আশা-ভৰসাৰ স্থল একমাত্ৰ ন্যায়পালিকা বুলি অনুভৱ কৰে। অৱশ্যে কেতিয়াবা কেতিয়াবা ন্যায়পালিকাৰ ভূমিকাত জনসাধাৰণ অসন্তুষ্ট বা আচৰিত হোৱা দেখা যায়। কাৰণ ৰাজনৈতিক হেঁচা, বাহুবল আৰু ধনবলেৰে প্ৰকৃত অপৰাধী আদালতৰ শাস্তিৰ পৰা ৰেহাই পোৱা দেখা যায়। তথাপি আমি মনত ৰাখিব লাগিব যে ভাৰতৰ ন্যায়পালিকা এক শক্তিশালী অনুষ্ঠান। ভাৰতৰ ন্যায়পালিকাই সদায় নিৰ্ভীক আৰু নিৰপেক্ষভাৱে কাৰ্য সম্পাদন আৰু দায়িত্ব পালন কৰি আহিছে।

### ৩.১০. ঘাই শব্দসমূহ (Key Words)ঃ

ক) ন্যায়িক সমীক্ষা - আইনৰ বৈধতা বিচাৰ কৰা ন্যায়লয়ৰ সাংবিধানিক ক্ষমতা।

খ) স্বাধীন ন্যায়পালিকা - নিৰপক্ষ আৰু নি:স্বাৰ্থভাবে বিচাৰ কৰা।

গ) ন্যায়িক সক্ৰিয়তা - আইনৰ বৈধতা বিচাৰ কৰা উপৰিও জনস্বাৰ্থ খাতিৰত ন্যায়ালয়ে মাজে সময়ে নতুন পদক্ষেপ লোৱাত সক্ৰিয় ভূমিকা লোৱা।

## ৩.১১. আত্মমূল্যায়নৰ প্ৰশ্ন (Check Your Progress) ঃ

ক) ন্যায়পালিকাৰ অৰ্থ আগবঢ়োৱা।

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

খ) স্বাধীন ন্যায়পালিকা সম্পৰ্কে বাখ্যা কৰা।

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

গ) ন্যায়িক সমীক্ষা বুলিলে কি বুজা ?

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

ঘ) মৌলিক অধিকাৰৰ অৰ্থ বাখ্যা আগবঢ়োৱা।

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

## ৩.১২. সাম্ভাব্য প্ৰশ্ন (Model Questions) ঃ

ক) যুক্তৰাষ্ট্ৰীয় চৰকাৰত ন্যায়পালিকাৰ গুৰুত্ব আৰু ভূমিকা সম্পৰ্কে আলোচনা কৰা।

খ) ভাৰতৰ ন্যায়পালিকাৰ বৈশিষ্ট্য আগবঢ়োৱা।

গ) ন্যায়িক সমীক্ষা আৰু ন্যায়িক সক্ৰিয়তাৰ মাজৰ পাৰ্থক্য নিৰ্ধাৰণ কৰা।

ঘ) উচ্চতম ন্যায়ালয়ৰ গঠন, ক্ষমতা আৰু কাৰ্যাৱলী সম্পৰ্কে আলোচনা কৰা।

ঙ) আদালত অৱমাননা (Contempt of Court) বুলিলে কি বুজা।

## ৩.১৩. পাঠ্য নিৰ্দ্দেশনা (Suggested Readings)ঃ

১. নায়ক, পাল, দত্ত আৰু চক্ৰৱতী - ''ভাৰতীয় সংবিধান'' ।

২. K.K. Ghai -- "Indian Government and Politics"

৩. Dr. D. D. Basu -- "Introduction to the Constitution of India"

৪. দিগন্ত হাতীবৰুৱা - 'ভাৰত চৰকাৰ আৰু ৰাজনীতি''

৫. হৰিপ্ৰসাদ, শান্তনু আৰু দিবাকৰ দাস - 'ৰাজনৈতিক তত্ব আৰু ভাৰতীয় সংবিধান''

## ৩.১৪. আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ (Possible answers to check your Progress)ঃ

ক) চৰকাৰৰ যিটো বিভাগে দেশৰ সংবিধান আৰু আইন ব্যাখ্যা কৰে আৰু সমাজত দেখা দিয়া বিবাদসমূহ মীমাংসা কৰি ন্যায় প্ৰতিষ্ঠা কৰে তাকে ন্যায়পালিকা বা বিচাৰ বিভাগ বুলি কয়।

খ) ৰাজনৈতিক হস্তক্ষেপৰ পৰা মুক্ত হৈ নিৰ্ভীকভাৱে বিচাৰ কৰা।

গ) বিধানমণ্ডলে প্ৰণয়ন কৰা আইনসমূহ সংবিধানমতে প্ৰণয়ন কৰা হৈছেনে নাই তাৰ বিচাৰ কৰা।

ঘ) এনে কিছুমান অধিকাৰ যাৰ অবিহনে ব্যক্তিয়ে স্বাধীনভাৱে আৰু মৰ্য্যদাসহকাৰে সমাজত জীয়াই থাকিব নোৱাৰে- আলোচনা কৰা।

## ৩.১৫. প্ৰসংগ পুথি (Refererees) ঃ

১. অপূৰ্ব কুমাৰ বৰুৱা (১৯৮৪) – ৰাজনৈতিক তত্ব আৰু ৰাজনীতি বিজ্ঞানৰ ধাৰাসমূহ (পূৰ্ব্বাঞ্চল প্ৰকাশন, গুৱাহাটী)

২. অধ্যাপক নায়ক, পাল, দত্ত আৰু চক্ৰৱতী (২০১২) - 'ভাৰতীয় সংবিধান (ৰূপালীম প্ৰকাশন, গুৱাহাটী)

৩. নবীন গোহাঁই (২০১০) – 'ৰাজনৈতিক তত্ব'' (ইউনিক প্ৰকাশন, গুৱাহাটী)

৪. ড° পাল আৰু নায়ক (২০১৩) – স্নাতক মহলাৰ ৰাজনৈতিক তত্ব

৫. K.K. Ghai (2010)-- Indian Government and Politics" (Kalyani Publishers, Ludhiana)

৬. Dr. Durga Das Basu (2004)-- "Introduction to the Constitution of India" (Wadhata and Company Law Publishers, New Delhi)

# ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি

# (Indian Government and Politics)

## পাঠ্যক্ৰম - PSCG - 301

## খণ্ড-৫ (Block -5)

## ৰাজনৈতিক দলসমূহ আৰু প্ৰভাৰগোষ্ঠী

**পাঠ্যক্ৰম পৰিচয় (Block Introduction) ঃ**

'ৰাজনৈতিক দলসমূহ আৰু প্ৰভাৰগোষ্ঠী' হৈছে 'ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি' পাঠ্যক্ৰমৰ পঞ্চম খণ্ড। এই খণ্ডটিত চাৰিটা গোট অন্তৰ্ভূক্ত কৰা হৈছে। ১ম গোটত 'ৰাজনৈতিক দলসমূহ : ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহ', ২য় গোটত 'প্ৰভাৰগোষ্ঠী', ৩য় গোটত 'নিৰ্বাচন প্ৰক্ৰিয়া আৰু ভোটাৰৰ আচৰণ' আৰু ৪ৰ্থ গোটত 'সন্মিলিত চৰকাৰ' সম্পৰ্কে আলোচনা কৰা হৈছে।

ভাৰতবৰ্ষৰ ৰাজনৈতিক দল, ইয়াৰ বৈশিষ্ট্য, বিকাশ, ৰাষ্ট্ৰৰ কাৰ্যাৱলীত ৰাজনৈতিক দলৰ ভূমিকা আদি বিশ্লেষণ কৰাৰ আগতে ৰাজনৈতিক দল কি তাক জনা দৰকাৰ। ৰাজনৈতিক দল মানে হ'ল- এটা নিৰ্দিষ্ট আদৰ্শ, কৰ্ম আঁচনি আৰু লক্ষ্য বা উদ্দেশ্যৰে সংগঠিত হোৱা এটা গোট, যাৰ প্ৰধান লক্ষ্য হ'ল ৰাষ্ট্ৰৰ কাৰ্যৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰা বা চৰকাৰ গঠন কৰা। ৰাজনৈতিক ক্ষমতা হস্তগত কৰিবৰ বাবে ৰাজনৈতিক দলসমূহে জনসাধাৰণৰ মাজৰ নিৰ্দিষ্ট কৰ্ম আঁচনিৰে প্ৰচাৰ চলায়।

বৰ্তমানৰ প্ৰতিনিধিমূলক গণতন্ত্ৰত ৰাজনৈতিক দলসমূহে কাৰ্য পৰিচালনাৰে মূখ্য ভূমিকা গ্ৰহণ কৰে আৰু সমাজৰ বিভিন্ন শ্ৰেণীৰ সমৰ্থন আদায় কৰে। ৰাষ্ট্ৰৰ সাধাৰণ নিৰ্বাচনত ৰাজনৈতিক দলসমূহে প্ৰতিদ্বন্দিতা আগবঢ়ায়। যিটো ৰাজনৈতিক দলে সংখ্যাগৰিষ্ঠতা লাভ কৰে, সেই ৰাজনৈতিক দলে চৰকাৰ গঠন কৰি ৰাষ্ট্ৰৰ কাৰ্য পৰিচালনা কৰে আৰু সংখ্যাগৰিষ্ঠতা নোপোৱা ৰাজনৈতিক দলে বিৰোধীৰ আসন গ্ৰহণ কৰে।

ৰাজনৈতিক দলক বৰ্তমানৰ ৰাষ্ট্ৰ ব্যৱস্থাত চৰকাৰৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু জনসাধাৰণৰ মাজৰ সমন্বয়ক বুলিও গণ্য কৰা হয়। চৰকাৰৰ সপক্ষে বা বিপক্ষে এই ৰাজনৈতিক দলসমূহে জনমত গঠন কৰে আৰু চৰকাৰক দায়িত্ব সহকাৰে কাৰ্য সম্পাদন কৰিবলৈ বাধ্য কৰায়।

ভাৰতবৰ্ষৰ গণতান্ত্ৰিক পৰম্পৰাতে ৰাজনৈতিক দলৰ গুৰুত্ব অপৰিসীম। বৰ্তমান সময়ৰ ৰাজনৈতিক দলৰ অবিহনে আমাৰ ভাৰতবৰ্ষত ৰাষ্ট্ৰৰ কাৰ্য পৰিচালনা কৰাৰ কথা ভাবিবই নোৱাৰি। সেয়েহে বিশ্বৰ অন্যান্য গণতান্ত্ৰিক ৰাষ্ট্ৰৰ দৰে ভাৰতবৰ্ষৰ গণতন্ত্ৰও ৰাজনৈতিক দলৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। এই সকলোবোৰ দিশ পৰ্যালোচনা কৰিলে ৰাজনৈতিক দলক গণতান্ত্ৰিক নামৰ গাড়ীখনৰ চালক বুলি কোৱা হয়।

# গোট -১
# (Unit - 1)
## ৰাজনৈতিক দলসমূহ ঃ ৰাষ্ট্ৰীয় আৰু আঞ্চলিক দলসমূহ

**গঠন বিন্যাস ঃ**

১.১ উদ্দেশ্য
১.২ পৰিচয়
১.৩ ৰাজনৈতিক দলসমূহৰ ধাৰণা
১.৪ ৰাজনৈতিক দলসমূহৰ কাৰ্যাৱলী
১.৪.১ নিৰ্বাচনমুখী কাৰ্যাৱলী
১.৪.২ অনিৰ্বাচনমুখী কাৰ্যাৱলী
১.৫ ৰাজনৈতিক দলসমূহৰ শ্ৰেণী বিভাগ
১.৫.১ ৰাষ্ট্ৰীয় ৰাজনৈতিক দল
১.৫.২ আঞ্চলিক ৰাজনৈতিক দল
আত্মমূল্যায়নৰ প্ৰশ্ন
১.৬. প্ৰভাৱগোষ্ঠীৰ ধাৰণা
১.৭ প্ৰভাৱগোষ্ঠীৰ কাৰ্যাৱলী
১.৮ প্ৰভাৱগোষ্ঠীৰ ভূমিকা
আত্মমূল্যায়নৰ প্ৰশ্ন
১.৯ সামৰণি
১.১০ ঘাই শব্দসমূহ
১.১১. পাঠ্য নিৰ্দেশনা
আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ
প্ৰসংগ পুথি
আৰ্হি পুথি

**১.১ উদ্দেশ্য ঃ**

এই অধ্যায়টো অধ্যয়ন কৰি তোমালোকে -

- ৰাজনৈতিক দলৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিবা।
- ৰাজনৈতিক দলসমূহৰ কাৰ্যাৱলী সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিবা।
- ৰাজনৈতিক দলৰ ধাৰণা বিলাকৰ সম্পৰ্কত ধাৰণা লাভ কৰিবা

লগতে তোমালোকে প্ৰভাৰগোষ্ঠীৰ ধাৰণা, ভূমিকা আৰু কাৰ্যাৱলীৰ বিষয়ে জ্ঞাত হ'বা।

**১.২ প্ৰস্তাৱনা ঃ**

ইতিমধ্যে তোমালোকে ভাৰতীয় ৰাজনীতি আৰু চৰকাৰৰ এই পাঠ্যপুথিখন অধ্যয়নৰ জৰিয়তে এই কথা স্পষ্ট হ'লা যে ভাৰতবৰ্ষ এখন সাৰ্বভৌম গণতান্ত্রিক গণৰাজ্য। য'ত জনসাধাৰণক ৰজা হিচাপে বিবেচনা কৰা হয়। ইয়াত জনসাধাৰণে ৰাজনৈতিক দলবোৰৰ পৰা নিজৰ নিজৰ প্ৰতিনিধি নিৰ্বাচন কৰি চৰকাৰ গঠন কৰে। গতিকে গণতান্ত্রিক দেশ হিচাপে ভাৰতবৰ্ষত বহুতো ৰাজনৈতিক দল দেখিবলৈ পোৱা যায়। এই বিভিন্ন ৰাজনৈতিক দলবিলাকে ভাৰতবৰ্ষৰ ৰাজনীতিত এক গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে। এই অধ্যায়টিত তোমালোকে ৰাজনৈতিক দলসমূহৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাবা লগতে ৰাজনৈতিক দলসমূহৰ কাম-কাজ, প্ৰকৃতি আৰু প্ৰয়োজনীয়তা সম্পৰ্কেও সম্যক ধাৰণা লাভ কৰিবা। ইয়াৰ উপৰিও প্ৰভাৰগোষ্ঠীৰ বিষয়েও অধ্যয়ন কৰিবলৈ পাবা।

**১.৩ ৰাজনৈতিক দলসমূহৰ ধাৰণা ঃ**

ৰাজনৈতিক দলসমূহ হ'ল এনে কিছুমান স্বেচ্ছাসেৱী সংগঠন বা সংস্থা, যি এটা জাতি আৰু দেশৰ নাগৰিকসকলৰ মাজত মধ্যস্থতাকাৰী হিচাপে কাৰ্যনিৰ্বাহ কৰে। এই বিলাক হ'ল একোটা গোট যাৰ সদস্যসকলে একে আদৰ্শ, নীতি আৰু কাৰ্যসূচীৰ জড়িয়তে সাংবিধানিক উপায়েৰে দেশৰ ক্ষমতা দখলৰ চেষ্টা অব্যাহত ৰাখে। ভাৰতবৰ্ষৰ দৰে বহুদলীয় ব্যৱস্থাত ৰাজনৈতিক দলসমূহে নিৰ্বাচনত অংশগ্ৰহণ কৰি নিৰ্বাচিত হৈ নিজৰ লক্ষ্যত উপনীত হ'বৰ চেষ্টা কৰে।

ৰাজনৈতিক দলবিলাকৰ বিষয়ে ভালদৰে জ্ঞান লাভ কৰিবলৈ হ'লে তোমালোকে ৰাজনৈতিক দলবিলাকৰ বৈশিষ্টসমূহ অধ্যয়ন কৰাৰ প্ৰয়োজনীয়তা আছে। তলত সেইবোৰৰ উল্লেখ কৰা হ'ল।

১) ৰাজনৈতিক দলবোৰ হ'ল আনুষ্ঠানিক সদস্যভুক্ত অনুষ্ঠান। অৰ্থাৎ ইয়াৰ প্ৰতিজন সদস্যই কিছুমান নিয়ম-শৃংখলাৰ মাজৰ সদস্য ভৰ্ত্তি হ'ব লাগে।

২) ৰাজনৈতিক দলবোৰৰ সদস্যসকলে একে সময়তে এটা ৰাজনৈতিক দলৰহে সদস্য হ'ব পাৰে।

৩) ৰাজনৈতিক দলবোৰৰ সদস্যসকলে একে ৰাজনৈতিক আদৰ্শৰ দ্বাৰা অনুপ্ৰাণিত অৰ্থাৎ প্ৰতিজন সদস্যই কিছুমান দলীয় আদৰ্শ মানি চলিব লাগে। অন্যথা দলৰ পৰা বহিষ্কৃত হ'ব পাৰে।

৪) ৰাজনৈতিক দলবিলাকৰ মূল লক্ষ্য হ'ল সাংবিধানিক উপায়েৰে ক্ষমতা দখল কৰি জনসাধাৰণৰ কল্যাণ সাধন কৰা।

## ১.৪ ৰাজনৈতিক দলসমূহৰ কাৰ্যাৱলী ঃ

এই শাখাটিত তোমালোকে ৰাজনৈতিক দলসমূহৰ প্ৰয়োজনীয় কাম-কাজসমূহৰ বিষয়ে এটি ধাৰণা লাভ কৰিবা। গণতন্ত্ৰৰ অতি প্ৰয়োজনীয় অংগ হিচাপে ৰাজনৈতিক দলসমূহৰ কাম-কাজৰ তালিকা অতি বিশাল। ৰাজনৈতিক দলবোৰৰ কাৰ্যাৱলীবোৰৰ দুটা ভাগত ভাগ কৰি অধ্যয়ন কৰিব পাৰি।

ক) নিৰ্বাচনৰ লগত জড়িত কাৰ্যাৱলী।

খ) জনকল্যাণমূলক কাৰ্যাৱলী

### ১.৪.১ নিৰ্বাচনমুখী কাৰ্যাৱলী ঃ

প্ৰতিটো ৰাজনৈতিক দলৰে কিছুমান নিৰ্বাচনৰ লগত জড়িত কাম-কাজ থাকে। এই সমূহৰ ভিতৰত ঃ

১) ৰাজনৈতিক দলবিলাকৰ প্ৰথম কাৰ্যসূচী হিচাপে দলসমূহে তেওঁলোকৰ ৰাজনৈতিক কাৰ্যসূচীৰ তালিকা অৰ্থাৎ দলৰ ইস্তাহাৰ প্ৰস্তুত কৰে। ক্ষমতাত অধিষ্ঠিত হ'লে এই তালিকাভূক্ত কাৰ্যসূচী ৰূপায়িত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে।

২) ৰাজনৈতিক দলসমূহৰ নিৰ্বাচনী কাম-কাজৰ অন্যতম লক্ষ্য হ'ল ৰাজনৈতিক নেতৃত্ব আহৰণ। প্ৰতিটো ৰাজনৈতিক দলে নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ তালিকা প্ৰস্তুত কৰে আৰু ভোটাৰসকলে তালিকাভুক্ত সদস্যসকলৰ বিভিন্ন দলৰ সদস্য নিৰ্বাচিত কৰে।

৩) নিৰ্বাচনত অংশগ্ৰহণ কৰা প্ৰাৰ্থীৰ হৈ নিৰ্বাচনী প্ৰচাৰ কৰা আৰু নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হোৱাটোও ৰাজনৈতিক দলসমূহৰ অন্যতম নিৰ্বাচনমূখী কাৰ্য।

৪) ৰাজনৈতিক ক্ষমতা দখল কৰি চৰকাৰ গঠন কৰাটো হ'ল ৰাজনৈতিক দলসমূহৰ অন্যতম প্ৰধান কাৰ্য।

### ১.৪.২ জনকল্যাণমূলক কাৰ্যাৱলী ঃ

১) জনকল্যাণমূলক কাৰ্যাৱলীসমূহৰ ভিতৰত আছে স্পৃহা জাগৰণ (interest articulation) আৰু একিভূতকৰণ (aggregation)। ইয়াৰ অৰ্থ হ'ল ৰাজনৈতিক দলসমূহে নাগৰিকসকলক ৰাজনৈতিক শিক্ষা, প্ৰশিক্ষন, ৰাজনৈতিক সচেতনতা বৃদ্ধি আৰু সক্ৰিয় কৰাৰ দায়িত্ব পালন কৰে। একিভূতকৰণৰ অৰ্থ হ'ল সমগ্ৰদেশৰ বিভিন্ন স্তৰৰ লোকৰ স্বাৰ্থ একেডাল দোলৰে বান্ধি এখন ৰাজনৈতিক মঞ্চ গঠন কৰা।

২) ৰাজনৈতিক দলসমূহৰ আন এটা কাৰ্যাৱলী হ'ল দলসমূহে জনসাধাৰণ আৰু চৰকাৰৰ মাজত সংযোগ স্থাপন কৰা।

৩) নিৰ্বাচনত জয়ী হোৱা ৰাজনৈতিক দলে চৰকাৰ গঠন কৰি জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতিসমূহ পূৰণৰ জড়িয়তে জনকল্যাণ সাধন কৰা।

৪) ৰাজনৈতিক সমূহৰ অন্যতম উদ্দেশ্য হ'ল নিৰ্বাচনত জয়লাভ কৰিব নোৱাৰা দল/দলবোৰে বিৰোধী দলৰ আৱশ্যকীয় ভূমিকা পালন কৰে। বিৰোধী দল যিহেতু গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ অতি আৱশ্যকীয় অংগ।

## ১.৫ ৰাজনৈতিক দলসমূহৰ শ্ৰেণী বিভাগ ঃ

ইতিমধ্যে তোমালোকে ৰাজনৈতিক দলসমূহৰ ধাৰণা আৰু কাৰ্যাৱলীৰ বিষয়ে অধ্যয়ন কৰিলাহওঁক। তলৰ আলোচনাত তোমালোকে ৰাজনৈতিক দলসমূহৰ বিভাগবোৰৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাবা। ভাৰতীয় ৰাজনৈতিক দলবিলাকক দুটা ভাগত ভাগ কৰিব পাৰি।

১) ৰাষ্ট্ৰীয়

২) আঞ্চলিক বা প্ৰাদেশিক

ভাৰতীয় সংবিধান ৰাজনৈতিক দলসমূহ আৰু ইবিলাকৰ কাম-কাজৰ ক্ষেত্ৰত নীৰৱ। কিন্তু সংবিধানৰ ৩২৪ নং অনুচ্ছেদত নিৰ্বাচন আয়োগ (Election commission)

এখনৰ ব্যৱস্থা কৰা হৈছে। এই দফাত স্বতন্ত্ৰীয় নিৰ্বাচনী আয়োগেই হ'ল একমাত্ৰ গৰাকী যি ৰাজনৈতিক দলসমূহৰ নিৰ্বাচন সংক্ৰান্তীয় গতি-বিধি, দলসমূহৰ স্বীকৃতি দিব পাৰে। সেই অনুসৰি ৰাষ্ট্ৰীয় ৰাজনৈতিক দল হ'বলৈ হ'লে অন্ততঃ ৪খন ৰাজ্যই ইয়াক ৰাজ্যিক দল হিচাপে স্বীকৃতি প্ৰদান কৰিব লাগিব। ভাৰতবৰ্ষত বহুতো ৰাষ্ট্ৰীয় দল আছে। এই বিলাকৰ ভিতৰত কেইটামান উল্লেখযোগ্য ৰাষ্ট্ৰীয় দল হ'ল- – ভাৰতীয় জাতীয় কংগ্ৰেছ (INC), ভাৰতীয় জনতা দল আৰু ভাৰতীয় কমিউনিষ্ট দল (মাৰ্ক্স বাদী)

**ৰাষ্ট্ৰীয় দল ঃ**

তলত কেইটামান প্ৰধান ৰাষ্ট্ৰীয় দলৰ বিষয়ে তোমালোকলৈ আগবঢ়ালো। ওপৰৰ আলোচনাত তোমালোকে ৰাজনৈতিক দলসমূহৰ ধাৰণা, কাৰ্যাৱলী আৰু ইয়াৰ বিভাগ বিলাকৰ বিষয়ে এটি ধাৰণা লাভ কৰিলা। এতিয়া আমি ভাৰতৰ জাতীয় ৰাজনৈতিক দল বিলাকৰ বিষয়ে তোমালোকক এটি চমু আভাস দিম।

**১) ভাৰতীয় জাতীয় কংগ্ৰেছ (Indian National Congress) ঃ**

জনসাধাৰণৰ মাজত কংগ্ৰেছ দল নামেৰে খ্যাত ভাৰতীয় জাতীয় কংগ্ৰেছ (INC) দল এই দেশৰ সবাটোতকৈ পুৰণি দল। ১৮৮৫ চনত ডিচেম্বৰ মাহত বম্বেত জন্মলাভ কৰা এই সংগঠনটিৰ মূল প্ৰতিস্থাপক সকল আছিল উমেশচন্দ্ৰ বেনাৰ্জী, সুৰেন্দ্ৰ নাথ বেনাৰ্জী, দিনশ্বাও ওৱাচা, মনমোহন ঘোষ, এলান এক্টোভিয়ান হিউম, উইলিয়াম ৱেদেৰবাৰ্ণ, দাদাভাই নৌৰজী। আৰম্ভণিতে ভাৰতীয় জাতীয় কংগ্ৰেছে মাত্ৰ ৰাজনৈতিক সংস্কাৰৰ দাবীহে কৰিছিল। দলৰ কাম-কাজ পৰিচালনাৰ ক্ষেত্ৰত একমাত্ৰ সাংবিধানিক কৌশলৰ প্ৰয়োগ কৰা হৈছিল। অৱশ্যে ১৯০২ চনত এই দল দুটা ভাগত বিভক্ত হয়। নৰমপন্থী আৰু চৰমপন্থী। নৰমপন্থীসকলে গ্ৰহণ কৰা কৌশলৰ বিপৰীতে চৰমপন্থীসকল আছিল উগ্ৰবাদী আৰু নিজ লক্ষ্যত উপনীত হ'বৰ বাবে বা স্বাধীনতা লাভৰ বাবে তেওঁলোকে অধিক উগ্ৰ হোৱাৰ উপৰিও সময়ে সময়ে হিংসাৰ আশ্ৰয় লবলৈও পিছ হুহোকা নাছিল। মহাত্মা গান্ধীয়ে নেতৃত্ব বহন কৰাৰ পাছত ভাৰতীয় জাতীয় কংগ্ৰেছে জনসাধাৰণৰ পূৰ্ণ সহযোগিতা লাভ কৰিলে আৰু অৱশেষত দেশ স্বাধীন হ'ল।

১৯৪৭ চনত ভাৰতে স্বাধীনতা লাভ কৰাৰ পাছত ভাৰতীয় জাতীয় কংগ্ৰেছে এটা ভিন্ন ভূমিকা গ্ৰহণ কৰিলে। এসময়ত যি কংগ্ৰেছ দলে এটা জাতীয়তাবাদী আন্দোলন হিচাপে স্বাধীনতাকামী বিভিন্ন শ্ৰেণী আৰু স্বাৰ্থৰ সকলো লোকক সংঘবদ্ধ

কৰিছিল, সেই কংগ্ৰেছ এতিয়া জাতীয় আন্দোলনৰ পৰিৱৰ্তে এটা ৰাজনৈতিক দলত পৰিণত হয়। আদৰ্শ নীতিৰ ক্ষেত্ৰত (Ideology) এই দলে নিজকে ধৰ্মনিৰপেক্ষ, গণতান্ত্ৰিক আৰু আধুনিক বুলি প্ৰক্ষেপ কৰিলে। প্ৰথমটো সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলে গৰিষ্ঠতা লাভ কৰি স্বাধীন ভাৰতক শাসন কৰা প্ৰথম ৰাজনৈতিক দল। বিভিন্ন কাৰণত কংগ্ৰেছ দলে প্ৰথমটো স্বাধীন ভাৰতৰ নিৰ্বাচনত জয়ী হোৱাৰ উপৰিও ১৯৪৭ চনৰ পৰা ১৯৭৭ চনলৈ ত্ৰিশ বছৰ কাল একেৰাহে কেন্দ্ৰত ক্ষমতাত অধিষ্ঠিত হৈ থাকিবলৈ সক্ষম হৈছিল। এটা কথা উল্লেখযোগ্য যে প্ৰায় ৮৪ বছৰ এটা দীঘলীয়া সময়ৰ বাবে সংস্থাৰূপে থকাৰ পাছত ১৯৫৯ চনত কংগ্ৰেছ দলৰ মাজত নীতিগত ভাৱে বিভাজন দেখা দিয়ে আৰু ভাৰতৰ ঐতিহাসিক জাতীয় কংগ্ৰেছ দুটা দলত বিভক্ত হৈ পৰে। সংগঠনিক কংগ্ৰেছ আৰু ইন্দিৰাপন্থী কংগ্ৰেছ। (এইসময়ৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নাম অনুযায়ী), ১৯৭১ চনৰ পঞ্চম সাধাৰণ নিৰ্বাচনত ইন্দিৰাপন্থী কংগ্ৰেছ (আই)দলে বিপুল সংখ্যাধিক্য লাভ কৰি ক্ষমতাত অধিষ্ঠিত হয়। কংগ্ৰেছ দলৰ কৃতকাৰ্যতাৰ কেইটামান উল্লেখযোগ্য কাৰণ হ'ল–

১) ভাৰতীয় জাতীয় কংগ্ৰেছে স্বাধীনতা সংগ্ৰামৰ সময়ছোৱাত জনসাধাৰণৰ পৰা লাভ কৰা বিশ্বাস আৰু সমৰ্থন ধাৰাবাহিকভাৱে স্বাধীনোত্তৰ কালতো লাভ কৰিবলৈ সক্ষম হৈছিল।

২) পণ্ডিত জৱাহৰলাল নেহেৰুকে প্ৰমুখ কৰি কিছুমান আদৰ্শনীয় ব্যক্তিত্বসুলভ নেতাৰ উপস্থিতি।

৩) ধৰ্মনিৰপেক্ষতা, সমাজবাদ, গণতন্ত্ৰ আদি ইয়াৰ নীতি বা আদৰ্শসমূহেও এই ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগায়।

২০০৪ চনৰ সাধাৰণ নিৰ্বাচনৰ ঠিক পাছত লোকসভাত একক সংখ্যাগৰিষ্ঠতা লাভ কৰা কংগ্ৰেছ দলৰ নেতৃত্বত ১৫টা ৰাজনৈতিক দলৰ এটা জোঁট তৈয়াৰ কৰি সংযুক্ত প্ৰগতিশীল মৰ্চা (United prograssive alliance- UPA) গঠন কৰা হয়।

২০০৯ চনৰ পঞ্চদশ লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল অনুসৰি কংগ্ৰেছ নেতৃত্বাধীন সংযুক্ত প্ৰগতিশীল মৰ্চাই (ইউ.পি.এ)সাফল্য লাভ কৰিছে। এই নিৰ্বাচনত কংগ্ৰেছ দলে ২০৫ খন আসন লাভ কৰাৰ লগতে মিত্ৰজোটেৰে লগলাগি মুঠ ২৫২ খন আসন লাভ কৰি দ্বিতীয়বাৰৰ বাবে মনমোহন সিঙৰ নেতৃত্বত ক্ষমতালৈ আহিবলৈ সক্ষম হয়।

## ২) ভাৰতীয় জনতা দল (Bharatiya Janata party-BJP)

ভাৰতীয় জনতা দল (ভা.জ.পা) অটলবিহাৰী বাজপেয়ীৰ নেতৃত্বত ১৯৮০ চনৰ এপ্রিল মাহত গঠিত হয়। পূৰ্বৰ ভাৰতীয় জনসংঘৰ (ভা.জ.স.) বেছিভাগ সদস্যক লৈয়েই এই দল গঠিত । এখন দেশ, এটা জাতি, এটা সংস্কৃতি আৰু এখন আইনৰ দ্বাৰা শাসিত এই চাৰিটা বাক্যকে আধাৰ হিচাপে লৈ ১৯৫১ চনত ড° শ্যাম প্ৰসাদ মুখাৰ্জীৰ সভাপতিত্বত ভাৰতীয় জনসংঘ প্ৰতিষ্ঠা কৰা হৈছিল। ভাৰতীয় জনসংঘ আছিল এটা ৰাষ্ট্ৰীয় দল। উত্তৰ ভাৰতৰ অঞ্চলসমূহ আছিল ইয়াৰ সমৰ্থন ভূমি। এই দলে জয় প্ৰকাশ নাৰায়ণৰ কংগ্ৰেছ বিৰোধী, দুৰ্নীতি বিৰোধী, সংস্কাৰ আন্দোলনক সমৰ্থন জনাইছিল। ১৯৭৭ চনত ভাৰতীয় জনসংঘ জনতা পাৰ্টিৰ অংশীদাৰ হয়। কিন্তু পূৰ্বৰ ভাৰতীয় জনসংঘৰ সদস্যসকলৰ আৰ. এচ. এচ. (R.S.S.)ৰ সদস্যভুক্তিৰ প্ৰশ্নত জনতা দলৰ মাজত ভাঙোণ আৰম্ভ হয় আৰু ১৯৮০ চনত সাধাৰণ নিৰ্বাচনত জনতা দল পৰাজয় হোৱাত পূৰ্বত ভাৰতীয় জনসংঘৰ অধিকাংশ সদস্যই জনতা দল ত্যাগ কৰি ভাৰতীয় জনতা দল গঠন কৰে। নীতি বা আদৰ্শৰ ক্ষেত্ৰত ভাৰতীয় জনতা দলে নিম্নলিখিত নীতি বা আদৰ্শ মানি চলে -

* পূৰ্ণ মানৱতাবাদ (Integral humanism)
* হিন্দুত্ব

পূৰ্ণ মানৱতাবাদ ভাৰতীয় জনতা দলৰ ৰাজনৈতিক দৰ্শন স্বৰূপ। এই দৰ্শন দিনদয়াল উপাধ্যায়ে ১৯৬৫ চনত প্ৰথমবাৰৰ বাবে প্ৰস্তুত কৰে। ই 'স্বদেশী' আৰু 'বিকেন্দ্ৰীকৰণৰ' ওপৰত ভিত্তি কৰি গঠি উঠিছে।

ইয়াৰ উপৰিও এই দল জাতীয়তাবাদ / ৰাষ্ট্ৰীয়তাবাদ, ৰাষ্ট্ৰীয় ঐক্য; গণতন্ত্ৰ, গান্ধীবাদী সমাজবাদ আৰু মূল্যভিত্তিক ৰাজনীতিৰ প্ৰতি দায়বদ্ধ। বিগত বছৰসমূহৰ সাধাৰণ নিৰ্বাচন বিলাকত এই দলে ভোটাৰৰ সমৰ্থন বৃদ্ধি কৰাত যথেষ্ট কৃতকাৰ্য হৈছে। ভা.জ.পাই ১৯৯১, ১৯৯৬, ১৯৯৮ আৰু ১৯৯৯ ৰ নিৰ্বাচনত ক্ৰমে ১২২, ১৬১, ১৮১ আৰু ১৮২ খন আসন দখল কৰিবলৈ সমৰ্থ হয়।

এই কেইবছৰত ভা.জ.পা ই এটা গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় দল হিচাপে আত্ম প্ৰকাশ কৰিছে। এতিয়া এই দল ক্ষমতাত নাই কিন্তু ভা.জ.পাৰ নেতৃত্বত ১৯৯৮ চনত ১৩টা ৰাজনৈতিক দল একগোট হৈ গঠন কৰা জাতীয় গণতান্ত্ৰিক মৰ্চা (National Democratic Alliance -NDA) য়ে বিৰোধীদল হিচাপে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

## ৩) ভাৰতীয় কমিউনিষ্ট পাৰ্টি [মাৰ্ক্স বাদী (CPI(M)]

স্বাধীনতা সংগ্ৰাম চলি থকা সময়তে ভাৰতত সাম্যবাদী দল গঠন হৈছিল বুলি কব পাৰি। ছোভিয়েত ৰাছিয়াৰ বিখ্যাত অক্টোবৰ বিপ্লৱৰ ভাবধাৰাই ভাৰতৰ বিপ্লৱী সকলক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল। অৱশ্যে ভাৰতৰ সাম্যবাদী দলে স্বাধীনতাৰ আগেয়ে জাতীয় আন্দোলনত সোমাই পৰাৰ চেষ্টাত বেছি আগবাঢ়িব পৰা নাছিল আৰু জনসাধাৰণকো বেছি আকৃষ্ট কৰিব পৰা নাছিল। ভাৰতৰ সাম্যবাদী দল সমাজবাদত একান্ত বিশ্বাসী, শ্ৰমিক, কৃষক আৰু সাধাৰণ শ্ৰমজীৱী লোকসকলৰ এটা স্বেচ্ছামূলক সংগঠন। কৃষক, শ্ৰমিকসকলৰ হাতলৈ ক্ষমতা হস্তান্তৰ কৰাটো সাম্যবাদী দলৰ প্ৰধান লক্ষ্য হিচাপে গ্ৰহণ কৰা হৈছে।

ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় পৰ্যায়ত দুটা কমিউনিষ্ট পাৰ্টি আছে। ভাৰতৰ কমিউনিষ্ট পাৰ্টি (চি.পি.আই) আৰু ভাৰতৰ মাৰ্ক্সবাদী পাৰ্টি। ১৯২৫ চনত চি.পি.আই গঠিত হয়। মাৰ্ক্সবাদৰ পৰা প্ৰভাৱান্বিত কেইজনমান লোক এই দলৰ জন্মদাতা। চি.পি.আই দলৰ সংবিধানত কোৱা হৈছে এইটো হ'ল ভাৰতীয় বনুৱাসকলৰ ৰাজনৈতিক দল, জনমত ইয়াৰ অগ্ৰণী বাহিনী, শ্ৰেণী সংবিধানৰ সৰ্বোচ্চ স্বৰূপ। এইটো হ'ল বনুৱা, কৃষক আৰু মেহনতি জনতাৰ স্বেচ্ছামূলক সংগঠন। ইয়াৰ লক্ষ্য সমাজবাদ আৰু সাম্যবাদ প্ৰতিষ্ঠা কৰা।

১৯৫২ চনৰ চীনৰ আক্ৰমণৰ পাছত দলৰ মাজত মতবিৰোধৰ সৃষ্টি হয়। এই মতবিৰোধৰ ফলত ১৯৫৪ চনত দলটো দুটা ভাগত বিভাজিত হয়। এটা দল হ'ল চি.পি.আই আনটো হ'ল চি.পি.আই(এম)। ১৯৫৪ চনত কলিকতাত অনুষ্ঠিত হোৱা কমিউনিষ্ট পাৰ্টিৰ সপ্তম কংগ্ৰেছত চি.পি.আই(এম)দলৰ জন্ম হয়। বিভাজন হোৱা সত্বেও ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক কাৰ্যসূচীৰ ক্ষেত্ৰত দল দুটাৰ মাজত পাৰ্থক্য লক্ষণীয়। দল দুটাৰ পাৰ্থক্য হ'ল মূলতঃ চীন কেন্দ্ৰীক। চি.পি. আই(এম)-য়ে ভাৰতীয় অৰ্থনৈতিক পৰিকল্পনা আৰু স্বাধীন ৰূপত গঢ় দিয়াৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। এই দল বিদেশী শক্তি; প্ৰধানতঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল হোৱাৰ তীব্ৰ বিৰোধী। পাৰ্টিৰ সংবিধানত কোৱা হৈছে যে সৰ্বহাৰাৰ একনায়কত্ববাদ প্ৰতিষ্ঠাৰ যোগেদি পাৰ্টিয়ে সমাজবাদ আৰু সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰে।

বৰ্তমান মাৰ্ক্সবাদী সাম্যবাদী দলৰ জনপ্ৰিয়তা ক্ৰমাৎ হ্ৰাস পাই থকা যেন অনুমান হয়। সপ্তম, অষ্টম আৰু নৱম সাধাৰণ নিৰ্বাচনত কেন্দ্ৰত এই দলৰ প্ৰতিনিধিত্ব তেনেই হ্ৰাস পাইছে। ১৯৯১ চনত দশম সাধাৰণ নিৰ্বচনতো এই দলে জনপ্ৰিয়তা লাভ কৰিব পৰা নাই। ২০০৪ চনত চতুৰ্দশ নিৰ্বাচনত এই দলে ভাল ফল কৰিছিল আৰু সংযুক্ত প্ৰগতিশীল চৰকাৰক বামপন্থী দলসমূহে সমৰ্থন দি আহিছিল। কিন্তু ২০০৮ চনত বাওঁপন্থী দলসমূহে সংযুক্ত প্ৰগতিশীল চৰকাৰৰ প্ৰতি থকা সমৰ্থন উঠাই

লৈছিল। ২০০৯ চনত পঞ্চদশ নিৰ্বাচনত এই দলে আগৰ নিৰ্বাচনবোৰত থকা জনপ্ৰিয়তা ধৰি ৰাখিবলৈ সক্ষম নহ'ল। ২০১১ চনত অনুষ্ঠিত বিধানসভাৰ নিৰ্বাচনত এই দলে নেতৃত্ব দিয়া বামফ্ৰন্ট চৰকাৰৰ মুখ্য ঘাটি পশ্চিমবংগ আৰু কেৰেলাৰ শাসনৰ পৰা ক্ষমতাচ্যুত হয়।

**১.৫.২ আঞ্চলিক বা প্ৰাদেশিক ৰাজনৈতিক দল ঃ**

প্ৰাদেশিক বা আঞ্চলিক দল হ'ল সেইবোৰ যিবোৰে একোখন নিৰ্দিষ্ট প্ৰদেশ বা ৰাজ্যত কাম-কাজ কৰে আৰু সাধাৰণতে সেইখন ৰাজ্য বা প্ৰদেশৰ নিৰ্বাচনত অংশগ্ৰহণ কৰে। এইবিলাক দলৰ কাৰ্যসূচী আৰু নীতি ৰাষ্ট্ৰীয় দলসমূহতকৈ ঠেক পৰিসৰৰ। অতি সাম্প্ৰতিক কালত আঞ্চলিক দলৰ সংখ্যা বহুল পৰিমাণে বৃদ্ধি পাইছে। বিভিন্ন আঞ্চলিক দলসমূহৰ জন্ম বিভিন্ন কাৰণত হয়। আঞ্চলিক দলসমূহৰ বিষয়ে অধ্যয়ন কৰাৰ আগতে এনে দল হ'বলৈ হ'লে কি কি বৈশিষ্ট থাকিব লাগে সেই কথাও অধ্যয়ন কৰিব লাগিব।

ৰাজনৈতিক দলসমূহে আঞ্চলিক দল হিচাপে স্বীকৃতি পাবলৈ কিছুমান বিশেষ চৰ্ত পূৰণ কৰিব লাগে। ১৯৫৮ চনৰ নিৰ্বাচনী প্ৰতীক (সংৰক্ষণ আৰু নিৰ্দিষ্ট কৰণ) আইনত কোৱা হৈছে যে Clause A বা Clause B ত নিৰ্দিষ্ট কৰি দিয়া নিম্নলিখিত চৰ্ত এটাৰ যি কোনো এটা পূৰণ কৰিলেহে এটা ৰাজনৈতিক দলক আঞ্চলিক দল হিচাপে স্বীকৃতি দিয়া হয়।

**Clause A**

* যদিহে দলটো একেবাৰে পাঁচ বছৰ ৰাজনৈতিক কাম কাজত জড়িত হৈ আছে।
* যদিহে দলটোৱে সাধাৰণ নিৰ্বাচন বা সেই ৰাজ্যৰ বিধান সভাৰ নিৰ্বাচনত তলত উল্লেখ কৰাৰ দৰে সদস্য নিৰ্বাচন কৰি পঠাব পাৰে।
    (i) লোক সভাৰ জাতি ২৫ জন সদস্যৰ ভিতৰত অন্ততঃ এজন সদস্য লোকসভালৈ নিৰ্বাচন কৰি পঠাব পাৰিছে।
    (ii) বিধানসভাৰ প্ৰতি ১০জন সদস্যৰ মাজৰ পৰা অন্ততঃ এজন সদস্য বিধানসভালৈ নিৰ্বাচন কৰি পঠাব পাৰিছে।

**Clause B**

নিম্ন সদন বা উচ্চ সদনৰ বাবে অনুষ্ঠিত সাধাৰণ নিৰ্বাচনত অংশগ্ৰহণ কৰা দলটোৰ প্ৰাৰ্থীসকলে যদিহে সকলো দলৰ সমূহ প্ৰাৰ্থীয়ে লাভ কৰা ন্যায়সংগত সমুদায় ভোটৰ কমেও চাৰি শতাংশ ভোট লাভ কৰিবলৈ সক্ষম হয়।

**আঞ্চলিক দলসমূহ গঢ় লৈ উঠাৰ বিভিন্ন কাৰণসমূহৰ ভিতৰত কেইটামান উল্লেখযোগ্য কাৰণ হ'ল ঃ**

আঞ্চলিক সমস্যাসমূহ সৰ্বভাৰতীয় দলসমূহে কাৰ্যকৰী ৰূপত সমাধা কৰিব নোৱাৰা। সৰ্বসাধাৰণৰ মাজত দেখা দিয়া ক্ৰমবৰ্দ্ধমান সাংস্কৃতিক সচেতনতা আৰু এটা অঞ্চলৰ বাসিন্দাসকলৰ মাজত জাগি উঠা ভাষা আৰু সংস্কৃতি ৰক্ষণাবেক্ষণৰ তাড়নায়ো আঞ্চলিক দলৰ জন্ম দিয়ে। বহুক্ষেত্ৰত সাম্প্ৰদায়িক স্বাৰ্থ ৰক্ষণাবেক্ষণৰ কাৰণেও আঞ্চলিক ৰাজনৈতিক দল সৃষ্টি হোৱা দেখা যায়। পাঞ্জাবৰ আকালি দলকো এই শ্ৰেণীৰ দলত স্থান দিব পাৰি।

তোমালোকে আগৰ আলোচনাত আঞ্চলিক দ'ল হিচাপে প্ৰতিষ্ঠিত হ'বলৈ প্ৰয়োজন হোৱা চৰ্তসমূহৰ লগতে গঠনৰ কাৰণসমূহৰ বিষয়ে এটি সম্যক ধাৰণা পালাহওঁক। এতিয়াৰ আলোচনাত আমি ভাৰতৰ আঞ্চলিক ৰাজনৈতিক দলবিলাকৰ বিষয়ে আলোচনা কৰিম।

**অসম গণ পৰিষদ (A.G.P) ঃ**

**১৯৮৫** চনত অসমত অসম গণ পৰিষদ বা অগপ দলৰ জন্ম হয়। অসম আন্দোলৰ লগত এই দলৰ জন্ম জড়িত হৈ আছে। প্ৰকৃততে প্ৰফুল্ল কুমাৰ মহন্ত, ভৃগু কুমাৰ ফুকন আদি অসম আন্দোলনৰ অগ্ৰণী নেতাসকলেই এই দলৰ জন্মদাতা। **১৯৮৫** চনৰ **১৪** অক্টোবৰত গোলাঘাটত এই দলৰ কৰ্মক্ষেত্ৰ আৰম্ভ হয়। **১৯৭৯** চনৰ পৰা **১৯৮৫** চনলৈ সদৌ অসম ছাত্ৰ সন্থাৰ তত্বাবধানত হোৱা বিদেশী বহিষ্কাৰ আন্দোলনৰ ফলশ্ৰুতিত অগপৰ গঠন হৈছিল। **১৯৮৫** চনৰ ডিচেম্বৰ মাহত অসম বিধানসভাৰ অধিবেশনত অংশগ্ৰহণ কৰি অ.গ.প দলে চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। অসমৰ বাবে আছিল ই এক ঐতিহাসিক ঘটনা। কাৰণ অগপই হ'ল অসমৰ চৰকাৰ গঠন কৰা প্ৰথম আঞ্চলিক দল। এই দল গঠনৰ আগেয়ে অসমত কংগ্ৰেছ দলেই আছিল সবাতোকৈ শক্তিশালী দল। জন্মৰ মাত্ৰ দুমাহৰ পাছতে অগপ দলে চৰকাৰ গঠন কৰিবলৈ সমৰ্থ হোৱাৰ অন্তৰালত বহুতো কাৰণ আছে।

দলে এটা ৰাষ্ট্ৰীয় সমস্যা, অসমৰ পৰা বিদেশী বিতাড়ণকে ভিত্তি কৰি নিৰ্বাচনী যুজঁখনত অৱতীৰ্ণ হৈছিল। এই গুৰুত্বপূৰ্ণ বিষয়টোৱে দলক জনসাধাৰণৰ প্ৰৱল সমৰ্থন লাভ কৰাত সহায় কৰে।

জনসাধাৰণৰ অফুৰন্ত সমৰ্থন লাভ কৰিবলৈ সমৰ্থ হোৱা অসম আন্দোলনৰ নেতাসকলক লৈ গঠিত হোৱাৰ বাবে অ.গ.পৰ প্ৰাৰ্থীসকলেও জনসাধাৰণৰ সহানুভূতিসূচক সমৰ্থন লাভ কৰিবলৈ সক্ষম হয়। ছাত্ৰসকলৰ সমৰ্থনো অগপৰ কৃতকাৰ্যতাৰ অন্যতম কাৰণ।

তদুপৰি কেন্দ্ৰই অসমৰ প্ৰতি প্ৰদৰ্শন কৰা মাহী আই দৃষ্টিভংগীৰ বাবে ৰাষ্ট্ৰীয় দল  সমূহৰ প্ৰতি জন সমৰ্থন কমি আহিছিল আৰু সেয়েহে অসমৰ মানুহে নতুনকৈ জন্মলাভ কৰা দলটোলৈ অন্তঃকৰণেৰে সমৰ্থন আগবঢ়াইছিল।

অৱশ্যে পৰৱৰ্তী বিধানসভাৰ নিৰ্বাচনত অগপই ক্ষমতা ধৰি ৰাখিব নোৱাৰিলে। ১৯৯১ চনৰ মাৰ্চ মাহত নেতৃত্বৰ মাজত দেখা দিয়া সংঘাতে দলৰ বিভাজন নিশ্চিত কৰি তোলে। ইয়াৰ ফলত ভৃগু ফুকন, দীনেশ গোস্বামী, পুলকেশ বৰুৱা আদি নেতাসকলে দলৰ পৰা ওলাই গৈ নতুন অসম গণ পৰিষদ দল গঠন কৰিলে। অৱশ্যে পিচত অগপৰ মাজত মনোমালিন্যৰ অৱসান ঘটিল আৰু ১৯৯২ চনত দুয়োটা দল একত্ৰিত হ'ল। কিন্তু ২০০০ চনত পুনৰ দলটো বিভাজনৰ সন্মুখীন হয়। তৃণমূল গণ পৰিষদৰ সৃষ্টি কৰি অতুল বৰাই  এই বিভাজন আনে। ২০০৫ চনত অগপ আন এটা সংকটৰ সন্মুখীন হয়। দলৰ অন্যতম মুখ্য সদস্য প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তক দলবিৰোধী কাৰ্যকলাপৰ বাবে দলৰ পৰা বহিষ্কাৰ কৰা হয়। মহন্তই প্ৰগতিশীল অসম গণ পৰিষদ নামৰ এটা নতুন দল জন্ম দিয়ে। মুমুৰ্ষ অগপ দলৰ প্ৰাণ সঞ্জীৱিত কৰাৰ উদ্দেশ্যে ২০০৪ চনৰ ১৪ অক্টোবৰ দিনা প্ৰগতিশীল অসম গণ পৰিষদ দলে গণ পৰিষদৰ লগত পুনৰ লগ লাগে।

**ডি.এম.কে আৰু এ.আই.এ..ডি.এম.কে ঃ**

তামিলনাডুৰ প্ৰধান আঞ্চলিক ৰাজনৈতিক দল দুটা হৈছে ডি.এম.কে আৰু এ.ডি.এম.কে। তামিলনাডুৰ ব্ৰাহ্মণ বিৰোধী,  উত্তৰ ভাৰত বিৰোধী আৰু হিন্দী বিৰোধী আন্দোলনৰ ফলস্বৰূপে এই দুটা আঞ্চলিক দলৰ সৃষ্টি হৈছিল। ১৯৪৯ চনত আন্নাডুৰাইৰ  নেতৃত্বত ডি.এম.কে দল প্ৰতিষ্ঠা কৰা হৈছিল। দলীয় সংগঠন আৰু প্ৰচাৰ মাধ্যমৰ ওপৰত প্ৰভাৱ থকাৰ কাৰণে আন্নাডুৰাইৰ পিছত এই দলৰ নেতৃত্ব বহন কৰিছিল কৰুনানিধিয়ে। কিন্তু কৰুণানিধি আৰু চিত্ৰতাৰকা এম.জি. ৰামচন্দ্ৰৰ মাজত মতভেদৰ সৃষ্টি হোৱাৰ ফলত এই দলত বিভাজনৰ সৃষ্টি হয় আৰু ৰামচন্দ্ৰৰ নেতৃত্বত এ.ডি.এম.কে নামৰ আন এটা আঞ্চলিক দলৰ সৃষ্টি হয়। পিছত এই দলটোক এ.আই. এ.ডি. এম.কে নামেৰে নামাকৰণ কৰা হয়। সম্প্ৰতি কালত  দুয়োটা দলেই তামিলনাডুৰ ৰাজনীতিত প্ৰভাৱ বিস্তাৰ কৰি আহিছে।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ**

১. ৰাজনৈতিক দলৰ এটা প্ৰধান কাৰ্যাৱলী লিখা।

---------------------------------------------------------------------

---------------------------------------------------------------------

২. ভাৰতৰ দুটা জাতীয় ৰাজনৈতিক দলৰ নাম লিখা।

---------------------------------------------------------------------

---------------------------------------------------------------------

৩. ভাৰতৰ সংবিধানৰ কিমান অনুচ্ছেদত নিৰ্বাচন আয়োগৰ গঠনৰ বিষয়ে উল্লেখ আছে।

---------------------------------------------------------------------

---------------------------------------------------------------------

৪. দুটা আঞ্চলিক ৰাজনৈতিক দলৰ নাম লিখা।

---------------------------------------------------------------------

---------------------------------------------------------------------

৫. ৰাজনৈতিক দলৰ দুটা জনকল্যাণমূলক কাৰ্য লিখা।

---------------------------------------------------------------------

---------------------------------------------------------------------

৬. এটা ৰাজনৈতিক দলক কোনে ৰাষ্ট্ৰীয় বা ৰাজ্যিক দল হিচাপে স্বীকৃতি দিব পাৰে?

---------------------------------------------------------------------

---------------------------------------------------------------------

## ১.৬ প্ৰভাৱগোষ্ঠীৰ ধাৰণা ঃ

ওপৰৰ আলোচনাত তোমালোকে ৰাজনৈতিক দলৰ বিষয়ে এটি সম্যক ধাৰণা পালাহওঁক। এতিয়াৰ আলোচনাত প্ৰভাৱগোষ্ঠীৰ ধাৰণা, কাৰ্যাৱলী আৰু অধিকাৰৰ বিষয়ে এটি সম্যক ধাৰণা দিম।

ৰাজনৈতিক দলৰ বাহিৰেও গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহত প্ৰভাৱগোষ্ঠী আৰু স্বাৰ্থসম্বলিত গোট থকা দেখা যায়। সাধাৰনতে গণতান্ত্ৰিক ৰাষ্ট্ৰসমূহতে এই গোটসমূহে নিজৰ লক্ষ্য সাধন কৰিব পাৰে। এই প্ৰভাৱগোষ্ঠীবিলাক গঠন কৰা হয় মূলত নিজৰ গোষ্ঠীটোৰ স্বাৰ্থৰ ৰক্ষণাবেক্ষণ দিবৰ বাবে। ৰাজনৈতিক দল আৰু প্ৰভাৱগোষ্ঠীৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। এই গোটবিলাকে ৰাজনৈতিক দলসমূহক নানা ভাৱে সহায় কৰে।

সাধাৰণতে কোনো উদ্দেশ্য সাধনৰ কাৰণে সংগঠিতভাৱে হেঁচা দিয়া ব্যক্তি সমষ্টিকে প্ৰভাৱগোষ্ঠী বুলিব পাৰি। সমাজ বিজ্ঞানৰ বিশ্বকোষ (Encyclopeadia of social Science) মতে প্ৰভাব বিস্তাৰৰ কাৰণে সংগঠিত হোৱা ব্যক্তি সমষ্টিক প্ৰভাৱগোষ্ঠী বোলা হয়।

* প্ৰভাৱগোষ্ঠী হবলৈ হ'লে এটা সংগঠনৰ প্ৰয়োজন।
* এই সংগঠিত ব্যক্তি সমষ্টিয়ে নিদিষ্ট কিছুমান উদ্দেশ্য সাধনৰ কাৰণে চেষ্টা কৰে।
* প্ৰভাৱগোষ্ঠীয়ে নিজৰ নিজৰ উদ্দেশ্য সাধনৰ কাৰণে চৰকাৰক প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে হেচাঁ দিয়ে।

**প্ৰভাৱগোষ্ঠীৰ প্ৰকাৰ ঃ** প্ৰভাৱগোষ্ঠীবিলাকৰ লক্ষ্যৰ ওপৰত ভিত্তি কৰিহে বিভিন্ন ভাগ কৰিব পাৰি। যি কোনো দেশত বিভিন্ন ধৰণৰ প্ৰভাৱগোষ্ঠী দেখিবলৈ পোৱা যায়। প্ৰভাৱগোষ্ঠীৰ ধৰণ ইয়াৰ লক্ষ্য আৰু কাৰ্যপন্থাৰ ওপৰত নিৰ্ভৰ কৰে। বিভিন্ন ধৰনৰ প্ৰভাৱগোষ্ঠী হ'ল ব্যৱসায় আৰু বাণিজ্য সম্পৰ্কীয় প্ৰভাৱগোষ্ঠী যেনে ক্যালকাটা চেম্বাৰ্চ অৱ কমাৰ্চ, ইণ্ডিয়ান মাৰ্চেন্ট চেম্বাৰ্চ ইত্যাদি, শ্ৰমিক সংগঠন যেনে Indian National Trade Union Congress, Hind Majdoor Parishad ইত্যাদি। ধৰ্মীয় আৰু সাম্প্ৰদায়িক গোট মহাৰাষ্ট্ৰ নৱ নিৰ্মান সেনা, শিৱসেনা ইত্যাদি পেচা সম্পৰ্কীয় গোট।

## ১.৭ প্ৰভাৱগোষ্ঠীৰ কাৰ্যাৱলী ঃ

ওপৰৰ আলোচনাত প্ৰভাৱগোষ্ঠীৰ ধাৰণা আৰু প্ৰকাৰ সম্পৰ্কে ধাৰণা পালা এতিয়া আমি প্ৰভাৱগোষ্ঠীৰ কাৰ্যৱলী আৰু ভূমিকাৰ বিষয়ে লিখিম।

গণতান্ত্ৰিক দেশৰ ৰাজনৈতিক ব্যৱস্থাত প্ৰভাৱগোষ্ঠী আৰু স্বাৰ্থ সম্বলিত গোটে এই বিলাকৰ স্বাৰ্থক আগত ৰাখি বিভিন্ন কাৰ্য সম্পাদন কৰে। এই গোটসমূহৰ লক্ষ্য হ'ল যে এইবিলাকৰ কাৰ্য সম্পাদনৰ জৰিয়তে যাতে নিজ স্বাৰ্থ সফল কৰিব পৰা যায়। সাধাৰণতে এই গোট বিলাকে তলত দিয়া কাৰ্যবিলাক সম্পাদন কৰে।

১) গোষ্ঠীটোৰ স্বাৰ্থ ৰক্ষাৰ বাবে আচঁনি প্ৰস্তুত কৰা
২) এই গোট বিলাকে বহু সময়ত নিজৰ স্বাৰ্থ পূৰণৰ বাবে ৰাজনৈতিক দলৰ হৈ কিছুমান কাম কৰিবলগীয়া হয়।
৩) প্ৰভাৱগোষ্ঠী বিলাকে নিৰ্বাচনী কাৰ্যতো অংশগ্ৰহণ কৰে। দলীয় প্ৰাৰ্থীসকলে জয়ী হৈ গোটবিলাকৰ স্বাৰ্থৰক্ষা কৰিব বুলি আশ্বাস দিলেহে এই বিলাক নিৰ্বাচনী কাৰ্যত লিপ্ত হয়।

৪) জন সম্পৰ্কীয় কাৰ্য ঃ প্ৰভাৱগোষ্ঠী বিলাকে বহুতো সময়ত জনতাৰ সৈতে সম্পৰ্ক ৰাখে আৰু জনমত সম্পৰ্কে চৰকাৰক সজাগ ৰাখে। কেতিয়াবা এই বিলাকে জনসাধাৰণ আৰু চৰকাৰৰ মাজত যোগসূত্ৰ হিচাপে কাৰ্যকলাপ কৰে।

৫) জনমত গঠন সম্পৰ্কীয় কাৰ্য প্ৰধান গোষ্ঠীবিলাকে সম্পাদন কৰা দেখা যায়। দেশে সন্মুখীন হৈ থকা বিভিন্ন সমস্যাৰ প্ৰতি এই গোষ্ঠীবিলাকে জনমত গঠন কৰি চৰকাৰক প্ৰভাৱান্বিত কৰে।

ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে প্ৰভাৱগোষ্ঠী বিলাক বিভিন্ন ধৰণৰ কাৰ্যসূচী সম্পাদনৰ জৰিয়তে নিজৰ স্বাৰ্থৰক্ষা কৰিবলৈ চেষ্টা কৰে। প্ৰভাৱগোষ্ঠীৰ ভুমিকা ইয়াৰ সুসংগঠন সমৰ্থকসকলৰ ওপৰত নিৰ্ভৰ কৰে। গণতান্ত্ৰিক ৰাষ্ট্ৰত এই গোটবিলাকক অৱহেলা কৰিব নোৱাৰি কাৰণ ভোটদাতাসকলৰ ওপৰতো এই বিলাকৰ যথেষ্ট প্ৰভাৱ আছে।

## ১.৮ প্ৰভাৱগোষ্ঠীৰ ভুমিকা (Role of presure groups)ঃ

১) ৰাজনৈতিক দলবিলাকৰ দৰে প্ৰভাৱগোষ্ঠীবিলাকে বৰ্তমান যুগত গণতান্ত্ৰিক শাসন ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। বৰ্তমান যিহেতু প্ৰতিনিধি মূলক গণতন্ত্ৰৰ যুগ। এই যুগত ৰাজনৈতিক দলৰ শাসন চলে। ৰাজনৈতিক দলসমূহৰ সুকীয়া সুকীয়া কাৰ্যসূচী আছে। সেয়েহে কোনো এটা দলেই দেশৰ নাগৰিকৰ ইচ্ছা বা আকাঙ্খা পূৰণ কৰিব নোৱাৰে। ফলত জনসাধাৰণ তেওঁলোকৰ উমৈহতীয়া স্বাৰ্থৰক্ষাৰ কাৰণে সংঘবদ্ধ হ'ব লগা হয়। এনেকুৱা সংঘ বা সংগঠনেই হল প্ৰভাৱগোষ্ঠী। জনসাধাৰণে এনেকুৱা সংঘৰ জড়িয়তে চৰকাৰক হেঁচা দি তেওঁলোকৰ স্বাৰ্থ পূৰণৰ চেষ্টা কৰে।

২) নিৰ্বাচনৰ কাৰণে সমষ্টি সমূহ ভৌগলিক বা এলেকাভিত্তিত ঠিক কৰা হয়। একোটা সমষ্টিত বিভিন্ন ধৰণৰ কাম কৰা মানুহ থাকে। এজন প্ৰতিনিধিয়ে এই বিভিন্ন শ্ৰেণীৰ প্ৰতিনিধিত্ব কৰিব লগা হয়। এজন লোকৰ কাৰণে বিভিন্ন শ্ৰেণীৰ লোকক প্ৰতিনিধিত্ব কৰা সহজ নহয়। সেয়েহে এলেকাভিত্তিক নিৰ্বাচিত প্ৰতিনিধিয়ে নিজৰ বাহিৰে আনক প্ৰতিনিধিত্ব নকৰে। ফলত একে স্বাৰ্থৰ দ্বাৰা প্ৰভাৱান্বিত মানুহে একলগ হৈ প্ৰভাৱগোষ্ঠী গঠন কৰে আৰু এই গোষ্ঠীসমূহ জড়িয়তে উমৈহতীয়া স্বাৰ্থৰক্ষাৰ ব্যৱস্থা কৰে।

৩) গণতান্ত্রিক দেশত প্ৰভাৱগোষ্ঠী বোৰৰ আন এটা দায়িত্ব হ'ল ব্যক্তিগত স্বাধীনতা ৰক্ষা কৰা। গণতান্ত্রিক সংবিধানৰ নাগিৰকসকলক কিছুমান মৌলিক অধিকাৰ দিয়া হয়। কেতিয়াবা কেতিয়াব ব্যক্তিগত বা দলীয় স্বাৰ্থৰক্ষাৰ কাৰণে চৰকাৰে নাগৰিকৰ ব্যক্তিগত স্বাধীনতাত হস্তক্ষেপ কৰিবলৈ উদ্যত হ'ব পাৰে। এনে অৱস্থাত ব্যক্তিগত ভাৱে কোনো নাগৰিকে চৰকাৰক হেঁচা দিলেও তেনে হেঁচাৰ ওপৰত চৰকাৰে কোনো গুৰুত্ব নিদিব পাৰে। কিন্তু সংগঠিত ব্যাক্তিৰ সমষ্টিয়ে নিজৰ সংগঠনৰ জড়িয়তে চৰকাৰক হেঁচা দিলে তেনে হেঁচাক আওঁকান কৰিব নোৱাৰে। এনেদৰে প্ৰভাৱগোষ্ঠীসমূহে সংগঠিত প্ৰচেষ্টাৰ দ্বাৰা নাগৰিকৰ স্বাধীনতা ৰক্ষাত গুৰুত্বপূৰ্ণভূমিকা গ্ৰহণ কৰিব পাৰে।

ওপৰৰ আলোচনাৰ পৰা সহজে অনুমান কৰিব পাৰি যে প্ৰতিনিধিমূলক গণতন্ত্ৰত প্ৰভাৱগোষ্ঠীসমূহে নাগৰিকৰ স্বাৰ্থৰক্ষা আৰু নাগৰিকৰ স্বাধীনতা ৰক্ষাৰ বাবে বিভিন্ন ধৰণে অৱদান যোগাব পাৰে। সেয়েহে ৰাজনৈতিক দলৰ নিচিনা প্ৰভাৱগোষ্ঠী ও পৰোক্ষভাৱে গণতন্ত্ৰৰ এক অবিচ্ছেদ্য অংগ হৈ পৰে।

**প্ৰভাৱগোষ্ঠীৰ বৈশিষ্টসমূহ ঃ** প্ৰভাৱগোষ্ঠীৰ বিষয়ে ওপৰোক্ত আলোচনাৰ পৰা পৰ্যালোচনা কৰিলে তলত দিয়া বৈশিষ্টবোৰ আমি দেখিবলৈ পাওঁ। তলত সেই বৈশিষ্টবিলাক উল্লেখ কৰা হ'ল।

১) প্ৰভাৱগোষ্ঠীৰ উমৈহতীয়া লক্ষ্য আছে। কিছুমান লক্ষ্য সাধনৰ বাবে এই গোষ্ঠীবিলাক গঠন কৰা হয়। একে উদ্দেশ্য থকা লোকসকল ইয়াৰ সভ্য হয়।

২) প্ৰভাৱগোষ্ঠীবিলাক ৰাজনীতিৰ পৰা আতঁৰি থাকে। সাধাৰণ ৰাজনৈতিক ঘটনাৰ সৈতে ইয়াৰ কোনো সম্পৰ্ক নাই। ইয়াৰ স্বাৰ্থৰ সৈতে জড়িত ৰাজনৈতিক কথাৰ লগত অৱশ্যে ইয়াৰ সম্পৰ্ক আছে।

৩) প্ৰভাৱগোষ্ঠীৰ ৰাজনৈতিক ক্ষমতা লাভৰ কোনো উদ্দেশ্য নাই। এইবিলাক কেৱল কিছুমান উদ্দেশ্য সাধনৰ বাবে গঠন কৰা হয়।

৪) প্ৰভাৱগোষ্ঠীবিলাকৰো নিজৰ একোটা সংগঠন থাকে। সংগঠনৰ জৰিয়তে এইবিলাকে কাৰ্যসম্পাদন কৰে।

**আত্মমূল্যায়নৰ প্ৰশ্ন - খ ঃ**

১)  ৰাজনৈতিক দল আৰু প্ৰভাৱগোষ্ঠীৰ মাজত থকা এটা প্ৰধান পাৰ্থক্য লিখা।

---------------------------------------------------------------------

---------------------------------------------------------------------

২)  ভাৰতবৰ্ষৰ এটা ব্যৱসায়িক প্ৰভাৱগোষ্ঠীৰ নাম লিখা।

---------------------------------------------------------------------

---------------------------------------------------------------------

**১.৯  সামৰণি ঃ**

ওপৰোক্ত আলোচনাৰ পৰা তোমালোকে এটা থকা স্পষ্ট হ'লা যে ভাৰতৰ দৰে গণতান্ত্রিক দেশ এখনত ৰাজনৈতিক দল আৰু প্ৰভাৱগোষ্ঠী দুয়োটাৰে অতি প্ৰয়োজনীয়। ৰাজনৈতিক দলসমূহ মূলতঃ চৰকাৰ আৰু জনসাধাৰণৰ মাজত এক যুগসূত্ৰকাৰী অনুষ্ঠান। লগতে ৰাজনৈতিক দলসমূহে ভাৰতৰ দৰে এখন অশিক্ষিত দেশৰ জনসাধাৰণক ৰাজনৈতিক ভাৱে সচেতন কৰি তোলাত যথেষ্ট গুৰুত্ব দিয়া দেখা যায়। আনহাতেদি প্ৰভাৱগোষ্ঠী বিলাক হ'ল জনসাধাৰণৰ অৰ্থাৎ একেধৰণৰ গোষ্ঠীসমূহৰ অভাৱ-অভিযোগ ৰক্ষণাবেক্ষণ দিয়া একোটা সংস্থা। এই গোষ্ঠীসমূহে বিভিন্ন ঠাইৰ জনসাধাৰণৰ উমৈহতীয়া স্বাৰ্থ ৰক্ষাৰ বাবে চৰকাৰক হেঁচা দিয়ে। বহু ক্ষেত্ৰত প্ৰভাৱগোষ্ঠীবিলাকৰ স্বাৰ্থ ৰক্ষাৰ বাবে চৰকাৰেও যথেষ্ট গুৰুত্ব সহকাৰে বিবেচনা কৰে। উদাহৰণস্বৰূপে, ব্যৱসায়িক গোষ্ঠীবিলাকৰ স্বাৰ্থ চৰকাৰে পূৰণ কৰিবলৈ বাধ্য যিহেতু চৰকাৰে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবৰ বাবে বহু মোটা অংকৰ ধন সংগ্ৰহ কৰে এই ব্যৱসায়িক গোষ্ঠীবিলাকৰ পৰা।

**১.১০  পাঠ্য নিৰ্দেশনা ঃ**

১)  স্নাতক মহলাৰ ভাৰতীয় ৰাজনৈতিক ব্যৱস্থা- এক আলোকপাত
    দুৰ্গাকান্ত শৰ্মা, ৰফিক জামান আৰু ড°পূৰবী শৰ্মা

২)  স্নাতক মহলাৰ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা-
    শ্ৰী কৃপেশ চন্দ্ৰ পাল আৰু প্ৰতুল চন্দ্ৰ নায়ক

৩)  ভাৰতৰ প্ৰশাসন আৰু ৰাজনীতি -
    পুৰন্দৰ গগৈ।

**আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ ঃ**

ক) ১) ৰাজনৈতিক ক্ষমতা দখল কৰি চৰকাৰ গঠন কৰা

২) ভাৰতীয় জাতীয় কংগ্ৰেছ, ভাৰতীয় জনতা পাৰ্টি

৩) উত্তৰ সংবিধানৰ ৩২৪ অনুচ্ছেদ

৪) অসম গণ পৰিষদ, আকালি দল

৫) স্পৃহা জাগৰণক একীভুতকৰণ

৬) নিৰ্বাচনী আয়োগে

খ) ১) ৰাজনৈতিক দলসমূহৰ মূল লক্ষ্য হ'ল নিৰ্বাচনত জয়লাভৰ জড়িয়তে চৰকাৰ গঠন। অন্যহাতে প্ৰভাৱগোষ্ঠীসমূহৰ মূল লক্ষ্য চৰকাৰ গঠন নহয় চৰকাৰৰ ওপৰত নিজৰ হেঁচা প্ৰয়োগৰ জড়িয়তে গোষ্ঠী স্বাৰ্থ পূৰণ।

২) ক্যলকাটা চেম্বাৰ্চ অৱ কৰ্মাচ, .ইণ্ডিয়ান মাৰ্চেন্ট চেম্বাৰ্চ

**প্ৰসংগ পুথি ঃ**

1 Indian Government and politics- K.K. Ghai

2. Constitutional Government in India- M.V. Pylee

3. Indian Government and politics- Prakash Chander

**আৰ্হি প্ৰশ্ন ঃ**

১) ভাৰতৰ ৰাজনৈতিক দলৰ বৈশিষ্টসমূহ ব্যাখ্যা কৰা।

২) ভাৰতৰ ৰাজনৈতিক দলৰ কাৰ্যাৱলী আৰু ভূমিকাৰ বিষয়ে আলোচনা কৰা।

৩) ভাৰতৰ ৰাজনীতিত প্ৰভাৱগোষ্ঠীসমূহৰ ভূমিকা আৰু কাৰ্যাৱলীৰ বিষয়ে আলোচনা কৰা।

# গোট - ২
# (Unit - 2)
# প্ৰভাৰগোষ্ঠী

**গঠন বিন্যাস (Structure)**


২.১ উদ্দেশ্য

২.২ প্ৰস্তাৱনা

২.৪ প্ৰভাৰগোষ্ঠীৰ অৰ্থ

২.৪.১ স্বাৰ্থসম্বলিত গোট

আত্মমূল্যায়নৰ প্ৰশ্ন(ক)

২.৫ প্ৰভাৰগোষ্ঠী আৰু ৰাজনৈতিক দলৰ পাৰ্থক্য।

২.৬ প্ৰভাৰগোষ্ঠীৰ বৈশিষ্ট্য

২.৭ প্ৰভাৰগোষ্ঠীৰ গুণ আৰু দোষ

২.৮ প্ৰভাৰগোষ্ঠীৰ শ্ৰেণীবিভাগ

২.৯ প্ৰভাৰগোষ্ঠীৰ কৌশল

আত্মমূল্যায়নৰ প্ৰশ্ন (খ)

২.১০ ভাৰতৰ প্ৰভাৰগোষ্ঠী আৰু ইয়াৰ ভূমিকা।

২.১১ ভাৰতৰ বিভিন্ন প্ৰভাৰগোষ্ঠী

২.১২ সামৰণি

ঘাই শব্দসমূহ

পাঠ্য নিৰ্দেশনা

আত্মমূল্যায়নৰ প্ৰশ্নৰ সাম্ভাব্য উত্তৰ

আদৰ্শ প্ৰশ্ন

প্ৰসংগ পুথি

## ২.১ উদ্দেশ্য ঃ

এই গোটটি পঢ়াৰ পাছত তোমালোকে -

- প্ৰভাৱগোষ্ঠীৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰিবা।
- প্ৰভাৱগোষ্ঠীৰ অৰ্থ, বৈশিষ্ট্য আৰু কাৰ্যৱলীৰ বিষয়ে জানিব পাৰিবা।
- প্ৰভাৱগোষ্ঠীৰ শ্ৰেণীবিভাগ আৰু কৌশলৰ বিষয়ে জানিব পাৰিবা।
- ভাৰতত প্ৰভাৱগোষ্ঠী আৰু ইয়াৰ ভূমিকাৰ বিষয়ে জানিব পাৰিবা।
- ভাৰতৰ বিভিন্ন প্ৰকাৰৰ প্ৰভাৱগোষ্ঠীসমূহৰ বিষয়ে জানিব পাৰিবা।

## ২.২ প্ৰস্তাৱনা ঃ

গণতান্ত্ৰিক শাসন ব্যৱস্থাত ৰাজনৈতিক দলৰ উপৰিও আন বহুতো সংগঠন থাকে যিবোৰে নিবাৰ্চনী প্ৰক্ৰিয়া বা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰি কেৱল নিজৰ সংগঠনৰ স্বাৰ্থ পূৰণৰ কাৰণে চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰে। তেনে গোটবোৰে নিজৰ সংগঠনৰ স্বাৰ্থ বাদ দি অন্য স্বাৰ্থৰ কথাত গুৰুত্ব নিদিয়ে। যেতিয়া কোনো সংগঠনে নিজস্ব স্বাৰ্থৰ কাৰণে কোনো লক্ষ্য বা উদ্দেশ্য ৰাখে তেতিয়া তাক প্ৰভাৱগোষ্ঠী বুলি কোৱা হয়।

## ২.৩ প্ৰভাৱগোষ্ঠীৰ ধাৰণা ঃ

ইতিমধ্যে তোমালোকে পঞ্চম খণ্ডৰ প্ৰথম গোটত ৰাজনৈতিক দল সম্পৰ্কে অধ্যয়ন কৰি আহিছা। লগতে এইটোও জানিব পাৰিছা যে ৰাজনৈতিক দলসমূহে নিবাৰ্চনত প্ৰতিদ্বন্দ্বিতা কৰি ক্ষমতা দখলৰ কাৰণে চেষ্টা চলায়। কিন্তু প্ৰভাৱগোষ্ঠীসমূহে নিবাৰ্চনত প্ৰতিদ্বন্দ্বিতা নকৰে। বৰ্তমান প্ৰায়বোৰ ৰাষ্ট্ৰই গণতান্ত্ৰিক শাসনব্যৱস্থা প্ৰচলন কৰাৰ বাবে আৰু ৰাষ্ট্ৰৰ কাৰ্য্য কল্যাণকামী কৰি তোলা বাবে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ স্বাৰ্থ ৰক্ষা কৰাটো সম্ভৱ নহয়। সেয়ে আমাৰ সমাজত এনে কিছুমান গোট সংগঠিত হৈছে যিবোৰে জনসাধাৰণৰ স্বাৰ্থ পূৰণৰ কাৰণে চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগ কৰে। তেওঁলোকে হেঁচা প্ৰয়োগেৰে নিজৰ স্বাৰ্থ পূৰণ কৰাই হ'ল তেওঁলোকৰ উদ্দেশ্য। ক্ষমতা দখলৰ কাৰণে নহয়। যেনে- বনুৱা দল, শ্ৰমিক সংঘ ইত্যাদি।

## ২.৪ প্ৰভাৱগোষ্ঠীৰ অৰ্থ ঃ

ইতিমধ্যে তোমালোকে প্ৰভাৱগোষ্ঠীৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব পাৰিলা। এতিয়া প্ৰভাৱগোষ্ঠীৰ অৰ্থৰ বিষয়ে জানিবলৈ হলে আমি ইয়াৰ সংজ্ঞাসমূহলৈ লক্ষ্য কৰিব লাগিব। মেককিনৰ (Mckean) মতে, প্ৰভাৱগোষ্ঠীসমূহে শাসন নকৰে, নতুবা

শাসনৰ কাৰণে আকৃষ্টও নহয়। তেওঁলোকে চৰকাৰৰ বিশেষ নীতিবোৰৰ প্ৰতিহে আকৃষ্ট হয় যিটোৱে বছৰৰ বাৰ্ষিক সন্মিলনত এশ এটা নীতিৰ ভিতৰত স্থান লাভ কৰিব পাৰে।

Encylopaedia Britannicaৰ মতে প্ৰভাৱগোষ্ঠী সমূহীয়া স্বাৰ্থ পূৰণৰ কাৰণে চৰকাৰৰ ওপৰত হেঁচা প্ৰয়োগ কৰে। এনে কাৰ্য্য কৰিবলৈ যাওঁতে তেওঁলোকে সংগঠিত ৰূপত একত্ৰিত হৈ লয়।

উপৰোক্ত সংজ্ঞাৰ পৰা এই কথা স্পষ্ট হ'ব পাৰি যে প্ৰভাৱগোষ্ঠীসমূহ একো একোটা ব্যক্তি সমষ্টি আৰু এক উমৈহতীয়া লক্ষ্য আৰু উদ্দেশ্য থাকে। তেনে ব্যক্তিসমষ্টিয়ে তেওঁলোকৰ লক্ষ্য আৰু উদ্দেশ্য পূৰণ কৰিবলৈ যাওঁতে তেওঁলোকে চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগ কৰে। তেনে হেঁচা প্ৰয়োগ কৰিবলৈ যাওঁতে তেওঁলোকে কোনো ৰাজনৈতিক দলক সমৰ্থন দি আস্থাভাজন কৰি লয় যাতে সেই ৰাজনৈতিক দলটোৱে ক্ষমতা লাভ কৰিব পাৰিলে উপযুক্ত নীতি গ্ৰহণ কৰি তেনে প্ৰভাৱগোষ্ঠী গোটটোৰ স্বাৰ্থ পূৰণ কৰাত সহায়ক হয়।

### ২.৪.১ স্বাৰ্থ সম্বলিত গোট ঃ

তোমালোকে মন কৰিবা যে প্ৰভাৱগোষ্ঠী স্বাৰ্থসম্বলিত গোটৰ লগত একে নহয়। এই দুটা বিষয়বস্তু প্ৰায় একে যদিও প্ৰকৃততে দুয়োটাৰে পাৰ্থক্য আছে। কাৰণ - ১) স্বাৰ্থসম্বলিত গোটৰ প্ৰকৃতি ঠেক আনহাতে প্ৰভাৱগোষ্ঠীৰ প্ৰকৃতি বহল। ২) স্বাৰ্থসম্বলিত গোটৰ স্বাৰ্থৰ পৰিসৰ সীমিত আনহাতে প্ৰভাৱগোষ্ঠীৰ স্বাৰ্থৰ পৰিসৰ বহল। ৩) স্বাৰ্থসম্বলিত গোটৰ লক্ষ্য নিৰ্দিষ্ট, প্ৰভাৱগোষ্ঠীৰ লক্ষ্য সমসাময়িক পৰিস্থিতিৰ সৈতে খাপ খোৱা। গতিকে স্বাৰ্থসম্বলিত গোট বুলিলে কোনো নিৰ্দিষ্ট স্বাৰ্থ ৰক্ষাৰ কাৰণ সংগঠিত গোট বুলি ক'ব পাৰি। তেনে দৃষ্টিভংগীৰ পৰা সদৌ অসম ছাত্ৰ সন্থা, সদৌ অসম সাহিত্য সভাক প্ৰভাৱগোষ্ঠী আৰু চাহ মজদুৰ ইউনিয়ক স্বাৰ্থ সম্বলিত গোট বুলি ক'ব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন (ক)ঃ**

১) প্ৰভাৱগোষ্ঠী বুলিলে কি বুজা ?

..........................................................................................

..........................................................................................

..........................................................................................

## ২.৫ প্ৰভাৱগোষ্ঠী আৰু ৰাজনৈতিক দলৰ পাৰ্থক্য ঃ

ইমানখিনিলৈকে তোমালোকে প্ৰভাৱগোষ্ঠী সম্পৰ্কে প্ৰায়খিনি কথা জানিব পাৰিছা। এই খণ্ডৰ প্ৰথম গোটত ৰাজনৈতিক দল সম্পৰ্কে জ্ঞান আয়ত্ত কৰিলা। এতিয়া প্ৰভাৱগোষ্ঠী আৰু ৰাজনৈতিক দলৰ মাজত থকা পাৰ্থক্যখিনি বিচাৰি চাওঁ।

১) ৰাজনৈতিক দলে ঠেক পৰিসৰৰ ক্ষুদ্ৰ স্বাৰ্থতকৈ বহল পৰিসৰৰ জাতীয় স্বাৰ্থৰক্ষাৰ কাৰণে চেষ্টা কৰে। কিন্তু প্ৰভাৱগোষ্ঠীয়ে নিজৰ সংঘ বা সংগঠনৰ পৰিসৰৰ সীমাবদ্ধতাত থকা উমৈহতীয়া স্বাৰ্থৰক্ষাৰ কাৰণে চেষ্টা কৰে।

২) ৰাজনৈতিক দলে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি ক্ষমতা লাভৰ কাৰণে চেষ্টা কৰে; কিন্তু প্ৰভাৱগোষ্ঠীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা কোনো কোনো ৰাজনৈতিক দলক সমৰ্থন দি প্ৰভাৱিত কৰিব পৰা ক্ষমতাৰে নিজৰ স্বাৰ্থ পূৰণ কৰাৰ চেষ্টা কৰে।

৩) ৰাজনৈতিক দলৰ একো একোটা দলীয় আদৰ্শ থকা দেখা যায়। কিন্তু প্ৰভাৱগোষ্ঠীয়ে কোনো দলীয় স্বাৰ্থক গুৰুত্ব নিদিয়ে। নিজ সংগঠনৰ স্বাৰ্থ পূৰণ কৰাৰ প্ৰচেষ্টাহে চলায়।

৪) দলীয় সংঘাত আৰু দলত্যাগ ৰাজনৈতিক দলৰ এক অন্যতম বৈশিষ্ট্য। প্ৰভাৱগোষ্ঠীত তেনে সংঘাত বা আভ্যন্তৰীণ মতবিৰোধ হোৱাৰ সম্ভাৱনা প্ৰায় নাই বুলি ক'ব পাৰি।

৫) ৰাজনৈতিক দলৰ প্ৰধান কাম হ'ল নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা আৰু ক্ষমতা দখল কৰা। প্ৰভাৱগোষ্ঠীৰ প্ৰধান কাম হ'ল কৌশলেৰে প্ৰভাৱ বিস্তাৰ কৰি নিজৰ উমৈহতীয়া স্বাৰ্থ পূৰণ কৰা।

৬) ৰাজনৈতিক দলৰ লক্ষ্য আৰু উদ্দেশ্য হৈছে চৰকাৰ গঠন কৰা। সেয়ে দলসমূহে দলীয় আদৰ্শ ৰক্ষা কৰাৰ উপৰিও জনসাধাৰণৰ সমৰ্থন আদায় কৰাটোও এক গুৰুত্বপূৰ্ণ কৰ্তব্য হিচাপে পালন কৰিব লাগে। আনহাতে প্ৰভাৱগোষ্ঠীসমূহে জনসাধাৰণৰ সমৰ্থন লাভ কৰা বা নকৰাটোলৈ গুৰুত্ব প্ৰদান নকৰে। নিজৰ স্বাৰ্থ পূৰণৰ কথাহে চিন্তা কৰে।

৭) ৰাজনৈতিক দলৰ নিৰ্দিষ্ট দলীয় আদৰ্শ থকা বাবে একে আদৰ্শৰে অনুপ্ৰাণিত হোৱা ব্যক্তিসকলহে একেটা ৰাজনৈতিক দলৰ সদস্য হ'ব পাৰে। কিন্তু বিভিন্ন আদৰ্শৰে অনুপ্ৰাণিত হোৱা ব্যক্তিও প্ৰভাৱগোষ্ঠীৰ সদস্য হ'ব পাৰে। ইয়াত ৰাজনৈতিক, অৰাজনৈতিক, আনুগত্য থকা বা নথকাসকলো লোক প্ৰভাৱগোষ্ঠীৰ সদস্য হ'ব পাৰে।

৮) ৰাজনৈতিক দলৰ সৃষ্টি আৰু অৱস্থিতি (Existence) চৰকাৰ গঠন আৰু পৰিচালনাৰ লগত জড়িত। কিন্তু প্ৰভাৰগোষ্ঠীৰ সৃষ্টি চৰকাৰে গ্ৰহণ কৰা নীতি- নিৰ্ধাৰণৰ লগত জড়িত।

## ২.৬ প্ৰভাৰগোষ্ঠীৰ বৈশিষ্ট্য ঃ

ওপৰৰ আলোচনাৰ পৰা তোমালোকে প্ৰভাৰগোষ্ঠীৰ বিষয়ে বহুতো কথা জানিব পাৰিলা। এতিয়া প্ৰভাৰগোষ্ঠীৰ বৈশিষ্ট্যসমূহ চিনাক্ত কৰি উলিয়াবলৈ চেষ্টা কৰিম। তলত প্ৰভাৰগোষ্ঠীৰ বৈশিষ্ট্যবোৰ চিনাক্ত কৰি দিয়া হ'ল।

ক) প্ৰভাৰগোষ্ঠীসমূহ একো একোটা স্বাৰ্থ প্ৰত্যাশী ব্যক্তিসমষ্টিৰ সংগঠিত গোট।

খ) উমৈহতীয়া স্বাৰ্থ পূৰণ কৰা এনে সংগঠনৰ প্ৰধান লক্ষ্য আৰু উদ্দেশ্য।

গ) প্ৰভাৰগোষ্ঠীসমূহ ক্ষমতাৰ প্ৰতি লালসিত নহয়।

ঘ) প্ৰভাৰগোষ্ঠীসমূহে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে।

ঙ) প্ৰভাৰগোষ্ঠীসমূহে ৰাজনীতিত প্ৰত্যক্ষ ভাৱে অংশগ্ৰহণ নকৰে। প্ৰভাৰ বিস্তাৰৰ জৰিয়তেহে নিজৰ স্বাৰ্থ পূৰণ কৰে।

## ২.৭ প্ৰভাৰগোষ্ঠীৰ গুণ আৰু দোষ ঃ

প্ৰভাৰগোষ্ঠীৰ বিষয়ে যিমান অধ্যয়ন কৰা হয় ইয়াৰ গুণ আৰু দোষ বিচাৰ কৰি নুলিওৱালৈকে ইয়াৰ অধ্যয়ন সম্পূৰ্ণ বুলি কব নোৱাৰি। সেয়ে ইয়াৰ গুণ আৰু দোষবোৰ এনেদৰে বিচাৰ কৰি চোৱা হ'ল।

ক) প্ৰভাৰগোষ্ঠীৰ আৰ্বিভাৱে সৰু সৰু গোটসমূহৰ স্বাৰ্থ ৰক্ষা কৰাত সহায়ক হৈছে।

খ) প্ৰভাৰগোষ্ঠীৰ আবিৰ্ভাৱে ৰাজনৈতিক দলৰ বহুতো দায়িত্ব ও কৰ্তব্যৰ বোজা লাঘৱ কৰিছে।

গ) প্ৰভাৰগোষ্ঠীৰ উপস্থিতিয়ে চৰকাৰৰ দৃষ্টিগোচৰ নোহোৱা সমস্যাসমূহ দৃষ্টিগোচৰ কৰি সমাধা কৰাত সহায়ক হৈছে।

ঘ) প্ৰভাৰগোষ্ঠীসমূহে নিৰপেক্ষভাৱে দাবীসমূহ উত্থাপন কৰাৰ উপৰিও সময় সাপেক্ষে প্ৰয়োজনীয় পৰিৱৰ্তন অনাত উল্লেখযোগ্য পদক্ষেপ গ্ৰহণ কৰাব পাৰিছে।

ঙ) প্ৰভাৰগোষ্ঠীৰ উপস্থিতিয়ে চৰকাৰক অধিক সচেতন হবলৈ উদ্গানি দিছে।

**প্ৰভাৱগোষ্ঠীৰ দোষ ঃ**

ক) প্ৰভাৱগোষ্ঠীৰ দ্বাৰা চৰকাৰ মাত্ৰাধিক প্ৰভাৱান্বিত হ'লে জাতীয় স্বাৰ্থত ব্যাঘাত জন্মিব পাৰে।

খ) প্ৰভাৱগোষ্ঠীৰ ভূমিকাই কেতিয়াবা জনসাধাৰণৰ যথেষ্ট ক্ষতি সাধন কৰে।

গ) কেতিয়াবা প্ৰভাৱগোষ্ঠীৰ স্বাৰ্থ পূৰণৰ কাৰণে জনসাধাৰণৰ সামাজিক পৰিবেশত নেতিবাচক প্ৰভাৱ পৰা দেখা যায়।

ঘ) প্ৰভাৱগোষ্ঠীয়ে কেতিয়াবা গণতান্ত্ৰিক ভাৱধাৰা অটুট ৰখাত ব্যাঘাত জন্মায়।

## ২.৮ প্ৰভাৱগোষ্ঠীৰ শ্ৰেণীবিভাগ ঃ

ওপৰৰ আলোচনাৰ পৰা তোমালোকে প্ৰভাৱগোষ্ঠীৰ বিষয়ে বহুতো জ্ঞান আয়ত্ব কৰিব পাৰিলা। প্ৰভাৱগোষ্ঠীৰ ধাৰণা, অৰ্থ, পাৰ্থক্যৰ উপৰিও ইয়াৰ শ্ৰেণীবিভাগ সম্পৰ্কেও তোমালোকে জানি লোৱা উচিত। তলত প্ৰভাৱগোষ্ঠীৰ বিভিন্ন শ্ৰেণীবিভাগসমূহ আলোচনা কৰা হ'ল।

G.A. Almond আৰু G. B.Powell-ৰ মতে, প্ৰভাৱগোষ্ঠীসমূহ মূলতঃ চাৰি শ্ৰেণীত ভাগ কৰিব পাৰি। সেইবোৰ হ'ল–

১) আনুষ্ঠানিক প্ৰভাৱগোষ্ঠী

২) সাংগঠনিক প্ৰভাৱগোষ্ঠী

৩) অসাংগঠনিক প্ৰভাৱগোষ্ঠী

৪) স্বতঃস্ফুৰ্ত প্ৰভাৱগোষ্ঠী

### ১) আনুষ্ঠানিক প্ৰভাৱগোষ্ঠী ঃ

আনুষ্ঠানিক প্ৰভাৱগোষ্ঠীসমূহ সাধাৰণতে পেছাগত বা বৃত্তিগত কৰ্ম প্ৰতিষ্ঠানৰ কৰ্মৰ পৰিসৰৰ ভিতৰত থাকি নৈতিক মানদণ্ডৰে গঠিত সংগঠন। এনে সংগঠনৰ স্বাৰ্থৰ পৰিসৰ তেওঁলোকৰ কৰ্মৰ চাৰিসীমাৰ ভিতৰত আৱদ্ধ। অৱশ্যে এই শ্ৰেনীৰ প্ৰভাৱগোষ্ঠীয়ে ৰাজনীতি আৰু সমাজিক দায়িত্ব পালন কৰে। এনে ধৰণৰ কেইটামান প্ৰভাৱগোষ্ঠীৰ নাম হ'ল-

ক) কংগ্ৰেছ ৱৰ্কিং কমিটি

খ) কংগ্ৰেছ পাৰ্লিয়ামেন্টৰি বৰ্ড

গ) ৰেলৱে কৰ্মচাৰী সন্থা

**২) সাংগঠনিক প্ৰভাৱগোষ্ঠী ঃ**

যিবোৰ প্ৰভাৱগোষ্ঠীয়ে নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ হেঁচা প্ৰয়োগ কৰিবৰ কাৰণে সংগঠিত হয় তেনে প্ৰভাৱগোষ্ঠীক সংগঠনিক প্ৰভাৱগোষ্ঠী বুলি ক'ব পাৰি। যেনেঃ শ্ৰমিক সংঘ, ব্যৱসায়িক সংগঠন, নৃগোষ্ঠীয় সংগঠন, ধৰ্মীয় সংগঠন আদি। ভাৰতত এনেধৰণৰ প্ৰভাৱগোষ্ঠী দুই প্ৰকাৰৰ পোৱা যায় - (i) পেছাগত আৰু (ii) সম্প্ৰদায় ভিত্তিক। এনেধৰণৰ কিছুমান প্ৰভাৱগোষ্ঠী হ'ল -

ক) শ্ৰমিক সংগঠন

খ) ব্যৱসায়িক সংগঠন

গ) কৃষক সংগঠন

ঘ) ছাত্ৰ সংগঠন

**৩) অসাংগঠনিক প্ৰভাৱগোষ্ঠী ঃ**

জাতি, ধৰ্ম, বৰ্ণ, ভাষা ভিত্তিত সৃষ্টি হোৱা প্ৰভাৱগোষ্ঠীক অসাংগঠনিক প্ৰভাৱগোষ্ঠী বুলি ক'ব পাৰি। এনে প্ৰভাৱগোষ্ঠীবোৰে বৈধভাৱে কোনো ব্যক্তি, পৰিয়াল অথবা ধৰ্মীয় মুৰব্বীৰ জৰিয়তে তেওঁলোকৰ স্বাৰ্থ পূৰণ কৰাৰ চেষ্টা কৰা দেখা যায়। তেনে ধৰণৰ কিছুমান প্ৰভাৱগোষ্ঠী হ'ল -

ক) সম্প্ৰদায় আৰু ধৰ্মীয় গোট

খ) জাতিগত প্ৰভাৱগোষ্ঠী

গ) ভাষিক গোষ্ঠী

**৪) স্বতঃস্ফুৰ্ত প্ৰভাৱগোষ্ঠী ঃ**

যিবোৰ প্ৰভাৱগোষ্ঠী কোনো ঘটনাক কেন্দ্ৰ কৰি নাইবা কোনো নেতৃস্থানীয় ব্যক্তিৰ আৰ্বিভাৱৰ ফলত সৃষ্টি হয় তেনে প্ৰভাৱগোষ্ঠীক স্বতঃস্ফুৰ্ত প্ৰভাৱগোষ্ঠী বুলি কোৱা হয়। এনেধৰণৰ প্ৰভাৱগোষ্ঠীয়ে নিজে নিজে কোনো পূৰ্ব পৰিকল্পিত ধাৰণা নোহোৱাকৈ সৃষ্টি হয়। এনে ধৰণৰ প্ৰভাৱগোষ্ঠীয়ে স্বাৰ্থ পূৰণৰ কাৰণে বিক্ষোভ প্ৰদৰ্শন, জনসমাবেশ আদি কৌশল অৱলম্বন কৰা দেখা যায়। অৱশ্যে প্ৰয়োজন সাপেক্ষে হিংসাত্মক পদ্ধতি অৱলম্বন কৰিবলৈকো কুন্ঠাবোধ নকৰে।

**২.৯ প্ৰভাৱগোষ্ঠীৰ কৌশল ঃ**

তোমালোকে এই কথা জানা যে কোনো ব্যক্তিয়ে যেতিয়া কাৰোবাক প্ৰভাৱান্বিত কৰিব বিচাৰে তেওঁ কৌশলেৰে চেষ্টা চলায়। ঠিক তেনেদৰে প্ৰভাৱগোষ্ঠীবোৰো নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ চৰকাৰৰ ওচৰত বিভিন্ন কৌশল প্ৰয়োগ কৰা দেখা যায়।

সাধাৰণতে প্ৰভাৱগোষ্ঠীবোৰে তলত উল্লেখ কৰা কৌশলসমূহ অৱলম্বন কৰা দেখা যায়।

**১) লবিং ঃ** লবিং কৌশলটো হ'ল স্বাৰ্থ থকা ব্যক্তি বা ব্যক্তিসমষ্টিটোৱে নিজৰ ক্ষমতাৰে প্ৰভাৱান্বিত কৰিব পৰা কোনো সাংসদ, ৰাজনৈতিক নেতা, চৰকাৰী কৰ্মচাৰী, কেন্দ্ৰীয় পৰ্য্যায়ৰ গোষ্ঠীৰ নেতাক লগ কৰি নিজৰ স্বাৰ্থ পূৰণ কৰাৰ এক প্ৰচেষ্টা চলায়। এনে প্ৰচেষ্টাৰ দ্বাৰা গোষ্ঠীৰ নেতৃস্থানীয় লোকসকলে উচ্চ পৰ্য্যায়ৰ লোকসকলক সন্তুষ্ট কৰি চৰকাৰী নীতি নিৰ্ধাৰণৰ সময়ত প্ৰভাৱ বিস্তাৰ কৰাৰ চেষ্টা কৰে। উদাহৰণস্বৰূপে ঃ কোনো এক সংগঠনৰ নেতৃস্থানীয় নেতাসকলে দিল্লীত গৈ কোনো সংসদ, ৰাজনৈতিক নেতা, চৰকাৰী বিষয়াক লগ কৰি নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে হেঁচা প্ৰয়োগ কৰি সেই সংগঠনৰ দাবী কাৰ্য্যকৰী কৰাত জোৰ দিয়া কাৰ্য্যক উল্লেখ কৰিব পাৰি।

**২) কাৰ্য্যপালিকাৰ ওপৰত প্ৰভাৱ বিস্তাৰ ঃ** প্ৰভাৱগোষ্ঠীসমূহে কেতিয়াবা কাৰ্য্যপালিকাৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিও নিজৰ স্বাৰ্থ পূৰণ কৰাৰ চেষ্টা চলায়। চৰকাৰৰ তিনিওটা অংগৰ ভিতৰত কাৰ্য্যপালিকাই নীতি নিৰ্ধাৰণ কৰি আইনৰ ৰূপ প্ৰদান কৰাত আগভাগ লয়। নীতি নিৰ্ধাৰণৰ সময়ত তেওঁলোকে চৰকাৰী বিষয়া-কৰ্মচাৰীৰ সহায়-সহযোগ গ্ৰহণ কৰে। সেয়ে প্ৰভাৱগোষ্ঠীসমূহে কাৰ্য্যপালিকাৰ কেবিনেট পৰ্য্যায়ৰ মন্ত্ৰী সকলক প্ৰভাৱান্বিত কৰি নিজৰ স্বাৰ্থৰ সপক্ষে নীতি তৈয়াৰ কৰিবলৈ বাধ্য কৰায়। উদাহৰণস্বৰূপে ঃ চিমেন্ট ব্যৱসায়ীসকলৰ হেঁচাত প্ৰধানমন্ত্ৰী লালবাহাদুৰ শাস্ত্ৰীয়ে চিমেন্টৰ ওপৰত নিয়ন্ত্ৰণ প্ৰত্যাহাৰ কৰিবলৈ বাধ্য হৈছিল। অৰ্থাৎ প্ৰভাৱগোষ্ঠীৰ হেচাঁত স্বয়ং প্ৰধানমন্ত্ৰীয়েও নতুন নতুন সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বাধ্য হয়।

**৩) বিধানমণ্ডলৰ ওপৰত প্ৰভাৱ বিস্তাৰ ঃ** প্ৰভাৱগোষ্ঠীয়ে বিধানমণ্ডলৰ ওপৰতো হেঁচা প্ৰয়োগ কৰিব পাৰে। চৰকাৰৰ কাৰ্যপালিকাই সিদ্ধান্ত গ্ৰহণহে কৰে। সেই সিদ্ধান্তৰ পূৰ্ণ ৰূপ প্ৰদান কৰে বিধানমণ্ডলে। সেয়ে কাৰ্যপালিকাই গ্ৰহণ কৰা সিদ্ধান্তৰ সপক্ষে বিধানমণ্ডলত দাখিল কৰিবলগীয়া প্ৰতিবেদন, সংসদীয় কমিটিত দেখুৱাবলগীয়া লেন-দেন, যুক্তি প্ৰদৰ্শন ইত্যাদি সকলোতে প্ৰভাৱগোষ্ঠীয়ে নিজৰ প্ৰভাৱ বিস্তাৰ কৰি নিজৰ স্বাৰ্থৰ অনুকূলে বিধি-বিধান ৰচনা কৰবলৈ প্ৰয়াস কৰে।

**৪) বিচাৰ বিভাগৰ ওপৰত প্ৰভাৱ বিস্তাৰ ঃ** প্ৰভাৱগোষ্ঠীসমূহে বিচাৰ বিভাগৰ ওপৰতো প্ৰভাব বিস্তাৰ কৰা দেখা যায়। কেতিয়াবা প্ৰভাৱগোষ্ঠীসমূহে তেওঁলোকৰ স্বাৰ্থ সমৰ্থন কৰা ব্যক্তিক বিচাৰ বিভাগৰ বিভিন্ন গুৰুত্বপূৰ্ণ পদত নিযুক্তি

দিবলৈ বাধ্য কৰায়। তাৰোপৰি প্ৰভাৰগোষ্ঠীসমূহে বিভিন্ন সময়ত তেওঁলোকৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে আদালতৰ দ্বাৰস্থ হৈ নিজৰ সপক্ষে ৰায় প্ৰদানৰ কাৰণে হেঁচা প্ৰয়োগ কৰে।

**৫) জনমত ঃ** জনমত হ'ল গণতন্ত্ৰ সফলতাৰ এক অন্যতম মাধ্যম। সেয়ে প্ৰভাৰগোষ্ঠীসমূহে বিভিন্ন সভা-সমিতি, পুস্তিকা প্ৰকাশ, আলোচনী, বাতৰি কাকতত সম্প্ৰচাৰ, বৈদ্যুতিক প্ৰচাৰ মাধ্যম ইত্যাদিবোৰেও নিজৰ যুক্তিবোৰ প্ৰকাশ কৰি জনমত গঠনৰ চেষ্টা চলায়।

**৬) অসাংবিধানিক ঃ** প্ৰভাৰগোষ্ঠীসমূহে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে যিকোনো কৌশল অৱলম্বন কৰিব পাৰে। প্ৰয়োজন হ'লে সংবিধান বৰ্হিভূত ব্যৱস্থা যেনে ঃ বন্ধ, ধৰ্মঘট, ঘেৰাও, হিংসাত্মক কাৰ্য্য সংঘটিত কৰিবলৈকো কুন্ঠাবোধ নকৰে।

**আত্মমূল্যায়নৰ প্ৰশ্ন (খ)ঃ**

১) প্ৰভাৰগোষ্ঠী আৰু ৰাজনৈতিক দলৰ মাজত কিবা পাৰ্থক্য আছে নে?

.....................................................................................................

.....................................................................................................

২) প্ৰভাৰগোষ্ঠী কেই শ্ৰেণীত ভাগ কৰিব পাৰি? সেই ভাগ কেইটা কি কি ?

.....................................................................................................

.....................................................................................................

৩) প্ৰভাৰগোষ্ঠীসমূহে কি কি কৌশল প্ৰয়োগ কৰে ?

.....................................................................................................

.....................................................................................................

## ২.১০ ভাৰতৰ প্ৰভাৰগোষ্ঠী আৰু ইয়াৰ ভূমিকা ঃ

গণতান্ত্ৰিক শাসন ব্যৱস্থাত প্ৰভাৰগোষ্ঠীৰ ভূমিকা অপৰিহাৰ্য্য। প্ৰত্যক্ষ গণতান্ত্ৰিক শাসন ব্যৱস্থাতকৈ পৰোক্ষ গণতান্ত্ৰিক শাসন ব্যৱস্থাত প্ৰভাৰগোষ্ঠীয়ে বাৰুকৈয়ে প্ৰভাৰ বিস্তাৰ কৰিব পাৰে। আমাৰ ভাৰতবৰ্ষত পৰোক্ষ গণতন্ত্ৰ প্ৰচলন হোৱা বাবে আৰু কল্যাণকামী ৰাষ্ট্ৰ গঢ়ি তোলাৰ লক্ষ্য বান্ধি লোৱা বাবে প্ৰভাৰগোষ্ঠীয়ে উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে।

স্বাধীনতাৰ পূৰ্বৰে পৰা ভাৰতত প্ৰভাৱগোষ্ঠীৰ অৱস্থিতিৰ কথা অনুমান কৰিব পাৰি। বৃটিছ উপনিবেশবাদৰ সময়ত মাত্ৰ কেইজনমান জনপ্ৰতিনিধিয়ে বৃটিশ প্ৰশাসনত অংশগ্ৰহণ কৰাৰ সুবিধা লাভ কৰিছিল আৰু তেওঁলোকে গোটেই ভাৰতবাসীৰ কাৰণে প্ৰয়োজনীয় দাবীসমূহ উত্থাপন কৰিব পৰা নাছিল। আনহাতে ভাৰতবাসীৰ সৈতে অন্যায় মূলক আচৰণ দেখুওৱা বাবে ভাৰতবাসী একত্ৰিতভাৱে ভাৰতীয়সকলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে ভাৰতীয় জাতীয় কংগ্ৰেছ নামেৰে এক সু-সংগঠিত প্ৰভাৱগোষ্ঠীৰ জন্ম দিছিল। সেয়াই আছিল ভাৰতৰ প্ৰথম প্ৰভাৱগোষ্ঠী। ১৯৩০ চনৰ পাছত এই গোষ্ঠীটোৱে স্বাধীনতা লাভ কৰাটো তেওঁলোকৰ অন্যতম উদ্দেশ্য হিচাপে ঘোষণা কৰিছিল।

ঠিক তেনেদৰে আমাৰ কৃষক শ্ৰেণীৰ লোকসকলেও তেওঁলোকৰ কিছুমান গুৰুত্বপূৰ্ণ সমস্যা যেনে ঃ দৰিদ্ৰতা, কামৰ অভাৱ, ঋনগ্ৰস্ততা, কৃষিমাটিৰ অভাৱ ইত্যাদিবোৰৰ পৰা উদ্ধাৰ পাবৰ বাবে চৰ্দাৰ বল্লভভাই পেটেলৰ উদ্যোগত সৰ্বভাৰতীয় কৃষক কংগ্ৰেছ নামেৰে এটা কৃষক সংগঠনৰ সৃষ্টি কৰিছিল। পিছলৈ এই সংগঠনটোৱে সৰ্বভাৰতীয় কৃষক সভালৈ নাম সলনি কৰি কৃষকসকলক অৰ্থনৈতিক শোষণৰ পৰা মুক্ত কৰাৰ পণ গ্ৰহণ কৰিছিল।

স্বাধীনতাৰ পাছত আমাৰ দেশত আন বহু প্ৰভাৱগোষ্ঠীৰ গোট সৃষ্টি হৈছিল। চৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠানবোৰত তেওঁলোকৰ কৰ্মচাৰীসকলৰ দ্বাৰা সংগঠিত বিভিন্ন প্ৰভাৱগোষ্ঠীৰ গোট, শ্ৰমিক সংগঠন, ছাত্ৰসংগঠন, মহিলা সংগঠন ইত্যাদিবোৰৰ সৃষ্টি হ'ল। বৰ্তমান আমাৰ দেশত প্ৰভাৱগোষ্ঠীৰ ভূমিকা ৰাজনৈতিক শাসন ব্যৱস্থাত এক প্ৰহসনত পৰিণত হৈছে। কাঠফুলাৰ দৰে বাঢ়ি অহা প্ৰভাৱগোষ্ঠীয়ে মাজে- সময়ে জনসমাজৰ স্বাভাৱিক জীৱন যাত্ৰাতো বিৰূপ প্ৰভাৱ পেলোৱা দেখা যায়।

বৰ্ত্তমান ভাৰতৰ সংবিধানে সমাজবাদী আদৰ্শ গ্ৰহণ কৰি কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাত চৰকাৰৰ কাম-কাজ বহু পৰিমানে বৃদ্ধি পালে। ৰাজনৈতিক দলসমূহৰ নীতি, আদৰ্শ, উদ্দেশ্য আৰু কাৰ্য্যাৱলী পৃথক ধৰণৰ হোৱা বাবেও ৰাজনৈতিক দলসমূহে সাধাৰণ শ্ৰেণী লোকৰ আশা-আকাংখ্যা পূৰণ কৰাত ব্যৰ্থ হোৱা দেখা যায়। ৰাজনৈতিক দলবিলাকে ব্যৰ্থ হোৱা আৰু গুৰুত্ব নিদিয়া নতুবা সেই বিলাকৰ দৃষ্টি গোচৰ নোহোৱা সমস্যাবিলাক প্ৰভাৱগোষ্ঠীসমূহে চৰকাৰক দৃষ্টিগোচৰ কৰাই সমস্যা সমাধান কৰাত সহায় কৰে।

ঠিক সেইদৰে প্ৰভাৱগোষ্ঠীয় নাগৰিকৰ অধিকাৰ আৰু স্বাধীনতা ৰক্ষা কৰাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। চৰকাৰৰ কোনো আইন জনস্বাৰ্থৰ পৰিপন্থী হ'লে প্ৰভাৱগোষ্ঠীয়ে শক্তিশালী জনমত গঠন কৰি চৰকাৰৰ তেনে কাৰ্য্যত বাধা প্ৰদান কৰিব পাৰে।

আনহাতে বিভিন্ন জনগোষ্ঠীৰ নেতাই সংসদৰ বাহিৰত থাকি চৰকাৰৰ অসাংবিধানিক কাম-কাজবোৰৰ ওপৰত সমালোচনা অগবঢ়াই চৰকাৰক এনে কাৰ্য্যৰ পৰা বিৰত ৰখাৰ যত্ন কৰে। সেইদৰে কেতিয়াবা চৰকাৰৰ কাম-কাজৰ ওপৰত অত্যাৱশ্যকীয় পৰামৰ্শ প্ৰদান কৰি জনমূখী আঁচনি গ্ৰহণ কৰোৱাত সহায় কৰে।

ওপৰোক্ত আলোচনাৰ পৰা এই কথা প্ৰতীয়মান হৈ পৰিছে যে বৰ্ত্তমান আধুনিক গণতান্ত্ৰিক শাসন ব্যৱস্থাত প্ৰভাৱগোষ্ঠীয়ে এক উল্লেখযোগ্য ভূমিকা পালন কৰিবলৈ সক্ষম হৈছে। কিন্তু ৰাজনীতিবিদসকলৰ মতে উন্নত দেশসমূহৰ প্ৰভাৱগোষ্ঠীৰ তুলনাত উন্নয়নশীল দেশসমূহৰ প্ৰভাৱগোষ্ঠীৰ ভূমিকাত কিছু ব্যতিক্ৰম থকা দেখা যায়। কাৰণ, উন্নয়নশীল দেশসমূহত জনসাধাৰণৰ সমস্যা, অভাৱ-অভিযোগ অন্য উন্নত দেশসমূহৰ তুলনাত বেছি থকা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে- ভাৰতবৰ্ষত প্ৰভাৱগোষ্ঠীবোৰৰ কথাকে উল্লেখ কৰিব পাৰি।

পশ্চিমীয়া উন্নত দেশবিলাকত প্ৰভাৱগোষ্ঠীৰ ভূমিকা উন্নয়নশীল দেশবিলাকৰ প্ৰভাৱগোষ্ঠীৰ দৰে নহয়। উন্নত দেশবিলাকৰ ভিতৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰভাৱগোষ্ঠীৰ ভূমিকা অন্যবোৰৰ তুলনাত অলপ বেলেগ। আমেৰিকাত ক্ষমতা বিভাজন নীতি আৰু সীমিত সংখ্যক ৰাজনৈতিক দলৰ ব্যৱস্থা থকা বাবে প্ৰভাৱগোষ্ঠীৰ নেতা বা অন্যান্য কৰ্মকৰ্তা সকলে ৰাজনৈতিক দলৰ নেতাসকলৰ লগত যোগাযোগ ৰক্ষা কৰি ৰাজনৈতিক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰাৰ সুবিধা লাভ কৰিব পাৰে; কিন্তু দলীয় অনুশাসন কঠোৰ হোৱা বাবে প্ৰভাৱগোষ্ঠীয়ে নিজ স্বাৰ্থ পূৰণৰ কাৰণে ৰাজনৈতিক প্ৰক্ৰিয়াত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰিব নোৱাৰে। তাৰপৰিৱৰ্তে প্ৰভাৱগোষ্ঠীসমূহ দলীয় ৰাজনীতিৰ নিয়ন্ত্ৰণত থাকি নিজৰ স্বাৰ্থৰ অনুকুলে ৰাজনৈতিক দলবোৰক হেচাঁ প্ৰয়োগ কৰাৰ পৰিৱৰ্তে দলীয় স্বাৰ্থৰ প্ৰতিহে আকৰ্ষিত হয়।

কিন্তু আমাৰ ভাৰতত প্ৰভাৱগোষ্ঠীসমূহে প্ৰথমে নিজৰ স্বাৰ্থ পূৰণৰ কাৰণে সংগঠিত হয় আৰু পিছলৈ তেওঁলোকৰ উদ্দেশ্য সলনি কৰি পূৰ্ণ ৰাজনৈতিক দলৰ ৰূপ লয়। উদাহৰণস্বৰূপে- ভাৰতীয় জাতীয় কংগ্ৰেছে প্ৰথমে প্ৰভাৱগোষ্ঠী হিচাপে সংগঠিত হৈ পিছত ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য সলনি কৰি ৰাজনৈতিক দল হিচাপে প্ৰতিষ্ঠিত কৰিলে। ঠিক তেনেদৰে আকালি দল, ডি. এম. কে, অসম গণ পৰিষদ আদি ৰাজনৈতিক দলবোৰে প্ৰথমতে প্ৰভাৱগোষ্ঠী হিচাপে সংগঠিত হৈ আবিভাৰ্ব হৈছিল।

অৱশ্যে যিয়েই নহওঁক এইটো কথা স্পষ্টভাৱে কব পাৰি যে প্ৰভাৱগোষ্ঠীসমূহে নিজৰ উদ্দেশ্যত উপনীত হ'বৰ বাবে যিবোৰ কাৰ্য্যাৱলী হাতত লোৱা হয় সেই কাৰ্য্যৱলীবোৰে জনসাধাৰণক ৰাজনৈতিক ভাৱে সক্ৰিয় কৰি তোলাত বিশেষ ভূমিকা পালন কৰে। ইয়ে গণতন্ত্ৰক কৃতকাৰ্য্য কৰি তোলাত বিশেষ ভাৱে অৰিহণা যোগাই আহিছে।

এতিয়া বৰ্তমানলৈকে প্ৰভাৱগোষ্ঠীয়ে এক উল্লেখনীয় ভূমিকা পালন কৰি আহিছে যদিও সমালোচকসকলে বিভিন্ন দিশৰ পৰা সমালোচনা কৰাৰ প্ৰয়াস কৰি আহিছে। তেনে প্ৰয়াসৰ ফালৰ পৰা এইটো যোগ দিব পাৰি যে প্ৰভাৱগোষ্ঠীবোৰ কোনো এক বিশেষ স্বাৰ্থৰ আধাৰত গঠিত হয় আৰু তেওঁলোকৰ স্বাৰ্থ পূৰণৰ কাৰণে যিকোনো পদ্ধতি অৱলম্বন কৰা দেখা যায়। বহুত সময়ত অগণতান্ত্ৰিক পন্থাও অৱলম্বন কৰা দেখা যায়। ফলত গোটেই ৰাজনৈতিক ব্যৱস্থাটোৱেই বিকাৰগ্ৰস্থ হৈ পৰে। তেনে ক্ষেত্ৰত ৰাজনৈতিক ব্যৱস্থা বিকাৰগ্ৰস্ত হ'বলগীয়া পৰিস্থিতিৰো উদ্ভৱ হোৱা দেখা যায়।

আলোচকসকলৰ গুৰুত্বপূৰ্ণ দিশক সমালোচকসকলে যেনে ধৰণেই সমালোচনা নকৰক লাগে গণতান্ত্ৰিক শাসন ব্যৱস্থাত প্ৰভাৱগোষ্ঠীৰ ভূমিকা উলাই কৰিব নোৱাৰি। প্ৰভাৱগোষ্ঠীৰ সক্ৰিয়তা আৰু তৎপৰতাত জণসাধাৰণৰ বহুতো গুৰুত্বপূৰ্ণ স্বাৰ্থ চৰকাৰৰ দৃষ্টিগোচৰ কৰাই উপযুক্ত পদক্ষেপেৰে ব্যৱস্থা গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছে। চৰকাৰ আৰু প্ৰভাৱগোষ্ঠী বিশ্বাসৰ মাজেৰে, আলোচনাৰ মাধ্যমেৰে আগবাঢ়িলে আমাৰ সমাজৰ বহুতো সমস্যাৰ সমাধান হোৱাত সহায়ক হ'ব। ইয়ে ৰাজনৈতিক ব্যৱস্থাত এক অভূতপূৰ্ব পৰিৱৰ্তন অনাত সহায় কৰিব।

## ২.১১ ভাৰতৰ বিভিন্ন প্ৰভাৱগোষ্ঠী ঃ

তোমালোকে প্ৰভাৱগোষ্ঠীৰ বিষয়ে সকলো কথা জানিব পাৰিলা। এতিয়া ভাৰতৰ কেইটামান বিশেষ প্ৰভাৱগোষ্ঠীৰ বিষয়ে আলোচনা কৰোহঁক।

**ব্যৱসায়িক প্ৰভাৱগোষ্ঠী ঃ**

ব্যৱসায়িক প্ৰভাৱগোষ্ঠীয়ে এখন ৰাষ্ট্ৰৰ ৰাজনৈতিক ব্যৱস্থাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এনে ধৰণৰ প্ৰভাৱগোষ্ঠীয়ে যি কোনো ধৰণৰ চৰকাৰ ব্যৱস্থাত উল্লেখযোগ্য ভূমিকা পালন কৰিব পাৰে। সাধাৰণতে এনে প্ৰভাৱগোষ্ঠী দেশৰ আগশাৰীৰ ব্যৱসায়ী, উদ্যোগপতি সকলকলৈ গঠিত। তেওঁলোকে ৰাষ্ট্ৰৰ ব্যৱসায়-বাণিজ্য, উদ্যোগখণ্ড আৰু অৰ্থনৈতিক বিষয়ত সৰ্বমূঠ 62% (৬২%) ও প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাত প্ৰভাৱ বিস্তাৰ কৰি আছে। সেই অনুসৰি ব্যৱসায়িক প্ৰভাৱগোষ্ঠীয়ে কাৰ্য্যপালিকা, বিধানমণ্ডল আদি অংগবোৰক নিজ স্বাৰ্থ পূৰণ কৰিব পৰাকৈ চৰকাৰক সিদ্ধান্ত গ্ৰহণ নাইবা নীতি গ্ৰহণ কৰিবলৈ বাধ্য কৰিব পাৰে। ইয়াৰ কাৰণে প্ৰয়োজন সাপেক্ষে প্ৰভাৱগোষ্ঠীসমূহে ৰাজনৈতিক দলবোৰলৈ দান-বৰঙণি আগবঢ়াই ৰাজনৈতিক দলবোৰক নিজৰ নিয়ন্ত্ৰণত ৰখাৰ চেষ্টা অব্যাহত ৰাখিছে। এনে কিছুমান প্ৰভাৱগোষ্ঠীৰ নাম হ'ল - কলিকতা চেম্বাৰ্চ অৱ কমাৰ্চ (Calcutta chambers of Commerce), বোম্বে চেম্বাৰ্চ অৱ কমাৰ্চ (Bombay Chambers of Commerce), ভাৰত চেম্বাৰ্চ অৱ কমাৰ্চ (Bharat

Chambers of Commerce), ফেডাৰেচন অৱ ইণ্ডিয়ান চেম্বাৰ্চ অৱ কমাৰ্চ এণ্ড ইণ্ডাষ্ট্ৰিচ (Federation of Indian Chambers of Commerce and Industries),অল ইণ্ডিয়া মেনুফেকচৰাৰচ এচছিয়েচন (All India Manufacturers Association) আদি।

ভাৰতবৰ্ষৰ ব্যৱসায়িক প্ৰভাৱগোষ্ঠী বোৰে নিজৰ স্বাৰ্থৰ কাৰণে শাসনাধিষ্ঠ যিকোনো দলৰ লগত সংঘাত সৃষ্টি হোৱাটো নিবিচাৰে। সেয়ে তেওঁলোকে ভিন্ ভিন্ (প্ৰাচীন আৰু আধুনিক) কৌশল অৱলম্বন কৰে। নিৰ্বাচনৰ সময়ত নিৰ্বাচনী প্ৰচাৰ কাৰ্য্যবোৰ আৰ্থিক সাহাৰ্য্য প্ৰদান কৰা, দলৰ হকে প্ৰচাৰ চলোৱা, চিঠি-পত্ৰ আদান-প্ৰদান আদিৰ জৰিয়তে যোগাযোগ ৰক্ষা কৰি নিজ স্বাৰ্থ ৰক্ষা কৰিবলৈ যত্নপৰ হয়।

**কৃষক সংগঠন ঃ**

ভাৰত এখন কৃষি প্ৰধান দেশ। দেশৰ বেছিভাগ জনসংখ্যাই কৃষিৰ ওপৰত নিৰ্ভৰশীল। স্বাধীনতাৰ আগতে আমাৰ ভাৰতীয় কৃষক শ্ৰেণীৰ লোকসকলৰ অৱস্থা অতি শোচনীয় হোৱা বাবে চৰ্দাৰ বল্লভ ভাই পেটেলৰ উদ্যোগত সৰ্বভাৰতীয় কৃষক কংগ্ৰেছ নামেৰে এটা কৃষক সংগঠন গঠন কৰা হৈছিল। পিছলৈ এই সংগঠনটোৰ নাম সৰ্বভাৰতীয় কৃষক সভা (All India Kisan Sabha) নামেৰে নামাকৰণ কৰা হ'ল। এই সংগঠনটোৰ প্ৰধান উদ্দেশ্য আছিল অৰ্থনৈতিক আৰু নৈতিক দৃষ্টি ভংগীৰে কৃষকসকলক শোষণৰ পৰা মুক্ত কৰা আৰু জাতীয় আন্দোলনত জড়িত হৈ দেশ স্বাধীন কৰা।

স্বাধীনতাৰ পাছত হিন্দ কৃষাণ পঞ্চায়ত, সংযুক্ত কৃষাণ সভা, কৃষক দল, সদৌ ভাৰত কৃষক সংস্থা ইত্যাদি বহুতো কৃষক সংগঠন গঠন হৈছিল। কিন্তু সেই অনুসাৰে কৃষক সংগঠন শক্তিশালী হোৱা পৰিলক্ষিত হোৱা নাই। কৃষকসকলৰ কোনোবা সংগঠন দুৰ্বল, আন কোনোবা এটাৰ একতাৰ অভাৱ নতুবা কোনো ৰাজনৈতিক দলৰ বহতীয়া হৈ থাকিবলৈ বাধ্য হৈছিল। কালক্ৰমত স্বয়ং তেতিয়াৰ গৃহমন্ত্ৰী চৰণ সিংৰ প্ৰচেষ্টাত গঢ়ি উঠা সংগঠনেও ভাৰতীয় কৃষকসকলক শক্তিশালী কৰি তুলিব নোৱাৰিলে।

সাম্প্ৰতিক কালত ৰাজনৈতিক দলসমূহে শ্ৰেষ্ঠতাৰ প্ৰতিপন্নত্তাৰ প্ৰতিযোগিতা চলাই থকাৰ সময়ত কৃষকসকলৰ মাজত ৰাজনৈতিক সচেতনতা জাগ্ৰত হ'লেও প্ৰভাৱগোষ্ঠী হিচাপে শক্তিশালী হ'ব পৰা নাই। এয়া কৃষক সংগঠনৰ দুৰ্বলতা হিচাপেহে প্ৰতিপন্ন হৈছে।

**শ্ৰমিক সংগঠন ঃ**

ভাৰতৰ প্ৰভাৱগোষ্ঠীৰ ভিতৰত শ্ৰমিক সংগঠন অন্য এক শক্তিশালী প্ৰভাৱগোষ্ঠী। ব্যৱসায়ী গোষ্ঠীৰ দৰে শ্ৰমিক সংগঠনো ক্ষমতা লাভৰ কাৰণে আগ্ৰহী নহয়। নিজ স্বাৰ্থ পূৰণৰ কাৰণেহে গঠন কৰা হয়। নিবাৰ্চনৰ সময়ত শ্ৰমিক সংগঠনে ৰাজনৈতিক দলৰ বিভিন্ন প্ৰচাৰ কাৰ্য্যত সহায় সহযোগিতা আগবঢ়াই পাছত নিজৰ স্বাৰ্থ পুৰণৰ কাৰণে প্ৰভাৱ বিস্তাৰ কৰে।

শ্ৰমিক সংগঠনৰ সদস্যসকল কোনো উদ্যোগ, অনুষ্ঠান-প্ৰতিষ্ঠান, কল-কাৰখানাৰ কামৰ লগত জড়িত হৈ থাকে। সেয়ে তেওঁলোকে কোনো ৰাজনৈতিক দলৰ পৃষ্ঠপোষকতাত গঢ় লৈ উঠে। উদাহৰণস্বৰূপে, Indian National Trade Union Congress, All India Trade Union Congress, Hind Majdoor Sabha আদি বোৰৰ কথা উল্লেখ কৰিব পাৰি।

শ্ৰমিক সংগঠন মুখ্যতঃ চাকৰিৰ মানদণ্ড উন্নত কৰা, বেতন বৃদ্ধি কৰা, কাম কৰাৰ সময় নিৰ্ধাৰণ কৰা, চাকৰি নিৰাপত্তা ৰক্ষা কৰা ইত্যাদি বোৰ কথাকে প্ৰধান উদ্দেশ্য হিচাপে বিবেচনা কৰে হয়। তাৰ কাৰণে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগ কৰে। হেঁচা প্ৰয়োগৰ কৌশল হিচাপে দাবী উত্থাপন, স্মাৰক পত্ৰ দাখিল, বিক্ষোভ প্ৰদৰ্শন, কৰ্ম বিৰতি, জন সমাবেশ আদিৰ প্ৰয়োগ কৰা হয়।

**ছাত্ৰ সংগঠন ঃ**

পৃথিবীৰ সকলো ৰাষ্ট্ৰতে ছাত্ৰ সংগঠনক এক বৃহৎ শক্তি হিচাপে বিবেচনা কৰা হয়। আমাৰ ভাৰততো ছাত্ৰ সংগঠনে এক উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। প্ৰায় সকলো ক্ষেত্ৰতে নিজৰ ভূমিকা পালন কৰি ছাত্ৰ সংগঠনে উল্লেখযোগ্য সাফল্য লাভ কৰা দেখা যায়।

প্ৰভাৱগোষ্ঠী হিচাপে আমাৰ ভাৰতত পোন প্ৰথমবাৰৰ বাবে ১৯২০ চনত লালা লাজপট ৰায়ৰ উদ্যোগত সদৌ ভাৰত ছাত্ৰ সস্থা (All Indian Students Union) গঠন কৰা হয়। গঠনৰ পাছত ছাত্ৰ সংগঠনটোৱে অসহযোগ আন্দোলন, ভাৰত ত্যাগ আন্দোলন, আইন অমান্য আন্দোলনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। পিছলৈ আন এটা সংগঠন সদৌ ভাৰত ছাত্ৰ ফেডাৰেচন (All India Students Federation) গঠন কৰা হৈছিল। এই ছাত্ৰ সংগঠনটোৱে দ্বিতীয় মহাযুদ্ধত বৃটিছ চৰকাৰক সমৰ্থন জনাইছিল।

স্বাধীনতাৰ পিচত বিভিন্ন ৰাজনৈতিক দলৰ পৃষ্ঠপোষকতাত বিভিন্ন ছাত্ৰ সংগঠনৰ জন্ম হৈছিল। তাৰে কেইটামান হ'ল- যুৱ সমাজবাদী লীগ, প্ৰগতিবাদী ছাত্ৰ সন্থা, অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, ভাৰতৰ জাতীয় ছাত্ৰ সন্থা ইত্যাদি।

সময় আৰু পৰিৱৰ্তিত সমাজব্যৱস্থাৰ সৈতে ছাত্ৰ সংগঠনে অতি কম সময়ৰ ভিতৰতে নিজৰ স্থিতি শক্তিশালী কৰি এক উল্লেখযোগ্য প্ৰভাৱগোষ্ঠী হিচাপে পৰিচয় দিব পাৰিছে। নিজৰ শক্তিৰ জৰিয়তে অত্যন্ত কঠিন সমস্যাও সমাধান কৰাৰ পথ প্ৰশস্ত কৰি তুলিব পাৰিছে। তেনে ধৰণৰ পদক্ষেপ গ্ৰহণ কৰি সদৌ অসম ছাত্ৰ সন্থাই কেন্দ্ৰীয় চৰকাৰক 'অসম চুক্তি' ও স্বাক্ষৰ কৰিবলৈ বাধ্য কৰাইছিল। তেতিয়াৰ পৰা অসমত সদৌ অসম ছাত্ৰ সন্থাই অসমৰ জস্কলন্ত সমস্যাবোৰ সমাধান কৰাত আগভাগ লৈ আছে।

আনহাতে ছাত্ৰ সংগঠনবোৰ ৰাজনৈতিক আন্দোলনবোৰত বিশেষভাবে জড়িত হোৱা দেখা যায়। উদাহৰণ সৰূপে ঃ 'সদৌ অসম ছাত্ৰ সন্থা' ৰ কথা বিশেষ ভাৱে উল্লেখ কৰিব পাৰি। অৱশ্যে ছাত্ৰ-ছাত্ৰীসকলে বা ছাত্ৰ-সংগঠনে ৰাজনীতিৰ লগত জড়িত হোৱা উচিত নে অনুচিত সেই বিষয়ে বহুত সময়ত অলোচনা-বিলোচনা চলি আহিছে আৰু এতিয়াও ই এক আলোচ্যক বিষয় হৈ আহিছে। তথাপিও ছাত্ৰ সংগঠনৰ গুৰুত্ব কমি যোৱা নাই।

## ২.১২ সামৰণি ঃ

ভাৰতবৰ্ষত প্ৰভাৱগোষ্ঠীৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে যদিও বিশ্বৰ অন্যান্য দেশৰ প্ৰভাৱগোষ্ঠীসমূহৰ তুলনাত আমাৰ দেশৰ প্ৰভাৱগোষ্ঠীসমূহ অত্যন্ত দুৰ্বল যেন অনুমান হয়। সেয়ে প্ৰভাৱগোষ্ঠীসমূহে ৰাজনৈতিক অনুগ্ৰহৰ আশাত শাসনিধিষ্ঠ দলটোৰ প্ৰতি সকলো সময়তে সহায়-সহযোগিতা আগবঢ়াবলৈ প্ৰস্তুত হৈ থাকে। যিটো সমালোচকসকলৰ মন্তব্যৰ ফালৰ পৰা ই এক হতাশাজনক বুলি ক' ব পাৰি। এনে দশা হ'লে অদূৰ ভৱিষ্যতে প্ৰভাৱগোষ্ঠী শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিব পৰাতকৈ অস্তিত্বৰ সংকটত পৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি।

**ঘাই শব্দসমূহ ঃ**

গণতান্ত্রিক ভাৱধাৰা ঃ গণতান্ত্রিক চিন্তাধাৰা

অসাংবিধানিক ঃ সংবিধান বৰ্হিভূত।

**পাঠ্য নির্দেশনা ঃ**


১) ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা - ড°কৃপেশ চন্দ্র পাল, অধ্যাপক প্রতুল চন্দ্র নায়ক
অৰুণ প্ৰকাশন, কলেজ হোষ্টেল ৰ'ড। গুৱাহাটী -২০১০

২) Indian Government and Politics-- Prakash Chander
Cosmos Bookshive(p) Ltd., 2001

3) Indian Government and Politics--
A.P. Avasthi, Lakshmi Narayan , A. Agarwal
Agra-2007

৪) ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি– ড° থানেশ্বৰ লাহন
ষ্টুডেন্টচ্ এম্পʼৰিয়াম, ডিব্ৰুগড়- ২০০৪

৫) Indian Government and Politics-- A.S. Narang
Gitanjali Publishing House , New Delhi- 1997


**আত্মমূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰসমূহ ঃ**

**আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ (ক)ঃ**

১) প্ৰভাৱগোষ্ঠী হʼল ৰাজনৈতিক দলৰ অন্তৰ্ভুক্ত নোহোৱাকৈ হেঁচা প্ৰয়োগেৰে ৰাজনীতিৰ পৰিসৰত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিব পৰা গোট। এনে সংগঠনবোৰে কেৱল নিজৰ স্বাৰ্থ পূৰণৰ কাৰণেহে শাসনাধিষ্ঠ ৰাজনৈতিক দলক হেঁচা প্ৰয়োগ কৰে। ক্ষমতা দখলৰ কাৰণে নহয়।

**আত্মমূল্যায়ন প্ৰশ্নৰ উত্তৰ (খ)ঃ**

১) আছে

২) চাৰি শ্ৰেণীৰ।

ক) ব্যৱসায়িক সংগঠন

খ) সংগঠনিক প্ৰভাৱগোষ্ঠী

গ) অসাংগঠনিক প্ৰভাৱগোষ্ঠী

ঘ) স্বতঃস্ফূৰ্ত প্ৰভাৱগোষ্ঠী

৩) লবিং, কাৰ্য্যপালিকাৰ ওপৰত প্ৰভাৱ বিস্তাৰ, বিধানমণ্ডলৰ ওপৰত প্ৰভাৱ বিস্তাৰ, ন্যায় পালিকাৰ ওপৰত প্ৰভাৱ বিস্তাৰ, জনমত গঠন ইত্যাদি।

**আদৰ্শ প্ৰশ্ন ঃ**

১) প্ৰভাৱগোষ্ঠী কাক বোলে? প্ৰভাৱগোষ্ঠীৰ গুণ আৰু দোষ সমূহ বিচাৰ কৰা।

২) প্ৰভাৱগোষ্ঠীয়ে কি কি উপায়েৰে ৰাজনৈতিক দলৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে?

৩) ভাৰতৰ প্ৰভাৱগোষ্ঠীৰ ভূমিকা সম্পৰ্কে আলোচনা কৰা।

৪) প্ৰভাৱগোষ্ঠী আৰু ৰাজনৈতিক দলৰ পাৰ্থক্য উল্লেখ কৰা।

৫) চমু টোকা লিখা।

- ক) ব্যৱসায়িক প্ৰভাৱগোষ্ঠী
- খ) সংগঠনিক প্ৰভাৱগোষ্ঠী
- গ) ছাত্ৰ সংগঠন
- ঘ) কৃষক সংগঠন

**প্ৰসংগ পুথি ঃ**

১) ড° কৃপেশ চন্দ্ৰ পাল আৰু অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক– ২০১০
'ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা'
অৰুণ প্ৰকাশন, কলেজ হোষ্টেল ৰ'ড, গুৱাহাটী-৭৮১০০১

২) Prakash Chander --2001
*'Indian Government and Politics'*
Cosmos Bookshive (P) Ltd.

৩) A.P. Avasthi -- 2007
*'Indian Government and Politics'*
Lakshmi Narayan, A. Agarwal, Agra.

৪) ড° থানেশ্বৰ লাহন – ২০০৪
*'ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি'*
ষ্টুডেন্টচ্ এম্পোৰিয়াম, ডিব্ৰুগড়

# গোট - ৩
# (Unit - 3)
## নিৰ্বাচন প্ৰক্ৰিয়া আৰু ভোটদাতাৰ আচৰণ

**গঠন বিন্যাস ঃ**

৩.০ উদ্দেশ্য

৩.১ প্ৰস্তাৱনা

৩.২ ভাৰতীয় নিৰ্বাচন পদ্ধতিৰ বৈশিষ্ট্যসমূহ

৩.৩ নিৰ্বাচনী আয়োগ

৩.৩.১. নিৰ্বাচন আয়োগৰ গঠন

৩.৩.২ মূখ্য নিৰ্বাচনী আয়োগ আৰু অন্য আয়ুক্তসকলক নিযুক্তি পদ্ধতি

৩.৩.৩ নিৰ্বাচন আয়োগৰ ক্ষমতা আৰু কাৰ্যাৱলী

৩.৩.৪ নিৰ্বাচন আয়োগৰ স্বতন্ত্ৰতা

৩.৪ ভাৰতীয় নিৰ্বাচনী প্ৰক্ৰিয়া

৩.৪.১ নিৰ্বাচন বিধি

৩.৫ ভোটদাতাৰ আচৰণ

## ৩.০ উদ্দেশ্য (Objectives) ঃ

- প্ৰস্তুত কৰা গোটটো অধ্যয়ন কৰাৰ পাছত তোমালোকে ভাৰতৰ নিৰ্বাচন পদ্ধতি আৰু ইয়াৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিবা।
- ভাৰতৰ নিৰ্বাচনী আয়োগৰ গঠন, মূখ্য নিৰ্বাচনী আয়ুক্ত আৰু অন্যান্য আয়ুক্তসকলৰ নিযুক্তি আয়োগৰ ক্ষমতা আৰু কাৰ্যাৱলী আৰু নিৰ্বাচনী আয়োগৰ স্বতন্ত্ৰৰ বিষয়ে জানিব পাৰিবা।
- ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ কাৰ্যকৰীকৰণ আৰু নিৰ্বাচনী বিধিৰ বিষয়ে জানিব পাৰিবা।
- ভোটদাতাৰ আচৰণ সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিবা।

## ৩.১ প্ৰস্তাৱনা (Introduction) ঃ

এটা উপযুক্ত নিৰ্বাচনী পদ্ধতিৰ অবিহনে কোনো এটা গণতান্ত্ৰিক পদ্ধতি প্ৰকৃতাৰ্থত সফল হ'ব নোৱাৰে। ভাৰতীয় সংবিধান প্ৰণেতাসকল এই দিশত সম্পূৰ্ণ সচেতন আছিল আৰু সেয়েহে এটা ফলপ্ৰসু নিৰ্বাচনী পদ্ধতি সংবিধানত সন্নিবিষ্ট কৰাৰ লগতে এক নিৰ্বাচনী আয়োগ গঠনৰ ব্যৱস্থা কৰিছে। ভাৰতীয় সংবিধানে নিৰ্বাচনী আয়োগৰ স্বতন্ত্ৰ -তাও নিশ্চিত কৰিছে।

## ৩.২ ভাৰতীয় নিৰ্বাচন পদ্ধতিৰ বৈশিষ্টসমূহ (Features of Indian Election System) ঃ

**১) প্ৰতিনিধিসকলৰ প্ৰত্যক্ষ নিৰ্বাচন ঃ** ভাৰতীয় সংবিধানে প্ৰতিনিধি ক্ষেত্ৰত প্ৰত্যক্ষ নিৰ্বাচনৰ ব্যৱস্থা কৰিছে। লোকসভা, ৰাজ্যিক বিধান সভা, নগৰ অঞ্চলৰ, স্বায়ত্ত শাসিত অনুষ্ঠান তথা গ্ৰাম্য স্থানীয় স্বায়ত্ত শাসিত অনুষ্ঠানৰ সদস্যসকলক প্ৰত্যক্ষ নিৰ্বাচনৰ জৰিয়তে নিৰ্বাচিত কৰা হয়।

**২) পৰোক্ষ নিৰ্বাচন ঃ** ভাৰতীয় সংবিধানে ৰাজ্যসভাৰ সদস্য তথা ভাৰতৰ ৰাষ্ট্ৰপতি আৰু উপৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে পৰোক্ষ নিৰ্বাচনৰ ব্যৱস্থা কৰিছে। ৰাজ্যসভাৰ সদস্যসকলক লোকসভাতকৈ কম শক্তিশালী কৰা তথা ৰাষ্ট্ৰখনত অশান্তি, বিশৃংখলতা সৃষ্টি ৰোধ কৰাৰ বাবেই এই অনুষ্ঠানসমূহৰ ক্ষেত্ৰত পৰোক্ষ নিৰ্বাচনৰ ব্যৱস্থা কৰিছে।

**৩) যুটীয়া নিৰ্বাচক মণ্ডলী ঃ** ভাৰতীয় সংবিধানে ১৯০৯ৰ পৰা ১৯৪৭ চনলৈ চলি থকা সাম্প্ৰদায়িক নিৰ্বাচক মণ্ডলীক যুটীয়া নিৰ্বাচক মণ্ডলীৰ গঠনৰ জৰিয়তে উঠাই দিয়ে। কোনো বৈষম্য নোহোৱাকৈ যোগ্যতাসম্পন্ন ভোটাৰক লৈ সাধাৰণ নিৰ্বাচক মণ্ডলী গঠন কৰি প্ৰাৰ্থী নিৰ্বাচনৰ ব্যৱস্থা কৰা হয়।

**৪) সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰ ঃ** আৰম্ভণিতে জাতি, ধৰ্ম, বৰ্ণ, শিক্ষা সম্পত্তিৰ কোনো বৈষম্য নৰখাকৈ ২১ বছৰ উৰ্দ্ধ সকলোকে ভোটাধিকাৰ দিয়াৰ অধিকাৰ দিয়া হৈছিল যদিও পিছৰ পৰ্যায়ত ১৮ বছৰ উৰ্দ্ধৰ সকলো ব্যক্তিক ভোটদানৰ ব্যৱস্থা কৰা হয়। বৰ্তমান ১৮ বছৰ উৰ্দ্ধৰ পুৰুষ মহিলা উভয়ে ভোটদান কৰিব পাৰে।

**৫) অনুসূচীত জাতি, জনজাতিৰ বাবে আসন সংৰক্ষণ ঃ** অনুসূচীত জাতি, জনজাতি লোকসকলৰ স্বাৰ্থ ৰক্ষা কৰিবৰ বাবে ভাৰতীয় সংবিধানৰ ৩৩০ নং অনুচ্ছেদৰ জৰিয়তে লোকসভা আৰু ৩৩২ নং অনুচ্ছেদ অনুসৰি ৰাজ্যিক বিধানসভাৰ আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে। ভাৰতীয় সংবিধান প্ৰণেতাসকলে যদিও ১০ বছৰৰ বাবেহে এনেধৰণৰ সংৰক্ষণৰ ব্যৱস্থা কৰিছিল, ইয়াৰ ম্যাদ সংবিধান সংশোধনৰ জৰিয়তে ২০২০ লৈ বৃদ্ধি কৰা হয়। সংৰক্ষিত সমষ্টিৰ পৰা যদিও নিৰ্দিষ্ট জাতিৰ লোকসকলে  প্ৰতিদ্বন্দিতা কৰে তথাপি ভোটদানৰ ক্ষেত্ৰত সেই নিৰ্দিষ্ট সমষ্টিৰ ভিতৰৰ সকলোৱে ভোটদান কৰিব পাৰে।

**৬) আইনসভাৰ সদস্যসকলৰ যোগ্যতা আৰু অযোগ্যতা ঃ** আইনসভাৰ সদস্যসকলৰ নিৰ্বাচনৰ ক্ষেত্ৰত ভাৰতীয় সংবিধানে কিছুমান যোগ্যতা বান্ধি দিয়াৰ লগতে সংবিধানে কিছুমান অযোগ্যতাও উল্লেখ কৰিছে। উদাহৰণস্বৰূপে, লোকসভাৰ সদস্য পদৰ বাবে কমেও ২৫ বছৰৰ ওপৰৰ ব্যক্তি হ'ব লাগিব। ঠিক সেইদৰে কোনো মানসিক ভাৰসাম্য নথকা ব্যক্তিয়ে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিব নোৱাৰিব।

**৭) নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে ভোটাৰ তালিকা সংশোধন ঃ** সাধাৰণতে ভোটাৰ তালিকা প্ৰতি দহ বছৰৰ মূৰে মূৰে প্ৰতিটো লোকপিয়লৰ পাছত সংশোধন কৰা হয় যদিও নিৰ্বাচনী আয়োগে যিকোনো নিৰ্বাচনৰ আগতে ভোটাৰ তালিকা সংশোধনৰ নিৰ্দেশ দিব পাৰে। প্ৰতিটো বৰ্ষতেই ভোটাৰ তালিকা সংশোধন কৰাৰ ব্যৱস্থাও ভাৰতীয় সংবিধানত আছে।

**৮) গোপন বেলট ঃ**  ভোটগ্ৰহণ প্ৰক্ৰিয়াটো হ'ল একেবাৰে গোপনীয়। ভোটাৰসকলে তেওঁলোকে ইচ্ছা কৰা ধৰণে নিজা পচন্দৰ প্ৰাৰ্থীক নিৰ্বাচন কৰিব পাৰে। ভোটদানৰ গোপনীয়তা ৰক্ষাৰ বাবে বহুতে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰা দেখা যায়।

**৯) ভোটিং মেচিনঃ** বৰ্তমান নিৰ্বাচনী আয়োগে ভোটদানৰ বাবে ইলেকট্ৰনিক ভোটিং মেচিনো ব্যৱহাৰ কৰিবলৈ আৰম্ভ কৰিছে।

**১০) গৰিষ্ঠ সংখ্যক ভোট লাভ কৰা জনক বিজয়ী হিচাবে বিবেচনা ঃ** নিৰ্বাচনত যিগৰাকী প্ৰাৰ্থীয়ে অধিক সংখ্যক ভোট লাভ কৰে সেই জনকেই বিজয়ী বুলি ধৰে। অৱশ্যে এইক্ষেত্ৰত যিখিনি বৈধ ভোট সেইখিনিহে হিচাপ কৰা হয়। অবৈধ ভোটসমূহ বাতিল কৰা হয়।

**১১) নিৰ্বাচনী পৰিচালনা ঃ** নিৰ্বাচন পৰিচালনা কৰা ক্ষমতা ভাৰতীয় সংবিধানে নিৰ্বাচনী আয়োগৰ ওপৰত ন্যস্ত কৰিছে।

**১২) নিৰ্বাচনী সংঘাত নিৰাময়ৰ ব্যৱস্থা ঃ** ভাৰতীয় সংবিধানে নিৰ্বাচনী বিবাদ নিৰাময়ৰ বাবে ব্যৱস্থা ৰাখিছে। যিকোনো প্ৰতিনিধি নিৰ্বাচনত হোৱা সংঘাত নিৰাময়ৰ বাবে উচ্চ ন্যায়ালয়ত আপীল কৰিব পৰা যায় আৰু প্ৰয়োজন সাপেক্ষে উচ্চ ন্যায়ালয়ৰ ৰায়ৰ বিৰূদ্ধে উচ্চতম ন্যায়ালয়ত আপীল কৰিব পৰা যায়। আনকি যিকোনো বিজয়ী প্ৰতিনিধিৰ বিৰূদ্ধে জন প্ৰতিনিধিত্ব আইন ভংগ কৰা বা নিৰ্বাচনী বিধি ভংগ কৰাৰ অভিয়োগত প্ৰত্যাহ্বানও জনাব পাৰে।

এইদৰে ভাৰতীয় সংবিধানে মুক্ত আৰু নিকা নিৰ্বাচনৰ বাবে নিৰ্বাচন পদ্ধতিৰ ব্যৱস্হা ৰাখিছে আৰু দেখা গৈছে যে সংবিধান বলবৎ হোৱাৰ পৰাই নিৰ্বাচনসমূহ সুচাৰুৰূপে সম্পাদন কৰি আহিছে। যিকি নহওক অতীতৰ অভিজ্ঞতাৰ ভিত্তিত যিকোনো পদ্ধতিৰে সংশোধনৰ প্ৰয়োজনীয়তা আছে। কিন্তু ভাৰতৰ নিৰ্বাচন পদ্ধতিৰ সংশোধনৰ ক্ষেত্ৰত এক সৰ্বসন্মত সিদ্ধান্ত উপনীত হ'ব পৰা নাই।

আত্ম মূল্যায়নৰ প্ৰশ্ন: ১

১) ভাৰতৰ নিৰ্বাচন পদ্ধতিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

## ৩.৩ নিৰ্বাচনী আয়োগ (The Election Commission) ঃ

মুক্ত আৰু নিকা নিৰ্বাচনৰ জৰিয়তে জন প্ৰতিনিধি নিৰ্বাচন কৰাটো গণতান্ত্রিক চৰকাৰৰ এক উল্লেখযোগ্য বৈশিষ্ট। এই ক্ষেত্ৰত ভাৰতৰ সংবিধান প্ৰণেতাসকল

সচেতন আছিল সেয়েহে স্বতন্ত্র নিৰ্বাচনী আয়োগে গঠন কৰি ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, সংসদৰ সদস্য তথা ৰাজ্যিক বিধানসভাৰ সদস্যসকলক নিৰ্বাচনৰ বাবে সাংবিধানিক ভাবে দায়িত্ব অৰ্পণ কৰে।

**৩.৩.১. নিৰ্বাচন আয়োগৰ গঠন (Composition of Election Commission)ঃ**

ভাৰতৰ সংবিধানৰ ৩২৪ নং অনুচ্ছেদ অনুসৰি ভাৰতৰ ৰাষ্ট্ৰপতিয়ে এজন মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্য নিৰ্বাচন আয়ুক্তসকলক লৈ স্বতন্ত্ৰ নিৰ্বাচন আয়োগ গঠন কৰিব পাৰে। ১৯৮৯ চনলৈ কেৱল মূখ্য নিৰ্বাচনী আয়ুক্তক লৈ নিৰ্বাচনী আয়োগ গঠন কৰাৰ ব্যৱস্থা আছিল আৰু চৰকাৰে কোনো নিৰ্বাচন আয়ুক্ত নিয়োগ কৰাৰ ব্যৱস্থা নাছিল। কিন্তু ১৯৮৯ চনত মূখ্য নিৰ্বাচন আয়ুক্তৰ লগতে অন্য দুজন আয়ুক্তক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হয়। ইয়াৰ পাছৰ পৰাই নিৰ্বাচন আয়োগ গঠনৰ ক্ষেত্ৰত এই ব্যৱস্থা কাৰ্যকৰী হৈ আছে। মূখ্য নিৰ্বাচন আয়ুক্তৰ সৈতে অন্য দুজন নিৰ্বাচন আয়ুক্তৰো সমমৰ্যদা থাকিব।

**আত্ম মূল্যায়নৰ প্ৰশ্নঃ ২**

১) ভাৰতৰ নিৰ্বাচন আয়োগৰ গঠনৰ ওপৰত এটি টোকা লিখা।

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

**৩.৩.২ মূখ্য নিৰ্বাচনী আয়ুক্ত আৰু অন্য আয়ুক্তসকলৰ নিযুক্তি পদ্ধতি (Method of Appointment of CEC and other Election Commissioners)ঃ**

সংসদে প্ৰণয়ন কৰা আইনৰ ভিত্তিত ভাৰতৰ ৰাষ্ট্ৰপতিয়ে মূখ্য নিৰ্বাচনী আয়ুক্ত তথা অন্যান্য নিৰ্বাচনী আয়ুক্তসকলক নিযুক্তি দিয়ে। সাধাৰণতে আয়ুক্তসকলক ৬বছৰৰ বাবে নিযুক্তি দিয়া হয়। প্ৰয়োজন সাপেক্ষে আয়োগৰ কাৰ্যকাল একেৰাহে ১ বছৰ পৰ্যন্ত বৃদ্ধি কৰিব পাৰে। আয়োগৰ সদস্যসকলে ৬৫ বছৰ বয়সলৈহে কাৰ্যনিৰ্বাহ কৰিব পাৰে।

মুখ্য নিৰ্বাচনী আয়ুক্ত তথা আয়ুক্তসকলে যিকোনো পদত্যাগ কৰিব পাৰে বা ৰাষ্ট্ৰপতিয়ে তেওঁলোকক কাৰ্যকাল সম্পূৰ্ণ হোৱাৰ আগতেও অপসাৰণ কৰিব পাৰে যদিহে আয়ুক্তসকলৰ ওপৰত অযোগ্যতা আৰু ক্ষমতাৰ অপব্যৱহাৰৰ বাবে সংসদৰ সাধাৰণ সংখ্যাগৰিষ্ঠতা আৰু উপস্থিত সদস্যৰ দুই তৃতীয়াংশ সদস্যৰ সমৰ্থনত এক প্ৰস্তাৱ গ্ৰহণ কৰে। নিৰ্বাচনী আয়ুক্তসকলৰ স্বাধীনতা বাবেই তেখেতসকলৰ অপসাৰণৰ বাবে এনে জটিল পদ্ধতিৰ ব্যৱস্থা ৰখা হৈছে।

### ৩.৩.৩ নিৰ্বাচন আয়োগৰ ক্ষমতা আৰু কাৰ্যৱলী (Powers and Functions of the Election Commission)ঃ

ভাৰতীয় সংবিধানৰ ৩২৪ৰ পৰা ৩২৮ নং অনুচ্ছেদলৈ নিৰ্বাচন আয়োগৰ ক্ষমতা আৰু কাৰ্যাৱলী উল্লেখ আছে। নিৰ্বাচন আয়োগৰ ক্ষমতা আৰু কাৰ্যাৱলীসমূহ তলত দিয়াৰ ধৰণে আলোচনা কৰিব পাৰি।

**১) ভোটাৰ তালিকা প্ৰস্তুতকৰণ (Preparation of Electoral Roll)ঃ** নিৰ্বাচনী আয়োগৰ মূল দায়িত্ব হ'ল সংসদ, ৰাজ্যিক বিধান সভা তথা স্বায়ত্ত শাসিত অনুষ্ঠানৰ নিৰ্বাচনৰ বাবে ভোটাৰ তালিকা প্ৰস্তুত কৰা। ইয়াৰোপৰি সংবিধানৰ বিধি তথা সংসদে প্ৰণয়ন কৰা আইনৰ ভিত্তিত সময়ে সময়ে ইয়াক সংশোধন কৰাটো নিৰ্বাচন আয়োগৰ অন্যতম দায়িত্ব।

**২) নিৰ্বাচন অনুষ্ঠিত কৰা ঃ** ভাৰতৰ ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, সংসদ তথা ৰাজ্যিক বিধান সভাৰ নিৰ্বাচন অনুষ্ঠিত কৰা।

**৩) পৰামৰ্শ দান ঃ** ভাৰতৰ ৰাষ্ট্ৰপতি তথা ৰাজ্যপালসকলক কেন্দ্ৰীয় সংসদ তথা ৰাজ্যিক বিধানসভাৰ সদস্যসকলৰ যোগ্যতাৰ প্ৰশ্ন উঠিলে পৰামৰ্শ দিব লাগে।

**৪) নিৰ্বাচনী বিষয়াক নিয়োগ ঃ** নিৰ্বাচনী ব্যৱস্থাপনা বা নিৰ্বাচন সম্পৰ্কীয় বিবাদ নিস্পত্তিৰ বাবে নিৰ্বাচনী বিষয়া নিয়োগ কৰাটো নিৰ্বাচনী আয়োগৰ অন্য এক গুৰুত্বপূৰ্ণ দায়িত্ব।

**৫) নিৰ্বাচনৰ সময়ত নিৰ্বাচনী প্ৰতীক প্ৰদান ঃ** নিৰ্বাচনৰ সময়ত নিৰ্বাচনী আয়োগে বিভিন্ন ৰাজনৈতিক দলসমূহৰ প্ৰতীক প্ৰদান কৰাৰ লগতে এইক্ষেত্ৰত কিবা বিবাদৰ সৃষ্টি হ'লে নিস্পত্তি কৰে।

৬) নিৰ্বাচন আয়োগে ন্যায়িক ভাৱে অযোগ্যতা ঘোষণা কৰা ব্যক্তিক ৰেহাই দিব পাৰে।

৭) নির্বাচনৰ তাৰিখ, নির্বাচনসূচী তথা নমিনেশ্বনৰ তাৰিখ আদি ঘোষণা কৰিব পাৰে।

৮) নির্বাচন পৰিচালনাৰ বাবে ভাৰতৰ ৰাষ্ট্রপতি, কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ পৰা প্রয়োজনীয় কর্মচাৰী বিচাৰিব পাৰে।

৯) নির্বাচনৰ সময়ত প্রার্থী তথা ৰাজনৈতিক দলবিলাকে মানি চলিব লগীয়া নির্বাচনী উপবিধি ঠিক কৰা।

১০) কেন্দ্রীয় তথা আঞ্চলিক দল সমূহলৈ স্বীকৃতি প্রদান কৰাটো নির্বাচন আয়োগৰ আন এটা উল্লেখযোগ্য ক্ষমতা।

**৩.৩.৪ নির্বাচন আয়োগৰ স্বতন্ত্রতা (Independence of Election Commission)ঃ**

ভাৰতীয় সংবিধানে নির্বাচন আয়োগৰ স্বতন্ত্রতা ৰক্ষা কৰিবৰ বাবে বিভিন্ন ব্যৱস্থা কৰিছে। সংসদ, ৰাষ্ট্রপতি, কেন্দ্রীয় মন্ত্রীপৰিষদ আৰু আমোলাসকলৰ প্রভাৱৰ পৰা মুক্ত কৰি এক স্বতন্ত্র সংস্থা হিচাপে নির্বাচন আয়োগ গঠনৰ ব্যৱস্থা ভাৰতীয় সংবিধানত আছে। ভাৰতৰ সংবিধান অনুয়ায়ী ভাৰতৰ মুখ্য নির্বাচন আয়ুক্তক কেৱল মহাভিযোগৰ জৰিয়তেহে অপসাৰণ কৰিব পাৰে। সংসদৰ উভয় সদনৰ গৰিষ্ঠসংখ্যক সদস্যৰ সমর্থন আৰু মহাভিযোগৰ সপক্ষে সংসদত উপস্থিত সদস্যৰ দুই তৃতীয়াংশ সদস্যৰ সমর্থনত যদি এক প্রস্তাৱ গ্রহণ কৰা হয় তথা সংসদত পাছ কৰাৰ পাছত ৰাষ্ট্রপতিয়ে স্বাক্ষৰ কৰে তেতিয়াহে মূখ্য নির্বাচন আয়ুক্তক অপসাৰণ কৰিব পাৰে। অন্য নির্বাচন আয়ুক্তসকলক কেৱল মুখ্য নির্বাচন আয়ুক্তৰ উপদেশ মতেহে অপসাৰণ কৰিব পাৰে। ইয়াৰোপৰি, মূখ্য নির্বাচন আয়ুক্তৰ নিযুক্তিৰ পাছত চাকৰিৰ চর্তাৱলী সলনি কৰিব নোৱাৰে। এইদৰে ভাৰতীয় সংবিধানে নির্বাচন আয়োগক এক স্বতন্ত্র অনুষ্ঠান হিচাপে প্রতিষ্ঠা কৰিছে।

**আত্ম মূল্যায়নৰ প্রশ্নঃ ৩**

১) ভাৰতৰ নির্বাচন আয়োগৰ ক্ষমতা আৰু কার্যৱলী বর্ণনা কৰা

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

------------------------------------------------------------

**৩.৪ ভাৰতীয় নিৰ্বাচনী প্ৰক্ৰিয়া (Electoral Process in India)ঃ**

ভাৰতত অনুষ্ঠিত হোৱা নিৰ্বাচনসমূহ এক সু-সংগঠিত প্ৰক্ৰিয়াৰ মাজেদি সম্পন্ন কৰি অহা হৈছে। ভাৰতত নিৰ্বাচন আয়োগে ত্ৰয়োদশবাৰৰ বাবে লোকসভাৰ নিৰ্বাচন অনুষ্ঠিত কৰাৰ লগতে বহুবাৰ ৰাজ্যিক বিধানসভাৰ নিৰ্বাচন সফলভাৱে অনুষ্ঠিত কৰি আহিছে। নিৰ্বাচন আয়োগৰ হাততেই নিৰ্বাচন পৰিচালনাৰ গুৰু দায়িত্ব আছে। ভাৰতৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ কাৰ্যকৰীকৰণ তলত উল্লেখ কৰাৰ দৰে আলোচনা কৰিব পাৰে।

**১) সমষ্টিৰ সীমা নিৰ্দ্ধাৰণ (Delimitation of Constituencies)ঃ** সাংবিধানিক নিয়ম অনুসৰি ৰাষ্ট্ৰপতিয়ে প্ৰতি লোকপিয়লৰ পাছত সমষ্টিৰ সীমা নিৰ্দ্ধাৰণৰ বাবে সীমা নিৰ্দ্ধাৰণ আয়োগ গঠন কৰে আৰু নিৰ্বাচনৰ বাবে সমষ্টিৰ সীমা নিৰ্দ্ধাৰণ কৰাটো প্ৰাথমিক কাম। সাধাৰণতে সকলো সমষ্টিৰ জনসংখ্যা তুলনামূলকভাৱে সমান। সীমা নিৰ্দ্ধাৰণ আয়োগৰ সিদ্ধান্ত চুড়ান্ত আৰু কোনো আদালতত ইয়াৰ প্ৰত্যাহ্বান জনাব নোৱাৰি

**২) ভোটাৰ তালিকা প্ৰস্তুত কৰণ (Preparation of Electopral Rolls)ঃ** নিৰ্বাচন পৰিচালনাৰ অন্য এক উল্লেখযোগ্য স্তৰ হৈছে সমষ্টিগত ভাৱে ভোটাৰ তালিকা প্ৰস্তুত কৰা। সাধাৰণতে ভোটাৰ তালিকাসমূহ প্ৰতি লোকপিয়লৰ পিছত ভোটাৰ তালিকা সংশোধন কৰাৰ লগতে নিৰ্দিষ্ট সময়ৰ মূৰে মূৰে ভোটাৰ তালিকা সংশোধন কৰা হয়।

**৩) নিৰ্বাচন ঘোষণা আৰু ৰিটাৰ্নিং বিষয়া তথা অন্য বিষয়াসকলৰ নিযুক্তি (Notification of Elections and Appointment of Returning Officers and Other Staff)ঃ** সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰাৰ আগে আগে ভাৰতৰ ৰাষ্ট্ৰপতিয়ে নিৰ্বাচন আয়োগৰ লগত যোগাযোগ কৰে আৰু নিৰ্বাচন আয়োগে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ লগত আলোচনা কৰি নিৰ্বাচনৰ দিন ঘোষণা কৰে আৰু বিভিন্ন সমষ্টিৰ বাবে ৰিটানিং বিষয়া তথা অন্যান্য বিষয়াসকলক নিযুক্তি দিয়ে। ৰাজ্যিক নিৰ্বাচন আয়োগেও বিভিন্ন নিৰ্বাচনৰ সময়ত কেন্দ্ৰীয় নিৰ্বাচন আয়োগক সহায় কৰে।

**৪) নমিনেশ্বন পূৰণ (Filling of Nomination Papers)ঃ** এজন প্ৰাৰ্থীয়ে নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰিবলৈ হ'লে নিৰ্বাচনী আয়োগে ধাৰ্য্য কৰি দিয়া নমিনেশ্বন পুৰণ কৰি ৰিটানিং বিষয়াৰ হাতত জমা দিব লাগে। প্ৰতিজন, প্ৰাৰ্থীক এজন ভোটাৰে প্ৰস্তাৱ কৰা আৰু এজনে সমৰ্থন কৰাটো বাধ্যতামুলক। সাধাৰণতে

বিভিন্ন ৰাজনৈতিক দলে প্ৰাৰ্থী প্ৰক্ষেপ কৰে। কিন্তু নিৰ্দলীয় প্ৰাৰ্থীয়েও নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব পাৰে। দলীয় প্ৰাৰ্থীসকলক দলীয় প্ৰতীক আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলৰ আবেদনৰ ভিত্তিত নিৰ্বাচনৰ প্ৰতীকসমূহৰ পৰা প্ৰতীক প্ৰদান কৰা হয়।

**৫) নমিনেশ্বন পৰীক্ষণ (Scrutiny of Nomination Paper)ঃ** নমিনেশ্বন পূৰণ কৰি ৰিটাৰ্নিং বিষয়াৰ হাতত জমা দিয়াৰ পাছত নিৰ্দিষ্ট দিনত নমিনেশ্বনসমূহ পৰীক্ষা কৰা হয় আৰু যি সকল প্ৰাৰ্থীৰ নমিনেশ্বনসমূহ বৈধ হয় সেই সকলৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা হয়।

**৬) নমিনেশ্বন প্ৰত্যাহাৰ (Withdrawal of Nominations)ঃ** নমিনেশ্বন পৰীক্ষণৰ পাছত কোনো প্ৰাৰ্থীয়ে ইচ্ছা কৰিলে নিৰ্দিষ্ট দিনৰ ভিতৰত নমিনেশ্বন প্ৰত্যাহাৰ কৰিব পাৰে আৰু এনেদৰে স্বইচ্ছাই নমিনেশ্বন প্ৰত্যাহাৰ কৰিলে সেই সকল প্ৰাৰ্থীৰ চিকিউৰিটিৰ ধন ঘুৰাই দিয়া হয়। নমিনেশ্বন প্ৰত্যাহাৰৰ পাছত যদি কেৱল এজন প্ৰাৰ্থী থাকে সেইজনক নিৰ্বাচিত বুলি ঘোযণা কৰা হয় আৰু একাধিক প্ৰাৰ্থী বাকী থাকিলে নিৰ্বাচনী প্ৰচাৰ আৰম্ভ হয়।

**৭) নিৰ্বাচনী প্ৰচাৰ (Election Campaign)ঃ** ওপৰত উল্লেখ কৰা প্ৰক্ৰিয়াবোৰ সম্পন্ন হোৱাৰ পাছত নিৰ্বাচনী প্ৰচাৰ আৰম্ভ হয়। বিভিন্ন দলবিলাকে দলীয় ইস্তাহাৰৰ জৰিয়তে জনসাধাৰণক আকৃষ্ট কৰিবৰ বাবে বিভিন্ন ধৰণৰ প্ৰতিশ্ৰুতি দিয়ে। নিৰ্দলীয় প্ৰাৰ্থীসকলে ব্যক্তিগতভাৱে নিৰ্বাচনী প্ৰচাৰ আৰম্ভভস্করে। নিৰ্বাচনী প্ৰচাৰ নিৰ্বাচনৰ ৪৮ ঘণ্টাৰ আগত বন্ধ হয়।

**৮) ভোট গ্ৰহণ (Polling Of Votes)ঃ** নিৰ্বাচনী আয়োগে ভোট গ্ৰহণৰ তাৰিখ নিৰ্দ্ধাৰণ কৰা আৰু বিভিন্ন সমষ্টি বিলাকত বহুতো ভোট গ্ৰহণ কেন্দ্ৰ স্থাপন কৰে। ভোট গ্ৰহণৰ বাবে প্ৰতিটো কেন্দ্ৰত একোজনকৈ প্ৰিজইডিং অফিচাৰ আৰু তেখেতক সহায় কৰিবলৈ প'লিং অফিচাৰ নিয়োগ কৰা হয়। নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীসকলেও ভোট গ্ৰহণৰ দিনা বিভিন্ন কেন্দ্ৰসমূহত প'লিং এজেণ্ট নিয়োগ কৰে।

**৯) ভোট গণনা আৰু ফলাফল ঘোযণা (Counting of Votes and Declaration of Results)ঃ** পূৰ্বতে ধাৰ্য কৰা দিনত ৰিটাৰ্নিং বিষয়াই ভোট গণনাৰ কাম আৰম্ভ কৰে আৰু প্ৰতিটো সমষ্টিত যি সকল প্ৰাৰ্থীয়ে গৰিষ্ঠসংখ্যক ভোট পাই সেইসকলক বিজয়ী বুলি ঘোযণা কৰা হয়।

**১০) নিৰ্বাচনী বিবাদ নিস্পত্তি (Settlement of Electoral Disputes)ঃ** নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পাছত পৰাজিত প্ৰাৰ্থী বা ভোটাৰসকলে নিৰ্বাচনী ফলাফলৰ ওপৰত উচ্চ ন্যায়ালয়ত নিৰ্দিষ্ট দিনৰ ভিতৰত প্ৰত্যাহ্বান জনাব পাৰে। উচ্চ ন্যায়ালয়ে এনে গোচৰৰ ওপৰত বিচাৰ কৰি ৰায়দান কৰিব পাৰে।

এইদৰে ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়া স্বাধীনতাৰ পাছৰ পৰাই চলি আছে যদিও বিভিন্ন সমালোচকে ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াক বিভিন্ন ধৰণে সমালোচনা কৰিছে। গৰিষ্ঠ সংখ্যক ভোট লাভ কৰিলেই ভাৰতবৰ্যত বিজয়ী ঘোযণা কৰা, নিৰ্বাচনী ক্ষমতা কেন্দ্ৰীয়কৰণ, ভোটাৰৰ নিস্পৃহতা, ৰেগিং, বাহুবল তথা টকা পইচাৰ প্ৰভাৱ, ভোটিং কেন্দ্ৰ দখল ভাৰতবৰ্যৰ নিৰ্বাচনী ব্যৱস্থাত দেখা যায় যিটো গ্ৰহণযোগ্য নহয়।

এনেধৰণে বহুতো দিশৰ পৰা ভাৰতৰ নিৰ্বাচনী ব্যৱস্থাক সমালোচনা কৰিলেও এই ব্যৱস্থা ভাৰতৰ স্বাধীনতাৰ পাছৰ পৰাই কাৰ্যকৰী কৰা হৈছে আৰু ভাৰতবৰ্য এখন শক্তিশালী গণতন্ত্ৰ হিচাপে প্ৰতিষ্ঠা হৈ আহিছে।

**৩.৪.১. নিৰ্বাচন বিধি (Code of Conduct in Elections)ঃ** নিকা আৰু স্বচ্ছ নিৰ্বাচনৰ বাবে নিৰ্বাচন আয়োগে কিছুমান নিৰ্দিষ্ট বিধি প্ৰস্তুত কৰে আৰু বলবৎ কৰে। সেই বিধি সমূহ তলত উল্লেখ কৰাৰ দৰে আলোচনা কৰিব পাৰি।

১) কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কোনো মন্ত্ৰীয়ে ক্ষমতাৰ অপব্যৱহাৰ কৰি নিজৰ দলৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাব নোৱাৰিব।

২) নিৰ্বাচনৰ সময়ত মন্ত্ৰীসকলক চৰকাৰী গাড়ী বা ষ্টাফ ব্যৱহাৰ কৰিবলৈ দিয়া নহয়।

৩) নিৰ্বাচনৰ সময়ত শান্তিপূৰ্ণ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ আইন শৃংখলা ৰক্ষা কৰিবলৈ খৰছ কৰাৰ বাহিৰে চৰকাৰে সভা সমিতি পৰা বা অন্য কাৰণত খৰছ কৰিব নোৱাৰিব।

৪) নিৰ্বাচনত ভোটদান কৰিবলৈ কোনো ভোটাৰক যি কোনো বাহনেৰে ভোট কেন্দ্ৰলৈ অনাটো এক অপৰাধ বুলি গণ্য কৰা হয়।

৫) ৰাজহুৱা ফিল্ড বা স্থান নিৰ্বাচনী প্ৰচাৰৰ বাবে ব্যৱহাৰ কৰাটো অপৰাধ হিচাপে গণ্য কৰা হয়।

৬) চৰকাৰী ধন ব্যয় কৰি যিকোনো ধৰণৰ বিজ্ঞাপন প্ৰকাশ কৰা বা চৰকাৰী মাধ্যম ব্যৱহাৰ কৰাটো এক অপৰাধ হিচাপে গণ্য কৰা হয়।

**আত্মমূল্যায়নৰ প্ৰশ্ন ঃ ৪**

১) ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ কাৰ্যকৰীকৰণৰ ওপৰত এটি টোকা লিখা।

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

২) ভাৰতৰ নিৰ্বাচন বিধিৰ ওপৰত এটি টোকা লিখা।

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

### ৩.৫ ভোটদাতাৰ আচৰণ (Voting Behaviour)ঃ

ভাৰত এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ। গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে ৰাষ্ট্ৰখনৰ শাসনভাৰ জনসাধাৰণৰ প্ৰতিনিধিসকলৰ হাতত অৰ্পন কৰা হয়। প্ৰতিনিধি নিৰ্বাচনৰ বাবে এক নিৰ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে ভাৰতৰ নিৰ্বাচনী আয়োগে নিৰ্বাচন অনুষ্ঠিত কৰে। ভাৰতবৰ্যত এতিয়াও প্ৰায় ৩০ শতাংশ লোক অশিক্ষিত আৰু অশিক্ষিত লোকসকল ভোটদানৰ ক্ষেত্ৰত সচেতন নহয়। শিক্ষিতসকলৰ ভিতৰতো এক বহুলাংশৰ ভোটদানৰ ক্ষেত্ৰতো কিছুমান নিৰ্দিষ্ট কাৰকে প্ৰভাৱ পেলোৱা দেখা যায়। ভোটদানৰ সময়ত ভোটদাতাৰ আচৰণত প্ৰভাৱ পেলোৱা কাৰকসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি।

১) ভোটদাতাসকল ভোটদানৰ ক্ষেত্ৰত সচেতন নহয় আৰু তেওঁলোকে ভোটদান কৰাটো আৱশ্যক বুলি নাভাৱে।

২) ভাৰতবৰ্যত বহুসময়ত ভোটদাতাই প্ৰলোভনত পৰিও ভোটদান কৰে। নিৰ্বাচনৰ সময়ত বহু প্ৰাৰ্থীয়ে ধনবলৰ জৰিয়তে ভোটাৰক আকৃষ্ট কৰিবলৈ যত্ন কৰাৰ লগতে ভৱিষ্যতে সহায় কৰাৰ প্ৰতিশ্ৰুতি দিয়ে আৰু বহু অংশ ভোটাৰে এনে প্ৰলোভনত পৰি সেইসকল প্ৰাৰ্থীক ভোটদান কৰে।

৩) ভোটদাতাৰ আচৰণত প্ৰভাৱ পেলোৱা আন এটা কাৰক হ'ল পৰিয়ালৰ প্ৰভাৱ। পৰিয়ালৰ মূৰব্বীজনে লোৱা সিদ্ধান্ত অনুযায়ী অন্য সদস্যসকলে ভোটদান কৰে।

৪) জাতিবাদেও ভোটদাতাৰ আচৰণত প্ৰভাৱ বিস্তাৰ কৰে। সাধাৰণতে ভোটদাতাসকলে বহু সময়ত নিজৰ নিজৰ জাতি সম্প্ৰদায়ৰ নিৰ্বাচনত প্ৰতিদ্বন্দিতা কৰা প্ৰাৰ্থীসকলক ভোট প্ৰদান কৰিবলৈ ইচ্ছুক। যোগ্যতাতকৈ ভোটদাতাসকলে জাত-পাতৰ ওপৰত অধিক গুৰুত্ব দিয়া দেখা যায়।

৫) ভোটদাতাৰ আচৰণত প্ৰভাৱ পেলোৱা আন এটা কাৰক হ'ল ভাষাবাদ। ভাৰতবৰ্ষ এখন বহু ভাযাভাষী লোকৰ বসতি প্ৰধান ৰাষ্ট্ৰ। গতিকে ৰাজনৈতিক দলবিলাকে ভাষাক ৰাজনৈতিক স্বাৰ্থপূৰণত ব্যৱহাৰ কৰিবলৈ যত্ন কৰে কাৰণে ভাষাৰ ক্ষেত্ৰত জনসাধাৰণৰ আবেগ জড়িত হৈ আছে।

৬) প্ৰাৰ্থীসকলৰ ৰাজনৈতিক আদৰ্শইও ভোটদাতাৰ আচৰণত প্ৰভাৱ পেলায়। ভোটদাতাসকলে যিবিলাক দলৰ আদৰ্শ পচন্দ কৰে সেই দলকেই ভোট দান কৰে।

৭) ৰাজনৈতিক দলবিলাকৰ নীতিয়েও ভোটদাতাৰ আচৰণত প্ৰভাৱ পেলায়। সাধাৰণতে ভোটদাতাসকলে তেওঁলোকৰ নীতি-আদৰ্শৰ লগতে মিল থকা ৰাজনৈতিক দলবিলাকৰ সপক্ষে ভোটদান কৰে।

৮) প্ৰাৰ্থীসকলৰ ব্যক্তিত্বয়ো ভোট দাতাৰ আচৰণত প্ৰভাৱ বিস্তাৰ কৰে। ব্যক্তিত্ব সম্পন্ন্ প্ৰাৰ্থীয়ে নিজৰ ব্যক্তিত্বৰ জৰিয়তে ভোটাৰ সকলক আকৃষ্ট কৰিব পাৰে।

৯) ভোটদাতাসকলে ৰাজনৈতিক দলবিলাকৰ কাৰ্যকলাপৰ ওপৰতো চকু ৰাখে। যিবিলাক ৰাজনৈতিক দলে জনসাধাৰণৰ কল্যাণৰ হকে কাম কৰে জনসাধাৰণে সাধাৰণতে সেই দলবিলাকক ভোট দান কৰে।

১০) ৰাজনৈতিক দলবিলাকৰ নিৰ্বাচনী প্ৰচাৰেও ভোটদাতাৰ আচৰণত প্ৰভাৱ বিস্তাৰ কৰে। নিৰ্বাচনী প্ৰচাৰৰ সময়ত ৰাজনৈতিক দলবিলাকে তেওঁলোকৰ দলৰ নীতি আদৰ্শৰ বিষয়ে জনগণক অৱগত কৰাৰ লগতে তেওঁলোক জয়ী হ'লে জনসাধাৰণৰ বাবে কেনেধৰণৰ কৰ্ম আঁচনি প্ৰস্তুত কৰিব তাৰো আভাস দিয়ে। ইয়াৰ দ্বাৰা জনসাধাৰণৰ বাবে কোনটো দলে গুৰুত্ব দিব উপলব্ধি কৰিব পাৰে আৰু সেই দলৰ সপেক্ষে ভোট দান কৰে।

**আত্ম মূল্যায়নৰ প্ৰশ্ন : ৫**

১) ভোটদানৰ সময়ত ভোটদাতাৰ আচৰণত প্ৰভাৱ পেলোৱা কাৰকসমূহ আলোচনা কৰা।

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

---------------------------------------------------------------------

আৰ্হি প্ৰশ্ন ঃ

১) ভাৰতৰ নিৰ্বাচন পদ্ধতিৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।
Discuss the features of Indian Election System.

২) ভাৰতৰ নিৰ্বাচন আয়োগ গঠনৰ ওপৰত এটি টোকা লিখা।
Write a not on formation of Election Commission of India.

৩) ভাৰতৰ নিৰ্বাচন আয়োগৰ ক্ষমতা আৰু কাৰ্যৱলী আলোচনা কৰা।
Discuss the Powers and functions of Election Commission of India.

৪) ভাৰতৰ নিৰ্বাচনী প্ৰক্ৰিয়াৰ কাৰ্যকৰীকৰণৰ ওপৰত এটি টোকা লিখা।

৫) নিৰ্বাচন বিধিৰ ওপৰত এটি টোকা লিখা।
Write a note on code of conduct in Electoral.

৬) ভোটদানৰ সময়ত ভোটদাতাৰ আচৰণত প্ৰভাৱ পেলোৱা কাৰকসমূহ আলোচনা কৰা।

প্ৰসংগ পুথি ঃ

১) অধ্যাপক থানেশ্বৰ লাহন - 'ভাৰতৰ চৰকাৰ আৰু ৰাজনীতি'।

২) ড০ কৃপেশ চন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক আৰু অধ্যাপক শুভাশীষ শৰ্মা - 'ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা'।

৩. P.M. Bakshi - 'The Constitution of India'.

৪. R.C. Agarwal - 'Constitutional Development and National Movement of India'.

৫. K.K. Ghai - 'Indian Government and Politics'.

# গোট - ৪

# (Unit - 4)

# সন্মিলিত চৰকাৰ

**গঠন বিন্যাস (Structure)ঃ**


৪.০ উদ্দেশ্য

৪.১ প্ৰস্তাৱনা

৪.২ সন্মিলিত চৰকাৰৰ অৰ্থ

৪.৩ সন্মিলিত চৰকাৰ গঠনৰ কাৰণ

আত্ম মূল্যায়নৰ প্ৰশ্ন

৪.৪. কেন্দ্ৰ আৰু ৰাজ্যসমূহত গঠন হোৱা সন্মিলিত চৰকাৰ

৪.৪.১. কেন্দ্ৰত সন্মিলিত চৰকাৰ

৪.৪.২. ৰাজ্যত সন্মিলিত চৰকাৰ

৪.৫ সন্মিলিত চৰকাৰৰ মূল্যায়ন

আত্ম মূল্যায়নৰ প্ৰশ্ন

৪.৬. সামৰণি

ঘাই শব্দ

পাঠ্য নিৰ্দেশনা

আত্ম মূল্যায়নৰ প্ৰশ্নৰ সম্ভাব্য উত্তৰ

আৰ্হি প্ৰশ্ন

প্ৰসংগ পুথি

## ৪.০ উদ্দেশ্য ঃ

এই গোটটো অধ্যয়ন কৰিলে তোমালোকে -

- সন্মিলিত চৰকাৰৰ অৰ্থ আৰু সন্মিলিত চৰকাৰৰ বিভিন্ন দিশ সম্পৰ্কে জানিব পাৰিবা।
- সন্মিলিত চৰকাৰ গঠনৰ কাৰণসমূহ চিনাক্ত কৰিব পাৰিবা।
- কেন্দ্ৰ আৰু ৰাজ্যত বিভিন্ন সময়ত গঠন হোৱা সন্মিলিত চৰকাৰসমূহৰ বিষয়ে অৱগত হবা।
- সন্মিলিত চৰকাৰৰ কৃতকাৰ্যতা মূল্যায়ন কৰিব পাৰিবা।

## ৪.১ প্ৰস্তাৱনা ঃ

তোমালোকে ইতিমধ্যে ৩য় গোটত ভাৰতৰ নিৰ্বাচন প্ৰক্ৰিয়া আৰু ভোটদাতাৰ আচৰণ সম্পৰ্কে জানিব পাৰিছা। ভাৰতৰ নিৰ্বাচন প্ৰক্ৰিয়া আৰু ভোটদাতাৰ আচৰণে ভাৰতীয় ৰাজনীতিত ৬০ দশকত সন্মিলিত চৰকাৰ গঠনৰ ধাৰণাটো প্ৰৱৰ্তন কৰে। বৰ্তমান ভাৰতৰ কেন্দ্ৰ আৰু কেবাখনো ৰাজ্যত সন্মিলিত চৰকাৰ বৰ্তি আছে।

এই গোটৰ আলোচনাত তোমালোকে সন্মিলিত চৰকাৰৰ অৰ্থ, এনে চৰকাৰ গঠন হোৱাৰ কাৰণ, কেন্দ্ৰত আৰু ৰাজ্যত বিভিন্ন সময়ত গঠন হোৱা সন্মিলিত চৰকাৰসমূহ আৰু ইয়াৰ মূল্যায়ন সম্পৰ্কে জানিব পাৰিবা।

সন্মিলিত চৰকাৰৰ কাৰ্য্যৱলী তথা কৃতকাৰ্য্যতা আৰু দুৰ্বলতাসমূহৰ বাস্তৱিক জ্ঞান লাভ কৰিবৰ বাবে তোমালোকে বৰ্তমান ভাৰতৰ কেন্দ্ৰীয় চৰকাৰখনৰ কাম-কাজসমূহ লক্ষ্য কৰিব পাৰা।

## ৪.২. সন্মিলিত চৰকাৰৰ অৰ্থ ঃ

সন্মিলিত চৰকাৰ শব্দটো ইংৰাজী ‘কোৱালিচ’ (Coalition) শব্দৰ প্ৰতিৰূপ। ইংৰাজী ‘কোৱালিচন’ শব্দটো লেটিন ভাষাৰ ‘কোৱালিচন’ শব্দৰ পৰা আহিছে। ইয়াৰ অৰ্থ হ’ল একেলগ হৈ সন্মিলিতভাৱে কাম কৰা।

ভাৰতত লোকসভাৰ নিৰ্বাচনত যিটো ৰাজনৈতিক দলে সংখ্যাগৰিষ্ঠ আসন লাভ কৰে সেই দলে কেন্দ্ৰত চৰকাৰ গঠন কৰিব পাৰে। কিন্তু কোনো এটা ৰাজনৈতিক দলে নিৰ্বাচনত সংখ্যাগৰিষ্ঠ আসন লাভ কৰিবলৈ সমৰ্থ নহলে দুটা বা ততোধিক ৰাজনৈতিক দল লগ হৈ সন্মিলিত চৰকাৰ গঠন কৰিব পাৰে।

যেতিয়া বিভিন্ন ৰাজনৈতিক দলে এক মিত্রজোঁটত আবদ্ধ হৈ চৰকাৰ গঠন কৰে তেনে চৰকাৰক সন্মিলিত চৰকাৰ বা মিত্ৰগোষ্ঠী চৰকাৰ বুলি অভিহিত কৰিব পাৰি। এনে মিত্ৰজোঁট নিৰ্বাচনৰ আগত বা পিছত গঠন হব পাৰে।

সাধাৰণতে দেখা যায় যে বহুদলীয় পদ্ধতি প্ৰৱৰ্তন হৈ থকা দেশত এনে চৰকাৰ গঠন হয়। সন্মিলিত চৰকাৰত দলবিলাকৰ এক উমৈহতীয়া আঁচনি থাকে। অৱশ্যে দলবিলাকৰ নিজস্ব পৰিচয়ৰ কোনো হানি বিঘিনি নহয়। দলবিলাকে সন্মিলিত চৰকাৰৰ পৰা আঁতৰি অহাত কোনো বাধ্যবাধকতা নাই।

সন্মিলিত চৰকাৰৰ এক উল্লেখনীয় দিশ হ'ল এনে চৰকাৰ ইতিবাচক বা নেতিবাচক হ'ব পাৰে। ই ইতিবাচক হয় যদিহে ৰাজনৈতিক দলবিলাকে বিকল্প চৰকাৰ গঠনৰ উদ্দেশ্যে সন্মিলিত হয়। আনহাতে যদি ৰাজনৈতিক দলসমূহে সংখ্যাগৰিষ্ঠতাৰ নামত একেলগ হৈ শাসনাধিষ্ঠ চৰকাৰৰ পতন ঘটোৱাৰ লক্ষ্য লয় তেন্তে ইয়াক নেতিবাচক হিচাপে গণ্য কৰা হয়।

সন্মিলিত চৰকাৰৰ আন এক দিশ হ'ল - মিত্ৰগোষ্ঠী গঠন কৰা দলবিলাকৰ কোনো এটা দলে চৰকাৰত অংশগ্ৰহণ নকৰি বাহিৰৰ পৰা সমৰ্থন যোগাব পাৰে। এনে ধৰণৰ মিত্ৰগোষ্ঠীক পৰোক্ষ মিত্ৰগোষ্ঠী বুলি অভিহিত কৰা হয়।

### ৪.৩. সন্মিলিত চৰকাৰ গঠনৰ কাৰণ ঃ

সন্মিলিত চৰকাৰ সাধাৰণতে তলত দিয়া কাৰণসমূহৰ বাবে গঠন হোৱা দেখা যায় -

ক) যদি বহুদলীয় ব্যৱস্থাত কোনো এটা ৰাজনৈতিক দলে নিৰ্বাচনত সংখ্যাগৰিষ্ঠ আসন লাভ কৰিবলৈ সক্ষম নহয় তেন্তে প্ৰায় একে মনোভাৱাপন্ন ৰাজনৈতিক দল কিছুমান লগ হৈ সন্মিলিত চৰকাৰ গঠন কৰে।

খ) দ্বি-দলীয় ব্যৱস্থাত যদি কোনো দলে সংখ্যাগৰিষ্ঠতা নাপায় তেন্তে কোনো এটা দলে নিৰপেক্ষ সদস্যৰ এটা গোট বা দল বাগৰা সদস্যকলৈ সন্মিলিত চৰকাৰ গঠন কৰিব পাৰে।

গ) ৰাষ্ট্ৰীয় সংকটৰ সময়ত ৰাজনৈতিক দলসমূহে তেওঁলোকৰ দলীয় সংঘাত পৰিহাৰ কৰি সন্মিলিত চৰকাৰ গঠন কৰিব পাৰে।

**আত্মমূল্যায়নৰ প্ৰশ্ন (ক)ঃ**

১) ইংৰাজী কোৱালিচন (Coalition) শব্দটো কোন ভাষাৰ পৰা আহিছে?

..................................................................................................................

২) সন্মিলিত চৰকাৰত অংশগ্ৰহণ কৰা ৰাজনৈতিক দলবিলাকৰ নিজস্ব পৰিচয় অটুট থাকেনে?

..................................................................................................................

৩) সাধাৰণভাৱে কেনেধৰণৰ দলীয় ব্যৱস্থাত সন্মিলিত চৰকাৰ গঠন হোৱা দেখা যায়?

..................................................................................................................

৪) সন্মিলিত চৰকাৰত কোনো দলে বাহিৰৰ পৰা চৰকাৰক সমৰ্থন জনাই থাকিব পাৰেনে?

..................................................................................................................

## ৪.৪. ভাৰতৰ কেন্দ্ৰ আৰু ৰাজ্যসমূহত গঠন হোৱা সন্মিলিত চৰকাৰ ঃ

### ৪.৪.১. কেন্দ্ৰত সন্মিলিত চৰকাৰ ঃ

ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছৰ ১৯৫২, ১৯৫৭ আৰু ১৯৬২ চনৰ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ দলে কেন্দ্ৰ আৰু ৰাজ্য উভয়তে নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিছিল। ১৯৬৯ চনত কংগ্ৰেছ দলে চি.পি আই.(CPI) আৰু ডি. এম. কে (DMK) দলৰ সমৰ্থনত ক্ষমতাত বৰ্তি আছিল। অৱশ্যে এই দুটা দলে কংগ্ৰেছক বাহিৰৰ পৰাহে সমৰ্থন জনাইছিল। চৰকাৰত যোগদান কৰা নাছিল।

১৯৭৭ চনৰ সাধাৰণ নিৰ্বাচনৰ পিছত পাঁচটা (৫) দলৰে গঠিত জনতা দলে মোৰাৰজী দেশাইৰ নেতৃত্বত কেন্দ্ৰত চৰকাৰ গঠন কৰে। অৱশ্যে আভ্যন্তৰীণ কন্দলৰ বাবে ২৮ মাহৰ পিছতে এই চৰকাৰ ভংগ হয়। ইয়াৰ পিছত চৰণ সিঙৰ নেতৃত্বত জনতা (এচ) আৰু কংগ্ৰেছ (ইউ) দলে সন্মিলিত চৰকাৰ গঠন কৰে য'ত কংগ্ৰেছ (আই) দলে বাহিৰৰ পৰা সমৰ্থন দিছিল। কিন্তু ১৯৮০ চনত কংগ্ৰেছ (আই) দলে সমৰ্থন প্ৰত্যাহাৰ কৰাৰ ফলত চৰণ সিঙ চৰকাৰৰ পতন ঘটে।

কেন্দ্ৰত মৰ্চা চৰকাৰ গঠনৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল ১৯৮৯ চনত গঠিত নেশ্যনেল ফ্ৰণ্ট (National Front) চৰকাৰৰ জৰিয়তে। ভি. পি. সিং নেতৃত্বাধীন নেশ্যনেল ফ্ৰণ্টে ভাৰতীয় জনতা দলৰ সমৰ্থন লৈ চৰকাৰ গঠন কৰে। অৱশ্যে এই চৰকাৰ এবছৰৰ পিছতে ভংগ হয়।

১৯৯৬ চনৰ সাধাৰণ নিৰ্বাচনত কোনো এটা ৰাজনৈতিক দলে সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম নহল। একক বৃহৎ দল হিচাপে অটল বিহাৰী বাজপেয়ীৰ

নেতৃত্বত চৰকাৰ গঠন কৰে যদিও সংসদত আস্থাৰ ভোট লাভ কৰাৰ আশা নেদেখি ১৩ দিনৰ পিছত এই চৰকাৰে পদত্যাগ কৰে। ইয়াৰ পিছত এইচ. ডি. দেৱগৌড়াৰ নেতৃত্বত কেবাটাও দলে সন্মিলিতভাৱে সংযুক্ত মৰ্চা গঠন কৰি চৰকাৰ গঠন কৰে। কিন্তু কংগ্ৰেছে এই চৰকাৰৰ প্ৰতি সমৰ্থন প্ৰত্যাহাৰ কৰাত চৰকাৰখনৰ পতন হয়। ইয়াৰ পিছত পুনৰ ইন্দ্ৰ কুমাৰ গুজৰালৰ নেতৃত্বত সংযুক্ত মৰ্চাৰ চৰকাৰ গঠন হয়। কংগ্ৰেছে গুজৰাল চৰকাৰৰ প্ৰতি থকা সমৰ্থন প্ৰত্যাহাৰ কৰাত ১৯৯৮ চনত এই চৰকাৰৰ পতন ঘটে।

১৯৯৮ চনৰ মাৰ্চ মাহত অনুষ্ঠিত লোকসভাৰ নিৰ্বাচনত ভাৰতীয় জনতা দলে সংখ্যাগৰিষ্ঠ আসন লাভ কৰি আন দুটামান দলৰ লগ হৈ সন্মিলিত চৰকাৰ গঠন কৰে। কিন্তু ১৩ মাহৰ পিছত এ. আই. ডি. এম. কে. (AIDMK) ই এই দলৰ প্ৰতি সমৰ্থন প্ৰত্যাহাৰ কৰাত সন্মিলিত চৰকাৰখনৰ পতন ঘটে।

১৯৯৯ চনৰ ত্ৰয়োদশ লোকসভা নিৰ্বাচনত কোনো এটা ৰাজনৈতিক দলে চৰকাৰ গঠন কৰাৰ জোখাৰে আসন লাভ কৰিব পৰা নাছিল। ভাৰতীয় জনতা দলে আন কেইটামান ৰাজনৈতিক দলৰ লগত নেশ্যনেল ডেমক্ৰেটিক এলায়েঞ্চ (National Democratic Alliance) নামেৰে এটা মিত্ৰজোঁট গঠন কৰি চৰকাৰ গঠন কৰে। এইখন চৰকাৰেই প্ৰথম সন্মিলিত চৰকাৰ যি চৰকাৰে পাঁচবছৰীয়া কাৰ্য্যকাল সফলতাৰে পূৰ্ণ কৰে।

২০০৪ চনৰ চতুৰ্দশ সাধাৰণ নিৰ্বাচনত কংগ্ৰেছ আৰু ইয়াৰ সহযোগী দলসমূহে সংখ্যাগৰিষ্ঠ আসন লাভ কৰি সংযুক্ত প্ৰগতিশীল মৰ্চা (United Progressive Alliance) নামেৰে কেন্দ্ৰত সন্মিলিত চৰকাৰ গঠন কৰে।

২০০৯ চনৰ পঞ্চদশ সাধাৰণ নিৰ্বাচনতো কংগ্ৰেছৰ নেতৃত্বত সংযুক্ত প্ৰগতিশীল মৰ্চাই (UPA) কেন্দ্ৰত সন্মিলিত চৰকাৰ গঠন কৰি বৰ্তমানলৈকে কাৰ্য্যভাৰ চলাই আছে।

### ৪.৪.২. ৰাজ্যত সন্মিলিত চৰকাৰ গঠন ঃ

ভাৰতৰ বিভিন্ন ৰাজ্যত সময়ে সময়ে সন্মিলিত চৰকাৰ গঠিত হৈ আহিছে। সেই বিষয়ে তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি-

১) **কেৰেলা ঃ** কেৰেলাত ১৯৫২ চনত কংগ্ৰেছ (আই)ৰ নেতৃত্বত সন্মিলিত চৰকাৰ গঠিত হৈছিল। ১৯৫৪ চনত চি .পি. আই. (CPI) নেতৃত্বৰ সন্মিলিত চৰকাৰে কংগ্ৰেছ নেতৃত্বাধীন সন্মিলিত চৰকাৰখনক পৰাজিত কৰি শাসনভাৰ গ্ৰহণ কৰে। কেৰেলাত বৰ্তমানেও সন্মিলিত চৰকাৰ বৰ্তি আছে।

২) **পশ্চিম বংগ ঃ** ১৯৭৭ চনৰ পৰা ২০১১ চনলৈকে পশ্চিম বংগত চি. প্. এম (CPM) নেতৃত্বাধীন বাওঁমৰ্চাৰ সন্মিলিত চৰকাৰে শাসনভাৰ চলাই আছিল। ২০১১ চনত তৃণমূল কংগ্ৰেছৰ নেতৃত্বত এক নতুন সন্মিলিত চৰকাৰ গঠিত হয়। বৰ্তমান এই চৰকাৰখনে শাসনভাৰ চলাই আছে।

৩) **পঞ্জাৱ ঃ** ১৯৬৭ চনৰ পঞ্জাৱ বিধানসভাৰ নিৰ্বাচনৰ পিছত আকালি দল আৰু জনসংঘৰ সহযোগিতাত সন্মিলিত চৰকাৰ গঠন হয়। ১৯৭২ চনত কংগ্ৰেছ দল ক্ষমতালৈ আহে আৰু পাঁচবছৰীয়া কাৰ্য্যকাল সম্পূৰ্ণ কৰে। ১৯৭৭ চনৰ নিৰ্বাচনত পুনৰ আকালি দল আৰু জনসংঘই সন্মিলিত চৰকাৰ গঠন কৰে। অৱশ্যে ১৯৮০ চনৰ নিৰ্বাচনত পুনৰ কংগ্ৰেছ দল ক্ষমতলৈ ঘূৰি আহে। ১৯৮৫ চনৰ পিছত পঞ্জাৱত ৰাষ্ট্ৰপতি শাসন প্ৰৱৰ্তন কৰা হয়। ১৯৯২ চনৰ নিৰ্বাচনত কংগ্ৰেছে সংখ্যাগৰিষ্ঠতা লাভ কৰি চৰকাৰ গঠন কৰে।

১৯৯৭ চনৰ পৰা ২০০২ চনলৈ আকলি দল আৰু ভাৰতীয় জনতা দলে সন্মিলিত চৰকাৰ গঠন কৰি শাসনত থাকে। ২০০২ চনৰ পৰা ২০০৭ চনলৈ কংগ্ৰেছ দল শাসনত থাকে যদিও ২০০৭ চনত পুনৰ আকালি দল আৰু বিজেপি দলৰ মিত্ৰজোঁটে শাসনভাৰ লাভ কৰে।

৪) **হাৰিয়ানা ঃ** ১৯৬৭ চনৰ নিৰ্বাচনত কংগ্ৰেছ দলে হাৰিয়ানাত চৰকাৰ গঠন কৰে। কিছুদিনৰ পিছত কংগ্ৰেছৰ কিছুমান বিদ্ৰোহী নেতাই কিছুসংখ্যক নিৰ্দলীয় বিধায়কক লৈ নবীন হাৰিয়ানা দল গঠন কৰে। তাৰপিছত জনসংঘ আৰু স্বতন্ত্ৰ দলে বাহিৰৰ পৰা আগবঢ়োৱা সমৰ্থনেৰে এখন সন্মিলিত অ-কংগ্ৰেছী চৰকাৰ গঠন কৰে। অৱশ্যে এইখন চৰকাৰ খুব কম সময়ৰ বাবেহে বৰ্তি থাকে।

১৯৭৭ চনৰ নিৰ্বাচনৰ পিছত হাৰিয়ানাত দেবী লালৰ নেতৃত্বত এখন সন্মিলিত চৰকাৰ গঠিত হয়।

১৯৮৭ চনত লোক দল আৰু বিজেপিৰ দ্বাৰা গঠিত মিত্ৰজোঁটৰ সন্মিলিত চৰকাৰে শাসনভাৰ গ্ৰহণ কৰে। ১৯৯৬ চনত হাৰিয়ানা বিকাশ দল, বিজেপি আৰু কিছুমান নিৰ্দলীয় সদস্যৰ এক মিত্ৰজোঁটে হাৰিয়ানাত সন্মিলিত চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়।

উপৰোক্ত চাৰিখন ৰাজ্যৰ উপৰিও ভাৰতৰ অন্য কিছুমান ৰাজ্যতো সন্মিলিত চৰকাৰ গঠন হোৱা দেখা যায়। উদাহৰণস্বৰূপে, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, কৰ্ণাটক,

মণিপুৰ, অসম, জন্মু আৰু কাশ্মীৰ আদি ৰাজ্যত সময়ে সময়ে সন্মিলিত চৰকাৰ গঠন হোৱা দেখা গৈছে।

**৪.৫. সন্মিলিত চৰকাৰৰ মূল্যায়ন ঃ**

সন্মিলিত চৰকাৰ ব্যৱস্থা সমালোচনাৰ উৰ্দ্ধত নহয়। এনে চৰকাৰৰ কিছুমান দোষ থকা দেখা যায়। সেইবিলাক হ'ল -

১) সন্মিলিত চৰকাৰ অস্থায়ী প্ৰকৃতিৰ। এনে চৰকাৰ যিকোনো সময়তে ভংগ হ'ব পাৰে।

২) সন্মিলিত চৰকাৰত মন্ত্ৰীসভাৰ সদস্য সংখ্যা বৃদ্ধি কৰিব লগা হোৱাৰ বাবে ৰাজহুৱা ধনৰ অপচয় হয়।

৩) সন্মিলিত চৰকাৰ বৰ্তাই ৰাখিবৰ বাবে দুৰ্নীতি পৰায়ণ নেতাকো মন্ত্ৰীসভাত স্থান দিবলগীয়া হয়।

৪) সন্মিলিত চৰকাৰত আভ্যন্তৰীণ সংঘাতৰ পৰিমাণ বেছি হয়। ভিন্ন মতাদৰ্শৰ ৰাজনৈতিক দল থকা বাবে এনে চৰকাৰত কোনো কোনো বিষয়ত প্ৰায়ে মতপাৰ্থক্য হোৱা দেখা যায়।

৫) সন্মিলিত চৰকাৰ এক দুৰ্বল চৰকাৰ। এনে চৰকাৰৰ প্ৰধান দল তথা প্ৰধান মন্ত্ৰীজনে আন দলবোৰক সন্তুষ্টি দিবৰ বাবে বহুতো কাম অনিচ্ছাস্বত্তেও কৰিব লগা হয়।

৬) সন্মিলিত চৰকাৰে বৈদেশিক সম্পৰ্ক ৰক্ষাৰ ক্ষেত্ৰতো সবলভাবে কাম কৰিব নোৱাৰে।

৭) সন্মিলিত চৰকাৰ ব্যৱস্থাই দল বাগৰা ৰাজনীতিক উৎসাহিত কৰে।

৮) সন্মিলিত চৰকাৰে প্ৰায়ে স্পষ্ট নীতি গ্ৰহণত অসুবিধাৰ সন্মুখীন হ'ব লগা হয়। এনে চৰকাৰে সকলো বিষয়তে সহযোগী দলবোৰৰ সন্তুষ্টি অসন্তুষ্টিৰ প্ৰতি লক্ষ্য ৰাখি কাম কৰিব লগা হয়।

সন্মিলিত চৰকাৰৰ উপৰোক্ত ধৰণৰ দোষ ত্ৰুটি থাকিলেও ইয়াৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। সন্মিলিত চৰকাৰে সংসদীয় গণতন্ত্ৰত ৰাজনৈতিক দলবোৰক এক বিকল্প চৰকাৰ গঠনৰ সুবিধা প্ৰদান কৰে আৰু গণতান্ত্ৰিক ব্যৱস্থাক পতন ঘটাৰ পৰা সুৰক্ষা প্ৰদান কৰে।

**আত্মমূল্যায়নৰ প্ৰশ্ন (খ)ঃ**

১) কেন্দ্ৰত কোন চনত প্ৰথম সন্মিলিত চৰকাৰ গঠন হৈছিল?

..............................................................................................................

২) নেশ্যনেল ফ্ৰণ্ট (National Front) চৰকাৰ কেতিয়া গঠন হৈছিল?

..............................................................................................................

৩) কেন্দ্ৰত কোনখন সন্মিলিত চৰকাৰে প্ৰথম পাঁচবছৰীয়া কাৰ্যকাল সম্পূৰ্ণ কৰে?

..............................................................................................................

৪) সন্মিলিত চৰকাৰৰ এটা প্ৰধান দোষ উল্লেখ কৰা।

..............................................................................................................

## ৪.৬. সামৰণি ঃ

এই গোটটো আলোচনা কৰাৰ পিছত তোমালোকে নিশ্চয় বুজি পাইছা যে সন্মিলিত চৰকাৰ কেবাটাও সমমনোভাৱাপন্ন ৰাজনৈতিক দল লগ লাগি গঠিত হয়। এই দলবিলাকে এক উমৈহতীয়া আঁচনি গ্ৰহণ কৰি মিত্ৰজোঁটত আৱদ্ধ হৈ চৰকাৰ গঠন কৰে। এনে মিত্ৰজোঁট নিৰ্বাচনৰ আগত বা পিছত গঠন হ'ব পাৰে। সন্মিলিত চৰকাৰ গঠনৰ বিভিন্ন কাৰণ থাকিব পাৰে। তাৰ ভিতৰত এটা প্ৰধান কাৰণ হ'ল যদি কোনো এটা ৰাজনৈতিক দলে নিৰ্বাচনত চৰকাৰ গঠনৰ জোখাৰে আসন লাভ নকৰে তেন্তে কেবাটাও দল লগ লাগি সন্মিলিতভাৱে চৰকাৰ গঠন কৰে। ভাৰতত ১৯৯৯ আৰু ২০০৪ চনত গঠিত হোৱা সন্মিলিত চৰকাৰে কেন্দ্ৰত সম্পূৰ্ণ পাঁচবছৰীয়া কাৰ্য্যকাল সম্পূৰ্ণ কৰিছে। আকৌ ২০০৯ চনত গঠন হোৱা সন্মিলিত চৰকাৰখনেও পাঁচ বছৰীয়া কাৰ্য্যকাল সম্পূৰ্ণ কৰাৰ পথত আগ বাঢ়িছে। ভাৰতৰ ৰাজনীতিত ই এক উল্লেখযোগ্য ঘটনা হিচাপে পৰিগণিত হৈছে। সন্মিলিত চৰকাৰ অস্থায়ী, ব্যয়বহুল, দুৰ্বল, অধিক আভ্যন্তৰীণ সংঘাতপূৰ্ণ আদি দোষেৰে ভাৰক্ৰান্ত যদিও ইয়াৰ গুৰুত্ব কোনোপধ্যে অস্বীকাৰ কৰিব নোৱাৰি। বৰ্তমান সন্মিলিত চৰকাৰক গণতান্ত্ৰিক পৰম্পৰা ৰক্ষা কৰা এক প্ৰধান আহিলাস্বৰূপ বুলি আখ্যা দিব পাৰি।

**ঘাই শব্দাৱলী ঃ**

**মিত্ৰজোঁট ঃ** কেবাটাও সমমনোভাৱাপন্ন ৰাজনৈতিক দল লগ লাগি গঠন কৰা এটা গোট।

**দ্বি-দলীয় ব্যৱস্থা ঃ** ৰাজনৈতিক প্ৰক্ৰিয়াত মাত্ৰ দুটা দলে অংশ গ্ৰহণ কৰা ব্যৱস্থা।

**বহুদলীয় ব্যৱস্থা ঃ** ৰাজনৈতিক প্ৰক্ৰিয়াত বহুতো ৰাজনৈতিক দলে অংশগ্ৰহণ কৰা ব্যৱস্থা।

**পাঠ্য নিৰ্দেশনা ঃ**

১) ডঃ থানেশ্বৰ লাহন - 'ভাৰতৰ ৰাজনীতি আৰু চৰকাৰ'',
ষ্টুডেণ্ট এম্পৰিয়াম, ডিব্ৰুগড়, ২০০৬.

২) ড০ কৃপেশ চন্দ পাল, প্ৰতুল চন্দ্ৰ নায়ক- 'ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা''
অৰুণ প্ৰকাশন, ২০১০.

৩) পুৰন্দৰ গগৈ - 'ভাৰতীয় সংবিধান আৰু চৰকাৰ'',
বনলতা, ২০০৮.

৪) Prakash Chander - "Indian Government and Politics",
Cosmos Bookhive (P) Ltd. 2001.

**আত্মমূল্যায়ন প্ৰশ্ন সাম্ভাৱ্য উত্তৰ (ক)ঃ**

১) লেটিন ভাষা।

২) থাকে।

৩) বহুদলীয় ব্যৱস্থা।

৪) পাৰে।

**আত্মমূল্যায়ন প্ৰশ্ন সাম্ভাৱ্য উত্তৰ (খ)ঃ**

১) ১৯৭৭ চনত।

২) ১৯৮৯ চনত।

৩) ভাৰতীয় জনতা দলৰ নেতৃত্বত নেশ্যনেল ডেমক্ৰেটিক এলায়েঞ্চ (National Democratic Alliance)।

৪) সন্মিলিত চৰকাৰ অস্থায়ী প্ৰকৃতিৰ।

**আদৰ্শ প্ৰশ্নাৱলী ঃ**

১) সন্মিলিত চৰকাৰ ধাৰণাটোৰ অৰ্থ ব্যাখ্যা কৰা।

২) সন্মিলিত চৰকাৰ গঠনৰ তিনিটা কাৰণ লিখা।

৩) কেন্দ্ৰত সন্মিলিত চৰকাৰ গঠন সম্পৰ্কে আলোচনা কৰা।

৪) কেন্দ্ৰত ১৯৯৬ চনৰ পৰা বৰ্তমানলৈকে গঠন হোৱা সন্মিলিত চৰকাৰৰ কৃতকাৰ্য্যতাৰ সম্পৰ্কে লিখা।

৫)  সন্মিলিত চৰকাৰৰ চাৰিটা দোষ লিখা।

৬)  সন্মিলিত চৰকাৰ অস্থায়ী প্ৰকৃতিৰ - ব্যাখ্যা কৰা।

৭)  সন্মিলিত চৰকাৰৰ মূল্যাঙ্কন কৰা।

৮)  ভাৰতীয় ৰাজনীতিত সন্মিলিত চৰকাৰ ব্যৱস্থাই এক গতি লাভ কৰিছে বুলি তুমি ভাবানে ? যুক্তি দৰ্শোৱা।

**প্ৰসংগ পুথিঃ**


১)  K. K. Ghai ঃ Indian Government and Politics,
Kalyani Publishers, New Delhi, 2012.

২)  Mohendra Prasad Singh and Anil Mishra (ed) ঃ
Coalition Politics in India, Manohar, 2006.

৩)  Dr. T. Lahon ঃ Bharotor Rajniti Aru Sarkar,
Students Emporium, Dibrugarh, 2006.

৪)  Ajoy K. Mehra ঃ Political Parties Systems,
Sage, New Delhi, 2004.

৫)  ড০ কৃপেশ চন্দ্ৰ পাল, প্ৰতুল চন্দ্ৰ নায়ক ঃ ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা,
অৰুণ প্ৰকাশন, ২০১০.

৬)  A.S. Narang ঃ Indian Government and Politics,
Gitanjali Publishing House, New Delhi, 1997.


*****